UG ED S1 01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

শিক্ষাৰ নীতি আৰু তত্ত্ব

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী

ইন্দ্রানী কলিতা আৰু **ড° ৰীতিমণি বৰদলৈ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়-অৰিহণা যোগাইছে		*ভাষান্তৰকাৰী*
১	**ড° বীৰেন্দ্র ডেকা** নির্মল হালৈ মহাবিদ্যালয় পাটাচাৰকুছি, বৰপেটা	**ড° বীৰেন্দ্র ডেকা** নির্মল হালৈ মহাবিদ্যালয় পাটাচাৰকুছি, বৰপেটা
২	**ড° নীলিমা ডেকা** এল চি বি মহাবিদ্যালয়	
৩	**ড° পূৰৰী বৈশ্য** শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়	
৪	**ৰীতিমণি বৰদলৈ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
৫,৬	**ড° পূৰৰী বৈশ্য** শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়	**নিবেদিতা শর্মা** প্রবক্তা, শিক্ষা বিভাগ, প্রভিঞ্চ কলেজ, গণেশগুৰি
৭	**ড° বীৰেন্দ্র ডেকা**	**নিবেদিতা শর্মা**
৮,৯,১০,১১	**ড° নীলিমা ডেকা**	**অর্চনা অধিকাৰী**
১২	**ড° ৰীতিমণি বৰদলৈ**	**ড° প্রণৱ শইকীয়া**
১৩,১৫	**ইন্দ্রানী কলিতা**	**গীতাঞ্জলী মেধি**
১৪	**ড°নীলিমা ডেকা**	**গীতাঞ্জলী মেধি**

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ **অধ্যাপিকা ডেইজী বৰা তালুকদাৰ,** ডিব্রুগড় বিশ্ববিদ্যালয়
ড° সাধনা গোস্বামী, কটন মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ **ড° গীতাঞ্জলী তালুকদাৰ,** প্রবক্তা, অসমীয়া বিভাগ, পূব বংশৰ মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ **ইন্দ্রানী কলিতা** আৰু **ড° ৰীতিমণি বৰদলৈ**

প্রকাশ ঃ জুলাই ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-**৭৮১ ০২২; Web : www.kkhsou.in**

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **শিক্ষাৰ অর্থ আৰু ধাৰণা** ৭-২৩
শিক্ষাৰ অর্থ আৰু সংজ্ঞা, শিক্ষাৰ প্রক্রিয়া, শিক্ষাৰ প্রকাৰঃ আনুষ্ঠানিক, অনৌপচাৰিক আৰু অনানুষ্ঠানিক আৰু শিক্ষাৰ পৰিসৰ।

অধ্যায় ২ ঃ **শিক্ষাৰ লক্ষ্যসমূহ** ২৪-৫২
শক্ষাৰ লক্ষ্যসমূহৰ প্রয়োজনীয়তা, শ্রেণীভুক্তকৰণ আৰু বৈশিষ্ট্যসমূহ, এখন গণতন্ত্রত শিক্ষাৰ লক্ষ্যসমূহ।

অধ্যায় ৩ ঃ **বিদ্যালয় আৰু সম্প্রদায়ৰ সম্বন্ধ** ৫৩-৬৯
বিদ্যালয় আৰু সমাজৰ মাজত সম্পর্ক, ইয়াৰ নির্ভৰশীলতা, বিদ্যালয়ৰ কামবোৰ, গৃহৰ কামবোৰ, গৃহ আৰু বিদ্যালয়ৰ মাজত সম্বন্ধ, বিদ্যালয় এখন ক্ষুদ্র সমাজ, আমাৰ শৈক্ষিক ঐতিহ্য বা পৈতৃকতা।

অধ্যায় ৪ ঃ **পাঠ্যক্রম** ৭০-৮৬
পাঠ্যক্রমৰ অর্থ আৰু ধাৰণা, ইয়াৰ প্রকাৰসমূহ, দোষসমূহ, প্রাথমিক আৰু মাধ্যমিক পর্যায়ত পাঠ্যক্রম প্রস্তুতিৰ মূল নীতিসমূহ।

অধ্যায় ৫ ঃ **ৰাষ্ট্রীয় সংহতিৰ বাবে শিক্ষা** ৮৭-৯৮
জাতীয় সংহতিৰ অর্থ, জাতীয় সংহতিৰ প্রয়োজনীয়তা, জাতীয় সংহতিৰ লক্ষ্য জাতীয় সংহতিৰ বাবে শিক্ষা।

অধ্যায় ৬ ঃ **আন্তর্জাতিক বুজাপৰাৰ বাবে শিক্ষা** ৯৯-১১০
আন্তর্জাতিক বুজাপৰাৰ অর্থ, ইয়াৰ প্রয়োজনীয়তা, ইয়াৰ মূল নীতিসমূহ আন্তর্জাতিক বুজাপৰাৰ উপায় হিচপে শিক্ষা।

অধ্যায় ৭ ঃ **মূল্যবোধৰ শিক্ষা** ১১১-১২৭
মূল্যবোধ শিক্ষাৰ অর্থ, উদ্দেশ্যসমূহ, ইয়াৰ প্রয়োজন আৰু গুৰুত্ব, মূল্যবোধ শিক্ষাৰ প্রকাৰসমূহ আৰু ইয়াৰ বিভিন্ন কার্যাৱলী আৰু সিহঁতৰ সুবিধাসমূহ।

অধ্যায় ৮ ঃ দর্শনৰ সত্র হিচাপে আদর্শবাদ **১২৮-১৪১**
দর্শনৰ অর্থ, দর্শনৰ আধাৰত প্রতিষ্ঠিত শিক্ষাৰ দিশসমূহ, শিক্ষা আৰু দর্শনৰ সম্পর্ক, আদর্শবাদ আৰু ইয়াৰ শৈক্ষিক নীতিসমূহ, আদর্শবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ।

অধ্যায় ৯ ঃ দর্শনৰ সত্র হিচাপে প্রকৃতিবাদ **১৪২-১৫৩**
প্রকৃতিবাদৰ অর্থ, প্রকৃতিবাদৰ মৌলিক নীতিসমূহ, প্রকৃতিবাদৰ প্রকাৰসমূহ প্রকৃতিবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ, আদর্শবাদ আৰু প্রকৃতিবাদৰ মাজৰ প্রভেদ, শিক্ষাৰ ক্ষেত্রত প্রকৃতিবাদৰবৰঙণি।

অধ্যায় ১০ ঃ দর্শনৰ সত্র হিচাপে প্রয়োগবাদ **১৫৪-১৬৫**
প্রয়োগবাদ দর্শনৰ ধাৰণা, প্রয়োগবাদ দর্শনৰ মৌলিক নীতিসমূহ, প্রয়োগবাদৰ প্রকাৰসমূহ , প্রয়োগবাদ আৰু শিক্ষক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ, শিক্ষাৰ ক্ষেত্রত প্রয়োগবাদৰ বৰঙণি।

অধ্যায় ১১ ঃ দর্শনৰ সত্র হিচাপে অস্তিত্ববাদ **১৬৬-১৭৪**
অস্তিত্ববাদৰ ধাৰণা, অস্তিত্ববাদৰ গ্রহণযোগ্য ধাৰণাসমূহ ,অস্তিত্ববাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ।

অধ্যায় ১২ ঃ মহাত্মা গান্ধী আৰু তেওঁৰ শৈক্ষিক অৱদান **১৭৫-১৮৭**
মোহন দাস কৰম চাদ গান্ধী চমু পৰিচয়, গান্ধীজীৰ শিক্ষাৰ ধাৰণা,শিক্ষাৰ লক্ষ্য,বুনিয়াদী শিক্ষা,পাঠ্যক্রম, শিক্ষাৰ পদ্ধতি, বিনামূলীয়া বাধ্যতামূলক শিক্ষা, ধর্মীয় আৰু নৈতিক শিক্ষা, মহিলাৰ শিক্ষা

অধ্যায় ১৩ ঃ স্বামী বিবেকানন্দ আৰু তেওঁৰ শৈক্ষিক চিন্তা **১৮৮-২০২**
মূল্যবোধ শিক্ষাৰ অর্থ, উদ্দেশ্যসমূহ, ইয়াৰ প্রয়োজন আৰু গুৰুত্ব, মূল্যবোধ শিক্ষাৰ প্রকাৰসমূহ আৰু ইয়াৰ বিভিন্ন কার্যাৱলী আৰু সিহঁতৰ সুবিধাসমূহ

অধ্যায় ১৪ ঃ মাৰিয়া মণ্টেচ্চ'ৰীৰ শৈক্ষিক চিন্তা **২০৩-২১৭**
ইয়াৰ উদ্দেশ্য, পৰিচয় আৰু অর্থ, শিক্ষা দর্শনৰ মূল সত্রসমূহ অথবা সম্প্রদায়সমূহ

অধ্যায় ১৫ ঃ ফ্র'বেল আৰু তেওঁৰ শৈক্ষিক চিন্তা **২২০-২৩২**
ইয়াৰ উদ্দেশ্য, পৰিচয়, শিক্ষা দর্শনৰ প্রধান সত্রসমূহ অথবা সম্প্রদায়সমূহ

পাঠ্য বিষয়ৰ পৰিচয় ঃ — শিক্ষাৰ নীতি আৰু তত্ত্ব

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত শিক্ষা বিষয়টি অন্তৰ্ভুক্ত কৰা হৈছে। শিক্ষাৰ পৰিসৰ বহল আৰু ই হৈছে এক জীৱনযোৱা প্ৰক্ৰিয়া। শিক্ষা শব্দটিৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'এডুকেশ্যন'(Education)। Education- শব্দটো লেটিন শব্দ 'এডুচেয়াৰ' (Educere) আৰু এডুকেয়াৰ (Educare) শব্দৰ পৰা উদ্ভৱ হৈছে, যাৰ অৰ্থ হ'ল — মানুহৰ অন্তৰ্নিহিত গুণসমূহ পূৰ্ণভাৱে বিকশিত কৰি তোলা। এজন মানুহ হিচাপে আমি শিক্ষাৰ মৌলিক অৰ্থ জনাটো বাঞ্ছনীয়। কিয়নো শিক্ষা এটা জাতিৰ, এখন সমাজৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ। প্ৰকৃত শিক্ষাই মানুহৰ ব্যক্তিত্বক গতিশীল কৰি তোলে। এই পাঠ্যবিষয়ৰ জৰিয়তে আপুনি শিক্ষাৰ বিষয়ে এক বিস্তৃত ধাৰণা লাভ কৰিব। ইয়াৰোপৰি শিক্ষাই মানুহক নিজৰ সম্প্ৰদায়, সমাজ, জাতি আৰু বৃহত্তৰ বিশ্বৰ লগত খাপ খাব পৰাকৈ তথা সমাজ আৰু দেশৰ উন্নতিৰ হকে কাম কৰি যাবলৈ উৎসাহ প্ৰদান কৰে।

খণ্ড-পৰিচয় ঃ

এই পাঠ্যক্ৰমত, প্ৰথম অধ্যায়টোত শিক্ষাৰ অৰ্থ আৰু ধাৰণাৰ লগত শিক্ষাৰ সংজ্ঞা, নীতি প্ৰকাৰ আৰু পৰিসৰ সন্নিৱিষ্ট কৰা হৈছে। দ্বিতীয় অধ্যায়টোত শিক্ষাৰ বিভিন্ন লক্ষ্যসমূহৰ গুৰুত্ব নিৰ্ধাৰণ আৰু চিনাক্তকৰণ কৰা হৈছে। তৃতীয় অধ্যায়টোত বিদ্যালয় আৰু সম্প্ৰদায়ৰ সম্বন্ধৰ ধাৰণা আৰু বিদ্যালয় আৰু গৃহৰ মাজৰ কাৰ্য আৰু সম্বন্ধৰ কথা ব্যাখ্য কৰিছে। এইবোৰৰ উপৰিও শৈক্ষিক ঐতিহ্য বা পৈতৃকতাৰ বিৰৰণ, শিক্ষাৰ মাধ্যমত শৈক্ষিক ঐতিহ্যৰ মূল দিশসমূহ, গাঁথনিগত ধাৰা আৰু প্ৰেৰণ আৰু অগ্ৰগতি সম্পৰ্কে ইয়াত উপস্থাপন কৰা হৈছে। চতুৰ্থ অধ্যায়ত পাঠ্যক্ৰমৰ বিভিন্ন প্ৰকাৰ আৰু আসোঁৱাহ আৰু প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ পাঠ্যক্ৰম প্ৰস্তুতিৰ বিভিন্ন নীতিসমূহ সন্নিৱিষ্ট কৰা হৈছে। পঞ্চম অধ্যায়ত ৰাষ্ট্ৰীয় সংহতিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বৰ্ণনা কৰা হৈছে। ষষ্ঠ অধ্যায়টোত আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আৰু ৰাষ্ট্ৰৰ বাহিৰত আন্তৰ্জাতিক বুজাপৰাৰ বাবে শিক্ষাৰ ভূমিকা সম্পৰ্কে উপস্থাপন কৰা হৈছে। সপ্তম অধ্যায়টোত মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা লগতে মূল্যবোধৰ লগত জড়িত কাৰ্যসমূহ চিনাক্ত কৰা হৈছে।অষ্টম, নৱম, দশম আৰু একাংশ অধ্যায়ত চাৰিটা প্ৰধান দাৰ্শনিক স্কুল য'ত আদৰ্শবাদ, প্ৰকৃতিবাদ, প্ৰয়োগবাদ আৰু অস্তিত্ববাদৰ জৰিয়তে দৰ্শন আৰু শিক্ষাৰ মাজৰ সম্বন্ধ দেখুওৱা হৈছে। ইয়াতে শিক্ষাৰ ক্ষেত্ৰখনৰ চাৰিজন মহান চিন্তাবিদ আৰু শিক্ষাবিদৰ জীৱন শৈলী আৰু শিক্ষা দৰ্শন উল্লেখ কৰা হৈছে। দ্বাদশ অধ্যায়ত মহাত্মা গান্ধী আৰু তেওঁৰ শিক্ষামূলক চিন্তাধাৰা উল্লেখ কৰা হৈছে। ত্ৰয়োদশ অধ্যায়ত স্বামী বিবেকানন্দৰ জীৱন বুৰঞ্জী আৰু দাৰ্শনিক আৰু শিক্ষামূলক চিন্তাধাৰাৰ প্ৰতিফলন উল্লেখ কৰা হৈছে। চতুদৰ্শ অধ্যায়ত মাৰিয়া মণ্টেশ্বৰীৰ শিক্ষামূলক মন্তব্যৰ প্ৰতিফলনৰ আৰু পঞ্চদশ অধ্যায়ত ফ্ৰ'বেলৰ জীৱন শৈলীৰ সৈতে শিক্ষা দৰ্শন বৰ্ণনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'সম্ভাব্য প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ঃ শিক্ষাৰ অর্থ আৰু ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ শিক্ষাৰ অর্থ আৰু সংজ্ঞাসমূহ

১.৩.১ শিক্ষাৰ অর্থ

১.৩.২ শিক্ষাৰ সংজ্ঞাসমূহ

১.৪ শিক্ষাৰ প্রক্রিয়া

১.৫ শিক্ষাৰ প্রকাৰ

১.৬ শিক্ষাৰ পৰিসৰ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- শিক্ষা শব্দটোৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- শিক্ষাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- শিক্ষাৰ প্রকাৰসমূহ শ্রেণীভুক্ত কৰিবলৈ সমর্থ হ'ব
- আনুষ্ঠানিক, অনৌপচাৰিক আৰু অনানুষ্ঠানিক শিক্ষাৰ অর্থ আৰু ধাৰণাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- শিক্ষাৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টোৱে আমাক শিক্ষাৰ কিছুমান মূল ধাৰণাৰ লগত চিনাকি কৰি দিব। অধ্যায়টোৱে সামৰি লোৱা দিশবোৰ হ'ল— শিক্ষাৰ অর্থ, সংজ্ঞা, প্রক্রিয়া, শিক্ষাৰ প্রকাৰসমূহ আৰু শিক্ষাৰ পৰিসৰ। শিক্ষার্থী হিচাপে আমি শিক্ষা শব্দটোৱে কি বুজাই তাক জানিব লাগিব। শিক্ষাক কিয় গুৰুত্বপূর্ণ বিষয় হিচাপে ধৰা হয় আৰু ইয়াৰ প্রকাৰবোৰৰ স্থান কেনেধৰণৰ তাক জনাটো দৰকাৰ হ'ব। শিক্ষা শব্দটোৱে বহু বিস্তৃত পৰিসৰক সামৰি লৈছে আৰু নানাধৰণৰ আদর্শক অন্তর্ভুক্ত কৰিছে। শিক্ষাক এটি অন্তহীন প্রক্রিয়া বুলি অভিহিত কৰা হয় আৰু ই প্রয়োজন অনুসাৰে

বস্তুবোৰ সংশোধন কৰি লয়। শিক্ষা হ'ল এবিধ গতিশীল প্ৰক্ৰিয়া আৰু ই সমাজৰ কৰ্ম সম্পাদন কৰে। শিক্ষাৰ ক্ষেত্ৰখন বহুত বহল আৰু বিস্তৃত ধৰণৰ। শিক্ষা এনেকুৱা এটি ধাৰণা যিটোৰ মাধ্যমত মানুহে তেওঁলোকৰ চিন্তাধাৰা আৰু যুক্তি, সমস্যা সমাধানৰ দক্ষতা, সৃষ্টিশীলতা, বুদ্ধি প্ৰৱণতা, যোগাত্মক দৃষ্টিভংগী, অনুভৱজনিত চিন্তা, কৌশল, মূল্যবোধ আৰু ভাবভংগী আদিৰ উন্নতি সাধন কৰিব পাৰে। শিক্ষাই মানৰ আচৰণৰ সংশোধন ঘটাই মানুহক সামাজিক, নৈতিক আৰু আধ্যাত্মিক জীৱ হিচাপে পৰিগণিত কৰে। মানুহে প্ৰত্যেক দিনে প্ৰত্যেক মুহূৰ্তত বিভিন্ন কথা শিকিবলগীয়া আৰু আহৰণ কৰিবলগীয়া হয়। সেয়েহে, শিক্ষাক অবিৰত প্ৰক্ৰিয়া হিচাপে অভিহিত কৰা হয় আৰু ই সদায় বিকাশমুখী হৈ থকা সমাজখনত মানুহক জীৱনধাৰণত অৰিহণা যোগায়।

১.৩ শিক্ষাৰ অর্থ আৰু সংজ্ঞাসমূহ

১.৩.১ শিক্ষাৰ অর্থ

শিক্ষাৰ প্ৰকৃত অর্থ হ'ল জ্ঞান আহৰণ কৰা। মানুহৰ আচৰণ আৰু প্ৰবৃত্তিসমূহক যিমানখিনি পাৰি সংশোধন কৰি মানুহক এটি বিশেষ জীৱ হিচাপে পৰিগণিত কৰাটোৱে শিক্ষাৰ উদ্দেশ্য। অতীতৰপৰা বর্তমানলৈ শিক্ষাৰ অর্থৰ বিষয়ে বিভিন্ন জনে বিভিন্ন ধৰণে মত পোষণ কৰিছে। সেয়েহে শিক্ষাৰ প্ৰকৃত অর্থ জ্ঞান আহৰণ কৰাতে সীমাবদ্ধ হৈ থকা নাই। ইয়াৰ অর্থ ব্যাপক তথা বিস্তৃত বুলি কোৱা হয়। মানুহৰ সামাজিক জীৱন আৰম্ভ হোৱাৰ লগে লগে শিক্ষাৰো আৰম্ভ হৈছিল। সেই সামাজিক জীৱনৰ মাধ্যমেৰে মুখিয়াল লোকসকলে সমাজৰ সদস্যসকলক প্ৰয়োজন অনুসাৰে নানাধৰণৰ শিক্ষা প্ৰদান কৰিছিল। আধুনিক সমাজৰ দৰে জটিলতা নথকা হেতুকে অতীতৰ সমাজ ব্যৱস্থাৰ শিক্ষা প্ৰণালীও অতি সহজ আছিল। সময়ৰ পৰিৱর্তনৰ লগে লগে সমাজৰ পৰিৱর্তন হ'ল। সভ্যতাৰ প্ৰগতি আৰু দেশৰ প্ৰয়োজন অনুসৰি শিক্ষা পদ্ধতিৰো পৰিৱর্তন সাধন হ'ল। শিক্ষা আধুনিক সমাজৰ এবিধ মূল আহিলা হিচাপে পৰিগণিত হ'ল, কাৰণ অতীতৰ সংস্কৃতি আৰু সভ্যতাক শিক্ষাৰ দ্বাৰাহে জানিব বা উপলব্ধি কৰিব পাৰি।

শিশুৱে জন্ম লাভ কৰিয়েই কোনো অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম নহয়। বাকশক্তি আৰু অংগ-প্ৰত্যঙ্গবোৰ পৰিপুষ্ট আৰু সবল হোৱাৰ লগে লগে শিশুৱে আধা ফুটা মাতেৰেই কথা ক'বলৈ আৰম্ভ কৰে। পৰিয়ালৰ মাধ্যমত শিশু ডাঙৰ-দীঘল হয়। মাক, দেউতাক আৰু পৰিয়ালৰ আন আন সদস্যসকলৰপৰা শিশুৱে নতুন নতুন কথা শিকে আৰু অভিজ্ঞতা আহৰণ কৰে। এইদৰে কিছুদিনৰ ভিতৰতে শিশুৱে প্ৰায় সকলোখিনি প্ৰয়োজনীয় জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। নানা ধৰণৰ পৰিস্থিতি আৰু অৱস্থাৰ মাধ্যমত শিশুৱে নিজৰ ভাব প্ৰকাশ কৰাৰ ক্ষমতা আয়ত্ব কৰি লয়। সুস্থ, সবল, সুখী আৰু সফল জীৱন যাপন কৰিবলৈ মানুহক বহু বিষয়ৰ

জ্ঞান লাগে। সকলোখিনি জ্ঞান অকল অভিজ্ঞতাৰ মাধ্যমেৰে আয়ত্ব কৰাটো সহজ নহয়। তাৰবাবে প্রয়োজন হৈ পৰে শিক্ষানুষ্ঠানৰ। নির্দিষ্ট অনুষ্ঠানৰ যোগেদিহে প্রয়োজনীয় জ্ঞানৰাশি আহৰণ কৰিব পাৰি।

শিক্ষা মানুহৰ জীৱনৰ এটা প্রধান অবিচ্ছেদ্য অংগ। ইয়াৰ অবিহনে মানুহৰ জীৱন অসম্পূর্ণ হৈ ৰয়। শিক্ষা এক জীৱন প্রবাহ আৰু গতিশীল ধাৰণা। শিক্ষাৰ প্রকৃত অর্থ উদ্‌ঘাটনৰ আলোচনা, সমালোচনা আজিও অন্ত পৰা নাই। তেওঁলোকে মত প্রকাশ কৰিছে যে ই এক মানৱ জীৱনৰ ধাৰাবাহিক প্রবাহ হোৱা হেতুকে সমাজ ব্যৱস্থাৰ সালসলনিৰ লগে লগে ইয়াৰ অর্থ সম্পর্কীয় সূত্রৰো সলনি ঘটিছে। শিক্ষাৰ মাধ্যমেৰে মানুহে নতুন চিন্তা আৰু সাংস্কৃতিক ধাৰণাৰ লগতে জীৱনৰ নতুন পথ বিচাৰি, বুদ্ধি আৰু জ্ঞানৰ বিস্তাৰ কৰি জগতৰ ভাল-বেয়া বিচাৰ কৰাৰ শক্তি লাভ কৰিব পাৰে।

শিক্ষাৰ ইংৰাজী প্রতিশব্দ হ'ল 'Education'। এই ইংৰাজী 'Education' শব্দটো লেটিন ভাষাৰ দুটা শব্দ 'E' আৰু 'Duco'ৰ পৰা উৎপত্তি হোৱা বুলি জনা যায়। 'E'ৰ অর্থ হৈছে 'out of' অর্থাৎ 'য'ৰ পৰা' আৰু 'Duco'ৰ অর্থ হৈছে 'I lead' অর্থাৎ 'মই আগুৱাই যাওঁ।' ইয়াৰ অর্থ হৈছে য'ৰ পৰা অথবা যি অন্তর্নিহিত শক্তিৰ পৰা মই বিকাশ লাভ কৰো সেয়ে শিক্ষা। এই ক্ষেত্রত শিক্ষাক এক অন্তর্নিহিত শক্তি স্বৰূপে গণ্য কৰা হৈছে। অন্যহাতে, আন এটা লেটিন শব্দ 'Educare'ৰ পৰা 'Education' শব্দটো উৎপত্তি হৈছে বুলিও কোৱা হয়। ইয়াৰ অর্থ হৈছে 'to lead out' অথবা 'to draw out' অর্থাৎ 'বিকশাই তোলা। ইয়াৰ উপৰিও 'Education' শব্দটোৰ 'Educatum' শব্দটোৰ লগত সম্পর্ক আছে। ইয়াৰ অর্থ হ'ল শিক্ষাদান কার্য সম্পন্ন কৰা (Act of Teaching)।

শিক্ষাৰ ঠেক আৰু বহল অথবা সংকীর্ণ আৰু ব্যাপক অর্থ

শিক্ষাৰ অর্থ সাধাৰণতে দুবিধ। ইয়াক ঠেক বা সংকীর্ণ আৰু বহল বা ব্যাপক অর্থত ব্যৱহাৰ কৰা হয়।

সংকীর্ণ অর্থত শিক্ষা মানে শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত লাভ কৰা গতানুগতিক শিক্ষা ব্যৱস্থাকে বুজায়। এই অর্থত শিক্ষাদান কৰে মাত্র শিক্ষক আৰু শিক্ষয়িত্রীয়েহে। সংকীর্ণ অর্থত শিক্ষা মাত্র শিক্ষানুষ্ঠানৰ পাঠ্যক্রমৰ মাজতে সীমাবদ্ধ। এনেধৰণৰ শিক্ষাদান আৰু আহৰণ কার্য আনুষ্ঠানিক নিয়ম-কানুনৰ দ্বাৰা পৰিচালিত হয়। ছাত্র-ছাত্রীসকল শিক্ষানুষ্ঠানত প্রৱেশ কৰাৰ লগে লগে এই শিক্ষাৰ আৰম্ভণি হয় আৰু শিক্ষা শেষ নোহোৱা পর্যন্ত ই চলিয়েই থাকে। অনুষ্ঠানভেদে এই অর্থৰ শিক্ষাৰ মানদণ্ড নির্ণয় কৰা হয়। এইধৰণৰ অর্থই ব্যক্তিক শিক্ষাৰ জৰিয়তে নিজৰ বুদ্ধি-বৃত্তি অনুযায়ী নির্দিষ্ট পথত আগবাঢ়ি যাবলৈ অনুপ্রেৰণা যোগায়। সংকীর্ণ অর্থত শিক্ষা আহৰণ কার্য জীৱনৰ আগভাগত শিক্ষানুষ্ঠানতে শেষ হয় বুলি কোৱা হয়। ইয়াত জ্ঞানৰ

অর্থ হ'ল মানুহে নানা ধৰণেৰে আহৰণ কৰি পুথিৰ আকাৰত সঞ্চয় কৰি ভৱিষ্যত বংশধৰ সকলৈলৈ সঞ্চয় কৰা। ইয়াকে শিক্ষাৰ সংকীর্ণ অর্থ বুলি কোৱা হয়। সংকীর্ণ শিক্ষা হ'ল—

- আনুষ্ঠানিক শিক্ষা
- সময়ৰ ভিতৰত সম্পূর্ণ কৰা
- স্থিতিশীল পাঠ্যক্রম আধাৰিত
- শিক্ষককেন্দ্রীক

শিক্ষাৰ বহল অর্থ মতে শিক্ষা হ'ল এটা জীৱনজোৰা প্রক্রিয়া মাথোন। আমেৰিকাৰ বিখ্যাত মনিষী জন ডিউইয়ে কৈছে যে শিক্ষা কেৱল মানুহৰ জীৱনৰ এক নির্দিষ্টকালত বা বয়সত লাভ কৰা নির্দিষ্ট জ্ঞানৰাশি, নির্দিষ্ট অভিজ্ঞতা বা প্রশিক্ষণ নহয়। ইয়াৰ অর্থ ভৱিষ্যৎ জীৱনৰ প্রস্তুতিকৰণো নহয়। শিক্ষা হ'ল অবিৰামভাৱে চলি থকা এটা জীৱনজোৰা দীঘলীয়া পদ্ধতি বা প্রক্রিয়া। এই শিক্ষা জীৱনৰ যিকোনো পৰিস্থিতিতে আহৰণ কৰিব পাৰি। ব্যাপক অর্থত শিক্ষা যিকোনো ব্যক্তিৰপৰা অথবা যিকোনো মাধ্যমৰ জৰিয়তে ল'ব পাৰি। এই শিক্ষা পাঠ্যক্রমৰ মাজতে সীমাবদ্ধ নহয়। এই অর্থৰ মতে জীৱনৰ আৰম্ভণিতে শিক্ষা আৰম্ভ হয় মৃত্যুৰ আগমুহূর্তলৈ ই চলিয়েই থাকে। এই অর্থত নিজৰ জীৱনত প্রত্যক্ষ অভিজ্ঞতাৰ মাধ্যমেৰে লাভ কৰা জ্ঞানকে প্রকৃত শিক্ষা বুলি কোৱা হয়।

বহল অর্থৰ শিক্ষা হ'ল—

- শিক্ষণৰ জীৱনজোৰা প্রক্রিয়া।
- জীৱনৰ সকলো ধৰণৰ অভিজ্ঞতাপূর্ণ।
- নির্দিষ্ট পাঠ্যক্রম আৰু পদ্ধতি নাই।
- স্থিতিশীলতাৰ পৰা মুক্ত।
- মিলি যাব পৰা প্রক্রিয়া।

১.৩.২ শিক্ষাৰ সংজ্ঞা

বর্তমান গতিশীল সমাজৰ আমূল পৰিৱর্তনৰ লগত সংগতি ৰাখি বিভিন্ন শিক্ষাবিদ তথা চিন্তাবিদসকলে বিভিন্ন পৰিবেশৰ মাজত দিয়া সংজ্ঞাবোৰ আমি এইক্ষেত্রত উল্লেখ কৰিব পাৰো। প্রাচীন শিক্ষাবিদ চক্রেটিছ, প্লেটো, এৰিষ্টটল আদিৰ মতে মানুহৰ মানসিক উন্নতিৰ বাবে যি প্রচেষ্টা সেয়ে শিক্ষা। **প্লেটোৰে** কৈছে, "শিক্ষা হ'ল উপযুক্ত সময়ত সুখ-দুখ অনুভৱ কৰিব পৰা ক্ষমতা। ই ছাত্রৰ দেহ আৰু আত্মাৰ সকলো সৌন্দর্যৰ বিকাশ আৰু সম্ভাব্যপূর্ণতা আনি দিয়ে।" **এৰিষ্টটলৰ** মতে, "শিক্ষাই সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে।" বিখ্যাত সমাজবাদী দার্শনিক তথা শিক্ষাবিদ **জন ডিউইয়ে** শিক্ষাক অভিজ্ঞতাৰ পুনৰ নির্মাণ অর্থাৎ তেওঁৰ মতে জীৱনটো হৈছে

ক্রমবিকাশ আৰু ক্রমবিকাশৰেই আন এটি নাম জীৱন। শিক্ষা হ'ল জীৱনজোৰা ক্রমবিকাশৰ প্রণালী। আনহাতে ব্যক্তিপ্রধান লক্ষ্যক সমর্থন কৰি **ছাৰ পার্চি নানে** কৈছে যিহেতু প্রত্যেক মানুহৰে জীৱনৰ আদর্শ বেলেগ আৰু যিহেতু প্রত্যেক মানুহৰে জীৱনৰ লগত শিক্ষাৰ ঘনিষ্ঠ সম্বন্ধ, শিক্ষাৰ এটা সার্বজনীন লক্ষ্য হ'ব নোৱাৰে। গতিকে আমি এনে ধৰণৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে যি শিক্ষাই মানুহৰ ব্যক্তিত্বৰ পূর্ণবিকাশ ঘটাব পাৰে। চিন্তাবিদ **পেষ্টালজীয়ে** কৈছে শিক্ষা মনোবিজ্ঞানসন্মত হোৱা উচিত আৰু ই শিশুসকলৰ প্রকৃতিৰ লগত সংযোজন হ'ব লাগিব। তেওঁৰ মতে আনুষ্ঠানিক শিক্ষাক ঘৰুৱা পৰিবেশত পৰিণত কৰিলেহে শিশুৰ অন্তর্নিহিত শক্তিৰ বহির্প্রকাশ হ'ব। নিচেই কেঁচুৱা অৱস্থাৰপৰা মৃত্যুকাললৈকে ব্যক্তিৰ ওপৰত প্রভাৱ পেলোৱা সমস্ত অভিজ্ঞতাই শিক্ষাৰ অন্তর্ভুক্ত। **স্বামী বিবেকানন্দই** কৈছিল "মানুহৰ অন্তর্নিহিত পূর্ণতাৰ বাহ্যিক বিকাশেই হ'ল শিক্ষা।" **ছাৰ জন আডামচ** নামৰ শিক্ষাবিদগৰাকীয়ে কৈছে আচলতে শিক্ষা হৈছে এনে এটা প্রক্রিয়া যাৰ দ্বাৰা এজন ব্যক্তিৰ বিকাশ সম্ভৱ হৈ উঠে। সেইদৰেই আমাৰ জাতিৰ পিতা মহামানৱ **মহাত্মা গান্ধীয়ে** কৈছিল "শিক্ষাৰ দ্বাৰা মই শিশুৰ দৈহিক, মানসিক, আধ্যাত্মিক সকলো প্রকাৰৰ বিকাশৰ কথা বুজো।" কবিগুৰু **ৰবীন্দ্র নাথ ঠাকুৰৰ** উক্তিটো শিক্ষাৰ এনে ধাৰণাই প্রকাশ পায়। তেওঁৰ মতে "শিক্ষা হৈছে চৰম সত্য বিচাৰি উলিওৱাত মনক সক্ষম কৰি তোলা যিয়ে আমাক এই বিশ্বব্রহ্মাণ্ডৰ বন্ধনৰ পৰা মুক্ত কৰিব পাৰে। শিক্ষাই আমাক দিয়ে সম্পদ, যি সম্পদ কোনো এবিধ বস্তু নহয়, এক অন্তর্জ্যোতিহে, যি এক শক্তি নহয়, প্রেম ভালপোৱাহে।"



জানি থোৱা ভাল

- শিক্ষা হ'ল এবিধ উদ্দেশ্যপূর্ণ প্রক্রিয়া। শিক্ষক আৰু শিক্ষার্থী উভয়ে উদ্দেশ্য বা লক্ষ্যত উপনীত হোৱাৰ বাবে প্রচেষ্টা চলায়।
- শিক্ষা হ'ল মানৱ ব্যক্তিত্বৰ সকলোবোৰ দিশ পূর্ণ সুসামঞ্জস্যভাবে বিকশিত কৰা এটা প্রক্রিয়া।
- ঠেক অর্থত শিক্ষা হ'ল শিক্ষানুষ্ঠানভিত্তিক আৰু বহল অর্থত শিক্ষা হ'ল এটা অবিৰত প্রক্রিয়া।
- শিক্ষক আৰু শিক্ষার্থীয়ে হ'ল সমগ্র শিক্ষা ব্যৱস্থাটোৰ অংশগ্রহণকাৰী।


আমি শিক্ষাৰ অর্থ নির্ণয় কৰাৰ বাবে বহুকেইটা সংজ্ঞা আলোচনা কৰিলোঁ। কিন্তু বর্তমানৰ পৰিপ্রেক্ষিতত শিক্ষাবিদ Reden's ৰ সংজ্ঞা, ''Education is the deliberate and systematic influence exerted by the mature person upon the immature, through instruction, discipline and harmonious development of physical,

intellectual, aesthetic, social and spiritual powers of the human being, according to individual and social needs and directed towards the union of the educand with his creator as the final end.''

১.৪ শিক্ষাৰ প্ৰক্ৰিয়াসমূহ


শিক্ষাৰ অর্থ আৰু সংজ্ঞাসমূহক অধিকভাৱে বোধগম্য কৰিবলৈ শিক্ষাবিদসকলে শিক্ষাক তিনিটা প্ৰক্ৰিয়াত ভাগ কৰিছে। প্ৰক্ৰিয়াকেইটা হ'ল—

- **শিক্ষাৰ দ্বিপাক্ষিক পদ্ধতি ঃ** শিক্ষা প্ৰণালীটোক এটা দ্বিপক্ষীয় প্ৰণালী বুলি কোৱা হয়। বিখ্যাত শিক্ষাবিদ ছাৰ জন পাশ্চাত্যৰ শিক্ষাবিদে হিচাপে অভিহিত ব্যক্তি থাকে— শিক্ষক দুয়োৰো পাৰস্পৰিক আৰু শিক্ষকৰ চৰিত্ৰই



আদামছ আৰু আন কিছুমান শিক্ষাক দ্বিকেন্দ্ৰিক কৰ্ম কৰিছে। শিক্ষাত দুই প্ৰকাৰৰ আৰু শিক্ষার্থী। এওঁলোক অপৰিহার্য সম্বন্ধ স্থাপন হয় শিক্ষার্থীৰ চৰিত্ৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। শিক্ষকেও শিক্ষার্থীৰপৰা নতুন নতুন অভিজ্ঞতা লাভ কৰে, ফলত দুয়োপক্ষই নতুন নতুন গুণাৱলী, নতুন কৌশল, জ্ঞান আৰু অভ্যাস শিকে। তাৰ উপৰি শিক্ষকৰ ব্যক্তিত্বই এই পাৰস্পৰিক সম্বন্ধৰ মাজেৰেই শিক্ষার্থীৰ গঢ়ি উঠিব খোজা ব্যক্তিত্বক প্ৰভাৱান্বিত কৰে। শিক্ষকে প্ৰয়োগ পদ্ধতি অৱলম্বন নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীৰ পাঠদানৰ ভিতৰলৈ সোমাই ল'ব পাৰে।


- **শিক্ষাৰ ত্ৰিপাক্ষিক পদ্ধতি ঃ** শিক্ষাক ত্ৰিপক্ষীয় পদ্ধতি বুলিও কোৱা হয়। শিক্ষা প্ৰক্ৰিয়াটো বাস্তৱমুখী হৈ পৰে সামাজিক পৰিবেশখিনি পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তালৈ শিক্ষার্থীসকলৰ প্ৰচেষ্টা চলায়।



শিক্ষার্থী, শিক্ষক আৰু পৰিবেশৰ মাধ্যমত। সামাজিক প্ৰক্ৰিয়াটোৰ মাজলৈ আহে মাধ্যমত। সমাজৰ লক্ষ্য ৰাখি শিক্ষকে ব্যক্তিত্বক বিকাশ কৰিবলৈ শিক্ষক আৰু শিক্ষার্থী উভয়ৰ প্ৰচেষ্টাৰ ফলত নির্দিষ্ট লক্ষ্যত উপনীত হোৱাত সামাজিক শক্তিৰ প্ৰভাৱ পৰিবেশৰ মাধ্যমেৰে আহি পৰে। এনেদৰে ত্ৰিপাক্ষিক প্ৰক্ৰিয়া সম্পাদিত হয়।

- **শিক্ষা এক গতিশীল প্ৰক্ৰিয়া ঃ** শিক্ষা হ'ল এবিধ গতিশীল প্ৰক্ৰিয়া। ই ব্যক্তিসকলৰ

বিকাশত অৰিহণা যোগায়। শিক্ষাই পৰিৱর্তিত সময়, সমাজ আৰু স্থানৰ মতে সুন্দৰ নতুন সামাজিক অৱস্থাৰ পুনৰ গঠন কৰে। সেই বাবে শিক্ষাক সময়, স্থান আৰু সামাজিক পৰিৱর্তনৰ লগত সম্বন্ধিত বুলি ক'ব পাৰি। শিক্ষা প্রক্রিয়াটোৱে গতিশীল ধাৰণাৰ মাধ্যমত ব্যক্তি সকলক আৰু তেওঁলোকে যিখন সমাজত বাস কৰে সেই সমাজখনক বিকশিত কৰি তোলে।





জানি থোৱা ভাল

- শিক্ষা হ'ল এটা দ্বিপাক্ষিক প্রক্রিয়া। শিক্ষক আৰু শিক্ষার্থী হ'ল ইয়াৰ দুটা পক্ষ।
- শিক্ষা হ'ল এটা ত্রিপাক্ষিক প্রক্রিয়া। পক্ষ তিনিটা হ'ল শিক্ষক, শিক্ষার্থী আৰু পৰিবেশ।
- শিক্ষা হ'ল এক গতিশীল আৰু অবিৰত প্রক্রিয়া। ব্যক্তি আৰু সমাজৰ বাবে ই কাম কৰি যায়।



চিন্তা-চর্চা কৰকঃ ১.১

আপোনাৰ মতে শিক্ষাৰ এটা উপযুক্ত সংজ্ঞা লিখক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শিক্ষা কি?

.....

.....

.....

প্রশ্ন নং ২ঃ শিক্ষা (Education) শব্দটো ক'ৰপৰা অনা হৈছে?

.....

.....

.....

প্ৰশ্ন নং ৩ঃ Reden ৰ সংজ্ঞাটো উল্লেখ কৰক।

.....

.....

.....

১.৫ শিক্ষাৰ প্ৰকাৰসমূহ

শিক্ষাৰ অর্থ আৰু ধাৰণাৰ বিষয়ে বুজ লোৱাৰ পিছত আমি শিক্ষাৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰোহঁক। শিক্ষাৰ প্ৰকাৰসমূহ হ'ল তলত দিয়া ধৰণৰ—

শিক্ষাৰ প্ৰকাৰসমূহ

আনুষ্ঠানিক অনানুষ্ঠানিক অনৌপচাৰিক

আনুষ্ঠানিক শিক্ষা (Formal Education)

সচেতন আৰু স্বতঃস্ফূৰ্ত পৰিকল্পনাৰে কোনো এটা নির্দিষ্ট উদ্দেশ্যত উপনীত হোৱাৰ বাবে আমাৰ আচৰণসমূহৰ সংশোধন কৰা পদ্ধতিকেই আনুষ্ঠানিক শিক্ষা বোলা হয়। এই ব্যৱস্থাত নির্দ্ধাৰিত সময়সূচী, নিয়ম প্ৰণালী, পাঠ্যক্ৰম পৰীক্ষা ব্যৱস্থা, অনুশাসন আদি প্ৰয়োগ কৰা হয়। সভ্যতাৰ উদ্ভৱ, বিজ্ঞান আৰু কাৰিকৰী উন্নতিৰ লগে লগে আমাৰ সমাজ ব্যৱস্থাত অধিক জটিল ৰূপত দেখা দিছে। এই সমাজ ব্যৱস্থাত খাপ খুৱাই ল'বৰ বাবে আমাক প্ৰশিক্ষণৰ প্ৰয়োজন হৈছে আৰু সেয়েহে এক আনুষ্ঠানিক শিক্ষাৰো প্ৰয়োজন। এই শিক্ষাৰ আৰম্ভণি আৰু পৰিসমাপ্তি থাকে। এই শিক্ষা ব্যৱস্থা বিভিন্ন স্তৰত নিয়ন্ত্রিত। ইয়াক প্ৰদান কৰাৰ বাবে বিভিন্ন স্কুল আৰু এক সুস্থ নির্দেশৰ বাবে শিক্ষক নামৰ এক বিশেষ ব্যক্তিৰ প্ৰয়োজন। অনুষ্ঠানত ভর্তি কৰাৰ লগে লগেই শিশু এক নিয়ন্ত্রিত পৰিৱেশত সোমাই পৰে। শিক্ষক আৰু অনুষ্ঠানৰ নিয়ন্ত্রিত পৰিৱেশে শিশুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু তাতেই শিশুৰ চৰিত্ৰ আৰু আচৰণৰ সংশোধন ঘটে। ইয়াৰ উপৰিও কোনো এক বিশেষ শ্ৰেণীত নিয়ম-শৃংখলাৰ মাজেৰে পোৱা শিক্ষাকো আনুষ্ঠানিক শিক্ষা বোলে। শিক্ষার্থীয়ে এই শিক্ষাৰদ্বাৰা বিশ্ববিদ্যালয়ৰ উপাধি, বিশ্ববিদ্যালয়ৰ প্ৰমাণ পত্র, উপাধি-পত্র আদি লাভ কৰিবলৈ সক্ষম হয়। থোৰতে ইয়াকেই ক'ব পাৰি যে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাধ্যমেৰে আয়ত্ত কৰা শিক্ষাকেই আনুষ্ঠানিক শিক্ষা বোলে। ইয়াৰ মূল দিশবোৰ হ'ল—

- ইয়াৰ পূর্ব পৰিকল্পিত লক্ষ্য থাকে
- শিক্ষকে মূখ্য ভূমিকা পালন কৰে
- নির্দিষ্ট পাঠ্যক্ৰম থাকে

- সময়ভিত্তিক
- পৰীক্ষাকেন্দ্রিক
- ই ডীগ্রী, ডিপ্ল'মা, চাৰ্টিফিকেট আদি প্রদান কৰে

অনানুষ্ঠানিক শিক্ষা (Informal Education)

অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা হ'ল অনুষ্ঠানৰ চাৰিবেৰৰ বাহিৰত মানৰ শিশুৱে পৰিয়ালৰ অন্য সদস্যসকলৰ লগত থাকি লাভ কৰা শিক্ষা। এই শিক্ষাই সামাজিক, অর্থনৈতিক, ক্রীড়া-কৌতুক আদি দিশৰ শিক্ষাও সামৰি লয়। অনানুষ্ঠানিক শিক্ষাৰ প্রতি শিক্ষার্থীৰ মন শীঘ্রে আকর্ষিত হয়। এই শিক্ষা ব্যৱস্থাত কোনো ধৰাবন্ধা কার্যসূচী বা সময়ৰ তালিকা নাই। সামাজিক জীৱনৰ বিভিন্ন প্রক্রিয়া আৰু পৰোক্ষ শিক্ষা প্রতিষ্ঠানসমূহৰ পৰা এই শিক্ষা সম্প্রসাৰিত হৈ মানৰ শিশুৰ ওপৰত প্রতিফলিত হয়। এই শিক্ষা প্রণালীত শিক্ষার্থীয়ে অনুভৱ কৰে যে আমি যি কাম কৰি আছো, সেই কামে আমাৰ লগতে সমাজৰ অন্য ব্যক্তিসকলৰো উপকাৰ সাধন কৰিব। সাধাৰণতে এই শিক্ষা ব্যৱস্থাত কোনো বাধ্যতামূলক ব্যৱস্থাৰ উদ্ভৱ অলপো নহয়। এই শিক্ষা ব্যৱস্থাত কোনোধৰণৰ কৃত্রিম আহিলা-পাতিৰ আৱশ্যক নাই যিয়ে শিক্ষার্থীক আগ্রহান্বিত কৰিব।

- পূর্ব পৰিকল্পিত নহয়
- ঘটনাক্রমে সংঘটিত হয়
- ই জীৱনজোৰা প্রক্রিয়া
- নির্দিষ্ট পাঠ্যক্রম, শিক্ষাদানৰ পদ্ধতি নাথাকে
- ইয়াত কোনো ধৰণৰ পৰীক্ষা, ডীগ্রী, ডিপ্ল'মা, বা চার্টিফিকেট প্রদান কৰা নহয়।

আনুষ্ঠানিক শিক্ষা আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজত থকা পার্থক্য

আমি আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ বিষয়ে কৰা আলোচনাৰ পৰা বুজি পালো যে দুয়োবিধ শিক্ষাৰ মাজত পার্থক্য আছে। পার্থক্যকেইটা হ'ল তলত উল্লেখ কৰা ধৰণৰ—

- আনুষ্ঠানিক শিক্ষাৰ অর্থ আৰু সামৰণিৰ আনুষ্ঠানিকতা আছে আনহাতে অনানুষ্ঠানিক শিক্ষাৰ তেনেধৰণৰ অর্থ আৰু শেষ অৱস্থা নাই।
- আনুষ্ঠানিক শিক্ষাত অর্হতাসম্পন্ন শিক্ষক আৰু নির্দিষ্ট শিক্ষার্থী থাকে কিন্তু অনানুষ্ঠানিক শিক্ষাত শিক্ষক আৰু শিক্ষার্থীৰ ব্যৱস্থা নাথাকে।
- আনুষ্ঠানিক শিক্ষাত শিক্ষক আৰু শিক্ষার্থী উভয়ে প্রক্রিয়াটোৰ ক্ষেত্রত সজাগ আনহাতে অনানুষ্ঠানিক শিক্ষাত কোনো পক্ষৰে সজাগতা পৰিলক্ষিত নহয়।
- আনুষ্ঠানিক শিক্ষাৰ নির্দিষ্ট পঠনীয় বিষয় থাকে, সময় তালিকা থাকে কিন্তু অনানুষ্ঠানিক শিক্ষাত কোনো পাঠ্যক্রম আৰু সময় তালিকা নাথাকে।
- আনুষ্ঠানিক শিক্ষাৰ লগত কোনো সংগঠন জড়িত হৈ থাকে কিন্তু অনানুষ্ঠানিক শিক্ষাৰ অন্তৰালত কোনো সংগঠন জড়িত হৈ নাথাকে।

- আনুষ্ঠানিক শিক্ষা সম্প্রসাৰণ হয় বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পর্যায়ত আনহাতে অনানুষ্ঠানিক শিক্ষাৰ কোনো নির্দিষ্ট স্থান নাথাকে।
- আনুষ্ঠানিক শিক্ষাই পৰীক্ষাৰ মাধ্যমেৰে প্রমাণ পত্র প্রদান কৰে আনহাতে অনানুষ্ঠানিক শিক্ষাত পৰীক্ষাও নাথাকে আৰু প্রমাণ পত্রও দিয়া নহয়।
- আনুষ্ঠানিক শিক্ষাৰ আৰম্ভণিৰ লগতে শেষ আছে কিন্তু অনানুষ্ঠানিক শিক্ষাৰ আদিও নাই আৰু অন্তও নাই।
- আনুষ্ঠানিক শিক্ষাৰ বাবে শিক্ষার্থীয়ে কষ্ট কৰিব লাগে আনহাতে অনানুষ্ঠানিক শিক্ষা প্রাকৃতিক; ইয়াত শিক্ষার্থী সম্পূর্ণৰূপে মুক্ত।

অনৌপচাৰিক শিক্ষা (Non-formal Education)

প্রয়োজন আৰু স্বতঃস্ফূর্তভাৱে নিজ আচৰণ সংশোধন কৰাকেই অনৌপচাৰিক শিক্ষা বোলে। এই শিক্ষাত কোনো পূর্বপৰিকল্পিত আঁচনি নাই, কোনো বিশেষ অনুষ্ঠানৰ প্রয়োজন নহয় আৰু ইয়াৰ কোনো বিশেষ লক্ষ্য নাই। এই শিক্ষা ব্যৱস্থাৰদ্বাৰা সমাজৰ বিভিন্ন ব্যক্তিক বিবিধ কার্যসূচীৰ সহায়ত সামাজিক জীৱনৰ কাৰণে প্রয়োজনীয় শিক্ষা, জ্ঞান আৰু দক্ষতা দান কৰা হয়। ইয়াৰ সংজ্ঞা দিবলৈ হ'লে ক'ব পাৰি যে আনুষ্ঠানিক শিক্ষাৰ বাহিৰত সমাজৰ বিভিন্ন বয়স আৰু শ্রেণীৰ লোকৰ বাবে ব্যৱস্থা কৰা পৰিকল্পিত শিক্ষাই হ'ল অনৌপচাৰিক শিক্ষা ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাত কোনো পৰিকল্পিত পাঠদান বা পাঠ্যক্রম নাই। এই শিক্ষা আনুষংগিক আৰু ইয়াক সমাজত বাস কৰা আন ব্যক্তিৰ আচৰণ-বিধিৰ জৰিয়তে নিজ আচৰণ সংশোধন কৰি আয়ত্ব কৰা হয়। এই শিক্ষা নৈমিত্তিক আৰু আমাৰ ক্রিয়া-প্রক্রিয়াৰ জৰিয়তে আহৰণ কৰা দৈনিক অভিজ্ঞতাসমূহ। অনৌপচাৰিক শিক্ষা ব্যৱস্থাৰ কোনো সময়সীমা নাই বা প্রয়োজন নহয়, ই জন্মৰ সময়ৰপৰা মৃত্যুৰ মুহূর্তলৈ বিয়পি থাকে। এই শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্য হ'ল আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰপৰা বঞ্চিত সমাজৰ বিভিন্ন ব্যক্তিৰ শিক্ষাৰ চাহিদা পূৰণ কৰা। এই শিক্ষাই সামৰি লোৱা দিশবোৰ হ'ল—


- মুক্ত শিক্ষা
- ডাকযোগে শিক্ষা
- মুক্ত বিশ্ববিদ্যালয়
- যোগাযোগ পাঠ্যক্রম
- অভিৰর্তন, অনাতাঁৰ কার্যসূচী, দূৰদর্শন কার্যক্রম ইত্যাদি।

অনৌপচাৰিক শিক্ষাৰ মূল উদ্দেশ্য ঃ

অনৌপচাৰিক শিক্ষাৰ মূল উদ্দেশ্যসমূহ হ'ল—

- সার্বজনীন শিক্ষাৰ প্রসাৰ ঘটোৱা।

- আনুষ্ঠানিক শিক্ষাৰ বাহিৰত থকা দুখীয়া, অনগ্ৰসৰ আৰু বঞ্চিতজনৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰা।
- উৎপাদনমুখী আৰু কৰ্মমুখী শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা।
- সামাজিক চেতনা, নাগৰিকত্ববোধ আৰু পৰিবেশ সচেতনতা বৃদ্ধি কৰা।
- জাতীয় উন্নয়নমূলক কাৰ্য আৰু আঁচনিৰ লগত এনে শিক্ষাৰ সংযোগ ঘটোৱা।
- এনে শিক্ষাৰ দ্বাৰা নতুন এদল নেতৃত্ব দান কৰিবপৰা লোকক শিক্ষা আৰু প্ৰশিক্ষণ দান কৰা।
- পাঠ্যক্ৰমত ক্ৰীড়ামূলক কাৰ্যক্ৰম অন্তৰ্ভুক্ত কৰি আনন্দদায়ক অভিজ্ঞতা দান কৰা।
- শিক্ষাৰ্থীক ভাষা জ্ঞান, সংখ্যাৰ জ্ঞান, পৰিৱেশ অধ্যয়ন, সহজ বিজ্ঞানৰ বিষয়ে অৱগত কৰোৱা।
- ৰাষ্ট্ৰীয় বিকাশত অৰিহণা যোগাব পৰাকৈ উপযুক্ত শিক্ষা দান কৰা।
- নিম্ন আৰ্থ-সামাজিক গোটৰ ব্যক্তিৰ বাবে সাধাৰণ শিক্ষা প্ৰদান কৰাৰ লগতে শিক্ষা আধৰুৱা হৈ থকা সকলক আনুষ্ঠানিক শিক্ষাৰ ওচৰ চপাই অনা।
- পাঠ্যক্ৰম সম্পূৰ্ণভাৱে পৰিবেশভিত্তিক কৰি পৰিবেশ সচেতনতা বৃদ্ধি কৰা।



জানি থোৱা ভাল

- আনুষ্ঠানিক শিক্ষাৰ উদ্দেশ্য হ'ল পূৰ্বপৰিকল্পিত।
- অনানুষ্ঠানিক শিক্ষা হ'ল ঘটনাপ্ৰৱাহৰ মাধ্যমেৰে অহা আৰু ই পূৰ্বপৰিকল্পিত নহয়।
- অনৌপচাৰিক শিক্ষা হ'ল আনুষ্ঠানিক শিক্ষাৰ বিকল্প পদ্ধতি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ কোনবোৰ অনুষ্ঠানৰ মাধ্যমত আনুষ্ঠানিক শিক্ষা প্ৰদান কৰা হয়?

.....

.....

প্ৰশ্ন নং ৫ঃ অনানুষ্ঠানিক শিক্ষা মানে কি?

.....

.....

প্ৰশ্ন নং ৬ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজৰ দুটা ব্যৱধান উল্লেখ কৰক।


.....

.....

প্ৰশ্ন নং ৭ঃ অনৌপচাৰিক শিক্ষা কাৰ বাবে?

.....

.....



চিন্তা-চৰ্চা কৰকঃ ১.২

অনৌপচাৰিক শিক্ষাৰ শিক্ষাৰ্থী হিচাপে অনৌপচাৰিক শিক্ষা যে মুক্ত শিক্ষণ পদ্ধতিৰ শিক্ষা তাক আপুনি কেনেদৰে অনুভৱ কৰিব? যদি আপুনি ইয়াক সমৰ্থন কৰে যুক্তি দিয়ক।

.....

.....

.....

অনানুষ্ঠানিক শিক্ষাৰ কেইটামান উদাহৰণ দিয়ক।

.....

.....

.....

১.৬ শিক্ষাৰ পৰিসৰ


শিক্ষা সম্পৰ্কীয় সংজ্ঞাসমূহত শিক্ষাবিদসকলে দিয়া মতামতক লৈ শিক্ষাৰ বিষয়বস্তু বা পৰিসৰৰ ধাৰণা কৰিবপৰা যায়। প্ৰায়বোৰ শিক্ষাবিদে শিশুৰ সৰ্বাংগীণ বিকাশ পদ্ধতিকেই শিক্ষা বুলি কৈছে। ইয়ালৈ লক্ষ্য কৰিলে শিশুৰ অন্তৰ্নিহিত সুপ্ত গুণসমূহক যি পদ্ধতিৰদ্বাৰা বাহিৰলৈ প্ৰকাশ কৰি বিকশিত কৰা হয় তাকেই শিক্ষা বোলে। ইয়াৰ দ্বাৰা শিশুক দৈহিক, মানসিক, সামাজিক, নৈতিক আৰু আধ্যাত্মিকভাৱে বিকাশ কৰা হয়।

সমগ্ৰ জীৱনটোৱেই শিক্ষাৰ পৰিসৰৰ ভিতৰত পৰে। শিক্ষাৰ ইতিহাস আৰু মানৱ ইতিহাসৰ মাজত কোনো পাৰ্থক্য নাই। শিক্ষা প্ৰক্ৰিয়াটো মানুহৰ জন্মৰপৰাই আৰম্ভ হয় আৰু লানি নিছিগাকৈ ই চলিয়েই থাকে।

সামাজিক পৰিবেশে ব্যক্তিক প্রভাৱান্বিত কৰি জ্ঞান অভিজ্ঞতা অর্জনৰ প্রতি আগ্রহী কৰি তুলিছে। সমাজত থাকি নিজ সহজাত প্রবৃত্তিৰে আচৰণৰ পৰিবর্তন কৰি ব্যক্তিয়ে জ্ঞান আহৰণ কৰে। ব্যক্তিৰ লগত পৰিৱেশৰ সামঞ্জস্য সাধন, ব্যক্তিৰ লগত ব্যক্তি আৰু সমাজৰ সম্পর্ক স্থাপন, ব্যক্তিৰ বহিঃপ্রকৃতি আৰু আন্তঃপ্রকৃতিৰ ভিতৰত সমন্বয় সাধন, ব্যক্তিৰ লগত ঐশ্বৰিক শক্তিৰ সম্পর্ক স্থাপন সকলোবোৰ শিক্ষাৰদ্বাৰাই সম্পন্ন হয়।

শিক্ষাৰ পৰিসৰ মূল্যবোধ, নৈতিকতা, স্বাদ, কৌশল, দৃষ্টিভংগী আদিৰ দৰে দিশবোৰৰ লগত সম্বন্ধিত। ইয়াৰ লগতে বিভিন্ন বিষয়ক ই সামৰি লয়। বিষয়বোৰ হ'ল শিক্ষা দর্শন, শিক্ষা সমাজবিজ্ঞান, শিক্ষা মনোবিজ্ঞান, শিক্ষাৰ ইতিহাস, তুলনামূলক শিক্ষা, শিক্ষাৰ সমস্যাসমূহ, শিক্ষা প্রশাসন আৰু সংগঠন, শিক্ষা প্রযুক্তিবিদ্যা, শিক্ষাদানৰ কৌশল, শৈক্ষিক পৰিসংখ্যা বিজ্ঞান ইত্যাদি। শিক্ষা পদ্ধতিটোক এটা দ্বিপাক্ষিক প্রক্রিয়া বুলি কোৱা হয়। এই পদ্ধতিটো দুই ব্যক্তিৰ সমযোজনৰ ফলত সম্ভৱ হয়। এই দুই ব্যক্তি হ'ল শিক্ষক আৰু শিক্ষার্থী। শিক্ষকৰ ব্যক্তিত্বই শিক্ষার্থীৰ ওপৰত প্রভাৱ পেলায় আৰু শিক্ষার্থী ইয়াতে প্রভাৱান্বিত হৈ নিজ চৰিত্র গঠন কৰিবলৈ প্রস্তুত হয়। বিজ্ঞান আৰু শিল্পৰ উন্নয়নে সমাজত এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই পৰিস্থিতিসমূহ নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত পাঠ্যক্রমে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।

দেশৰ ভৰিষ্যৎ উত্তৰাধিকাৰীসকলে শিক্ষাৰ সহায়ত সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ জ্ঞান লাভ কৰে। দেশৰ বা সমাজৰ ভৰিষ্যৎ নির্ভৰ কৰে সেই উঠি অহা নাগৰিকসকলৰ ওপৰত। তেওঁলোকে কিমানদূৰ তেওঁলোকৰ পূর্বপুৰুষসকলৰ শিক্ষা, দীক্ষা, জ্ঞান, কৌশল, আদর্শ আদি আয়ত্ব কৰিবলৈ সক্ষম হৈছে সেইটো নির্দ্ধাৰণ হ'ব শিক্ষাৰ সহায়ত। সেই সঞ্চিত সভ্যতা-সংস্কৃতি বা ঐতিহ্য এটা চামৰপৰা সমাজৰ আন এটা চামলৈ সম্প্রসাৰিত হোৱাটোৱেই হ'ল প্রকৃত শিক্ষা। সেয়েহে মানৰ জীৱন ক্ষণস্থায়ী হ'লেও বর্তমান মানৰ সমাজে অতীতৰ জ্ঞান ভাণ্ডাৰৰ সহায়ত সমাজক দীর্ঘতম জীৱন লাভত সহায় কৰে আৰু এই কাম সম্পন্ন কৰাত শিক্ষাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।



জানি থোৱা ভাল

- শিক্ষাৰ পৰিসৰ হ'ল সীমাহীন আৰু ই বহুত বহল আৰু দীঘল।
- শিক্ষা ব্যৱস্থাটোক অধিকভাৱে বিকাশমুখী কৰি তুলিবলৈ হ'লে বর্তমানৰ শিক্ষা ক্ষেত্রখনত বিশেষজ্ঞৰ প্রয়োজন হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ শিক্ষাৰ পৰিসৰ মানে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ৯ঃ শিক্ষাৰ পৰিসৰে কোনবোৰ বস্তুক সামৰি লয় বা অন্তর্ভুক্ত কৰি লয়?

.....

.....

প্ৰশ্ন নং ১০ঃ প্ৰকৃত শিক্ষা কি?

.....

.....



১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা মানে জ্ঞান আহৰণ কৰা।
- প্ৰকৃত শিক্ষাই মানুহক আড়ম্বৰপূৰ্ণ আৰু জটিল হৈ উঠাৰ পৰিৱর্তে মুক্ত আৰু সহজ হৈ পৰাত অৰিহণা যোগাব লাগিব।
- শিক্ষা আধুনিক সমাজৰ এবিধ মূল আহিলা হিচাপে পৰিগণিত হ'ল। ই অতীতৰ সংস্কৃতিক বহন কৰি বর্তমান সংস্কৃতিৰ পোষকতা কৰে আৰু ভৱিষ্যৎ সংস্কৃতিৰ জনক হিচাপে পৰিগণিত হয়।
- শিক্ষা শব্দটোৰ মূল ইংৰাজী শব্দ হ'ল Education। Education শব্দটো 'E' আৰু 'Duco' শব্দৰ পৰা আহিছে। 'E' মানে 'Out of' বা বাহিৰ কৰা আৰু 'Duco' মানে 'I lead' 'মই আগুৱাই যাওঁ'। ইয়াৰ মূল কথা হ'ল— য'ৰ পৰা অথবা যি অন্তর্নিহিত শক্তিৰ পৰা মই বিকাশ লাভ কৰো সেয়ে শিক্ষা।
- সংকীর্ণ অর্থত শিক্ষা মানে শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত লাভ কৰা গতানুগতিক শিক্ষা ব্যৱস্থাক বুজায়। শিক্ষাৰ বহল অর্থ মতে শিক্ষা হ'ল এটা জীৱনজোৰা প্ৰক্ৰিয়া মাথোন।
- শিক্ষাৰ অর্থ সুন্দৰভাৱে নিৰূপণ কৰিব পৰা যায় সংজ্ঞাৰ মাধ্যমত। শিক্ষাৰ সংজ্ঞা বহুবোৰ শিক্ষাবিদে বিভিন্ন ধৰণে প্ৰকাশ কৰিছে। তাৰ ভিতৰত চক্ৰেটিছ, প্লেটো, ৰেডেন, এৰিষ্টটল, জন ডিউই, চাৰ পার্চিনান, পেষ্টালজী, চাৰ জন আডামচ, স্বামী বিবেকানন্দ, মহামানৰ মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ নাম উল্লেখযোগ্য।
- শিক্ষক আৰু শিক্ষার্থীয়ে হ'ল সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ অংশগ্ৰহণকাৰী। সেয়েহে দুয়োটাই দুটা পক্ষ হিচাপে কাম সম্পাদন কৰে। শিক্ষাক ত্ৰিপাক্ষিক প্ৰক্ৰিয়া বুলিও কোৱা হয়। পক্ষ তিনিটা হ'ল শিক্ষক, শিক্ষার্থী আৰু পৰিৱেশ। শিক্ষা প্ৰক্ৰিয়াটো হ'ল এক গতিশীল প্ৰক্ৰিয়া।

- সচেতন আৰু স্বতঃস্ফূর্তভাৱে পৰিকল্পনাৰ মাধ্যমত কোনো এটা নির্দিষ্ট উদ্দেশ্যত উপনীত হোৱাৰ বাবে আমাৰ আচৰণসমূহ সংশোধন কৰা পদ্ধতিটোকেই আনুষ্ঠানিক শিক্ষা বোলা হয়। অনানুষ্ঠানিক শিক্ষা হ'ল অনুষ্ঠানৰ চাৰিবেৰৰ বাহিৰত মানৰ শিশুৱে পৰিয়ালৰ অন্য সদস্যসকলৰ লগত থাকি লাভ কৰা শিক্ষা। দুয়োবিধ শিক্ষাৰ মাজত ব্যৱধান আছে।
- অনৌপচাৰিক শিক্ষা হ'ল আনুষ্ঠানিক শিক্ষাৰ বাহিৰত সমাজৰ বিভিন্ন বয়স আৰু শ্রেণীৰ লোকৰ বাবে ব্যৱস্থা কৰা পৰিকল্পিত শিক্ষা। এই শিক্ষাই সামৰি লোৱা দিশবোৰ হ'ল মুক্ত শিক্ষা, ডাকযোগে শিক্ষা, যোগাযোগ পাঠ্যক্রম ইত্যাদি।
- শিক্ষাৰ পৰিসৰ বৰ বহল আৰু দীঘল। সমগ্র জীৱনটোৱে ইয়াৰ পৰিসৰৰ ভিতৰত পৰে। শিক্ষাৰ পৰিসৰ মূল্যবোধ, নৈতিকতা, স্বাদ, কৌশল, দৃষ্টিভংগী আদিৰ দৰে দিশবোৰৰ লগত সম্বন্ধযুক্ত। ইয়াৰ লগতে ই সামৰি লোৱা অন্যান্য বিষয়বোৰ হ'ল— শিক্ষা দর্শন, শিক্ষা সমাজ বিজ্ঞান, শিক্ষা মনোবিজ্ঞান, শিক্ষাৰ ইতিহাস, তুলনামূলক শিক্ষা, শিক্ষাৰ সমস্যাসমূহ, শিক্ষা প্রশাসন আৰু সংগঠন শিক্ষা, প্রযুক্তিবিদ্যা, শিক্ষাদানৰ কৌশল, শিক্ষা পৰিসংখ্যা বিজ্ঞান ইত্যাদি।



১.৮ অধিক জানিবলৈ

অসমীয়া

ডেকা, বীৰেন্দ্র ঃ শিক্ষাতত্ত্ব, বনলতা প্রকাশন, পানবজাৰ, গুৱাহাটী

বৰুৱা, যতীন ঃ শিক্ষাতত্ত্ব অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী

ইংৰাজী

- Kar, B. C. : Education a Study of its Principles and Psychology, Bina Library, Gauhati
- Mohanty, J. : Indian Education in Emerging Society, Sterling Publishers, New Delhi



১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ শিক্ষা মানে হ'ল জ্ঞান আহৰণ কৰাৰ উদ্দেশ্য। ই এবিধ সাজন প্রক্রিয়া আৰু ই শিশুৰ সুসামঞ্জস্য বিকাশক উন্নত অৱস্থালৈ নিয়ে।

২ নং প্রশ্নৰ উত্তৰঃ অন্যহাতে, শিক্ষা শব্দটোৰ মূল ইংৰাজী শব্দ হ'ল Education।

Education শব্দটো 'E' আৰু 'Duco' শব্দৰ পৰা আহিছে। 'E' মানে 'Out of' বা বাহিৰ কৰা আৰু 'Duco' মানে 'I lead' মই আগুৱাই যাওঁ। ইয়াৰ মূল কথা হ'ল— য'ৰ পৰা অথবা যি অন্তর্নিহিত শক্তিৰ পৰা মই বিকাশ লাভ কৰো সেয়ে শিক্ষা।

৩ নং প্ৰশ্নৰ উত্তৰঃ Reden ৰ সংজ্ঞাটো হ'ল— ''Education is the deliberate and systematic influence exerted by the mature person upon the immature, through instruction, discipline and harmonious development by physical, intellectual, aesthetic, social and spiritual powers of the human being according to individual and social needs and directed towards the union of the educand with his creator as the final end.''

৪ নং প্ৰশ্নৰ উত্তৰঃ আনুষ্ঠানিক শিক্ষা বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ নিচিনা শিক্ষানুষ্ঠানে প্ৰদান কৰা হয় ।

৫ নং প্ৰশ্নৰ উত্তৰঃ অনানুষ্ঠানিক শিক্ষা হ'ল ঘটনাপ্ৰবাহৰ মাধ্যমত পোৱা শিক্ষা আৰু ইয়াৰ পূৰ্ব পৰিকল্পনা নাই। এই শিক্ষা সমাজখনত বসবাস কৰা ব্যক্তিসকলৰ সান্নিধ্যলৈ আহি লাভ কৰিব পৰা যায়।

৬ নং প্ৰশ্নৰ উত্তৰঃ ব্যৱধান দুটা হ'ল—

- আনুষ্ঠানিক শিক্ষাৰ অর্থ আৰু সামৰণিৰ আনুষ্ঠানিকতা আছে আনহাতে অনানুষ্ঠানিক শিক্ষাৰ তেনেধৰণৰ অর্থ আৰু শেষ অৱস্থা নাই।
- আনুষ্ঠানিক শিক্ষাত নির্দিষ্ট শিক্ষক আৰু শিক্ষার্থী থাকে কিন্তু অনানুষ্ঠানিক শিক্ষাত শিক্ষক আৰু শিক্ষার্থীৰ ব্যৱস্থা নাথাকে।

৭ নং প্ৰশ্নৰ উত্তৰঃ অনৌপচাৰিক শিক্ষা হ'ল বিদ্যালয় এৰি যোৱাসকলৰ বাবে, নিয়োজিত বা কর্মৰত ব্যক্তিৰ বাবে, গৃহিণীৰ বাবে, অৱসৰ পোৱাসকলৰ বাবে আৰু যিবিলাকে খবৰ, জ্ঞান বা প্ৰশিক্ষণ পদবী বা প্ৰমাণপত্ৰ নোলোৱাকৈ পাবলৈ বিচাৰে তেওঁলোকৰ বাবে।

৮ নং প্ৰশ্নৰ উত্তৰঃ শিক্ষাৰ পৰিসৰ মানে বিষয়ৰ প্ৰসাৰ, বহল অৱস্থা, ব্যাপকতা ইত্যাদি। ই কর্মৰ সুবিধা, প্ৰয়োগ আদিকো সামৰি লয়। শিক্ষাৰ পৰিসৰ হ'ল অপৰিসীম আৰু বহুত বহল আৰু দীঘল।

৯ নং প্ৰশ্নৰ উত্তৰঃ শিক্ষাৰ পৰিসৰত বহুবোৰ বিষয়ক অন্তর্ভুক্ত কৰি লোৱা হৈছে। অন্তর্ভুক্ত বিষয়বোৰ হ'ল শিক্ষা দর্শন, শিক্ষা সমাজবিজ্ঞান, শিক্ষা মনোবিজ্ঞান, শিক্ষাৰ ইতিহাস, তুলনামূলক শিক্ষা, শিক্ষাৰ সমস্যাসমূহ, শৈক্ষিক প্ৰশাসন আৰু সংগঠন, শিক্ষা প্ৰযুক্তিবিদ্যা, শিক্ষাদানৰ কৌশল, শৈক্ষিক পৰিসংখ্যা বিজ্ঞান ইত্যাদি।

১০ নং প্ৰশ্নৰ উত্তৰঃ প্ৰকৃত শিক্ষা হ'ল এনেধৰণৰ শিক্ষা যিয়ে সঘনাই পৰিৱর্তন হৈ থকা সমাজখন আৰু জটিল বিশ্বখনত সৌহার্দপূর্ণভাৱে ব্যৱহাৰিক আৰু অর্থপূর্ণ জীৱনধাৰণৰ

পথ সুগম কৰে। প্ৰকৃত শিক্ষাই মানুহক বা ব্যক্তিক আড়ম্বৰপূৰ্ণ আৰু যৌগিক হৈ উঠাৰ পৰিৱৰ্তে সহজ-সৰল আৰু মুক্ত হোৱাত অৰিহণা যোগায়।



১.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ শিক্ষা বুলিলে কি বুজে? শিক্ষাৰ অর্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ শিক্ষাৰ সংজ্ঞা দিয়ক। শিক্ষাৰ ক্ষেত্ৰখনৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ শিক্ষা কেইপ্ৰকাৰৰ? আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ আনুষ্ঠানিক শিক্ষা আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজত থকা পাৰ্থক্যখিনি উল্লেখ কৰক। শিক্ষাৰ পৰিসৰৰ বিষয়ে বৰ্ণনা কৰক।

(গ) চমুটোকা লিখক

(ক) শিক্ষাৰ অর্থ

(খ) শিক্ষাৰ সংজ্ঞা

(গ) আনুষ্ঠানিক শিক্ষা

(ঘ) সংকীৰ্ণ অর্থত শিক্ষা

(ঙ) অনানুষ্ঠানিক শিক্ষা

(চ) বহল অর্থত শিক্ষা

(ছ) অনৌপচাৰিক শিক্ষা

(জ) শিক্ষাৰ ত্ৰিপাক্ষিক প্ৰক্ৰিয়া

*** ***** ***

অধ্যায় ২ঃ শিক্ষাৰ লক্ষ্যসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ শিক্ষাৰ লক্ষ্যসমূহৰ প্ৰয়োজনীয়তা

২.৪ শিক্ষাৰ লক্ষ্যসমূহৰ শ্ৰেণীভুক্তকৰণ আৰু বৈশিষ্ট্যসমূহ

২.৪.১ শিক্ষাৰ ব্যক্তিতান্ত্ৰিক লক্ষ্য

২.৪.২ শিক্ষাৰ সামাজিক লক্ষ্য

২.৪.৩ ব্যক্তিতান্ত্ৰিক আৰু সামাজিক লক্ষ্যৰ মাজৰ সম্বন্ধ

২.৪.৪ শিক্ষাৰ মুক্তিবাদৰ লক্ষ্য

২.৪.৫ শিক্ষাৰ বৃত্তিমুখী লক্ষ্য

২.৪.৬ সুসামঞ্জস্য বিকাশ বা সমবিকাশৰ লক্ষ্য

২.৪.৭ সম্পূৰ্ণ জীৱন যাপন হিচাপে শিক্ষাৰ লক্ষ্য

২.৫ গণতন্ত্ৰত শিক্ষাৰ লক্ষ্য

২.৫.১ কোঠাৰী আয়োগৰ মতে শিক্ষাৰ লক্ষ্য

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- শিক্ষাৰ লক্ষ্যসমূহৰ প্ৰয়োজনীয়তা বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব।
- শিক্ষাৰ ব্যক্তিতান্ত্ৰিক আৰু সামাজিক লক্ষ্য শ্ৰেণীভুক্ত কৰিব পাৰিব।
- শিক্ষাৰ ব্যক্তিতান্ত্ৰিক আৰু সামাজিক লক্ষ্যৰ মাজৰ সম্বন্ধ নিৰ্ণয় কৰিব পাৰিব।
- শিক্ষাৰ আন নিৰ্দিষ্ট লক্ষ্যসমূহ চিনাক্ত কৰিবলৈ সমৰ্থ হ'ব।
- গণতন্ত্ৰত শিক্ষাৰ লক্ষ্য সম্বন্ধে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আমি প্ৰথমটো অধ্যায়ত শিক্ষাৰ অৰ্থৰ লগতে বিষয়বস্তু আৰু পৰিসৰৰ বিষয়ে শিকিলোঁ। এই অধ্যায়টোৰে আমাক শিক্ষাৰ লক্ষ্যসমূহৰ লগত চিনাক্ত কৰি দিব। শিক্ষা হ'ল এটি আঁচনিভুক্ত

আৰু উদ্দেশ্যপূর্ণ কার্য। ইয়াক জীৱনৰ প্রস্তুতি হিচাপে ধৰা হয়। এইটো এটা প্রক্রিয়া যিটোৰ মাজেৰে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে প্রস্তুত কৰা হয়। ই জীৱন যাত্রাৰ কাৰণে শিশুসকলক প্রকৃত পথৰ সন্ধান দিয়ে, জ্ঞানৰ দ্বাৰা সমৃদ্ধ কৰে আৰু তেওঁলোকক বৌদ্ধিক দিশত প্রশিক্ষণপ্রাপ্ত কৰি তোলে। লক্ষ্য হ'ল প্রকৃত শক্তি বা বল যিয়ে নির্দেশ দিয়ে আৰু শিক্ষাক অর্থপূর্ণ কৰি তোলে। আমাৰ শিক্ষাৰ যদি কোনো নির্দিষ্ট লক্ষ্য নাথাকে তেতিয়া আমি আমাৰ কামবোৰ সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰিম। এই অধ্যায়টোৱে শিক্ষাৰ বিভিন্ন লক্ষ্যসমূহৰ লগতে প্রয়োজনীয়তা আৰু গণতন্ত্রত শিক্ষাৰ লক্ষ্যৰ বিষয়ে আমাক অৱগত কৰাব।


২.৩ শিক্ষাত লক্ষ্যসমূহৰ প্রয়োজনীয়তা

শিক্ষাৰ লক্ষ্যবোৰৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে ইয়াৰ প্রয়োজনীয়তাৰ বিষয়েও জনাটো প্রয়োজন হ'ব। আমি জানো যে শিক্ষা হ'ল লক্ষ্যভূত আৰু সুসংগঠিত কর্ম। শিক্ষার্থীসকলৰ আচৰণসমূহ শিক্ষা প্রক্রিয়াৰ মাধ্যমেৰে সংশোধন তথা পৰিৱর্তন সাধন হয়। সেই আচৰণসমূহ সংশোধন কৰাৰ ক্ষেত্রত এটি উদ্দেশ্য নিহিত হৈ থাকে। সেই উদ্দেশ্য আৰু শিক্ষা দুয়োটাৰে মাজত সম্বন্ধ গঢ়ি উঠা দেখা যায়। সেই সম্বন্ধৰ লগতে শিক্ষাৰ লক্ষ্য অন্তর্নিহিত হৈ থাকে। শিক্ষাৰ প্রকৃত উদ্দেশ্য হ'ল শিশুসকলক সর্বাঙ্গসুন্দৰকৈ গঢ়ি তোলা। শিক্ষাৰ লক্ষ্যৰ ক্ষেত্রত নানা ধৰণৰ মত পোষণ কৰা দেখা যায়। শিক্ষাই আমাক ইয়াৰ অর্থৰ লগত কাম কৰি যাবলৈ সামর্থ কৰি তোলে। প্রকৃততে লক্ষ্য হ'ল এটা অদৃশ্য দিশ কিন্তু ই পথৰ সন্ধান দিয়ে। সেই পথৰ সন্ধানে এটা প্রকৃত অৱস্থাত উপনীত কৰোৱায়। সেয়েহে আমাৰ লক্ষ্য হোৱা উচিত এনেকুৱা এজন মানুহ সৃষ্টি কৰা যিজনৰ সুপৰিপক্ক জ্ঞান আৰু সংস্কৃতি আছে। এই ধাৰণাৰ দ্বাৰা উদ্বুদ্ধ হ'লে মানৱ দর্শনৰ মাজেৰে আগুৱাই যোৱাটো সম্ভৱ হৈ পৰিব।

শিক্ষাই প্রকৃততে দুটা পথ সুগম কৰে। প্রথমটো হ'ল আদর্শৰ পথ আৰু দ্বিতীয়টো হ'ল সত্যৰ পথ। শিক্ষাক এবিধ কলা বুলি কোৱা হয়। Nunn নামৰ মনিষীজনে কৈছিল যে সকলো কলাৰে এটা প্রকৃত লক্ষ্য থাকে। শিক্ষাও এটা কলা, সেয়েহে শিক্ষাৰ এটা সুনিশ্চিত লক্ষ্য থকা দৰকাৰ। সেইদৰে এৰিষ্টটলে কৈছিল "প্রত্যেক কলাৰে এক মহৎ উদ্দেশ্য থাকে।" শিক্ষাকো এবিধ কলা বুলি বর্ণনা কৰিব পাৰি। কাৰণ শিক্ষাৰ উদ্দেশ্য হ'ল মানৱ শিশুৰ দেহ-মনৰ পৰিপূর্ণ বিকাশৰ মাজেদি সমাজৰ এচাম উপযুক্ত উত্তৰাধিকাৰী গঢ়ি তুলি সমাজ আৰু সভ্যতাৰ গতি সক্রিয় কৰি ৰখা। সুন্দৰৰূপে মানৱ জীৱনক বিকশিত কৰাটোৱে হ'ল শিক্ষাৰ প্রকৃত লক্ষ্য।

শিক্ষাৰ লক্ষ্য শিক্ষার্থী আৰু সমাজক পূর্ণ পর্যায়লৈ আগুৱাই নিয়া। এই ক্ষেত্রত শিক্ষাবিদসকলে নানা ধৰণে মত পোষণ কৰা দেখা যায়। এদল শিক্ষাবিদে মত প্রকাশ কৰিছে যে শিশুৰ জন্মগত শক্তি, বুদ্ধি, সামর্থ, সম্ভাৱনা, আগ্রহ, মনোযোগ, অভাৰ আৰু ইচ্ছা আদি নিহিত হৈ থাকে। এই শক্তিসমূহৰ বিকাশ সাধন কৰাই শিক্ষাৰ প্রকৃত উদ্দেশ্য হোৱা প্রয়োজন।

বিভিন্ন ধৰণে শিশুৰ বিকাশ হোৱাটো সকলোৰে কামনা। আন এদল চিন্তাবিদে কৈছে যে মানুহ হ'ল সামাজিক জীৱ। শিশুৱে জীৱন ধাৰণৰ বাবে আনৰ সহায় বিচাৰে আৰু আনৰ আশ্রয়তে বিকশিত হয়। লাহে লাহে শিশু ডাঙৰ-দীঘল হয় আৰু তাৰ লগৰীয়াসকলৰ লগত খেলিবলৈ ধৰে। ডাঙৰৰ কৰ্মৰাজিক অনুকৰণ কৰে। এই সকলো দিশতে একোটা উদ্দেশ্য নিহিত হৈ থাকে। যদি এই দিশবোৰ উদ্দেশ্যবিহীন হয় তেতিয়াহ'লে শিশুৱে নিজকে ভৱিষ্যত সমাজত খাপ খুৱাব নোৱাৰিব। এই ক্ষেত্রত পৰিয়াল তথা সমাজৰ বয়সীয়াল ব্যক্তিসকলে চকু দিব লাগিব। সেইদৰেই অন্য এদল শিক্ষাবিদে সকলোৰে গ্রহণযোগ্য হোৱাকৈ আন এটি মত পোষণ কৰিছে। তেওঁলোকে কৈছে যে শিক্ষাৰ লক্ষ্য নিৰূপণ কৰোঁতে সামাজিক দিশ আৰু ব্যক্তিৰ নিজস্ব প্রতিভা বিকাশৰ দিশ, এই দুয়োটা দিশৰ ওপৰতে গুৰুত্ব দিব লাগিব।



চিন্তা-চর্চা কৰকঃ ২.১

শিক্ষাৰ লক্ষ্য থকাটো কিয় প্রয়োজন? উক্তিটোৰ সমর্থনৰ ক্ষেত্রত আপোনাৰ মতামত দর্শাওক।

.....

.....

.....

২.৪ শিক্ষাৰ লক্ষ্যসমূহৰ শ্রেণীভুক্তকৰণ আৰু বৈশিষ্ট্যসমূহ

এতিয়ালৈ আমি শিক্ষাৰ লক্ষ্য নির্দ্ধাৰণ আৰু লক্ষ্যসমূহৰ প্রয়োজনীয়তাৰ বিষয়ে সুন্দৰভাৱে বোধগম্য হ'লো। প্রয়োজনীয়তাসমূহে শিক্ষাৰ কেইটিমান লক্ষ্যৰ বিকাশত নেতৃত্ব দিছে। বিভিন্ন শিক্ষাবিদে শিক্ষাৰ লক্ষ্য বিভিন্ন ধৰণে প্রকাশ কৰিছে। কিন্তু কোনোটো লক্ষ্যই সকলোৰে বাবে গ্রহণযোগ্য নহয়। কাৰণ লক্ষ্য কেতিয়াও স্থিতিশীল হ'ব নোৱাৰে। সময়ৰ পৰিৱর্তনৰ লগে লগে সময়ে সময়ে, দেশে দেশে ইয়াৰ ভিন্নতা পৰিলক্ষিত হয়। ইয়াৰ উপৰিও জীৱন দর্শন, ৰাজনৈতিক আদর্শ, দেশৰ আর্থ সামাজিক অৱস্থাৰ বাবেও ইয়াৰ ভিন্নতা আহে। বহলভাৱে ক'বলৈ গ'লে শিক্ষাৰ লক্ষ্য দুবিধ। সেই দুবিধ হ'ল—

- শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্য আৰু
- শিক্ষাৰ সমাজতান্ত্রিক লক্ষ্য

ইয়াৰ অন্তৰালত নিহিত হৈ থাকে ব্যক্তিবাদৰ দার্শনিক আদর্শ আৰু সামূহিক দার্শনিক আদর্শ। এই দুবিধৰ উপৰিও আন কেইবাবিধো লক্ষ্য আছে যিবোৰৰ সার্বজনীনতা পৰিলক্ষিত হয়। আমি তলত দিয়া ধৰণেৰে শিক্ষাৰ লক্ষ্যসমূহক শ্রেণীভুক্ত কৰিব পাৰো—

- শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্য

- শিক্ষাৰ সমাজতান্ত্রিক লক্ষ্য
- শিক্ষাৰ মুক্তিবাদৰ লক্ষ্য
- শিক্ষাৰ বৃত্তিমূলক লক্ষ্য
- শিক্ষাৰ সমবিকাশৰ লক্ষ্য
- শিক্ষাৰ পূৰ্ণ জীৱন নিৰ্বাহৰ লক্ষ্য

২.৪.১ শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্য

শিক্ষাৰ ব্যক্তিবাদৰ ধাৰণাটোক প্ৰথমতে সমৰ্থন কৰিছিল ইংলেণ্ডৰ বিখ্যাত শিক্ষাবিদ চাৰ পাৰ্চিনানে। তেওঁৰ মতে মানুহৰ ব্যক্তিগত স্বাধীন কৰ্মৰ বাহিৰে মনুষ্য জাতিত কোনো সুন্দৰ কথা প্ৰৰেশ কৰিব নোৱাৰে। ব্যক্তিসমূহৰ প্ৰয়োজন অনুসৰিহে সমাজখন গঢ়ি উঠে। সমাজ গঢ়িবলৈ হ'লে প্ৰথমতে ব্যক্তি গঢ় লৈ উঠিব লাগিব। চাৰ পাৰ্চিনানে কৈছিল "পৃথিৱীত সকলো ভাল কাম পুৰুষ-মহিলাৰ স্বাধীনচিতীয়া কাৰ্যৰ বাহিৰে অন্য কাৰণত সংঘটিত হোৱা নাই আৰু সেইবাবে শিক্ষা ব্যৱস্থা নিৰ্দ্ধাৰণৰ বেলিকা এই সত্যৰ দ্বাৰা পৰিচালিত হোৱা উচিত।" এখন শিক্ষাৰ আঁচনি সাফল্যমণ্ডিত কৰি তুলিবলৈ হ'লে আমি নিৰ্ভৰ কৰিব লাগিব ব্যক্তিৰ শ্ৰেষ্ঠতম সম্ভাৱনাৰ উচ্চতম বিকাশৰ ওপৰত। ব্যক্তিসকলৰ বিকাশ স্বাধীন কৰ্মৰ মাজেদিহে হয়। সেই স্বাধীন কৰ্মত বাধা প্ৰদান হ'লে ব্যক্তিৰ বিকাশত বাধাৰ সৃষ্টি হয়।

ব্যক্তিতান্ত্রিক লক্ষ্যৰ অন্য এগৰাকী সমৰ্থক হ'ল হাৰবাৰ্ট স্পেনচাৰ। তেওঁ বিশ্বাস কৰিছিল যে ব্যক্তিৰ অস্তিত্ব সমাজৰ অস্তিত্বতকৈ অধিক শক্তিশালী আৰু প্ৰভাৱশালী। সেয়েহে শিক্ষাৰ ক্ষেত্ৰত ব্যক্তি স্বাতন্ত্র্যক স্বীকাৰ কৰিবই লাগিব। স্পেনচাৰে কৈছিল যে শিক্ষাৰ সকলোবোৰ প্ৰচেষ্টা ব্যক্তিমুখী হোৱাটো প্ৰয়োজন। ব্যক্তিৰ গাত থকা গুণ বা সম্ভাৱনাবোৰৰ উপযুক্ত বিকাশ সাধনৰ বাবে উপযুক্ত শিক্ষাৰ প্ৰয়োজন। ব্যক্তিতান্ত্রিক লক্ষ্যৰ প্ৰকৃত উদ্দেশ্য সফল কৰাত ব্যক্তিসকলৰ নিজস্ব প্ৰচেষ্টাৰো অতি প্ৰয়োজন। মনিষী 'ৰুছো'ই তেওঁৰ অমূল্য গ্ৰন্থ 'এমিলত' শিশুৰ ব্যক্তিগত শিক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে নানা ধৰণৰ যুক্তি প্ৰকাশ কৰিছে। তেওঁ কৈছে শিশুসকলে কোনো ব্যক্তি তথা সমাজৰপৰা বাধা নোপোৱাকৈ প্ৰকৃতিৰ মাজত থাকি শিক্ষা লাভ কৰিব লাগে। কাৰণ 'ৰুছো'ই বিশ্বাস কৰে যে ব্যক্তিগতভাবে প্ৰত্যেক মানুহেই সজ হৈ জন্মগ্ৰহণ কৰে কেৱল সমাজেহে ব্যক্তিসকলক জটিল কৰি তোলে। প্ৰকৃতিবাদী দৰ্শনে শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্যৰ বিকাশত অৰিহণা যোগাইছে।

শিশুৰ ব্যক্তিগত বিকাশৰ ক্ষেত্ৰত মনোবিজ্ঞানী পেষ্টালজীয়ে নানা ধৰণৰ অধ্যয়ন কৰি মত পোষণ কৰিছিল যে "মানুহৰ অন্তৰ্নিহিত শক্তিসমূহৰ স্বাভাৱিক সংগতিপূৰ্ণ আৰু প্ৰগতিশীল বিকাশেই হৈছে শিক্ষা।" সেইদৰেই মহামানৱ মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে "শিক্ষাৰ দ্বাৰা মই মানুহ বা শিশুৰ শৰীৰ, মন আৰু আত্মা নিহিত হৈ থকা সৰ্বোৎকৃষ্ট গুণৰাজি

সম্পূর্ণকৈ বিকাশ হোৱা প্রক্রিয়াকে বুজি পাওঁ।" ভাৰতীয় মহান চিন্তাবিদ স্বামী বিবেকানন্দই ব্যক্তিবাদক সমর্থন কৰি কৈছিল "মানুহৰ অন্তর্নিহিত সম্পূর্ণতাৰ প্রকাশ" কৰাটো শিক্ষাৰ প্রকৃত লক্ষ্য হোৱাটো উচিত। স্বাধীন ভাৰতৰ প্রথম শিক্ষা আয়োগত ড° সর্বপল্লী ৰাধাকৃষ্ণণে কৈছে যে "ভাৰতীয় পৰম্পৰা অনুযায়ী শিক্ষাৰ লক্ষ্য চিন্তাৰ জগতত প্রকাশ কৰোৱা সত্যৰ অন্বেষণ আৰু গুণৰ অনুশীলনৰ জৰিয়তে মানুহৰ পৰিশোধন কৰা।"

শিক্ষাৰ ব্যক্তিবাদৰ লক্ষ্যক অকল আধুনিক যুগৰ চিন্তাবিদসকলেই পোষকতা কৰা নাই। অতীতত প্রাচীন শিক্ষা ব্যৱস্থাতো ইয়াৰ গুৰুত্ব আছিল। সেই সময়ত জীৱনৰ চৰম বিকাশৰ বাবে মানসিক আৰু আধ্যাত্মিক কার্যকলাপৰ ওপৰত বেছি গুৰুত্ব দিছিল। প্রাচীন গ্রীচ, ইউৰোপ আদি দেশৰ চিন্তাবিদসকলে বিশ্বাস কৰিছিল যে ব্যক্তিৰ ওপৰত আন একোৰে অগ্রাধিকাৰ পাব নোৱাৰে। তেওঁলোকে বিভিন্ন বিষয়ৰ অধ্যয়ন আৰু কাম-কাজৰ মাধ্যমেৰে ব্যক্তিৰ মানসিক আৰু আধ্যাত্মিক উন্নতি সাধনত বেছি জোৰ দিছিল। ভাৰতবর্ষতো অতীতৰ চিন্তাবিদসকলে একে ধৰণৰ মতকেই পোষণ কৰিছিল। পূর্বপুৰুষসকলৰ শিক্ষাৰ আদর্শ আছিল আধ্যাত্মিক জীৱনৰ সম্পূর্ণ বিকাশ সাধন কৰাৰ লগতে নানা ধৰণৰ কর্ম সম্পাদন কৰা। আধুনিক যুগৰ শিক্ষা ব্যৱস্থাটো আমি ব্যক্তিৰ মাজেৰে বিকাশ সাধন কৰি আত্ম-উপলব্ধি কৰাৰ ওপৰত বেছি প্রাধান্য আৰোপ কৰা দেখা পাওঁ। আধুনিক মনোবিজ্ঞানে বিশ্লেষণ কৰি দেখুৱাইছে যে ব্যক্তিৰ বিকাশ সাধন কৰিবলগীয়া হ'লে তেওঁলোকৰ জন্মগত গুণ, শক্তি আৰু প্রতিভাৰ পূর্ণ বিকাশ কৰিব লাগিব। শিক্ষাই প্রত্যেক ব্যক্তিৰে নিজস্ব স্বতন্ত্র গুণ আৰু ৰূপৰ উপলব্ধি কৰাব লাগিব। তেতিয়াহে শিক্ষাৰ মূল উদ্দেশ্য সাধন হ'ব।



জানি থোৱা ভাল

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে,—

- শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্যৰ গাঁথনিত প্রকৃতিবাদী দর্শনে অৱদান আগবঢ়াইছে।
- ব্যক্তিতান্ত্রিক লক্ষ্যৰ মূল বক্তা তথা সমর্থক হ'ল 'ছাৰ পার্চিনান'।
- ব্যক্তিবাদীসকলৰ মতে ব্যক্তিৰ বিকাশ কৰাটোৱে হ'ল শিক্ষাৰ মূল কাম।
- সামাজিক বিকাশ প্রকৃতভাৱে নির্ভৰ কৰে ব্যক্তিৰ বিকাশৰ ওপৰত।

শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্যক বিভিন্ন চিন্তাধাৰাই তলত দিয়া ধৰণেৰে সমর্থন কৰা দেখা যায়—

- জীৱবিজ্ঞানৰ দৃষ্টিভংগীৰপৰা কোৱা হয় যে শিশু হ'ল এটা সুন্দৰ অৱস্থা। ই কিছুমান সামর্থ আৰু প্রাকৃতিক সম্ভাৱনীয়তা লৈ জন্ম লাভ কৰে। শিক্ষাৰ কাম হ'ল সিহঁতৰ নির্দিষ্ট ব্যক্তিত্বক বিকশিত কৰা।
- প্রকৃতিবাদী দৃষ্টিভংগীৰপৰা কোৱা হয় যে শিক্ষাৰ কেন্দ্রীয় লক্ষ্য হ'ল ব্যক্তিসকলৰ

স্বয়ংক্রিয় বিকাশ সম্ভৱ কৰি তোলা।

- মনোবৈজ্ঞানিক দৃষ্টিভংগীৰপৰা কোৱা হয় যে শিক্ষা হ'ল এটি ব্যক্তিবাদী প্রক্রিয়া। কাৰণ ইটো শিশু সিটোৰ লগত নিমিলে আৰু বৌদ্ধিক দক্ষতাও একেধৰণৰ নাথাকে। সেয়েহে স্থিতিশীল পাঠ্যক্রমৰ যুক্তিযুক্ততা নাই।
- আধ্যাত্মিকতাবাদৰ মতে ক'ব পাৰি যে শিক্ষাৰ মূল কাম হ'ব লাগিব ব্যক্তিসকলক 'আত্ম-উপলব্ধি' আৰু জীৱনৰ উচ্চ মূল্যবোধৰ উপলব্ধি কৰোৱা।
- প্রগতিবাদী চিন্তাধাৰাৰ মতে ক'ব পাৰি যে মানৱ জাতিৰ বিকাশ আৰু অগ্রগতিৰ মূলতে হ'ল বিখ্যাত ব্যক্তিসকলৰ অৱদানসমূহ যিবিলাকে ইতিহাসৰ বিভিন্ন সময়ত জন্ম লাভ কৰিছিল।

ব্যক্তিতান্ত্রিক লক্ষ্যৰ সমালোচনা

ব্যক্তিতান্ত্রিক লক্ষ্যৰ সপক্ষে যেনেদৰে নানা ধৰণৰ মত প্রকাশ হৈছে সেইদৰে এইক্ষেত্রত বিপৰীতমুখী যুক্তিও প্রকাশিত হৈছে। এইক্ষেত্রত আমি Raymont নামৰ শিক্ষাবিদগৰাকীৰ এযাৰ কথা উল্লেখ কৰিব পাৰো। তেওঁ কৈছিল যে 'অকলশৰীয়া ব্যক্তি এজন হৈছে এক অলীক কল্পনা।' অকলশৰীয়াভাৱে ব্যক্তিৰ বিকাশ কৰাটো অসম্ভৱ। সেয়েহে শিক্ষাৰ বিকাশ কৰিবলৈ যাওঁতে অকল ব্যক্তিৰ চিন্তা কৰাত কোনো যুক্তি নাই। প্রথমে যদি আমি ব্যক্তিৰ বিকাশৰ ওপৰতে অধিক গুৰুত্ব আৰোপ কৰো তেতিয়াহ'লে দেশৰ অর্থনীতি আৰু ৰাজনীতিৰ ক্ষেত্রত বিশৃঙ্খলতাৰ সৃষ্টি হ'ব। ব্যক্তিৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাটো অযুক্তিকৰ কাৰণ ব্যক্তিৰ ওপৰত অধিক গুৰুত্ব দিলে প্রত্যেক ব্যক্তিয়ে নিজৰ প্রাপ্যৰ কথাহে চিন্তা কৰিব। ব্যক্তিজনে নিজৰ কর্তব্যবোধ আৰু দায়িত্বৰ কথা পাহৰি যাব। ইয়াৰ উপৰিও —

- ব্যক্তিবাদৰ চূড়ান্ত অৱস্থাটোৱে মানুহক আত্মকেন্দ্রিক আৰু স্বার্থপৰ কৰি তোলে।
- ব্যক্তিবাদৰ শিক্ষাৰ লক্ষ্যই ব্যক্তিৰ ওপৰত পৰিব পৰা সামাজিক আৰু সাংস্কৃতিক প্রভাৱক আওকাণ কৰে।
- প্রত্যেক শিশুৰ বাবে ব্যক্তিগতভাৱে শিক্ষাৰ পাঠ্যক্রম প্রস্তুত কৰি তোলাটো সম্ভৱপৰ নহয়।
- ব্যক্তিতান্ত্রিকতাৰ ওপৰত অধিকভাৱে গুৰুত্ব আৰোপ কৰাৰ ফলত কিছুমান ব্যক্তিৰ মনত উচ্চাত্মিকা ভাবৰ উদয় হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্যক্তিতান্ত্রিক শিক্ষা মানে কি বুজা যায়?

.....

.....

.....

প্ৰশ্ন নং ২ঃ ব্যক্তিবাদীসকলে কেনেধৰণৰ পাঠ্যক্ৰমৰ পোষকতা কৰে?

.....

.....

প্ৰশ্ন নং ৩ঃ শিক্ষাৰ ব্যক্তিতান্ত্ৰিক লক্ষ্যৰ বিৰুদ্ধে উত্থাপন কৰা তিনিটা সমালোচনাৰ দৃষ্টিভংগী উল্লেখ কৰক।

.....

.....

.....

২.৪.২ শিক্ষাৰ সামাজিক লক্ষ্য

শিক্ষাৰ ব্যক্তিতান্ত্ৰিক লক্ষ্যৰ লগতে আমি সমাজতান্ত্ৰিক লক্ষ্যৰ ধাৰণাও উপলব্ধি কৰিব পাৰো। শিক্ষাত সমাজবাদৰ ধাৰণাই এটি বিস্তৃত দিশ দখল কৰিছে। মানুহ সামাজিক জীৱ। মানুহে সমাজ পাতি, সামাজিক ৰীতি-নীতি, পৰম্পৰা আদি মানি জীৱন নিৰ্বাহ কৰে। প্ৰত্যেকজন ব্যক্তিৰে সামাজিক আন্তঃক্ৰিয়াৰ মাধ্যমত বান্ধোন থকা দেখা যায়। এই বান্ধোন অবিহনে মানুহ অথবা ব্যক্তিৰ বিকাশ সম্ভৱ নহয়। এই বান্ধোনে শিশুসকলৰ ওপৰত নানা ধৰণৰ প্ৰভাৱ পেলায়। সমাজখন হৈছে ব্যক্তিসকলৰ ওপৰত। ব্যক্তিৰ নিজৰ জীৱনৰ নিৰাপত্তাৰ লগতে প্ৰয়োজনীয় উন্নতি সাধন হয় সমাজৰদ্বাৰা। শিক্ষাৰ মূল উদ্দেশ্য হ'ল শিক্ষাৰ্থীসকলক ভৱিষ্যৎ সামাজিক জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা। শিক্ষাৰ সমাজবাদী ধাৰণাই বিদ্যালয়ক সমাজৰে এটা ক্ষুদ্ৰ অংশ বুলি প্ৰমাণিত কৰিছে। এই বিদ্যালয়ৰ মাধ্যমতে শিক্ষাৰ্থীসকলে সমাজৰ নানাবিধ ধাৰণাৰ বিষয়ে শিকিবলৈ সক্ষম হয়।

শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্যৰ ধাৰণাটোৰ প্ৰধান পৃষ্ঠপোষক আছিল জন ডিউই। ডিউইয়ে কৈছে যে শিশুসকলক পূৰ্ণ বিকশিত কৰিবলৈ হ'লে সমাজতান্ত্ৰিক ধাৰণাৰ মাধ্যমেৰে বিকশিত কৰিব লাগিব। জীৱনৰ সোঁতক অবিৰামভাৱে চলাই লৈ যাব লাগিব। তেওঁ শিক্ষাৰ সামাজিক উদ্দেশ্যৰ ওপৰত বিশেষ গুৰুত্ব দি কৈছিল সামাজিক পৰিবেশৰ মাজত থাকি এটা শিশুৱে আদান-প্ৰদান আৰু ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাধ্যমত ভাষা, আচাৰ-ব্যৱহাৰ, আদৰ্শ, নীতি-নিয়ম আদি গ্ৰহণ কৰে। শিক্ষা প্ৰক্ৰিয়াৰদ্বাৰা প্ৰতিজন শিশুৰ মনত সামাজিক চেতনা জগাই তোলাৰ লগতে আত্মনৰীকৰণৰ ধাৰণাৰ উপলব্ধিও কৰাব লাগিব। ব্যক্তিৰ সমষ্টিয়েই হ'ল সমাজ, সেয়েহে সমাজৰ উন্নতি বা উৎকৰ্ষতা সাধন কৰা মানেই ব্যক্তিৰ সমূহীয়া উন্নতি। আধুনিক শিক্ষা ব্যৱস্থা সেয়েহে সমাজক আগত ৰাখি প্ৰৱৰ্তন কৰিব লাগিব। সমাজ সংৰক্ষণ আৰু সমাজৰ কল্যাণ সাধিবলৈ

হ'লে শিশুসকলৰ মনত সামাজিক চেতনাবোধ জগাই তুলিব লাগিব।

জন ডিউইৰ মতে শিক্ষা ব্যৱস্থাটো প্রণালীবদ্ধ হোৱা উচিত। কাৰণ প্রণালীবদ্ধ শিক্ষা হ'লেহে শিশুসকলে দলীয় জীৱনত আনৰ লগত ভাব আৰু কর্মৰ আদান-প্রদান কৰি সহযোগ, সহানুভূতি আৰু সহনশীলতাৰ মাজেদি জীৱন নির্বাহ কৰাৰ শিক্ষা পাব। তেওঁ তেওঁৰ বিখ্যাত গ্রন্থ গণতন্ত্র আৰু শিক্ষাৰ মাজেদি ব্যক্তিৰ বিকাশৰ ক্ষেত্রত ঘাইকৈ গণতান্ত্রিক ৰাষ্ট্র অথবা সমাজৰ ওপৰত অধিক প্রাধান্য আৰোপ কৰিছে আৰু কৈছে যে সামাজিক দক্ষতাৰ দুবিধ বিশেষ লক্ষ্য আছে। প্রথমবিধ হ'ল শিল্প দক্ষতা অর্থাৎ বৃত্তিৰ দক্ষতা আৰু দ্বিতীয়বিধ হ'ল নাগৰিকৰ দক্ষতা। আধুনিক ৰাষ্ট্রসমূহৰ ঔদ্যোগিক বিকাশ দ্রুততৰ হৈছে। সমাজবিলাক হৈ পৰিছে শিল্পপ্রধান সমাজ। বিজ্ঞানৰ অভিনৱ অৱদানসমূহে জীৱন নির্বাহৰ সমস্যাও কঠিন তথা জটিল কৰি তুলিছে। সমাজত মানুহ হিচাপে জীয়াই থাকিবলৈ যিকোনো শিল্প বিষয়ত দক্ষতাৰ প্রয়োজন। এই দক্ষতাই অকল নিজকে উপকৃত নকৰে ই সমাজকো সকলো ক্ষেত্রতে সহায় কৰিব লাগিব। তাৰ বাবে ব্যক্তিসকলক সুনাগৰিক হোৱাৰ শিক্ষা দিব লাগিব। গণতন্ত্রৰ প্রকৃত নাগৰিক হ'বলৈ কিছুমান গুণ, আদর্শ, অভ্যাস আৰু মনোভাবৰ অধিকাৰী হ'ব লাগিব।



জানি থোৱা ভাল

আমি শিক্ষাৰ সমাজতান্ত্রিক লক্ষ্যৰ মূল দিশবোৰ চোৱাটো ভাল হ'ব—

- দেশ আৰু সমাজ হ'ল সকলো ব্যক্তিৰ ওপৰত।
- ব্যক্তিসকলৰ বিকাশ নির্ভৰ কৰে সামাজিক বিকাশৰ ওপৰত।

- শিক্ষাৰ মুখ্য কাম হ'ল সমাজৰ কল্যাণ আৰু বিকাশ সাধন কৰা।
- 'জন ডিউই' হ'ল শিক্ষাৰ সামাজিক লক্ষ্যৰ মুখ্য সমর্থক।
- শিক্ষাৰ সামাজিক লক্ষ্য প্রকাশিত হয় 'সামাজিক দক্ষতাৰ কাৰণে শিক্ষা', 'নাগৰিকত্বৰ বাবে শিক্ষা' আৰু 'নীতিগত দক্ষতাৰ বাবে শিক্ষা'ৰ ধাৰণাৰ মাধ্যমেৰে।

শিক্ষাৰ সমাজতান্ত্রিক লক্ষ্যৰ ব্যাখ্যা বিভিন্ন শিক্ষাবিদে বিভিন্ন ধৰণেৰে কৰা দেখা যায়—

এদল শিক্ষাবিদে কৈছে যে ব্যক্তিসকলৰ অৱস্থিতি সমাজৰ বাবেহে, সমাজ অবিহনে ব্যক্তিৰ অৱস্থিতি অর্থহীন।

শিক্ষাৰ লক্ষ্য, শিক্ষাৰ পাঠ্যক্রম, শিক্ষাদান পদ্ধতি আদি নির্ণয় কৰোতে ৰাষ্ট্রসমূহে সমাজতান্ত্রিক দিশটোহে আগত ৰাখে।

শিক্ষাৰ সমাজতান্ত্রিক লক্ষ্যৰ ব্যাখ্যা আন ধৰণেৰেও কৰা দেখা যায়। প্রথম কথা হ'ল ব্যক্তিসকলৰ বিকাশ সাধন কৰাই সমাজতান্ত্রিক শিক্ষাৰ মূল উদ্দেশ্য। গণতন্ত্রত যাতে ব্যক্তিসকলে

সহজে খাপ খাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। সমাজত সুশাসন গঢ়ি তোলাৰ বাবে আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰি ব্যক্তিসকলক প্ৰয়োজনীয় জ্ঞান, কৌশল, মনোভাৰ আদিৰ ধাৰণা দিয়াৰ লগতে সামাজিক দায়িত্ব প্ৰদান কৰিব লাগিব। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ব লাগিব সামাজিক সমস্যাসমূহ সকলো প্ৰকাৰে সমাধান কৰা। শিক্ষাৰ মাধ্যমেৰে এখন সমাজৰ সংস্কৃতি এক পুৰুষৰপৰা পিছৰ পুৰুষলৈ বিষয়ান্তকৰণ কৰিব লাগিব। শিক্ষাৰ সমগ্ৰ ধাৰণাটো, সমাজৰ ভিতৰতে পৰিকল্পিত। ইয়াৰ প্ৰকৃত ব্যৱহাৰৰ ফলত সমাজলৈ ৰাজনৈতিক, সামাজিক তথা অৰ্থনৈতিক পৰিৱৰ্তন আহে। শিক্ষাই গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনক সকলো দিশতে সহায় কৰিব পাৰে। শিক্ষাই আত্ম-উপলব্ধিৰ সহায়ত ব্যক্তিসকলক নিজৰ দেশৰ সাংস্কৃতিক ঐশ্বৰ্যৰ উপলব্ধি কৰায় আৰু সেই দুৰ্বলতাখিনিক আঁতৰ কৰাবলৈ উপযুক্ত কৰি গঢ়ি তোলে।

শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্যৰ সমালোচনা

শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্যৰ সমালোচনা কৰা দেখা যায়। সমাজতান্ত্ৰিক লক্ষ্যৰ প্ৰয়োজন যদিও নুই কৰিব নোৱাৰি, তথাপি ইয়াৰ বিপৰীতে যথেষ্ট যুক্তি প্ৰদৰ্শন কৰাও দেখা যায়। এই লক্ষ্যৰ মাজেৰে ব্যক্তিৰ অস্তিত্ব স্বীকাৰ কৰা নহয়। সকলো ক্ষেত্ৰতে সমাজৰ দাবী আৰু প্ৰয়োজনক প্ৰাধান্য দিলে ব্যক্তিৰ বিকাশত বাধাৰ সৃষ্টি হ'ব। স্বদেশপ্ৰেম যদি অত্যাধিকভাৱে জগাই তোলা হয় তেতিয়াহ'লে অন্য দেশৰ প্ৰতি বিদ্বেষ ভাৱ বৃদ্ধি পাব। উগ্ৰজাতীয়তাবাদৰ আদৰ্শ বৃদ্ধি হ'লে আনৰ প্ৰতি ঘৃণাভাৱ বৃদ্ধি পোৱাৰ সম্ভাৱনা থাকে। সমাজতান্ত্ৰিক লক্ষ্যৰ আন এবিধ ত্ৰুটি হ'ল শিক্ষাৰ্থীসকলৰ মনত এই লক্ষ্যই সামাজিক দক্ষতা সম্পৰ্কে নানা অভিমতৰ জন্ম দিব পাৰে। তাৰোপৰি দেশৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰিলে নিজস্ব বিকাশ নোহোৱাৰ সম্ভাৱনা বেছি প্ৰকট হৈ উঠে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ শিক্ষাৰ সামাজিক লক্ষ্যৰ মুখ্য প্ৰৱক্তা কোন আছিল ?

.....

প্ৰশ্ন নং ৫ঃ সামাজিক সামৰ্থতাৰ ধাৰণা কি ?

.....

.....

প্ৰশ্ন নং ৬ঃ শিক্ষাৰ সামাজিক লক্ষ্য কি কি কাৰণৰ বাবে সমালোচনাৰ সন্মুখীন হৈছে?

.....

.....

.....

২.৪.৩ শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্য আৰু সামাজিক লক্ষ্যৰ সম্বন্ধ

শিক্ষাৰ ব্যক্তিতান্ত্রিক আৰু সমাজতান্ত্রিক লক্ষ্যৰ বিষয়ে আলোচনা কৰি বুজা গ'ল যে দুয়োটা মতৰ মাজত **বিৰোধভাৱ** থাকিলেও ইটোৰ লগত সিটোৰ সম্বন্ধ অতি গভীৰ। প্ৰথমটোৱে ব্যক্তি বিকাশৰ ওপৰত প্ৰাধান্য দিছে আৰু দ্বিতীয়টোৱে সামাজিক বিকাশৰ ওপৰত প্ৰাধান্য দিছে। প্ৰকৃততে ক'বলৈ গ'লে ব্যক্তি আৰু সমাজ কোনোটোৱেই মুক্ত নহয়। ব্যক্তিসকল সদায় সমাজৰ লগতে নিৰ্ভৰশীল আৰু সমাজ সমৃদ্ধ কৰিবলৈ হ'লে ব্যক্তিসকলৰ প্ৰয়োজন। ব্যক্তিসকলৰ উন্নতিৰ দ্বাৰাই সমাজৰ বিকাশ ঘটে আৰু বিকাশ লাভ কৰা সমাজে ব্যক্তিৰ ওপৰত প্ৰভাৱ পেলায়। ব্যক্তি আৰু সমাজ কোনোটোৱেই স্বাধীন স্থায়িত্ব নাই। সেয়েহে শিক্ষাৰ লক্ষ্য স্থিৰ কৰোঁতে ব্যক্তি আৰু সমাজ দুয়োটাৱেই ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। এইক্ষেত্ৰত আমি বিখ্যাত শিক্ষাবিদ 'ৰুছো'ৰ এষাৰ কথা উল্লেখ কৰিব পাৰো। তেওঁৰ মতে— "সামাজিক পৰিবেশক বাদ দিলে ব্যক্তিৰ পৃথক অস্তিত্ব আৰু ব্যক্তিত্ব সম্পূৰ্ণ অৰ্থহীন, এই দুয়োটাৰ বৰ্দ্ধন আৰু প্ৰকাশ সামাজিক পৰিৱেশতহে হ'ব পাৰে (Individuality is of no value and personality is a meaningless term apart from the social environment in which they are developed and made manifest.)"। সেইদৰে জন আডামচ্ নামৰ মনিষীজনে কৈছে যে— "ব্যক্তিত্ব গঢ়ি তুলিবৰ বাবে এটা সামাজিক পৰিবেশৰ প্ৰয়োজন। সামাজিক সংস্পৰ্শ নঘটিলে আমি মানুহ নহয় (Individuality requires a social medium to grow. Without social contacts we are not human.।" সামাজিক জীৱ হিচাপে ব্যক্তিৰ বিকাশ সাধন কৰাটোৱেই হ'ল শিক্ষাৰ মূল উদ্দেশ্য। সমাজত সুন্দৰভাৱে জীয়াই থাকিবলৈ হ'লে সামাজিক দক্ষতাৰো প্ৰয়োজন। এই দুয়োটা মতবাদ পৰস্পৰ বিৰোধী নহয়। দুয়ো দুয়োৱে **পৰিপূৰকহে**। এই বিষয়ে ১৯৬৪ চনৰ কোঠাৰী আয়োগত কৈছে— "নিজৰ বা গোষ্ঠীৰ সংকীৰ্ণ স্বাৰ্থৰ অনুসৰণৰ পৰিৱৰ্তে বিভিন্ন দিশত বিকাশৰ ব্যাপক আনুগত্যৰ মাজেদিহে ব্যক্তিৰ সিদ্ধি হ'ব পাৰে।" দুয়োটা মতবাদৰ মাজত সংহতি স্থাপন কৰাটোৱেই আধুনিক শিক্ষাৰ মূল লক্ষ্য।



চিন্তা-চৰ্চা কৰকঃ ২.২

'শিক্ষাৰ ব্যক্তিতান্ত্রিক আৰু সামাজিক দুয়োটা লক্ষ্যই আছে, দুয়োটা লক্ষ্যৰ মাজত বিৰোধ ভাৱ নাই'— এই উক্তিটোৰ পৰা আপুনি কি বুজি পালে?

.....

.....

২.৪.৪ মুক্তিবাদ বা জ্ঞানমূলক শিক্ষাৰ লক্ষ্য

আমি ইতিমধ্যে শিক্ষাৰ ব্যক্তিতান্ত্রিক আৰু সামাজিক লক্ষ্যৰ বিষয়ে বুজ ল'লো। এতিয়া মুক্তিবাদ শিক্ষাৰ লক্ষ্যৰ বুজ লওঁহক—

জীৱজগতৰ শ্রেষ্ঠ জীৱ মানুহৰ যুক্তি, বুদ্ধি আৰু চিন্তা শক্তি থকাৰ বাবেই পশুতকৈ শ্রেষ্ঠ। শাৰীৰিক ক্ষেত্রত পশুৰ লগত বহুখিনি সাদৃশ্য থাকিলেও মন আৰু মানসিক চিন্তাধাৰাই মানুহক পশুৰ পৰা পৃথক কৰিছে। পশুৰ বাবে জড়জগত বাস্তৱ আৰু সত্য হ'লেও মানুহৰ বাবে প্রকৃত সত্য হৈছে আধ্যাত্মিক জগত আৰু চিন্তা জগত। জড় জগত পৰিৱর্তনশীল। কিন্তু আধ্যাত্মজগত চিৰসত্য। প্লেটোৰ মতে এই সত্য পৃথিৱীৰ বাহিৰেও আন এটি অধিকতৰ বাস্তৱ সত্য, সুন্দৰ আৰু অবিনশ্বৰ বাস্তৱ আছে, যাক যুক্তিৰ দ্বাৰাহে অনুধাৱন হ'ব পাৰি। মানুহক পশুৰপৰা বেলেগ কৰিবলৈ আৰু মনৰ লগতে আত্মাক শৰীৰৰপৰা উচ্চ স্তৰলৈ তুলিবলৈ, মানুহক উচ্চ আধ্যাত্মিক আৰু চিন্তা জগতলৈ লৈ যাব লাগে। কেৱল বৌদ্ধিক কার্যাৱলী আৰু সৃজনী শক্তিৰ দ্বাৰাহে 'আত্মা' আৰু 'মন'ক উন্নত কৰি উচ্চ স্তৰলৈ লৈ যাব পাৰি। লগতে আত্মাক মানসিকভাৱে উর্দ্ধমুখী কৰিব পাৰি। শৰীৰ হ'ল মনৰ দাস অর্থাৎ মনে শৰীৰক পৰিচালনা কৰে। যি শিক্ষাৰ দ্বাৰাই মন আৰু আত্মাক শৰীৰতকৈ অধিক গুৰুত্ব দি, আধ্যাত্মিক আৰু বৌদ্ধিক কামৰ মাজেৰে মানুহৰ উন্নতি সাধন কৰিব পাৰি তাকে শিক্ষাত উদাৰ বা মুক্তিবাদ বোলে। যিহেতু এই মানসিক উৎকর্ষ আৰু আধ্যাত্মিক উন্নতি পূর্বপুৰুষৰ জ্ঞান-বিজ্ঞান, সাহিত্য, কৃষ্টি আৰু সংস্কৃতি আদিৰ চর্চাৰ দ্বাৰাহে কৰিব পাৰি, গতিকে ইয়াক শিক্ষাৰ সাংস্কৃতিক লক্ষ্য বুলিবও পাৰি।

শিক্ষাৰ এই মত অতি প্রাচীন। বৈদিক যুগত মানুহৰ আধ্যাত্মিক জীৱনৰ উন্নতি সাধনত বেছি জোৰ দিছিল। বেদৰ অর্থ হৈছে জ্ঞান। জ্ঞান আয়ত্ব কৰিবলৈ বেদ, বেদাংগ, উপনিষদ, অর্থশাস্ত্র, ষষ্ঠ অংগ, দশগ্রন্থ, ওঠৰ শিল্প আদি আয়ত্ব কৰাৰ ওপৰত প্রাধান্য দিছিল। ব্রহ্মচর্য ব্রত লৈ কঠোৰ শৃংখলা আৰু সংযমেৰে শাৰীৰিক অভাৱ, প্রলোভন, আবেগ আৰু প্রবৃত্তিসমূহক সংযত কৰি ৰাখিছিল। মানুহৰ সৃজনী শক্তিৰ উৎকর্ষ সাধনে প্রাকৃতিক জগতক সাংস্কৃতিক জগতলৈ পৰিৱর্তন কৰিছে। সত্য, শিৱ, সুন্দৰৰ সন্ধানত মানুহে সাহিত্য, কলা, বিজ্ঞান, স্থাপত্য কলা, শিল্প, সংগীত আদি নানা ধৰণৰ বিষয়ৰ সৃষ্টি কৰিছিল। আকৌ প্রাকৃতিক জগতৰ সলনি সাংস্কৃতিক জগতৰ সৃষ্টি কৰি সভ্যতাৰ উন্নতি সাধন কৰিছিল।

শিক্ষাৰ এই উদ্দেশ্য বহুত যুগ যুগ ধৰি চলি আহি কুৰি শতিকাৰ আগলৈকে বিষয়জ্ঞান আয়ত্ব কৰাই শিক্ষাৰ উদ্দেশ্য আছিল। আজিকালি এই যুক্তি, ব্যাখ্যা, চিন্তা আৰু মানসিক বিশ্লেষণৰ মাজেৰে শিক্ষা প্রচলিত নহৈ যান্ত্রিক গতিত মুখস্থ কৰি বিষয়জ্ঞান লাভ কৰাই শিক্ষাৰ বর্তমান উদ্দেশ্য হৈ পৰিছে। গতিকে মুক্তিবাদত শিক্ষাৰ যথেষ্ট শিক্ষামূলক ভূমিকা আছে।



জানি থোৱা ভাল

শিক্ষাৰ মুক্তিবাদ বা জ্ঞানমূলক লক্ষ্যই কি কি দিশত গুৰুত্ব আৰোপ কৰিছে তাৰ বুজ ল'লো। এইক্ষেত্ৰত আমি চমুকৈ ক'ব পাৰো যে ই জ্ঞান লাভৰ উদ্দেশ্যৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। মানুহ হিচাপে আমি জ্ঞানমূলক শক্তিৰ অধিকাৰী। শিক্ষাই আমাৰ বৌদ্ধিক দক্ষতা আৰু সামৰ্থৰ বিকাশ কৰে। প্ৰকৃতভাৱে ক'ব পাৰি যে মুক্তিবাদৰ শিক্ষাৰ ধাৰণাটোৱে এগৰাকী ব্যক্তিৰ জ্ঞান লাভৰ প্ৰয়াসক বিকশিত কৰে। এই শিক্ষাৰ লক্ষ্যটোকো সমালোচনা কৰা দেখা যায়। জ্ঞানৰ কাৰণে জ্ঞান লাভৰ লক্ষ্য শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ব নোৱাৰে। জ্ঞান দান কৰাটো প্ৰয়োজনীয় যদিও ই একমাত্ৰ শিক্ষাৰ লক্ষ্য হ'ব নোৱাৰে। প্ৰকৃত জ্ঞান হ'ল জ্ঞানদান কৰাতকৈ বহু ওপৰত বা ঘটনাৰাজিৰ শিক্ষণ। ই জীৱনৰ অৱস্থাৰ লগত সম্বন্ধিত হ'ব লাগে আৰু ইয়াক শিক্ষার্থীসকলে নিজস্ব অভিজ্ঞতাৰ ভিত্তিত বিকশিত কৰিব লাগিব। সেয়েহে মুক্তিবাদৰ শিক্ষাক ব্যৱহাৰিক জ্ঞানৰ সৈতে সম্বন্ধযুক্ত কৰিব লাগিব। এনে কৰিলেহে প্ৰকৃত ব্যক্তিৰ বিকাশ সম্ভৱপৰ হৈ উঠিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ মুক্তিবাদ শিক্ষাৰ লক্ষ্য বা জ্ঞানমূলক শিক্ষাৰ লক্ষ্যৰ মূল দিশকেইটা চমুকৈ বৰ্ণনা কৰক।

.....

.....

.....

২.৪.৫ শিক্ষাৰ বৃত্তিমুখী লক্ষ্য

শিক্ষাৰ আন এটা প্ৰধান লক্ষ্য জীৱিকা নিৰ্বাহ কৰা। শিক্ষাই অকল মানসিক উৎকৰ্ষ সাধন কৰাতে সীমাবদ্ধ থাকিলে নহ'ব। ইয়াৰ দ্বাৰা মানুহৰ জীৱিকা নিৰ্বাহ হোৱাৰ ক্ষেত্ৰতো সহায় হ'ব লাগিব। বৈজ্ঞানিক জ্ঞান আৰু শিল্পৰ উন্নতিয়ে সমাজৰ কাৰ্যাৱলী, জীৱনযাত্ৰাৰ ধৰণ আৰু অৰ্থনৈতিক অৱস্থাও বেলেগ কৰিছে। বিজ্ঞানৰ নতুন নতুন অৱদানসমূহে উন্নতি সাধন কৰাৰ লগতে বহুতো অনুষ্ঠানৰ সৃষ্টি কৰিছে আৰু লগতে জটিলতাও বৃদ্ধি কৰিছে। ৰাজনৈতিক জীৱনত গণতন্ত্ৰই শ্ৰেণীহীন সমাজৰ সৃষ্টি কৰি সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনত সকলোৱে সমানে অংশগ্ৰহণ কৰাত প্ৰাধান্য দিছে। বৃত্তিমূলক শিক্ষাই কোনো এজন মানুহক কেৱল উপাৰ্জনক্ষম কৰাৰ বাবে বৃত্তিশিক্ষা প্ৰদান কৰাটো নুবুজায়। মানুহৰ শৰীৰৰ অংগ-প্ৰত্যঙ্গৰ

পৰিচালনা আৰু সমন্বয় সৃষ্টিৰ কথাও বুজায়। বৃত্তিমুখী শিক্ষাৰ মাজেৰে ভৱিষ্যতত নাগৰিকে সমাজৰ উন্নতিৰ বাবে কাম কৰিব পাৰে। ৰাষ্ট্ৰৰ উৎপাদন শক্তি বঢ়াবলৈ আৰু অৰ্থনৈতিক অৱস্থা সমৃদ্ধ কৰিবলৈ বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজন অতি বেছি।

আধুনিক জগতৰ প্ৰায় সকলো ক্ষেত্ৰতে বিভিন্ন ধৰণৰ জটিল সমস্যাৰ উদ্ভৱ হৈছে। অন্ন-বস্ত্ৰৰ সমস্যা যে অতি প্ৰকট হৈ পৰিছে তাক অস্বীকাৰ কোনেও কৰিব নোৱাৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই প্ৰত্যেক ব্যক্তিৰ উন্নতি সাধন কৰি ইয়াক আগতকৈ জটিল কৰি তুলিছে। দেশৰ সমৃদ্ধি জনসাধাৰণৰ উৎপাদন শক্তিৰ ওপৰত নিৰ্ভৰ কৰে আৰু ইয়াৰ বাবে বৃত্তিমূলক দক্ষতাৰ প্ৰয়োজন। গতিকে বৃত্তিমূলক দক্ষতা লাভ কৰাই শিক্ষাৰ উদ্দেশ্য বুলি গণ্য কৰা হৈছে। মনিষী 'ৰেমন্টে' কৈছিল যে শিক্ষার্থীক প্ৰাত্যহিক জীৱনৰ অৰ্থনৈতিক দিশটোৰ প্ৰতি সাজু কৰি তুলিব লাগিব আৰু প্ৰত্যেক শিক্ষা ব্যৱস্থাত আমি এই বৃত্তিমুখী বিষয়বোৰৰ প্ৰতি চকু দিব লাগিব। অৰ্থোপাৰ্জনৰ ক্ষমতাৰ ওপৰত শিক্ষা ব্যৱস্থাসমূহৰ সাফল্য নিৰ্ভৰ কৰে। ভৱিষ্যত জীৱনৰ বাবে বৃত্তি সম্বন্ধে শিশুসকলক উপযুক্ত জ্ঞান দিব পাৰিলেহে শিক্ষা ব্যৱস্থাটো উদ্দেশ্যধৰ্মী আৰু অৰ্থপূৰ্ণ হ'ব।

বৃত্তিমুখী শিক্ষাক কিয় গুৰুত্ব দিয়া হয়?

- বৃত্তিমুখী শিক্ষাই ব্যক্তিক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলে। অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা হ'ল সামাজিক দক্ষতাৰ প্ৰথম বৈশিষ্ট্য।
- বৃত্তিমুখী শিক্ষাই অৰ্থনৈতিক আৰু ব্যক্তিগত বিকাশৰ মাজত সমতা স্থাপন কৰে আৰু ই শিক্ষার্থীসকলক ব্যৱহাৰিক জীৱন আৰু উপযুক্ত কৰ্মৰ বাবে প্ৰস্তুত কৰি তোলে।
- বৃত্তিমুখী শিক্ষাই বৌদ্ধিক নিয়ন্ত্ৰণ আৰু কথোপকথনৰ প্ৰভাৱ কমাই দিয়ে। সেয়েহে ৰুছো', মহাত্মা গান্ধী আদিৰ দৰে আধুনিক শিক্ষাবিদসকলেও ইয়াক সমৰ্থন কৰে।
- বৃত্তিমুখী লক্ষ্যই শৈক্ষিক কৰ্মৰাজিক উদ্দেশ্যমুখী কৰি তোলে। তেনে উদ্দেশ্যৰ বাবেই ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত 'কৰ্ম অভিজ্ঞতা' অন্তৰ্ভুক্তিৰ পৰামৰ্শ আগবঢ়াইছিল।
- বৃত্তিমুখী শিক্ষাৰপৰা নিম্ন মানৰ বুদ্ধিসম্পন্ন শিক্ষার্থীয়েও লাভান্বিত হ'ব পাৰে। বৃত্তিৰ প্ৰশিক্ষণৰ ফলত তেওঁলোক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ সুন্দৰভাৱে জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হয়।
- বৃত্তিমুখী শিক্ষা সমাজৰ নিম্ন আৰু উচ্চ শ্ৰেণীৰ মাজত থকা ব্যৱধানখিনিৰ সেতু বন্ধনৰ বাবে প্ৰয়োজনীয়।
- বৃত্তিমুখী শিক্ষাই শিক্ষার্থীসকলৰ মনত 'শ্ৰমৰ মৰ্যাদাৰ' ধাৰণা উন্নত পৰ্যায়লৈ নিয়ে; কাৰণ সৰু-বৰ সকলো কামৰে নিজস্ব গুৰুত্ব আছে।

মুক্তিবাদৰ শিক্ষা আৰু বৃত্তিমুখী শিক্ষাৰ মাজত বিৰোধভাৱ

শিক্ষাৰ ক্ষেত্ৰত বৃত্তিমুখী আৰু মুক্তিবাদী শিক্ষাৰ এটি জ্বলন্ত বিৰোধভাব পৰিলক্ষিত হয়। এই পৰিলক্ষিত বিৰোধভাৱে শিক্ষাক দুটা ভাগত বিভক্ত কৰাইছে। এই বিভাজনৰ আঁত পৰিলক্ষিত হৈছিল প্ৰথমতে গ্ৰীক সমাজত মুক্ত নাগৰিক আৰু দাসসকলক লৈ। এই দ্বৈতবাদে শ্ৰমৰ বিভাজন আনি কৰ্ম আৰু জিৰণিৰ সৃষ্টি কৰি সমাজৰ মানুহক দুটা শ্ৰেণীত ভাগ কৰিছিল। এটা শ্ৰেণীৰ কাম হ'ল জীয়াই থকাৰ বাবে শ্ৰম কৰা আনটো হ'ল শ্ৰম নকৰা। এটা শ্ৰেণী হ'ল 'চাকৰ' বা 'দাস' আৰু আনটো শ্ৰেণী হ'ল 'মুক্ত' বা 'প্ৰভু'। দাসসকলে নিজৰ জীৱিকা নিৰ্বাহৰ বাবে আৰু ওপৰৰ শ্ৰেণীৰ বাবে কাম কৰে। দাসসকলৰ সময় ব্যৱহাৰিক কৰ্মৰ মাজেৰে অন্ত পৰে আৰু মুক্ত শ্ৰেণীয়ে বৌদ্ধিক দিশেৰে সময় শেষ কৰে। দাসসকল প্ৰশিক্ষণপ্ৰাপ্ত হয় কৰ্মৰ জৰিয়তে আৰু মুক্তসকল প্ৰশিক্ষণপ্ৰাপ্ত হয় উচ্চ পৰ্যায়ৰ মুক্ত শিক্ষাৰ দ্বাৰা।

গ্ৰীকসকলৰ এই শ্ৰেণী বিভাজনে শিক্ষাৰ ক্ষেত্ৰটো এটা বিভাজনৰ সৃষ্টি কৰিছিল। তাত দুই ধৰণৰ জীৱিকা নিৰ্বাহ বা কলাৰ সৃষ্টি হৈছিল— জীয়াই থকা আৰু মুক্তবাদ। সেইদৰেই জীয়াই থকাৰ বাবে যান্ত্ৰিক আৰু মুক্ত বা বৌদ্ধিক শিক্ষা ব্যৱস্থা। যান্ত্ৰিক শিক্ষাৰ শ্ৰেণীটোৱে বস্তুৰ সৃষ্টি কৰাৰ বাবে যন্ত্ৰপাতিৰ ব্যৱহাৰ কৰিছিল। ইয়াৰ মাজেৰে ব্যক্তিগত শিক্ষাৰ প্ৰশিক্ষণ শেষ হ'ল আৰু বস্তুসমূহৰ সৃষ্টি হ'ল। এই প্ৰশিক্ষণ পদ্ধতিত বিশেষ চিন্তা শক্তিৰ প্ৰয়োজন নহ'ল। কিন্তু বাৰে বাৰে কৰি থকাৰ ফলত কৰ্মদক্ষতা বৃদ্ধি হ'ল। আনহাতে, মুক্ত শিক্ষা ব্যৱস্থাই বৌদ্ধিক জ্ঞান লাভ কৰাত সহায় কৰিলে। মুক্ত শিক্ষা ব্যৱস্থাই বস্তুসমূহৰ সৃষ্টি কৰাত উদ্‌গনি মুক্তভাৱে জগালে। এই জ্ঞান পৰিপূৰ্ণ হ'ল মানসিক চিন্তাধাৰাৰ মাজেৰে। এই শিক্ষা ব্যৱস্থা অতি মানসিক, ই অতি উচ্চ পৰ্যায়ৰ, অতি স্বাধীন-চিতীয়া আৰু বেছি স্বনিৰ্ভৰশীল। যিয়ে নহওঁক, মুক্ত শিক্ষা ব্যৱস্থা মুক্তভাৱেৰে কোনো ব্যৱহাৰিক শ্ৰম নকৰাকৈয়ে আৰ্জিত হয় আৰু শেষ কৰা হয়। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে শৈক্ষিক দিশেৰে বিশ্লেষণ কৰি বৃত্তিমূলক আৰু মুক্ত শিক্ষা ব্যৱস্থাৰ মাজত থকা পাৰ্থক্যৰ কথা ফঁহিয়াই দেখুৱাইছে। তেওঁৰ মতে বৃত্তিমুখী আৰু মুক্ত শিক্ষা ব্যৱস্থাত সুকুমাৰ কলা, সংগীত, ছবি আঁকা, ভাস্কৰ্যৰ কাম স্থান পায়। তেওঁ এইবোৰৰ বিভক্তকৰণ কৰিছে কিন্তু উপভোগ আৰু মানসিক কলাৰ মাধ্যমেৰে নহয়। সেই গোটেইবোৰ জড়িত হৈ পৰে প্ৰাকৃতিক অনুসংগ, প্ৰকৃত অভ্যাস, সৃষ্টি আৰু বাহ্যিক ফলাফলৰ লগত।

বৃত্তিমুখী শিক্ষাৰ লক্ষ্যৰ সমালোচনা

বৃত্তিমুখী শিক্ষাৰ উদ্দেশ্যৰ বিষয়েও নানা ধৰণৰ সমালোচনা হোৱা দেখা যায়। উল্লেখযোগ্য সমালোচনাখিনি হ'ল—

- শিক্ষাৰ বৃত্তিমুখী লক্ষ্যক শিক্ষাবিদসকলে ঠেক গণ্ডীৰ ধাৰণা বুলি কৈছে কাৰণ ই ব্যক্তিক মাত্ৰ জীৱন নিৰ্বাহৰ বাবে আয় কৰাৰ শিক্ষাহে দিয়ে।

- জীৱন নির্বাহৰ বাবে আয় কৰাটো নিঃসন্দেহে মানৱ জীৱনৰ এটা গুৰুত্বপূর্ণ অংশ কিন্তু ইয়েই সকলো নহয়। মানুহে শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিকভাৱেও বিকশিত হ'ব লাগিব; যিটো অকল বৃত্তিমুখী শিক্ষাই দিব নোৱাৰে।
- বৃত্তিমুখী শিক্ষাই আমাৰ দৃষ্টিভংগীক ঠেক গণ্ডীৰ কৰি পেলায়। এই শিক্ষাই ভাল কাৰিকৰ, বিদ্যুৎকর্মী, চিকিৎসক আৰু অভিযন্তা তৈয়াৰ কৰিব পাৰে কিন্তু সুন্দৰ মানুহ তৈয়াৰ কৰিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ বর্তমান অৱস্থাত বৃত্তিমুখী শিক্ষাৰ ওপৰত কিয় ইমান গুৰুত্ব আৰোপ কৰা হৈছে তাৰ কাৰণবোৰ চমুকৈ বর্ণনা কৰক।

.....

.....

২.৪.৬ শিক্ষাৰ সমবিকাশৰ লক্ষ্য

শিক্ষা হ'ল এটি প্রক্রিয়া যিটো প্রক্রিয়াই ব্যক্তিসকলক সংগতিপূর্ণভাৱে বিকাশ হোৱাত সহায় কৰে। এই বিষয়ে শিক্ষাবিদসকলে নানা ধৰণৰ মত পোষণ কৰিছে। তেওঁলোকৰ মতে প্রত্যেক ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু নৈতিক তথা আধ্যাত্মিক উন্নতিৰ বাবে শিক্ষাই সমভাৱে গুৰুত্ব আৰোপ কৰা প্রয়োজন। আমি এই ক্ষেত্রত মনিষী ৰুছোৰ কথা এফাঁকি উল্লেখ কৰিব পাৰো। তেওঁ কৈছিল— 'শিক্ষা হৈছে জীৱনৰ স্বাভাৱিক বিকাশৰ প্রক্রিয়া। ই জীৱনক আনন্দদায়ক; বিচাৰ-বুদ্ধিসম্পন্ন, সংগতিপূর্ণভাৱে সন্তুলিত আৰু উপযোগী কৰি স্বাভাৱিক বিকাশৰ পথত আগবঢ়াই নিয়ে।' মানৱ জীৱনটো বিভিন্ন স্তৰত ভাগ কৰা হৈছে। ইটো স্তৰৰ বিকাশ হোৱাৰ পিছতহে সিটো স্তৰ পোৱাটো সম্ভৱ হয়। এই স্তৰসমূহ হ'ল এটা গতিশীল প্রক্রিয়াৰ স্বাক্ষৰ। ইয়াৰ মাজত সংগঠিত সুসামঞ্জস্য আছে। সেয়েহে ইয়াৰ এটা দিশৰ বিকাশৰ ওপৰত গুৰুত্ব দিব নোৱাৰি। সকলোখিনিৰ ওপৰত সমানে গুৰুত্ব দিলেহে ব্যক্তিৰ সামগ্রিক বিকাশ সম্ভৱপৰ হ'ব।

আন এটা মতবাদত কোৱা হৈছে যে ব্যক্তিসকল বৈষম্যপূর্ণ। ইজন ব্যক্তি সিজন ব্যক্তিৰ লগত নিমিলে। যিকোনো দুগৰাকী ব্যক্তি দেখাত একে হ'লেও ইজনৰ লগত সিজনৰ শাৰীৰিক তথা মানসিক পার্থক্য থাকিবই। সেয়েহে ব্যক্তিসকলৰ সমবিকাশ সম্ভৱপৰ নহয়। শিক্ষাৰ লক্ষ্য স্থিৰ কৰোতে আমি চাব লাগে যাতে সকলো ব্যক্তিয়ে সমভাৱে আগুৱাই যোৱাৰ চেষ্টা চলাব পাৰে। তদুপৰি ব্যক্তিসকলৰ অকল শাৰীৰিক উন্নতিৰ ওপৰত নাইবা অকল মানসিক উন্নতি অথবা আধ্যাত্মিক বিকাশৰ ওপৰত গুৰুত্ব দি বাকী দুটাৰ ওপৰত গুৰুত্ব নিদিলে ব্যক্তিজনৰ

সমভাৱে বিকাশ নহ'ব। ইয়াক একপক্ষীয় শিক্ষা বুলি ধৰা হ'ব। মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছে যে ব্যক্তিৰ দেহ, মন আৰু আত্মাৰ সৰ্বশ্ৰেষ্ঠ গুণসমূহৰ সংগতিপূৰ্ণ বিকাশকে শিক্ষা বুলিব পাৰি। মানুহক অকল বুদ্ধিমান বা অকল পশু বুলি ক'ব নোৱাৰি; লগতে মানুহ অকল 'আত্মা' বা 'হৃদয়'ৰ অধিকাৰীও নহয়। প্ৰকৃত শিক্ষাৰ লক্ষ্য হ'ব লাগিব তিনিও বিধৰে সুসামঞ্জস্য বিকাশ সাধন কৰা।

শিক্ষাৰ সুসামঞ্জস্য পূৰ্ণ বিকাশৰ ক্ষেত্ৰত মনোবৈজ্ঞানিক পেষ্টালজীয়ে কৈছে— Education is natural, harmonious and progressive development of man's innate powers. শিক্ষা প্ৰাকৃতিক, ইয়াৰ দ্বাৰা মানুহৰ অন্তৰ্নিহিত শক্তিৰ সুসমন্বয়পূৰ্ণ বিকাশৰ প্ৰগতি হয়। সেইদৰেই মনিষী ৰুছোৰ এযাৰ কথা বিশেষভাৱে উল্লেখযোগ্য। তেওঁ কৈছে, শিক্ষাৰ সুসামঞ্জস্য পূৰ্ণ বিকাশ মানে বৌদ্ধিক, ধৰ্মীয়, নৈতিক আৰু সৌন্দৰ্যবোধৰ বিকাশ। ই শিশুসকলক ওপৰোক্ত ধাৰণাসমূহৰ বিষয়ে জ্ঞান দান কৰে। তেওঁৰ ভাষাত 'Harmonious development means the intellectual, religious, moral and aesthetic development of the child.' সকলো দিশৰপৰা লক্ষ্য কৰি ক'ব পাৰি যে শিশুসকলৰ সামগ্ৰিক বিকাশৰ বাবে কিছুমান বিশেষ বিষয়ৰ দৰকাৰ। সেয়েহে সকলোবোৰ কথা অন্তৰ্ভুক্ত কৰি যেতিয়া শিক্ষাৰ লক্ষ্য ঠিক কৰা হয় সেই শিক্ষাৰ ধাৰণাকে ব্যক্তিৰ সমবিকাশৰ শিক্ষা বুলি কোৱা হয়।

শিক্ষাৰ সমবিকাশৰ ধাৰণাটোক সমালোচনা কৰা দেখা যায়। কিছুমান চিন্তাবিদৰ মতে সুসমন্বয়পূৰ্ণ বিকাশে স্পষ্টকৈ কোনো এটা উদ্দেশ্য ফলৱতী কৰিব নোৱাৰে। সামগ্ৰিক বিকাশ কৰাটো প্ৰকৃততে সহজ কাম নহয়। কাৰণ এই ধাৰণাটোৰ কোনো নিশ্চিত অৰ্থ নাই। মানুহৰ অন্তৰ্নিহিত শক্তি থাকিলেও মানুহে সকলো দিশৰ সমানে বিকাশ সাধন কৰিব নোৱাৰে। সুসমন্বয় পূৰ্ণ বিকাশৰ বাবে শিক্ষাৰ মূল্যায়ণ কৰাৰ বাবে কোনো পথ নাই। ব্যক্তিসকলৰ সামৰ্থৰ বিকাশ হৈছে নে নাই তাক নিশ্চিত কৰাটো এটা অতি জটিল কাম। এই শিক্ষাৰ ধাৰণাই ব্যক্তি বৈষম্য আৰু প্ৰয়োজনক আওকাণ কৰা দেখা যায়। এই শিক্ষা ব্যৱস্থাৰ বিকাশ সাধন কৰাৰ বাবে এটি সুসংগঠিত পাঠ্যক্ৰম প্ৰস্তুত কৰাটো অসম্ভৱ, কাৰণ সকলোৰে প্ৰয়োজন পূৰ্ণ কৰিবলৈ যোৱাটো এটা অবাস্তৱ কল্পনা। এইবিলাক দিশৰপৰা ইয়াক শিক্ষাৰ মূল লক্ষ্য হিচাপে ল'ব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ঃ শিক্ষাৰ সমবিকাশ বা সুসামঞ্জস্য পূৰ্ণ বিকাশৰ লক্ষ্যৰ ধাৰণা প্ৰকাশ কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

২.৪.৭ শিক্ষাৰ সম্পূৰ্ণ জীৱন নিৰ্বাহ প্ৰস্তুতিৰ লক্ষ্য

আমি ইতিমধ্যে শিক্ষাৰ বিভিন্ন লক্ষ্যৰ বিষয়ে বুজ ললো। আমি এতিয়া আন বিধ লক্ষ্যৰ বিষয়ে আলোচনা কৰিম যাক শিক্ষাৰ সম্পূৰ্ণ জীৱন নিৰ্বাহ প্ৰস্তুতিৰ লক্ষ্য বুলি জনা যায়।

দাৰ্শনিক হাৰ্বাৰ্ট স্পেনচাৰে শিক্ষাৰ লক্ষ্যৰ ক্ষেত্ৰত এক বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰভাৱ পেলায়। তেওঁৰ মতে ব্যক্তিয়ে সম্পূৰ্ণ জীৱন নিৰ্বাহ কৰিব পৰাকৈ তেওঁক প্ৰস্তুত কৰি তোলাটো শিক্ষাৰ লক্ষ্য হোৱা উচিত। এই দৃষ্টিকোণৰ পৰা কোৱা হয় যে এজন লোকে জীৱনৰ সকলো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে আৰু সম্পূৰ্ণভাৱে পালন কৰিব পৰাৰ ওপৰতহে শিক্ষাৰ সাৰ্থকতা নিৰ্ভৰ কৰে। সাধাৰণভাৱে চালে জীৱন নিৰ্বাহ কৰা শিক্ষাৰ এই ধাৰণা যথেষ্ট অস্পষ্ট আৰু জটিল। সেইবাবে স্পেনচাৰৰ মতে এই লক্ষ্যৰ ধাৰণা আৰু ইয়াৰ কাৰ্যকাৰিতা নিম্নলিখিত বিধৰ—

- ব্যক্তিয়ে প্ৰত্যক্ষভাৱে আত্মৰক্ষা সম্বন্ধীয় জ্ঞান-অভিজ্ঞতাৰ ওপৰত সৰ্বপ্ৰথম গুৰুত্ব দিয়াৰ কথা তেওঁ উল্লেখ কৰে। শৰীৰ বিজ্ঞান, স্বাস্থ্য বিজ্ঞান, ৰসায়ণ বিজ্ঞান আদি বিষয়ৰ অধ্যয়নত সেয়েহে অগ্ৰাধিকাৰ দিব লাগে।
- পৰোক্ষভাৱে ব্যক্তিৰ আত্মৰক্ষা সম্বন্ধীয় জ্ঞান আহৰণৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত ব্যক্তিৰ খাদ্য আৰু আশ্ৰয়স্থল সম্বন্ধে অধ্যয়ন কৰিবলগা বিষয়সমূহ, যেনে— গণিত, জীৱবিদ্যা, সমাজবিদ্যা, পদাৰ্থবিদ্যা আদিৰ ওপৰত শিক্ষাৰ লক্ষ্যই প্ৰাধান্য দিব লাগে।
- প্ৰাধান্য আৰোপ কৰিবলগা বিষয় হৈছে শিশুক লালন-পালন আৰু অনুশাসনৰ যোগেদি ডাঙৰ-দীঘল কৰি তোলাটো। স্পেনচাৰৰ মতে ব্যক্তিৰ আত্মৰক্ষা সম্বন্ধীয় জ্ঞানৰ প্ৰয়োজন পূৰণ হোৱাৰ পিছত শিশুকল্যাণ আৰু বিকাশ সম্বন্ধীয় জ্ঞান আহৰণ কৰিব লাগে। ইয়াৰ বাবে মনোবিজ্ঞান, শৰীৰ বিদ্যা, নীতিশাস্ত্ৰ আদি বিষয় অধ্যয়নৰ প্ৰয়োজন।
- ব্যক্তিয়ে নিজৰ আৰু পৰিয়ালৰ দৈহিক প্ৰয়োজন পূৰণ কৰাৰ পিছত সমাজৰ প্ৰতি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনৰ প্ৰতি চকু দিব লাগে। স্পেনচাৰৰ মতে সমাজৰ প্ৰয়োজন ব্যক্তি প্ৰয়োজন পূৰণৰ পিছতহে বিবেচনাযোগ্য। ইয়াৰ বাবে অৰ্থনীতি, ৰাজনীতি, বুৰঞ্জী, পৌৰবিদ্যা আদি বিষয় অধ্যয়ন কৰা উচিত।
- ব্যক্তিয়ে আজৰি সময় সাৰ্থকভাৱে কটাবলৈ আৰু তাৰ যোগেদি জীৱনৰ বিশুদ্ধতা লাভ কৰিবলৈ কেতবোৰ বিভিন্ন ধৰণৰ মনোৰঞ্জনকাৰী মানৰীয় বিষয় অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয়। উল্লেখযোগ্য যে পাঠ্যক্ৰমত পূৰ্বে লাভ কৰা মানৰীয় বিষয়সমূহৰ প্ৰাধান্য স্পেনচাৰে ইয়াৰ যোগেদি হ্ৰাস কৰিবলৈ বিচাৰে। এই বিষয়সমূহৰ জ্ঞানতকৈ আজৰি সময়ৰ মনোৰঞ্জন কৰিবপৰা ভূমিকাৰ প্ৰতিহে তেওঁ গুৰুত্ব দিয়ে।

স্পেনচাৰৰ মতে পূৰ্ণ জীৱন-যাপনৰ বাবে শিক্ষাৰ লক্ষ্যই উল্লিখিত বিষয়সমূহ তাৰ প্ৰাধান্য অনুযায়ী বিবেচনা কৰিব লাগে। শিক্ষাই এনেবোৰ অভিজ্ঞতা প্ৰদান কৰিব পাৰিলেই ব্যক্তিয়ে সম্পূৰ্ণভাৱে জীৱন যাপন কৰিবলৈ সমৰ্থ হ'ব পাৰে। মন কৰিবলগীয়া যে এই পূৰ্ণ জীৱন যাপনৰ বাবে জ্ঞানৰ সকলোবোৰ দিশকেই স্পেন্চাৰে সাধাৰণভাৱে অন্তৰ্ভুক্ত কৰিছে। অৱশ্যে এই বিষয়সমূহৰ অধ্যয়নত তেওঁ সকলোতে সমান গুৰুত্ব দিয়া নাই। এই ক্ষেত্ৰতে পূৰ্ণ জীৱন যাপনৰ বাবে জৈৱিক আৰু প্ৰাকৃতিক দৃষ্টিকোণৰপৰা বিজ্ঞানৰ বিষয়সমূহ অধ্যয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছে। পাঠ্যক্ৰম বিজ্ঞানভিত্তিক কৰি তুলি প্ৰথমেই মানুহৰ জৈৱিক আৰু তৎকালীন প্ৰয়োজনবোৰ পূৰণৰ চেষ্টা কৰা হৈছে। গতানুগতিক পাঠ্যক্ৰমত প্ৰাধান্য দি অহা মানৱীয় বিষয়সমূহক দ্বিতীয় স্থান দিয়া হৈছে। ইয়াৰ কাৰণ এয়ে যে ১৯ শতিকাত বিজ্ঞানে বিশেষ অগ্ৰগতি লাভ কৰা স্বত্বেও শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত তাৰ যোগ্য স্থান দিয়া হোৱা নাছিল। সাহিত্য, বুৰঞ্জী আদি পুৰণি গতানুগতিক আৰু সাংস্কৃতিক বিষয়সমূহকেই উদ্দেশ্যবিহীনভাৱে চলাই থকা হৈছিল। সেইবাবে স্পেনচাৰে এইকথা উপলব্ধি কৰিছিল যে আধুনিক যুগত বিজ্ঞানৰ বিষয়সমূহৰ অধ্যয়নেহে জৈৱিক প্ৰয়োজন পূৰণ কৰি মানুহক পূৰ্ণ জীৱন যাপনত সহায় কৰিব পাৰে। তেওঁ অৱশ্যে ব্যক্তিৰ পূৰ্ণ জীৱন যাপনৰ বাবে সামাজিক জীৱনৰ প্ৰয়োজনীয় অভিজ্ঞতাৰ প্ৰতিও যথাযোগ্য বিবেচনা কৰে। শিক্ষাৰ লক্ষ্যৰ ক্ষেত্ৰত সেইবাবে পূৰ্ণ জীৱন যাপনৰ ধাৰণা আমাৰ প্ৰণিধানযোগ্য।

এই লক্ষ্যৰ দুৰ্বলতাসমূহ ঃ

- প্ৰথমেই উল্লেখযোগ্য যে 'পূৰ্ণ জীৱন যাপনৰ প্ৰস্তুতি' বোলা এই কথাষাৰ স্বাভাৱিকতেই শিক্ষাৰ লক্ষ্যস্বৰূপে যথেষ্ট অস্পষ্ট আৰু ই বিভিন্ন অৰ্থসূচক।
- পূৰ্ণ জীৱন -যাপনৰ প্ৰস্তুতি লক্ষ্যই শিশু জীৱন আৰু শৈশৱৰ প্ৰয়োজন আদিক আওকাণ কৰিছে।
- স্পেনচাৰে প্ৰদান কৰা শিক্ষাৰ এই লক্ষ্য আৰু ইয়াৰ কাৰ্যসূচী কেৱল ব্যক্তিৰ জৈৱিক প্ৰয়োজন পূৰণমুখী হৈ উঠিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ শিক্ষাৰ সম্পূৰ্ণ জীৱন নিৰ্বাহৰ প্ৰস্তুতিৰ লক্ষ্য ধাৰণাটোক কোনে উদ্ভাৱন কৰিছে?

.....

.....

.....

প্ৰশ্ন নং ১১ঃ সম্পূৰ্ণ জীৱন নিৰ্বাহৰ প্ৰস্তুতিৰ লক্ষ্যৰ কাৰণে প্ৰয়োজনীয় বিষয়বোৰ তালিকাভুক্ত কৰক।

.....

.....

.....

২.৫ গণতন্ত্ৰত শিক্ষাৰ লক্ষ্যসমূহ

আমি জানো যে আধুনিক বিশ্বত গণতান্ত্ৰিক চৰকাৰেই হ'ল আটাইতকৈ গ্ৰহণযোগ্য চৰকাৰ। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ পূৰ্ণাংগ বিকাশত নাগৰিকসকলৰ বিশেষ অৰিহণা থাকে। সেই ৰাষ্ট্ৰৰ বিকাশ নিৰ্ভৰ কৰিব ৰাষ্ট্ৰখনৰ নাগৰিকসকলৰ সুশিক্ষাৰ ওপৰত। যিখন ৰাষ্ট্ৰৰ নাগৰিকসকল কোনো ধৰণেৰে শিক্ষিত নহয় সেই ৰাষ্ট্ৰখনৰ বিকাশ কোনো প্ৰকাৰে হ'ব নোৱাৰে। নাগৰিকসকল শিক্ষিত হ'লেহে ৰাষ্ট্ৰৰ উন্নতি সাধন কৰিবলৈ সক্ষম হ'ব। গতিকে দেখা যায় যে শিক্ষাই নাগৰিকসকলক শিক্ষিত কৰি তুলিবলৈ ৰাষ্ট্ৰৰ বিকাশৰ বাবে কাৰ্য কৰিবলৈ প্ৰস্তুত কৰি তোলে। সমাজ বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে সমাজৰ উঠি অহা কিশোৰ-কিশোৰীসকলক সুনাগৰিকৰূপে গঢ়ি তোলাৰ আদৰ্শই ক্ৰমান্বয়ে সামাজিক জীৱনত জনপ্ৰিয় হৈ পৰিছে। এই সন্দৰ্ভত চিন্তাবিদসকলে বিশ্বাস কৰে যে শিশুসকলক ভৱিষ্যৎ সমাজৰ উপযুক্ত কৰি তুলিব আৰু নাগৰিকৰ ধাৰণাত উদ্বুদ্ধ কৰিব পাৰিব একমাত্ৰ শিক্ষাইহে। নাগৰিকসকলৰ সুচিন্তাধাৰাৰ দ্বাৰাহে গণতন্ত্ৰৰ মূল ভেটি ৰচিত হ'ব। সেয়েহে শিক্ষাৰ মূল উদ্দেশ্য আৰু ধাৰণা নাগৰিকসকলৰ শিক্ষাৰ ওপৰত ন্যস্ত হোৱাটো প্ৰয়োজন। এখন ৰাষ্ট্ৰৰ আদৰ্শ, ভাবধাৰা আৰু উদ্দেশ্য সকলোখিনি যিহেতু নিৰ্ভৰ কৰে তাৰ জনসাধাৰণৰ ওপৰত, সেয়েহে সেই জনসাধাৰণৰ বিকাশ সাধন কৰাটোও ৰাষ্ট্ৰখনৰ এটা উল্লেখযোগ্য উদ্দেশ্য। এখন দেশৰ ৰাষ্ট্ৰীয় বিকাশত শিক্ষাৰ সম্বন্ধ অতি নিবিড়। ৰাষ্ট্ৰখনৰ বিকাশত নাগৰিকসকলৰ বিকাশে এটি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

নাগৰিকসকলৰ শিক্ষা মানেই হ'ল দেশখনৰ শিক্ষা ব্যৱস্থা। নাগৰিকসকল দেশখনৰ সম্পদ অথবা ইয়াক মানৱ সম্পদ হিচাপে ধৰা হয়। দেশখনৰ সমস্যা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো ধৰণৰ বিষয় শিক্ষানুষ্ঠানসমূহত তত্ত্বগধুৰভাৱে আলোচনা কৰা হয়। শিক্ষাবিদসকলে দেশৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰি উক্ত সমস্যাবোৰ সমাধানৰ বাবে মতামত প্ৰকাশ কৰিব পাৰে। এনে ধৰণৰ মত প্ৰকাশ, আলাপ-আলোচনা আৰু গৱেষণাৰ সিদ্ধান্তই দেশখনৰ বিভিন্ন সমস্যা সমাধান কৰি দেশখনক অগ্ৰগতিৰ পথত আগবাঢ়ি যোৱাত সহায় কৰে। গতিকে দেশখনৰ সামগ্ৰিক বিকাশত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু স্পষ্ট। শিক্ষাৰ জৰিয়তেই নাগৰিকসকলে বিভিন্ন ধৰণৰ জ্ঞান অৰ্জন কৰাৰ লগতে দেশখনৰ বিষয়ে সম্যক জ্ঞান লাভ কৰি দেশৰ বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰিবলৈ সক্ষম হয় আৰু বিভিন্ন বিষয়ত

নিজৰ সুস্থ-সবল মতামত দাঙি ধৰিব পাৰে। ৰাষ্ট্ৰীয় বিকাশত নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ অতি প্ৰয়োজনীয় তথা অপৰিহাৰ্য।

শিক্ষাই নাগৰিকসকলৰ মনত সামাজিক চেতনাবোধ জগাই তোলাৰ উপৰিও স্বদেশপ্ৰেমী কৰি তোলাত অধিক অৰিহণা যোগায়। নাগৰিকসকলৰ সামাজিক চেতনাবোধ আৰু স্বদেশ প্ৰেমে ৰাষ্ট্ৰৰ বিকাশৰ ক্ষেত্ৰত অধিক সহায় কৰে। নাগৰিকসকলৰ মনত জাতীয়তাবোধ জগাই তোলাটোও ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাৰ এটা গধুৰ দায়িত্ব। শিক্ষাই নাগৰিকসকলৰ মনত সামাজিক চেতনাবোধ জগাই তোলাৰ উপৰিও তেওঁলোকক সংযত, ঐক্য আৰু ভাতৃত্ববোধৰ ভাবেৰে অনুপ্ৰাণিত কৰি তোলে। নাগৰিকসকলৰ এই সকলোবোৰ গুণেই ৰাষ্ট্ৰখনৰ বিকাশত অধিক সহায় কৰে। আকৌ জাতীয় ঐক্য আৰু সংহতিৰ শিক্ষাই মূল চাবিকাঠি বুলি ক'ব পাৰি।

গণতন্ত্ৰৰ প্ৰকৃত উদ্দেশ্য হ'ল নাগৰিকসকলৰ সৰ্বাংগীণ কল্যাণ সাধনৰ মাধ্যমত ৰাষ্ট্ৰখনৰ প্ৰগতিৰ কামনা কৰা। গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ যদি 'জনসাধাৰণৰ দ্বাৰা গঠিত, জনসাধাৰণৰ কাৰণে জনসাধাৰণৰ চৰকাৰ' হয়, তেতিয়াহ'লে নাগৰিকসকলৰ কল্যাণ সাধন কৰাই ইয়াৰ মূল উদ্দেশ্য হ'ব। সমতা আৰু স্বাধীনতা হ'ল এখন গণতান্ত্ৰিক দেশৰ মূল বৈশিষ্ট্য। গণতন্ত্ৰৰ ধাৰণাটো হ'ল এটা সুপৰিকল্পিত ধাৰণা; যিটোৰ মাধ্যমত সুন্দৰভাৱে জীৱন ধাৰণ কৰিব পাৰি। গণতন্ত্ৰৰ মাধ্যমত জনসাধাৰণে সাম্য আৰু স্বাধীনতাৰ সোৱাদ উপলব্ধি কৰি স্বাধীনভাৱে জীৱন যাপন কৰিব পাৰে। এখন দেশৰ চৰকাৰ আৰু সেই দেশৰ শিক্ষা ব্যৱস্থাৰ মাজত নিবিড় সম্বন্ধ আছে। দুয়ো ওতঃপ্ৰোতভাৱে জড়িত। এখন দেশৰ চৰকাৰ ব্যৱস্থাৰপৰা শিক্ষা ব্যৱস্থা পৃথক কৰিব নোৱাৰি। ইটো-সিটোৰ লগত যেনেকৈ জড়িত, তেনেকৈ নিৰ্ভৰশীলো। সেয়েহে গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ শিক্ষাৰ লক্ষ্য তাৰ চৰকাৰ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰিয়েই গ্ৰহণ কৰা হয়।

সমতা স্থাপন কৰাই হ'ল গণতন্ত্ৰৰ মূল উদ্দেশ্য। গণতন্ত্ৰ সাম্যৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে শিক্ষাৰ লক্ষ্যও সাম্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱাটো আৱশ্যক। গণতন্ত্ৰৰ সকলো নাগৰিককে জাতি, ধৰ্ম, বৰ্ণ ,নিৰ্বিশেষে শিক্ষাৰ সমান অধিকাৰ দিয়াটো দৰকাৰ। তাৰ ফলতেই ৰাষ্ট্ৰসমূহত অবৈতনিক বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। নাগৰিকসকলে অবৈতনিক শিক্ষা ব্যৱস্থাৰ মাধ্যমত দেশৰ প্ৰগতিত সহায় কৰিবলৈ সক্ষম হৈছে। গণতন্ত্ৰ ব্যক্তি স্বাধীনতাৰ ওপৰত প্ৰতিষ্ঠিত বুলি অভিহিত কৰা হয়। গতিকে গণতন্ত্ৰত নাগৰিকসকলে স্বাধীনভাৱে নিজৰ ৰুচি-অভিৰুচি অনুযায়ী শিক্ষা লাভৰ সুবিধা পাব লাগিব। এখন গণতন্ত্ৰত নাগৰিকসকলক শিক্ষা দিয়াৰ কামখিনি সমাধা কৰিবলৈ যিবিলাক শিক্ষানুষ্ঠান গঢ়ি তোলা হয়, সেই সকলোখিনি গণতন্ত্ৰৰ চৰকাৰী যন্ত্ৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। যেতিয়ালৈ শিক্ষা ব্যৱস্থাটো সকলোৰে বাবে প্ৰযোজ্য হৈ থাকিব, তেতিয়ালৈ গণতন্ত্ৰ বৰ্তি থাকিব। গণতন্ত্ৰত নাগৰিকসকলৰ শিক্ষাৰ গুৰুত্ব চিন্তা কৰি 'Stead' নামৰ চিন্তাবিদগৰাকীয়ে কৈছিল— 'Education in a democracy must be of the community, by the community and for the community.'

গণতন্ত্ৰ এখনত নাগৰিকসকলে সকলো ক্ষেত্ৰতে সক্ৰিয় অংশগ্ৰহণ কৰে। সেই সক্ৰিয় অংশগ্ৰহণৰ তলত নিহিত হৈ থাকে গণতান্ত্ৰিক দেশখনৰ সুনাগৰিকসকলৰ শিক্ষাৰ দিশটো। এই বৈশিষ্ট্যৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক শিক্ষা প্ৰদান, ৰাষ্ট্ৰৰ বিভিন্ন কাৰ্যকলাপত অংশগ্ৰহণ কৰিবলৈ প্ৰস্তুত কৰি তোলাটো শিক্ষাৰ লক্ষ্য হোৱাটো দৰকাৰ। শিক্ষা নীতি, শিক্ষা পৰিকল্পনা, শিক্ষাৰ লক্ষ্য, শিক্ষাৰ আঁচনি আদি প্ৰস্তুত কৰোঁতে জনসাধাৰণক অংশগ্ৰহণ কৰিব দিয়াটোও শিক্ষাৰ লক্ষ্য হ'ব লাগে। গণতন্ত্ৰত জনমতৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ তথা প্ৰয়োজনীয়। জনমতক উপেক্ষা কৰি গণতন্ত্ৰ বৰ্তি থকাটো যেনেকৈ অসম্ভৱ, তেনেকৈ শাসনকাৰ্য চলোৱাটো সম্ভৱ নহয়। সেয়েহে শিক্ষা ব্যৱস্থাত জনমতৰ ভূমিকাও অধিক হোৱাটো প্ৰয়োজন। গণতান্ত্ৰিক ৰাষ্ট্ৰত শিক্ষাৰ ব্যৱস্থা প্ৰস্তুত কৰোঁতে সুনাগৰিক, শিক্ষাবিদ আৰু জনমতৰ অনুকূলে গ্ৰহণ কৰিব লাগে। জনমতৰ অনুকূলে শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিলে জনসাধাৰণ তথা নাগৰিকসকল উপকৃত হ'ব আৰু গণতন্ত্ৰৰ সাফল্যতাও নিৰ্ভৰ কৰিব। গণতান্ত্ৰিক দেশ এখনৰ প্ৰকৃত লক্ষ্য হোৱা উচিত জনসাধাৰণক উপযুক্ত নাগৰিক কৰি গঢ়ি তোলা।

নাগৰিকসকলক শিক্ষাৰ বাবে গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে নিজস্ব ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰৱৰ্তন কৰিবলগীয়া হ'ল। নাগৰিকসকলক সমাজত সমান অধিকাৰ দিয়াৰ দায়িত্ব ৰাষ্ট্ৰৰ ওপৰত পৰিল। সেই সমান অধিকাৰৰ মাজতে শিক্ষাৰ অধিকাৰো এটি। সকলোকে সমান ধৰণেৰে শিক্ষা দিয়াৰ বাবে শিক্ষা নীতিৰ প্ৰচলন কৰা হ'ল। সংসদ ব্যৱস্থাৰ মাধ্যমেৰে অধিক সদস্যৰ সন্মতিৰ সাপেক্ষে এই ৰাষ্ট্ৰীয় শিক্ষানীতি নাগৰিকসকলৰ কল্যাণৰ বাবে দেশত প্ৰৱৰ্তন কৰা হয়। এই নীতিৰ অন্তৰালত বাধ্যতামূলক শিক্ষা প্ৰৱৰ্তন কৰাৰ উদ্দেশ্যও থাকে। দেশৰ নাগৰিকসকলৰ মাজৰ পৰা নিৰক্ষৰতা দূৰ কৰা শিক্ষা নীতিৰ এটি মূল উদ্দেশ্য। ৰাষ্ট্ৰসমূহে আইন প্ৰণয়ন কৰি এটা নিৰ্দিষ্ট সময়সীমালৈ নাগৰিকসকলক বাধ্যতামূলকভাৱে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰা দেখা যায়। এই নীতি ৰাষ্ট্ৰ ভেদে বিভিন্ন ধৰণৰ। শিশুসকলৰ সৰ্বাংগীণ বিকাশ সাধন কৰাটোও ৰাষ্ট্ৰসমূহৰ দায়িত্বত পৰিগণিত হৈছে।

ৰাষ্ট্ৰসমূহে আইন প্ৰণয়ন, নীতি গ্ৰহণ আৰু অন্যান্য কামত জড়িত থকাৰ লগতে বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠান স্থাপন কৰাৰ দায়িত্বও বহন কৰিব লাগে। দেশৰ বিভিন্ন প্ৰান্তৰ নাগৰিকসকলৰ বাবে বিভিন্ন ধৰণৰ অনুষ্ঠান স্থাপনৰ দায়িত্ব ৰাষ্ট্ৰীয় চৰকাৰে নিজৰ হাতত লৈছে। বিশেষকৈ কাৰিকৰী, চিকিৎসা, বিশ্ববিদ্যালয় আদিৰ শিক্ষা সম্প্ৰসাৰণৰ বাবে অনুষ্ঠান আদি ৰাষ্ট্ৰীয় চৰকাৰৰ অনুমতি সাপেক্ষেহে পতাৰ দিহা কৰা হয়। নাগৰিকসকলৰ বিভিন্ন শিক্ষা ব্যৱস্থাৰ বাবে আৰ্থিক সাহায্য ৰাষ্ট্ৰৰ ফালৰপৰাই দিয়াৰ ব্যৱস্থা আছে। বেচৰকাৰী অনুষ্ঠানসমূহেও চৰকাৰৰ তৰফৰপৰা আৰ্থিক সাহায্য লাভ কৰি নাগৰিকসকলৰ শিক্ষাৰ বিকাশ কৰে। দুখীয়া মেধাৰী ছাত্ৰসকলক চৰকাৰৰ তৰফৰপৰাই আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হয়। কোঠাৰী আয়োগে (১৯৬৪-৬৬ চনত) জাতীয় শিক্ষা আঁচনিৰ মাধ্যমেৰে নাগৰিকসকলৰ শিক্ষাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক

নির্দেশ দিছিল। সেইদৰে ১৯৬৮ চনৰ জাতীয় শিক্ষা নীতি আৰু অন্যান্য নির্দেশনাসমূহেও সুনাগৰিক গঢ়ি তোলাৰ বাবে শিক্ষাৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে। উন্নয়নমুখী দেশসমূহৰ শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্য হ'ল নাগৰিকসকলক উপযুক্তভাৱে শিক্ষা আৰু প্রশিক্ষণ দিয়া। সেই উন্নয়নশীল দেশসমূহে নাগৰিকসকলক প্রশিক্ষণৰ মাধ্যমেৰে সামাজিক মূল্যবোধ, জ্ঞান আহৰণৰ লিপ্সা আৰু দক্ষতাসূচক ধাৰণা জগাই তোলে। এই প্রক্রিয়া গণতন্ত্রৰ বাবে শিক্ষাৰ অংশস্বৰূপ। মানৰ জীৱনৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, নৈতিক আৰু নীতিগত দিশটোৰ শিক্ষাই হ'ল নাগৰিকসকলৰ শিক্ষা। 'Harris' নামৰ চিন্তাবিদগৰাকীয়ে তেওঁৰ অমূল্য গ্রন্থ 'Encyclopaedia of Educational Research' খনত নাগৰিকসকলৰ শিক্ষা অথবা গণতন্ত্রৰ বাবে শিক্ষাৰ বিষয়ে দুটা অধ্যয়নৰ কথা ফঁহিয়াই দেখুৱাইছে।

গণতন্ত্রৰ ভেটি সুদৃঢ় হয় লাহে লাহে আৰু বিকাশ লাভ কৰাৰ বাবে লাগে সুদীর্ঘ সময়। ইয়াক জীৱন্ত পৰিকল্পনা হিচাপে ল'লেহে সুন্দৰ বতাহ, পানী আৰু পোহৰৰ মাধ্যমত উপযুক্ত ভূমিত প্রতিষ্ঠা লাভ কৰিব। গণতন্ত্রৰ বাবে শিক্ষা অকল নাগৰিকসকলৰ শিক্ষা দানতে সীমাবদ্ধ নহয় আৰু ই অকল নাগৰিকসকলৰ জ্ঞান দানেই নকৰে। ইয়াৰ মাধ্যমত দক্ষতা, গভীৰ বুজাপৰা, বহল মনোভাব আৰু আগ্রহ প্রকাশিত হয়। ইয়াক কোনো বিজ্ঞানৰ দৰে নিশ্চিতভাৱে শিকাব নোৱাৰি। ইয়াৰ শিক্ষণ পদ্ধতি বিস্তৃত। গণতন্ত্রৰ নাগৰিকসকলে শিক্ষা লাভৰ মাধ্যমেৰে প্রকৃত গণতান্ত্রিক ভাৱধাৰাৰ সোৱাদ লাভ কৰে। গণতন্ত্রৰ শিক্ষাই নাগৰিকসকলৰ নৈতিকতাৰ জ্ঞান দিয়াৰ লগতে দৈনন্দিন কার্যসূচীৰ এটা নিশ্চিত চিন্তাত উপনীত কৰায়। এই শিক্ষা ব্যৱস্থাৰ মাধ্যমত নাগৰিকসকলে সমগ্র বিশ্বৰ জ্ঞান উপলব্ধি কৰিব পাৰিব লাগিব।

গণতন্ত্রৰ বাবে শিক্ষা অথবা নাগৰিকত্বৰ বাবে শিক্ষাৰ ধাৰণা শিক্ষার্থীসকলক বিদ্যালয়ত আন আন বিষয়ৰ দৰে শিকাব নোৱাৰি। নাগৰিকত্বৰ বাবে শিক্ষা প্রণালীটো এটা সম্পূর্ণ বেলেগ পদ্ধতি। ইয়াৰ বিকাশ লাভ হয় উপলব্ধিৰ মাধ্যমতহে। ভাৰতবর্ষ পৃথিৱীৰ ভিতৰত এখন সর্ববৃহৎ গণতান্ত্রিক দেশ। ভাৰতবর্ষৰ গণতান্ত্রিক ভাবধাৰাৰ লগত পৃথিৱীৰ কোনো দেশৰে ভাবধাৰাৰ মিল নাই। ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাত অতীতৰেপৰা গণতান্ত্রিক ভাৱধাৰা বিদ্যমান। ভাৰতবর্ষ এখন গণতান্ত্রিক দেশ হিচাপে পৰিগণিত হোৱাৰ মূলতে আছে ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাটো। সুনাগৰিক হিচাপে পৰিগণিত কৰাৰ বাবে মাধ্যমিক শিক্ষাতে শিক্ষার্থীসকলক প্রস্তুত কৰি তোলাৰ বাবে প্রচেষ্টা চলোৱা হয়। ভাৰতৰ মাধ্যমিক শিক্ষাৰ মূল লক্ষ্য হ'ল ছাত্র-ছাত্রীসকলক সুনাগৰিক হিচাপে গঢ়ি তোলা। ভাৰতবর্ষৰ শিক্ষাৰ লক্ষ্যৰ পূর্ণতা অনাৰ অন্তৰালত লুকাই আছে ভাৰতীয় নাগৰিকত্বৰ আদর্শ আৰু মূল্যবোধ। ই অন্ধবিশ্বাস আঁতৰোৱাত সহায় কৰিছে। ইয়াৰ মাধ্যমতেই ধর্মনিৰপেক্ষতাৰ ভাবাদর্শ প্রকাশিত হৈছে আৰু সেয়েহে ভাৰতবর্ষই এখন ধর্মনিৰপেক্ষ গণতান্ত্রিক ৰাষ্ট্র হিচাপে সার্বভৌমত্ব লাভ কৰিছে।

২.৫.১ ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ মতে শিক্ষাৰ লক্ষ্য

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ সকলোখিনি দিশ সামৰি লৈ পৰামৰ্শ দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৬৪ চনৰ ১৪ জুলাইত এখন শিক্ষা আয়োগ গঠন কৰে। সেই সময়ৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ডি. এচ. কোঠাৰীক এই আয়োগৰ অধ্যক্ষ স্বৰূপে লোৱা হয়। ভাৰতীয় শিক্ষাত কোঠাৰী আয়োগৰ প্ৰতিবেদনখনেই হৈছে বৰ্তমানলৈকে সৰ্ববৃহৎ শিক্ষা প্ৰতিবেদন। প্ৰতিবেদনখন বিশটা অধ্যায়ত ৰচনা কৰা হৈছে। অধ্যায়কেইটা আয়োগে পুনৰ বহলভাৱে তিনিটা ভাগত বিভক্ত কৰিছে। ইয়াৰ প্ৰথম ভাগত শিক্ষাৰ জাতীয় লক্ষ্য, উদ্দেশ্যসমূহ আৰু তাক সাধন কৰিবৰ বাবে শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় পৰিৱৰ্তন সাধন, শিক্ষা গাঁথনিৰ পুনৰ সংগঠন, শিক্ষকসকলৰ মানদণ্ড উন্নতিকৰণ আৰু শিক্ষাৰ সা-সুবিধাৰ সমতা স্থাপন আদি দিশ অন্তৰ্ভুক্ত কৰা হয়। আয়োগে প্ৰতিবেদনৰ প্ৰথম বাক্যতে ব্যক্ত কৰিছে যে শিক্ষানুষ্ঠানৰ শ্ৰেণীকক্ষসমূহতেই দেশৰ ভাগ্য নিৰ্মাণ কৰি থকা হৈছে। স্কুল-কলেজ আদিৰপৰা ওলাই অহা ছাত্ৰসকলে ৰাষ্ট্ৰ নিৰ্মাণ কাৰ্যত বৰঙণি যোগাব লাগিব। আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য আৰু ইয়াৰ আন আন দিশত গণতান্ত্ৰিক আৰু সমাজবাদী সমাজৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ এক আমূল পৰিৱৰ্তন সাধনৰ প্ৰয়োজন। শিক্ষাক মানুহৰ জীৱন, প্ৰয়োজন আৰু আশা-আকাংক্ষাবোৰৰ লগত সম্বন্ধযুক্ত কৰি তুলিব লাগে। শিক্ষাক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰূপান্তৰ সাধনৰ আহিলাস্বৰূপে প্ৰয়োগ কৰি জাতীয় লক্ষ্যত উপনীত হ'ব পাৰি। শিক্ষাৰ এনেদৰে বিকাশ কৰিব লাগিব যাৰ যোগেদি আমাৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰি তুলিব পাৰি, সামাজিক আৰু জাতীয় সংহতি স্থাপন কৰি তুলিব পাৰি, আধুনিকীকৰণ প্ৰক্ৰিয়া খৰতকীয়া কৰি তুলিব পাৰি আৰু সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ ভাব গঢ় দি তুলিব পাৰি। শিক্ষাৰ মাধ্যমেদি জাতীয় বিকাশ সাধনৰ বাবে এনেবোৰ লক্ষ্য আৰু উদ্দেশ্য আয়োগে চিনাক্তকৰণ কৰি তুলিছে। এইক্ষেত্ৰত আয়োগৰ বিশ্লেষণ তলত দাঙি ধৰা হ'ল—

- **শিক্ষা আৰু উৎপাদনমুখিতা ঃ** শিক্ষা অৰ্থনৈতিক উৎপাদনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। জাতীয় বিকাশৰ বাবে বিশাল সম্পদ উদ্‌ঘাটন কৰিবলৈ হ'লে শিক্ষাক উৎপাদনৰ লগত সংযোগ কৰিব লাগিব। সেই উদ্দেশ্য আগত ৰাখি আয়োগে তলৰ কাৰ্যকৰী আঁচনিসমূহ দাঙি ধৰে—
  - বিজ্ঞানভিত্তিক শিক্ষা
  - কৰ্ম অভিজ্ঞতা
  - বৃত্তিমুখীকৰণ
  - বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ উন্নতি সাধন
- **শিক্ষা, সামাজিক আৰু জাতীয় সংহতি ঃ** আয়োগে অনুভৱ কৰে যে সকলো ধৰণৰ উন্নতি সাধনৰ বাবে এখন শক্তিশালী আৰু ঐক্যবদ্ধ দেশ গঢ়ি তোলাটোৱে হ'ব আমাৰ পূৰ্ব চৰ্ত।

এইক্ষেত্ৰত দেশৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশ জড়িত হৈ আছে। এই দিশসমূহেই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সামাজিক ব্যৱধান বৃদ্ধি কৰি তোলে আৰু সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। এনে ব্যৱস্থাই আঞ্চলিক, ভাষিক, ধৰ্মীয় আৰু আন আন বিভেদমূলক ভাবৰ সৃষ্টি কৰি জাতীয় সংহতিৰ ভাব দুৰ্বল কৰি তুলিব পাৰে। আয়োগে এই দিশত আগবঢ়োৱা পৰামৰ্শসমূহ আছিল তলত দিয়া ধৰণৰ—

- সাধাৰণ বিদ্যালয় স্থাপন
- সামাজিক আৰু জাতীয় সেৱা
- ভাষা-নীতি গঢ় দি তোলা
- জাতীয় সচেতনতাৰ বিকাশ
- আন্তৰ্জাতিক বুজাপৰাৰ বাবে শিক্ষা

➢ **শিক্ষা আৰু আধুনিকীকৰণ ঃ** পুৰণি সমাজতকৈ বৰ্তমান সমাজ প্ৰভেদ হোৱাৰ এটা প্ৰধান দিশ হৈছে আজিৰ সমাজে বিজ্ঞানভিত্তিক কাৰিকৰী জ্ঞানৰ প্ৰয়োগ কৰাটো। ইয়াৰ যোগেদি উৎপাদনশীলতা বৃদ্ধি কৰি তুলিবপৰা হৈছে আৰু আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত দ্ৰুত পৰিৱৰ্তনেৰে আধুনিকীকৰণ কৰি তুলিব পৰা হৈছে। ইয়াৰ কেতবোৰ প্ৰভাৱ আধুনিক শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ পুনৰ গঠনতো প্ৰভাৱ পেলাইছে, যাক আয়োগে নিম্নলিখিতভাৱে উল্লেখ কৰে—

- জ্ঞানৰ বিস্ফোৰণ
- দ্ৰুত সামাজিক পৰিৱৰ্তন
- দ্ৰুত অগ্ৰগতিৰ প্ৰয়োজন
- আধুনিকীকৰণ আৰু শিক্ষাৰ অগ্ৰগতি

➢ **সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ ঃ** আয়োগে দৃঢ়তাৰে মত প্ৰকাশ কৰে যে আধুনিকীকৰণক এক জীৱন্ত শক্তিস্বৰূপে গঢ় দি তুলিবলৈ হ'লে ইয়াৰ শক্তি আধ্যাত্মিকতাৰপৰা লাভ কৰি উঠিব লাগিব। আধুনিকীকৰণৰ লক্ষ্য হৈছে পৰ্যাপ্ত অৰ্থনীতি গঢ় দি তোলাটো। এনে ব্যৱস্থাত প্ৰতিজন লোকৰে জীৱনৰ বিকাশৰ এক বহল পথ আৰু নিজ প্ৰয়োজনৰ মতে তাক নিৰ্বাচনৰ স্বাধীনতা থাকিব লাগিব। আধুনিকীকৰণে ব্যাপক পৰিসৰৰ জ্ঞান আৰু বিকাশৰ ক্ষমতা সমাজক প্ৰদান কৰিছে। সেইবাবে এই জ্ঞান আৰু বিকাশযোগ্য ক্ষমতা অধিক শক্তিশালী আৰু গভীৰতৰ কৰি তাক সমাজৰ প্ৰতি দায়বদ্ধ কৰি তুলিবৰ বাবে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ ওপৰত সি প্ৰতিষ্ঠিত হ'ব লাগে। সামাজিক আৰু নৈতিক মূল্যবোধ ভাব দুৰ্বল কৰি তোলা অৱস্থাই পশ্চিমীয়া দেশৰ সমাজৰ যুৱক-যুৱতীৰ মনত গুৰুতৰ সামাজিক আৰু নৈতিক সংঘাত সৃষ্টি কৰি তোলাৰ কথা আয়োগে আঙুলিয়াই দিয়ে।

ওপৰত কৰা আয়োগৰ আলোচনাৰ উদ্দেশ্য হৈছে শুদ্ধ আৰু সঠিক মূল্যবোধৰ প্ৰতি আমাৰ ছাত্ৰসকলৰ মনোযোগ আকৰ্ষণ কৰা। স্বাধীনতাৰ পিছৰপৰা দেশৰ শিক্ষা আয়োগ আৰু শিক্ষা কৰ্তৃপক্ষবোৰেও এই নৈতিক শিক্ষাৰ দিশত গুৰুত্বপূৰ্ণ পৰামৰ্শ দি আহিছে। অৱশ্যে সেইসমূহৰ প্ৰতি শিক্ষানুষ্ঠানবোৰে যথোচিত সঁহাৰি জনোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ- ৭

প্ৰশ্ন নং ১২ঃ গণতন্ত্ৰ কি?

.....

.....

প্ৰশ্ন নং ১৩ঃ উৎপাদনৰ বাবে শিক্ষা কি হোৱা উচিত বুলি ১৯৬৪-৬৬ চনৰ আয়োগে মতামত আগবঢ়াইছিল?

.....

.....



চিন্তা-চৰ্চা কৰকঃ ২.৩

এখন গণতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্যসমূহ কেনে হোৱা উচিত?

.....

.....

.....

গণতন্ত্ৰৰ বাবে প্ৰয়োগিক হোৱা যিকোনো এটি শিক্ষাৰ লক্ষ্যৰ বিষয়ে লিখক।

.....

.....

.....



২.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল দুবিধ— ব্যক্তিতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক লক্ষ্য। এই দুবিধ লক্ষ্যৰ উপৰিও আনবোৰ লক্ষ্য হ'ল— শিক্ষাৰ মুক্তিবাদৰ লক্ষ্য, শিক্ষাৰ বৃত্তিমূলক লক্ষ্য, সমবিকাশৰ লক্ষ্য আৰু শিক্ষাৰ পূৰ্ণ জীৱন নিৰ্বাহৰ লক্ষ্য।

- শিক্ষাৰ ব্যক্তিবাদৰ ধাৰণাটোক প্ৰথমতে সমৰ্থন কৰিছিল বিখ্যাত ইংৰাজ শিক্ষাবিদ ছাৰ পাৰ্চিনানে। ব্যক্তিতান্ত্ৰিক লক্ষ্যৰ সমৰ্থন হাৰবাৰ্ট স্পেনচাৰ, ৰুছো, পেষ্টালজী, মহাত্মা গান্ধী, স্বামী বিবেকানন্দ, সৰ্বপল্লী ৰাধাকৃষ্ণণ আদিয়েও কৰিছিল। শিক্ষাৰ ব্যক্তিবাদী লক্ষ্যক কিছুমান শিক্ষাবিদে সমালোচনা কৰা দেখা যায়।
- শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্যই এটি বিস্তৃত দিশ দখল কৰিছে। শিক্ষাৰ মূল উদ্দেশ্য হ'ল শিক্ষাৰ্থীসকলক ভৱিষ্যত সামাজিক জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা। শিক্ষাৰ সামাজিক লক্ষ্যৰ প্ৰধান পৃষ্ঠপোষক হ'ল জন ডিউই। ব্যক্তিসকলৰ অৱস্থিতি সমাজৰ বাবেহে, সমাজ অবিহনে ব্যক্তিৰ অৱস্থিতি অৰ্থহীন। শিক্ষাৰ সামাজিক লক্ষ্যও সমালোচনামুক্ত নহয়।
- শিক্ষাৰ ব্যক্তিতান্ত্ৰিক আৰু সামাজিক লক্ষ্য পৰস্পৰ সম্বন্ধযুক্ত। শিক্ষাৰ লক্ষ্য স্থিৰ কৰোঁতে ব্যক্তি আৰু সমাজ দুয়োটাকে প্ৰাধান্য দিব লাগিব।
- যি শিক্ষাৰ দ্বাৰাই মন আৰু আত্মাক শৰীৰতকৈ অধিক গুৰুত্ব দি আধ্যাত্মিক আৰু বৌদ্ধিক কামৰ মাজেৰে মানুহৰ উন্নতি সাধন কৰিব পাৰি তাকে শিক্ষাত উদাৰ বা মুক্তিবাদ বোলে।
- শিক্ষাই অকল মানসিক উৎকৰ্ষ সাধন কৰাতে সীমাবদ্ধ হৈ থাকিলে নহ'ব; ইয়াৰ দ্বাৰা মানুহৰ জীৱিকা নিৰ্বাহ হোৱাৰ ক্ষেত্ৰটো সহায় হ'ব লাগিব।
- শিক্ষা হ'ল এনে এটা প্ৰক্ৰিয়া যিটো প্ৰক্ৰিয়াই ব্যক্তিসকলক সংগতিপূৰ্ণভাৱে বিকাশ হোৱাত সহায় কৰে। ইয়াক জীৱনৰ স্বাভাৱিক বিকাশ প্ৰক্ৰিয়া বুলিও ক'ব পাৰি।
- ব্যক্তিসকলক সম্পূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰিব পৰাকৈ প্ৰস্তুত কৰি তোলাটোৱে শিক্ষাৰ লক্ষ্য হোৱা দৰকাৰ। এই ধাৰণাটোৰ সমৰ্থক আছিল হাৰবাৰ্ট স্পেন্চাৰ।
- গণতন্ত্ৰত শিক্ষাৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ পূৰ্ণাঙ্গ বিকাশত নাগৰিকসকলৰ বিশেষ অৰিহণা থাকে। নাগৰিকসকলৰ শিক্ষা মানে হ'ল দেশখনৰ শিক্ষা ব্যৱস্থা। নাগৰিকসকলৰ সুচিন্তাধাৰাৰ দ্বাৰাহে গণতন্ত্ৰৰ মূল ভেটি ৰচিত হয়। শিক্ষাই নাগৰিকসকলৰ মনত সামাজিক চেতনাবোধ জগাই তোলাৰ উপৰিও স্বদেশানুৰাগী কৰি তোলাত অৰিহণা যোগায়।
- ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগত শিক্ষাৰ লক্ষ্য জাতীয় বিকাশৰ বাবে হোৱাৰ পৰামৰ্শ আগবঢ়ায়। শিক্ষাক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰূপান্তৰ সাধনৰ আহিলাস্বৰূপে প্ৰয়োগ কৰি জাতীয় লক্ষ্যত উপনীত হ'ব পাৰি। আয়োগে পৰামৰ্শ দিয়া দিশকেইটা হ'ল— শিক্ষা আৰু উৎপাদনমুখিতা, শিক্ষা, সামাজিক আৰু জাতীয় সংহতি, শিক্ষা আৰু আধুনিকীকৰণ আৰু সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ।



২.৭ অধিক জানিবলৈ

ডেকা, বীৰেন্দ্র ঃ শিক্ষাতত্ত্ব, বনলতা প্রকাশন, পানবজাৰ, গুৱাহাটী

দাস, লক্ষ্যহীৰা ঃ সম্পূর্ণ শিক্ষা, সংগম প্রকাশন, গুৱাহাটী

Bhatia K. K. : Principles and Theories of Education
Kalyani Publishers, Ludhiana



২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ- ব্যক্তিসকলৰ বিকাশ সাধন কৰাটোৱে হ'ল শিক্ষাৰ মূল লক্ষ্য। শিক্ষাৰ দ্বাৰা ব্যক্তিসকলৰ শাৰীৰিক, বৌদ্ধিক আৰু আধ্যাত্মিক সম্ভাৱনীয়তাসমূহ বিকশিত কৰি তুলিব লাগিব। সমাজত ব্যক্তিয়ে যাতে বাধা নাপায় তালৈ লক্ষ্য ৰাখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰঃ- ব্যক্তিবাদীসকলে সকলো শিশুৰ বাবে সুকীয়া পাঠ্যক্রমৰ পোষকতা কৰে। প্রত্যেকগৰাকী শিশুৰ সামর্থতা বেলেগ বেলেগ। সেয়েহে সাধাৰণভাৱে পাঠ্যক্রম প্রস্তুত কৰিলে শিক্ষার্থীসকল ব্যক্তিগতভাৱে লাভান্বিত নহ'ব।

৩ নং প্রশ্নৰ উত্তৰঃ- শিক্ষাৰ ব্যক্তিতান্ত্রিক লক্ষ্যৰ সমালোচনাৰ তিনিটা উদ্দেশ্য আছে। যেনে—

- ব্যক্তিবাদৰ চূড়ান্ত ধাৰণাই ব্যক্তিসকলক স্বার্থপৰ আৰু আত্মকেন্দ্রিক কৰি তোলে।
- ব্যক্তিৰ ব্যক্তিত্ব কেতিয়াও শূন্যত বিকশিত হ'ব নোৱাৰে। ইয়াক সামাজিক আধাৰৰ প্রয়োজন।
- ব্যক্তিবাদৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে কিছুমান ব্যক্তিৰ মনত উচ্চাত্মিকা ভাবধাৰাৰ অনুভূতি জাগ্রত হ'ব।

৪ নং প্রশ্নৰ উত্তৰঃ- জন ডিউই শিক্ষাৰ সামাজিক লক্ষ্যৰ মূল পৃষ্ঠপোষক আছিল।

৫ নং প্রশ্নৰ উত্তৰঃ- সামাজিক দক্ষতা মানে হ'ল শিক্ষাই মানুহক পৰিষদীয় আৰু সমবায়ভিত্তিক জীৱনৰ কাৰণে ব্যক্তিসকলৰ বিকাশক ব্যৱহাৰ কৰাৰ সামর্থ্য দিব লাগিব। সামাজিক কর্মৰাজিত এগৰাকী ব্যক্তিয়ে হয়তো নিজৰ দক্ষতা আৰু সামর্থ্য ব্যৱহাৰ কৰিব পাৰে।

৬ নং প্রশ্নৰ উত্তৰঃ- শিক্ষাৰ সামাজিক লক্ষ্যৰ সীমাবদ্ধতাসমূহ হ'ল তলত দিয়া ধৰণৰ—

- শিক্ষাৰ সামাজিক লক্ষ্যৰ চূড়ান্ত অৱস্থাটো কেতিয়াও গ্রহণ কৰিব নোৱাৰি। ই ব্যক্তিৰ স্থিতাৱস্থা কমাই দিয়ে।
- শিক্ষাৰ সামাজিক লক্ষ্যই দেশখনক শিক্ষাৰ ক্ষেত্রত একনায়কত্ব বা প্রভুত্বজ্ঞাপক কৰি তোলে।

- শিক্ষাৰ সামাজিক লক্ষ্যই ব্যক্তিগত বিকাশক কোনো ধৰণেৰে গুৰুত্ব নিদিয়ে।

৭ নং প্ৰশ্নৰ উত্তৰঃ- শিক্ষাৰ জ্ঞানমূলক লক্ষ্যই শিক্ষাৰ জ্ঞাতশক্তিসমূহক সমৃদ্ধিশালী কৰি তোলে; যাৰ বাবে প্ৰয়োজন হয় এগৰাকী ব্যক্তিৰ বৌদ্ধিক সামৰ্থ্য আৰু দক্ষতাৰ বিকাশমুখী অৱস্থা। 'জ্ঞানমূলক শিক্ষাৰ ধাৰণাটোৱে' এগৰাকী ব্যক্তিৰ জ্ঞানৰ প্ৰাবল্য বিকাশ কৰি থাকিবলৈ লক্ষ্য স্থিৰ কৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ- শিক্ষাৰ বৃত্তিমুখী লক্ষ্যই গুৰুত্ব লাভ কৰিছে কাৰণ—

- বৃত্তিমুখী শিক্ষাই ব্যক্তিসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলে।
- ই অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ মাজত সমতা স্থাপন কৰে।
- ই নিয়োগহীন অৱস্থাৰ পৰিসৰ কমাই দিয়ে।

৯ নং প্ৰশ্নৰ উত্তৰঃ- সুসামঞ্জস্য বিকাশ মানে হ'ল এগৰাকী ব্যক্তিৰ মনোদৈহিক আৰু নৈতিক গুণাৱলীসমূহৰ সমতা ৰক্ষা কৰি সুন্দৰভাৱে বিকশিত কৰি তোলা। শিক্ষাৰ লক্ষ্য হিচাপে ই শিশুসকলৰ সুপ্ত হৈ থকা শক্তিসমূহ আৰু সামৰ্থ্যক সুসামঞ্জস্য পূৰ্ণভাৱে বিকশিত কৰি তেওঁলোকক সমতাসম্পন্ন সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী কৰি তোলে।

১০ নং প্ৰশ্নৰ উত্তৰঃ- শিক্ষাবিদ হাৰবাৰ্ট স্পেনচাৰ হ'ল সম্পূৰ্ণ জীৱন নিৰ্বাহৰ লক্ষ্যৰ উদ্ভাৱক তথা পোষক।

১১ নং প্ৰশ্নৰ উত্তৰঃ- সম্পূৰ্ণ জীৱন নিৰ্বাহৰ লক্ষ্যৰ উপলব্ধি কৰাবৰ বাবে প্ৰয়োজনীয় বুলি ভবা বিষয়বোৰ হ'ল— স্বাস্থ্য বিজ্ঞান, পদাৰ্থবিজ্ঞান, ভাষা, গণিত, ভূগোল, ইতিহাস, শিশু মনোবিজ্ঞান, সংগীত ইত্যাদি।

১২ নং প্ৰশ্নৰ উত্তৰঃ- 'গণতন্ত্ৰ' হ'ল আধুনিক চৰকাৰৰ ধাৰণা। এই চৰকাৰ হ'ল জনসাধাৰণৰ চৰকাৰ, জনসাধাৰণৰ দ্বাৰা গঠিত, জনসাধাৰণৰ বাবে গঢ়ি উঠা চৰকাৰ।

গণতন্ত্ৰৰ নিৰ্দিষ্ট লক্ষ্য হোৱা উচিত—

- বৃত্তিমুখী দক্ষতাৰ বিকাশ সাধন কৰা
- নেতৃত্বদানৰ বিকাশ সাধন কৰা
- ব্যক্তিত্বৰ বিকাশ সাধন কৰা
- গণতান্ত্ৰিক নাগৰিকত্বৰ বাবে শিক্ষা

১৩ নং প্ৰশ্নৰ উত্তৰঃ- ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে 'উৎপাদনৰ কাৰণে শিক্ষা'ৰ ধাৰণাটো পৰিচয় কৰাই দিছিল। ইয়াৰ অৰ্থ হ'ল শিক্ষা উৎপাদনৰ লগত সম্বন্ধিত হ'ব লাগিব; কাৰণ ইয়াৰ মাধ্যমেৰে অৰ্থনৈতিক বিকাশ ক্ষিপ্ৰতৰ কৰি জাতীয় আয় বৃদ্ধি কৰাত নেতৃত্ব প্ৰদান কৰিব লাগিব। শিক্ষাৰ বিভিন্ন পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিজ্ঞান শিক্ষা, বৃত্তিমূলক শিক্ষা, কৰ্ম অভিজ্ঞতা আদিয়ে গুৰুত্ব পাব লাগিব।



২.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ব্যক্তিতান্ত্ৰিক শিক্ষা বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ গণতন্ত্ৰ মানে কি বুজে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ শিক্ষাৰ কেইটিমান গুৰুত্বপূৰ্ণ লক্ষ্যৰ বিষয়ে আলোচনা কৰক। ব্যক্তিৰ বিকাশ আৰু সমাজৰ কল্যাণ সাধনৰ বাবে শিক্ষাৰ কোনটো লক্ষ্যক আপুনি প্ৰাধান্য দিব?

প্ৰশ্ন ২ঃ শিক্ষাৰ ব্যক্তিতান্ত্ৰিক আৰু সামাজিক লক্ষ্য বুলিলে কি বুজে? দুয়োটাৰ মাজত সমতা ৰক্ষা কৰাটো সম্ভৱনে?

প্ৰশ্ন ৩ঃ শিক্ষাৰ মুক্তিবাদৰ লক্ষ্য আৰু বৃত্তিমুখী লক্ষ্যৰ মাজৰ ব্যৱধান নিৰ্ণয় কৰক। বৰ্তমান সমাজৰ লগত শিক্ষাৰ কোনটো লক্ষ্য খাপ খাব বুলি আপুনি ভাবে? যুক্তিৰে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ গণতান্ত্ৰিক ভাৰতবৰ্ষৰ বাবে শিক্ষাৰ লক্ষ্য কি হোৱা উচিত? এইক্ষেত্ৰত ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগে আগবঢ়োৱা পৰামৰ্শখিনি লিখক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(ক) সুসামঞ্জস্য পূৰ্ণ বিকাশৰ বাবে শিক্ষা

(খ) সম্পূৰ্ণ জীৱন নিৰ্বাহৰ বাবে শিক্ষাৰ লক্ষ্য

(গ) কোঠাৰী আয়োগৰ মতে আধুনিকীকৰণৰ বাবে শিক্ষা।

*** ***** ***

অধ্যায় ৩ঃ বিদ্যালয় আৰু সম্প্রদায়ৰ সম্বন্ধ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত থকা সম্বন্ধৰ ধাৰণা

৩.৩.১ বিদ্যালয় আৰু সম্প্রদায়ৰ আন্তঃনির্ভৰশীলতা

৩.৪ বিদ্যালয়ৰ কার্যাৱলী

৩.৫ ঘৰৰ কার্যাৱলী

৩.৬ ঘৰ আৰু বিদ্যালয়ৰ মাজত থকা সম্বন্ধ

৩.৭ এখন ক্ষুদ্রাকৃতিৰ সমাজ হিচাপে বিদ্যালয়

৩.৮ আমাৰ শৈক্ষিক ঐতিহ্য

৩.৮.১ ভাৰতীয় ঐতিহ্যৰ অর্থ আৰু বৈশিষ্ট্য

৩.৮.২ ভাৰতীয় শৈক্ষিক ঐতিহ্যৰ সংমিশ্রিত ৰূপ

৩.৮.৩ শিক্ষাৰ জৰিয়তে হোৱা শৈক্ষিক ঐতিহ্যৰ প্রসাৰ আৰু প্রগতি

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

৩.১১ অগ্রগতিৰ খতিয়ান

৩.১২ আর্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত সম্বন্ধ গঢ় লোৱাৰ প্রয়োজনীয়তা তথা দুয়োটা উপাদানৰ মাজৰ আন্তঃনির্ভৰশীলতা ব্যাখ্যা কৰিব পাৰিব
- বিদ্যালয়, সম্প্রদায় আৰু ঘৰৰ বিভিন্ন কার্য তথা ঘৰ আৰু বিদ্যালয়ৰ মাজৰ সম্বন্ধ চিনাক্ত কৰিব পাৰিব
- এখন ক্ষুদ্রাকৃতিৰ সমাজ হিচাপে বিদ্যালয়ৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন শৈক্ষিক ঐতিহ্য আৰু সেইবোৰৰ একতা, সমৃদ্ধ ৰূপ তথা অবিৰত প্রক্রিয়া চিনাক্ত কৰিব পাৰিব ।

৩.২ পৰিচয়

এই অধ্যায়টোৰে আমাক বিদ্যালয় আৰু সমাজৰ মাজৰ সম্বন্ধ, গৃহ আৰু বিদ্যালয়ৰ মাজৰ সম্বন্ধ, বিদ্যালয় আৰু গৃহৰ কামসমূহৰ বিষয়ে বুজ লোৱাত সহায় কৰিব। সাধাৰণতে ক'বলৈ গ'লে বিদ্যালয় হ'ল আমাৰ শিশুসকলক শিক্ষাদান দিয়াৰ এটি গুৰুত্বপূৰ্ণ অনুষ্ঠান। সেইদৰে সমাজ হ'ল এক নিৰ্দিষ্ট ভৌগোলিক অৱস্থিতিত পৰিয়ালসমূহ একত্রিত হৈ বসবাস কৰিবলৈ লোৱা স্থান য'ত সাধাৰণ নীতি-নিয়ম, পৰম্পৰা আৰু মিল থকা লক্ষ্য আৰু উদ্দেশ্য থাকে। প্ৰকৃত অৰ্থত ক'বলৈ গ'লে বিদ্যালয়সমূহ আৰু সমাজে শিশুসকলক সামগ্ৰীকভাৱে তথা সৰ্বাঙ্গীনভাৱে বিকশিত কৰাৰ বাবে কিছুমান কাম সম্পাদন কৰিবলগীয়া হয়। এই অধ্যায়টোৰে বিদ্যালয় আৰু সমাজৰ কাম-কাজৰ বিষয়েও বুজ দিব। শিশুসকল হ'ল এখন সমাজৰ সৰু সদস্য আৰু বিদ্যালয়সমূহৰ গুৰুত্বপূৰ্ণ সদস্য। সেয়েহে শিশুসকলে বিদ্যালয়ৰ মাধ্যমেৰে সমাজৰ সকলো ধৰণৰ আচাৰ-আচৰণৰ আভাস পায়। অধ্যায়টোত বিদ্যালয় যে এখন সমাজৰ ক্ষুদ্ৰ সংস্কৰণ তাৰ উমান পোৱা যাব। শিশুসকলৰ বিকাশত গৃহ, সমাজ আৰু বিদ্যালয়ৰ বিভিন্ন ধৰণৰ ভূমিকা থাকে। তাৰ ফলস্বৰূপে তিনিওটা অনুষ্ঠানৰ মাজৰ মধুৰ সম্বন্ধ গঢ় লৈ উঠাৰ বিষয়ে অধ্যায়টোৰে আমাক অৱগত কৰিব। ভাৰতবৰ্ষৰ শিক্ষাৰ ঐতিহ্য বিস্তৃত ধৰণৰ। অধ্যায়টোত ঐতিহ্যৰ একতা, চহকী প্ৰকৃতি আৰু অবিৰত গতিত অতীতৰ অনুষ্ঠানসমূহে কেনে ধৰণৰ ভূমিকা লৈছিল আলোচনা কৰা হৈছে।

৩.৩ বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত থকা সম্বন্ধৰ ধাৰণা (CONCEPT OF SCHOOL AND COMMUNITY RELATIONSHIP)

বিদ্যালয় বুজোৱা ইংৰাজী শব্দ 'School'ৰ উৎস হ'ল গ্ৰীক শব্দ 'SKHOLE'-- ইয়াৰ অৰ্থ জিৰণি (leisure), দৰ্শন (philosophy) অথবা ভাষণ দিয়া স্থান (lecture place)। সম্প্রদায় বুজোৱা ইংৰাজী শব্দ 'Community'ৰ উৎস হ'ল দুটা লেটিন শব্দ 'Com' আৰু 'Munis' -- ইয়াৰ অৰ্থ ক্ৰমে 'একেলগে' (together) আৰু 'সেৱা কৰা' (to serve)। অৰ্থাৎ, যুটীয়াভাৱে ইয়াৰ অৰ্থ হ'ল 'একেলগে সেৱা কৰা' (to serve together)।

কিন্তু বৰ্তমান বিদ্যালয়ৰ (school) অৰ্থ সলনি হৈছে। বিদ্যালয় হ'ল এনে এক স্থান য'ত সৰু ল'ৰা-ছোৱালী পঢ়া আৰু লিখাৰ আনুষ্ঠানিক প্ৰশিক্ষণ দিয়া হয়।

আনহাতে, সম্প্রদায় (Community) মানে হ'ল "এক নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰি থকা আৰু একেলগে সেৱা আগবঢ়াই থকা উমৈহতীয়া বৈশিষ্ট্যসম্পন্ন ব্যাক্তিৰ একোটা দল।"



জানি থোৱা ভাল

গ্রীক সমাজখনত দুটা শ্রেণীৰ মানুহ আছিল - উচ্চ শ্রেণী আৰু নিম্ন শ্রেণী। উচ্চ শ্রেণীৰ নাগৰিকসকলৰ হাতত অফুৰন্ত জিৰণিকাল আছিল। তেওঁলোকে জিৰণিৰ সময়খিনি 'school' (Skhole) বোলা স্থানত অতিবাহিত কৰিছিল। জিৰণিকালত উচ্চ শ্রেণীৰ গ্রীক সকলে সংস্কৃতি আৰু দর্শনৰ কথা আলোচনা কৰিছিল।

আধুনিক শিক্ষাত বিদ্যালয়ক এখন বিশেষ সমাজ অথবা এটা বিশেষ সম্প্রদায় বুলি বর্ণনা কৰা হয়। ইয়াক এখন ক্ষুদ্রাকৃতিৰ সমাজ অথবা ক্রমাৎ গঢ় ল'ৰলৈ ধৰা এখন সমাজ বুলিও কোৱা হয়। এখন বিদ্যালয় কেনেকৈ চলে ? প্রকৃতার্থত বিদ্যালয় এখনৰ লক্ষ্য সম্পূর্ণৰূপে সমাজ অথবা সম্প্রদায়ৰ লক্ষ্যৰ ওপৰত নির্ভৰশীল। সম্প্রদায়ৰ কণমানি সদস্যৰোৰে বিদ্যালয়ক প্রতিনিধিত্ব কৰে। বিদ্যালয়ৰ লক্ষ্য হ'ল এই কণমানিহঁতক বৃহৎ সমাজৰ সৈতে খাপ খাব পৰা আৰু কার্যদক্ষ কৰি গঢ়ি তোলা। অর্থাৎ, সম্প্রদায়ৰ আশা-আকাংক্ষাৰোৰক বিদ্যালয়ে বাস্তৱত ৰূপায়িত কৰে। সেয়েহে বিদ্যালয়ক সম্প্রদায়ৰ স্নায়ুকেন্দ্র বুলি অভিহিত কৰা হয়।

বিদ্যালয়ে সমাজৰ উঠি অহা প্রজন্মক প্রশিক্ষণ আৰু শিক্ষাদান কৰাৰ দায়িত্ব গ্রহণ কৰি সম্প্রদায়ৰ পূর্ণাংগ সদস্যা হিচাপে তেওঁলোকৰ সম্ভাৱনীয়তাৰোৰ বিকশাই তোলে। ল'ৰা-ছোৱালীৰ নিজস্ব সামর্থ আৰু প্রতিভা অনুসৰি বিদ্যালয়ে বিভিন্ন কার্যক্ষেত্রত সিহঁতক নেতৃত্ব বহন কৰিব পৰাকৈ প্রশিক্ষণ দিয়ে। বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি ল'ৰা-ছোৱালীৰোৰে বৃহত্তৰ সমাজলৈ ঘূৰি যায় আৰু বিভিন্ন দায়িত্ব পালন কৰে। অর্থাৎ, বিদ্যালয় হ'ল সামাজিক কার্যদক্ষতা বৃদ্ধিৰ আৰু ল'ৰা-ছোৱালীক নেতৃত্ব গ্রহণৰ প্রশিক্ষণ দিয়াৰ পথাৰ। ল'ৰা-ছোৱালীৰ কিছুমান কাংক্ষিত অভ্যাস, প্রমূল্য আৰু খাপ খাই চলিব পৰা গুণ গঢ়ি তোলাৰ দায়িত্বও বিদ্যালয়ে বহন কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে---

- সম্প্রদায়ৰ কণমানি সদস্যসকলে বিদ্যালয়ৰ প্রতিনিধিত্ব কৰে।
- বিদ্যালয়ে সম্প্রদায়ৰ আশা-আকাংক্ষাক বাস্তৱত ৰূপায়িত কৰে।
- বিদ্যালয় হ'ল সম্প্রদায়ৰ স্নায়ুকেন্দ্র।
- সম্প্রদায়ৰ কার্যকুশল সদস্যাসকল হ'ল উন্নত বিদ্যালয়কেন্দ্রিক শিক্ষাৰ ফচল। বিদ্যালয়ে ছাত্র-ছাত্রী/ল'ৰা-ছোৱালীৰ গাত কিছুমান কাংক্ষিত অভ্যাস আৰু প্রমূল্য গঢি তোলে।



জানি থোৱা ভাল

"এটা জাতিৰ ভাগ্য শ্রেণীকোঠাত নিৰূপিত হয়" --- কোঠাৰী আয়োগ

৩.৩.১ বিদ্যালয় আৰু সম্প্রদায়ৰ আন্তঃনির্ভৰশীলতা (Interdependence of School and Community)

ওপৰৰ আলোচনাৰ পৰা আমি বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত থকা সম্বন্ধ বুজি পালোঁ। বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত সদায়েই এক ঘনিষ্ঠ সম্পর্ক আছে। দুয়ো পৰস্পৰ নির্ভৰশীল। সম্প্রদায় আছে বাবেই বিদ্যালয়বোৰৰ অস্তিত্ব আছে। কাৰণ বিদ্যালয়ৰ প্রধান কাম হ'ল সম্প্রদায়ৰ লক্ষ্য-উদ্দেশ্য আৰু আশা-আকাংক্ষাক বাস্তৱ কৰা। বিদ্যালয়ৰ পাঠ্যক্রমৰ জৰিয়তে এই কার্য সম্পন্ন কৰাৰ প্রচেষ্টা চলোৱা হয়। বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত অহৰহ আন্তঃক্রিয়া চলি থাকে। এই উপ-শিতানটো অধ্যয়ন কৰি আপুনি বিদ্যালয় আৰু সম্প্রদায়ৰ আন্তঃনির্ভৰশীলতা সম্পর্কে বুজিব পাৰিব।

এই কথা সকলোৱে জানে যে বিদ্যালয়ে সামাজিক জীৱনৰ পৰা বিচ্ছিন্ন হৈ কাম কৰিব নোৱাৰে। সম্প্রদায়ে নিজৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ আৰু ভৱিষ্যৎ নাগৰিকসকলক প্রশিক্ষণ দিবলৈ বিদ্যালয় স্থাপন কৰে। কিন্তু শিশু এটিয়ে বিদ্যালয় আৰু সম্প্রদায় (বিদ্যালয়ৰ ভিতৰ আৰু বাহিৰত) উভয়ৰে পৰা শৈক্ষিক অভিজ্ঞতা আহৰণ কৰে। সেয়েহে কোনো সংঘাতৰ সৃষ্টি হ'বলৈ নিদিয়াকৈ ভৱিষ্যৎ নাগৰিকৰ স্বার্থত বিদ্যালয় আৰু সম্প্রদায়ে ঘনিষ্ঠ সমন্বয় ৰক্ষা কৰি কাম কৰি যোৱা উচিত।

ওপৰৰ আলোচনাৰ পৰা আমি কি বুজিলোঁ? বিদ্যালয় আৰু সম্প্রদায় আত্মনির্ভৰশীল নহয়নে? কেনেকৈ? তলৰ কথাবোৰ মনত ৰাখি থওঁ আহক ঃ

- সম্প্রদায়ে লক্ষ্য-উদ্দেশ্য নির্ধাৰণ কৰে আৰু বিদ্যালয়ে সেয়া বাস্তৱত পৰিণত কৰে।
- কেৱল এটা উন্নত আৰু প্রগতিশীল সম্প্রদায়েহে এখন ভাল বিদ্যালয় গঢ়ি তুলিব পাৰে।
- ভাল বিদ্যালয়ে সৎ আৰু কার্যদক্ষ নাগৰিক সৃষ্টি কৰিব পাৰে।
- বিদ্যালয়ক সমাজ পৰিৱর্তনৰ এক অভিকৰণ বুলি গণ্য কৰা হয়। কাৰণ বিদ্যালয় শিক্ষাৰ জৰিয়তেহে সমাজৰ গতিশীলতা সম্ভৱপৰ হয়।
- উন্নত বিদ্যালয় শিক্ষাই সমাজৰ প্রগতি দ্রুত কৰি তোলে।



চিন্তা-চর্চা কৰকঃ ৩.১

সম্প্রদায়ে কেনেদৰে ভাল বিদ্যালয় গঢ়ি তোলাত সহায় কৰিব পাৰে? আপোনাৰ পৰামর্শ আগবঢ়াওক।

.....

ওপৰৰ আলোচনাৰ পৰা আমি তলত দিয়া ধৰণে বিদ্যালয়-সম্প্রদায় আন্তঃনির্ভৰশীলতা সবল কৰি তোলাৰ কিছুমান পন্থা আৰু উপায় বাহিৰ কৰিব পাৰো-

- পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজত সহযোগিতা বৃদ্ধি
- সম্প্রদায়ৰ সদস্যক বিদ্যালয়ৰ বিভিন্ন সভা-সমিতিলৈ আমন্ত্রণ
- সম্প্রদায়ৰ সদস্যসকলৰ আলোচনা শুনা
- শিক্ষণ আৰু সামাজিক জীৱনৰ মাজত সহ-সম্পর্ক স্থাপন
- ক্ষেত্রভিত্তিক ভ্রমণ আৰু শিক্ষামূলক ভ্রমণ
- সমাজ সেৱা অভিযান
- প্রাপ্তবয়স্কক শিক্ষাদান কৰা কার্যসূচী
- দিক্-নির্দেশনা প্রদান সেৱা
- সম্প্রদায়ে বিদ্যালয়ৰ ভৱন-চৌহদ ব্যৱহাৰ কৰা ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিদ্যালয়-সম্প্রদায় সমন্বয় স্থাপনৰ যিকোনো দুটা প্রয়োজনীয়তা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ বিদ্যালয়ৰ প্রধান উদ্দেশ্য .....। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৩ ঃ উন্নত বিদ্যালয় আৰু উন্নত সম্প্রদায়ৰ মাজত কোনো সম্পর্ক নাই। (সঁচা/মিছা)

.....

প্রশ্ন নং ৪ ঃ বিদ্যালয়ক সমাজ পৰিৱর্তনৰ এটা অভিকৰণ বুলি কোৱা হয়। (সঁচা/মিছা)

.....

৩.৪ বিদ্যালয়ৰ কার্যাৱলী (FUNCTIONS OF THE SCHOOL)

আপুনি এতিয়া নিশ্চয় বুজিব পাৰিছে যে আধুনিক কালৰ বিদ্যালয়বোৰে ল'ৰা-ছোৱালীক শিক্ষাদান কৰাৰ লগতে আন বিভিন্ন ধৰণৰ কাম-কাজ সম্পাদন কৰে। তেনে দুটামান উল্লেখযোগ্য কাম হ'ল---

- ল'ৰা-ছোৱালীক আনুষ্ঠানিক শিক্ষাদান কৰা। এইটো হ'ল বিদ্যালয়ৰ প্রধান কাম।
- ব্যাক্তিয়ে নিজা তথা সামাজিক জীৱনত বর্তাই ৰাখিবলগীয়া অনুশাসন আৰু মানৰ প্রশিক্ষণ বিদ্যালয়ৰ পৰা লাভ কৰে।
- সমাজৰ পৰম্পৰা, ৰীতি-নীতি আৰু প্রমূল্যবোৰ এটা প্রজন্মৰ পৰা আন এটা প্রজন্মৰ

হাতত অর্পণ কৰি বিদ্যালয়ে সামাজিক জীৱনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে।

- বিদ্যালয়ে সংস্কৃতি আৰু সভ্যতাৰ পৃষ্ঠপোষকতাত সহায় কৰে।
- বিদ্যালয়ে ব্যক্তিক এখন গণতান্ত্রিক সমাজত ফলপ্রসূভাৱে অংশগ্রহণ কৰিব পৰাকৈ প্রশিক্ষণ দি সামাজিক কার্যকুশলতাৰ পোষকতা কৰে।
- শিক্ষার্থীৰ জন্মগত প্রতিভা আৰু সম্ভাৱনীয়তাবোৰ চিনাক্ত তথা বিকশিত কৰিবলৈ বিদ্যালয়ে প্রয়োজনীয় শৈক্ষিক পৰিৱেশ সৃষ্টি কৰে।
- বিদ্যালয়ে শিক্ষার্থীক সু-নাগৰিক হোৱাৰ আৰু কার্যদক্ষ নেতা হিচাপে বিকশিত হোৱাৰ প্রশিক্ষণো আগবঢ়ায়।
- শিক্ষার্থীসকলক আর্থিকভাৱে আত্মনির্ভৰশীল কৰি তুলিবলৈ বিদ্যালয়ে সিহঁতৰ বৃত্তিগত দক্ষতা বিকাশৰ চেষ্টাও কৰা উচিত।
- বিদ্যালয়ে ঘৰ আৰু বিদ্যালয়-এই দুই অভিকৰণৰ মাজত থকা সম্বন্ধ শক্তিশালী কৰি তোলাতো গুৰুত্ব দিব লাগে।
- এই আটাইবোৰৰ লগতে বিদ্যালয়ৰ আন এক গুৰুত্বপূর্ণ কাম হ'ল ল'ৰা-ছোৱালীৰ মনত নৈতিক, আধ্যাত্মিক আৰু জীৱনৰ মহৎ প্রমূল্যবোৰ বিকশাই তোলা।



চিন্তা-চর্চা কৰকঃ৩.২

- বিদ্যালয় ভৱন-চৌহদ ব্যৱহাৰ কৰি সম্প্রদায়ে উদ্‌যাপন কৰা কিছুমান উৎসৱ-পার্বন আৰু অনুষ্ঠানৰ নাম লিখক।
- ওপৰৰ অনুশীলনীত উল্লেখ কৰা কামবোৰৰ উপৰি আপোনাৰ বিদ্যালয়ে কৰা অন্য কাম-কাজৰ তালিকা প্রস্তুত কৰক।

৩.৫ ঘৰৰ কার্যাৱলী (FUNCTIONS OF HOME)

ব্যক্তিৰ শিক্ষা আৰু বিকাশত ঘৰৰ গুৰুত্ব কিমান সেয়া তলৰ উক্তিটোৰ পৰাই সহজে বুজিব পাৰি--

"ঘৰেই হ'ল মৌলিক সামাজিক অনুষ্ঠান ঘ'ৰ পৰা আন সকলোবোৰ অনুষ্ঠানৰ বিকাশ ঘটিছে।"
-- (বেলার্ড)

শিক্ষাৰ এক অভিকৰণ হিচাপে ঘৰৰ বিকল্প নাই। শিশু পৰিয়ালবোৰৰ পশ্চাদপটৰ দাপোণ সদৃশ। পৰিয়ালবোৰে শিশুক ইতিবাচক আৰু নেতিবাচক দুই ধৰণৰ পৰিবেশৰ জৰিয়তে প্রভাৱিত কৰে। যদি কোনো পৰিয়ালৰ পৰিৱেশ উন্নত তেন্তে তেনে পৰিয়ালৰ ল'ৰা-ছোৱালী সামাজিক ব্যক্তিত পৰিণত হ'ব। ঘৰ অথবা পৰিয়ালবোৰে ল'ৰা-ছোৱালীক প্রাথমিক শিক্ষা প্রদান কৰে। এনে শিক্ষাই ভৱিষ্যৎ শিক্ষাৰ ভেটি গঢ়ি তোলে।

তলত ঘৰৰ গুৰুত্বপূৰ্ণ কাৰ্যাৱলী উল্লেখ কৰা হ'ল----

সামাজিক কাৰ্যাৱলী (Social function) ঃ ঘৰৰ পৰা শিশুৱে বিভিন্ন ধৰণৰ সামাজিক বিন্যাস, অভ্যাস, আচাৰ-আচৰণ আৰু মনোভাৱ আয়ত্ব কৰে। এইবোৰ কথাই ভৱিষ্যতে সমাজৰ সৈতে শিশুৰ খাপ খাব পৰা গুণ নিৰ্ধাৰণ কৰে। শিশু এটিয়ে কথা ক'বলৈ, কেনেকৈ কথা পাতিব লাগে, চাফ-চিকুণ হৈ থাকিব লাগে আৰু অন্যক কেনেদৰে সন্মান সহকাৰে অভিবাদন জনাব লাগে এনেবোৰ সামাজিক আচৰণ ঘৰৰ পৰাই শিকে।

আৰ্থিক কাৰ্যাৱলী (Economic function) ঃ শিশুৰ আৰ্থিক প্ৰয়োজনীয়তা মাক-দেউতাকে পূৰণ কৰে। কিছুমান নিৰ্দিষ্ট আৰ্থিক সুৰক্ষা উপভোগ কৰিবলৈ পোৱা ল'ৰা-ছোৱালীৰ বিকাশত ইয়াৰ অনুকুল প্ৰভাৱ পৰা দেখা যায়। পৰিয়ালবোৰে সাধাৰণতে শিশুক সম্পূৰ্ণ আৰ্থিক সুৰক্ষা প্ৰদান কৰে আৰু আৰ্থিক চিন্তাৰ পৰা মুক্ত কৰি ৰাখে।

পৌৰ কাৰ্যাৱলী (Civic function) ঃ ঘৰক পৌৰ গুণ গঢ়াৰ প্ৰাথমিক বিদ্যালয় বুলি কোৱা হয়। শিশুৱে ঘৰতেই সভ্যতা,অনুশাসন আৰু আত্মসংযমৰ আদিপাঠ পঢ়ে। সিহঁতে ঘৰতেই বয়সত ডাঙৰসকলৰ কথা মানিবলৈ আৰু এনে ব্যক্তিক সমীহ কৰিবলৈ শিকে। ঘৰতে শিশুৱে পাৰস্পৰিক অধিকাৰ আৰু কৰ্তব্যবোৰৰ গুৰুত্ব শিকাৰ সুযোগ পায়।

নৈতিক কাৰ্যাৱলী (Moral function) ঃ শিশু স্বভাৱতে অনুসৰণপ্ৰিয়। যদি মাক-দেউতাক সৎ, সত্যবাদী, বাধ্য, কঠোৰ পৰিশ্ৰমী, সাহসী আৰু অনুশাসনৱদ্ধ হয় তেন্তে এই গুণবোৰ সন্তানৰ গালৈও আহে। সেয়েহে ঘৰক শিকণৰ স্থল বুলি কোৱা হয়।

ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যাৱলী (Religious and Cultural function) ঃ পৰিয়ালৰ সদস্যসকলে নিজ নিজ সাংস্কৃতিক আৰু ধৰ্মীয় আস্থা, বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা, ভাষা আদি সাধাৰণতে মানি আৰু প্ৰয়োগ কৰি চলে। শিশুৱে ঘৰৰ ডাঙৰবোৰৰ পৰা সমাজৰ স্বীকৃত নীতি অনুসৰি সাংস্কৃতিক আৰু ধৰ্মীয় উৎসৱ-পাৰ্বনবোৰ উদ্‌যাপন কৰিবলৈ শিকে।

বৃত্তিমুখী কাৰ্যাৱলী (Vocational function) ঃ শিশু সহজে পিতৃ-মাতৃৰ বৃত্তিৰ প্ৰতি আকৰ্ষিত হয়। সৰু কালত সকলোৱে মাক-দেউতাকৰ জীৱন যাপন পদ্ধতি আৰু বৃত্তি অনুসৰণ কৰে। মাক-দেউতাক আচলতে সন্তানৰ সামৰ্থ আৰু আগ্ৰহ অনুসৰি উপযুক্ত বৃত্তি বাছনি কৰাত ল'ৰা-ছোৱালীক দিক্‌-নিৰ্দেশনা দিয়ে আৰু সহায় কৰে।

এইবোৰৰ উপৰি ঘৰে সম্পাদন কৰা আন কিছুমান শৈক্ষিক কাম-কাজ হ'ল -----

- শিশুৱে সামাজিক জীৱন যাপন কৰাৰ আদিপাঠ ঘৰতেই শিকে।
- শিশুৱে জীৱন যাপনৰ মৌলিক নক্সাটো ঘৰতেই শিকে। যেনে -- কথা ক'বলৈ, অভিনয় কৰিবলৈ, পোচাক পিন্ধিবলৈ, বয়সত ডাঙৰ আৰু সৰুৰ সৈতে উপযুক্ত আচৰণ কৰিবলৈ ইত্যাদি।

- সামাজিকভাৱে কাংক্ষিত আৰু গ্ৰহণযোগ্য বিশ্বাস, আস্থা, পৰম্পৰা আদিৰ বিষয়ে শিশুৱে ঘৰতেই শিকে।
- ঘৰতেই শিশুক অইনৰ প্ৰতিটো কথা অন্ধভাৱে অনুসৰণ নকৰিবলৈ শিকাব লাগে।
- উৎসৱ-পাৰ্বন আৰু বিভিন্ন অনুষ্ঠানত ভাগ ল'বলৈ শিশুক উৎসাহিত কৰিব লাগে।
- শিশুৰ ব্যক্তিত্বৰ বিকাশ ঘটিবৰ বাবে সিহঁতক ন্যায্য, সামাজিক মৰ্যাদা, স্বীকৃতি আৰু সন্মান দিব লাগে।
- শিশুৰ গাত কিছুমান নৈতিক অভ্যাস গঢ় লৈ উঠাৰ বাবে উপযুক্ত প্ৰশিক্ষণ দিব লাগে।
- শিশুক মৰম-চেনেহ, সুৰক্ষা প্ৰদান কৰি আৰু সিহঁতৰ মৌলিক প্ৰয়োজনবোৰ পূৰণ কৰি সিহঁতক পূৰ্ণ আত্মবিশ্বাসী তথা ইতিবাচক মনোভাৱৰ গৰাকী কৰি গঢ়ি তুলিব লাগে।
- যদি ঘৰত এক স্বতঃস্ফূৰ্ত পৰিৱেশ বিৰাজ কৰে তেন্তে শিশুৰ অন্তৰ্নিহিত আৰু জন্মগত গুণবোৰ চিনাক্ত কৰি উলিয়াই সেইবোৰৰ বিকাশ ঘটাব পৰা যায়।



জানি থোৱা ভাল

"মাতৃৰ চুমা আৰু পিতৃৰ যত্নৰ মাজতে নাগৰিকত্বৰ প্ৰথম পাঠ শিকা হয়।" -- (মিজ্জিনি)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ঘৰ শিশুৰ আনুষ্ঠানিক/অনানুষ্ঠানিক শিক্ষাৰ অভিকৰণ। (শুদ্ধ উত্তৰটো বাছনি কৰক)

.....

প্ৰশ্ন নং ৬ঃ কেৱল বিদ্যালয়হে শিশুক প্ৰকৃত সামাজিকীকৰণ প্ৰশিক্ষণ দিব পাৰে। (সঁচা/মিছা)

.....

প্ৰশ্ন নং ৭ঃ শিশুৱে প্ৰয়োজনীয় নৈতিক গুণবোৰ ..... ৰ পৰা আয়ত্ব কৰে। (খালী ঠাই পূৰণ কৰক)

৩.৬ ঘৰ আৰু বিদ্যালয়ৰ মাজত থকা সম্বন্ধ (HOME AND SCHOOL : THEIR RELATIONSHIP)

এতিয়ালৈকে কৰা আলোচনাৰ পৰা শিশু এটিৰ সৰ্বাংগিন বিকাশত অৰিহণা আগবঢ়োৱা

ঘৰ আৰু বিদ্যালয়ৰ গুৰুত্বপূৰ্ণ কার্যবোৰৰ বিষয়ে আপোনাৰ ধাৰণা স্পষ্ট হ'ল বুলি আমি আশা কৰিছোঁ। শিশুৰ শিক্ষাৰ ক্ষেত্ৰত ঘৰ আৰু বিদ্যালয়ৰ সম্পৰ্ক এটা আনটোৰ পৰিপূৰক। বিদ্যালয় এখনে ওপৰৰ শিতানবোৰত আলোচনা কৰা কার্যবোৰ ঘৰৰ সক্ৰিয় সহযোগিতা অবিহনে অকলে সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰে। ঘৰে শিশু এটিক আনুষ্ঠানিক পৰিৱেশত অর্থাৎ বিদ্যালয়ত শিক্ষা লাভ কৰাৰ বাবে প্ৰস্তুত কৰি তোলে। আনহাতে বিদ্যালয়ে শিশু এটিক সম্প্ৰদায়ত জীৱন যাপন কৰিব পৰাকৈ দক্ষ আৰু যোগ্য কৰি তোলে। শিশু এটিক আত্মনির্ভৰশীল তথা দায়িত্ববান নাগৰিকলৈ ৰূপান্তৰ কৰাত ঘৰ আৰু বিদ্যালয় উভয়েই গুৰুত্বপুৰ্ণ অৱদান আগবঢ়ায়। সেয়েহে ঘৰ আৰু বিদ্যালয়ৰ মাজত পাৰস্পৰিক সম্বন্ধ, বুজাবুজি তথা সহযোগিতা গঢ়ি তোলাটো অতী প্ৰয়োজনীয় কথা। কিন্তু অধিকাংশ পিতৃ-মাতৃ আৰু বিদ্যালয় কর্তৃপক্ষ এই সম্বন্ধটোৰ বিষয়ে সজাগ নহয়।

তেন্তে বিদ্যালয় আৰু ঘৰৰ মাজৰ সম্বন্ধ কেনেকৈ শক্তিশালী কৰি তুলিব পৰা যায়? তলত উল্লেখ কৰা ব্যৱস্থাবোৰ এই দিশত সহায়ক হ'ব পাৰে।

পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজত যোগাযোগ স্থাপন ঃ বিদ্যালয় আৰু ঘৰক পৰস্পৰৰ ওচৰ চপাই অনাৰ প্ৰধান উপায় হ'ল পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজত যোগাযোগ স্থাপন কৰা। পিতৃ-মাতৃ আৰু শিক্ষক বছৰত কমেও তিনিবাৰ লগ হৈ শিশুৰ অগ্ৰগতি, সাফল্য তথা সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিব লাগে।

পিতৃ-মাতৃ/অভিভাৱক দিৱস (Parents' Day) ঃ বিদ্যালয়ে বছৰৰ যিকোনো এটা দিনত 'পিতৃ-মাতৃ/অভিভাৱক দিৱস' পাতি ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাক অথবা অভিভাৱক আমন্ত্ৰণ জনাব লাগে। এনে সভাত বিদ্যালয়ৰ সমস্যাবোৰৰ বিষয়েও আলোচনা কৰিব পৰা যায়। পিতৃ-মাতৃ আৰু অভিভাৱকসকলে এনে আলোচনাত ভাগ লৈ গঠনমূলক সমাধান আগবঢ়াব পাৰে।

শিক্ষকৰ দ্বাৰা গৃহ-ভ্ৰমণ অথবা গৃহ সমীক্ষা ঃ শিক্ষকে কৰা গৃহ সমীক্ষাৰ দ্বাৰা প্ৰতিটো শিশুৰ পৰিয়ালৰ অৱস্থা জানিব পৰা যায়। ইয়াৰ ফলত সিহঁতৰ নির্দিষ্ট সমস্যা কিছুমানৰ আঁৰৰ কাৰণ বাহিৰ হয়। ছাত্ৰ-ছাত্ৰীৰ ঘৰৰ আর্থিক আৰু সামাজিক স্থিতি জনাৰ পাচত শিক্ষকে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি সিহঁতক সহায় কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ প্ৰতিবেদন প্ৰেৰণ ঃ ঘৰ আৰু বিদ্যালয়ৰ মাজৰ সম্বন্ধ শক্তিশালী কৰাৰ আন এক উপায় হ'ল পিতৃ-মাতৃ অথবা অভিভাৱকলৈ নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ প্ৰতিবেদন প্ৰেৰণ কৰা। বিদ্যালয়ে প্ৰতিটো শিশুৰ সর্বাত্মক বিকাশ'ৰ (Cumulative records) খতিয়ান ৰাখে। ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত দেখুওৱা শাৰীৰিক, শৈক্ষিক, সামাজিক আৰু নৈতিক বিকাশৰ তথ্য বিদ্যালয় কর্তৃপক্ষই পিতৃ-মাতৃ অথবা অভিভাৱকক অৱগত কৰাব লাগে।

৩.৭ এখন ক্ষুদ্রাকৃতিৰ সমাজ হিচাপে বিদ্যালয় (SCHOOL AS A MINIATURE SOCIETY)

এই কথা আমি আটায়ে জানোযে বৃহত্তৰ সমাজৰ কণ-কণ সদস্যাসকলে প্রতিনিধিত্ব কৰা অনুষ্ঠানটোৱেই হ'ল বিদ্যালয়। বিদ্যালয়লৈ অহা কণ-কণ ল'ৰা-ছোৱালীবোৰ হ'ল ভৱিষ্যৎ সমাজৰ হ'বলগীয়া সক্রিয় সদস্য। সিহঁতে বৃহত্তৰ সমাজখনৰ বাবে নিজকে কার্যদক্ষ কৰি গঢ়ি তুলিবলৈ বিদ্যালয়লৈ আহে। কার্যদক্ষ সদস্য হিচাপেহে সিহঁতে সমাজৰ বিকাশ আৰু প্রগতিলৈ অৱিহণা আগবঢ়াব পাৰিব। সেই ফালৰ পৰা চাবলৈ গ'লে ল'ৰা-ছোৱালীক কাংক্ষিত জ্ঞানেৰে জ্ঞানী কৰি তোলাটো হ'ল বিদ্যালয়ৰ দায়িত্ব। তেতিয়াহে ল'ৰা-ছোৱালীবোৰ প্রকৃতার্থত সমাজৰ প্রগতিৰ বাটকটীয়া হ'ব পাৰিব। বিদ্যালয়ক যদিও এখন পূর্ণাংগ সমাজ বুলি ধৰা নহয় তথাপিও ই কিছুমান গুৰুত্বপূর্ণ সামাজিক কার্য সম্পাদন কৰে। সেয়েহে ইয়াক এখন ক্ষুদ্রাকৃতিৰ সমাজ অথবা 'গঢ় লৈ থকা সমাজ' (Society in the making) বুলি ক'ব পৰা যায়।

৩.৮ আমাৰ শৈক্ষিক ঐতিহ্য (OUR EDUCATIONAL HERITAGE)

৩.৮.১ ভাৰতীয় ঐতিহ্যৰ অর্থ আৰু বৈশিষ্ট্য (Meaning and Salient Features of Indian Heritage)

আপুনি নিশ্চয় 'ঐতিহ্য' বুজোৱা ইংৰাজী শব্দ 'heritage'ৰ শাব্দিক অর্থটো জানে, নহয় জানো?

ইয়াৰ অর্থ হ'ল অগ্রৱর্তী প্রজন্মই পৰৱর্তী প্রজন্মক অর্পণ কৰা অমূল্য সম্পদ (যেনে- ইতিহাস প্রসিদ্ধ ভৱন আদি)। সেই ফালৰ পৰা বিচাৰ কৰিবলৈ গ'লে শৈক্ষিক ঐতিহ্য মানে হ'ল ভৱিষ্যৎ প্রজন্মৰ বাবে শৈক্ষিক গুৰুত্ব থকা অতীতৰ মূল্যবান সামগ্রী, বিষয়, অনুষ্ঠান-প্রতিষ্ঠান আৰু সকলোবোৰ স্থাবৰ সামগ্রী (পূৰাতাত্বিক)। ইয়াৰ লগতে শৈক্ষিক ঐতিহ্যই অতীতৰ প্রজন্মৰ ধাৰণা, চিন্তা, পৰম্পৰা, জীৱন-যাপন শৈলী আৰু অনুশীলন আদিৰ দৰে বর্তমান তথা ভৱিষ্যৎ প্রজন্মৰ বাবে অমূল্য বুলি পৰিগণিত হ'ব পৰা অস্থাৱৰ উপাদানবোৰ সামৰি লয়। দৰাচলতে অস্থাৱৰ শৈক্ষিক প্রমূল্যইহে এটা জাতিৰ অথবা এখন দেশৰ নাগৰিকৰ পৰিচয় প্রতিফলিত কৰে।

তলত ভাৰতীয় ঐতিহ্যৰ কিছুমান বৈশিষ্ট্য আলোচনা কৰা হ'ল। ঐতিহ্যৰ বিষয়ে ভালদৰে বুজিবলৈ আমি প্রথমে সেই ভেটিটো চিনাক্ত কৰিব লাগিব যিটো ভেটিত আমাৰ দেশখন অথবা জাতিটো গঢ় লৈ উঠিছে।

- **দার্শনিক আৰু আধ্যাত্মিক দৃষ্টিভংগী ঃ** জীৱন সর্ম্পকে থকা ভাৰতীয় মনোভাৱে

বৈষয়িক পৃথিৱীখনৰ বাস্তৱতা অথবা সত্যৰ লগতে দার্শনিক অথবা আধ্যাত্মিক দৃষ্টিভংগীতো গুৰুত্ব দিয়ে।

- **সহিষ্ণুতাৰ পৰম্পৰা ঃ** জাতি-বর্ণ-ভাষা-ধর্ম নির্বিশেষে ভাৰতত বাস কৰা প্রতিগৰাকী ব্যক্তিয়ে স্বতন্ত্রতা আৰু সহিষ্ণুতাৰ পৰম্পৰা মানি আহিছে।
- **সমন্বয় বোধ ঃ** ভাৰত এখন প্রাকৃতিক বৈচিত্র্যতাৰে ভৰা বিশাল দেশ। কিন্তু ইয়াৰ নাগৰিকৰ মনত সমন্বয় বোধ প্রবল বাবে দেশত এক ধৰণৰ একতা বিৰাজমান।
- **বিজ্ঞানসম্মত দৃষ্টিভংগী ঃ** ভাৰতে বিজ্ঞানৰ প্রতিটো বিভাগতে উৎকর্ষতাৰ পৰিচয় দিছে। গণিত, জ্যোতিবিজ্ঞান, চিকিৎসা বিজ্ঞান, ভেষজ বিজ্ঞান আদি দিশত সুখ্যাতি লাভ কৰাৰ উপৰি ভাৰতে বিভিন্ন আৱিস্কাৰ তথা উদ্ভাৱনাতো অগ্রণী ভূমিকা লৈছে।
- **বিশ্বজনীন দৃষ্টিভংগী ঃ** ভাৰতীয় সংস্কৃতিৰ আধাৰ হ'ল বেদান্ত। বেদান্তক বিশ্বজনীন ধর্ম বুলি ক'ব পৰা যায়। সেয়েহে ভাৰতীয়সকল সকলো জাতি-ধর্ম-বর্ণ-সম্প্রদায় আৰু অঞ্চলৰ লোককে সমানভাৱে চাব পৰা বিশ্বজনীন দৃষ্টিভংগীৰ গৰাকী।



জানি থোৱা ভাল

"মই বুজি পোৱা মতে ঐতিহ্য মানে হ'ল এক নির্দিষ্ট সময়ত এচাম মানুহে উত্তৰাধিকাৰী সূত্রে লাভ কৰা ৰীতি-নীতি, সভ্যতা আৰু সফলতাৰ সমষ্টি" —বিনোদ কক্কৰ (Translated from Cultural Heritage of Educational Initiatives, Pg. 3)

৩.৮.২ ভাৰতীয় শৈক্ষিক ঐতিহ্যৰ সংমিশ্রিত ৰূপ (Its Compositeness)

আমি বুজি পালোঁ যে শৈক্ষিক ঐতিহ্য হ'ল অপৰিসীম শৈক্ষিক বৈশিষ্ট্য আৰু মূল্য থকা অতীতৰ শৈক্ষিক অনুষ্ঠান-প্রতিষ্ঠান, চিন্তা তথা ধাৰণাৰ সমষ্টি। তলত বৈদিক, উত্তৰ-বৈদিক, বৌদ্ধযুগ আৰু মুছলমানসকলৰ শাসনকালত প্রচলিত কেইপ্রকাৰমান শৈক্ষিক অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ'ল---

- **গুৰুকুল পদ্ধতি ঃ** এনে শৈক্ষিক পদ্ধতিত শিক্ষার্থীসকলে নিজ গৃহৰ পৰা আঁতৰি গৈ শিক্ষকৰ ঘৰত থাকি (গুৰুগৃহ) শিক্ষা গ্রহণ কৰিছিল। শিক্ষকে (গুৰু) আধ্যাত্মিকতাবাদ আৰু ধর্মৰ আধাৰত উদাৰ শিক্ষা প্রদান কৰিছিল। শিক্ষার্থীয়ে গুৰুৰ তত্বাৱধানত জীৱন যাপন তথা আন সকলোবোৰ কাম কৰিছিল।
- **বৌদ্ধমঠ ঃ** বৌদ্ধধর্মৰ শিক্ষা প্রসাৰৰ কেন্দ্র আছিল বৌদ্ধমঠবোৰ। অৱশ্যে বৌদ্ধধর্মত কিছুমান ব্যক্তিগত শিক্ষকো আছিল। এনে শিক্ষকে দহৰ পৰা পোন্ধৰজনকৈ শিক্ষার্থীৰ যত্ন লৈছিল। ব্যক্তিগত শিক্ষকসকলে নিজৰ ঘৰতে শিক্ষার্থীসকলক পঢ়ুৱাইছিল। বৌদ্ধধর্মৰ

প্রভাৱতে শৈক্ষিক অনুষ্ঠানৰ বিকাশ ঘটিছিল বুলি ক'ব পৰা যায়। বৌদ্ধমঠবোৰক গুৰুকুলৰ নকল বুলিও ক'ব পাৰি। বৌদ্ধমঠ অথবা বিহাৰবোৰ একোগৰাকী 'আচার্য'ৰ অধীনত আছিল। হিউৱেন চাঙৰ মতে খৃষ্টাব্দ সপ্তম শতিকাত ভাৰতত প্রায় ৫০০০ বৌদ্ধমঠ আছিল।

- **পৰিষদ ঃ** বৈদিক যুগত পণ্ডিত, দার্শনিক আৰু বুদ্ধিজীৱীসকলে একো একোটা উচ্চমানৰ অধ্যয়ন-চক্র গঢ়ি লৈ আলোচনা-বিলোচনাত মিলিত হৈছিল। এনে অধ্যয়ন চক্রকে পৰিষদ বোলা হৈছিল। পৰিষদৰ অর্থ হ'ল 'একেলগে বহা'। পৰিষদৰ প্রধান উদ্দেশ্য আছিল বুদ্ধিজীৱীসকলৰ মাজত প্রয়োজনীয় আলোচনা বিলোচনা কৰি তথা ভাৱ-ধাৰণা বিনিময় কৰি নির্দিষ্ট তাত্বিক বিষয়বোৰৰ জ্ঞান আৰু বোধগম্যতাৰ বিকাশ ঘটোৱা। আধুনিক যুগৰ 'শিক্ষায়তন' বোৰ (Academy) হ'ল পৰিষদৰে নতুন ৰূপ।
- **মক্তাব ঃ** মক্তাব আছিল মছজিদ সংলগ্ন লিখা-পঢ়া শিকা স্থান। ই আছিল ধর্মীয় কাম-কাজৰ এক অংশ। ধর্মীয় মুখিয়াল 'মৌলবী'য়ে মক্তাবত শিক্ষাদান কৰাটো তেওঁৰ ধর্মীয় দায়িত্ব হিচাপে গ্রহণ কৰিছিল। মুছলমান শাসনৰ যুগত মোক্তাববোৰে এক প্রাথমিক শিক্ষাদানকাৰী অনুষ্ঠান হিচাপে কাম কৰিছিল। মক্তাবত আখৰ আৰু সংখ্যাৰ লগতে কো�ৰাণ, গুলিস্তান আৰু বাস্তান, চিকন্দৰনামা ইত্যাদি পঢ়োৱা হৈছিল। মহামতি আকবৰে এই শৈক্ষিক ব্যৱস্থাটোলৈ উল্লেখনীয় পৰিৱর্তন আনিছিল।
- **নিম্ন মাদ্রাছা আৰু উচ্চ মাদ্রাছা ঃ** নিম্ন মাদ্রাছা আছিল উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাদ্রাছা আছিল মহাবিদ্যালয় পর্যায়ৰ ইছলামীয় শৈক্ষিক অনুষ্ঠান। নিম্ন মাদ্রাছাত ব্যাকৰণ, সাহিত্য, পার্চী, আৰবী, জ্যামিতি, অর্থনীতি আৰু ইতিহাসৰ দৰে বিষয় পঢ়োৱা হৈছিল। উচ্চ মাদ্রাছাত পঢ়োৱা বিষয়বোৰ আছিল দর্শন, অধিবাস্তৱ (Metaphysics), পাটীগণিত, উচ্চ জ্যামিতি, বিজ্ঞান, চিকিৎসা শাস্ত্র আৰু অভিযান্ত্রিক বিদ্যা ইত্যাদি। চৰকাৰ অথবা বিত্তবান লোকে এনে মাদ্রাছাৰ বাবে ধন আগবঢ়াইছিল। উচ্চ মাদ্রাছাবোৰ ডাঙৰ ডাঙৰ নগৰত স্থাপন কৰা হৈছিল।
- **পাঠশালা ঃ** ই আছিল নিম্ন পর্যায়ৰ শিকনৰ বাবে স্থাপিত এক জনপ্রিয় অনুস্থান। মাদ্রাছাৰ সমপর্যায়ৰ পাঠশালাবোৰত বিশেষকৈ হিন্দু ধর্মৰ শিক্ষার্থীয়ে পঢ়িছিল। পাঠশালাত শিকোৱা বিষয়বোৰ আছিল ভাষা অধ্যয়ন, ব্যাকৰণ, পাটীগণিত, হিচাপৰক্ষা, সমাজ বিজ্ঞান, নীতিপাঠ ইত্যাদি। পাঠশালাৰ শিক্ষণ আছিল মৌখিক পদ্ধতিৰ।
- **টোল ঃ** টোলক বর্তমান সময়ৰ মহাবিদ্যালয়ৰ সৈতে তুলনা কৰিব পৰা যায়। ই আছিল হিন্দু ধর্মাৱলম্বী লোকৰ বিশেষ উচ্চশিক্ষা লাভৰ অনুষ্ঠান। টোলত গাইগুটীয়া যত্ন আৰু মনোযোগ দিয়াৰ স্বার্থত কেৱল এমুঠিমান শিক্ষার্থীৰহে নামভর্তি কৰা হৈছিল। শিক্ষক আছিল টোলৰ একমাত্র প্রশাসনিক আৰু সাংগঠনিক মুৰব্বী। টোলত শিক্ষণৰ মাধ্যম

আছিল সংস্কৃত। প্রাচীন ভাৰতৰ দুখনমান প্রসিদ্ধ টোল আছিল বেনাৰস, কাশী, উজ্জয়ন আৰু মিথিলাত। টোলৰ শিক্ষা সমাপ্ত কৰি শিক্ষার্থীসকলে শিক্ষক হোৱাৰ যোগ্যতা অর্জন কৰিছিল। টোলত বেদজ্ঞান দিয়াৰ উপৰি ধর্ম, কলা, গণিত আৰু বিজ্ঞানো শিকোৱা হৈছিল।

- **সত্র ঃ** সত্রবোৰ হ'ল ধর্মীয় তথা আধ্যাত্মিক আবেগক কেন্দ্র কৰি গঢ় লৈ উঠা শিক্ষাৰ সমাজ-সাংস্কৃতিক কেন্দ্র। ইয়াৰ তদাৰক আৰু পৰিচালনা কৰা দলপতিগৰাকী হ'ল 'সত্রাধিকাৰ।' সত্রবোৰে সাধাৰণ মানুহক কেনেকৈ জীৱন-যাপন কৰিব লাগে, জীৱনৰ নৈতিক তথা আধ্যাত্মিক দিশ দুটা কেনেকৈ নিয়ন্ত্রণ কৰিব লাগে তাৰ প্রয়োজনীয় দিহা-পৰামর্শ আগবঢ়ায়। সত্রত পঢ়িবলৈ অহা ধার্মিক শিষ্যসকলে কেনেকৈ সত্রাধিকাৰৰ দিহা-পৰামর্শ মানি আদর্শ বৈষ্ণৱ জীৱন যাপন কৰিব লাগে সেয়া শিকে। সত্রাধিকাৰৰ অধীনত শিষ্যসকলে সৰলতা, মহত্ব, নিষ্ঠা, আনুগত্য, সহিষ্ণুতা আৰু অন্য ভাল গুণ বিকাশৰ জ্ঞান লাভ কৰে।
- **নামঘৰ ঃ** নামঘৰৰ শাব্দিক অর্থ হ'ল 'প্রার্থনা কৰা গৃহ'। ই হ'ল অসমত ধর্মীয় তথা সামাজিক উদ্দেশ্যেৰে সমূহীয়াভাৱে গোট খোৱা স্থান। গাঁৱলীয়া সম্প্রদায়বোৰৰ বাবে নামঘৰ সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ। ই ধর্মীয়, সামাজিক আৰু সাংস্কৃতিক কার্যকলাপৰ কেন্দ্র। নামঘৰে প্রয়োজন অনুসৰি শৈক্ষিক কার্য-কলাপ পৃষ্ঠপোষকতাকাৰীৰ ভূমিকাও পালন কৰি আহিছে। সেয়েহে ইয়াক প্রাপ্তবয়স্ক শিক্ষা অথবা সামাজিক শিক্ষাৰ কেন্দ্র বুলিও ক'ব পৰা যায়। সাধাৰণতে কোনো এক সম্প্রদায়ে 'কীর্তন' আৰু 'ভাগৱত' পাঠ শুনিবলৈ নামঘৰত গোট খায়।



জানি থোৱা ভাল

কিছুমান বৌদ্ধমঠ কালক্রমত শিকনৰ বিশাল কেন্দ্রত পৰিণত হৈছিল। সেইবোৰ বিশ্ববিদ্যালয় হিচাপে জনাজাত হৈছিল। এনে কেইখনমান প্রাচীন ভাৰতীয় বিশ্ববিদ্যালয় হ'ল - নালান্দা, বল্লভাই, বিক্রমশীলা, জগদ্দাল, মিথিলা, উদান্তপুৰী আৰু নাদিয়া। এই আটাইবোৰৰ ভিতৰত নালান্দা আছিল সর্ববৃহৎ আৰু সবাতোকৈ প্রসিদ্ধ বিশ্ববিদ্যালয়।



চিন্তা-চর্চা কৰকঃ ৩.৩

প্রাচীন থলুৱা বিদ্যালয় আৰু আধুনিক বিদ্যালয় পদ্ধতিৰ মাজত থকা সাদৃশ্য কেইটামান চিনাক্ত কৰক।

.....

.....

.....

৩.৮.৩ শিক্ষাৰ জৰিয়তে হোৱা শৈক্ষিক ঐতিহ্যৰ প্রসাৰ আৰু প্রগতি (The Transmission & Advancement of Educational Heritage through Education)

এটা জাতিয়ে তেতিয়াই ধ্বংসৰ মুখলৈ গতি কৰে যেতিয়া ইয়াৰ সদস্যসকলে নিজৰ পৰম্পৰা আৰু জীৱন যাপন পদ্ধতি হেৰুৱাই পেলাই অন্যৰ জীৱনশৈলী অনুসৰণ কৰিবলৈ লয়। এনেকৈয়ে জাতিটোৰ অনন্য বৈশিষ্ট্যবোৰ লোপ পায় আৰু এসময়ত জাতিটোৱে নিজৰ পৰিচয় সম্পূৰ্ণৰূপে হেৰুৱায়। সেয়েহে আমাৰ ল'ৰা-ছোৱালীয়ে পূৰ্বপুৰুষে দি থৈ যোৱা পৰম্পৰা, জীৱন প্রমূল্য, সংস্কৃতি আৰু অৱদানবোৰৰ লগতে অতীত হৈ পৰা সময়ছোৱাৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়েও জনা দৰকাৰ। শিক্ষাৰ জৰিয়তে আমি ছাত্র-ছাত্রীক অতীত মূল্যায়নৰ বাবে সাজু কৰি তুলিব পাৰোঁ। তেতিয়াহে সিহঁতে বর্তমানটো বুজি পাব আৰু ভৱিষ্যতৰ মুখামুখি হ'ব পাৰিব। আমাৰ শৈক্ষিক ঐতিহ্যৰ একতা আৰু ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ বর্তমানৰ শৈক্ষিক ব্যৱস্থাৰ জৰিয়তে ছাত্র-ছাত্রীক আমি তলত উল্লেখ কৰা কথাবোৰ শিকোৱাৰ চেষ্টা কৰা উচিত।

- জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্রলৈ মহান লোকসকলৰ অৱদান।
- অতীতৰ থলুৱা বিদ্যালয়বোৰৰ সফলতা আৰু অৱদান।
- প্রাচীন ঋষি-মুনি, সাধু-সন্তসকলৰ লেখনি, মহাকাব্য তথা অন্য ধ্রুপদী সাহিত্যৰ জ্ঞান।
- মহান শিক্ষকসকলৰ (গুৰু/মৌলবী অথবা আচার্য) জীৱন আৰু কর্মৰাজি।
- অতীতৰ পৰা চলি অহা জনশ্রুতি, কিংবদন্তী আৰু সাহিত্যৰ ব্যাখ্যাৰ জৰিয়তে সেইবোৰৰ অপৰিসীম শৈক্ষিক মূল্যৰ বিষয়ে বুজোৱাৰ প্রয়াস।
- দেশৰ বিভিন্ন নৃগোষ্ঠীয়, ধর্মীয় তথা ভাষিক সম্প্রদায়ৰ ৰীতি-নীতি, পৰম্পৰা আৰু উৎসৱ-পার্বনৰ সৈতে পৰিচয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ সহিষ্ণুতাৰ পৰম্পৰা ভাৰতীয় ঐতিহ্যৰ এটা .....। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৯ ঃ বৌদ্ধধর্মীয় শিক্ষা ব্যৱস্থাত শিক্ষকক ..... বোলা হয়। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ১০ ঃ মক্তাবত উচ্চ শিক্ষা প্রদান কৰা হৈছিল। (সঁচা / মিছা)

.....



৩.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি বিদ্যালয় তথা সম্প্রদায়ৰ মাজৰ সম্বন্ধ আৰু দুয়োটা উপাদানৰ আন্তঃ নির্ভৰশীলতাৰ বিষয়ে জানিব পাৰিলোঁ। দুয়োটা উপাদানেই পৰস্পৰ নির্ভৰশীল। সম্প্রদায়ৰ আশা-আকাংক্ষাবোৰে বিদ্যালয়ত শিক্ষাৰ জৰিয়তে বাস্তৱ ৰূপ পায়।
- বিদ্যালয়ত লাভ কৰা শিক্ষাৰ জৰিয়তে আমাৰ ল'ৰা-ছোৱালীয়ে অতীতৰ সমৃদ্ধ শৈক্ষিক ঐতিহ্যৰ বিষয়ে গম পায়। অধ্যায়টি পঢ়ি আমি ঘৰ আৰু বিদ্যালয়ৰ বিভিন্ন কাম-কাজৰ বিষয়েও জানিব পাৰিলো। ঘৰ আৰু বিদ্যালয়ৰ মাজৰ সম্বন্ধ তথা বিদ্যালয়ক কিয় এখন ক্ষুদ্রাকৃতিৰ সমাজ বোলা হয় অধ্যায়টিত সেই বিষয়েও আলোচনা কৰা হ'ল। লগতে ভাৰতৰ সমৃদ্ধ শৈক্ষিক ঐতিহ্যৰ ওপৰতো অধ্যায়টিত আলোকপাত কৰা হৈছে।
- বর্তমানৰ প্রগতি অক্ষুণ্ণ ৰাখিবলৈ আমি আমাৰ ঐতিহ্য নৱ প্রজন্মৰ হাতত অর্পণ কৰিব লাগিব। বিদ্যালয়বোৰে অতীতৰ শৈক্ষিক ঐতিহ্যৰ প্রয়োজনীয় দিশবোৰ বিচাৰি উলিয়াই ছাত্র-ছাত্রীক সেইবোৰৰ সৈতে পৰিচয় কৰাই দিব লাগিব। অতীতৰ শৈক্ষিক ব্যৱস্থাবোৰ বর্তমানৰ সৈতে সংযুক্ত কৰাৰ দায়িত্ব বিদ্যালয়ৰ।



৩.১০ অধিক জানিবলৈ

১) K.K. Bhatia : *Principles & Theories of Education*.

২) R.N. Sarma*: Principles & Techniques of Education*

৩) Safaya & Shaida*: Modern Theory & Principles of Education*.

৪) Chaube & Chaube : *Philosophical & Sociological Foundations of Education*

৫) Tilak Raj Bharadwaj: *Education Human Values*

৬) Jatin Baruah : *An Introduction to Education*

৭) Hemlata Talessa & Others: Cultural Heritage & Educational Initiators



৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বিদ্যালয় - সম্প্রদায় সমন্ধয় স্থাপনৰ যিকোনো দুটা প্রয়োজনীয়তা হ'ল -

(ক) সম্প্রদায়ে লক্ষ্য উদ্দেশ্য নির্ধাৰণ কৰে আৰু

(খ) বিদ্যালয়ক সমাজ পৰিবর্তনৰ এক অভিকৰণ বুলি গণ্য কৰা হয়। কাৰণ বিদ্যালয় শিক্ষাৰ জৰিয়তেহে সমাজৰ গতিশীলতা সম্ভৱপৰ হয়।

২ নং প্রশ্নৰ উত্তৰঃ সম্পূর্ণৰূপে সমাজ অথবা সম্প্রদায়ৰ লক্ষ্যৰ ওপৰত নির্ভৰশীল।

৩ নং প্রশ্নৰ উত্তৰঃ মিছা

৪ নং প্রশ্নৰ উত্তৰঃ সঁচা

৫ নং প্রশ্নৰ উত্তৰঃ অনানুষ্ঠানিক

৬ নং প্রশ্নৰ উত্তৰঃ সঁচা

৭ নং প্রশ্নৰ উত্তৰঃ ঘৰ

৮ নং প্রশ্নৰ উত্তৰঃ বৈশিষ্ট্য

৯ নং প্রশ্নৰ উত্তৰঃ আচার্য

১০ নং প্রশ্নৰ উত্তৰঃ মিছা



৩.১২ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ঃ বেলার্ডে আগবঢ়োৱা 'পৰিয়াল'ৰ সংজ্ঞাটো লিখক।

প্রশ্ন ২ঃ বিদ্যালয়ত কিয় 'পিতৃ-মাতৃ/অভিভাৱক দিৱস' উদ্‌যাপন কৰা হয়?

প্রশ্ন ৩ঃ 'বিশ্বজনীন ধর্ম' কি?

(খ) চমু প্রশ্ন (প্রায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ ইংৰাজী 'School' শব্দটো ক'ৰ পৰা উৎপত্তি হৈছে? শব্দটোৰ ব্যুৎপত্তিগত অর্থ কি?

প্রশ্ন ২ঃ 'বিদ্যালয়ক ক্ষুদ্রাকৃতিৰ সমাজ বুলিও কোৱা হয়' — উক্তিটো ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ সম্প্রদায় মানে কি? সম্প্রদায়ৰ বিদ্যালয়ৰ সৈতে কি সম্বন্ধ আছে? ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ বিদ্যালয়ক কিয় এখন ক্ষুদ্রকৃতিৰ সমাজ বুলি কোৱা হয়? বিদ্যালয়ৰ সামাজিক কাম-কাজবোৰ আলোচনা কৰক।

প্রশ্ন ৩ঃ ‘এটি শিশুৰ সামাজিকীকৰণ প্রক্রিয়াত বিদ্যালয়তকৈ ঘৰৰ প্রভাৱ গভীৰ’ - উক্তিটো বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ প্রাচীন ভাৰতৰ বিভিন্ন শৈক্ষিক অনুষ্ঠানে পালন কৰা ভূমিকাবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ঃ পাঠ্যক্রম

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ পাঠ্যক্রমৰ অর্থ আৰু ধাৰণা
৪.৪ পাঠ্যক্রমৰ প্রকাৰসমূহ
৪.৫ পাঠ্যক্রমৰ দোষসমূহ
৪.৬ প্রাথমিক আৰু মাধ্যমিক পর্যায়ত পাঠ্যক্রম প্রস্তুতিৰ মূল নীতিসমূহ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাঠ্যক্রমৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- পাঠ্যক্রমৰ প্রকাৰসমূহৰ ভিন্নতা নির্ণয় কৰিবলৈ সমর্থ হ'ব
- পাঠ্যক্রমৰ দোষসমূহ চিনাক্ত কৰিব পাৰিব
- প্রাথমিক আৰু মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম গঠনৰ বিভিন্ন নীতিসমূহ নির্ণয় কৰিব পাৰিব।


৪.২ পৰিচয়

আমি আলোচনা কৰা অধ্যায় তিনিটাত ইতিমধ্যে শিক্ষাৰ অর্থ, শিক্ষাৰ বিভিন্ন প্রকাৰ, শিক্ষাৰ পৰিসৰ, শিক্ষাৰ লক্ষ্যসমূহ, বিদ্যালয় আৰু সম্প্রদায়ৰ মাজৰ সম্বন্ধ, বিদ্যালয় আৰু ঘৰখনৰ ভূমিকা আদি সামৰি লৈছো। এতিয়া আমি এই অধ্যায়ত পাঠ্যক্রমৰ বিষয়ে আলোচনা কৰিম। পাঠ্যক্রম হ'ল শিক্ষা বিষয়টোৰ এটা তাৎপর্যপূর্ণ ধাৰা। এই অধ্যায়টিৰ জৰিয়তে আপুনি পাঠ্যক্রমৰ অর্থ আৰু ধাৰণা, পাঠ্যক্রমৰ প্রকাৰ, পাঠ্যক্রমৰ আসোঁৱাহসমূহ তথা প্রাথমিক পর্যায়ৰ লগতে মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ মূল নীতিসমূহৰ লগত পৰিচিত হ'ব। শিক্ষার্থী আৰু শিক্ষানুষ্ঠান নিশ্চিত লক্ষ্যত উপনীত হোৱাত পাঠ্যক্রমে অৰিহণা যোগায়। পাঠ্যক্রমে উঠি অহা শিশুসকলৰ সর্ব্বাত্মক বিকাশত অৰিহণা যোগাব লাগিব আৰু সামাজিক চাহিদা পূৰণ কৰিব পাৰিব লাগিব।

৪.৩ পাঠ্যক্রমৰ ধাৰণা আৰু অর্থ

পাঠ্যক্রম শব্দটোৰ লগত আমি সকলোৱেই পৰিচিত। বিদ্যালয়সমূহত শিক্ষাদান কার্যসূচী চলাই নিয়াৰ ক্ষেত্রত পাঠ্যক্রম হ'ল এবিধ বিশেষ ধৰণৰ আহিলা। প্রত্যেকখন শিক্ষানুষ্ঠানৰে কিছুমান পৰিকল্পিত কার্যসূচী আৰু আঁচনি থাকে। সেই কার্যসূচীসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰি শিক্ষার্থীসকলৰ বাস্তৱ জীৱন অর্থপূর্ণ আৰু বৈশিষ্ট্যপূর্ণ কৰি তুলিবলৈ পাঠ্যক্রম আৰু সহপাঠ্যক্রম প্রস্তুত কৰি তোলা হয়। বিভিন্ন ধৰণৰ দক্ষতাপূর্ণ আৰু মূল্যবোধভিত্তিক পাঠ্যক্রম আৰু সহপাঠ্যক্রমিক কার্যসূচীৰ মাধ্যমেৰে শিক্ষার্থীসকলে তেওঁলোকৰ শাৰীৰিক, আবেগিক আৰু বৌদ্ধিক দক্ষতাসমূহ বিকশিত কৰিব পাৰে। পাঠ্যক্রমে শিক্ষার্থীসকলৰ সর্ব্বাঙ্গীণ বিকাশত নেতৃত্ব দিয়ে। পাঠ্যক্রমৰ অর্থ সঠিকভাৱে বোধগম্য কৰিবলৈ হ'লে আমি শব্দটোৰ উৎপত্তিৰ বিষয়ে জানিব লাগিব। পাঠ্যক্রম শব্দটো লেটিন শব্দ 'কাৰেৰে' (currere)ৰ পৰা আহিছে; যাৰ অর্থ হ'ল 'দৌৰা'। পাঠ্যক্রমৰ প্রকৃত অর্থ হ'ল নিশ্চিত লক্ষ্যত উপনীত হোৱাৰ অর্থে দৌৰিবলৈ লোৱা কিছু আহিলা। শিক্ষানুষ্ঠানত শিক্ষাক এটি দৌৰ হিচাপে অভিহিত কৰা হয়। সেই দৌৰত নেতৃত্ব বহন কৰাৰ বাবে পাঠ্যক্রমক সজাই-পৰাই তোলা হয়।

পাঠ্যক্রম সম্বন্ধে বিভিন্ন শিক্ষাবিদে তেওঁলোকৰ সংজ্ঞাসমূহ দাঙি ধৰিছে। কানিংহাম (Cunningham) নামৰ শিক্ষাবিদগৰাকীয়ে কৈছে যে পাঠ্যক্রম হ'ল "A tool in the hands of artist (teacher) to mould the material (pupils) according to his ideals (aims and objectives) in the studio (school)". সংজ্ঞাটোৱে শিক্ষকক কলাকুশলী হিচাপে অভিহিত কৰিছে আৰু শিক্ষানুষ্ঠানৰ উদ্দেশ্য আৰু আদর্শক সাৰোগত কৰি শিক্ষার্থীসকলক সজাই-পৰাই তোলাৰ বাবে পাঠ্যক্রমক আহিলা বুলি কৈছে। পাঠ্যক্রমক শিক্ষাৰ বিভিন্ন পর্যায়ৰ বাবে সজাই তোলা অধ্যয়নৰ ধাৰা বুলি ক'ব পৰা যায়। 'ক্রো আৰু ক্রো' (Crow and Crow) নামৰ শিক্ষাবিদ দুগৰাকীয়ে (আৰ এন চাযায়ো আৰু বি ডি চাইদাৰৰ পুথি 'শৈক্ষিক তত্ব আৰু ব্যৱহাৰ' ১৯৯৬ত উল্লেখ কৰা মতে) কৈছে যে "Curriculum includes all the barmis experience in or outside the school that are included in a programme which has been devised to help him development, physically, emotionally, socially, spiritually and morally.". সংজ্ঞাটোৰ মতে পাঠ্যক্রমে বিদ্যালয়ৰ ভিতৰ আৰু বাহিৰৰ সকলো ধৰণৰ অভিজ্ঞতা শিক্ষার্থীসকলক দিয়ে। ইয়াৰ উপৰিও শিক্ষার্থীসকলক শাৰীৰিক, আবেগিক, সামাজিক, আধ্যাত্মিক আৰু নৈতিকভাৱে বিকশিত হোৱাত পাঠ্যক্রমে সহায় কৰে।



জানি থোৱা ভাল

পাঠ্যক্রম শব্দটোৱে সকলো ধৰণৰ পৰিকল্পিত কার্যাৱলী আৰু অভিজ্ঞতাসমূহক সূচাইছে যিবোৰ বিদ্যালয়ৰ নির্দেশৰ মাধ্যমত

শিক্ষার্থীসকলে পাবলৈ সক্ষম হয়।

- পাঠ্যক্রম প্রকৃত জীৱনৰ সমস্যাসমূহৰ লগত জড়িত। ইয়াত শিশুসকলৰ বাবে অর্থ থাকে যিবোৰে সমাধানৰ বাবে তেওঁলোকক অৱিহণা যোগায়। ই শিশুসকলৰ শাৰীৰিক, আবেগিক আৰু বৌদ্ধিক প্রয়োজনীয়তাসমূহৰ লগত সম্বন্ধযুক্ত যিবোৰে প্রত্যেকটো শিশুৰ পূর্ণ বিকাশত নেতৃত্ব প্রদান কৰে।
- এটি ভাল পাঠ্যক্রম হ'ল শিক্ষার্থী আৰু শিক্ষকসকলৰ মাজৰ সু-সমন্বয়সূচক প্রচেষ্টা। তেনে ধৰণৰ পাঠ্যক্রমে শিক্ষার্থীসকলক বিদ্যালয়ৰ ভিতৰ আৰু বাহিৰত সন্মুখীন হোৱা সমস্যাৰাজি সমাধান কৰাত সহায় কৰে।
- এটি ভাল পাঠ্যক্রম হ'ল সুন্দৰ শিক্ষণ অভিজ্ঞতাসমূহৰ 'পূর্ণ ভাণ্ডাৰ'। শিক্ষার্থীসকলে ইয়াৰ মাধ্যমত নিজ উদ্দেশ্যত উপনীত হ'ব পাৰে আৰু তেওঁলোকৰ অভিজ্ঞতাসমূহৰ দিগদর্শনক নিশ্চিত কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ আপুনি কেনেকুৱা ধৰণে পাঠ্যক্রমৰ সংজ্ঞা নিৰূপণ কৰিব? ৩০ টা শব্দৰ মাজেৰে ইয়াক প্রকাশ কৰক।

.....

.....

.....

সত্য/অসত্য নির্ণয় কৰক ঃ

প্রশ্ন নং ২ঃ পাঠ্যক্রম শব্দটো লেটিন শব্দ 'কাৰেৰে' (Currere)-ৰ পৰা উৎপত্তি হৈছে। (সত্য/অসত্য)

প্রশ্ন নং ৩ঃ কাৰেৰে (Currere) শব্দটোৰ অর্থ হ'ল 'দৌৰা'। (সত্য/অসত্য)

৪.৪ পাঠ্যক্রমৰ প্রকাৰসমূহ

পাঠ্যক্রমৰ ধাৰণা আৰু অর্থ সম্বন্ধে বোধগম্য হোৱাৰ পিছত এতিয়া আমি পাঠ্যক্রমৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰোঁহক , যিবোৰ সময়ে সময়ে পৰিৱর্তিত অৱস্থাত আধাৰিত হৈছে। আধুনিক ধাৰাৰ পাঠ্যক্রম পৰম্পৰাগত ধাৰাৰ পাঠ্যক্রমৰ লগত নিমিলে কাৰণ আধুনিক পাঠ্যক্রম নতুন মনোবৈজ্ঞানিক, দার্শনিক আৰু সমাজবিজ্ঞানৰ নীতিৰ ওপৰত ভিত্তি কৰি বিকশিত হৈছে। সেইবোৰে শৈক্ষিক প্রক্রিয়াসমূহৰ লগতে পাঠ্যক্রম প্রস্তুতিৰ ধাৰণাৰ পৰিৱর্তন আনিছে।

পাঠ্যক্রমৰ প্রকাৰসমূহ হ'ল ঃ—

- পৰম্পৰাগত বা বিষয়কেন্দ্রিক পাঠ্যক্রম


- কর্মশীল পাঠ্যক্রম
- অভিজ্ঞতালব্ধ পাঠ্যক্রম
- অবিভাজিত পাঠ্যক্রম
- বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম
- জীৱনকেন্দ্রিক পাঠ্যক্রম বা সমতাসম্পন্ন পাঠ্যক্রম

ওপৰত উল্লেখ কৰা পাঠ্যক্রমৰ ভাগবোৰৰ ভিতৰত আমি তিনিবিধ পাঠ্যক্রমৰ বিষয়েহে আলোচনা কৰিমহঁক। সেয়া— পৰম্পৰাগত পাঠ্যক্রম, কর্মশীল পাঠ্যক্রম আৰু সমতাসম্পন্ন পাঠ্যক্রম।

পৰম্পৰাগত পাঠ্যক্রম বা বিষয়কেন্দ্রিক পাঠ্যক্রম ঃ— পৰম্পৰাগতভাৱে চলি থকা পাঠ্যক্রমটোক বিষয়কেন্দ্রিক পাঠ্যক্রম বুলিও জনা যায়। এই পাঠ্যক্রমে নির্দিষ্ট সময়ৰ বাবে কিছুমান বিষয়ক অন্তর্ভুক্ত কৰি লয়। এই পাঠ্যক্রমৰ প্রত্যেকটো বিষয়ৰ একোটা সুকীয়া চিনাকি থাকে যিটোৰ দ্বাৰা বিষয়টোৰ প্রকৃতি আৰু পৰিসৰ সুন্দৰভাৱে নির্ণয় কৰা হয়। এনে পাঠ্যক্রমত শিশুসকলৰ বৌদ্ধিক বিকাশক প্রাধান্য দিয়া হয়। বিষয়কেন্দ্রিক পাঠ্যক্রমত অধ্যয়নৰ মূল্যবোধৰ মাধ্যমত শিশুৰ ব্যক্তিগত আৰু সামাজিক বিকাশত গুৰুত্ব দিয়া দেখা নাযায়।

এই পাঠ্যক্রমৰ মূল দিশসমূহ হ'ল—

- ই বিষয়বোৰৰ লগত কেন্দ্রীভূত।
- ইয়াত শিক্ষণীয় বিষয়বস্তুৰ ওপৰতহে গুৰুত্ব দিয়া হয়।
- শিক্ষাদানৰ অৱস্থা নির্ধাৰিত হোৱাৰ আগতে বিষয়বস্তুবোৰ নির্বাচন কৰি সংগঠিত কৰা হয়।
- এই পাঠ্যক্রম শিক্ষককেন্দ্রিক আৰু শিক্ষকৰ দ্বাৰা নিয়ন্ত্রিত অথবা শিক্ষণীয় অৱস্থাৰ বাবে বাহ্যিক কর্তৃত্বশীল প্রতিনিধিত্ব দেখিবলৈ পোৱা যায়।
- ইয়াত শিক্ষাদানৰ ঘটনাৰাজিৰ ওপৰত গুৰুত্ব দিয়া হয়, জ্ঞান আহৰণৰ বাবে খবৰজাতীয় দিশবোৰ শিকোৱা হয় বা ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে ধাৰণা দিয়া হয়।
- ইয়াত বিষয়বস্তুৰ উন্নত শিক্ষাদান পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হয়।



জানি থোৱা ভাল

আমি অধিকভাৱে জনাৰ বাবে বিষয়কেন্দ্রিক পাঠ্যক্রমৰ বিষয়ে বিভিন্ন শিক্ষাবিদে আগবঢ়োৱা দিশবোৰ আলোচনাত্মক দৃষ্টিভংগীৰে চাব পাৰোঁ। দিশবোৰ হ'ল—

- ইয়াত বিষয়ৰ গুৰুত্বপূর্ণ দিশবোৰ কঠোৰভাৱে গ্রহণ কৰি এটা নির্দিষ্ট শ্রেণীৰ বাবে নির্দ্ধাৰিত সময়ৰ ভিতৰত প্রত্যেকটো বিষয়ৰ পৰিসৰ অধ্যয়ন কৰা হয়।

- ই স্থিতিশীল আৰু অপৰিৱর্তনীয়। এনেধৰণৰ পাঠ্যক্রমিক ধাৰণাটোৱে কোনো শিশুৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰিব নোৱাৰে বা সমাজৰ উপকাৰ সাধন কৰিব নোৱাৰে।
- ইয়াক বয়স্ক ব্যক্তিসকলে তেওঁলোকৰ নিজস্ব পতিৰূপক লৈ গঠন কৰে। বিষয়কেন্দ্রিক পাঠ্যক্রম শিশুসকলক ভৱিষ্যতৰ বাবে প্রস্তুত কৰি তোলাৰ অর্থে বয়স্ক লোকসকলে তেওঁলোকৰ বয়স্ক মানদণ্ড আৰু মূল্যবোধৰ আধাৰত গঠন কৰে। সাধাৰণতে এই পাঠ্যক্রম শিক্ষা বিভাগৰ উচ্চ পর্যায়টোৱে সজাই-পৰাই তোলে অথবা শিশুসকলৰ প্রয়োজন আৰু আগ্রহৰ ওপৰত জ্ঞান নথকা ৰাজনৈতিক প্রশাসকসকলে ইয়াৰ গুৰি ধৰে।
- ইয়াত পুনৰ উক্তি আৰু মুখস্থৰ ওপৰত গুৰুত্ব দিয়া হয়। এই প্রক্রিয়াত শিক্ষকৰ মূল বিষয় কি পঢ়াব আৰু কেনেকৈ পঢ়াব সেই বিষয়ে গুৰুত্ব নাই। এই পদ্ধতিটোত শিক্ষকে বিষয়বস্তুৰ মুখস্থৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। ইয়াৰ ফলত পাঠ্য বস্তুখিনিহে জ্ঞানৰ একমাত্র সমল বুলি ধৰি লোৱা হয়।
- বিষয়কেন্দ্রিক পাঠ্যক্রমত ভাৰতীয় সমাজৰ আধ্যাত্মিক পৈত্রিকতাৰ প্রকাশৰ ক্ষেত্রত গুৰুত্ব দিয়া নহয় কাৰণ এই পাঠ্যক্রম কিতাপৰ জ্ঞানৰ লগত গভীৰভাবে জড়িত। ই মানুহৰ জীৱনৰ লগতো সম্বন্ধযুক্ত নহয়। পৰম্পৰাগত পাঠ্যক্রমে আবেগ, লোকসংস্কৃতি, সংগীত, কলা, শিল্প আদিৰ লগত যোগসূত্র স্থাপন কৰিবলৈ সমর্থবান নহয়। চমুকৈ ক'ব পাৰি যে এই পাঠ্যক্রমে জীৱনৰ ***সৌন্দর্যবোধক*** স্পর্শ কৰিব পৰা নাই।

ক্রিয়াভিত্তিক পাঠ্যক্রম ঃ— বিষয়কেন্দ্রিক পাঠ্যক্রমৰ পিছত আমি এতিয়া আলোচনা কৰিম পাঠ্যক্রমৰ ক্রিয়াকেন্দ্রিক দিশটো,- য'ত বিষয়বস্তুক ৰূপান্তৰিত কৰা হয় ক্রিয়াৰ অৱস্থালৈ। ক্রিয়াভিত্তিক পাঠ্যক্রম প্রক্ষেপন আৰু কর্মৰ মাধ্যমেৰে শিক্ষণৰ ওপৰত আধাৰিত। ইয়াত জ্ঞান লাভ হয় কর্মসমূহৰ বাহ্যিক গঠন আৰু উৎপাদনৰপৰা। ক্রিয়াসমূহে শিশুসকলৰ ইচ্ছাক গঠনমূলক আৰু সৃষ্টিশীল ধাৰণাৰ মাধ্যমেৰে বিকশিত কৰি তোলে। শিশুসকলে বিদ্যালয়ত অভ্যাস কৰা বিভিন্ন ধৰণৰ ক্রিয়াই তেওঁলোকৰ **ব্যক্তিত্বৰ** সামগ্রিক **গঠনত** নেতৃত্ব দিয়াত সহায় কৰে। সেয়েহে শিশুসকলৰ প্রকৃতি আৰু আগ্রহৰ ওপৰত প্রাধান্যতা দি গঠনমূলক আৰু উদ্দেশ্যপূর্ণ কর্মৰাজিৰ মাধ্যমেৰে শিক্ষাদান কৰা উচিত। ৰুছো, মন্টেশ্বৰী, জন ডিউই আৰু মহাত্মা গান্ধী আদিৰ দৰে মহান চিন্তাবিদ তথা শিক্ষাবিদসকলে **'কর্মৰ মাজেৰে শিক্ষা'** আৰু **'ক্রিয়াৰ মাজেৰে শিক্ষণ'** প্রক্রিয়াত গুৰুত্ব আৰোপ কৰিছিল।

ক্রিয়াশীল পাঠ্যক্রমৰ কেইটিমান মূল দিশ হ'ল—

- ক্রিয়াভিত্তিক পাঠ্যক্রমে শিক্ষার্থীসকলক মগজু, মন আৰু হাতৰ সমাহাৰত (3H) সমৃদ্ধিশালী হ'ব বুলি ব্যক্ত কৰিছে।
- সাধাৰণতে ক্রিয়াভিত্তিক পাঠ্যক্রমৰ পৰা লোৱা সকলোবোৰ শাৰীৰিক ক্রিয়াই শিক্ষার্থীসকলৰ অকল শাৰীৰিক নিপুণতা আৰু কর্মৰ দক্ষতা বিকাশ নকৰে ইয়াৰ লগতে তেওঁলোকৰ মানসিক সন্তুষ্টি আৰু বৌদ্ধিক গঠনো সমৃদ্ধিশালী হয়।
- ক্রিয়াসমূহে শিশুসকলৰ সামাজিক বিকাশ প্রক্রিয়াত অৱদান আগবঢ়ায়।
- ক্রিয়াভিত্তিক পাঠ্যক্রমত সমস্যা আৰু কৌশলসমূহ শিক্ষক আৰু শিক্ষার্থীসকলৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ দ্বাৰা সমাধান কৰিব পৰা যায়।
- ক্রিয়াভিত্তিক পাঠ্যক্রমে দলৰ ভিতৰৰ পাৰস্পৰিক লেনদেনে প্রকৃত সমযোজন আৰু সহযোগিতাৰ প্রশিক্ষণ দিয়াৰ লগতে সামাজিক প্রৱণতা সৃষ্টি কৰাত নেতৃত্ব দিয়ে।



জানি থোৱা ভাল

ক্রিয়াভিত্তিক পাঠ্যক্রম মনোগ্রাহী তথা প্রয়োজনীয় এক জ্ঞানদান, কৌশল আৰু ভাব-ভংগী উন্নতি সাধনৰ বাবে গঢ়ি তোলা জীৱনভিত্তিক পাঠ্যক্রম যদিও ইয়াক প্রকৃত আন্তঃগাঁথনিৰ অভাৱৰ বাবে প্রয়োগ কৰিব পৰাটো সহজসাধ্য নহয়। ইয়াৰ উপৰিও এই পাঠ্যক্রম শিশুসকলৰ সামাজিক আৰু সাংস্কৃতিক অভ্যাস বিকাশ কৰাৰ বাবে যথেষ্ট নহয়।

সৌন্দর্যবোধঃ সুন্দৰৰ অধ্যয়ন বিশেষভাৱে শিল্পৰ সুন্দৰতা

*গঠনঃ*সংখ্যা আৰু আকাৰ বৃদ্ধি। ই য়াত ব্যক্তিগত বিকাশ আবেগিক বিকাশ, বৌদ্ধিক বিকাশ আৰু আধ্যাত্মিক বিকাশ আদিক দেখুওৱা হৈছে।

ব্যক্তিত্বঃ কাৰোবাৰ চৰিত্র আন ব্যক্তিৰ ক্ষেত্রত প্রদর্শন কৰা আচৰণ। আচৰণৰ পূর্ণযৌগিক গোট।

<u>সমতাসম্পন্ন পাঠ্যক্রম</u> ঃ— আমি ওপৰত আলোচনা কৰা দুয়োবিধ পাঠ্যক্রমৰ বিষয়ে অৱগত হৈ উপলব্ধি কৰিছোঁ যে বিষয়কেন্দ্রিক পাঠ্যক্রম আৰু ক্রিয়াভিত্তিক পাঠ্যক্রমৰ কোনোবিধেই উৎকৃষ্ট ধৰণৰ পাঠ্যক্রম নহয়। শিক্ষার্থীসকলৰ ভিন্নতা যথেষ্টভাৱে থাকে বাবেই দুয়োবিধ পাঠ্যক্রমে তেওঁলোকৰ পূর্ণ সম্ভাৱনাবোৰ বিকাশ কৰিব নোৱাৰে আৰু চাহিদাও পূৰণ কৰিব নোৱাৰে। শিক্ষার্থীসকলৰ ভিন্নতালৈ লক্ষ্য ৰাখি আন এবিধ পাঠ্যক্রম বিকশিত কৰি তোলা হৈছে যিটোক সমতাসম্পন্ন পাঠ্যক্রম বুলি কোৱা হয়। সমতাসম্পন্ন পাঠ্যক্রম এনে এবিধ পাঠ্যক্রম যিটোক শিক্ষার্থীসকলৰ পর্যায় অনুযায়ী বিষয় আৰু কর্ম নির্বাচন কৰি লোৱা হৈছে। এইবিধ পাঠ্যক্রমে মানৰ কর্মসূচী আৰু মানৰ বিকাশৰ সকলোখিনি দিশক অন্তর্ভুক্ত কৰি লৈছে। ইয়াত ব্যক্তি আৰু সমাজৰ প্রয়োজনীয়তাসমূহ পূৰণৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও এই পাঠ্যক্রমে পৈত্রিক সংস্কৃতি প্রেৰণ কৰে, বর্তমানৰ ব্যাখ্যা কৰে আৰু ভৱিষ্যতৰ বাবেও সহায় আগবঢ়ায়। সমতাসম্পন্ন পাঠ্যক্রমে ক্ষিপ্র গতিৰে হোৱা পৰিৱর্তনমুখী বিশ্বৰ আধুনিক জটিলতাৰ লগত শিশুসকলক খাপ খাব পৰাকৈ সমর্থবান কৰি তোলে। মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষা আঁচনিৰ 'সহসম্বন্ধৰ নীতি'ক এনেবিধৰ পাঠ্যক্রম বুলি ক'ব পৰা যায়। বুনিয়াদী শিক্ষাৰ পাঠ্যক্রমত বিভিন্ন

বিষয়ৰ লগত অধ্যয়নৰ সূচী সম্বন্ধিত হৈ থকাৰ লগতে পৰিবেশৰ জীৱন কৰ্মসূচীও জড়িত হৈ আছে। উদাহৰণস্বৰূপে **মানৱবিদ্যা বিষয়সমূহ** (কলা, দৰ্শন, ইতিহাস, সাহিত্য, নীতিশাস্ত্ৰ, ধৰ্ম), **সমাজ বিজ্ঞানৰ বিষয়সমূহ** (নৃতত্ত্ব বিজ্ঞান, সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ডেমোগ্ৰাফী), **প্ৰাকৃতিক বিজ্ঞানৰ বিষয়সমূহ** (পদাৰ্থ বিজ্ঞান, ভূবিজ্ঞান, ভূতত্ব বিজ্ঞান, জ্যোতিবিজ্ঞান, গণিত) নিৰ্বাচন কৰি সমতাসম্পন্ন পাঠ্যক্ৰমৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

জানি থোৱা ভাল



সঁচা অৰ্থত শিক্ষাৰ্থীসকলৰ মানসিক পৰ্যায়ৰ ওপৰত সমতাসম্পন্ন পাঠ্যক্ৰম প্ৰতিষ্ঠিত। শিক্ষাৰ্থীসকলৰ বয়স আৰু গাঁথনিক পৰ্যায়ৰ ভিত্তিত সমতাসম্পন্ন পাঠ্যক্ৰমৰ সূচী আৰু বিষয়সমূহে তেওঁলোকক বিশেষ ধৰণৰ সুবিধা প্ৰদান কৰিছে। ইয়াৰ অৰ্থ হ'ল আৰম্ভণিতে পাঠ্যক্ৰমখন সকলোৰে বাবে একে কিন্তু পৰৱৰ্তী সময়ত শিক্ষাৰ্থীসকলৰ ৰুচি-অভিৰুচি আৰু আগ্ৰহ অনুযায়ী বিশেষ বিষয় লোৱাৰ বাবে অনুমতি প্ৰদান কৰা হয়। বিশেষীকৰণ ব্যৱস্থাটোৰ অনুমতি প্ৰদান কৰা হয় ১৪ বছৰ বয়সত, অৰ্থাৎ উচ্চতৰ মাধ্যমিক পৰ্যায়ত। এই পৰ্যায়টোত শিক্ষাৰ্থীসকলে তেওঁলোকৰ প্ৰৱণতাৰ বিকাশ ঘটাব পাৰে আৰু অধ্যয়নৰ বাবে নিজস্ব আগ্ৰহ প্ৰদৰ্শন কৰিব পাৰে। বিশেষকৈ কাৰিকৰী, বাণিজ্যিক, বিদ্যায়তনিক, চিকিৎসা বা সাধাৰণ বিষয়ত নিজস্ব প্ৰৱণতা দেখুৱাব পাৰে। এনে ধৰণৰ ব্যৱস্থাই শিক্ষাৰ্থীসকলক সমতাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী কৰি গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ সুদক্ষ নাগৰিক হিচাপে গঢ় দিয়াব পাৰে। সমতাসম্পন্ন পাঠ্যক্ৰমৰ আধাৰত শিক্ষা লাভ কৰা শিক্ষাৰ্থীয়ে সমাজৰ যিকোনো পৰিস্থিতিত নিজকে খাপ খুৱাবলৈ সমৰ্থবান হয়। অধিকভাৰে নিশ্চিত হ'বলৈ হ'লে আমি ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শত আগবঢ়োৱা বিষয়বোৰ চাব পাৰো। আয়োগৰ মতে মজলীয়া বিদ্যালয় পৰ্যায়ত আমি পাওঁ ভাষাসমূহ (আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়), সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, গণিত, কলা আৰু সংগীত, শিল্প আৰু শাৰীৰিক শিক্ষা ইত্যাদি। উচ্চ পৰ্যায়ৰ পাঠ্যক্ৰমত শিশুসকলৰ বিশেষ দক্ষতা আৰু আগ্ৰহক প্ৰাধান্য দিয়া হয়। তেওঁলোকে মানৱবিদ্যা বিষয়ক, কাৰিকৰী, বাণিজ্যিক, কৃষি, সৌন্দৰ্যকলা আদিৰ দৰে বহল পৰিসৰৰ বিষয়সমূহৰ মাজৰ পৰা ইচ্ছামতে বিষয় নিৰ্বাচন কৰি ল'ব পাৰে।



চিন্তা-চৰ্চা কৰকঃ ৪.১

শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ বাবে আপুনি কোনবিধ পাঠ্যক্ৰমক উপযুক্ত পাঠ্যক্ৰম হিচাপে নিৰ্বাচন কৰিব?

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ আপোনাৰ মতে সমতাসম্পন্ন পাঠ্যক্রম কি? ৫০ টা শব্দৰ ভিতৰত ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন নং ৫ঃ সত্য/অসত্য নির্ণয় কৰক

- পৰম্পৰাগত পাঠ্যক্রম পুথিগত জ্ঞানৰ ভিত্তিত আধাৰিত। (সত্য/অসত্য)
- ক্রিয়াভিত্তিক পাঠ্যক্রম সম্পূর্ণৰূপে শিক্ষকৰ দ্বাৰা নিয়ন্ত্রিত। (সত্য/অসত্য)
- ক্রিয়াভিত্তিক পাঠ্যক্রমে 'কর্মৰ মাজেৰে শিক্ষণ' পদ্ধতিক অনুসৰণ কৰে। (সত্য/অসত্য)
- সমতাসম্পন্ন পাঠ্যক্রম শিক্ষার্থীসকলৰ ভিন্ন প্রকৃতিলৈ লক্ষ্য কৰি সজাই তোলা হয়। (সত্য/অসত্য)
- সমতাসম্পন্ন পাঠ্যক্রমত শিক্ষার্থীসকলে ১৪ বছৰ বয়সৰ পিছত তেওঁলোকৰ ইচ্ছা অনুসৰি বিষয়বোৰ নির্বাচন কৰি ল'ব পাৰে। (সত্য/অসত্য)

৪.৫ পাঠ্যক্রমৰ দোষসমূহ

এই ভাগটোত আমি বর্তমান শিক্ষাদান আৰু আহৰণ প্রক্রিয়াত প্রচলিত হৈ থকা পাঠ্যক্রমত কেনে ধৰণৰ দোষ আছে তাৰ বিষয়ে চমুভাৱে আলোচনা কৰিম। শিক্ষার্থীসকলে তেওঁলোকৰ জীৱনৰ নিশ্চিত লক্ষ্যত উপনীত হোৱাত অসমর্থ হোৱাৰ কাৰণবোৰ কি সেয়া বিশ্লেষণ কৰাটো প্রয়োজনীয়। পাঠ্যক্রম সম্বন্ধে বহল বিশ্লেষণৰ পিছত মাধ্যমিক শিক্ষা আয়োগে কিছুমান মূল আসোঁৱাহ পাইছে। তলত আমি আসোঁৱাহবোৰৰ বিষয়ে আলোচনা কৰোহঁকঃ—

- আনুষ্ঠানিক শিক্ষাত শিক্ষাদান আৰু আহৰণ প্রক্রিয়াৰ বাবে পাঠ্যক্রম পূর্ব নির্দ্ধাৰিত আৰু পূর্ব পৰিকল্পিত হৈ থাকে। এনে ধৰণৰ পাঠ্যক্রম বিষয় শিক্ষাৰ ওপৰত আধাৰিত হয়। এই পাঠ্যক্রমে শিক্ষার্থীৰ কি ইচ্ছা তাৰ্লৈ গুৰুত্ব নিদি শিক্ষকে কি বিচাৰে তাৰ্লৈহে গুৰুত্ব দিয়ে। সেয়েহে ইয়াক স্থিতিশীল বুলি ক'ব পাৰি।
- বর্তমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রমে পুথিগত বিদ্যাত গুৰুত্ব আৰোপ কৰাটো পৰিলক্ষিত হয়। ই এটা পাঠ্যক্রমৰ মূল আসোঁৱাহ। বর্তমান পাঠ্যক্রমত শিক্ষার্থীৰ মানসিক গুণাৱলীৰ

বিকাশৰ পৰিৱৰ্তে অকল পুথিৰ বিদ্যাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা যায়।

- ব্যক্তিগত প্ৰভেদৰ প্ৰতি আওকাণ কৰাটো বৰ্তমান পাঠ্যক্ৰমৰ আন এটি উল্লেখযোগ্য আসোঁৱাহ। সকলো শিক্ষাৰ্থীক একেটা সাঁচেৰে গঢ় দিয়াৰ উদ্দেশ্য আগত ৰখা হেতুকে প্ৰতিভাৰ বৈষম্য স্বীকাৰ কৰাৰ সুবিধা নাই।
- জীৱনৰ লগত সংগতিহীনতা—পাঠ্যক্ৰমৰ এটি গুৰুত্বপূৰ্ণ আসোঁৱাহ হিচাপে পৰিগণিত হৈছে। সাধাৰণ শিক্ষাৰ বাহিৰেও, চিকিৎসা বিজ্ঞান, কৃষি, প্ৰযুক্তি বিজ্ঞান আদি বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰমো জীৱনৰ লগত সংগতিপূৰ্ণ নহয়।
- শিশুৰ নিজৰ প্ৰয়োজনৰ প্ৰতি আওকাণ কৰাটোও বৰ্তমান পাঠ্যক্ৰমৰ এটি গুৰুত্বপূৰ্ণ আসোঁৱাহ। (বৰ্তমান পাঠ্যক্ৰম অকল বয়স্ক লোকৰ বাবেহে উপযোগী যেন লাগে।)
- আকৰ্ষণহীনতাও বৰ্তমান পাঠ্যক্ৰমৰ এটি উল্লেখযোগ্য আসোঁৱাহ। আকৰ্ষণহীনতাই শিশুৰ শিক্ষাৰ প্ৰতি থকা উৎসাহ-উদ্দীপনা বিনষ্ট কৰে। তাৰ ফলত শিশুৰ বিকাশত বাধা আহে। শিক্ষাৰ্থীসকলে বিদ্যালয়লৈ হেঁপাহেৰে ঢাপলি মেলাৰ পৰিৱৰ্তে বিদ্যালয়ৰ নাম শুনিলে ভয়তে বিহ্বল হৈ পৰে।
- বৰ্তমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমৰ মূল লক্ষ্য হ'ল পৰীক্ষাৰ বাবে শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি তোলা। পৰীক্ষা অথবা মূল্যায়ন ব্যৱস্থা অতি প্ৰয়োজনীয় কিন্তু সেই অনুপাতে পাঠদান, পাঠ আহৰণ তথা পাঠ্যক্ৰমো উপযুক্তভাৱে হোৱা দৰকাৰ।
- পাঠ্যক্ৰমৰ মূল আসোঁৱাহসমূহৰ ভিতৰত গতানুগতিকতাও এটা বুলি ধৰা হয়। বৰ্তমান শিক্ষাৰ পাঠ্যক্ৰম পৰম্পৰাগতভাৱে চলি থকা যেন লাগে কাৰণ তাৰ পৰিৱৰ্তন সাধন কৰিবলৈ বিচৰা নহয়।
- বৰ্তমান পাঠ্যক্ৰম সংকীৰ্ণ দৃষ্টিভঙ্গীৰ দ্বাৰা প্ৰস্তুত হোৱা যেন লাগে। ইয়াৰ গণ্ডী ঠেক হোৱা হেতুকে শিক্ষাৰ্থীসকলৰ বিকাশত ই বিশেষ ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। শিশুৰ স্বাভাৱিক সক্ৰিয়তাক সহায় কৰাৰ ক্ষেত্ৰত বৰ্তমান পাঠ্যক্ৰমে কোনো সহাঁৰি নোযোগায়।
- বৰ্তমান পাঠ্যক্ৰমে শিশুসকলক আধুনিক সমাজৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিব নোৱাৰে কাৰণ শিক্ষা আৰু কৰ্মৰ মাজত কোনো মিল নাই।
- বৰ্তমান শিক্ষাৰ পাঠ্যক্ৰম অতি গধুৰ হোৱা বাবে শিক্ষাৰ্থীসকলক বিকশিত কৰাৰ পৰিৱৰ্তে নিম্ন মানদণ্ডলৈহে ধাৰিত হোৱাত সহায় কৰে।
- বৰ্তমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমত বৃত্তিমূলক শিক্ষাৰ বিশেষ কোনো ব্যৱস্থা নথকাত সামগ্ৰিকভাৱে বিকাশ হোৱাত শিশুসকলক সহায় নকৰে। বৰ্তমান পাঠ্যক্ৰমত এনে কিছুমান বিষয় সন্নিবিষ্ট কৰিব লাগিব যিবোৰে শিশুৰ সামগ্ৰিক বিকাশত সহায় কৰিবলৈ সক্ষম হয়।

- বিষয়বস্তুত অত্যাধিক বিভাজন হোৱা হেতুকে সাধাৰণ জ্ঞান লাভ কৰাত পাঠ্যক্রমে শিশুসকলক সহায় নকৰে। বর্তমান পাঠ্যক্রমত বিজ্ঞান আদি কিছুমান বিষয় ভাগ উপভাগত বিভক্ত কৰাৰ ফলত শিক্ষার্থীসকলৰ ধাৰণা অসম্পূর্ণ হৈ ৰয়।
- সামাজিক অর্থনীতিত সহায় কৰাৰ বাবে শিশুসকলক পাঠ্যক্রমে কোনো ধৰণে সহায় নকৰে। শিক্ষা লাভ কৰাৰ লগে লগে দেশ তথা ৰাষ্ট্রৰ অর্থনৈতিক অৱস্থাৰ লগত প্রকৃততে শিশুসকল জড়িত হৈ পৰাৰ ব্যৱস্থা কৰিলেহে ৰাষ্ট্র চহকী আৰু শক্তিশালী হ'ব।

৪.৬ প্রাথমিক আৰু মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ মূল নীতিসমূহ

এক উপযুক্ত পাঠ্যক্রম প্রস্তুত কৰাৰ বাবে কিছুমান নীতি মানি চলিব লগীয়া হয়। পাঠ্যক্রমটো প্রস্তুত কৰোঁতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পর্যায়লৈ শিক্ষার্থীসকলৰ প্রয়োজনীয়তা আৰু আগ্রহলৈ লক্ষ্য কৰিবলগীয়া হয়। প্রত্যেকটো পর্যায়লৈ সুকীয়াভাৱে চাবলগীয়া হোৱাৰ লগতে তেওঁলোকৰ মানসিক পর্যায়টো লক্ষণীয় হৈ পৰে। আমি এতিয়া প্রাথমিক আৰু মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ ক্ষেত্রত মানিবলগীয়া মূল নীতিসমূহৰ বিষয়ে আলোচনা কৰিমহঁক।

প্রাথমিক পর্যায়ৰ বাবে প্রয়োজনীয় নীতিসমূহ ঃ—

- **শিশুকেন্দ্রিক পাঠ্যক্রমৰ নীতি ঃ** শিক্ষা ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূর্ণ সম্পদ হ'ল শিশুসকল। এনে সম্পদৰ প্রাথমিক বিকাশৰ বাবে শিক্ষাৰ পাঠ্যক্রম শিশুকেন্দ্রিক হ'ব লাগিব। শিশুসকলৰ বর্তমান অৱস্থা আৰু পৰিস্থিতিলৈ লক্ষ্য ৰাখি প্রয়োজনীয়তাসমূহ পূৰণৰ প্রচেষ্টা চলাব পৰাকৈ পাঠ্যক্রম প্রস্তুত কৰিব লাগিব। সকলো ক্ষেত্রতে শিশুসকলৰ মানসিক পর্যায়লৈ লক্ষ্য ৰাখি পাঠ্যক্রমৰ বিষয়বস্তুবোৰ নির্বাচন কৰিব লাগিব। কোমল মনৰ শিশুসকলে যাতে কোনো ধৰণৰ জটিলতাৰ সন্মুখীন নহয় তালৈ লক্ষ্য ৰাখিব লাগিব।
- **সমতাসম্পন্ন ধাৰণাৰ প্রয়োগ ঃ** প্রাথমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুত কৰিবলৈ লওঁতে সমতাসম্পন্ন ভাবধাৰাৰ প্রতি চকু ৰখা দৰকাৰ। শিশুসকলৰ সমর্থতা বা সম্ভাৱনীয়তাসমূহ বিকাশ কৰাৰ অর্থে পাঠ্যক্রমত তত্বমূলক আৰু ব্যৱহাৰিক বিষয়সমূহ অন্তর্ভুক্ত কৰিব লাগিব। তেনে কৰিলেহে সমাজত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ লগত তেওঁলোকে খাপ খাব পাৰিব। শিক্ষার্থীসকলৰ মানসিক পর্যায়লৈ লক্ষ্য ৰাখি ব্যক্তিমুখী, সমাজকেন্দ্রিক মুক্ত ধাৰণা, বৃত্তিমুখী, বাধ্যতামূলক আৰু ঐচ্ছিক বিষয়সমূহ সন্নিবিষ্ট কৰাটো ভাল।
- **ভাষা অধ্যয়নৰ নীতি ঃ** শিশুৱে প্রাথমিক স্কুলত প্রৱেশ কৰাৰ পূর্বে নিজ মাতৃভাষাৰ কথিত জ্ঞান আয়ত্ব কৰি উঠিব পাৰে। সেইবাবে প্রাথমিক স্কুলৰ পাঠ্যক্রমত শিশুৰ কথিত,

পঠিত আৰু লিখিত ভাষা-জ্ঞানৰ ব্যৱস্থা কৰিব লাগে। এই সময়ত শিশুক অধিক নতুন শব্দৰ লগত পৰিচয় কৰাই দি তাৰ প্রয়োগিক ধাৰণা দিব লাগে। এনেবোৰ শব্দৰ শুদ্ধ উচ্চাৰণ আৰু লিখনৰ ক্ষেত্রত বর্ণশুদ্ধিৰ প্রতিও লক্ষ্য ৰাখিব লাগে।

- **গাণিতিক ধাৰণাৰ নীতি ঃ** সংখ্যা জ্ঞানৰ প্রয়োজনীয় অভিজ্ঞতা এই সময়ত শিশুৱে আয়ত্ব কৰি উঠে। বস্তু আৰু সংখ্যাৰ কম-বেছি পৰিমাণৰ প্রতি স্বাভাৱিকতেই সি আকৃষ্ট হয়। সেইবাবে সংখ্যাৰ যোগ-বিয়োগ, পূৰণ-হৰণ আদি গণিতৰ প্রাথমিক ধাৰণা শিশুক দিব লাগে। এনে ধাৰণা তাৰ বাস্তৱ অভিজ্ঞতাৰ যোগেদি দিয়াৰো ব্যৱস্থা কৰিব লাগে।
- **মানৱীয় বিষয় অধ্যয়নৰ নীতি ঃ** শিশুক এই পর্যায়ত মানৱীয় বিষয়বোৰৰ লগত সাধাৰণভাৱে পৰিচয় কৰাই দিয়াটো পাঠ্যক্রমৰ দায়িত্ব। এনে বিষয়ৰ ভিতৰত ভূগোল আৰু বুৰঞ্জীৰ প্রাথমিক জ্ঞান অন্তর্ভুক্ত কৰিব লাগে। থকা ঠাই ডোখৰৰ অৱস্থিতি, তাৰ চাৰিসীমা, উপৰিভাগৰ অৱস্থা আদি সম্বন্ধে সাধাৰণ পৰিচয় দিব লাগে। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ দেশ আৰু মানুহৰ বর্ণনা, জীৱিকা নির্বাহৰ পদ্ধতি আদি জনাব লাগে। তেওঁলোকৰ সাধুকথা, ৰূপকথা, প্রসিদ্ধ কাহিনী, মহাপুৰুষৰ জীৱনী আদি শিশুৰ উপযোগীকৈ পাঠ্যক্রমত অন্তর্ভুক্ত কৰিব লাগে।
- **প্রকৃতি আৰু পৰিবেশ অধ্যয়নৰ নীতি ঃ** শিশুক প্রাথমিক পর্যায়তেই প্রকৃতি জগতখনৰ লগত পৰিচয় কৰাই দিব লাগে। তাৰ মনত প্রাকৃতিক পৰিবেশৰ বিভিন্ন বস্তু আৰু বিষয়ৰ প্রতি এক স্বাভাৱিক কৌতুহলৰ ভাব জন্মে। জীৱ-জন্তু, গছ-গছনি, নদ-নদী, বায়ু-পানী আদিৰ লগত মানুহৰ যি সম্বন্ধ তাৰ সহজ বিশ্লেষণ পাঠ্যক্রমত দাঙি ধৰিব লাগে। ইয়াৰ যোগেদি শিশুক বিজ্ঞান জগতৰ প্রাথমিক ধাৰণা দিয়াটোও ইয়াৰ এক উদ্দেশ্য হ'ব লাগে।
- **হাতৰ কামৰ ব্যৱহাৰ ঃ** এই সময়ত শিশুৰ স্বাভাৱিকতেই কর্ম প্রবৃত্তি আৰু সংগঠন প্রবৃত্তি জাগি উঠে। ইয়াৰ প্রতি লক্ষ্য ৰাখি শিক্ষাৰ এই পর্যায়ত নানাবিধ হস্তশিল্প, যেনে— মাটিৰ কাম, কাগজৰ কাম, বাঁহ-বেতৰ কাম আদি পাঠ্যক্রমত অন্তর্ভুক্ত কৰিব লাগে। হস্তশিল্পবোৰৰ আঞ্চলিক জনপ্রিয়তা আৰু প্রয়োজনৰ প্রতি লক্ষ্য ৰাখি ইয়াক শিশুৰ উপযোগীকৈ পাঠ্যক্রমত সন্নিৱিষ্ট কৰিব লাগে। গাঁও আৰু নগৰ অঞ্চলৰ ভিন্নমুখী প্রয়োজন এই ক্ষেত্রত বিবেচনা কৰিব লাগে।
- **কলাত্মক ক্রিয়াৰ প্রয়োগ ঃ** শিশুৰ কলাত্মক প্রতিভাই এই সময়ত প্রকাশৰ পথ বিচাৰে। সৃজনাত্মক কল্পনাৰ প্রৱণতাই শিশুক নৃত্য-গীতৰ প্রতি স্বাভাৱিকতেই আকৃষ্ট কৰে। চিত্রাংকণ আৰু অংকিত চিত্রত ৰঙৰ প্রয়োগ কৰি সৃষ্টিৰ আনন্দ লাভ কৰে। সেইবাবে এই পর্যায়ৰ পাঠ্যক্রমত শিশুৰ বাবে নৃত্য, গীত, চিত্রাঙ্কণ আদি বিষয়ৰ এক বিশেষ প্রয়োজনীয়তা আছে। এনেবোৰ বিষয়ে শিশুৰ স্বতঃস্ফুর্তভাৱে আত্মপ্রকাশ আৰু বিকাশত বিশেষ সহায় কৰে।

- **স্বাস্থ্য-বিজ্ঞান সম্বন্ধে জ্ঞানদান ঃ** স্বাস্থ্য ৰক্ষাৰ মৌলিক নীতিসমূহৰ প্ৰাথমিক জ্ঞান আৰু শিশুৰ ব্যৱহাৰিক জীৱনত তাৰ অনুশীলন অতি প্ৰয়োজনীয় কথা। সেইবাবে এই সম্বন্ধীয় ক্ৰিয়া অভিজ্ঞতাৰ শিক্ষা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে। শিশুৰ পোচাক-পৰিচ্ছদ, হাত-ভৰি, চকু-মুখ, দাঁত-চুলি-নখ আদি পৰিষ্কাৰ কৰি ৰখাৰ বাবে শৰীৰ চৰ্চা বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন।
- **নৈতিক শিক্ষা প্ৰদান ঃ** শিশুকাল সজ আচৰণৰ শিক্ষা-অনুশীলনেৰে নৈতিক চৰিত্ৰ গঠনৰ সময়। নৈতিক-অনৈতিকতাৰ চেতনা শিশুৰ মনত স্বাভাৱিকতেই জাগি উঠে। ইয়াক সুস্থ ৰূপত গঢ় দি তুলিবৰ বাবে পাঠ্যক্ৰমত নৈতিক শিক্ষাৰ বিষয় অন্তৰ্ভুক্ত কৰিব লাগে। ইয়াৰ যোগেদি শিশুৰ আচৰণ সমাজৰ গ্ৰহণযোগ্য কৰি তুলিব পাৰি। ইয়াৰ বাবে সামূহিক প্ৰাৰ্থনা, মহাপুৰুষৰ জীৱনী অধ্যয়ন, নীতি-জ্ঞানসমূহ ব্যক্তিগত জীৱনত কাৰ্যকৰীকৰণ আদি কাৰ্যসূচী গ্ৰহণ কৰিব পৰা যায়।
- **মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুতিৰ নীতি ঃ** শিক্ষাৰ পৰ্যায়বোৰৰ ভিতৰত মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম নিঃসন্দেহে সৰ্বাধিক গুৰুত্বপূৰ্ণ। কাৰণ এই পৰ্যায়ৰ শিক্ষাই দেশ আৰু সমাজৰ সকলো শ্ৰেণী লোককে সাধাৰণভাৱে প্ৰভাৱিত কৰে। দেশৰ অৰ্থনৈতিক, সামাজিক আৰু কাৰিকৰী দিশৰ বিকাশ আৰু এই সম্বন্ধীয় আশা-আকাংক্ষা পূৰণ কৰাটো ইয়াৰ ওপৰত নিৰ্ভৰশীল। বাস্তৱক্ষেত্ৰত মাধ্যমিক স্কুলৰ পাঠ্যক্ৰমেই সমাজৰ উৎপাদনশীল আৰু দায়িত্বশীল সুনাগৰিক ব্যক্তি এজন গঢ় দি তোলে। উল্লেখযোগ্য যে মাধ্যমিক শিক্ষাৰ অন্ততঃ শতকৰা ৭০ ভাগ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱন শেষ কৰি সামাজিক জীৱনত প্ৰৱেশ কৰে। তেওঁলোকে সামাজিক জীৱনত নিজ নিজ ক্ষেত্ৰত প্ৰয়োজনীয় নেতৃত্বও প্ৰদান কৰে। সেইবাবে এই পৰ্যায়ৰ পাঠ্যক্ৰমে দিয়া শিক্ষাৰ প্ৰভাৱ ব্যক্তিগত আৰু সামাজিক জীৱনৰ বাবে সামগ্ৰিক আৰু সুদূৰপ্ৰসাৰী বিধৰ হয়। এনে পাঠ্যক্ৰম ৰচনা কৰাটো শিক্ষাবিদসকলৰ বাবে এক দায়িত্বপূৰ্ণ কৰ্তব্য।

  মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুতিৰ ক্ষেত্ৰত তলৰ নীতিবোৰ মানি চলিব পৰা যায়—

- **অভিজ্ঞতাৰ নীতি ঃ** এখন উপযুক্ত পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ যাওঁতে প্ৰথমতে আমি লক্ষ্য ৰাখিব লাগিব পাঠ্যক্ৰমখনৰ পৰা শিক্ষাৰ্থীসকলে অভিজ্ঞতা লাভ কৰিব পাৰে নে নোৱাৰে। অভিজ্ঞতাপুষ্ট পাঠ্যক্ৰম হ'লেহে শিক্ষাৰ্থীসকল শিক্ষা আহৰণৰ ক্ষেত্ৰত উপকৃত হ'ব।
- **বহুমুখী ভাবধাৰা ঃ** আধুনিক শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম বহুমুখী হোৱাটো প্ৰয়োজন। শিক্ষাৰ্থীৰ ৰুচি-অভিৰুচি, বুদ্ধি, আৰ্থ-সামাজিক অৱস্থা, ভৌগোলিক অৱস্থান আদিৰ প্ৰতি লক্ষ্য ৰাখিহে পাঠ্যক্ৰম ৰচনা কৰিবলৈ লোৱা উচিত। একে স্তৰতে বিভিন্ন ধৰণৰ ভাবধাৰা সন্নিবিষ্ট পাঠ্যক্ৰম প্ৰয়োগ কৰিলেহে শিক্ষাৰ্থীসকল লাভান্বিত হ'ব।

- **জীৱনৰ লগত সঙ্গতি স্থাপন ঃ** জীৱনৰ লগত সঙ্গতি স্থাপনৰ নীতি প্ৰয়োগ কৰিলেহে আধুনিক পাঠ্যক্ৰম মনোগ্ৰাহী হ'ব। জীৱন নিৰ্বাহ প্ৰণালীৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হ'লে সেই পাঠ্যক্ৰম কোনো শিক্ষাৰ্থীৰ বাবে ফলপ্ৰসূ নহ'ব।
- **মনোবৈজ্ঞানিক সত্যৰ উপলব্ধি ঃ** শিশুসকলক শিক্ষা দিয়াৰ অন্তৰ্নিহিত সত্যতা আছে মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ওপৰত। মনোবিজ্ঞানে মানুহৰ মন আৰু মনৰ কাৰ্যাৱলীৰ বিষয়ে বিভিন্ন ধৰণে অধ্যয়ন কৰি তথ্য উদ্‌ঘাটন কৰিছে। পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা সকলোবিলাক অভিজ্ঞতাৰ প্ৰকৃতি যি স্তৰৰ পাঠ্যক্ৰমত প্ৰয়োগ কৰা হয় সেই স্তৰৰ শিক্ষাৰ্থীসকলৰ মানসিক অৱস্থা অনুযায়ী হোৱা প্ৰয়োজন।
- **দাৰ্শনিক তত্ব আৰু নীতিগ্ৰহণ ঃ** পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ সময়ত বিভিন্ন দৰ্শনৰ মূলতত্ব নীতি আৰু চিন্তাবিদসকলৰ মতামত গ্ৰহণ কৰিব লাগিব। এই দাৰ্শনিক ভেটিয়ে পাঠ্যক্ৰমত সন্নিবিষ্ট প্ৰত্যেক কাৰ্যসূচীৰ প্ৰধান লক্ষ্যসমূহৰ ইঙ্গিত দিয়ে। লক্ষ্যহীন পাঠ্যক্ৰমে শিক্ষক আৰু শিক্ষাৰ্থীৰ উপকাৰ সাধিব নোৱাৰে।
- **ব্যক্তিগত বৈষম্যৰ প্ৰতি সজাগ ঃ** ব্যক্তিসকল বৈষম্যপূৰ্ণ। বিভিন্ন পৰিয়ালৰপৰা আহি শিক্ষাৰ্থীসকল গোট খায় বিদ্যালয়ত। বিদ্যালয়তে শিক্ষাৰ্থীসকলে এখন সমাজ গঢ়ি তোলে। সেই সমাজৰ অংশীদাৰ হিচাপে শিক্ষাৰ্থীসকলৰ ভূমিকা বিভিন্ন ধৰণৰ হৈ পৰে। শিক্ষাৰ্থীসকল বিভিন্ন পৰিয়ালৰপৰা অহা আৰু সেই পৰিয়ালবোৰৰ আদব-কায়দা, আচাৰ-ব্যৱহাৰ ভিন্ন ধৰণৰ। সেয়েহে শিক্ষাৰ্থীসকলৰ ধাৰণাবোৰো বেলেগ বেলেগ ধৰণৰ হয়। শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰোঁতে এই বৈষম্যৰ প্ৰতি নজৰ দিয়াটো দৰকাৰ।
- **পাঠ্যক্ৰমৰ গতিশীলতা ঃ** সমাজৰ পৰিৱৰ্তন হোৱাৰ লগে লগে শিক্ষাৰো পৰিৱৰ্তন সাধন হ'ল। শিক্ষাৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাৰ পাঠ্যক্ৰমৰো পৰিৱৰ্তন কৰিবলগীয়া হ'ল। শিক্ষাৰ সকলো দিশ ইমান চহকী হ'বলৈ ধৰিলে যে ই বিস্ফোৰিত সামগ্ৰীৰ দৰে সম্ভাৱনাপূৰ্ণ হৈ পৰিল। ইয়াক আধুনিক ধাৰণাত জ্ঞানৰ বিস্ফোৰণ হোৱা বুলি কোৱা হৈছে। সদায় একে ধৰণৰ পাঠ্যক্ৰম শ্ৰেণীবোৰত প্ৰয়োগ কৰি থাকিলে আধুনিক সময়ৰ বাবে শিক্ষাৰ্থীসকল বিকশিত নহ'ব। সেয়েহে পাঠ্যক্ৰম গতিশীল কৰি তুলিব লাগিব।
- **বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা ঃ** আমাৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱনৰ বাবে উপযোগী কৰি নোতোলে। কাৰণ শিক্ষা আৰু শিক্ষাৰ্থীৰ জীৱন সম্পূৰ্ণভাৱে পৃথক। এই পৃথকতা দূৰ কৰাৰ বাবে শিক্ষা ব্যৱস্থাত বৃত্তিশিক্ষা দিয়াৰ দিহা কৰিব লাগিব। সেয়েহে বিদ্যালয়ৰ পাঠ্যক্ৰমত বৃত্তিমূলক দিশ সন্নিবিষ্ট কৰি শিক্ষাৰ্থীয়ে যাতে নিজৰ দক্ষতা সম্পূৰ্ণভাৱে বিকাশ কৰিব পাৰে তাৰ সুবিধা দিব লাগিব।
- **অৰ্থপূৰ্ণ সংযোগ স্থাপন ঃ** পাঠ্যক্ৰমৰ বিষয়সমূহৰ মাজত অৰ্থপূৰ্ণ সংযোগ ৰক্ষা কৰাৰ ব্যৱস্থা ৰাখিব লাগিব যাতে আটাইবিলাক উপাদানে কিছুমান বহল লক্ষ্যত উপনীত হোৱাত

শিক্ষার্থীসকলক সহায় কৰে।

- **অৱসৰৰ সময়ৰ সৎ ব্যৱহাৰ কৰাৰ ব্যৱস্থা ঃ** শিক্ষাৰ পাঠ্যক্রম যাতে অকল শ্রেণীকোঠাৰ ভিতৰতে সীমাবদ্ধ হৈ নাথাকে তাৰ প্রতি চকু দিব লাগিব। অৱসৰৰ সময়খিনিৰো যাতে সদ ব্যৱহাৰ হয় তাৰ সুবিধা পাঠ্যক্রমত ৰাখিলেহে শিক্ষার্থীসকল সামগ্রিকভাৱে উপকৃত হ'ব।
- **সামাজিক প্রয়োজনৰ প্রতি সজাগ দৃষ্টি ঃ** পাঠ্যক্রম প্রস্তুত কৰোঁতে সদায় সমাজৰ যাতে উপযোগী হয় সেই বিষয়ে দৃষ্টি ৰাখিব লাগিব। সমাজ অবিহনে মানুহৰ অস্তিত্ব অর্থহীন। সেয়েহে পাঠ্যক্রম প্রস্তুত কৰোঁতে চাব লাগে যাতে পাঠ্যক্রমৰ সহায়ত শিক্ষার্থীসকলে সামাজিক গুণ তথা উপাদান সহজে আয়ত্ব কৰিব পাৰে। সামাজিক পৰিবেশৰ মাধ্যমেৰে ব্যক্তি বিকশিত হয় আৰু এই বিকাশ সমাজৰ প্রগতিৰ কাৰণে যাতে হয় সেই নীতিৰ বিষয়ে বিবেচনা কৰিব লাগে।

ওপৰত উল্লেখ কৰা নীতিবোৰৰ উপৰি পাঠ্যক্রম ৰচনাৰ নীতিৰ ক্ষেত্রত মন কৰিবলগীয়া আন বহুতো কথা আছে। পাঠ্যক্রমখন প্রস্তুত কৰিবলৈ লওঁতে শিক্ষার্থীসকলৰ মানসিক, শাৰীৰিক তথা আধ্যাত্মিক দিশৰ প্রতি চকু ৰাখিহে প্রস্তুত কৰিব লাগে। শিক্ষা লাভৰ পিছত যাতে তেওঁলোকে সমাজৰ সুস্থ নাগৰিক হিচাপে নিজকে প্রতিষ্ঠা কৰিব পাৰে তাৰ প্রতি চকু ৰাখিব লাগিব। পাঠ্যক্রম প্রস্তুতিৰ ক্ষেত্রত কোঠাৰী আয়োগে (১৯৬৪-৬৬) তলত দিয়া ধৰণে মত পোষণ কৰিছে। প্রথমতে, পাঠ্যক্রম সম্বন্ধে গৱেষণা হোৱা প্রয়োজন। গৱেষণাৰ ফলত লাভ কৰা নতুন তথ্য প্রয়োগ কৰি পাঠ্যক্রম সংশোধন কৰিব পৰা যাব। দ্বিতীয়তে পাঠ্যক্রম পৰিৱর্তন কৰাৰ লগতে শিক্ষকসকলকো উপযুক্ত কৰি তোলাৰ বাবে চাকৰিকালত প্রশিক্ষণ ব্যৱস্থা কৰিব লাগিব।



জানি থোৱা ভাল

পাঠ্যক্রমৰ বিষয়সমূহ বহলভিত্তিক হোৱা দৰকাৰ যাতে শিক্ষার্থীসকলে তেওঁলোকৰ প্রয়োজন আৰু আগ্রহ অনুসৰি বিষয়সমূহ নির্বাচন কৰি লোৱাৰ সুবিধা পায়। পাঠ্যক্রমৰ সূচীসমূহ অথবা বিষয়বস্তু শিক্ষার্থীসকলৰ মানসিক পর্যায় অনুসাৰে সজাই ল'ব লাগে। পাঠ্যক্রমৰ গঠন প্রক্রিয়াটো আঁচনিভুক্ত হোৱা দৰকাৰ যাতে বর্তমান সময় আৰু অৱস্থাৰ লগত সংগতি থাকে। পাঠ্যক্রম প্রস্তুত কৰা সময়ত শিক্ষার্থীসকলৰ দক্ষতা, প্রয়োজনীয়তা আৰু আগ্রহৰ প্রতি মনোযোগ দিব লাগে। শিক্ষার্থীসকলে তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ প্রত্যাহ্বানসমূহৰ লগত মোকাবিলা কৰিবলৈ নিজকে বিকশিত কৰি ল'ব পৰাকৈ শিক্ষাৰ পাঠ্যক্রমসমূহ সজাই ল'ব লাগে।



চিন্তা-চর্চা কৰকঃ ৪.২

প্রাথমিক বিদ্যালয় পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ বাবে আপুনি উপযুক্ত বুলি ভবা কেইটামান নীতিৰ বিষয়ে লিখক।

.....

.....

.....

মাধ্যমিক বিদ্যালয় পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ বাবে আপুনি উপযুক্ত বুলি ভবা কেইটামান নীতিৰ বিষয়ে লিখক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ পাঠ্যক্রম শিশুকেন্দ্রিক হোৱা উচিতনে? ইয়াৰ সমর্থনৰ ওপৰত আপোনাৰ মতামত দিয়ক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাঠ্যক্রম মানে হ'ল এটা নির্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাবে সজাই লোৱা পাঠৰ গোট বা গতি অথবা শিক্ষানুষ্ঠানৰ শিক্ষার্থীসকলৰ গন্তব্য স্থান।
- কিছু বছৰ আগৰপৰা পাঠ্যক্রমক পৰিকল্পিত কার্যাৱলী আৰু অভিজ্ঞতাসমূহৰ গোট বুলি অভিহিত কৰা হৈছে যিটো শিক্ষার্থীসকলে বিদ্যালয়ৰ নির্দেশত পাবলৈ সক্ষম হৈছে।
- শিক্ষাব্যৱস্থাত বহুধৰণৰ পাঠ্যক্রম আছে যদিও সেইবোৰৰ ভিতৰৰ তিনিবিধৰহে আমি আলোচনা কৰিছো। সেই তিনিবিধ হ'ল— পৰম্পৰাগত পাঠ্যক্রম, ক্রিয়াভিত্তিক পাঠ্যক্রম আৰু সমতাসম্পন্ন পাঠ্যক্রম।
- পৰম্পৰাগত পাঠ্যক্রম হ'ল বিষয়কেন্দ্রিক আৰু কিতাপ সম্বন্ধীয়; আনহাতে ক্রিয়াভিত্তিক

পাঠ্যক্রমৰ বিষয়বস্তু পোনপটীয়াভাৱে কার্যাৱলীৰ লগত জড়িত। ক্রিয়াভিত্তিক পাঠ্যক্রমৰ জ্ঞান শিক্ষার্থীয়ে লাভ কৰে 'কর্মৰ মাজেৰে শিক্ষণ' পদ্ধতিৰ মাধ্যমত।

- সমতাসম্পন্ন পাঠ্যক্রম হ'ল তাত্ত্বিক আৰু ব্যৱহাৰিক বিষয়ৰ সমষ্টি। সমতাসম্পন্ন পাঠ্যক্রমে বিষয় আৰু ক্রিয়াভিত্তিক পাঠ্যক্রমৰ মাজত সেতু সাজে।
- বর্তমান সময়ৰ পাঠ্যক্রম বহুবোৰ আসোঁৱাহৰ দ্বাৰা আক্রান্ত। আসোঁৱাহবোৰ হ'ল— ঠেক গণ্ডীৰ, স্থিতিশীল, কিতাপৰ জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ, কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ পৰা আঁতৰি থকা আৰু পৰীক্ষাৰ দ্বাৰা দমাই ৰখা বিধৰ, ইত্যাদি।
- পাঠ্যক্রম এখন প্রস্তুত কৰাৰ বাবে কিছুমান মূল নীতি থকা উচিত। সেই নীতিবোৰ সুকীয়াভাৱে প্রাথমিক আৰু মাধ্যমিক পর্যায়ত প্রয়োগ কৰা দৰকাৰ।
- পাঠ্যক্রম প্রস্তুতিৰ নীতিবোৰ শিক্ষার্থীসকলৰ মানসিক পর্যায় আধাৰিত হ'ব লাগে। ইয়াক বিদ্যালয়সমূহৰ বিকাশৰ পর্যায়ৰ মতে বাচি ল'ব লাগে।



৪.৮ অধিক জানিবলৈ

ডেকা, বীৰেন্দ্র ঃ শিক্ষাতত্ত্ব, বনলতা প্রকাশন, পানবজাৰ, গুৱাহাটী

দাস, লক্ষ্যহীৰা ঃ সম্পূর্ণ শিক্ষা, সংগম প্রকাশন, গুৱাহাটী

Sarma M. : Principles of Education : Banalata Gauhati-1



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ- পাঠ্যক্রম হ'ল শিক্ষানুষ্ঠানৰ পঠনীয় বিষয়সমূহ চলাই নিয়াৰ এবিধ আহিলা যিবিলাক শিক্ষার্থীসকলৰ প্রকৃত জীৱনৰ বাবে অর্থপূর্ণ আৰু বৈশিষ্ট্যপূর্ণ। বিভিন্ন ধৰণৰ পাঠ্যক্রম আৰু সহপাঠ্যক্রমিক কার্যাৱলীয়ে শিক্ষার্থীসকলৰ শাৰীৰিক, সামাজিক, আবেগিক, বৌদ্ধিক দক্ষতাসমূহ বিকশিত কৰিব পাৰে। ই শিক্ষার্থীসকলৰ সর্বাঙ্গীণ বিকাশত নেতৃত্ব প্রদান কৰে।

২ নং প্রশ্নৰ উত্তৰঃ- সত্য নে অসত্য

- সত্য
- সত্য

৩ নং প্রশ্নৰ উত্তৰঃ- সমতাসম্পন্ন পাঠ্যক্রম হ'ল পৰম্পৰাগত আৰু ক্রিয়াভিত্তিক দুয়োটা বিষয়ৰ পাঠ্যক্রম আধাৰিত পাঠ্যক্রম। ই এনে এবিধ পাঠ্যক্রম যিয়ে শিক্ষার্থীসকলৰ পর্যায় অনুসাৰে বাচি লোৱা কার্যাৱলী আৰু নির্বাচিত বিষয়সমূহ একগোট কৰি লৈছে।

এই পাঠ্যক্রমে মানৱ কার্যাৱলী আৰু মানৱ বিকাশৰ সকলো দিশ সামৰি লৈছে। সমতাসম্পন্ন পাঠ্যক্রমে ব্যক্তি আৰু সমাজৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰাৰ চেষ্টা কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ- সত্য নে অসত্য

- সত্য
- অসত্য
- সত্য
- সত্য
- সত্য

৫ নং প্রশ্নৰ উত্তৰঃ- শিক্ষাৰ শিশুকেন্দ্রিক দৃষ্টিভংগীটো তাৎপর্যপূর্ণ। এই ধাৰণাৰ বাবে প্রস্তুত কৰা পাঠ্যক্রম নিশ্চিতভাৱে শিশুসকলৰ সর্বাঙ্গীণ বিকাশত সহায় কৰিবপৰা বিধৰ হ'ব লাগিব। শিশুকেন্দ্রিক পাঠ্যক্রম বহলভিত্তিক হোৱা দৰকাৰ। এই পাঠ্যক্রমত শিক্ষার্থীসকলৰ উপযোগী বিষয় সন্নিবিষ্ট হ'ব লাগিব যিবোৰে শিক্ষার্থীসকলৰ প্রয়োজনীয়তা আৰু চাহিদা পূৰণ কৰিব পাৰে। ইয়াত বিষয় নির্বাচনৰ সুবিধা থকা দৰকাৰ যাতে শিক্ষার্থীসকলে নিজৰ ৰুচি-অভিৰুচি অনুযায়ী বিষয় নির্বাচন কৰিব পাৰে। এই পাঠ্যক্রমৰ ভেটি শিশুসকলৰ মানসিক পর্যায় অনুসাৰে গঢ়ি তুলিব লাগিব।



৪.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পাঠ্যক্রম মানে কি?

প্রশ্ন ২ঃ পৰম্পৰাগত পাঠ্যক্রম হ'ল পাঠ্য বিষয়ক' — ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ শৈক্ষিক প্রক্রিয়াত পাঠ্যক্রমৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ সমতাসম্পন্ন পাঠ্যক্রমৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ ক্রিয়াভিত্তিক পাঠ্যক্রমৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ঃ পাঠ্যক্রমৰ বিভিন্ন ধৰণৰ আসোঁৱাহসমূহ বর্ণনা কৰক।

প্রশ্ন ৫ঃ প্রাথমিক বিদ্যালয় পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ বাবে আপুনি কোনবোৰ মূল নীতিৰ পৰামর্শ আগবঢ়াব?

প্রশ্ন ৬ঃ মাধ্যমিক বিদ্যালয় পর্যায়ৰ পাঠ্যক্রম প্রস্তুতিৰ বাবে আপুনি কোনবোৰ মূল নীতিৰ পৰামর্শ দিব?

****

অধ্যায় ৫ ঃ জাতীয় সংহতিৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ জাতীয় সংহতিৰ অর্থ

৫.৩.১ জাতীয় সংহতিৰ প্রয়োজনীয়তা

৫.৩.২ জাতীয় সংহতিৰ লক্ষ্য

৫.৩.৩ জাতীয় সংহতিৰ বাবে শিক্ষা

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্রগতিৰ খতিয়ান

৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাষ্ট্রীয় বা জাতীয় সংহতিৰ অর্থ নির্ণয় কৰিব পাৰিব
- ৰাষ্ট্রীয় বা জাতীয় সংহতিৰ গুৰুত্ব আৰু প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্রীয় বা জাতীয় সংহতিৰ বাধা সমূহৰ চিনাক্তকৰণ কৰিব পাৰিব
- ৰাষ্ট্রীয় বা জাতীয় সংহতি শক্তিশালীকৰণত শিক্ষাৰ ভূমিকা বিষয়েও জানিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টোত ৰাষ্ট্রীয় বা জাতীয় সংহতিৰ বিষয়ে সবিশেষ তথ্য যুগুতাই উলিওৱা হৈছে। 'সংহতি' আৰু 'বুজাবুজি' এই শব্দ দুটি প্রায়ে ব্যৱহাৰ কৰা দেখা যায়। দুয়োটা শব্দই সমগ্র বিশ্বত শান্তি আৰু সমৃদ্ধিৰ পৰিৱেশকে বুজায়। উদাহৰণস্বৰূপে এটা পৰিয়ালত সদস্য সকলৰ মাজত সংহতি আৰু বুজাবুজি নাথাকিলে, এটা শান্তিপূর্ণ পৰিৱেশ আমি সেইখন ঘৰত কল্পনাও কৰিব নোৱাৰো। য'ত একতা অবিহনে ক্রমশঃ ভাঙোনমুখী হয়, পৰিয়ালটোৰ উন্নতি আৰু বিকাশৰ সকলো পথ বন্ধ হৈ যায়। এটা পৰিয়ালৰ সকলো সদস্যই পৰস্পৰে পৰস্পৰক মৰম তথা সন্মান কৰা লগতে কিছুমান উমৈহতীয়া লক্ষ্য উদ্দেশ্য থকাটো খুবেই প্রয়োজনীয়। কেৱল এনে এক পৰিৱেশত হে পৰিয়ালটো সুখেৰে বাস কৰিব পাৰিব আৰু সমৃদ্ধিশালী হ'ব।

একেদৰে 'সংহতি' আৰু 'বুজাবুজিৰ' 'এনাজৰী' এখন দেশত আভ্যন্তৰীণ আৰু বেলেগ বেলেগ দেশৰ লগত বাহ্যিকভাৱে থকা উচিত। ৰাষ্ট্ৰীয় বুজাবুজি হ'ল এখন ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত থকা একতা আৰু বন্ধুত্বৰ এনাজৰী।

৫.৩ জাতীয় সংহতিৰ অৰ্থ

আমি সাধাৰণতে সংহতি শব্দটোৰে এটা সম্পূৰ্ণ বস্তুৰ বিভিন্ন অংশসমূহৰ সংযুক্তকৰণ বুজো। কিন্তু জাতীয় সংহতিৰ প্ৰকৃত অৰ্থনো কি? সংযুক্তকৰণ আৰু বিভিন্ন অংশৰ মাজত একতাৰ ধাৰণাত কৈ জাতীয় সংহতিৰ পৰিসৰ যথেষ্ট বহল। ইয়াত নাগৰিকসকলৰ আবেগ, অনুভুতি সন্নিৱিষ্ট হৈ থাকে যিয়ে তেওঁলোকৰ সামাজিক আৰু ৰাজনৈতিক আচৰণ সুনিশ্চিত কৰে। জাতীয় সংহতি হ'ল একতাৰ অনুভৱ য'ত সুখ, হাঁহি ,কান্দোন, দেশৰ উন্নতিৰ উমৈহতীয়া উদ্দেশ্যৰ দ্বাৰা সংযুক্ত হৈ থাকে। এখন সুসংহতিযুক্ত ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত থাকে আন্তৰিক বুজা-বুজি, কষ্ট-সহিষ্ণুতা, নিজৰ দেশৰ কলা-সংস্কৃতিৰ প্ৰতি সন্মান লগতে অন্য জাতি-জনজাতিৰ জীৱন শৈলীৰ প্ৰতিও সন্মান সূচক মনোভাৱ। তেওঁলোকৰ মাজত একে উমৈহতীয়া ৰাষ্ট্ৰীয় আদৰ্শ আৰু উমৈহতীয়া লক্ষ্য এই আটাইবোৰে এখন দেশৰ দৃঢ়তাকে সুনিশ্চিত কৰে। আমি বাৰু আমাৰ পৰিয়ালৰ এগৰাকী সদস্যৰ অসুস্থতাত চিন্তাকুল হৈ নপৰোনে? নিশ্চয় পৰো। কিয়নো আমি পৰস্পৰে পৰস্পৰৰ সুখ-দুখ, সমস্যা ইত্যাদি বিষয়সমূহৰ লগত, বাহ্যিক পাৰ্থক্য থকা স্বত্ত্বেও আবেগিক ওতঃপ্ৰোতসম্পৰ্কৰ দ্বাৰা জড়িত হৈ থাকো। চমুকৈ ক'বলৈ হ'লে ৰাষ্ট্ৰীয় সংহতিয়ে এখন ৰাষ্ট্ৰৰ নাগৰিক সকলক আবেগিক আদান প্ৰদানৰ জৰিয়তে এক গোট কৰি ৰাখে। আবেগিক সংহতি বা সমন্বয়ে হ'ল ৰাষ্ট্ৰীয় সংহতিৰ একমাত্ৰ উপায়।

হুমায়ুন কবিৰ ভাষাত ক'বলৈ হ'লে ৰাষ্ট্ৰীয় সংহতি বৰ্ণ, ভাষা, ধৰ্ম, ভৌগোলিক অৱস্থান আদি বিষয়ৰ ওপৰত নিৰ্ভৰ নকৰে, এইবোৰে ব্যক্তিগত বা সমূহীয়াভাৱে ইয়াত সহায় কৰে যদিও প্ৰকৃতাৰ্থত নাগৰিক সকলৰ আমি একেখন ৰাষ্ট্ৰৰ বসবাসী এই অনুভৱৰ ওপৰতহে ৰাষ্ট্ৰীয় সমন্বয় নিৰ্ভৰ কৰে।

পণ্ডিত নেহেৰুৰ ভাষাত ক'বলৈ হ'লে— আমি ভাৰতীয় সকলো নাগৰিক মুকলি আকাশৰ তলত দৃঢ়তাৰে সংহতিৰ বাবে থিয় হোৱা উচিত, ভাৰতত ৰাজনৈতিক সংহতি ইতিমধ্যে সূচনা হৈছে। দেশৰ বিস্তীৰ্ণমান সমাজক এক গোট কৰি তুলিবলৈ আবেগিক সংহতিৰ হে বেছি প্ৰয়োজন।



জানি থোৱা ভাল

আবেগিক সংহতি হ'ল— আবেগ বা অনুভূতিৰ একতা, পৰিচয় বা

সমার্থকতা। এই আবেগৰ সংহতিৰ বাবেই আমি আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হৈ পৰো। অর্থাৎ আবেগিকভাৱে আমি পৰস্পৰে পৰস্পৰৰ লগত সুখ দুখৰ ভাব বিনিময় কৰো, এই আবেগিক সংহতিৰ এনাজৰীয়ে জাতীয় সংহতিৰ অনুভৱকো জগাই তোলে।

জাতীয় সংহতিৰ অর্থ স্পষ্টভাৱে বুজিব লৈ মূল কথাখিনি তলত উল্লেখ কৰা হ'ল ঃ

- জাতীয় সংহতি হ'ল নাগৰিক সকলৰ মাজত একতাৰ অনুভৱ।
- জাতীয় সংহতিয়ে বিভিন্ন জাতি, ধর্ম, বর্ণ, সংস্কৃতি আৰু জনজাতিৰ লোকক একেটা গোটত সংগঠিত কৰে।
- জাতীয় সংহতিত অন্তর্নিহিত হৈ থাকে উমৈহতীয়া বুজাবুজি, কষ্ট, সহিষ্ণুতা আৰু অন্য ধর্ম তথা সংস্কৃতিৰ প্রতি সন্মান।
- জাতীয় সংহতিয়ে সামূহিক উন্নতি, অগ্রগতি আৰু কল্যাণ সুনিশ্চিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ জাতীয় সংহতি মানে কি বুজে?

.....

.....



চিন্তা-চর্চা কৰকঃ ৫.১

এখন সমাজ তথা এটা অঞ্চলৰ বসবাসীসকলৰ কিছুমান গুণ চিনাক্ত কৰক যিয়ে ৰাষ্ট্রীয় সংহতিত অৰিহণা যোগাব পাৰে।

.....

.....

৫.৩.১ জাতীয় সংহতিৰ প্রয়োজনীয়তা

এইবাৰ আমি জাতীয় সংহতিৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিম।

ভাৰতবর্ষ এখন বিভিন্ন জাতি, বর্ণ, ভাষা, ধর্মৰ লোকৰ বাসভূমি, এনে ভিন্নতাৰ মাজত শান্তি, উন্নতি আৰু সমৃদ্ধি বর্তাই ৰাখিবলৈ একতাৰ অনুভৱ নিতান্তই প্রয়োজন। সাম্প্রতিক কালৰ আটাইতকৈ ডাঙৰ প্রয়োজন হ'ল— ৰাষ্ট্রৰ একতা তথা সংহতিত মূল প্রতিবন্ধকতা স্বৰূপ ধর্মীয়, ভাষিক আৰু আঞ্চলিক বৈষম্য সমূহ নেওচি এটা ৰাষ্ট্রীয় একতাৰ চেতনা জাগ্রত কৰা।

ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসংগত হেনচ্ কনে (Hans Kohn) মন্তব্য কৰে যে- ৰাষ্ট্ৰীয় সংহতি হ'ল এক আবেগ বা আবেগিক শক্তি, যিয়ে মানুহৰ হৃদয় আৰু মগজুক নতুন চিন্তা আৰু সহানুভূতিৰ খোৰাক যোগাই আৰু তেওঁৰ সৰ্তকতাক গঠনমূলক কামলৈ পৰিৱৰ্তিত কৰিবলৈ নিৰ্দেশিত কৰে।

পণ্ডিত নেহেৰুৱে মন্তব্য কৰে যে— ভাৰতবৰ্ষৰ প্ৰথম প্ৰয়োজন হ'ল সমগ্ৰ দেশখনতে একতাৰ পৰিচালনা কৰা, ই কোনো ৰাজনৈতিক একতা নহয়, বৰং মন আৰু হৃদয়ৰ একতা।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত, বিশ্বৰ যিকোনো এটা চুকত ঘটিত হোৱা ঘটনাৰ খবৰ আমি তৎক্ষণাত লাভ কৰিব পাৰো। বিভিন্ন ধৰ্ম, বৰ্ণ-জাতি-জনজাতিৰ লোকৰ মাজত বিবাদ মতানৈক্য আনকি তেজেৰে ৰাঙলী হোৱাৰ দৃশ্য দেখা যায়। গতিকে এই বিবাদ আৰু সংঘৰ্ষবোৰে অভাৱনীয় সামাজিক তথা ব্যক্তিগত সম্পত্তিৰ লগতে সামাজিক বাতাবৰণৰ বৃহৎ ক্ষতি সাধন কৰিছে। চমুকৈ ক'ব পাৰি যে আঞ্চলিকতাবাদ, বৰ্ণবাদ, ভাষাবাদ, সাম্প্ৰদায়িকতাবাদ ইত্যাদিয়েই বিশৃংখলতা, বিবাদৰ মূল কাৰণ, যিয়ে ভাৰতীয় সমাজখনক বিভিন্ন ভাগত বিভক্ত কৰিছে আৰু মানুহৰ মাজত ঘৃণাৰ ভাব বিয়পাই দিছে। ৰাষ্ট্ৰীয় সংহতি অবিহনে এনেবোৰ সমস্যাৰ সমাধানৰ আশা কৰাটো অসম্ভৱ। আনকি আমাৰ ৰাষ্ট্ৰৰ গণতন্ত্ৰত জাতীয় সংহতি অবিহনে এক সপোন হৈ ৰ'ব। গতিকে এচাম লোক আৰু অন্য এচাম লোকৰ মাজত থকা বিভেদ ভাবনা আঁতৰাই পেলোৱাটো প্ৰয়োজনীয় নহয়নে বাৰু?

ওপৰোক্ত আলোচনাৰ পৰা আমি বুজিব পাৰিছো যে জাতীয় সংহতি অতি প্ৰয়োজনীয়, কিয়নো

- শান্তি আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে ই দেশৰ কল্যাণ সাধন কৰে।
- জাতীয় সংহতিৰ ধাৰণা পাৰস্পৰিক বুজাবুজি, কষ্ট সহিষ্ণুতা, অন্য ধৰ্ম আৰু সংহতিৰ প্ৰতি সন্মান আদিৰ দৰে গুণসমূহ মানুহৰ মাজত গঢ়ি তোলে।
- উন্নত আৰু নিৰপেক্ষতা প্ৰশাসন কেৱল এখন ঐক্যবদ্ধ ৰাষ্ট্ৰত হে সম্ভৱ।
- জাতীয় সংহতিয়ে জনসাধাৰণৰ জীৱন শৈলী অবিচ্ছিন্নভাৱে উন্নীত কৰে, কিয়নো সু-সংহত নাগৰিকসকলে বৰ্ণবাদ, সাম্প্ৰদায়িকতাবাদ আদি বিভেদকামী মনোভাব এৰি উৎপাদনশীলতাত অগ্ৰসৰ হয়।



চিন্তা-চৰ্চা কৰকঃ ৫.২

এখন ৰাষ্ট্ৰ বৰ্তি থাকিবলৈ জাতীয় সংহতি আপুনি কিয় প্ৰয়োজনীয়তা বুলি ভাবে? (৫০টা শব্দৰ ভিতৰত নিজৰ ভাষাত লিখক?)

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) আবেগিক সংহতি হ'ল ..... ৰ একতা, পৰিচয় বা সমাৰ্থকতা।

(খ) এখন ৰাষ্ট্ৰৰ নাগৰিক সকলৰ মাজত একতাই ..... প্ৰৱৰ্তন কৰে।

(গ) ৰাষ্ট্ৰীয় সংহতি বহন কৰা কিছুমান গুণ হ'ল ....., ...।

(ঘ) ..... প্ৰশাসন বা তত্বাৱধান একমাত্ৰ এখন সুসংহত ৰাষ্ট্ৰত হে সম্ভৱ।

৫.৩.২ জাতীয় সংহতিৰ বাধাসমূহ

অধ্যায়টোৰ ওপৰোক্তখণ্ড কেইটাত আমি জাতীয় সংহতিৰ অৰ্থ আৰু প্ৰয়োজনীয়তাৰ বিষয়ে অধ্যয়ন কৰিলো। এতিয়াও আমাৰ দেশৰ নাগৰিক সকলৰ মাজত একতাৰ অনুভৱ, ঐক্য আৰু সংহতিৰ অভাৱ স্পষ্টৰূপত দেখা যায়। কিয় বাৰু, আপুনি বাৰু ইয়াৰ কাৰণবোৰৰ বিষয়ে জানিব নিবিচাৰে নে? হয়, এই প্ৰশ্নৰ উত্তৰো যুগুতাই উলিওৱা হৈছে। যদিও কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ জাতীয় সংহতি অটুত ৰখাৰ বাবে গ্ৰহণ কৰা হৈছে, এতিয়াও এই লক্ষ্যত উপনীত হ'ব পৰা নাই। সেয়েহে তলত উল্লেখ কৰা বাধা সমূহ এইক্ষেত্ৰত মন কৰিবলগীয়া।

সাম্প্ৰদায়িকতা ঃ জাতীয সংহতিৰ মুখ্য প্ৰতিবন্ধী হ'ল সাম্প্ৰদায়িকতাবাদ। অনাদি কালৰে পৰা ভাৰতবৰ্ষত বিভিন্ন সম্প্ৰদায়িকৰ লোকে বাস কৰে, ঠিক সেইদৰে সাম্প্ৰদায়িকতাবাদো ইয়াৰ এটা প্ৰাচীন সমস্যা। ব্ৰিটিছৰ বিভাজন আৰু শাসন নীতিয়ে সাম্প্ৰদায়িকতা সমস্যাটোত হাত উজান দিছিল। মূলত ক'ব লাগিব যে সাম্প্ৰদায়িকতাবাদ জাতীয় সংহতিৰ প্ৰধান বাধা।

জাতীয়তাবাদ ঃ এখন ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত একতা বজাই ৰখাৰ পৰিপ্ৰেক্ষিতত জাতীয়তাবাদে সমস্যাৰ সৃষ্টি কৰা দেখা যায়। বেলেগ বেলেগ জাতিৰ লোকে কেৱল নিজৰ জাতিৰ উন্নতি আৰু লাভালাভৰ চিন্তা কৰে, সেয়েহে ৰাষ্ট্ৰৰ সামূহিক উন্নতিত তেওঁলোকৰ অৱদান শূন্য। এই জাতীয়তাবাদী ধাৰণাই ভিন্ন জাতিৰ লোকৰ মাজত প্ৰভেদৰ সৃষ্টি কৰে আৰু একতাৰ প্ৰধান বাধা স্বৰূপ হৈ পৰা দেখা যায়।

জাতিৰ ধাৰণাটো জন্মসূত্ৰে লাভ কৰা পৰিচয় হিচাপ সৰ্বসাধাৰণে ধৰি লোৱাৰ ফলত, জাতীয় সংহতিৰ বাবে প্ৰতিকূল মনোভাৱৰ সৃষ্টি হয়।

ধৰ্মীয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰ ঃ ধৰ্মীয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰো সাম্প্ৰদায়িকতাবাদ আৰু জাতীয়তাবাদৰ লগত জড়িত। ধৰ্মীয় অন্ধবিশ্বাস আৰু দেশৰ প্ৰগতিৰ মুখ্য প্ৰতিবন্ধী আৰু এনে অন্ধবিশ্বাস, কু-সংস্কাৰ বিভিন্ন ৰূপত এতিয়াও আমাৰ সমাজত প্ৰচলিত হৈ আছে। বিভিন্ন ধৰ্মৰ বিভিন্ন মতামতে কোনো কোনো পৰিস্থিতিত এনেবোৰ ধৰ্মীয় অন্ধ বিশ্বাসক অত্যাধিক প্ৰাধান্য দিয়া দেখা যায়। যাৰ বিৰূপ প্ৰভাৱে সমাজত হিংসা, শত্ৰুতা, বিবাদ ইত্যাদি সৃষ্টি কৰে।

সাংস্কৃতিক প্ৰভেদ ঃ এচাম লোকৰ মতে ভাৰতবৰ্ষ এখন সাংস্কৃতিক বৈচিত্ৰৰ ৰাষ্ট্ৰ য'ত বিভিন্ন সংস্কৃতিয়ে বিৰাজ কৰিছে, সেয়েহে ইয়াত সম্পূৰ্ণ একতা সম্ভৱপৰ নহয়। তেওঁলোকে সাংস্কৃতিক সংহতিক বিশ্বাস নকৰে আৰু মন্তব্য কৰে যে ভাৰতবৰ্ষত সাংস্কৃতিক সংহতি তথা সমন্বয় মাথো এটা বিশ্বাস। কিন্তু সাম্প্ৰতিক কালত বিভিন্ন তথ্যৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে ভাৰতবৰ্ষতো ভিন্নতাৰ মাজত এক বিৰল ধৰণৰ একতা পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ নাগৰিকসকলৰ মাজত ভৱিষ্যতেও একতা বজাই ৰাখিবলৈ একভাৰতীয় সংস্কৃতিৰ এনাজৰী আৰু অধিক শক্তিশালী কৰাটো বৰ্তমানৰ অন্যতম প্ৰয়োজনীয় বিষয়।

প্ৰান্তীয় বা প্ৰাদেশিকৰণ ঃ জাতীয় সংহতিৰ অন্য এক প্ৰতিবন্ধী হ'ল প্ৰাদেশিকৰণ। আঞ্চলিকতাবাদ সৃষ্টিৰ অন্তৰালত থকা একে অনুভূতিয়েই প্ৰান্তীয়তা বা প্ৰাদেশিকৰণৰ মূল ভেটি। আমি প্ৰত্যেকে নিজকে অসমীয়া, গুজৰাটী, বেঙ্গলী অথবা মাৰাথী ইত্যাদি বুলি ভাবো। আনকি কোনো কোনো ৰাজ্যত এনে কিছুমান শিক্ষানুষ্ঠান আছে য'ত অন্য ৰাজ্যৰ শিক্ষাৰ্থীক উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰিব অনুমতি দিয়া নহয়। এই অনুভৱে আমাক ইটোৰ পৰা আনটোক সদায় পৃথক কৰি আহিছে। এই প্ৰাদেশিকৰণ মনোভাবে জাতীয় জীৱন, কৰ্মসংস্থান, ব্যৱসায় বাণিজ্য, শিক্ষা-কলা সকলোতে পৃথকীকৰণৰ বিষ চতীয়াই ।এই প্ৰাদেশিকৰণ ৰাষ্ট্ৰৰ উন্নতিৰ অন্যতম শত্ৰু।

আঞ্চলিকতাবাদ ঃ আঞ্চলিকতাবাদ ৰাষ্ট্ৰীয় সংহতিৰ অন্যতম এক বাধা। ভাৰতবৰ্ষৰ দেশসমূহৰ গঠন ভাষাভিত্তিক। বৰ্তমান এনে আঞ্চলিকতাবাদৰ ধাৰণা সকলো নাগৰিকৰ মাজতে গোটেই ৰাষ্ট্ৰজুৰি পৰিলক্ষিত হৈছে, যি সংহতিৰ পথত আগভেটি ধৰিছে।

অৰ্থনৈতিক অৱস্থা ঃ সমস্যাবহুল অৰ্থনৈতিক অৱস্থা সু-সংহত ৰাষ্ট্ৰ প্ৰধানৰ প্ৰতিবন্ধী। উদাহৰণস্বৰূপে ধনী সম্পত্তিশালী শ্ৰেণী আৰু সম্পত্তিহীন শ্ৰেণীৰ মাজত

থকা বিভাজন, বর্তমানৰ উদ্যোগপতি আৰু কর্মচাৰীৰ মাজত বাঢ়ি অহা বিভাজন। নিবনুৱা সমস্যা ৰাষ্ট্রখনৰ যুৱ প্রজন্মৰ প্রধান সমস্যা। বিভিন্ন হিংসাত্মক ঘটনা, অসামাজিক, ৰাষ্ট্রবিৰোধী কার্যকলাপে ভেটি স্থাপন কৰিছে আৰু সংহতিৰ ধাৰণা চূর্ণ কৰি পেলাইছে।

সামাজিক ভিন্নতা ঃ এখন ৰাষ্ট্রৰ সামাজিক পৰিস্থিতিয়ে ৰাষ্ট্রখনৰ নাগৰিকসকলৰ মাজত একতা, সংহতি নিৰূপণত যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। যদিহে উচ্চ শ্রেণী আৰু নিম্ন শ্রেণীৰ লোকৰ মাজত বিবাদমূলক অৱস্থাৰ প্রবর্তন হৈ থাকে সেই ৰাষ্ট্রত সংহতি কেতিয়াও সম্ভৱপৰ নহয়। এই বিবাদসমূহ ৰাষ্ট্রীয় সংহতিৰ প্রধান বাধা আৰু যুৱপ্রজন্মৰ মনৰ পৰা এই বাধা সমূহ আঁতৰাই পেলোৱাটো নিতান্তই প্রয়োজন।

ভাষাবাদ ঃ ভাষাৰ ভিন্নতাৰ বাবে ৰচিত হোৱা ভাষাবাদো জাতীয় সংহতিৰ অন্যতম প্রধান প্রতিবন্ধী। সাধাৰণতেই আমি বিদেশত ফুৰিব যাওঁতেও নিজৰ ভাষাৰ ব্যক্তিগৰাকীক লগ পালে আনন্দিত উৎসাহিত হৈ পৰো। গতিকে ভাষা একতাৰ শক্তিশালী বাহক হিচাপে পৰিগণিত হয়। কিন্তু দুখিত ভাবে ক'ব লাগিব যে আমাৰ দেশত এই ধাৰণাৰ ওলোটা এটা দৃশ্যহে দেখা যায়, য'ত ভাষা বিভাজনৰ মূল কাৰণ হৈ পৰিছে। আমাৰ ভাৰতীয় সংবিধানেও মাতৃভাষাত শিক্ষা গ্রহণ কৰাৰ অধিকাৰ প্রদান কৰিছে, কিন্তু কিছুসংখ্যক নাগৰিকৰ স্বভাষাৰ প্রতি থকা প্রেমেই ৰাজনৈতিক বিষয়বস্তুৰ লগত সন্মিলিত হৈ বিভাজনৰ পাতনি মেলিছে। এখন ৰাষ্ট্রত এটা ৰাষ্ট্রভাষা নিশ্চিত প্রয়োজন। বিভিন্নজন মনোবিজ্ঞানী, সমাজবিদ আৰু মানুহৰ আচৰণ অধ্যয়নৰ পাৰদর্শী ব্যক্তিয়ে মন্তব্য কৰিছে যে এটা ৰাষ্ট্রভাষাই ততোধিক ৰাষ্ট্র ভাষাতকৈ বহুগুণে অধিক একাগ্রতা আৰু সংহতি সূচনা কৰিব পাৰিব।


শিক্ষাৰ মাধ্যম হিচাপে বিদেশী ভাষা ঃ ভাৰতবর্ষত তিনিটা ভাষাৰ ব্যৱহাৰৰ নিয়ম সূচিত হৈছে। কিছুসংখ্যক শিক্ষানুষ্ঠানত ইংৰাজী ভাষাটোক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। ইংৰাজী ভাষাৰ ব্যৱহাৰ নকৰা বৃহত্তৰ ভাৰতীয় নাগৰিকৰ পৰা এচাম নাগৰিকক পৃথক কৰি বিভাজনৰ সূচনা কৰিছে।

আচল শিক্ষা ব্যৱস্থা ঃ ভাৰতবর্ষত উৎকৃষ্ট সংহতি নথকাৰ বাবে শিক্ষা ব্যৱস্থাও দায়ী। যদিও সংহতিৰ বাধাসমূহ চিনাক্ত কৰা হৈছে, ইয়াক আঁতৰোৱাৰ কোনো গঠনমূলক পদক্ষেপ হাতত লোৱা দেখা নাযায়। এই বৈষম্যমূলক ভাবধাৰাৰ প্রচলনৰোধত শিক্ষা ব্যৱস্থাৰ অসফলতাও মনকৰিবলগীয়া।



জানি থোৱা ভাল

আমাৰ দেশৰ শিক্ষাব্যৱস্থাৰ আসোঁৱাহ সমূহ আঙুলিয়াই দি কোঠাৰী শিক্ষা সমিতিয়ে (১৯৬৪-৬৬) উল্লেখ কৰিছে যে সামাজিক আৰু জাতীয় সংহতিৰ সচেতনতা আৰু ৰাষ্ট্ৰীয় সতৰ্কতা প্ৰৱৰ্তন কৰিবলৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ পৰিৱৰ্তে শিক্ষা ব্যৱস্থাৰ ভালেসংখ্যক বৈশিষ্ট্যই বৈষম্যমূলক আসক্তিৰহে সূচনা কৰিছে।



চিন্তা-চৰ্চা কৰকঃ ৫.৩

ধৰ্মীয় আবেগ অনুভূতিবোৰ নিৰ্বাচনৰ সময়ত উত্থাপিত হয় আৰু শোষিত হয়।- আপোনাৰ ৰাজ্যত ঘটিত হোৱা কিছুমান জাতীয় সংহতি বিৰোধী ঘটনা চিনাক্ত কৰক।

.....

.....

৫.৩.৩ জাতীয় সংহতিৰ বাবে শিক্ষা

এতিয়া আপোনালোকে জাতীয় সংহতিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বাধাসমূহৰ বিষয়ে জানিব পাৰিলে। ভাৰতবৰ্ষ ইয়াৰ ভাষা, সংহতি, জাতি, পৰম্পৰা আদিৰ ভিন্নতাৰ বাবে বিখ্যাত, এনে ভিন্নতাৰ প্ৰসংগত সামান্য বিবাদ সংঘৰ্ষ নাগৰিক সকলৰ মাজত থকাটো স্বাভাৱিক। নৱপ্ৰজন্মৰ মনত সংহতিৰ ধাৰণা দৃঢ় কৰিবলৈ শিক্ষাৰ নীতি আৰু আঁচনি সমূহ গুৰুত্বপূৰ্ণভাৱে প্ৰস্তুত কৰিব লাগিব। ৰাষ্ট্ৰীয় সংহতিৰ বাবে শিক্ষাই এক বিশেষ ধৰণৰ শিক্ষাক বুজাই যি শিক্ষাই শিক্ষাৰ্থীৰ মনত নিজৰ দেশৰ প্ৰতি প্ৰেম আৰু ত্যাগৰ ভাবনা জগাই তোলে। তলত দিয়া শিক্ষামূলক পদক্ষেপসমূহ জাতীয় সংহতি প্ৰবৰ্তনৰ হেতু গ্ৰহণ কৰা অতি প্ৰয়োজন।

জাতীয় শিক্ষা ব্যৱস্থা ঃ জাতীয় সংহতি নিৰূপনত শিক্ষাৰ ভূমিকা প্ৰতিস্থিত কৰিবলৈ হ'লে এটা জাতীয় শিক্ষা ব্যৱস্থাৰ অতিকে প্ৰয়োজন। কিন্তু পৰিতাপৰ বিষয় যে বৰ্তমান ৰাষ্ট্ৰখনৰ শিক্ষা ব্যৱস্থা ৰাজ্য হিচাপে বেলেগ বেলেগ। একমাত্ৰ ৰাজ্য আৰু ৰাষ্ট্ৰৰ মাজত সু-সামঞ্জস্যমূলক শিক্ষা ব্যৱস্থাইহে এক উৎকৃষ্টমানৰ ৰাষ্ট্ৰীয় শিক্ষাব্যৱস্থা হিচাপে পৰিগণিত হ'ব।

পাঠ্যক্ৰমৰ শুধৰণি ঃ শিক্ষাৰ্থী সকলক ভাৰতীয় সংস্কৃতি, পৰম্পৰা আৰু ভৌগোলিক ভিন্নতাৰ লগত পৰিচিত কৰিবলৈ, কালজয়ী প্ৰবাদ, জনজাতীয় ভাষা,

সংগীত, দেশীয় নেতাসকলৰ জীৱনী, বিভিন্ন অঞ্চলৰ মানুহৰ জীৱন শৈলী, চিত্র ভাস্কর্য, সংস্কৃতি ইত্যাদি বিষয়সমূহ পাঠ্যক্রমত নতুনকৈ সন্নিৱিষ্ট কৰা উচিত।

সহঃপাঠ্যক্রমিক বিষয়সমূহৰ উপযুক্ত প্রয়োগ ঃ বিভিন্ন শিক্ষামূলক বোল ছবিৰ প্রদর্শন, ভিন্ন অঞ্চলৰ শিক্ষার্থীৰ বাবে অঁনাতাৰ বার্তালাপ, ঐতিহাসিক গুৰুত্ব যুক্ত অঞ্চল সমূহলৈ শিক্ষামূলক ভ্রমণ ইত্যাদি অনুষ্ঠান প্রত্যেক শিক্ষানুষ্ঠানত আয়োজিত কৰিব লাগে যাতে শিক্ষার্থীয়ে অতীত আৰু বর্তমানৰ সমাজ, মানৱজীৱন, ভিন্ন জনজাতিৰ উৎসৱ পার্বণ উপভোগৰ লগতে অংশগ্রহণো কৰিব পাৰে। তদুপৰি শিক্ষানুষ্ঠানসমূহত সর্বধর্ম সম্মত সমূহীয়া প্রার্থনা, স্কাউট গাইড, ৰেডক্রছ, প্রাথমিক চিকিৎসা ইত্যাদি অনুষ্ঠানো আয়োজিত কৰা উচিত।



জানি থোৱা ভাল

সম্পূর্ণানন্দ কমিটিত (Sampurnanand) উল্লেখ কৰা হৈছে যে জাতীয় সংহতি সুনিশ্চিত কৰিবলৈ প্রত্যেক বিদ্যালয় আৰু মহাবিদ্যালয়ত দৈনিক বৈঠক আয়োজন কৰা উচিত। য'ত শিক্ষানুষ্ঠানখনৰ মুৰব্বীগৰাকীয়ে নৈতিক আৰু ধর্মীয় অথবা সামাজিক মূল্যবোধৰ বিষয়ে বক্তব্য ৰখা উচিত।

নৈতিক আৰু ধর্মীয় শিক্ষা ঃ নৈতিক আৰু ধর্মীয় শিক্ষাৰ ক্ষেত্রত শিক্ষকে এক গুৰুত্বপূর্ণ দায়িত্ব বহন কৰা উচিত। তেওঁ নিশ্চিতভাৱে ধর্মনিৰপেক্ষ মনোভাৱৰ আৰু সকলো ধর্ম সমান এই ধাৰণা নিজৰ কর্মত প্রতিফলিত কৰা উচিত। তদুপৰি অন্য ধর্মৰ প্রতি সন্মান, কষ্টসহিষ্ণুতা, বিশ্বাস, আনৰ ধাৰণা তথা মতবাদৰ প্রতি শ্রদ্ধা ইত্যাদি গুণ আহৰণ কৰাৰ ক্ষেত্রত শিক্ষকে শিক্ষার্থীক সহায় কৰা উচিত। শিক্ষার্থীক উচিত-অনুচিত, সত্য, অসত্য, ন্যায়-অন্যায় আদিৰ স্পষ্ট ধাৰণা গঢ়ি তুলিব লাগে যাতে তেওঁলোকে শক্তিশালী আৰু ন্যায়পৰায়ণ ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে।

শিক্ষণ পদ্ধতি সমূহ ঃ শিক্ষণ পদ্ধতিসমূহৰ উদ্দেশ্য হ'ব লাগে ছাত্র-ছাত্রীৰ মনত উপযুক্ত নৈতিক আৰু ইতিবাচক মনোভাৱৰ সূচনা কৰা। উপযুক্ত শিক্ষণ পদ্ধতিৰ দ্বাৰা এনে গুণসমূহ ছাত্র-ছাত্রীৰ মাজত অনুভূত কৰাব পাৰি, যিয়ে এটা সুস্থ সবল সুখী জীৱনৰ সূচনা কৰে।

ভাষা শিক্ষণ ঃ আমি আটায়ে জানো যে ভাৰতবর্ষত বিভিন্ন ভাষাৰ প্রচলন হৈ আহিছে। বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ ভাষা শিক্ষণৰ মাধ্যম হিচাপে ব্যৱহাৰ হয়। কিন্তু ৰাষ্ট্রখনৰ বিভিন্ন জাতি-জনজাতিৰ লোকৰ মাজত তৎকালীনভাৱে সুদূৰপ্রসাৰী সংহতিৰ চেতনা জগাই তুলিবলৈ একোটা ভাষা ৰাষ্ট্রখনৰ প্রত্যেক মাধ্যমিক

স্তৰৰ শিক্ষানুষ্ঠানত শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰা উচিত।

শিক্ষামূলক ভ্ৰমণ ঃ শিক্ষামূলক ভ্ৰমণৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন অঞ্চলত বাস কৰা লোক তেওঁলোকৰ জীৱন শৈলী, ভাবধাৰাৰ সংস্কৃতি আদিৰ বিষয়ে জানিব পাৰে। সেয়েহে পাৰ্বত্য অঞ্চল আৰু ভৈয়ামৰো পিছপৰা অঞ্চলসমূহ এনে ভ্ৰমণৰ অন্তঃৰ্ভুক্ত কৰিব লাগে, যাতে সেই অঞ্চলৰ জন-জাতিয়ে জীৱনশৈলীৰ লগত পৰিচিত হ'ব পাৰে।

শিক্ষামূলক বিনিময় ঃ বিনিময় অনুষ্ঠানৰ যোগেদি এখন ৰাজ্যৰ কিছুসংখ্যক শিক্ষকে আৰু শিক্ষাৰ্থী অন্য ৰাজ্যৰ শিক্ষানুষ্ঠানলৈ প্ৰেৰণ কৰা হয়। শিক্ষক আৰু শিক্ষাৰ্থীৰ এনে আদান প্ৰদানে নিশ্চিত ভাৱে এখন ৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলৰ অনুষ্ঠান তথা মানুহৰ মাজত একতা আৰু সংহতি সূচনা কৰিব পাৰিব।



জানি থোৱা ভাল

১৯৬৮ চনৰ অক্টোবৰ মাহত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰৰ শিক্ষা বিভাগৰ সম্পাদকসকলৰ সন্মিলনীত উল্লেখিত হয় যে - বিদ্যাৰ্থী, শিক্ষক আৰু শিক্ষা বিভাগৰ প্ৰশাসকৰ মাধ্যমিক আৰু বিশ্ৱবিদ্যালয় স্তৰত বিনিময়ে জাতীয় সংহতিৰ ভেটি দৃঢ় কৰে।

জাতীয় সংহতিৰ কেন্দ্ৰ স্থাপন ঃ কেন্দ্ৰীয় মানৱসম্পদ বিকাশ মন্ত্ৰালয়ে ভাৰতবৰ্ষতো জাতীয় সংহতিৰ কেতবোৰ কেন্দ্ৰ স্থাপন কৰিছে। এনে কেন্দ্ৰবোৰৰ ভিন্ন ৰাজ্যৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ অনুপ্ৰেৰণামূলক ধাৰণা শিক্ষাৰ্থীক দিয়াটোৱে হোৱা উচিত। তদুপৰি এনে কেন্দ্ৰত অংশগ্ৰহণকাৰী শিক্ষক বা শিক্ষাৰ্থীয়ে জাতীয় সংহতি, অৰ্থনৈতিক উন্নয়নত নিজৰ ৰাজ্যৰ ভূমিকা সম্পৰ্কে বক্তব্য ৰাখিব পাৰে।



চিন্তা-চৰ্চা কৰকঃ ৫.৪

আপুনি বাসকৰা অঞ্চলত প্ৰচলিত জাতীয় সংহতি বিৰোধী কাৰ্য, তথা প্ৰধান বাধাসমূহ চিনাক্ত কৰক আৰু অধ্যায়টোত আলোচিত বিষয় কেইটাৰ উপৰিও যদি অন্য কিবা সংহতি বিৰুদ্ধ কাৰ্য প্ৰতিফলিত হৈছে উল্লেখ কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ জাতীয় সংহতিৰ প্রসাৰৰ বাবে পাঠ্যক্রমত নতুনকৈ সন্নিৱিষ্ট কৰিবলগীয়া বিষয় কিছুমানৰ বিষয়ে লিখক।

.....

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আমি জাতীয় সংহতিৰ অর্থ আৰু প্রয়োজনীতাৰ বিষয়ে অধ্যয়ন কৰিলো।
- তদুপৰি জাতীয় সংহতিৰ পথত থকা বিভিন্ন বাধাসমূহৰ বিষয়ে অধ্যয়ন কৰিলো।
- আঞ্চলিকতাবাদ, সাম্প্রদায়িকতাবাদ, ধর্মীয় অন্ধবিশ্বাস, কুসংস্কাৰ, প্রাদেশীকৰণ, অর্থনৈতিক সমস্যা, আসোঁৱাহ যুক্ত শিক্ষা ব্যৱস্থা, শিক্ষাৰ মাধ্যম হিচাপে বিদেশী ভাষা ইত্যাদি জাতীয় সংহতিৰ অন্যতম বাধা।
- একমাত্র উপযুক্ত পদক্ষেপ গ্রহণ কৰিহে সংহতিৰ এই বাধাসমূহ আঁতৰোৱা সম্ভৱপৰ হ'ব।
- পাঠ্যক্রম ৰচনাকাৰী সকলে জাতীয় সংহতি আৰু শিক্ষণ উভয়ৰ উন্নতিৰ ইতিবাচক দিশসমূহ নতুন কৈ পাঠক্রমত অন্তর্ভুক্ত কৰা উচিত।
- উন্নত প্রগতিশীল আৰু শান্তিপূর্ণ বিশ্বৰ বাসিন্দা হ'বলৈ হ'লে জাতি, ধর্ম, বর্ণ, ভাষা নির্বিশেষে সকলো লোকেই জাতীয় সংহতি ৰক্ষা কৰিব লাগিব।



৫.৫ অধিক জানিবলৈ

১) K.K. Bhatia : Principles and theories of Education

২) R.N. Sharma: Principles and Techiques of Education

৩) Safaya & Shaida: Modern theory and Principles of Education

৪) Chaube & Chaube : Philosophical and Sociological Soundation of Education.



৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ জাতীয় সংহতি হ'ল একতাৰ অনুভৱ য'ত নাগৰিক সকল পৰস্পৰে পৰস্পৰৰ মাজত সুখ-দুখ, হাঁহি আনন্দৰ আদান প্রদান আৰু উমৈহতীয়া লক্ষ্য উদ্দেশ্যৰে দেশ তথা ৰাষ্ট্রৰ উন্নতিত অৰিহণা যোগায়।

২ নং প্রশ্নৰ উত্তৰঃ (ক) অনুভৱ

(খ) জাতীয় সংহতি

(গ) উমৈহতীয়া বুজাবুজি, কষ্টসহিষ্ণুতা আৰু অন্য ধর্ম সংস্কৃতিৰ প্রতি শ্রদ্ধা।

(ঘ) উন্নত আৰু আদর্শ প্রশাসন।

৩ নং প্রশ্নৰ উত্তৰঃ শিক্ষার্থীৰ মনৰ পৰা সংকীর্ণতা কু-সংস্কাৰবোৰ আঁতৰাবলৈ হ'লে কালজয়ী প্রবাদসমূহ, পৰম্পৰাগত ভাষা, সাহিত্য, সংগীত, জাতীয় নেতাৰ জীৱনী, বিভিন্ন অঞ্চলৰ মানুহৰ জীৱন শৈলী, কলা-ভাস্কর্য ইত্যাদি বিষয় সমূহ পাঠ্যক্রমত নতুনকৈ সন্নিৰিষ্ট কৰিব লাগে।



৫.৭ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্নাৱলী ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ জাতীয় সংহতিৰ অর্থ কি?

প্রশ্ন ২ঃ আবেগিক সংহতি মানে কি বুজে?

প্রশ্ন ৩ঃ আপোনাৰ শিক্ষানুষ্ঠানত জাতীয় সংহতিৰ অনুভৱ বিদ্যার্থী মনত জগাই তুলিবলৈ কি কি ব্যৱস্থা গ্রহণ কৰিব পাৰি?

(খ) ৰচনাধর্মী প্রশ্নাৱলী ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ জাতীয় সংহতি আৰু আবেগিক সংহতিৰ প্রয়োজনীয়তা ব্যাখ্যা কৰক?

প্রশ্ন ২ঃ জাতীয় সংহতি আমাক কিয় প্রয়োজন? শিক্ষাৰ দ্বাৰা জাতীয় সংহতি কিমানদূৰ প্রৱর্তন কৰিব পাৰি?

প্রশ্ন ৩ঃ শিক্ষার্থীৰ মনত জাতীয় সংহতিৰ ধাৰণা জগাই তুলিবলৈ এখন শিক্ষানুষ্ঠানে কি কি পদক্ষেপ গ্রহণ কৰিব পাৰে?

প্রশ্ন ৪ঃ জাতীয় সংহতিৰ বাবে শিক্ষা এই বিষয়ত এটা চমুটোকা লিখক।

*** ***** ***

অধ্যায় ৬ঃ আন্তর্জাতিক বুজাপৰাৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ আন্তর্জাতিক বুজাপৰাৰ অর্থ

৬.৩.১ আন্তর্জাতিক বুজাপৰাৰ প্রযোজনীয়তা

৬.৩.২ আন্তর্জাতিক বুজাপৰাৰ মূল নীতিসমূহ

৬.৩.৩ আন্তর্জাতিক বুজাপৰাৰ উপায় হিচাপে শিক্ষা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তর্জাতিক বুজাপৰাৰ অর্থ নির্ণয় কৰিব পাৰিব
- আন্তর্জাতিক বুজাপৰাৰ গুৰুত্ব আৰু প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক বুজাপৰাৰ শক্তিশালীকৰণত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক বুজাপৰাৰ প্রসাৰত শিক্ষাৰ ভূমিকাৰ লগত জড়িত মূলনীতিসমূহৰ তালিকা প্রস্তুত কৰিব পাৰিব
- আন্তর্জাতিক বুজাপৰাৰ প্রবর্তনৰ বিভিন্ন উপায় আৰু দিশসমূহৰ বিষয়েও জানিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টোত আন্তর্জাতিক বুজাপৰাৰ সম্পর্কে আমি সবিশেষ জানিব পাৰিম। সাধাৰণতে পৰিয়ালৰ প্রত্যেক সদস্যৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সংহতি অবিহনে এখন ঘৰত শান্তিপূর্ণ পৰিৱেশৰ কথা ভাবিবও নোৱাৰো, একতা আৰু বুজাবুজি অবিহনে ক্রমে পৰিয়ালটো ধ্বংসমুখী হয় আৰু তাত বিকাশ বা উন্নতিৰ সকলো পথ বন্ধ হৈ পৰে। এতিয়া পৰিয়ালৰ প্রসংগ বাদ দি দেশৰ প্রসংগলৈ আহো, পৰিয়াল এটাৰ সকলো সদস্যৰ মাজত উমৈহতীয়া লক্ষ্য-উদ্দেশ্য, পৰস্পৰৰ প্রতি মৰম ভালপোৱা, সন্মান থাকিলেহে পৰিয়ালটোত

সাফল্য সম্ভৱ হ'ব আৰু সুখেৰে বাস কৰিব পাৰিব। একেদৰে আভ্যন্তৰীণভাৱে এখন ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত আৰু বাহ্যিকভাৱে বিশ্বৰ অন্য ৰাষ্ট্ৰৰ লগত বুজাবুজি আৰু সংহতি থকাটো অতি প্ৰয়োজনীয়। আন্তর্জাতিক বুজাপৰায়ে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত বুজাপৰাকে সুচিত কৰে।

৬.৩ আন্তর্জাতিক বুজাপৰাৰ অর্থ

আন্তর্জাতিক বুজাপৰায়ে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত উমৈহতীয়া বুজাবুজি, বিশ্বাস, পৰস্পৰৰ সার্বভৌমত্বৰ প্ৰতি সন্মানসূচক সুসম্পর্ককে বুজায়। গোলকীয়কৰণে যিহেতু যাতায়াত আৰু যোগাযোগৰ অভাৱনীয় উন্নয়নৰ দ্বাৰা বিশ্বৰ সকলো ৰাষ্ট্ৰক অন্য ৰাষ্ট্ৰৰ লগত অধিক নিকট সম্পর্ক স্থাপনৰ সুবিধা প্ৰদান কৰিছে। যিদৰে অকলশৰে, পৰিয়াল অবিহনে আমি জীয়াই থাকিব নোৱাৰো, পৰিয়ালটোৰ যিকোনো ভাল বেয়া ঘটনাই সকলো সদস্যকে প্ৰভাৱিত কৰে, ঠিক একেদৰে বিশ্বৰ যিকোনো ৰাষ্ট্ৰ এখনত ঘটিত হোৱা সৰু বৰ ঘটনাই সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰে। এই দৃষ্টান্তটোৰে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত সুসম্পর্ক আৰু বুজাবুজিৰ প্ৰয়োজনীয়তা অধিক দৃঢ় কৰি তোলে আৰু ইয়াকে আন্তর্জাতিক বুজাপৰা বুলি কোৱা হয়। আন্তর্জাতিক বুজাপৰাৰ কেইটামান গুৰুত্বপূর্ণ সংজ্ঞা তলত দিয়া হ'ল—

ড° ৰাধাকৃষ্ণনৰ মতে— অকলশৰে নাথাকি সমূহীয়াভাৱে থকাটো আনৰ ভয় বা অসামঞ্জমূলক মানসিক অৱস্থা আৰু প্ৰয়োজনীয়তা, ভাবধাৰাক বুজাটো খুবেই প্ৰয়োজনীয়, সকলোৱে মানৱ সভ্যতাৰ উন্নতিৰ হকে কাম কৰা উচিত, আমি হয়টো আমেৰিকা বা ৰাছিয়াৰ নাগৰিক হ'ব পাৰো, কিন্তু পোন প্ৰথমে আমি মানৱজাতি। (It is essential for not to live apart but to live together, understanding one another's fears and anxieties, aspirations and thoughts. We must work for racial harmony. We may be American, we may be Russian. But we are essentially human beings)

ইউনেস্কোৰ এগৰাকী প্ৰতিষ্ঠাতা, ডেপুটী সঞ্চালক প্ৰধান ড° এইচ চি লুইচৰ মতে— আন্তর্জাতিক বুজাপৰা হ'ল জাতীয় আৰু সংস্কৃতিক ভিন্নতা ত্যাগ কৰি সমালোচনামূলকভাৱে আৰু প্ৰত্যক্ষভাৱে পৰস্পৰে পৰস্পৰৰ মানৱীয়তাৰ মূল্যবোধ নিৰীক্ষণ কৰাৰ সক্ষমতা। (According to Dr. H.C Lewis, a former Deputy General of UNESCO, International understanding is the ability to observe critically and objectively and appraise the conduct of man everwhere to each other, irrespective of the nationality or culture to which they belong)



জানি থোৱা ভাল

আন্তর্জাতিক বুজাপৰা হ'ল—

- বিশ্বৰ ৰাষ্ট্রসমূহৰ মাজত উমৈহতীয়া, উন্নত আৰু ওতঃপ্রোত সম্পর্ক।
- ই মানুহৰ অধিকাৰ আৰু মূল্যবোধৰ প্রতি সন্মান সূচায়।
- ই মানৰ জাতিৰ একতা আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতাৰ বান্ধোন স্বৰূপ।
- ই হ'ল শান্তিপূর্ণভাৱে একেলগে বসবাস কৰাৰ এক প্রাসংগিকতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আন্তর্জাতিক বুজাপৰা মানে কি বুজায়?

.....

.....

৬.৩.১ আন্তর্জাতিক বুজাপৰাৰ প্রয়োজনীয়তা

আপুনি বাৰু নাভাবেনে যে— ব্যক্তিগত লাভালাভৰ চিন্তা বাদ দি একত্রিত হৈ কাম কৰিলে আমি আমাৰ দেশৰ শান্তি সমৃদ্ধি আৰু অর্থনৈতিক স্বাৱলম্বিতা লাভ কৰিব পাৰিম? ই জীৱিকা নির্বাহৰ বাবেও অতি প্রয়োজনীয় কিয়নো, ঠিক এনে এক পৰিৱেশতহে সম্পূর্ণ বিকাশ সম্ভৱ। সামগ্রিকভাৱে ক'বলৈ হ'লে জাতীয়তা আৰু অন্য ভিন্নতাসমূহ থকা স্বত্বেও সকলো লোকেই যে এক মানৰ জাতিৰ অন্তর্গত এই চেতনা জগাই তোলাটো বিকশিত আৰু উন্নত বিশ্বৰ বাবে অপৰিহার্য। আনকি মানৱজাতিৰ অস্তিত্বও আন্তর্জাতিক বুজাপৰাৰ ওপৰত নির্ভৰশীল। আন্তর্জাতিক বুজাপৰা কিয়নো অত্যন্ত প্রয়োজনীয়।

দুখনকৈ বিশ্বযুদ্ধ আৰু যোৱা শতিকাৰ মেক্সিকোৰ যুদ্ধই এটা ধাৰণা স্পষ্ট কৰি দিছে যে— যুদ্ধই পৃথিৱীত মানুহৰ অস্তিত্বকে শেষ কৰি পেলাব পাৰে। আমি বাৰু জীৱ শ্রেষ্ঠ বুলি পৰিচিত নহয় নে? সেয়ে বিভিন্ন ৰাজ্যৰ মাজত যুদ্ধ, বিবাদবোৰৰ আসক্তি বিশেষ কৰি মানুহৰ শ্রেষ্ঠতা প্রতিপন্ন কৰাৰ এইয়া উচিত সময়।

বর্তমান বিজ্ঞান আৰু প্রযুক্তিৰ উন্নয়নে মানুহৰ মাজত সময় আৰু দূৰত্বৰ ব্যৱধান বহু পৰিমাণে নাইকিয়া কৰি পেলাইছে আৰু সমগ্র বিশ্বক এখন মুধচৰ তলত থকা যেন কৰি তুলিছে। যোগাযোগৰ উন্নত কৌশলৰ অৱদান হিচাপে বিশ্বৰ যিকোনো এটা প্রান্তৰ সৰু বৰ সকলো ঘটনাই নিমিষতে সমগ্র বিশ্বত খলকনি তোলে। আকৌ গোলকীয়কৰণৰ দাবীত প্রত্যেক ৰাষ্ট্র পৰস্পৰে পৰস্পৰৰ ওপৰত আন্তঃনির্ভৰশীল।

এইবোৰে সকলো ৰাষ্ট্ৰই সমিলমিলেৰে থকাৰ প্ৰয়োজনীয়তাৰে ইংগিত দিয়ে। গতিকে আন্তর্জাতিক বুজাপৰাৰ বর্তমান সময়ত মুখ্য প্ৰয়োজন হ'ল—

- যুদ্ধ নিশেষকৰণ।
- ৰাষ্ট্ৰৰ সার্বভৌমত্ব ৰক্ষা।
- গণতন্ত্ৰৰ মূলনীতি শক্তিশালীকৰণ।
- পিছপৰা ৰাষ্ট্ৰ তথা অঞ্চলৰ উন্নতি সাধন।
- অন্য ৰাষ্ট্ৰৰ লগত সংযোগ স্থাপন।
- মানৱ জাতিৰ উন্নয়ন সাধন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত আন্তর্জাতিক বুজাপৰাৰ আপুনি কিয় প্ৰয়োজনীয় বুলি ভাবে?

.....

.....



চিন্তা চর্চা কৰক ঃ ৬.১

আন্তর্জাতিক বুজাপৰাৰ প্ৰয়োজনীয়তাৰ মুখ্য কাৰকসমূহ বাছি উলিওৱাক।

.....

.....

৬.৩.২ আন্তর্জাতিক বুজাপৰাৰ বাবে শিক্ষাৰ মূলনীতিসমূহ

উপৰোক্ত আলোচনাৰ পৰা আমি জানিব পাৰিলো যে বিশ্বৰ সকলো মানুহৰ মাজত সুখ শান্তি, আনন্দ প্ৰতিপত্তি, অর্থনৈতিক স্বাৱলম্বীতা, ভ্ৰাতৃত্ববোধৰ মনোভাব জগাই তুলিবলৈ আন্তর্জাতিক বুজাপৰাৰ প্ৰয়োজন। শিক্ষা নির্দেশকসকলে শিক্ষাৰ দ্বাৰা আন্তর্জাতিক বুজাপৰাৰ সূচনা কৰিবলৈ তলত দিয়া মূলনীতিসমূহৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লাগিব। এই গোলকীয় গুৰুত্বযুক্ত বার্তাটো প্ৰসাৰ আৰু প্ৰচাৰৰ একমাত্ৰ উপায় হ'ল শিক্ষা। শিক্ষা মূলনীতিসমূহ এই প্ৰসংগত তলত দিয়া বিষয়বস্তুৰ ওপৰত প্ৰতিষ্ঠিত হোৱা উচিত।

- **পাৰস্পৰিক নির্ভৰশীলতাৰ প্ৰতি গুৰুত্ব প্ৰদান ঃ** আভ্যন্তৰীণ, সামাজিক, অর্থনৈতিক প্ৰয়োজনসমূহ পূৰ্তিৰ বাবে প্ৰত্যেক ৰাষ্ট্ৰই অন্য ৰাষ্ট্ৰৰ ওপৰত নির্ভৰ

কৰে। প্ৰত্যেক ৰাষ্ট্ৰৰ প্ৰয়োজনসমূহ আন্তঃৰাষ্ট্ৰীয় বুজাবুজি আৰু সংহতিৰ দ্বাৰা আৰু অধিক ফলপ্ৰসূ হিচাপে পূৰ্ণ কৰিব পাৰি।

- **উমৈহতীয়া সহযোগিতা আৰু কষ্টসহিষ্ণুতাৰ প্ৰসাৰ ঃ** উল্লেখনীয় যে উমৈহতীয়া সহযোগিতা আৰু কষ্টসহিষ্ণুতাৰ মনোভাব থাকে, তাত সন্দেহ আৰু বিবাদ খুব কম হয় আৰু শান্তিপূৰ্ণ পৰিবেশে বিৰাজ কৰে।
- **দেশপ্ৰেমৰ ধাৰণা আধুনিক ৰূপত জগাই তোলা ঃ** সংকীৰ্ণ অৰ্থত দেশপ্ৰেমো বিশ্ব শান্তিৰ পথত বাধা হৈ পৰিব পাৰে। নিজৰ দেশৰ প্ৰতি থকা প্ৰেম, বৃহৎ মানৱ জাতিৰ একতাৰ পথত বাধা হৈ উঠিব নালাগে। সেয়ে ইয়াক আধুনিক ৰূপত আন্তর্জাতিক সংহতিমূলক প্ৰেক্ষাপটত সজাই তুলিব লাগে।
- **ভীতি/ভয় নিষ্কাষণ ঃ** ভয় হ'ল সন্দেহ, সন্দেহবাদী ধাৰণাৰ সৃষ্টি হ'লে এটাৰ আনটোৰ প্ৰতি অবিশ্বাসৰ সূচনা হয় আৰু অৱশেষত ই যুদ্ধত পৰিণত হয়। সেয়ে অনতিপলমে উপযুক্ত শিক্ষাৰ দ্বাৰা ভীতি নিৰ্মূল কৰিব লাগে, লগতে জীয়াই থাকক আৰু আনকো জীয়াই থাকিবলৈ দিয়ক এই ধাৰণা প্ৰসাৰিত কৰিব লাগে।
- **বিশ্বজোৰা স্বাধীনতাৰ ওপৰত বিশ্বাস ঃ** এইয়া গণতন্ত্ৰৰ যুগ আৰু ইয়াত স্বাধীনতা সকলোৰে জন্মগত অধিকাৰ বুলি বিবেচিত হয়। গণতন্ত্ৰৰ ধাৰণা আৰু মানৱ ধৰ্মৰ চেতনা জগাই তুলিব পৰাকৈ শিক্ষা ব্যৱস্থা গঢ়ি তোলা উচিত।
- **উৎকৃষ্ট মূল্যবোধৰ অনুশীলন ঃ** গণতন্ত্ৰৰ মূল্যবোধসমূহ যেনে— সমূহীয়া দায়িত্ব, সহযোগিতা, কষ্টসহিষ্ণুতা, উমৈহতীয়া বুজাবুজি এইবোৰ শিক্ষাৰ দ্বাৰা শিক্ষাৰ্থীৰ মনত জগাই তোলা উচিত। তদুপৰি মানৱ ধৰ্মৰ প্ৰতি বিশ্বাস জগাই তোলাটো প্ৰয়োজনীয়, কিয়নো মানৱ ধৰ্মইহে ব্যক্তিৰ প্ৰকৃত ধৰ্ম।
- **সহযোগিতামূলক দায়িত্ব গ্ৰহণৰ মনোভাব জগাই তোলা ঃ** আমি অনুভৱ কৰা উচিত যে বিশ্বৰ যিকোনো ভাল বা বেয়া ঘটনাৰ বাবে আমি বিশ্ববাসী সকলেই দায়ী। আমাৰ অস্তিত্ব ৰক্ষাৰ বাবে, উমৈহতীয়া উদ্দেশ্য পূৰণৰ বাবে আমি সকলোৰে সমিলমিলেৰে কাম কৰা আৰু সমস্যাবহুল সময়ত ইটোৱে আনটোক সহায় কৰা উচিত।
- **জ্ঞানৰ বাস্তব প্ৰয়োগ ঃ** উপৰোক্ত আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ গুৰুত্বযুক্ত আটাইকেইটা মূলনীতিয়ে অব্যৱহৃত আৰু অন্তপযোগী হৈ ৰ'ব যদিহে ইয়াক বাস্তৱ ৰূপত ৰূপায়িত কৰা নহয়। সেয়েহে আমি আমাৰ নৱ প্ৰজন্মক উপযুক্ত শিক্ষা আৰু অনুশীলনৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ তত্বমূলক জ্ঞানৰ বাস্তৱমুখী পদক্ষেপ গ্ৰহণ কৰি ৰাষ্ট্ৰীয় একতা সূচনা কৰিবলৈ অনুপ্ৰাণিত কৰা উচিত।



জানি থোৱা ভাল

তলত দিয়া মূলনীতিসমূহ ইউনেস্কোই আন্তর্জাতিক বুজাপৰাৰ প্ৰসংগত নির্দেশিত কৰিছে—

- মানৱ জাতিক বিশ্বজাতীয়তাৰ বাবে শিক্ষিত কৰি তোলা।
- আন্তর্জাতিক অনুষ্ঠানৰ লগত সহযোগিতা স্থাপন কৰা।
- ৰাষ্ট্ৰৰ মাজত অন্তনির্ভৰশীলতা প্রতিষ্ঠিত কৰা।
- মানৱ জাতিৰ সামগ্রিক অস্তিত্ব ৰক্ষাৰ বাবে এক আন্তর্জাতিক পর্যায়ৰ অনুষ্ঠান স্থাপন কৰা।
- বিশ্বৰ মানৱ জাতিৰ প্রতি দায়িত্ববোধ জগাই তোলা।
- সুস্থ সবল সামাজিক দৃষ্টিভংগী শিশুৰ মনত জগাই তোলা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এখন ৰাষ্ট্ৰৰ সার্বভৌমত্ব ৰক্ষাৰ বাবে আন্তর্জাতিক বুজাপৰাৰ প্রয়োজন। (শুদ্ধ অশুদ্ধ)

প্রশ্ন নং ৪ ঃ বিভিন্ন ৰাষ্ট্ৰৰ মাজত বন্ধুত্ব আৰু সুসমৃদ্ধি হ'ল..... (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৫ ঃ পাৰস্পৰিক নির্ভৰশীলতা ৰাষ্ট্ৰসমূহৰ মাজত আন্তর্জাতিক বুজাপৰাৰ বাবে কিয় স্থাপন কৰা হৈছে? দুটা কাৰণ উল্লেখ কৰক?

.....

.....

৬.৩.৩ আন্তর্জাতিক বুজাপৰাৰ উপায় হিচপে শিক্ষা

বাৰ্ত্রেণ্ড ৰাচেলৰ (Bertrand Russell) মতে— শিক্ষাই ৰাজনৈতিক ক্ষেত্রত আন্তর্জাতিক সংহতি সূচনা কৰিব নোৱাৰিলেও ই একমাত্র মাধ্যম যাৰ দ্বাৰা প্রকৃত আন্তর্জাতিক চেতনা জগাই তোলা সম্ভৱ।

আমি পূর্ব ৱর্তী আলোচনাসমূহতো পাই আহিছো যে শিক্ষা সমাজত যিকোনো পৰিৱর্তন আনিবৰ একমাত্র মাধ্যম। সেয়ে আন্তর্জাতিক বুজাপৰা প্রতিপন্ন কৰিব পৰাকৈ শিক্ষা ব্যৱস্থা গঢ়ি তোলা উচিত। এই প্রসংগত আমি তলত দিয়া পদক্ষেপসমূহ আলোচনা কৰিব পাৰো —

- **পাঠ্যক্রম আৰু পাঠ্যপুথিৰ পুনৰ সংশোধন ঃ** পাঠ্যক্রম আৰু পাঠ্যপুথিৰ ভূমিকা অতিকে গুৰুত্বপূর্ণ। উৎকৃষ্ট ধৰণৰ পাঠ্যপুথি আৰু পাঠ্যক্রমে নিশ্চিতভাৱে শিক্ষার্থীক তথা নৱপ্রজন্মক শান্তি আৰু সমৃদ্ধিৰ দিশত প্রসাৰিত কৰিব। সেয়ে সংশোধিত পাঠ্যক্রম আমাৰ শিক্ষার্থীক প্রস্তুত কৰি দিব লাগে যাতে তেওঁলোকে শিকিব পাৰে যে এই পৃথিৱীখন মানুহৰ লগতে অন্য জীৱ জন্তুৰো বসতিস্থল।
  - আমি বাস কৰা পৃথিৱীখনৰ বিষয়ে, ইয়াৰ জীৱন ধাৰণৰ ভিন্নতা, সাদৃশ্য-বৈসাদৃশ্যৰ বিষয়ে জ্ঞান লাভ কৰে।
  - কেনেকৈ বিশ্বত মানুহৰ পাৰস্পৰিক অন্তঃ নির্ভৰশীলতাৰ বিষয়ে উচ্চমানৰ বুজাবুজিৰ ধাৰণা সূচিত কৰিব পাৰি।
  - বিশ্বৰ সকলো ধর্মৰ প্রতি শ্রদ্ধা আৰু সন্মানসূচক ভাব।
  - মানৱজাতিৰ দীর্ঘমাপী ধৈর্য তথা শক্তিৰ বিষয়ে জ্ঞান লাভ কৰা যিয়ে বিবাদবোৰ মষিমূৰ কৰি সহযোগিতা স্থাপন কৰিব সক্ষম হ'ব।
  - উন্নত বিশ্ব স্থাপনত কার্যকৰীভাৱে অংশগ্রহণ কৰিবলৈ এটা প্রয়োজনীয় চেতনা জগাই তোলা।

  গতিকে পাঠ্যক্রমৰ প্রতিটো গুৰুত্বপূর্ণ বিষয় আৰু অন্যান্য কার্যকলাপে শিক্ষার্থীক তেওঁলোকে বাস কৰা পৃথিৱীখনৰ লগত ভালদৰে পৰিচিত কৰি তোলা উচিত। ই এক দুমুখীয়া পদক্ষেপৰ প্রয়োজন সূচায়। এটা হ'ল— শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্রমসমূহ নতুনকৈ সংশোধন কৰা আৰু আনটো হ'ল বিভিন্ন বিষয়বস্তুৰ শিক্ষণ পদ্ধতি আৰু কৌশলসমূহ নতুনকৈ সজাই তোলা।
- **সহ-পাঠ্যক্রমিক বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ ঃ** বর্তমান শিক্ষানুষ্ঠানসমূহত ব্যৱহাৰ হোৱা সহ পাঠ্যক্রমিক বিষয়সমূহক আন্তর্জাতিক বুজাবুজিৰ এটা স্পষ্ট ধাৰণা জগাই তুলিব পৰাকৈ প্রস্তুত কৰিব পাৰো। এই প্রসংগত তলত দিয়া সহ-পাঠ্যক্রমিক অনুষ্ঠানবোৰ আমি অনুষ্ঠিত কৰিব পাৰো।
  - আন্তর্জাতিক গুৰুত্ব সম্পন্ন দিৱস তথা উৎসৱ উদ্‌যাপন যেনে— ইউ এন দিৱস, মানৱ অধিকাৰ দিৱস, বিশ্ব স্বাস্থ্য দিৱস ইত্যাদি।
  - জাতীয় নেতাসকলৰ জন্মতিথি উদ্‌যাপন, উদাহৰণ স্বৰূপে বিভিন্ন দেশ আৰু ধর্মীয় নেতাসকলৰ জন্মতিথি।
  - বন্ধুত্বপূর্ণ গোট বা ক্লাব গঠন।
  - বিশ্বজুৰি জনপ্রিয়তা লাভ কৰা খেল অনুষ্ঠিত কৰা।
  - আন্তঃৰাষ্ট্রীয় তর্ক প্রতিযোগিতা অনুষ্ঠিত কৰা।
  - বিশ্বৰ যিকোনো প্রান্তত ঘটিত হোৱা প্রাকৃতিক দুর্যোগ যেনে— ভূঁইকঁপ,

বানপানী আদিত ক্ষতিগ্রস্ত লোকৰ সাহায্যথে ধনৰাশি গোটাবলৈ শিক্ষার্থীক অনুপ্রাণিত কৰা।

- বিশ্বব্যাপ্ত বিভিন্ন সমস্যা আৰু অৱস্থাৰ বিষয়ে সংকীর্ণ মনোভাব আঁতৰাবলৈ বিদেশৰ বিদ্বান পণ্ডিতক আনুষ্ঠানিকভাৱে ভাষণ দিবলৈ আমন্ত্রণ জনোৱা।

➢ **শিক্ষক আৰু শিক্ষার্থীৰ ভূমিকা ঃ** আপোনালোক সকলোৱে জানে যে শিক্ষকৰ ব্যক্তিত্বই শিক্ষার্থীৰ সামাজিক জীৱনত যথেষ্ট প্রভাৱ পেলায়। সেয়ে আন্তর্জাতিক বুজাপৰাৰ সূচনা কৰিবলৈ এটা বহল মন আৰু মহৎ উদ্দেশ্যৰ গৰাকী হ'ব লাগিব। শিক্ষকৰ এই দৃষ্টিভংগীয়ে নিশ্চিতভাৱে শিক্ষার্থীক আন্তর্জাতিক বুজাপৰাৰ দিশত অগ্রসৰ হ'বলৈ অনুপ্রেৰণা যোগাব। ইয়াৰ উপৰি শিক্ষকে এক পৰিৱর্তনশীল ভূমিকা তলত দিয়া ধৰণে গ্রহণ কৰিব পাৰে।

- প্রথমে শিক্ষকগৰাকী ব্যক্তিগতভাৱে এখন বিশ্বমুখী সমাজ আৰু আন্তর্জাতিকতাবাদত বিশ্বাসী হোৱা উচিত। ইআন্তর্জাতিকতাবাদৰ চেতনা শিক্ষার্থীৰ মনত জগাই তুলিবলৈ তেওঁৰ সহায়ক হ'ব।
- কেবল ভিন্ন পাঠ্যক্রমিক বিষয়তে গুৰুত্ব দিয়াৰ পৰিৱর্তে শিক্ষানুষ্ঠানখনে শিক্ষার্থীৰ মনত আন্তঃৰাষ্ট্রীয় চেতনা জগাই তোলা উচিত।
- শিক্ষকে নিজা পদ্ধতিৰে শিক্ষার্থীৰ মনত ভিন্ন অঞ্চল আৰু তাৰ বসবাসী লোকৰ বিষয়ে জানিবলৈ অনুসন্ধিৎসু ভাব জগাই তোলা উচিত। ইতিহাস, সমাজ শাস্ত্র, সভ্যতা আদিৰ শিক্ষণৰ দ্বাৰা শিক্ষার্থীৰ মনত এক আবেগিক সহযোগিতামূলক ধাৰণা স্থাপন কৰাও প্রয়োজনীয়।
- শিক্ষকে তেওঁৰ ছাত্র-ছাত্রীক পত্র যোগে বন্ধুত্ব স্থাপন আৰু জাতীয়তাৰ বাবে গুৰুত্বপূর্ণ দিন, উৎসৱ উদ্‌যাপন কৰিবলৈ উৎসাহিত কৰা উচিত।
- এই আটাইবোৰ ভূমিকাৰ উপৰিও শিক্ষকে প্রাপ্তঃ বয়স্কসকলক আন্তর্জাতিকতা, শান্তিপূর্ণ জীৱন ধাৰণৰ উপায় আৰু উমৈহতীয়া বিকাশযুক্ত সহ জীৱিকাৰ বিষয়ে অৱগত কৰোৱা উচিত।
- বিনিময় শিক্ষণৰ সময়ত শিক্ষকে অন্য সমাজৰ, সভ্যতাৰ সাম্প্রতিক উৎকৃষ্ট কৃতি আৰু নির্দশনৰ বিষয়ে অৱগত কৰাই নিজা সমাজত তেনে কৃতি কৌশলৰ প্রয়োগ আৰু প্রচলন কৰিবলৈ উদ্‌গনি জনোৱা উচিত।

➢ **পোনপতীয়া সংযোগ ঃ** পোনপতীয়া সংযোগে দৃষ্টিভংগীৰ পৰিসৰ বহল কৰা, মানুহ তথা ৰাষ্ট্রৰ অসহযোগিতামূলক কাম্পনিক ভিত্তি, সংকীর্ণতাযুক্ত পার্থক্যসমূহ নির্মূল কৰাত যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তলত দিয়া

কার্যকলাপসমূহ এই ক্ষেত্রত গুৰুত্বপূর্ণ—

- **আন্তঃৰাষ্ট্রীয় অনানুষ্ঠানিক গোট ঃ** আন্তঃৰাষ্ট্রীয় অনানুষ্ঠানিক গোট গঠনে আৰু এনে গোটত অংশগ্রহণে একেলগতে সাংস্কৃতিক ভিন্নতা, বৈষম্য নিঃশেষ কৰে আৰু উমৈহতীয়া বন্ধুত্ব, আন্তঃৰাষ্ট্রীয় সংহতিৰ সূচনা কৰে।
- **সাংস্কৃতিক আৰু শিক্ষামূলক ভ্রমণ ঃ** মানুহৰ মাজত বুজাবুজি আৰু সহিষ্ণুতা তথা সংহতি জগাই তুলিবলৈ ভিন্ন দেশৰ, ৰাষ্ট্রৰ মাজত শিক্ষামূলক ভ্রমণ অন্যতম প্রধান আহিলা।
- **সাংস্কৃতিক বিনিময় ঃ** শিক্ষক, শিক্ষার্থী, বিদ্যান ব্যক্তি, কবি, ভাস্কর্যবিদ, লেখক, লেখিকা আদি সন্নিৱিষ্ট বিভিন্ন ৰাষ্ট্রলৈ পঠিওৱা সাংস্কৃতিক বিনিময় অনুষ্ঠানত প্রত্যেক শিক্ষানুষ্ঠানে সক্রিয়তাৰে সহযোগিতা আৰু অংশগ্রহণ কৰা উচিত। ই আন্তঃৰাষ্ট্রীয় দৃষ্টিভংগীৰ পৰিসৰ বহল কৰে আৰু বিভিন্ন ৰাষ্ট্রৰ মাজত সাংস্কৃতিক সংহতি সূচিত কৰে।
- **আন্তঃৰাষ্ট্রীয় বৈশিষ্ট্যযুক্ত অনুষ্ঠান স্থাপন ঃ** লাহে লাহে আন্তর্জাতিক গুৰুত্ব বহু অনুষ্ঠানসমূহত জনপ্রিয় হৈ আহিছে। আন্তঃৰাষ্ট্রীয় সংহতি আৰু সমূহীয়া লক্ষ্য উদ্দেশ্যৰ পূর্তিৰ বাবে পদক্ষেপ ইতিমধ্যে এনেবোৰ অনুষ্ঠানত গ্রহণ কৰা হৈছে। এনেবোৰ অনুষ্ঠানলৈ ভ্রমণ আৰু অংশগ্রহণে শিক্ষার্থীৰ দৃষ্টিভংগীৰ পৰিসৰ বহল কৰি আন্তঃৰাষ্ট্রীয় বুজাবুজি সম্ভৱপৰ কৰি তুলিব পাৰিব।

➢ **ইউনেস্কোৰ ভূমিকা ঃ** দুখনকৈ বিশ্ব যুদ্ধত হোৱা বৃহৎ ক্ষতিৰ পৰিপ্রেক্ষিতত ১৯৪৫ চনত ইউনেস্কো গঠিত হয়। ইয়াৰ মূল উদ্দেশ্য আছিল এখন শান্তিপূর্ণ, উন্নয়নশীল, যুদ্ধমুক্ত বিশ্বৰ স্থাপন কৰা। সেয়ে আমি ইউনেস্কোৰ কার্যকলাপৰ প্রতি সদায়ে আশাবাদী।

শেষান্তত আশা কৰো যে এই অধ্যায়টিয়ে আন্তঃৰাষ্ট্রীয় বুজাবুজিৰ স্পষ্ট ধাৰণা দাঙি ধৰিব সক্ষম হৈছে। কেৱল উন্নতি আৰু বিকাশৰ বাবে নহয় মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবেও আন্তঃৰাষ্ট্রীয় বুজাবুজিৰ প্রয়োজন আৰু শিক্ষা ইয়াৰ আটাইতকৈ শক্তিশালী আৰু বিশ্বাসযোগ্য মাধ্যম। আমি সকলোৰে একতা আৰু ভ্রাতৃত্বৰ প্রসাৰেৰে ভাৰতীয় নাগৰিক হিচাপে গৌৰৱান্বিত হওঁ আহক।



চিন্তা চর্চা কৰক ঃ ৬.২

আপোনাৰ অঞ্চলৰ ভিন্ন শিক্ষানুষ্ঠানত আন্তর্জাতিক বুজাপৰাৰ হেতু আয়োজিত কৰা কার্যকলাপৰ এখনি তালিকা প্রস্তুত কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ইউনেস্কো গঠিত হৈছিল ..... চনত।
(খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৭ ঃ ইউনেস্কোৰ এটা উদ্দেশ্য হ'ল—

(ক) মানুহৰ চিন্তা আৰু ধাৰণাৰ বিনিময়।

(খ) শান্তিপূর্ণ, সমৃদ্ধিশালী, যুদ্ধবিহীন বিশ্বৰ স্থাপন।

(গ) বন্ধুত্বভাব স্থাপন।

(ঘ) শিক্ষক প্রশিক্ষণ।

প্রশ্ন নং ৮ ঃ বিনিময় অনুষ্ঠানে অন্য ৰাষ্ট্রৰ প্রতি বিভান্তিমূলক ধাৰণাৰ সৃষ্টি কৰে।
(শুদ্ধ অশুদ্ধ)



৬.৪ অধ্যয়াটিৰ পৰা আমি কি শিকিলোঁ

- আমি আন্তর্জাতিক বুজাপৰাৰ, আন্তর্জাতিক সংহতিৰ অর্থ আৰু গুৰুত্বৰ বিষয়ে শিকিলো।
- ইয়াৰ উপৰিও আমি আন্তর্জাতিক বুজাপৰাৰ বাধাসমূহ চিনাক্ত কৰিলো।
- আঞ্চলিকতাবাদ, জাতীয়তাবাদ, ধর্মীয় অন্ধবিশ্বাস আৰু কুসংস্কাৰ, অর্থনৈতিক দুৰৱস্থা, বিসংগতিপূর্ণ শিক্ষা ব্যৱস্থা, শিক্ষাৰ মাধ্যম হিচাপে বিদেশী ভাষা আদি আন্তর্জাতিক সংহতি আৰু বুজাপৰাৰ প্রধান বাধা।
- একমাত্র উপযুক্ত শিক্ষণৰ দ্বাৰা এই বাধাসমূহ আঁতৰাই আমি আন্তর্জাতিক বুজাপৰা,আৰু সংহতি সূচনা কৰিব পাৰো। কিয়নো শিক্ষা হ'ল সকলোৰে ব্যৱহৃত এক মাধ্যম যিয়ে সকলোকে সামৰি লয়।
- তদুপৰি পাঠ্যক্রম ৰচনাকাৰীসকলে দুয়োটাৰ সূচনাৰ বাবে কেতবোৰ শিক্ষাৰ মূলনীতি গ্রহণ কৰা উচিত।

- উন্নত প্ৰগতিশীল শান্তিপূৰ্ণ বিশ্বৰ বাসিন্দা হ'বলৈ হ'লে জাতি ধৰ্ম নিৰ্বিশেষে সকলোৱেই ৰাষ্ট্ৰৰ সংহতি আৰু আন্তর্জাতিক বুজাপৰাৰ,সূচনা কৰিব লাগিব।



৬.৫ অধিক জানিবলৈ

১) K. K. Bhatia: Principles and theories of Education.

২) R. N. Sharma: Principles and techniwues of Education.

৩) Safaya & Shaido: Modern theory and Principles of Education.

৪) Chaube & Chaube: Philosophical and Sociological Soundation of Education.



৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ আন্তর্জাতিক বুজাপৰা বিশ্বৰ সকলো ৰাষ্ট্ৰ আৰু দেশৰ মাজত উমৈহতীয়া বুজাবুজি, বিশ্বাস আৰু পৰস্পৰৰ প্ৰতি সন্মানসূচক ভাবনাক বুজায়। গোলকীয়কৰণৰ প্ৰভাৱ, যাতায়াত আৰু প্ৰযুক্তিৰ উন্নয়নে বিশ্বৰ সকলো দেশকে কাষ চপাই আনিছে।

২ নং প্ৰশ্নৰ উত্তৰঃ আন্তর্জাতিক বুজাপৰাৰ প্ৰয়োজনীয়তা হ'ল —

(ক) ই সকলোকে একেটা ছাতিৰ তলত সমিল মিলেৰে বাস কৰিবলৈ প্ৰেৰণা যোগায়।

(খ) ই ৰাষ্ট্ৰসমূহৰ সার্বভৌমত্ব ৰক্ষা আৰু যুদ্ধ নির্মূলৰ বাবে প্ৰয়োজনীয়।

(গ) ই গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰিবলৈয়ো দৰকাৰী।

(ঘ) ই পিছপৰা ৰাষ্ট্ৰসমূহৰ উন্নয়নৰ বাবে প্ৰয়োজনীয়।

(ঙ) ই ভিন্ন ৰাষ্ট্ৰৰ মাজত সংযোগ স্থাপনৰ চেষ্টা কৰে।

(চ) প্ৰকৃততে বহল অর্থত আন্তর্জাতিক বুজাপৰাৰ অনুভৱ আৰু অনুশীলনে মানৰ জাতিৰ প্ৰগতি সুনিশ্চিত কৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰঃ আন্তর্জাতিক বুজাপৰা।

৫ নং প্ৰশ্নৰ উত্তৰঃ ৰাষ্ট্ৰসমূহৰ মাজত আন্তর্জাতিক বুজাপৰাৰ বাবে পাৰস্পৰিক নির্ভৰশীলতা

স্থাপন কৰা প্ৰয়োজনৰ কাৰণসমূহ হ'ল—

— বিভিন্ন ৰাজ্যৰ মাজত কষ্টসহিষ্ণুতা আৰু উমৈহতীয়া সহযোগিতা স্থাপন।

— আধুনিক ৰূপত দেশপ্ৰেমৰ চেতনা জগাই তোলা।

— ভীতি বা ভয় নিষ্কাষণ।

— বিশ্বজোৰা স্বাধীনতাৰ ওপৰত বিশ্বাস।

— মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ।

৬ নং প্ৰশ্নৰ উত্তৰঃ ১৯৪৫ চনত

৭ নং প্ৰশ্নৰ উত্তৰঃ শান্তিপূৰ্ণ উন্নয়নশীল যুদ্ধবিহীন বিশ্ব স্থাপন।

৮ নং প্ৰশ্নৰ উত্তৰঃ অশুদ্ধ।



৬.৭ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ আন্তর্জাতিক বুজাপৰাৰ মানে কি?

প্ৰশ্ন ২ঃ আন্তর্জাতিক বুজাপৰাৰ ক্ষেত্ৰত ইউনেস্কোৱে দিয়া নির্দেশনাসমূহ কি কি?

প্ৰশ্ন ৩ঃ আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সহযোগিতাৰ বাবে শিক্ষকে কি ভূমিকা গ্ৰহণ কৰা উচিত?

প্ৰশ্ন ৪ঃ আন্তর্জাতিক বুজাপৰাৰ প্ৰসাৰৰ বাবে পাঠ্যক্ৰম কিদৰে গঠন কৰিব লাগে? আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ আন্তর্জাতিক বুজাপৰাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰক?

প্ৰশ্ন ২ঃ অধিক দেশপ্ৰেমৰ ভাবনাও আন্তর্জাতিক বুজাপৰাৰ প্ৰতিবন্ধী— সত্যতা— অসত্যতাৰ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ আন্তর্জাতিক বুজাপৰাৰ বাবে শিক্ষাৰ ধাৰণা বহলাই ব্যাখ্যা কৰক? শিক্ষানুষ্ঠানে আন্তর্জাতিক বুজাপৰাৰ প্ৰসাৰৰ বাবে ল'ব পৰা পদক্ষেপৰ বিষয়ে আলোচনা কৰক?

*** ***** ***

অধ্যায় ৭ ঃ মূল্যবোধ শিক্ষা

অধ্যায় গাথঁনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ মূল্যবোধ শিক্ষাৰ অর্থ
৭.৪ মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহ
৭.৫ মূল্যবোধ শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব
৭.৬ মূল্যবোধৰ প্রকাৰ
৭.৭ মূল্যবোধ জৰিত কার্যাৱলী আৰু ইয়াৰ সুবিধাসমূহ
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হিপ্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- মূল্যবোধৰ শিক্ষাৰ ধাৰণা আৰু অর্থ ব্যাখ্যা কৰিব পাৰিব।
- মূল্যবোধ শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব চিনাক্ত কৰিবলৈ সমর্থ হ'ব।
- শিক্ষাত মূল্যবোধৰ কার্যাৱলীৰ প্রকাৰসমূহ চিনাক্ত কৰিব পাৰিব।
- মূল্যবোধৰ কার্যাৱলী আৰু সিহঁতৰ লগত সম্পর্ক থকা সুবিধাসমূহৰ বর্ণনা দিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

এই অধ্যায়টোৱে আমাক মূল্যবোধ শিক্ষাৰ প্রকৃত অর্থৰ লগত পৰিচয় কৰি দিব। আমি সকলোৱে মূল্যবোধ শিক্ষাৰ অর্থ আৰু দৈনন্দিন জীৱনত ইয়াৰ গুৰুত্বৰ বিষয়ে জনা উচিত। বর্তমান সমাজত মূল্যবোধ শিক্ষা খুবেই প্রয়োজনীয়। আমাৰ মাজৰ বহুতৰে মূল্যবোধৰ অর্থ আৰু প্রয়োজনীয়তাৰ তথা ব্যৱহাৰৰ বিষয় জ্ঞান আছে, কিন্তু সকলোৱে ইয়াৰ গভীৰতাক উপলব্ধি কৰিব নোৱাৰে। তথাপিও মানুহ হিচাপে বা সমাজৰ এজন দায়িত্বশীল সদস্য হিচাপে আমাৰ প্রত্যেকৰে মূল্যবোধৰ বিষয়ে সামগ্রিক ধাৰণা আৰু জ্ঞান থকাটো অতিকে প্রয়োজন।

শিক্ষাৰ বিষয়ে উপযুক্ত ধাৰণা এটা বুজি পোৱাৰ পাছত, কিদৰে উপযুক্ত শিক্ষাৰে মূল্যবোধৰ চেতনা জগাই তুলিব পাৰি এই বিষয়ে আমি জনা উচিত। এই অধ্যায়টোত মূল্যবোধ শিক্ষা আৰু ইয়াৰ বিভিন্ন কার্যাৱলীৰ সম্পর্কে সুন্দৰ আদর্শ দাঙি ধৰা হৈছে।

৭.৩ মূল্যবোধ শিক্ষাৰ অর্থ

মূল্যবোধ শিক্ষাৰ অর্থ আৰু ধাৰণা আলোচনা কৰাৰ আগতে আমি মূল্যবোধৰ অর্থৰ বিষয়ে শিকো আঁহক।

সাধাৰণতে কোৱা হয় যে— মূল্যবোধ হ'ল আচৰণৰ আদর্শ যিবিলাক আমাৰ সামাজিক, নৈতিক আৰু আধ্যাত্মিক ক্ষেত্রত সময়ৰ সোঁতত উদ্ভৱ হয়। ই মানুহৰ আচৰণৰ বিভিন্ন আদর্শমূলক দৃষ্টান্তৰ লগত জৰিত। অন্য অর্থত ক'ব পৰা যায় যে মূল্যবোধ, ব্যক্তিৰ জীৱন ধাৰণৰ লক্ষ্য উদ্দেশ্যত সন্নিহিত থাকে।

দার্শনিক দৃষ্টিকোণৰ পৰা কোৱা হয় যে— মানুহে তেওঁলোকৰ আচৰণ, জীৱন ধাৰণৰ শৈলী, তেওঁৰ বিশ্বাস, আদর্শ আৰু দৃষ্টিভংগীৰ সমন্বয়ত গঢ়ি তোলে। মূল্যবোধ হ'ল আদর্শ আচৰণৰ মাপকাঠি, যি সাংস্কৃতিক প্রচলিত ধাৰা আৰু ব্যক্তিগত বিবেচনাৰে প্রভাৱিত হয়। গতিকে সকলো গুণৰ ভাল দিশখিনি সামৰি মূল্যবোধৰ ধাৰণা গঢ়ি উঠে।

মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ক'ব পাৰি যে— মূল্যবোধ আচৰণৰ অনুভূতিক দিশৰ লগত জৰিত। ইয়াৰ অর্থ এইটোৱে যে— মূল্যবোধৰ জ্ঞান লাভ কৰাটোৱে যথেষ্ট নহয়। ই নিশ্চয়কৈ ব্যক্তিৰ ব্যক্তিত্বৰ লগত সন্নিহিত হ'ব লাগিব; তেতিয়াহে ইয়াৰ চিনাক্তকৰণ কৰিব পৰা যাব। গতিকে ক'ব পাৰি যে মানুহে তেওঁৰ অভিজ্ঞতাৰ পৰা শিকে আৰু এই অভিজ্ঞতাই আচৰণ নির্দেশিত কৰে। এই নির্দেশনা যিয়ে আমাৰ জীৱনৰ পথ প্রদর্শিত কৰে, তাকেই মূল্যবোধ বুলিব পাৰি।

ওপৰোক্ত আলোচনাৰ পৰা আমি বুজিব পাৰো যে— এজন ব্যক্তিৰ ব্যক্তিত্ব, তেওঁ গ্রহণ কৰা মূল্যবোধৰ ভিত্তিত নির্দ্ধাৰিত হয়। গতিকে মূল্যবোধ কোনো বস্তুৰ ৰূপত প্রত্যক্ষ নহয় বৰং ই প্রত্যক্ষ হয় বিবেচনাৰ দ্বাৰা, বস্তুৰ সম্পর্কে বিবেচনা, গুণাগুণৰ বিবেচনা, কোনো ঘটনা আৰু তাৰ প্রতিক্রিয়া সম্পর্কে ব্যক্তিগত বিবেচনাৰ দ্বাৰা। মূল্যবোধসমূহ ব্যক্তিগত যিহেতু, ব্যক্তি সাপেক্ষে মূল্যবোধৰ ধাৰণা গঠন হয়। কিন্তু সামূহিক বৈশিষ্টও মূল্যবোধে বহন কৰা দেখা যায়, যিহেতু বেলেগ বেলেগ চিন্তাবিদে মূল্যবোধৰ ধাৰণা ভিন্নভাৱে আগবঢ়াইছে। অলপোর্টৰ মতে মূল্যবোধ হ'ল এজন ব্যক্তিয়ে অগ্রাধিকাৰৰ দ্বাৰা কৰি যোৱা কর্মৰাজিৰ ওপৰত বিশ্বাস (Allport define– A belief upon which a man acts by preference) বিশিষ্ট ভাৰতীয় সমাজবিদ আৰ. কে মুখার্জীৰ মতে মূল্যবোধ হ'ল সামাজিকভাৱে স্বীকৃত ইচ্ছা বা বাঞ্ছা আৰু লক্ষ্যসমূহ যিবিলাক আভ্যন্তৰীণকৰণ হয় শিক্ষণৰ

অনুবন্ধন প্রক্রিয়াৰ মাধ্যমত বা সামাজিকীকৰণ আৰু সেইটো হয় বস্তুগত অগ্রাধিকাৰ, মানদণ্ড আৰু উচ্চাভিলাষ।' (Values are socially approved desires and goals that get internalized through the process of conditioned learning or socialization and that becomes subjective preferences standards and aspiration.)

গতিকে মূল্যবোধ এজন ব্যক্তিৰ ব্যক্তিত্বৰ মূল বিষয়বস্তু। যিকোনো মূল্যবোধ তাৰ প্রাথমিক স্তৰৰ পৰা বিকশিত হ'বলৈ সময়ৰ প্রয়োজন, ই প্রকৃতার্থত এক আর্জিত চৰিত্রৰ, য'ত প্রশিক্ষণ আৰু নির্দেশনাৰ প্রয়োজন। মূল্যবোধৰ ধাৰণা বিকশিত কৰিবৰ বাবে শিক্ষা আৰু উপযুক্ত পৰিবেশে অনুঘটকৰ দায়িত্ব বহন কৰা দেখা যায়। শিক্ষার্থীসকলেও শিক্ষণৰ বিভিন্ন স্তৰত মূল্যবোধ শিক্ষাৰ প্রতি নিৰবিচ্ছিন্ন আত্মপ্রয়াস কৰাটো, তেওঁলোকে বিচৰা ধৰণৰ মূল্যবোধ লাভ কৰিবৰ স্বার্থত খুবেই প্রয়োজনীয়।

মূল্যবোধৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰ মাধ্যমেৰে, মূল্যবোধ সম্পর্কে আমাৰ ধাৰণা অধিক স্পষ্ট হ'ব। এই বৈশিষ্ট্যসমূহ হ'ল—

- মূল্যবোধ হ'ল জীৱনৰ পথ প্রদর্শক নীতি, যিয়ে ব্যক্তিৰ প্রচেষ্টাক নিদের্শিত কৰে।
- মূল্যবোধ হ'ল বাঞ্ছনীয় নিয়ম বা আদর্শ, অথবা অগ্রাধিকাৰৰ মানদণ্ড, বিবেচনা বা বাচনি, কিন্তু কর্মৰ নীতি নহয়।
- মূল্যবোধ স্থিতিশীল নহয়।
- মূল্যবোধে ব্যক্তিৰ ব্যক্তিত্ব গঠনৰ কেন্দ্রস্থল আৰু বোধশক্তিৰো।
- মানুহৰ আচৰণ আৰু দৃষ্টিভংগী মূল্যবোধে নিৰূপণ কৰে। দৃষ্টিভংগী হ'ল মূল্যবোধৰ কর্মস্বৰূপ।
- মূল্যবোধ হ'ল সামাজিক প্রয়োজনবোধৰ ফলশ্রুতি। মূল্যবোধক শিক্ষণৰ দ্বাৰা আহৰণ কৰিব পাৰি আৰু সংস্কৃতি, সমাজ, অনুষ্ঠান-প্রতিষ্ঠান আৰু ব্যক্তিগত অভিজ্ঞতাই ইয়াক নিৰূপন কৰে।
- আমি শেষত ক'ব পাৰো যে— মূল্যবোধ হ'ল ইচ্ছাৰ চাবি-কাঠি, যাৰ দ্বাৰা মানুহে নিজকে গঠন কৰিবলৈ জীৱন ধাৰণ শৈলী সজাই লয়। এনে ব্যক্তিয়ে তেওঁলোকৰ প্রকৃত মূল্যবোধৰ প্রতিফলন ঘটায়।

এতিয়া আমি সকলোৰে মূল্যবোধৰ অর্থ জানিব পাৰিলো। মূল্যবোধৰ শিক্ষাৰ বিষয়ে আলোচনা কৰো আঁহক। আমি জানো যে মানুহৰ বিকাশ আৰু পৰিৱর্তনৰ শিক্ষা এক মূল শক্তি। স্বামী বিবেকানন্দৰ মতে— শিক্ষা হ'ল মানুহৰ তৈয়াৰ কৰা এক শৈলী। (Education is a man making progress. Swami Vivekananda) আচলতে শিক্ষাক বিকাশৰ আহিলা হিচাপে ধৰা হয় আৰু ইয়াৰ মাধ্যমেৰে মূল্যবোধ ব্যৱস্থাক সমাজভিত্তিক কৰি লোৱা হয়। দার্শনিক, আধ্যাত্মিক নেতা, শিক্ষাবিদসকলে শিক্ষাৰ দ্বাৰা শিশুসকলৰ চৰিত্র বিকাশৰ

ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ উপৰিও সামগ্ৰিকভাৱে ব্যক্তি আৰু সমাজৰ সুখ সমৃদ্ধিৰ বাবে শিক্ষাৰ মাধ্যমেৰে শিশুসকলৰ সংহত ব্যক্তিত্বৰ বিকাশ সাধন, সুপ্ত হৈ থকা গুণাৱলী আৰু সম্ভাৱনীয়তাসমূহ প্ৰকাশিত কৰি তোলা উচিত। শিক্ষাৰ প্ৰয়োজনীয় কার্যাৱলী হ'ল জ্ঞানৰ বিস্তাৰ কৰা, জীৱন-যাপনৰ প্ৰয়োজনীয় দক্ষতাৰ শিক্ষা দিয়া আৰু যুৱ প্ৰজন্মক পূৰ্ণ বিকশিত ব্যক্তি হিচাপে গঢ়ি তুলি সুন্দৰভাৱে জীৱন যাপন কৰিবলৈ যোগ্যতা প্ৰদান কৰা। এনেধৰণৰ কার্যাৱলীত মূল্যবোধে মুখ্য ভূমিকা গ্ৰহণ কৰে। উপযুক্ত শিক্ষাৰ দ্বাৰা সততা, সার্বজনীন প্ৰেম, সকলো ধর্মৰ প্ৰতি সন্মান প্ৰদর্শন, শাৰীৰিক কর্মৰ প্ৰতি মর্যাদা বা সেৱাৰ মনোভাৱ, সাধুতা, সাহস, বিশ্বস্ততা ইত্যাদিৰ দৰে মূল্যবোধৰ ধাৰণা উদয় কৰিব পৰা যায়। গতিকে শিক্ষাৰ প্ৰতিটো স্তৰতে মূল্যবোধৰ জ্ঞান দিয়া উচিত, বিশেষকৈ বিকাশ সাধনৰ প্ৰাথমিক স্তৰ কেইটাত, উদাহৰণ স্বৰূপে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ স্তৰত মূল্যবোধৰ শিক্ষা প্ৰদান অধিক ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা থাকে।



অনুঘটক ঃ এইটো এটা বিজ্ঞানসন্মত সংজ্ঞা। ইয়াৰ উপৰিও ইয়াক বিশদভাৱে বর্ণনা কৰিব পাৰি যে ই হ'ল দুজন বা ততোধিক মানুহৰ মাজত হোৱা কার্য নতু বা কোনো ক্ৰিয়া নোহোৱা এটা বল।

গতিকে মূল্যবোধৰ শিক্ষা হ'ল মন আৰু অন্তৰৰ প্ৰশিক্ষণ। এই শিক্ষাই মূল্যবোধ আৰু সদাচাৰৰ জ্ঞানেৰে শিশুক পৰিপূৰ্ণ কৰি তোলে। মূল্যবোধৰ শিক্ষা পাঠ্যক্ৰমত অন্তর্ভুক্ত কৰাটো প্ৰয়োজনীয়। আনুষ্ঠানিক শিক্ষা প্ৰয়োজনীয় আৰু গুৰুত্বপূর্ণ, কিন্তু ইয়াৰ গূঢ়ার্থ বুজিবলৈ হ'লে শিক্ষাই বিকশিত ব্যক্তি গঢ়ি তুলিব পাৰিব লাগিব। বর্তমানৰ তথ্য, জ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসংগত ব্যক্তিৰ অন্তগঠনৰ পুনঃনির্মাণ আৰু বিকাশ দুয়ো সংযোগী হৈ পৰিছে। মূল্যবোধৰ শিক্ষা হ'ল শিক্ষাত মূল্যবোধৰ প্ৰয়োগ যিয়ে সম্পূর্ণ বিকাশ সম্পূর্ণ কৰি তোলে। গতিকে যেতিয়া আমি শিক্ষাত মূল্যবোধ বুলি কওঁ আমি ক'ব পাৰো মূল্যবোধ শিক্ষা বা মূল্যবোধৰ চেতনা জগাই তোলাৰ পথত মূল্যবোধ ভিত্তিক শিক্ষাৰ প্ৰয়োগ উৎকৃষ্ট নিদর্শন।

শৈক্ষিক মূল্যবোধক চিন্তাবিদসকলে বিভিন্ন ধৰণে বর্ণনা কৰিছে। মূল্যবোধ ধাৰণা স্পষ্টকৈ বুজিবলৈ তলত দিয়া সংজ্ঞা কেইটা মন কৰিব পাৰোঁ—

কানিংহামৰ মতে শৈক্ষিক মূল্যবোধসমূহ শিক্ষাৰ লক্ষ্য হৈ পৰে। সেইমতে গুণসমূহ, সামর্থ্য আৰু দক্ষতাসমূহ ব্যক্তিৰ জীৱনত উন্নত কৰা হয় যিয়ে জীৱনত স্বাভাৱিক মূল্যবোধ গঠন কৰে। (Educational values become aims of education according to there qualities, abilities and capacities are promoted in the individuals which form inherent values in life– Cunnighum)

ব্ৰুবাচাৰৰ মতে— 'এগৰাকী ব্যক্তিৰ লক্ষ্যত অৱস্থিত হ'বলৈ হ'লে তৎক্ষণাত তেওঁ শৈক্ষিক মূল্যবোধত অৱস্থিত হ'ব লাগিব। (To state one's aim of education is at once to syaye his educational values– Brubacher)

মূল্যবোধ হ'ল প্ৰকৃত শিক্ষাৰ লক্ষ্য বা উদ্দেশ্যত উপনীত হোৱাৰ পথপ্ৰদর্শক, শিক্ষাৰ মাধ্যমেৰে মানসিক, শাৰীৰিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰিব পাৰি।

জানি থোৱা ভাল



মূল্যবোধ হ'ল আচৰণৰ আদর্শ যিবোৰ সময়ৰ গতিত উদ্ভৱ হয়। দার্শনিক দৃষ্টিভংগীৰ পৰা চালে দেখা যায় যে— মূল্যবোধ হ'ল বিবেকৰ দ্বাৰা নিদের্শিত নৈতিক আচৰণৰ মানদণ্ড। মনোবৈজ্ঞানিক দিশৰপৰা ক'বলৈ গ'লে মূল্যবোধৰ বিষয়ে জ্ঞান আহৰণ কৰাটোৱেই যথেষ্ট নহয়, ই এগৰাকী ব্যক্তিৰ ব্যক্তিত্বত সংহত হ'ব লাগিব। মূল্যবোধ অভিজ্ঞতা আৰু পূর্ণতাপ্রাপ্তিৰ লগে লগে সংস্কৃতি, সমাজ, অনুষ্ঠানসমূহ আৰু ব্যক্তিগত অভিজ্ঞতাৰ পৰা উদ্ভৱ হয় ।

শিক্ষা হ'ল সমাজ পৰিবর্তনৰ এবিধ আহিলা। শিক্ষাৰ আটাইতকৈ গুৰুত্বপূর্ণ কাম হ'ল জ্ঞান প্রদান কৰা, কিন্তু ঠিক সেই সময়তে ই শিক্ষার্থীসকলক সততা, সহনশীলতা, সাধুতা, কষ্টসহিষ্ণুতা, বয়োজ্যেষ্ঠসকলৰ প্রতি সন্মান, সাহসী, বিশ্বাসী আদি গুণবোৰেৰে সমৃদ্ধ কৰি তোলাটো শিক্ষকৰ দায়িত্ব। মূল্যবোধৰ শিক্ষা উপযুক্ত শিক্ষণৰেহে সঞ্জীৱিত কৰিব পাৰি। শৈক্ষিক প্রক্রিয়াৰ মাজেৰে মূল্যবোধ সৃষ্টি কৰিবলৈ বিচৰাটো এটা সুন্দৰ প্রচেষ্টা।



অগ্রগতি নিৰীক্ষণ ঃ

১ নং প্রশ্ন ঃ মূল্যবোধ শিক্ষা কি?

.....

.....

২ নং প্রশ্ন ঃ মূল্যবোধ শিক্ষাৰ এটা সংজ্ঞা আগবঢ়াওক?

.....

.....

৩ নং প্রশ্ন ঃ ব্যক্তিৰ মনত মূল্যবোধৰ ধাৰণা কিদৰে বিকাশ কৰিব পৰা যায়?

.....

.....

৭.৪ মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহ

আমি মূল্যবোধ আৰু মূল্যবোধ শিক্ষাৰ বিষয়ে এটা স্পষ্ট ধাৰণা জানিব পাৰিলো। এতিয়া আমি মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহৰ বিষয়ে আলোচনা কৰিম। পৰম্পৰাগতভাৱে মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহ দার্শনিক আৰু ধর্মীয় মতবাদৰ ভিত্তিত স্থিত, কিন্তু সময়ৰ পৰিৱর্তনৰ লগতে বিভিন্ন তত্ত্বসমূহো উত্থাপিত হৈছে, যেনে সামাজিক, জাতীয়, জ্ঞানসম্পর্কীয়,

নৈতিক ইত্যাদি, যিয়ে শিক্ষাৰ পৰিসৰো বহল আৰু ভিন্নতাপূৰ্ণ কৰি তুলিছে। এই মূল্যবোধৰ ধাৰণাই শিক্ষা মূল্যবোধৰ পাঁচটা দিশ নির্দেশিত কৰিছে, এই দিশসমূহ হ'ল— শাৰীৰিক শিক্ষা, মানসিক শিক্ষা, অনুভূতি সম্পর্কিত বা আবেগিক শিক্ষা, আধ্যাত্মিক শিক্ষা আৰু নৈতিক আৰু আত্মিক শিক্ষাৰ দিশ নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ ক্ষেত্রত মূল্যবোধ প্রকল্পিত হয় নিয়মানৱর্তিতা, বিশ্বাসযোগ্যতা, সৰলতা, আজ্ঞা পালন, কৃতজ্ঞতা, পৰহিতৈষিতা, স্বার্থহীনতা, আনন্দমুখৰতা, স্বাধীনতা, মইবৰ ভাবহীনতা, আনন্দ আৰু বিষাদৰ ক্ষেত্রত সৌম্যভাব, সন্মান আৰু অসন্মানৰ ক্ষেত্রত সৌম্যভাব, গভীৰ আৰু উচ্চতাৰ অনুধাৱন, সম্পূর্ণতা আৰু চূড়ান্ততাৰ অনুধা ৱন, চিন্তা অনুভূতি আৰু কমৰ প্রগতিশীল প্রকাশৰ অনুধাৱন ইত্যাদিবোৰৰ পৰা মূল্যবোধ গঢ় লৈ উঠে। এইটো আশা কৰা হয় যে— মূল্যবোধৰ শিক্ষাই ব্যক্তিক অধিক পৰিস্থিতি সাপেক্ষভাবে আচৰণৰ কলা আৰু ধৰণ গঠন আৰু বিশ্বাস শক্তিশালী কৰণ আৰু তত্ত্বসমূহৰ অগ্রগতিৰ দিশত একত্রীকৰণত সহায়ক হ'ব। মূল্যবোধ শিক্ষাৰ মূল উদ্দেশ্যসমূহ হ'ল—

- ব্যক্তি জীৱনত মূল্যবোধৰ গুৰুত্বৰ বিষয়ে অৱগত কৰোৱা।
- মৌলিক গুণাগুণ যেনে— তুলনা, সত্যতা, শান্তিপ্রিয়তা, ন্যায়পৰায় ণতা ইত্যাদিবোৰ শিশুৰ মনত জগাই তোলা।
- শিশুসকলক তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক জীৱনত দায়িত্ববোধ ধাৰণা জগাই তোলা।
- ব্যক্তিৰ নিজা ব্যক্তিত্ব আৰু আন ব্যক্তিৰ প্রতি উচিত ব্যক্তিত্বৰ দৃষ্টিভংগী জগাই তোলা।
- তেওঁলোকক চিন্তা আৰু আচৰণৰ ক্ষেত্রত মুকলি মনৰ আৰু সহৃদয়তাপূৰ্ণ কৰি গঢ়ি তোলা।
- ধর্মীয়, ভাষিক, লিংগ, জাতি বা বর্ণৰ ভিত্তিত থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰসমূহ মষিমূৰ কৰা।
- বিশ্বৰ প্রধান ধর্মসমূহৰ মুখ্য নীতিসমূহৰ সন্মান আৰু সমর্থনৰ ভাব জগাই তোলা।
- ভাৰতীয় সংস্কৃতিৰ উৎকৃষ্ট নিদর্শন সমূহৰ জ্ঞান আৰু আমাৰ ৰাষ্ট্রীয় লক্ষ্য উদ্দেশ্যসমূহৰ গুৰুত্ব সম্পর্কে জ্ঞানৰ প্রসাৰ।
- শিশুক বিশ্বৰ বিভিন্ন নেতাসকলৰ দ্বাৰা উদ্ভাৰিত মূল্যবোধৰ গূঢ়ার্থ আৰু প্রাসংগিকতা সম্পর্কে ধাৰণা জগাই তোলা।
- অৱশেষত ৰাষ্ট্রীয় পৰিচয়ৰ চেতনা আৰু দেশপ্রেম শিশুৰ মাজত জগাই তোলা।

শিশুৰ মাজত ৰাষ্ট্রীয় পৰিচয়ৰ চেতনা আৰু দেশপ্রেম জগাই তুলিবলৈ এই দুয়োটা দিশে মূল্যবোধ শিক্ষাৰ পৰিকল্পনা বিশ্বৰ সকলো দেশতে প্রসাৰিত কৰাৰ সহযোগী কার্যসূচী।



অগ্রগতি নিৰীক্ষণ

৪ নং প্রশ্ন ঃ মূল্যবোধ শিক্ষাৰ পৰম্পৰাগত উদ্দেশ্যসমূহৰ দিশ দুটা কি কি?

.....

.....

৫ নং প্রশ্ন ঃ মূল্যবোধ শিক্ষাৰ ক্ষেত্ৰ পাঁচবিধ চিনাক্ত কৰক?

.....

.....

৬ নং প্রশ্ন ঃ সমগ্ৰ বিশ্বৰ মূল্যবোধ শিক্ষাৰ আঁচনিৰ মূল সহযোগী কার্যাৱলী বা দিশসমূহ কি কি?

.....

.....

৭.৫ মূল্যবোধ শিক্ষাৰ গুৰুত্ব আৰু প্রয়োজন

ইতিমধ্যে আমি মূল্যবোধৰ বিভিন্ন দিশসমূহ অধ্যয়ন কৰিলো। এতিয়া প্রশ্ন হয় যে— মূল্যবোধ শিক্ষাৰ ওপৰত আমি কিয় ইমান গুৰুত্ব প্রদান কৰিছো? কিয় মূল্যবোধৰ শিক্ষা প্রতিটো স্তৰতে দিয়াত গুৰুত্ব প্রদান কৰা হৈছে। এই বিষয়সমূহৰ ওপৰত অধ্যায়টিৰ এই অংশটিত আমি আলোচনা কৰিম।

আমাৰ সমাজত বিশেষকৈ যুৱ প্রজন্মৰ মাজত সামাজিক আৰু নৈতিক স্খলন হোৱা পৰিলক্ষিত হৈছে যিয়ে সমাজত নৈতিক আৰু মূল্যবোধৰ তুমুল সংঘর্ষৰ সৃষ্টি কৰিছে। এই মূল্যবোধৰ স্খলন ৰোধ কৰাৰ একমাত্র উপায় হ'ল— সকৰাত্মক আত্মউপলব্ধিকৰণ। বর্তমান সময়ত মূল্যবোধ শিক্ষা অতিকে প্রয়োজনীয়। খৰতকীয়া বিজ্ঞানৰ বিকাশ আৰু প্রযুক্তিৰ উন্নতি আৰু সফলতাই যি উদ্যোগীকৰণ জন্ম দিছে, পৰম্পৰাগত নৈতিক মানদণ্ডসমূহক অৱহেলিত হোৱাৰ উদগনি দিছে। এই প্রসংগত ৰাষ্ট্রীয় শিক্ষা আঁচনি (NPE1986) শিক্ষাক সামাজিক আৰু নৈতিক মূলবোধ জগাই তোলাৰ এক উদ্দেশ্যপূর্ণ আৰু শক্তিশালী আহিলা হিচাপে চিনাক্ত কৰি মূল্যবোধ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু উল্লেখিত কৰিছে যে— (In our culturally plural society, education should foster universal and eternal values oriented towards the unity and integration of our people.") আমাৰ সংস্কৃতিৰে সুসজ্জিত সমাজখনত শিক্ষাই মানুহৰ একতা আৰু সংহতিত যোগদান দিব পৰাকৈ সামগ্রিক আৰু অন্তর্নিহিত মূল্যবোধৰ ওপৰত গুৰুত্ব দিয়া উচিত। মূল্যবোধ শিক্ষাৰ উন্নত মানদণ্ডৰ বিষয় আছে যিবোৰ আমাৰ সাংস্কৃতিক মর্যাদাপূর্ণ দিশসমূহ, ৰাষ্ট্রীয়

উদ্দেশ্য, সামগ্রিক অন্বেষণৰ ওপৰত স্থিত। সামাজিক পৰিৱর্তনৰ প্রসংগত, কেৱল শিক্ষার্থীক শিক্ষা দিয়া আৰু কৌশল অনুশীলন কৰোৱাই শিক্ষাৰ উদ্দেশ্য নহয়, ইয়াৰ লগতে মানৱতাৰ মূল্যবোধ জগাই তোলা, গণতন্ত্র, সমাজবাদ, একতা, সার্বভৌমত্ব আৰু ৰাষ্ট্রীয় সংহতি, চেতনা প্রসাৰো ইয়াৰ অন্যতম উদ্দেশ্য আৰু কার্যাৱলী। বিশ্বৰ এক বৃহৎ চাম চিন্তাবিদ আৰু শিক্ষাবিদে মূল্যবোধ শিক্ষাৰ দ্বাৰা জগাই তোলাৰ ওপৰত গুৰুত্ব দিছে, যি এতিয়াও বিতর্কৰ মাজত জীৱনৰ বিভিন্ন অংশৰ লগত জড়িত হৈ আছে। ১৯৪৯ৰ বিশ্ববিদ্যালয় শিক্ষা সমিতিত উত্থাপিত হৈছিল যে— সত্য অন্বেষণৰ প্রাসংগিকতাত, বিজ্ঞানসন্মত আৰু শিক্ষার্থীৰ প্রয়োজন সাপেক্ষে শিক্ষাৰ এটা মূল কার্য হ'ল মূল্যবোধৰ পৰিচয় তেওঁলোকক দাঙি ধৰা। ১৯৬৪-৬৬ৰ ৰাষ্ট্রীয় শিক্ষা নীতিত ৰাষ্ট্রীয় বিকশিত শিক্ষাৰ ভূমিকাৰ ওপৰত গুৰুত্ব প্রদান কৰিছে । উচ্চ শিক্ষাৰ কার্যাৱলী হ'ল উপযুক্ত অনুৰাগৰ সৃষ্টি, দৃষ্টিভংগী গঠন, নৈতিক আৰু বিবেক শক্তি, মূল্যবোধ সৃষ্টি শিক্ষাৰ কার্য হোৱা উচিত। ১৯৮৬ চনত ৰাষ্ট্রীয় শিক্ষানীতিয়ে নিৰীক্ষণ কৰে যে— (The growing concern over the erosion of essential values and an increasing cynicism in society has brought to focus the need for readjustment in the curriculum in order to make education as a forceful tool for the cultivation of social and moral values.)

The programme of Action (POA) সামাজিক আৰু শিক্ষাৰ অন্তঃ সম্পর্কৰ ক্ষেত্রত এক কার্যক্ষম ধাৰণা আগবঢ়াইছে— 'to promote the process of child's personality development, particularly in terms of discovering the inhenent potentialities of the children.' শিশুৰ ব্যক্তিত্ব বিকাশৰ পদ্ধতি নিৰূপণ কৰিবলৈ আৰু বিশেষকৈ শিশুৰ অন্তর্নিহিত সম্ভাৱনীয়তাসমূহ বিকশাই তুলিবলৈ মূল্যবোধ শিক্ষাৰ বর্তমান সময়ত প্রয়োজন আৰু ইয়াক তলত দিয়া ধাৰণাসমূহৰ পৰা চিনাক্ত কৰিব পাৰি।

- **সকৰাত্মক সামাজিক দৃষ্টিভংগী গঠন ঃ** মূল্যবোধ সম্বন্ধিত শিক্ষাই সকৰাত্মক সামাজিক দৃষ্টিভংগী গঢ়ি তোলাত সহায় কৰে। মূল্যবোধ সন্নিহিত শিক্ষাৰ জৰিয়তে শিক্ষার্থী সমাজৰ আঁসোৱাহসমূহৰ লগত ভালদৰে পৰিচিত হয়, যেনে— দুর্নীতি, অসাধুতা, প্রাসংগিকতা, বন্যতা, নিৰীহৰ অমানুষিক হত্যা, ডাইনী ইত্যাদি, যিয়ে ৰাষ্ট্রৰ বিকাশত বাধাৰ সৃষ্টি কৰিছে। তেওঁলোকে এইবোৰৰ বিবোধে মাত মাতিব যোগ্য হৈ উঠে।
- **নৈতিক গুণসমূহৰ বিকাশ ঃ** শিক্ষার্থীৰ মাজত নৈতিক গুণ বিকশাই তুলিবলৈ মূল্যবোধ শিক্ষাৰ প্রয়োজন। সত্যবাদিতা, ন্যায়পৰায়ণতা, বয়োজ্যেষ্ঠৰ প্রতি সন্মান, সেৱাৰ মনোভাব, কষ্টসহিষ্ণুতা, সহৃদয়তা, ত্যাগ ইত্যাদি গুণবোৰ চৰিত্র আৰু ব্যক্তিত্ব বিকাশৰ ভেটি। মূল্যবোধ শিক্ষাই এই গুণসমূহ অর্জনত সহায় কৰে।
- **ৰাষ্ট্রীয় বস্তুনিষ্ঠ দৃষ্টিভংগী ঃ** আধুনিক বিশ্ব হ'ল টকা-পইচা, সম্পত্তি, মাটি আৰু অন্য সম্পত্তিৰ এক ৰম্যভূমি স্বৰূপ। মূল্যবোধ শিক্ষা এই বস্তুনিষ্ঠতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ এক উৎকৃষ্ট আহিলা। ই নৈতিক আৰু মানৱতাৰ মূল্যবোধৰ প্রতি সন্মান

জগাই তোলে যাৰ অবিহনে এটা সুন্দৰ সুখী জীৱন কল্পনাও কৰিব নোৱাৰি।

- **মানৱীয়কৰণৰ প্ৰভাৱ ঃ** মূল্যবোধ সম্বন্ধিত শিক্ষাই মানৱীয়কৰণৰ দ্বাৰা মানুহৰ উচ্চ সম্ভাৱনীয়তাসমূহ অৱগত কৰে আৰু উন্নত জীৱন সুনিশ্চিত কৰে। ই মানুহক স্বয়ংক্ৰিয় বিকাশ আৰু সমাজৰ বিকাশৰ বাবে উপযোগী কৰি তোলে।
- **সহযোগিতা আৰু ভ্ৰাতৃত্ববোধৰ প্ৰসাৰ ঃ** সমাজৰ সদস্যসকলৰ মাজত সহযোগিতা আৰু ভ্ৰাতৃত্ববোধ জগাই তুলিবলৈ মূল্যবোধ শিক্ষাৰ প্ৰয়োজন। আমি সমাজত বহুলভাৱে প্ৰচাৰিত হিংসাৰ ভাব, অসহযোগিতা, বিবাদ আদি দেখি আহিছো। মূল্যবোধ শিক্ষাই কষ্টসহিষ্ণুতা, সহযোগিতাৰ চেতনা, আনৰ প্ৰতি সন্মান, স্বনিয়ন্ত্ৰণ, আৱেগিক ভাব ইত্যাদি জগাই তোলে যিয়ে শিক্ষাৰ্থীক উচিত আচৰণ গঢ়ি তোলাত সহায় কৰে।
- **গণতান্ত্ৰিক গুণসমূহ জগাই তোলা ঃ** গণতন্ত্ৰৰ গুণসমূহ যেনে— মানৱতা, সামাজিক আৰু ব্যক্তিগত ন্যায়, সমতা, ভ্ৰাতৃত্ববোধ ইত্যাদি মূল্যবোধৰ শিক্ষাৰ বাবে প্ৰয়োজনীয়। ভাল প্ৰমূল্যবোধ আৰু চৰিত্ৰ য'ত ন্যায়পৰায়ণতা সন্নিহিত থাকে, ই গণতন্ত্ৰৰ পৰিচয় সম্পন্ন আৰু নেতৃত্বৰ গুণৰ বাবে খুবেই প্ৰয়োজনীয়। এনে নেতৃত্বৰ গুণ কেৱল মূল্যবোধৰ শিক্ষাৰ দ্বাৰাহে বিকশিত কৰি তুলিব পাৰি।

মূল্যবোধৰ ওপৰত ওপৰোক্ত আলোচনাৰ পৰা আমি ক'ব পাৰো যে— মূল্যবোধ শিক্ষা বৰ্তমান সময়ৰ প্ৰয়োজন। প্ৰায় সকলো শিক্ষা দাৰ্শনিকে মূল্যবোধ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। প্ৰায় সকলো শৈক্ষিক আঁচনিয়ে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিষয়ে নিৰ্দেশনা দিছে। আগতেও উল্লেখ কৰা হৈছে যে যিদৰে এই পৃথিৱীখনৰ লগত আমাৰ সম্পৰ্ক স্থায়ী নহয় সেইদৰে মূল্যবোধো স্থায়ী নহয়। অভিজ্ঞতা আহৰণ আৰু পূৰ্ণতাপ্ৰাপ্ত হোৱাৰ দৰেই মূল্যবোধো পূৰ্ণতাপ্ৰাপ্ত হয়। গতিকে শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনক আচৰণ, প্ৰশিক্ষণ, উৎপাদনশীল কৰ্ম তথা লক্ষ্যৰ নিদেৰ্শনাৰে প্ৰশিক্ষণ দিয়া উচিত। গতিকে মূল্যবোধ অবিহনে জীৱন মাথো নিৰৰ্থক ঘটনা কিছুমানৰ সমষ্টি হৈ পৰিব।



অগ্ৰগতি নিৰীক্ষণ

৭ নং প্ৰশ্ন ঃ মূল্যবোধ শিক্ষা কিয় প্ৰয়োজনীয়?

.....

.....

৮ নং প্ৰশ্ন ঃ সমাজ পৰিবৰ্তনৰ ধাৰাত মূল্যবোধৰ প্ৰকাশিত উপাদানসমূহ উল্লেখ কৰক?

.....

.....

৯ নং প্রশ্ন ঃ ১৯৬৮-৬৬ চনৰ জাতীয় শিক্ষাৰ গুৰুত্ব সম্পর্কে প্রকাশিত কথাখিনিৰ এটা চমু মন্তব্য আগবঢ়াওক।

.....

.....

৭.৬ মূল্যবোধৰ প্রকাৰ

বিশেষত্ববোৰৰ ভিত্তিত মূল্যবোধক কেইবাটাও ভাগত বিভক্ত কৰিব পাৰি, এই প্রকাৰ কেইটা হ'ল—

- সৌন্দর্যবোধৰ মূল্যবোধ— য'ত কলা, ভাস্কর্য, নৃত্য, চিত্রাংকন, অভিনয়, সংগীত ইত্যাদি সন্নিহিত হয়।
- আধ্যাত্মিক মূল্যবোধ ই আত্মাৰ লগত জড়িত আৰু বস্তুবাদৰ বিৰোধী, ইয়াত আত্মা আৰু পৰমাত্মাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।
- নৈতিক মূল্যবোধ যি কৃষ্টিৰ লগত জড়িত।
- সামাজিক মূল্যবোধ সমাজ আৰু সমাজৰ উন্নতিৰ লগত জড়িত।

পোনপটীয়াভাৱে ক'বলৈ গ'লে সৌন্দর্যবোধৰ মূল্যবোধ এটা বস্তু সম্পর্কে আমাৰ সুন্দৰ বা কুৎসিত এই ধাৰণাকে বুজায়। যদিহে এজন ব্যক্তিৰ সৌন্দর্যবোধৰ মূল্যবোধ থাকে তেওঁ এটি হৃদৰ সৌন্দর্য উপভোগ কৰিব পাৰিব। গতিকে সৌন্দর্যবোধ মূল্যবোধ শিক্ষাৰ এক গুৰুত্বপূর্ণ অংশ। আধ্যাত্মিক মূল্যবোধ বিশ্বব্রহ্মাণ্ডৰ প্রকৃত সত্যৰ লগত জড়িত, য'ত বিশ্বাস কৰা হয় যে— পৃথিৱীখনৰ পৰিসৰৰ ঊর্ধত এক সর্বোচ্চ শক্তি আছে আৰু সমগ্র বিশ্বব্রহ্মাণ্ড তেওঁৰ সৃষ্টি। গতিকে আধ্যাত্মিক মূল্যবোধে বিশ্বব্রহ্মাণ্ডৰ আধ্যত্মিক বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞান দিয়ে। নৈতিক মূল্যবোধ মানুহৰ উচিত অনুচিতক বিবেচনা কৰাৰ চেতনাৰ লগত জড়িত বুলি কোৱা হয়। প্রত্যেক ব্যক্তিয়ে শুদ্ধ পথ বাচিব পাৰিব বুলি আশা কৰা যায়। সামাজিক মূল্যবোধ হ'ল আমি বন্ধুত্ব পৰিয়ালৰ পৰা লাভ কৰা সম্পত্তি। এই মূল্যবোধসমূহ আমি বাস কৰা সমাজখনৰ লগত জড়িত।

ব্রুৰ্বাচাৰে (Brubacher) মূল্যবোধক আকৌ দুটা ভাগত বিভক্ত কৰাত সমর্থন আগবঢ়াইছে। এই দুটা হ'ল—

- **ব্যক্তিৰ প্রদণ্ডৰ লগত জড়িত বা তৎকালীন মূল্যবোধ ঃ** এই মূল্যবোধসমূহ শিশুৰ দৈহিক আৰু মানসিক প্রয়োজনৰ লগত জড়িত। কেৱল তৎকালীন সামগ্রী বা বস্তুৰেহে এনে মূল্যবোধৰ প্রয়োজন পূৰাব পাৰে।
- **বৌদ্ধিক বা যন্ত্রচালিত মূল্যবোধ ঃ** এই মূল্যবোধসমূহ ব্যক্তিৰ বৌদ্ধিক আৰু তাত্ত্বিক প্রয়োজনৰ লগত ওতঃপ্রোতভাৱে জড়িত। শিক্ষানুষ্ঠানৰ বিভিন্ন কার্যসূচীয়ে ছাত্র-ছাত্রীৰ প্রয়োজনসমূহ পূৰণ কৰে বুলি কোৱা হয়, কিন্তু ইয়াৰ কিছুসংখ্যক

প্রয়োজনীয়তাতহে বেছি গুৰুত্ব দিয়া হয়। পাছত এই মূল্যবোধক অন্য দুটা ভাগত বিভক্ত কৰা হৈছে। এইকেইটা হ'ল— বহিৰাগত আৰু অন্তর্নিহিত মূল্যবোধ।



জানি থোৱা ভাল

মানৰ সমাজৰ ভিন্ন বিষয়ৰ ওপৰত ভিত্তি কৰি, মূল্যবোধক বিভিন্ন ভাগত বিভক্ত কৰা দেখা যায়, যেনে সামাজিক মূল্যবোধ, নৈতিক মূল্যবোধ, সাংস্কৃতিক মূল্যবোধ আৰু ধর্মনিৰপেক্ষতাৰ মূল্যবোধ ইত্যাদি। W. G. Everet নামৰ শিক্ষাবিদ গৰাকীয়ে মূল্যবোধক আঠটা ভাগত বিভক্ত কৰিছে, এই কেইটা হ'ল— অর্থনৈতিক মূল্যবোধ, দৈহিক মূল্যবোধ, পুনঃনির্মাণ মূল্যবোধ, সংযোজনৰ মূল্যবোধ, চাৰিত্রিক মূল্যবোধ, সৌন্দর্যমূলক মূল্যবোধ, বৌদ্ধিক মূল্যবোধ আৰু ধর্মীয়মূল্যবোধ।



অগ্রগতি নিৰীক্ষণ

১০নং প্রশ্ন ঃ ব্রুবাচাৰে কোৱা শৈক্ষিক মূল্যবোধ দুটা কি কি?

.....

.....

১১নং প্রশ্ন ঃ বহিঃগত আৰু অন্তর্গত মূল্যবোধৰ বিষয়ে চমুকৈ লিখক?

.....

.....

১২নং প্রশ্ন ঃ মূল্যবোধৰ আঠটা প্রকাৰ উল্লেখ কৰক?

.....

.....

৭.৭ মূল্যবোধ জড়িত কার্যাৱলীসমূহ আৰু সেইবিলাকৰ লগত জড়িত সুবিধাসমূহ

ওপৰোক্ত আলোচনাৰ পৰা আমি জানিব পাৰিছো যে সামাজিক পৰিবেশত মানৰ জাতি হিচাপে জীয়াই থাকিবলৈ মূল্যবোধ শিক্ষা অত্যন্ত প্রয়োজনীয়। ন শিকাৰুসকলৰ মনত মূল্যবোধৰ চেতনা জগাই তুলিবলৈ আমি নিশ্চিতভাৱে কিছুমান মূল্যবোধ সন্নিহিত কার্যাৱলী ৰূপায়ণ কৰিব লাগিব, এনে কিছু কার্যাৱলী তলত উল্লেখ কৰা হ'ল—

শিক্ষানুষ্ঠানত মূল্যবোধ সন্নিহিত কার্যাৱলী ঃ

- শিক্ষানুষ্ঠানত সামূহিক প্রার্থনা।

- শিক্ষানুষ্ঠানত সামূহিক কাম-কাজত অংশগ্রহণ।
- সামূহিত সেৱা আঁচনি।
- মেলা, উৎসৱ পার্বণত সমাজসেৱা আঁচনি।
- প্রাথমিক চিকিৎসা আঁচনি।
- জাতীয় গুৰুত্বসম্পন্ন দিৱস, উৎসৱ উদ্‌যাপন।
- বিভিন্ন খেলা-ধূলা কার্যসূচী আয়োজন আৰু অংশগ্রহণ।
- বিদ্যালয় একতা সভা, সমবায়, পঞ্চায়ত আদি গঠন।

বক্তৃতা, তর্ক আৰু আলোচনা চক্র ইত্যাদি ঃ

- সকলো ধর্মৰ মাজত একতাৰ ভাব, বিভিন্ন সম্প্রদায়ৰ মাজত বুজাবুজি আৰু সমৃদ্ধি আৰু ৰাষ্ট্রীয় সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা, বক্তৃতা, তর্ক, আলোচনা চক্র আদি আয়োজন কৰা।
- জীৱনী, গল্প, প্রবন্ধ, ধ্রুপদী, বাতৰিকাকত ইত্যাদিৰ মাধ্যমত শ্রেণীকোঠাৰ পাঠদান।
- শিক্ষকৰ ব্যক্তিগত অভিজ্ঞতাৰ উদাহৰণ দাঙি ধৰা। ইয়াত শিক্ষকে ভাল আচৰণ, ব্যৱহাৰ আৰু অভ্যাসৰ উদাহৰণ মনত সজাই লৈ ছাত্র-ছাত্রীক অৱগত কৰোৱা উচিত; যাৰ দ্বাৰা শিক্ষার্থীয়ে মূল্যবোধৰ উচিত জ্ঞান লাভ কৰিব পাৰিব।

এই আঁচনিসমূহৰ আটাইতকৈ গুৰুত্বপূর্ণ কার্য হ'ল— শিক্ষকে নিজে ভাল আচৰণ, ব্যৱহাৰৰ কিছু আদর্শ ছাত্র-ছাত্রীৰ সন্মুখত দাঙি ধৰিব পৰা উচিত, যাক অনুসৰণ কৰি তেওঁলোকেও উচিত চাৰিত্রিক গুণসমূহৰ অধিকাৰী হ'ব পাৰিব।

জাতীয় শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদে বিদ্যালয়ৰ পৰিবেশৰ বাবে মূল্যবোধৰ তালিকা প্রস্তুত কৰিছে। এই তালিকাত তলত দিয়া বিষয়বস্তুসমূহ সন্নিহিত কৰা হৈছে—

- সংবিধানত উল্লেখিত নাগৰিকৰ কর্তব্য আৰু অধিকাৰ সম্পর্কে অৱগত কৰোৱা।
- সমাজৰ স্থায়িত্ব আৰু বিকাশৰ বাবে নৈতিকতাৰ প্রয়োজনৰ ওপৰত গুৰুত্ব প্রদান। ইয়াত আচৰণৰ ভেটিসমূহ সন্নিবিষ্ট হৈ আছে যেনে— সন্মান, বিশ্বাস, সহৃদয়তা, ক্ষমাদান, অনুশাসন, নিয়মানুবর্তিতা নীতিজ্ঞান, কর্ম আৰু অন্য ব্যক্তিৰ লগত ব্যৱহাৰৰ সততা, সহযোগিতা আৰু উত্তম আচৰণ।
- সামাজিক দৃষ্টিভংগীৰ লগত সম্পর্ক যুক্ত নৈতিক কার্যাৱলী সম্পাদন কৰা দিশসমূহ অৱগত কৰোৱা।
- সাহস, সততা, সার্বজনীন প্রেম, শাৰীৰিক শ্রমৰ মর্যাদা, সেৱা, চাফ চিকুণতা, নির্ভেজাল, সৌন্দর্যবোধ, শান্তি, আনন্দ আদি মূল্যবোধৰ অনুশীলন কৰোৱা।
- NCERT যে শিক্ষার্থীৰ মাজত মূল্যবোধৰ ভাব জগাই তুলিবলৈ তলত দিয়া কার্যাৱলীসমূহ উল্লেখিত কৰিছে—

- সমূহীয়া প্রার্থনা অনুষ্ঠান।
- স্বাস্থ্য আৰু চাফ চিকুণতাৰ কার্যসূচী।
- শ্রেণী শিক্ষাদান।
- উৎপাদনমূলক শাৰীৰিক কর্মমূলক অনুষ্ঠান।
- নাগৰিকত্বৰ প্রশিক্ষণমূলক কার্যাৱলীসমূহ, সাংস্কৃতিক আৰু আমোদজনক কার্যাৱলী আৰু সমাজ সেৱামূলক কার্যাৱলীসমূহ।



অগ্রগতি নিৰীক্ষণ

১৩নং প্রশ্ন ঃ বিদ্যালয় পৰিবেশত মূল্যবোধ শিক্ষাৰ চাৰিবিধ কার্যসূচীৰ বিষয়ে উল্লেখ কৰক।

.....

.....

১৪নং প্রশ্ন ঃ মুল্যবোধৰ শিক্ষা দিয়া- কেইজন মহান ব্যক্তিৰ উদাহৰণ দিয়ক।

.....

.....

.....

.....

.....

১৫নং প্রশ্ন ঃ জাতীয় শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদে নির্বাচন কৰি দিয়া মূল্যবোধ ভিত্তিত শিক্ষাৰ কার্যাৱলীসমূহ কি কি?

.....

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মূল্যবোধ প্রত্যক্ষ আৰু পৰোক্ষ উভয় পৰিস্থিতি আৰু উদগণিৰ সংযোজন। প্রকৃততে মূল্যবোধৰ বিবেচনা চিন্তা, অনুভূতি আৰু ইচ্ছাশক্তি লগতে ব্যক্তিৰ মানসিক আৰু ব্যক্তিগত সন্তুষ্টিৰ লগত জড়িত হৈ থাকে।
- মূল্যবোধ শিক্ষা শিক্ষণৰ এটা অন্তর্নিহিত অংশ। সমাজত স্বীকৃত আচৰণ, মানসিক সুস্থতা, শাৰীৰিক স্বাস্থ্য আদিবোৰ সাধাৰণভাবে মূল্যবোধ শিক্ষাই নির্দেশিত কৰে।

ই উপযুক্ত সামাজিক আচৰণ, নাগৰিকত্বৰ অধিকাৰ আৰু কর্তব্যসমূহো সামৰি লয় য'ত সৌন্দর্যবোধ আৰু ধর্মীয় প্রশিক্ষণো জড়িত থাকে।

- প্রকৃততে মূল্যবোধ হ'ল জীৱনৰ নির্দেশনামূলক নীতি; যিয়ে ব্যক্তিৰ শাৰীৰিক, সামাজিক আৰু মানসিক স্বাস্থ্য বিকাশত সহায়ক হয়।
- বিশ্বৰ সকলো দেশতে মূল্যবোধ শিক্ষাৰ এক অন্যতম কার্যাৱলী হ'ল শিশুসকলৰ মাজত ৰাষ্ট্রীয় পৰিচয় আৰু দেশপ্রেমৰ চেতনা জগাই তোলা।
- সামাজিক পৰিৱর্তনৰ পৰিপ্রেক্ষিতত মূল্যবোধ শিক্ষাই কেৱল তথ্য আৰু পাৰদর্শিতাৰে শিক্ষার্থী যোগান নধৰে, ইয়াৰ উপৰিও মানৱতাৰ মূল্যবোধ, গণতন্ত্র, সমাজতন্ত্র, ধর্মনিৰপেক্ষতা আৰু ৰাষ্ট্রীয় সংহতিৰো চেতনা যোগান ধৰে।
- বিশ্বৰ বৃহৎ সংখ্যক শিক্ষাবিদে শিক্ষাৰ দ্বাৰা মূল্যবোধ জগাই তোলাত গুৰুত্ব আৰোপ কৰিছে, যিয়ে জীৱনৰ বিভিন্ন স্তৰত সংঘর্ষৰ মুখামুখি হৈছে।
- ইউনিভার্চিটি এডুকেচন কমিচন (University Education Commission), কোঠাৰী শিক্ষা আঁচনি 1964-66 (Kothari Education Commission) ১৯৮৬ৰ ৰাষ্ট্রীয় শিক্ষানীতি ইত্যাদিয়ে শিক্ষার্থীৰ মনত মূল্যবোধৰ ধাৰণা জগাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।
- মূল্যবোধক তৎকালীন আৰু স্থায়ী, সামাজিক, নৈতিক, সাংস্কৃতিক আৰু ধর্ম নিৰপেক্ষ এইকেইটা প্রকাৰত বিভক্ত কৰিছে।
- মূল্যবোধ নৱপ্রজন্মৰ মনত শিক্ষানুষ্ঠান আৰু শ্রেণীকোঠাত আয়োজন কৰা বিভিন্ন অনুষ্ঠানৰ দ্বাৰা জগাই তুলিব পাৰি।



৭.৯ অধিক জানিবলৈ

১) Aggarwal, JC (2002) : Development and Planning of Modern Education, Vikas Publishing House.

২) Sanyal, Jahadiswan (1997) : Guide to General Philosophjy, Sribhumi Publishing Company, Calcutta.

৩) Singh MS : Value Education, Adyayan Publishers and distributions, New Delhi-110002.



৭.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যবোধ শিক্ষা শিক্ষণৰ এটা বহল শিক্ষা প্ৰণালী। এইবোৰ কাৰ্যসূচী হ'ল শাৰীৰিক স্বাস্থ্য, মানসিক স্বাস্থ্য, শিষ্টাচাৰ আৰু আচৰণ আদিৰ প্ৰশিক্ষণৰ পৰা পৰিসৰলৈ সামৰি লোৱা। ই শিক্ষাৰ্থীৰ অনুভূতি আৰু আবেগসমূহৰ জ্ঞান দান দিয়াৰ মাধ্যম।

২নং প্ৰশ্নৰ উত্তৰ ঃ আৰ.কে মুখাৰ্জীৰ মতে মূল্যবোধ হ'ল সামাজিকভাৱে স্বীকৃত ইচ্ছা বা বাঞ্ছা আৰু লক্ষ্যসমূহ, যিটো আভ্যন্তৰীণকৰণ হয় শিক্ষণৰ অনুবন্ধন প্ৰক্ৰিয়াৰ মাধ্যমত বা সামাজিকীকৰণ আৰু সেইটো হয় বস্তুগত অগ্ৰাধিকাৰ, মানদণ্ড আৰু উচ্চাভিলাষ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যবোধ শিক্ষা বিকাশমুখী মূল্যবোধ শিক্ষা হোৱা উচিত। ই বংশগতিৰ ওপৰত ভিত্তি নকৰে। ই সম্পূৰ্ণৰূপে আহৰণ চৰিত্ৰৰ আৰু এটা জীৱন জোৰা প্ৰক্ৰিয়া। মূল্যবোধক কেৱল বুজি পালেই নহ'ব ইয়াক পদ্ধতিগতভাৱে পৰিকল্পিত প্ৰচেষ্টাৰ মাধ্যমত বিকশিত কৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যবোধৰ পৰম্পৰাগত উদ্দেশ্যসমূহ আধাৰিত হয় ধৰ্ম আৰু দৰ্শনৰ ওপৰত।

৫নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যবোধ শিক্ষাৰ ক্ষেত্ৰবোৰ হ'ল শাৰীৰিক শিক্ষা, আবেগিক শিক্ষা, মানসিক বিকাশ, সৌন্দৰ্যৰ বিকাশ আৰু নৈতিক আৰু আধ্যাত্মিক বিকাশ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় পৰিচয় আৰু দেশপ্ৰেমৰ চেতনা শিশুৰ মাজত জগাই তোলাটো সমগ্ৰ বিশ্বৰ ৰাষ্ট্ৰসমূহত মূল্যবোধ শিক্ষা জগাই তোলাৰ দুটা প্ৰধান দিশ।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণভাৱে মানৱ প্ৰচেষ্ঠাৰ উন্নীতকৰণ আৰু নিৰ্দিষ্টভাৱে ব্যক্তিত্ব বিকাশৰ বাবে মূল্যবোধ শিক্ষাৰ গুৰুত্ব আছে। গতিকে ই যথেষ্ট গুৰুত্বপূৰ্ণ। শিক্ষাৰ উদ্দেশ্য হ'ল ব্যক্তিৰ অন্তৰ্নিহিত গুণসমূহৰ বহিঃপ্ৰকাশ কৰা।

৮নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যবোধৰ ক্ষেত্ৰবোৰ হ'ল মানৱতা, গণতন্ত্ৰৰ মূল্যবোধ, ধৰ্মনিৰপেক্ষতা, সমাজবাদৰ মূল্যবোধ আৰু ৰাষ্ট্ৰীয় সংহতিৰ মূল্যবোধ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ আমি দেখিবলৈ পাইছো যে ভাৰতবৰ্ষৰ সকলো শিক্ষা সমিতি আৰু শিক্ষা আয়োগে মূল্যবোধৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

১৯৮৬ চনৰ জাতীয় শিক্ষানীতিয়েও মূল্যবোধ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

১০নং প্ৰশ্নৰ উত্তৰঃ শৈক্ষিক মূল্যবোধক ব্ৰুবাচাৰে ভালপোৱাৰ লগত সম্বন্ধিত বা তাৎক্ষণিক মূল্যবোধ আৰু বুদ্ধি সম্বন্ধিত ভালপোৱা বা দূৰস্থ মূল্যবোধ হিচাপে বিভক্ত কৰিছে।

১১নং প্ৰশ্নৰ উত্তৰঃ বহিৰাগত মূল্যবোধৰ ধাৰণাটো তাৎপৰ্যপূৰ্ণ। এই ধাৰণা মতে কিছুমান বস্তুৰ নিজস্ব মূল্য নাই। কিন্তু অন্য বস্তুৰ সন্দৰ্ভত মূল্যবান বুলি গণ্য কৰা হয়। চমুকৈ ক'বলৈ হ'লে— অন্তর্নিহিত মূল্যবোধ প্ৰকৃত আৰু ই স্বয়ং সম্পূৰ্ণ। আনহাতে বহিৰাগত মূল্যবোধ অন্য মূল্যবোধৰ দ্বাৰাহে স্পষ্ট হৈ উঠে।

১২নং প্ৰশ্নৰ উত্তৰঃ মানৱ মূল্যবোধ সমূহ হ'ল অৰ্থনৈতিক মূল্যবোধ, দৈহিক বা শাৰীৰিক মূল্যবোধ, পুনঃনির্মাণৰ মূল্যবোধ, সংযোজনৰ মূল্যবোধ, চাৰিত্ৰিক মূল্যবোধ, সৌন্দৰ্যবোধৰ মূল্যবোধ, বৌদ্ধিক মূল্যবোধ আৰু ধৰ্মীয় মূল্যবোধ।

১৩নং প্ৰশ্নৰ উত্তৰঃ বিদ্যালয়ৰ ভিতৰত বিকশিত কৰিব পৰা মূল্যবোধৰ কাৰ্যাৱলী চাৰিবিধ হ'ল—

- শিক্ষানুষ্ঠানত সামূহিক প্ৰাৰ্থনা।
- সামূহিক সেৱা আঁচনি।
- উৎসৱ আৰু মেলাবোৰত সমাজসেৱা আঁচনি।
- প্ৰাথমিক চিকিৎসা আঁচনি।

১৪নং প্ৰশ্নৰ উত্তৰঃ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত মূল্যবোধ বিকাশ কৰাৰ ক্ষেত্ৰত ব্যক্তিগত উদাহৰণে বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই আঁচনিসমূহৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল শিক্ষকে ভাল কৰ্ম আৰু আঁচনিৰ উদাহৰণ দাঙি ধৰিব লাগিব, যিয়ে শ্ৰেণীকক্ষত শিক্ষাৰ্থীসকলক সেইবোৰৰ প্ৰতি উদ্বুদ্ধ কৰি তুলিব।

১৫নং প্ৰশ্নৰ উত্তৰঃ জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে উপদেশ দিয়া কাৰ্যসূচীসমূহ তলত দিয়া ধৰণৰ—

- সামূহিক প্ৰাৰ্থনা আঁচনি।
- স্বাস্থ্য আৰু চাফ-চিকুণতাৰ কাৰ্যসূচীসমূহ।
- শ্ৰেণীকক্ষত পাঠদান।
- উৎপাদনমুখী শাৰীৰিক কৰ্মভিত্তিক আঁচনিসমূহ।

- নাগৰিকত্বৰ প্ৰশিক্ষণৰ কাৰ্যসূচী আৰু সাংস্কৃতিক আমোদজনক কাৰ্যসূচী আৰু সমাজসেৱাৰ কাৰ্যাৱলীসমূহ।



৭.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্নাৱলী (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মূল্যবোধ শিক্ষা কি?

প্ৰশ্ন ২ ঃ মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহ কি কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আমাৰ সমাজত মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই লিখক।

প্ৰশ্ন ২ ঃ মূল্যবোধ শিক্ষাৰ অৰ্থ বৰ্ণনা কৰক, মূল্যবোধ শিক্ষাৰ বিকাশৰ চমু আভাস প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ মূল্যবোধ শিক্ষাৰ উদ্দেশ্যসমূহ কি কি? মূল্যবোধ শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে লিখক।

গ) চমুটোকা লিখক (১৫০ শব্দৰ ভিতৰত)

১) মূল্যবোধৰ প্ৰকাৰ।

২) মূল্যবোধ ভিত্তিক কাৰ্যাৱলী আৰু ইয়াৰ লগত জড়িত উপযোগিতাসমূহ।

৩) বিদ্যালয় পৰিবেশত মূল্যবোধৰ শিক্ষা।

৪) বিকাশমুখী মূল্যবোধৰ শিক্ষা।

*****

অধ্যায় ৮ ঃ দর্শনৰ সত্র হিচাপে আদর্শবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ দর্শনৰ অর্থ
৮.৩.১ দর্শনৰ আধাৰত প্রতিষ্ঠিত শিক্ষাৰ দিশসমূহ
৮.৩.২ শিক্ষা আৰু দর্শনৰ সম্পর্ক
৮.৪ আদর্শবাদ আৰু ইয়াৰ শৈক্ষিক নীতিসমূহ
৮.৪.১ আদর্শবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- দর্শনৰ অর্থ আৰু ধাৰণা লাভ কৰি শিক্ষাৰ লগত ইয়াৰ সম্পর্ক নির্ণয় কৰিব পাৰিব।
- আদর্শবাদৰ মৌলিক নীতিসমূহ বিশ্লেষণ কৰিব পাৰিব
- আদর্শবাদ দর্শন আৰু শিক্ষাৰ বিভিন্ন দিশত ইয়াৰ প্রভাৱ ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টোৱে দর্শনৰ এক গুৰুত্বপূর্ণ সত্র হিচাপে আদর্শবাদৰ সৈতে পৰিচয় কৰি দিব যিয়ে শিক্ষাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত বহুলভাৱে অৱদান যোগাইছে। বহল অর্থত, শিক্ষা মানুহৰ জীৱনৰ লগত ওতঃপ্রোতভাৱে জড়িত। মানৱ সমাজ, সভ্যতা আৰু সংস্কৃতিৰ সৈতে ই সমান্তৰালভাৱে গতি কৰি আছে। শিক্ষাই সদা পৰিৱর্তনশীল আৰু বিৱর্তনশীল জীৱনশৈলীৰ লগত সংহতি স্থাপন কৰিব বিচাৰে। দর্শন হৈছে বিশ্বব্রহ্মাণ্ড আৰু জীৱনক, ইটো আনটোৰ লগত এক অর্থপূর্ণভাৱে সংযুক্ত কৰাৰ এক পদ্ধতিগত আৰু বিস্তৃত প্রয়াস।

এৰিষ্টটলৰ দিনৰে পৰা প্ৰখ্যাত শিক্ষাবিদসকলে মানুহ আৰু পৃথিৱীৰ মাজত থকা সম্পৰ্ক, কি কাৰণে মানুহ জীয়াই থাকে, আৰু তেনেকৈ থকাৰ কাৰণ কি, তেওঁ কেনে ধৰণে জীয়াই থাকিব খোজে, ইত্যাদি প্ৰশ্নৰ সমিধান পাবলৈ চেষ্টা চলাই আহিছে। ইয়ে দৰ্শনৰ অধ্যয়নৰ দুৱাৰ মুকলি কৰি দিয়ে— শিক্ষাৰ পৃথিৱীখনতো এক দাৰ্শনিক সন্ধানৰ জাগৰণ তোলে। এই অধ্যায়টোৱে দৰ্শনৰ অৰ্থ আৰু ধাৰণা, শিক্ষাৰ লগত ইয়াৰ সম্পৰ্ক, শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত দৰ্শনৰ সত্ৰ হিচাপে আদৰ্শবাদৰ প্ৰভাৱ, আলোচনাৰ বাবে সামৰি লৈছে।

৮.৩ দৰ্শনৰ অৰ্থ

প্ৰথমতে, আমি দৰ্শনৰ অৰ্থ আৰু ধাৰণা আলোচনা কৰিমহঁক। দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Philosophy'। এই Philosophy শব্দটো দুটা গ্ৰীক শব্দৰপৰা উৎপত্তি হৈছে। শব্দ দুটা হৈছে Philos আৰু Sophia। 'Philos' শব্দৰ অৰ্থ হৈছে 'Love of' অৰ্থাৎ ভালপোৱা আৰু 'Sophia' শব্দৰ অৰ্থ হৈছে 'Wisdom' অৰ্থাৎ 'প্ৰজ্ঞা'। গতিকে দৰ্শনৰ অৰ্থ হৈছে 'প্ৰজ্ঞাৰ প্ৰতি ভাল পোৱা' ('love of wisdom'.) । প্ৰজ্ঞা, জ্ঞানৰ সৈতে একে নহয়। ই এক বহুল বিস্তৃত ধাৰণা, ই জ্ঞানক সামৰি লয় আৰু মানুহৰ সকলো অভিজ্ঞতা আৰু কাৰ্যাৱলীসমূহৰ গুৰুত্বতাক বুজাবলৈ প্ৰয়াস কৰাতেই সীমাবদ্ধ হৈ নাথাকে। এৰিষ্টটলে দৰ্শনৰ সংজ্ঞা দি কৈছিল 'দৰ্শন এক বিজ্ঞান, যিয়ে নিজৰ আভ্যন্তৰীণ স্বায়িত্বৰ দৰে জীৱৰ প্ৰকৃতি অনুসন্ধান কৰে' সেয়েহে, দৰ্শন হৈছে এক বিজ্ঞান, যাৰ জৰিয়তে আমি জ্ঞানৰ সত্যতাক দেখো অথবা গ্ৰহণ কৰোঁ।

সম্ভৱত, আমি 'দৰ্শন (Darshan) শব্দটোৰ লগত পৰিচিত, যি এক সংস্কৃত শব্দ আৰু প্ৰায় সকলো ভাৰতীয় ভাষাতে বহুলভাৱে ব্যৱহৃত। 'দৰ্শন' মানে হৈছে 'দৃষ্টি' বা 'চোৱা'। দৰ্শনৰ ভাৰতীয় ধাৰণাক দৰ্শন (Darshan) হিচাপে প্ৰকাশ কৰা হয়। ভাৰতীয় ঋষি-মুনিসকলে তেওঁলোকে আহৰণ কৰা অভিজ্ঞতাসমূহ, তেওঁলোকৰ 'দৰ্শন'ৰ জৰিয়তে প্ৰকাশ কৰিছিল। সেয়েহে, দৰ্শনক ভাৰতীয় সাধুসকলৰ দ্বাৰা গ্ৰহণ কৰা 'সত্যৰ ধাৰণা' বুলিও বিবেচনা কৰা হয়। সেয়েহে, ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল "দৰ্শন হৈছে সত্যতাৰ প্ৰকৃতিৰ ভিতৰত এক যুক্তিযুক্ত অনুসন্ধান।"

জনপ্ৰিয় বিশ্বাস অনুযায়ী, দৰ্শন হৈছে এজন ব্যক্তিৰ জীৱনৰ নিজস্ব বিশ্বাস, মূল্যবোধ আৰু ধাৰণা। আমি প্ৰায়ে, "জীৱন দৰ্শন, গান্ধীৰ দৰ্শন, ৰুছোৰ দৰ্শন আদি শব্দসমূহৰ ব্যৱহাৰ কৰোঁ। এই শব্দসমূহে কোনো ব্যক্তিয়ে প্ৰকাশ কৰা তেওঁলোকৰ অভিজ্ঞতা আৰু তেওঁলোকৰ জীৱনৰ পাতনিসমূহৰ আধাৰত প্ৰতিষ্ঠিত কিছুমান বিশ্বাস, মূল্যবোধ, ধাৰণাৰ অৰ্থ বহন কৰে। আমি জানো যে, আমাৰ জীৱনৰ সকলো কৰ্মৰাজি যেনে— সামাজিক, বৌদ্ধিক, আধ্যাত্মিক কাৰ্যসমূহ আমাৰ বিশ্বাস, নীতি আৰু আদৰ্শসমূহৰ ওপৰত প্ৰতিষ্ঠিত। দৰাচলতে,

এই বিশ্বাসসমূহে আমাৰ কার্যাৱলীসমূহ গঠন কৰে আৰু পৰিচালনা কৰে। সেয়েহে, দর্শনক জ্ঞানৰ এনে এক ক্ষেত্ৰ হিচাপে বিবেচনা কৰা হয়, যিয়ে কেৱল মাত্ৰ সবাতোকৈ আদর্শ জীৱন আচৰণৰ বাবে পর্যাপ্ত নির্দেশনা প্রদান কৰিব পাৰে।

বহল অর্থত, দর্শনে জীৱনক ইয়াৰ সম্পূর্ণতাৰ দৃষ্টিভংগীৰে পর্যবেক্ষণ কৰে আৰু সামগ্রিক বৈশিষ্ট্যৰ কাৰক হিচাপে ধাৰণা কৰি লয়। ইয়ে দর্শনক জীৱনৰ সকলো জ্ঞানৰ মূল উৎসৰ সত্য ব্যাখ্যা কাৰক হিচাপে বিবেচনা কৰি লয়। চিচেৰোয়ে (Cicero) দর্শনক 'সকলো কলাৰ মাতৃ' ৰূপে বর্ণনা কৰিছিল। (Mother of all arts)

গতিকে, আমি দর্শনক 'সকলো জ্ঞানৰ সংশ্লেষক (Synthesizer) হিচাপে চাব পাৰোঁ। দর্শন হৈছে জীৱনৰ সকলো প্রশ্নৰ উত্তৰ দিয়াৰ এক প্রয়াস। আন অর্থত, দর্শনে মানুহক তেওঁক 'নিজক' আৰু এই বিশ্বব্রহ্মাণ্ডখনক, যাৰ তেওঁ এক অংশ তাক বুজিবলৈ সক্ষম কৰি তোলে। দর্শনে মানুহৰ অভিজ্ঞতাসমূহৰ অর্থ প্রদান কৰে সেই অনুপাতে, ই হৈছে জীৱনৰ এক দিশ।

৮.৩.১ দর্শনৰ আধাৰত প্রতিষ্ঠিত শিক্ষাৰ দিশসমূহ

বর্তমান, শিক্ষাৰ সকলো দিশ অথবা অধ্যয়নৰ বিষয়সমূহ দার্শনিক নীতিসমূহৰ ব্যৱহাৰৰ দ্বাৰা নিয়ন্ত্রিত আৰু নির্দ্ধাৰিত। তাৰেই এক সংক্ষিপ্ত ৰূপত প্রকাশ কৰা হ'ল—

- আধুনিক মানুহক শিক্ষাৰ এক উপযুক্ত লক্ষ্য নির্দ্ধাৰণৰ ক্ষেত্রত দর্শনে 'পৰিদর্শক' হিচাপে কাম কৰে।
- দর্শনে উপযুক্ত পাঠ্যক্রমৰ জৰিয়তে আমাৰ অতীতৰ সাংস্কৃতিক ঐতিহ্যসমূহৰ উপযুক্ত উপাদানসমূহ নির্ধাৰণ কৰিব পাৰে আৰু বিদ্যালয়ৰ সেই সমূহ নৱপ্রজন্মলৈ প্রৱাহিত কৰিব পাৰে। সেয়েহে, পাঠ্যক্রম প্রস্তুতকৰণ প্রয়োজনীয়ভাৱে দর্শনৰ ওপৰত নির্ভৰশীল।
- এক উপযুক্ত কার্যক্ষম আৰু বিজ্ঞানসন্মত শিক্ষণ পদ্ধতিৰ আৱির্ভাৱৰ মূলতে হৈছে দার্শনিক আদর্শসমূহৰ ব্যৱহাৰ। বর্তমান সময়ৰ শিশু শিক্ষাৰ সকলো নতুন পদ্ধতিসমূহ শিক্ষা দর্শনৰ ওপৰত প্রতিষ্ঠিত।
- বিদ্যালয়ত এক সুস্থ আৰু আদর্শ নীতি আৰু অনুশাসন মানি চলাৰ মূলতে সুস্থ শৈক্ষিক দর্শনৰ প্রয়োগকে সূচায়। দার্শনিক অর্ন্তদৃষ্টিয়ে শিক্ষকক তেওঁৰ নিজস্ব কার্যক্ষম শিক্ষণ পদ্ধতি আৰু অনুশাসন আৱির্ভাৱত সহায় কৰে।
- শিক্ষাৰ জৰিয়তে শিশুৰ এক আদর্শ ব্যক্তিত্ব গঢ়ি তোলাৰ ধাৰণা, শিক্ষকৰ বাবে এক দার্শনিক চিন্তাধাৰাৰ বিষয়। শিশুৰ ব্যক্তিত্বৰ ওপৰত, শিক্ষকৰ ব্যক্তিত্বৰ প্রভাৱ বহুলভাৱে দার্শনিক ধাৰণাৰ ওপৰত নির্ভৰশীল।

৮.৩.২ দর্শন আৰু শিক্ষাৰ মাজৰ সম্পর্ক

এতিয়ালৈকে আমি দর্শনৰ অর্থ জানিবলৈ সক্ষম হ'লো। আহক, আমি এতিয়া কিদৰে দর্শন আৰু শিক্ষা ইটো আনটোৰ লগত সম্পর্কযুক্ত তাক আলোচনা কৰোঁ। প্রকৃততে, শিক্ষা আৰু দর্শন ঘনিষ্ঠভাৱে সম্পর্কযুক্ত। শিক্ষা হৈছে জীৱন প্রস্তুতকৰণৰ এক ব্যৱহাৰিক কলা। ই শিশুৰ আচৰণসমূহ সংশোধন কৰিব বিচাৰে আৰু ব্যক্তিত্বৰ সর্বাংগীণ বিকাশত গুৰুত্ব প্রদান কৰে, যাৰ বাবে ই দর্শনৰ ওপৰত নির্ভৰশীল হ'বলগীয়া হয়। দর্শন হৈছে শিক্ষাৰ গাঁথনিৰ মূল ভেঁটিস্বৰূপ। শিক্ষাৰ এনে কোনো সমস্যা নাই, যিবোৰ দর্শনৰদ্বাৰা সমাধান কৰা হোৱা নাই। ডিউইয়ে কৈছিল "Philosophy is the theory of education in its most phases." "প্রায় সকলো স্তৰতে দর্শন হৈছে শিক্ষাৰ তত্ত্ব।"

শিক্ষা আৰু দর্শনৰ সম্পর্ক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—


- **শিক্ষাই অনুসৰণ কৰিবলগীয়া দিশসমূহ দর্শনে নির্দ্ধাৰণ কৰি দিয়ে ঃ** আমি ইতিমধ্যে উল্লেখ কৰিছো যে শিক্ষা হৈছে শিশুৰ আচৰণৰ সংশোধনকৰণ। কিন্তু প্রশ্ন হয় এই সংশোধন কিদৰে কৰা হয়? নির্দেশনাত কি সংশোধন কৰা উচিত? সংশোধনৰ আঁৰৰ আদর্শ আৰু নীতিসমূহ কি হোৱা উচিত? এই সকলোবোৰ সমস্যা দর্শনৰ দ্বাৰা সমাধান কৰা হয়। শিশুৰ আচৰণ সংশোধন কৰাৰ ক্ষেত্রত শিক্ষকে কি পথ অনুসৰণ কৰা উচিত তাক দর্শনে আঙুলিয়াই দিয়ে। সেয়েহে দর্শনে শিক্ষাৰ কার্যাৱলীসমূহ নির্দ্ধাৰণ কৰে আৰু শিক্ষা হৈছে দার্শনিক চিন্তাধাৰাৰ ব্যৱহাৰিক কার্যাৱলী। এই অর্থত, শিক্ষা হৈছে দর্শনৰ প্রয়োগকৰণ অথবা শিক্ষাৰ দর্শন হৈছে ব্যৱহাৰিক বা প্রায়োগিক দর্শন। ই হৈছে শিক্ষাৰ সমস্যাসমূহ অধ্যয়নৰ ক্ষেত্রত দর্শনৰ ব্যৱহাৰ। ইয়াকে শিক্ষাৰ দর্শন হিচাপে জনা যায়।
- **শিক্ষা হৈছে দর্শনৰ প্রচাৰৰ এক সর্বশ্রেষ্ঠ উপায় ঃ** প্রত্যেকজন দার্শনিকে তেওঁলোকৰ নিজস্ব উদ্দেশ্য, আদর্শ আৰু নীতিসমূহ নির্দ্ধাৰণ কৰি লয় আৰু সেই উদ্দেশ্য, আদর্শ আৰু নীতি অনুযায়ী তেওঁ জীৱন নির্বাহ কৰে। তেওঁ লগতে বিচাৰে আনেও তেওঁৰ বিশ্বাসৰ প্রতি ৰূপান্তৰিত হওঁক আৰু সেই অনুপাতে জীৱন যাপন কৰক। একমাত্র শিক্ষাৰ জৰিয়তেহে তেওঁ এই লক্ষ্যত উপনীত হ'ব পাৰে, যি দর্শনৰ প্রচাৰৰ এক অন্যতম উপায়। সেয়েহে ক'ব পাৰি দর্শনে জীৱনৰ লক্ষ্য নিৰূপণ কৰে আৰু শিক্ষাই এই লক্ষ্য আহৰণৰ উপায় প্রদান কৰে। ৰ'ছে (Ross) তেওঁৰ উক্তিৰদ্বাৰা এই কথাষাৰৰ শুদ্ধ



জন ডিউই (John Dewey) ঃ ১৮৫৯-১৯৫২ ঃ আমেৰিকাৰ শিক্ষাবিদ, সমাজ সংস্কাৰক আৰু দার্শনিক

আৰু সংক্ষিপ্ত ৰূপ প্রদান কৰিছিল "দর্শন আৰু শিক্ষা এটা মুদ্রাৰ ইপিঠি-সিপিঠি স্বৰূপ। ইয়াৰ প্রথমটো হৈছে ভাৱনাযুক্ত আৰু আনটো হৈছে ইয়াৰ সক্রিয় অংশ।"

- **পৃথিৱীৰ বিখ্যাত দার্শনিকসমূহ বিখ্যাত শিক্ষাবিদো ঃ** সকলো বিখ্যাত শিক্ষাবিদসকল দার্শনিক আৰু তেওঁলোকে ধাৰণা কৰা শিক্ষাৰ ব্যৱস্থাই তেওঁলোকৰ দার্শনিক চিন্তাধাৰাৰ এক নিকা চাপ বহন কৰে। আপুনি এয়া ভালদৰে জানে যে মহাত্মা গান্ধী (Mahatma Gandhi) আৰু ৰবীন্দ্রনাথ ঠাকুৰৰ (Rabindra Nath Tagore)ৰ নিজ নিজ চিন্তাদর্শন ক্রমে বুনিয়াদী শিক্ষা পদ্ধতি আৰু শান্তি নিকেতন শিক্ষা পদ্ধতিৰ যোগে আত্মপ্রকাশ কৰি উঠিছে। বিখ্যাত দার্শনিক যেনে প্লেটো (Plato), এৰিষ্টটল (Aristotle), ৰুছো (Rousseau) আৰু স্পেনচাৰ (Spencer) বিখ্যাত শিক্ষাবিদো আছিল। উদাহৰণস্বৰূপে, জন ডিউই কেৱল তেওঁৰ দার্শনিক চিন্তাধাৰাৰ বাবে নহয়, তেওঁৰ শৈক্ষিক ধাৰণাসমূহৰ বাবেও জনাজাত। সেয়েহে Fiehte কৈছিল যে 'দর্শনৰ সহায় নোলোৱাকৈ শিক্ষাৰ কলা অসম্পূর্ণ।' সেয়েহে, শিক্ষা আৰু দর্শনৰ মাজত থকা সম্পর্ক প্রয়োজনীয়। এটাৰ অবিহনে আনটো অসম্পূর্ণ।
- **শিক্ষাৰ বিস্তৃত দিশসমূহ দর্শনে নির্দ্ধাৰণ কৰে ঃ** শিক্ষাৰ প্রতিটো ক্ষেত্রতে দর্শন, প্রয়োজনীয় হিচাপে পৰিগণিত হয়। দর্শনে শিক্ষাক লক্ষ্যসমূহ প্রদান কৰে আৰু লক্ষ্যই শিক্ষাৰ পাঠ্যক্রম, শিকণৰ পদ্ধতি, বিদ্যালয় সংগঠন আৰু অনুশাসনৰ সমস্যাসমূহ নির্দ্ধাৰণ কৰে। ই লগতে শৈক্ষিক প্রক্রিয়াত শিক্ষকৰ ভূমিকাও নির্দ্ধাৰণ কৰে। সেয়েহে দর্শন হৈছে শিক্ষাৰ পটভূমি। এয়া স্পষ্টভাৱে কোৱা হৈছে যে, "দর্শন অবিহনে শিক্ষা হৈ পৰিব এক অন্ধ প্রচেষ্টা আৰু শিক্ষা অবিহনে দর্শন হৈছে অসম্পূর্ণ আৰু অবৈধ।"



অগ্রগতি নিৰীক্ষণ ঃ

প্রশ্ন নং১ ঃ দর্শনৰ ব্যুৎপত্তিগত অর্থ প্রদান কৰক।

.....

.....

প্রশ্ন নং২ ঃ 'দর্শন' কি?

.....

.....

প্ৰশ্ন নং৩ ঃ দৰ্শন আৰু শিক্ষাৰ মাজৰ সম্পৰ্কৰ দিশসমূহ চমুকৈ উল্লেখ কৰক।

.....

.....

৮.৪ আদৰ্শবাদ আৰু ইয়াৰ শৈক্ষিক নীতিসমূহ

আদৰ্শবাদ হৈছে দৰ্শনৰ এটি পুৰণি চিন্তাধাৰা। আধুনিক চিন্তাধাৰাতো ইয়াৰ যথেষ্ট গুৰুত্ব আছে। এয়া বিশ্বাস কৰা হয় যে, চিন্তাধাৰাৰ সত্ৰ হিচাপে 'Idealism' 'ভাৱবাদ' শব্দটো 'Ideals' 'আদৰ্শ' বা 'Ideas' 'ধাৰণা'ৰ পৰা আহিছে। জীৱনৰ দৰ্শন হিচাপে ই পৃথিৱীৰ দাৰ্শনিকসকলৰ যেনে চক্ৰেটিছ (Socrates), প্লেটো (Plato) আৰু কান্ট (Kant) আছিল আদৰ্শবাদী। এই দৰ্শনৰ মূল ভেটি হৈছে প্লেটোৰ বিশ্বজনীন সত্য বা ধাৰণাৰ অধিবিদ্যামূলক বচন। আদৰ্শবাদে 'মানুহ' আৰু বিশ্বব্ৰহ্মাণ্ডখনক' 'আত্মা' আৰু 'মন'ৰ ৰূপত বিৱৰণ কৰি দিব বিচাৰে। ভাৱবাদৰ মৌলিক নীতিসমূহ হৈছে—

- ভাৱবাদৰ মতে বস্তুসমূহৰ চূড়ান্ত সত্যতা নাই। বস্তুৰ ধাৰণাকৃত আকাৰটো সত্য হয়, কিন্তু; ইয়াৰ আহিলাগত দিশটো হ'ল অসত্য।
- বস্তুবাদী জগতখন ক্ষণস্থায়ী আৰু পৰিৱৰ্তণীয়। চূড়ান্ত সত্যতা আদৰ্শ আৰু মূল্যবোধসমৃদ্ধ, যিটো হ'ল অপৰিৱৰ্তনীয় আৰু চিৰন্তন।
- ইয়াৰ আধাৰত, শৰীৰ হ'ল অসত্য, কাৰণ ই মৰণশীল। আত্মা সত্য কাৰণ ই হ'ল অমৰ।
- মানৱ জীৱনৰ উদ্দেশ্য হ'ল অমৰ আৰু পৰিৱৰ্তনীয় আত্মাৰ উপলব্ধি কৰণ।
- ভাৱবাদে মানুহক উদ্যমী সত্বা বুলি অভিহিত কৰে। এইটো এনে একধৰণৰ আধ্যাত্মিকতা যিটোৰ দ্বাৰা মানুহক আন জীৱ-জন্তুতকৈ পৃথক বুলি কোৱা হৈছে।
- মূল্যবোধসমূহ চূড়ান্ত আৰু অপৰিৱৰ্তনীয়। মানুহে কেতিয়াও মূল্যবোধ সৃষ্টি কৰিব নোৱাৰে। মানুহৰ জীৱনৰ লক্ষ্য হ'ল চূড়ান্ত মূল্যবোধৰ উপলব্ধি যিটোৱে তেওঁলোকক সত্য, শিৱ আৰু সুন্দৰৰ (Truth, Beauty and Goodness) ওচৰলৈ লৈ যায়।
- চূড়ান্ত সত্যৰ জ্ঞানেই হ'ল প্ৰকৃত জ্ঞান। এই জ্ঞান হ'ল যুক্তিযুক্ত আৰু ই অৰ্ন্তদৃষ্টিৰ ফলশ্ৰুতি বা পৰিণতি। ই ইন্দ্ৰিয়সমূহৰ বিষয়বস্তু নহয়।
- আদৰ্শবাদে এগৰাকী ব্যক্তিৰ পূৰ্ণ পৰ্যায়ৰ বিকাশক বিশ্বাস কৰে। আদৰ্শবাদীসকলৰ মতে, ব্যক্তিত্বৰ বিকাশ মানে শুদ্ধতাত উপনীত হোৱা।

৮.৪.১ আদর্শবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ

শিক্ষাত আদর্শবাদ ঃ

দর্শনৰ আদর্শবাদ সত্রই কিদৰে শিক্ষাৰ বিভিন্ন দিশত প্রভাৱ পেলাইছে, আলোচনা কৰোহঁক। শিক্ষাৰ দর্শনত আদর্শবাদৰ প্রতিনিধিত্ব বহন কৰিছিল— প্লেটো, কনেনিয়াচ, কাণ্ট, পেষ্টালজী, হেগেল, ফ্রোবেল, ৰবীন্দ্র নাথ ঠাকুৰ আৰু মহাত্মা গান্ধীয়ে। এইসকল আদর্শবাদী দার্শনিকে বিশ্বাস কৰিছিল যে, মানুহে একোটা উদ্দ্যমী সত্তা লৈ জন্ম গ্রহণ কৰে আৰু শিক্ষাৰ জৰিয়তে তেওঁ এই সত্তা অনুভৱ কৰিব পাৰে আৰু তাৰ সত্য প্রকৃতিক বুজিব পাৰে। এতিয়া আমি, আদর্শবাদ মতে শিক্ষাৰ লক্ষ্য, পাঠ্যক্রম, শিকনৰ পদ্ধতি, শিক্ষকৰ ভূমিকা আৰু অনুশাসনৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম।

আদর্শবাদ আৰু শিক্ষাৰ লক্ষ্য ঃ

যিহেতু আমি ইতিমধ্যে উল্লেখ কৰিছো যে, আদর্শবাদীসকলে বিশ্বাস কৰে যে, মানুহ হৈছে একোটা আধ্যাত্মিক জীৱ আৰু ঈশ্বৰৰ সর্বশ্রেষ্ঠ সৃষ্টি, সেয়েহে আদর্শবাদ শিক্ষাৰ উদ্দেশ্য বা লক্ষ্যসমূহ সেই ধাৰণাৰ ওপৰতে প্রতিষ্ঠিত।

- **মানুহৰ ব্যক্তিত্বৰ উর্দ্ধমুখীকৰণ (Exaltation of Human Personality):** মানুহৰ ব্যক্তিত্ব হৈছে সর্বশ্রেষ্ঠ সম্পত্তি আৰু শিক্ষাই এই ব্যক্তিত্বৰ উন্নীতকৰণৰ আৰু উর্দ্ধমুখীতাৰ বাবে প্রয়াস কৰা উচিত। ব্যক্তিত্বৰ উর্দ্ধমুখীতা নির্ভৰ কৰে, সামাজিক আৰু সাংস্কৃতিক পৰিবেশত 'আত্মা'ৰ সর্বোচ্চ গুণাৱলীসমূহৰ উপলব্ধিৰ ধাৰণাৰ ওপৰত। সেয়েহে, আদর্শবাদে শিক্ষাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক লক্ষ্যৰ দাবী কৰে, যাৰ জৰিয়তে মূল্যবোধসমূহ আহৰণ কৰিব পৰা যায়, লগতে সম্পূর্ণ আত্ম উপলব্ধিকৰণ সম্ভৱপৰ হৈ উঠে।

- **বিশ্বজনীন শিক্ষা (Universal Education) :** ওপৰত উল্লেখ কৰা মর্মে, 'আত্মোপলব্ধি' কেইজনমান ব্যক্তিৰ মাজতে সীমাবদ্ধ হৈ থকাটো উচিত নহয়। এখন আদর্শবাদী সমাজত, জাতি, বর্ণ, সামাজিক স্থান নির্বিশেষে শিশুৰ শিক্ষা বিশ্বজনীন হোৱা উচিত।

- **সাংস্কৃতিক পৰিবেশৰ উন্নীতকৰণ (Enrichment of Cultural Environment) :** আদর্শবাদে শিক্ষাক সাংস্কৃতিক পৰিবেশ উন্নীতকৰণৰ এক উপায় হিচাপে বিবেচনা কৰে। আমি জানো যে, মানুহ নিজেই সাংস্কৃতিক পৰিবেশৰ সৃষ্টিকর্তা। আদর্শবাদী

শিক্ষাৰ লক্ষ্য হৈছে শিক্ষাৰ জৰিয়তে সংস্কৃতিৰ সংৰক্ষণ কৰা আৰু উন্নীত কৰা লগতে সাংস্কৃতিক ক্ষেত্ৰখনৰ পৰিধি বৰ্দ্ধিত কৰা।


- **নৈতিক মূল্যবোধৰ বীজ ৰোপণ (Cultivation of Moral Valves) :** শিশুসকলৰ নৈতিক জ্ঞানশক্তিৰ বিকাশ, আদৰ্শবাদীসকলৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য। ভাল আৰু বেয়াৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰাৰ সক্ষমতা শিক্ষাই বিকাশ কৰা উচিত আৰু শিক্ষাই শিশুসকলৰ ইচ্ছাশক্তিৰ বিকাশ কৰা উচিত যাতে তেওঁলোকে 'ভাল' অনুসৰণ আৰু 'বেয়া' ত্যাগ কৰিবলৈ সক্ষম হৈ পৰে। 'সত্যম শিৱম সুন্দৰম'ৰ শুদ্ধ উপাসনা আৰু প্ৰশংসাৰ জৰিয়তেহে ইয়াক আহৰণ কৰিব পাৰি। সত্যম, শিৱম আৰু সুন্দৰমৰ জ্ঞানেই হৈছে সৰ্বোচ্চ মূল্যবোধ।

আদৰ্শবাদ আৰু পাঠ্যক্ৰম ঃ

এতিয়া, প্ৰশ্ন উত্থাপিত হয় যে, ওপৰোক্ত এই উদ্দেশ্যসমূহ পৰিপূৰণ কৰিবলৈ কি প্ৰকৃতিৰ পাঠ্যক্ৰম হোৱা উচিত? সেই অনুপাতে, বিদ্যালয়ৰ পাঠ্যক্ৰমসমূহ সেইসমূহ বিষয়ক লৈ প্ৰস্তুত হ'ব লাগে, যিসমূহ এই উদ্দেশ্যসমূহৰ পৰিপূৰক—

আদৰ্শবাদৰ মহান প্ৰৱৰ্তক প্লেটোৱে 'আদৰ্শ'ৰ দৃষ্টিভংগীৰ পৰা পাঠ্যক্ৰমৰ ধাৰণা কৰিছিল, তেওঁ বিশ্বাস কৰিছিল যে জীৱনৰ সৰ্বোচ্চ আদৰ্শ হৈছে সৰ্বোচ্চ 'বস্তু'ৰ আহৰণ, যিটো আভ্যন্তৰীণ মূল্যবোধ যেনে— সত্য, শিৱ আৰু সুন্দৰৰ উপদেশৰ জৰিয়তে আহৰণ কৰিব পাৰি। এই তিনিপ্ৰকাৰৰ মূল্যবোধে তিনিপ্ৰকাৰৰ কাৰ্যাৱলীৰ নিৰ্দ্ধাৰণ কৰে। যেনে— বৌদ্ধিক, নন্দনতাতিত্ত্ব আৰু নৈতিক। এই প্ৰতিটো প্ৰকাৰৰ কাৰ্যাৱলীসমূহ অধ্যয়নৰ দ্বাৰা নিবেদিত হয় আৰু ই পাঠ্যক্ৰমৰ এক অংশ হোৱা উচিত। বিভিন্নধৰণৰ বিষয় যেনে— ভাষা, সাহিত্য, বিজ্ঞান, গণিত, ইতিহাস আৰু ভূগোলৰ দ্বাৰা বৌদ্ধিক কাৰ্যাৱলীসমূহ নিবেদিত হয়। কলা আৰু কবিতাৰ অধ্যয়নৰ দ্বাৰা নান্দনিক বা সৌন্দৰ্যাত্মিক কাৰ্যাৱলীসমূহ আড়ম্বৰিত হয় আৰু ধৰ্ম, নীতিসম্বন্ধীয় আৰু অধিবিদ্যা (সৃষ্টি আৰু জ্ঞান সম্পৰ্কীয় দৰ্শনশাস্ত্ৰ)ৰ অধ্যয়নৰ জৰিয়তে নৈতিক কাৰ্যাৱলীসমূহ প্ৰতিনিধিত্ব হয়।

একে সময়ত, শিক্ষাৰ আদৰ্শবাদী দৰ্শনে শাৰীৰিক শিক্ষাকো অৱহেলা নকৰে। ই বৰঞ্চ এক সুস্থ দেহত এক সুস্থ মন সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। সেয়েহে আদৰ্শবাদীসকলৰ মতে শাৰীৰিক ব্যায়াম, শাৰীৰিক স্বাস্থ্যবিজ্ঞান, খেল বিষয়ক ব্যায়াম আৰু মল্ল যুঁজ, পাঠ্যক্ৰমৰ অংশ হোৱা উচিত। আদৰ্শবাদী পাঠ্যক্ৰমৰ বিষয়ে অধিক জানিবলৈ আমি নক্সা নং ১ৰ সহায় ল'ব পাৰো—



নক্সা নং ১ ঃ আদর্শবাদী শিক্ষাৰ আঁচনি।

আদর্শবাদ আৰু শিক্ষাদান পদ্ধতি ঃ

এই দর্শনৰ পাঠ্যক্ৰমৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ পিছত, "এই পাঠ্যক্ৰম কিদৰে নির্বাহ কৰা হ'ব? সেই নির্বাহৰ ধাৰণা গ্ৰহণ কৰা উচিত। শিক্ষাদানৰ পদ্ধতিৰ সম্পর্ক, আদর্শবাদীসকলে নিম্নোক্ত পদ্ধতিসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে—

- 'প্ৰশ্ন আৰু আলোচনা' পদ্ধতিসমূহ শিক্ষকে গ্ৰহণ কৰা উচিত। তেওঁ চিন্তা উত্তেজিত কৰা প্ৰশ্নসমূহ উত্থাপন কৰা উচিত যাতে অধ্যয়ন কৰা বিষয়সমূহে ছাত্ৰ-ছাত্ৰীসকলৰ 'অর্থ' আৰু গুৰুত্ব বহন কৰে।
- আদর্শবাদীসকলে 'বক্তৃতা পদ্ধতি'কো সমর্থন কৰে কিন্তু; তেওঁলোকৰ মতে, এই পদ্ধতি যথার্থ তথ্য আৰু বস্তুনিষ্ঠ সংবাদৰ নিবেদনতহে সীমাবদ্ধ।
- দুজন প্ৰখ্যাত আদর্শবাদী পেষ্টালজী আৰু ফ্ৰৱেলে শিশুৰ ক্ষেত্ৰত জ্ঞান আহৰণৰ বাবে "আত্ম কার্যাৱলী"ৰ সমর্থন কৰিছিল। শিশুৱে কামৰ জৰিয়তে শিকা উচিত। সৃষ্টিশীল কর্মৰাজি আৰু অভিজ্ঞতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি, কর্মশীল নির্দেশনা প্ৰদান কৰা উচিত। আদর্শবাদীসকলে বিশ্বাস কৰে যে, সৃষ্টিশীল কর্মৰাজিয়ে শিশুৰ সর্বোচ্চ গুণাৱলীসমূহৰ আত্ম প্ৰকাশ আৰু আত্ম আহৰণত সহায় কৰে।
- আদর্শবাদী শিক্ষাদান পদ্ধতিসমূহৰ ক্ষেত্ৰত গুৰুত্ব লাভ কৰা আন এক পদ্ধতি হৈছে 'অনুকৰণ পদ্ধতি'। অনুকৰণ পদ্ধতিত, শিক্ষকে শিক্ষার্থীসকলৰ সন্মুখত কিছুমান সাহিত্যিক, কলা সম্পর্কীয়, সাঙ্গীতিক, বিজ্ঞানসন্মত বা অন্যান্য আর্হি উপস্থাপন কৰে, শিক্ষার্থীসকলক সেইসমূহ পর্যবেক্ষণ কৰিব দিয়ে আৰু একে আর্হিত পুনঃ উৎপাদন কৰিবলৈ প্ৰয়াস কৰিব দিয়ে।

আদর্শবাদ আৰু শিক্ষক ঃ

আদর্শবাদী শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত, শিক্ষকৰ অপৰিহার্য আদর্শবাদ দর্শনত শিক্ষকৰ স্থান অতি উচ্চ । আদর্শবাদীসকলৰ মতে, শিক্ষকৰ অবিহনে শিক্ষাদান প্রক্রিয়াৰ কার্যকৰীকৰণ অসম্ভৱ। শিক্ষকে শিশুৰ বিকাশৰ বাবে এক বিশেষ পৰিবেশৰ সৃষ্টি কৰে আৰু মার্গ প্রদর্শন কৰে, যাতে শিশুৱে পৰিপক্কতাৰ দিশত আগুৱাই যাব পাৰে। কিণ্ডাৰগার্টেনৰ শিক্ষাৰ আৰ্হি আৰু শিক্ষক সম্পর্কত তেওঁ কি কৈছিল? আমি জনা উচিত আৰু এই সম্পর্কত আমি সচেতন হোৱা উচিত। বিদ্যালয় হৈছে এখন বাগিছা, শিক্ষার্থী পালন-পোষণ বিচৰা হৈছে— একো একোটা মনোহৰ গছপুলি। শিক্ষক হৈছে এক সতর্ক 'মালী' যাৰ প্রধান কার্য হৈছে তেওঁৰ দায়িত্বৰ অধীনত অতি সাৱধানে সূক্ষ্ম মানৱীয় গছপুলিসমূহৰ আলপৈচান ধৰা আৰু এইদৰে তেওঁলোকক সুন্দৰতা আৰু পৰিপক্কতাৰ দিশত বিকশিত হোৱাত সহায় কৰা। সেয়েহে, আদর্শবাদ অনুসৰি, শিক্ষাৰ আৰ্হিত, শিক্ষকৰ স্থান সর্বশ্রেষ্ঠ। তেওঁ এজন বন্ধু, দার্শনিক আৰু মার্গ প্রদর্শক হিচাপে কাম কৰা উচিত আৰু শিক্ষার্থীক 'আত্ম আহৰণ'ৰ দিশত আগুৱাই লৈ যোৱা উচিত।

আদর্শবাদ আৰু অনুশাসন ঃ

আদর্শবাদীসকলে শিশুক সম্পূর্ণ স্বাধীনতা দিয়াৰ পক্ষপাতী নহয়। সম্পূর্ণ শৈক্ষিক ব্যৱস্থাটোৱে আদর্শ-কেন্দ্রিক, সেয়েহে, শিশুসকলে কিছুমান নির্দিষ্ট আদর্শ আহৰণ কৰা উচিত, যি নেকি, কঠোৰ অনুশাসনৰ অবিহনে সম্ভৱপৰ নহয়। আদর্শবাদীসকলে অনুভৱ কৰে যে, 'আত্ম-অনুভৱ'ৰ বাবে কঠোৰ অনুশাসন প্রয়োজনীয়। এক আত্ম-অনুশাসিত জীৱনৰ জৰিয়তেহে 'আধ্যাত্মিক আহৰণ' সম্ভৱপৰ। কিন্তু এই অনুশাসনে আভ্যন্তৰীণ নিয়ন্ত্রণক কেৱল নুবুজায়। প্রকৃততে, ই হৈছে এক স্বতঃস্ফূর্ত আৰু আত্মস্থাপিত নিয়ন্ত্রণ আৰু সেয়েহে, অনুশাসনৰ সৈতে স্বাধীনতা মিলিত হোৱা উচিত। শিশুসকলক নির্দ্ধাৰিত লক্ষ্যৰ প্রতি পৰিচালিত কৰা উচিত, যাৰবাবে, এক নির্দ্ধাৰিত দিশত, তেওঁলোকৰ স্বাধীনতা সীমাবদ্ধ কৰা হয়, যাতে, তেওঁ ভুল পথে পৰিচালিত নহয়। শৈক্ষিক অনুষ্ঠানসমূহত, পৰিচালিত আৰু নিয়ন্ত্রিত স্বাধীনতাৰ বাবে অনুমতি প্রদান কৰা হয়। শিশুৰ বাবে অনুশাসন প্রয়োজনীয়, কিয়নো এই অনুশাসনে তেওঁলোকক কিছুমান নৈতিক গুণাৱলী যেনে— নম্রভাৱ, সৰলতা, সময়ানুৱর্তিতা, সত্যবাদীতা আৰু অন্যান্য গুণসমূহ বিকাশ কৰাত সহায় কৰে।


আদর্শবাদৰ মূল্যায়ন ঃ

শিক্ষাৰ দর্শন হিচাপে আধুনিক শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত, আদর্শবাদে যথেষ্ট অৱিহণা যোগাইছে। নিম্নোক্ত কাৰণৰ ভিত্তিত, আমি শিক্ষাৰ এই দর্শনক প্রশংসা কৰিবই লাগিব।

- আদর্শবাদে 'মন', 'শক্তি' আৰু 'আত্মা'ৰ বিকাশৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰে আৰু ব্যক্তিৰ পৰিপক্কতাক শিক্ষাৰ উদ্দেশ্য হিচাপে গুৰুত্ব প্রদান কৰে।
- আদর্শবাদৰ মতে, চূড়ান্ত সত্যৰ জ্ঞানেই হৈছে প্রকৃত জ্ঞান, যি হৈছে স্বর্গীয় আৰু ই মনৰ স্বাধীনতা প্রদান কৰে।
- আদর্শবাদে 'আত্ম-অনুশোচনা'ৰ ওপৰত গুৰুত্ব প্রদান কৰে।
- আদর্শবাদে ব্যক্তিৰ ব্যক্তিত্বৰ সম্পূর্ণ বিকাশৰ ওপৰত গুৰুত্ব প্রদান কৰে।
- আদর্শবাদে বিশ্বাস কৰে যে, প্রতিজন ব্যক্তিয়ে শিক্ষা আহৰণৰ এক সুবিধা প্রদান কৰা উচিত। আদর্শবাদৰ প্রধান লক্ষ্য হৈছে 'বিশ্বজনীন শিক্ষা'।
- আদর্শবাদৰ মতে, শিক্ষা হৈছে আদর্শকেন্দ্রিক। সেয়েহে ই শৈক্ষিক প্রক্রিয়াত, শিক্ষকৰ বিশেষ স্থান প্রদান কৰে।
- আদর্শবাদ দর্শনে শিক্ষাৰ লক্ষ্য, পাঠ্যক্রম, শিক্ষকৰ ভূমিকা আৰু শিক্ষাদানৰ পদ্ধতিৰ বাবে এক স্পষ্ট নির্দেশনা প্রদান কৰে।

তথাপিও, আদর্শবাদ সমালোচিত হৈছে। আদর্শবাদৰ প্রতিবন্ধকসমূহ তলত উল্লেখ কৰা হ'ল—

- আদর্শবাদক এক পুৰণি দর্শন হিচাপে বিবেচনা কৰা হয়। বর্তমানৰ বৈজ্ঞানিক পৃথিৱীত, বিজ্ঞানসন্মত গৱেষণাৰ সুৰৰ লগত আধ্যাত্মিক বিশ্বক গুৰুত্ব দিয়াৰ দিশতো মিলিত নহয়।
- 'শক্তি', 'মন', 'আত্মা' আদি আদর্শবাদী ধাৰণাসমূহৰ শিক্ষাদানৰ শ্রেণীকোঠাত প্রাসংগিকতা নাই।
- শিক্ষাদানৰ পদ্ধতিসমূহৰ ক্ষেত্রত, আদর্শবাদৰ বিশেষ বৰঙণি নাই।
- আদর্শবাদী শিক্ষা ব্যৱস্থাত, শিক্ষকৰ ওপৰত যথেষ্ট গুৰুত্ব প্রদান কৰা হৈছে, যিয়ে শিশুক শিক্ষকৰ ওপৰত অতিৰিক্তভাৱে নির্ভৰশীল কৰি তোলে।
- ই মনুষ্য প্রকৃতিৰ ওপৰত অতিৰিক্তভাৱে গুৰুত্ব প্রদান কৰে আৰু বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্রদান নকৰে।
- আদর্শবাদী শিক্ষা প্রক্রিয়াই, মূলত ঃ শাৰীৰিক, ঔদ্যোগিক, সামাজিক আৰু বর্তমানৰ যান্ত্রিক পৰিবেশক গুৰুত্ব প্রদান নকৰে।



অগ্রগতি নিৰীক্ষণ ঃ

প্রশ্ন নং৪ ঃ আদর্শবাদৰ প্রধান প্রৱর্তকসকলৰ নাম লিখক।

.....

.....

প্রশ্ন নং৫ ঃ আদর্শবাদীসকলৰ মতে, সনাতন বা আভ্যন্তৰীণ মূল্যবোধসমূহ কি কি?

.....

.....

প্রশ্ন নং৬ ঃ আদর্শবাদৰ মতে শিক্ষাৰ লক্ষ্য কি হোৱা উচিত?

.....

.....

প্রশ্ন নং৭ ঃ আদর্শবাদীসকলে সমর্থন কৰা শিক্ষাদানৰ পদ্ধতিসমূহ উল্লেখ কৰক।

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দর্শনৰ ইংৰাজী প্রতিশব্দ 'Philosophy' দুটা গ্রীক শব্দৰপৰা উৎপত্তি হৈছে। সেই শব্দ দুটা হৈছে 'Philos' আৰু 'Sophia'। Philos মানে হ'ল 'Love of' অর্থাৎ 'ভালপোৱা' আৰু Sophia মানে হ'ল 'Wisdom' অর্থাৎ 'প্রজ্ঞা'। গতিকে 'Philosophy' বা 'দর্শন' মানে হৈছে 'প্রজ্ঞাৰ প্রতি ভালপোৱা'। ইয়াত 'প্রজ্ঞা' জ্ঞানৰ সৈতে একে নহয়।
- দর্শন হৈছে জীৱনৰ সকলো প্রশ্নৰ উত্তৰ আহৰণৰ এক প্রচেষ্টা। আন অর্থত, দর্শনে মানুহক তেওঁক নিজক বুজিবলৈ সহায় কৰে লগতে এই বিশ্বব্রহ্মাণ্ডখনক, যাৰ তেওঁ এক অংশ, সেই ব্রহ্মাণ্ডখনক বুজিবলৈ সক্ষম কৰি তোলে। দর্শনে মানুহৰ অভিজ্ঞতাৰ অর্থ প্রদান কৰে আৰু সেয়েহে ই জীৱনৰ এক দিশ।
- আদর্শবাদ হৈছে দর্শনৰ সত্রসমূহৰ আটাইতকৈ পুৰণি সত্র যিয়ে ব্যক্তিৰ 'মন' আৰু 'শক্তি'ৰ বিকাশৰ ওপৰত গুৰুত্ব প্রদান কৰে।
- চিন্তাধাৰাৰ এক 'সত্র' হিচাপে 'আদর্শবাদ' প্রতিশব্দ 'Idealism' শব্দটো 'Ideals' 'আদর্শ' বা 'Ideas' 'ধাৰণা'ৰ পৰা আহিছে।

- চক্রেটিছ, প্লেটো আৰু কাণ্ট আদি দার্শনিকসমূহ আদর্শবাদী আছিল। এই দর্শনে ইয়াৰ মূল সুঁতি গ্রহণ কৰিছে প্লেটোৰ বিশ্বজনীন সত্য বা আদর্শৰ আধিবিদ্যা সম্পর্কীয় বচনৰ পৰা। আদর্শবাদে মানুহ আৰু বিশ্বখনক 'আত্মা' বা 'মন'ৰ ৰূপত ব্যাখ্যা দিব বিচাৰে।
- আদর্শবাদ দর্শনে শিক্ষাৰ লক্ষ্য, পাঠ্যক্রম, শিক্ষকৰ ভূমিকা আৰু শিক্ষাদানৰ পদ্ধতিসমূহৰ বাবে এক স্পষ্ট নির্দেশনা প্রদান কৰে।



৮.৬ অধিক জানিবলৈ

1) Aggarwal. J. C. (2006) : Theory and principles of education, Vikas publishing house, New Delhi.

2) Bhatia K. K. (2004) : Principles and theories of Education, Kalyani publishers, Ludhiana

3) Chaube S. P. and Chaube A (1997) : Philosophical and sociological foundation of education, Binod pustak, Mandir, Agra.

4) Safaya R and Shaida B. D. (2003) : Modern theory and principles of education, Dhanpat Rai Publishing Company, New Delhi.

5) Taneja V. R. (1976) : Educational thought and practice. Starling publishers pvt. ltd., New Delhi.



৮.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ দর্শনৰ প্রতিশব্দ হৈছে Philosophy। এই Philosophy শব্দটো দুটা গ্রীক শব্দৰপৰা আহিছে— 'Philos' অর্থাৎ Love of মানে ভালপোৱা আৰু Sophia অর্থাৎ Wisdom মানে প্রজ্ঞা। গতিকে দর্শনৰ ব্যুৎপত্তিগত অর্থ হৈছে প্রজ্ঞাৰ প্রতি ভালপোৱা।

২নং প্রশ্নৰ উত্তৰ ঃ 'দর্শন' (Darshan) হৈছে এটি সংস্কৃত শব্দ, যিটো শব্দ প্রায় সকলো ভাৰতীয় ভাষাতে বহুলভাৱে ব্যৱহৃত। দর্শনৰ ভাৰতীয় ধাৰণা Darshan হিচাপে প্রকাশ কৰা হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ শিক্ষা আৰু দর্শন ইটো আনটোৰ লগত ওতঃপ্রোতভাৱে জড়িত। নিম্নোক্ত দিশসমূহৰ জৰিয়তে এই সম্পর্ক স্পষ্টভাৱে ওলাই পৰিব।

- শিক্ষাই অনুকৰণ কৰিব লগা দিশসমূহ দর্শনে আঙুলিয়াই দিয়ে যেনে— দর্শনে শিক্ষাৰ তত্বসমূহ নির্দ্ধাৰণ কৰে আৰু শিক্ষা হৈছে দার্শনিক চিন্তাধাৰাৰ ব্যৱহাৰিক কার্যাৱলী।
- শিক্ষা হৈছে দর্শনৰ প্রচাৰৰ উত্তম উপায়।
- প্রখ্যাত দার্শনিকসকল প্রখ্যাত শিক্ষাবিদো।
- দর্শনে শিক্ষাৰ সকলো বহুল দিশসমূহ যেনে— শিক্ষাৰ লক্ষ্য, পাঠ্যক্রম, শিক্ষাদানৰ পদ্ধতি ইত্যাদি নির্দ্ধাৰণ কৰে।

৪নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদৰ প্রধান সমর্থকসমূহ আছিল— প্লেটো, কমেনিয়াছ, কাণ্ট, পেষ্টাল'জী, হেগেল, ফ্রৱেল, ৰবীন্দ্রনাথ ঠাকুৰ, মহাত্মা গান্ধী আদি।

৫নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদৰ মতে, সনাতন মূল্যবোধসমূহ হৈছে— সত্য, শিৱ আৰু সুন্দৰ। (Truth, beauty and goodness)

৬নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদৰ মতে, শিক্ষাৰ লক্ষ্য হোৱা উচিত— ব্যক্তিৰ ব্যক্তিত্বৰ উর্ধমুখীতা, বিশ্বজনীন শিক্ষা আৰু নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ ৰোপণ।

৭নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদীসকলে শিক্ষাদানৰ কিছুমান পৰম্পৰাগত পদ্ধতিৰ সমর্থন কৰে, যেনে— বক্তৃতা, প্রশ্ন পদ্ধতি, আলোচনা পদ্ধতি ইত্যাদি।



৮.৮ আৰ্হিপ্রশ্ন

(ক) চুটি প্রশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ দর্শন বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ ঃ আদর্শবাদ বুলিলে আপুনি কি বুজে?

প্রশ্ন ৩ ঃ দর্শনৰ ওপৰত প্রতিষ্ঠিত শিক্ষাৰ দিশসমূহ কি কি?

(খ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ দর্শন আৰু শিক্ষাৰ মাজৰ সম্পর্ক বর্ণনা কৰক। "দর্শন অবিহনে শিক্ষাৰ কলা অসম্পূর্ণ" — আলোচনা কৰক।

প্রশ্ন ২ ঃ আদর্শবাদ বুলিলে কি বুজে? দর্শনৰ সত্র হিচাপে আদর্শবাদৰ প্রধান নীতিসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ শিক্ষাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত আদর্শবাদৰ ৰৰঙণি মূল্যায়ন কৰক।

*****

অধ্যায় ৯ ঃ দর্শনৰ সত্ৰ হিচাপে প্ৰকৃতিবাদ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ প্ৰকৃতিবাদৰ অৰ্থ

- ৯.৩.১ প্ৰকৃতিবাদৰ মৌলিক নীতিসমূহ
- ৯.৩.২ প্ৰকৃতিবাদৰ প্ৰকাৰসমূহ

৯.৪ প্ৰকৃতিবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱ

- ৯.৪.১ আদৰ্শবাদ আৰু প্ৰকৃতিবাদৰ মাজৰ প্ৰভেদ
- ৯.৪.২ শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃতিবাদৰ বৰঙণি

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ—

- প্ৰকৃতিবাদৰ বিভিন্ন নীতি আৰু ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- প্ৰকৃতিবাদ দৰ্শন আৰু শিক্ষাৰ বিভিন্ন দিশত ইয়াৰ প্ৰভাৱ বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয়

এই অধ্যায়টোৰে আপোনাক দৰ্শনৰ আন এক সত্ৰৰ লগত পৰিচয় কৰাই দিয়ে। এই সত্ৰক প্ৰকৃতিবাদ 'দৰ্শন' হিচাপে জনা যায়। এই দৰ্শনে 'প্ৰকৃতি'ক সৰ্বোচ্চ হিচাপে বিবেচনা কৰে। আদৰ্শবাদৰ দৰে প্ৰকৃতিবাদেও বিস্তৃত পৰিমাণে শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক দিশত প্ৰভাৱ পেলাইছে। এই অধ্যায়টিত প্ৰকৃতিবাদনো কি, ইয়াৰ বিভিন্ন নীতি আৰু ভিন্ন প্ৰকাৰসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব, ইয়াৰ উপৰি, এই অধ্যায়টিয়ে প্ৰকৃতিবাদ দৰ্শনে শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত কিদৰে প্ৰভাৱ পেলাইছে তাক প্ৰতিফলিত কৰিব।

৯.৩ প্ৰকৃতিবাদৰ অৰ্থ

আদৰ্শবাদ দৰ্শনে কিদৰে শিক্ষাৰ ক্ষেত্ৰখনক প্ৰভাৱান্বিত কৰিছে, তাক আমি ভালদৰে বুজি পালো। এতিয়া আমি আন এক দৰ্শনৰ সত্ৰৰ বিষয়ে আলোচনা কৰিম, যিয়ে যুগ যুগ ধৰি শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক দিশত যথেষ্ট প্ৰভাৱ পেলাই আহিছে। দৰ্শনৰ এই সত্ৰ হৈছে 'প্ৰকৃতিবাদ'। দৰ্শনৰ সত্ৰ হিচাপে প্ৰকৃতিবাদ আদৰ্শবাদতকৈ পৃথক। এই দৰ্শনৰ সমৰ্থকসকলে কেৱল প্ৰকৃতিকহে বিশ্বাস কৰে আৰু প্ৰকৃতিয়ে অকলে সমগ্ৰ সত্যতাক প্ৰতিনিধিত্ব কৰে বুলি বিবেচনা কৰে। "প্ৰকৃতিলৈ ঘূৰি যোৱা" (Back to nature) হৈছে তেওঁলোকৰ 'শ্লোগান' আৰু প্ৰকৃতিবাদীসকলৰ মতে 'প্ৰকৃতিৰ বাহিৰে, প্ৰকৃতিৰ পিচলৈ আৰু প্ৰকৃতিতকৈ আন একোৱে নাই' (beyond nature, behind nature and other than nature)

প্ৰকৃতিবাদৰ মতে, বস্তুগত পৃথিৱীখনেই হৈছে প্ৰকৃত পৃথিৱী আৰু ই আধ্যাত্মিক বা অলৌকিক বস্তুক অস্বীকাৰ কৰে। প্ৰকৃতিবাদীসকলে বিশ্বাস কৰে যে, সকলোবোৰ প্ৰকৃতিৰ নীতিৰ দ্বাৰাই পৰিচালিত আৰু মানুহৰ জীৱন হৈছে প্ৰকৃতিৰ আৰ্হিৰ এক অংশ। সেয়েহে তেওঁ এই নীতিসমূহৰ প্ৰতি সমৰ্পিত হোৱা উচিত। এই দৰ্শনৰ প্ৰধান সমৰ্থক সমূহ আছিল ডেমোক্ৰিটাছ, ইপিকিইৰাছ, ৰেকন, কমেনিয়াছ, হাৰবাৰ্ট স্পেনচাৰ, নান, হাৰলী, ল'কে, কাণ্ট আদি। ৰাসক্ৰ (Rusk) ভাষাত "সেইসকল ব্যক্তিৰ দ্বাৰা গ্ৰহণ কৰা প্ৰকৃতিবাদ হৈছে এক দাৰ্শনিক স্থান যিয়ে দৰ্শনক সম্পূৰ্ণভাৱে বিজ্ঞানসন্মত দৃষ্টিভংগীৰপৰা সমাগত কৰে।"

প্ৰকৃতিবাদৰ ব্যাখ্যা প্ৰদান কৰি পাৰ্চী নানে কৈছিল— "প্ৰকৃতিবাদ বিজ্ঞান নহয়, কিন্তু বিজ্ঞান বিষয়ক এক দাবী। বিশেষভাৱে ই এক দাবী যে বিজ্ঞানসন্মত জ্ঞান হৈছে চূড়ান্ত, য'ত অন্যান্য বৈজ্ঞানিক বা দাৰ্শনিক জ্ঞানৰ কোনো স্থান নাই।"

৯.৩.১ প্ৰকৃতিবাদৰ মৌলিক নীতিসমূহ

প্ৰকৃতিবাদ দৰ্শনক বুজিবলৈ হ'লে আমি ইয়াৰ মৌলিক নীতিসমূহ জানিব লাগিব। নীতিসমূহ হ'ল—

- প্ৰকৃতিবাদীসকলৰ মতে বস্তুবাদী অথবা শাৰীৰিক বিশ্বখনেই হ'ল প্ৰকৃত বিশ্ব।
- সকলো জ্ঞানৰ একমাত্ৰ সমল হ'ল প্ৰকৃতি।
- প্ৰকৃতিৰ নিয়মসমূহ অপৰিৱৰ্তনীয় আৰু মানুহে এই নিয়মবোৰ মানি চলিব লাগিব।
- প্ৰকৃতিবাদে শিশুৰ প্ৰকৃতি অনুসৰি শিক্ষাৰ পোষকতা কৰিব।
- মানুহে নিজৰ প্ৰয়োজন অনুসৰি মূল্যবোধ সৃষ্টি কৰিব।
- আত্মা, উদ্যম, ভগৱান আদিৰ দৰে কোনো ঐশ্বৰিক প্ৰকৃতি থকাৰ সম্ভাৱনীয়তা নাই।

- প্ৰকৃতিবাদে বিশ্বাস কৰে যে মানুহে সমাজ সৃষ্টি কৰে কৰল তেওঁলোকৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ বাবে।
- প্ৰকৃতিবাদে বৰ্তমান জীৱনৰ ওপৰতহে গুৰুত্ব দিয়ে। সেয়েহে মানুহে তেওঁলোকৰ জীৱন সুখময় আৰু আৰামদায়ক কৰিবলৈ চেষ্টা কৰিব লাগিব।

৯.৩.২ প্ৰকৃতিবাদৰ প্ৰকাৰ বা ভাগবোৰ

প্ৰকৃতিবাদে নিজকে তিনিটা প্ৰধান ভাগত প্ৰকাশ কৰে আৰু আপুনি এই ভাগসমূহৰ লগত পৰিচিত হোৱাটো উচিত।

শাৰীৰিক প্ৰকৃতিবাদ ঃ শাৰীৰিক প্ৰকৃতিবাদে মানুহৰ কাৰ্যাৱলী, ব্যক্তিৰ অভিজ্ঞতা আৰু ভৌতিক বিজ্ঞানৰ ভিত্তিত ব্যক্তিৰ অনুভৱ আৰু আৱেগসমূহ বৰ্ণনা কৰে। ভৌতিক বিজ্ঞানৰ নীতিসমূহৰ পোহৰত, এই দৰ্শনে সমগ্ৰ বিশ্বখনক বৰ্ণনা কৰিব বিচাৰে। সেয়েহে, ই শাৰীৰিক বিশ্বৰ তথ্যসমূহ যিদৰে বৰ্ণনা কৰে, সেইদৰে মানুহৰ জীৱনটো বৰ্ণনা কৰে।

যান্ত্ৰিক প্ৰকৃতিবাদ ঃ প্ৰকৃতিবাদৰ এই প্ৰকাৰে সমগ্ৰ বিশ্বক বস্তুৰে নিৰ্মিত যন্ত্ৰ হিচাপে বিবেচনা কৰে। ই 'আত্ম-চালিত শক্তি' বহন কৰে যিয়ে ইয়াৰ কাৰ্যাৱলীসমূহ নিশ্চিতত কৰে। মানুহকো এক কাৰ্যক্ষম অথবা সক্ৰিয় যন্ত্ৰ হিচাপে ধাৰণাকৃত কৰা হয় যি কিছুমান নিৰ্দ্ধাৰিত পৰিবেশীয় প্ৰভাৱৰ দ্বাৰা কাৰ্যকৰী হৈ উঠে।

জৈৱিক প্ৰকৃতিবাদ ঃ জৈৱিক প্ৰকৃতিবাদে জৈৱিক ক্ৰমবিকাশৰ তত্ত্বৰ ওপৰত বিশ্বাস কৰে। ই বিশ্বাস কৰে যে পৃথিৱীত, জীৱনৰ জৈৱিক ক্ৰমবিকাশৰ দীৰ্ঘকালীন ইতিহাসত, মানুহ হৈছে সৃষ্টিৰ সৰ্বোচ্চ প্ৰকাৰ। মানুহ কেতিয়াও যন্ত্ৰ হ'ব নোৱাৰে। মানুহৰ প্ৰকৃত প্ৰকৃতি তেওঁৰ আভ্যন্তৰীণ গুণাৱলীসমূহেৰে সমৃদ্ধ আৰু মানুহে আভ্যন্তৰীণভাৱে প্ৰাকৃতিক আৰু স্বতঃস্ফূৰ্ত বিকাশৰ বাবে যত্ন কৰে।

৯.৪ প্ৰকৃতিবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱ

শিক্ষাৰ দৰ্শন হিচাপে, প্ৰকৃতিবাদে শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰত অভূতপূৰ্ব প্ৰভাৱ পেলাইছে। প্ৰকৃতিবাদে বিশ্বাস কৰে যে শিক্ষা শিশুৰ প্ৰকৃতি অনুসৰি হোৱা উচিত। অৰ্থাৎ শিক্ষা হোৱা উচিত শিশুকেন্দ্ৰিক। শিক্ষাৰ এই শিশুকেন্দ্ৰিক ধাৰণাৰ লগত আপোনালোক পৰিচিত আৰু আপুনি জানে যে শিক্ষকে শিশুৰ মনোবিজ্ঞান বুজি পোৱা উচিত, শিশুৰ প্ৰয়োজন আৰু সক্ষমতা অনুসৰি শিক্ষকে তেওঁলোকক মাৰ্গ প্ৰদৰ্শন কৰা উচিত। শিশুক

কি ধৰণৰ শিক্ষা প্ৰদান কৰা উচিত, তাৰ বিৱৰণ বিখ্যাত প্ৰকৃতিবিদ ৰুছোয়ে তেওঁৰ গ্ৰন্থ 'Emile'ত উল্লেখ কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে, শিক্ষা স্বাধীনতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা উচিত। শিশুৰ প্ৰকৃতিদত্ত গুণাৱলীসমূহৰ বিকাশৰ বাবে সম্পূৰ্ণ সুবিধা প্ৰদান কৰাটো শিক্ষা আৰু বিদ্যালয়ৰ প্ৰধান লক্ষ্য হোৱা উচিত। তেওঁ বিশ্বাস কৰিছিল যে, মানুহৰ প্ৰকৃতি কিছুমান নিৰ্দিষ্ট নিয়ম অনুসৰি বিকাশিত হয়। শিক্ষকসকলৰ প্ৰধান দায়িত্ব হৈছে এই নিয়মসমূহৰ জ্ঞান আহৰণ কৰা আৰু সেইসমূহৰ কাৰ্যত বাধা আৰোপ নকৰাকৈ সেইসমূহৰ ব্যৱহাৰ কৰা। এতিয়া আহক, প্ৰকৃতিবাদে শিক্ষাৰ বিভিন্ন দিশত পেলোৱা প্ৰভাৱসমূহৰ বিষয়ে আলোচনা কৰো।

প্ৰকৃতিবাদ আৰু শিক্ষাৰ লক্ষ্যসমূহ ঃ

শিক্ষাৰ লক্ষ্য সম্পৰ্কত, বিভিন্ন প্ৰকৃতিবাদী দাৰ্শনিকে বিভিন্ন ধাৰণা প্ৰদান কৰিছে। চমুকৈ, এই সকলোবোৰ শিক্ষাৰ উদ্দেশ্য তলত উল্লেখ কৰা হ'ল—

- **আত্মপ্ৰকাশ আৰু আত্মসংৰক্ষণ ঃ** যিদৰে আদৰ্শবাদে "আত্ম অনুশোচনাক শিক্ষাৰ লক্ষ্য হিচাপে গুৰুত্ব প্ৰদান কৰিছিল, সেইদৰে, প্ৰকৃতিবাদে 'আত্মপ্ৰকাশ' আৰু আত্ম-সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াত, আত্মপ্ৰকাশে ইয়াকে বুজাই যে, শিশুসকলক এক প্ৰাকৃতিক পৰিবেশত ৰখা উচিত যাতে, তেওঁ আত্মপ্ৰকাশ আৰু তেওঁৰ প্ৰয়োজন, ইচ্ছা আৰু আকাংক্ষাসমূহ বিনাদ্বিধাই পৰিপূৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰে। এই আদৰ্শৰ পৰিপূৰণৰ বাবে, শিশুসকলক শৰীৰবিদ্যা আৰু স্বাস্থ্য সম্পৰ্কীয় বিদ্যাৰ ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা উচিত।
- **প্ৰবৃত্তিসমূহৰ শোধন ঃ** প্ৰকৃতিবাদী শিক্ষাই প্ৰবৃত্তিসমূহক মানুহৰ সকলো আচৰণৰ ভেটি আখ্যা দিয়ে। সেয়েহে, এই প্ৰবৃত্তিসমূহ সামাজিকভাৱে উপকাৰী কাৰ্যৰ প্ৰতি পুনঃ পৰিচালনা আৰু শোধন কৰাটো শিক্ষাৰ প্ৰধান লক্ষ্য হোৱা উচিত।
- **ব্যক্তিৰ অৱস্থিতি ঃ** প্ৰকৃতিবাদীসকলে বিশ্বাস কৰে যে, যোগ্য জনেহে কেৱল জীয়াই থকা উচিত। শিক্ষাই শিশুসকলক জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিবলৈ আৰু অৱস্থিতি পৰিপূৰণ কৰিবলৈ প্ৰস্তুত কৰা উচিত। ই শিশুসকলক জীৱনৰ পৰিৱৰ্তিত পৰিৱেশৰ লগত শাৰীৰিক আৰু মানসিকভাৱে সমাযোজন কৰিবলৈ সহায় কৰা উচিত।
- **ব্যক্তিত্বৰ স্বায়ত্ব বিকাশ ঃ** কিছুসংখ্যক প্ৰকৃতিবাদীৰ মতে, ব্যক্তিত্বৰ বিকাশ হৈছে শিক্ষাৰ চৰম লক্ষ্য। ৰুছো আৰু নান আছিল এই দৃষ্টিভংগীৰ প্ৰধান প্ৰৱৰ্তক।
- **জিৰণিৰ বাবে শিক্ষা ঃ** জিৰণিৰ সময়ৰ উপযুক্ত ব্যৱহাৰে প্ৰকৃতিবাদী শিক্ষাৰ আৰ্হিত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰে। এই জিৰণি সময়, ছবি, সঙ্গীত, ভাস্কৰ্য, কবিতা আৰু প্ৰাকৃতিক বিজ্ঞানৰ আমোদৰ দ্বাৰা উৎকৰ্ষিত হয়। এই কলাসমূহ শিক্ষাৰ জৰিয়তে বিকশিত হোৱা উচিত।

প্ৰকৃতিবাদ আৰু পাঠ্যক্ৰম ঃ প্ৰকৃতিবাদী হাৰবাৰ্ট স্পেনচাৰে ব্যক্তিৰ প্ৰাকৃতিক কাৰ্যাৱলীসমূহ অনুসৰি পাঠ্যক্ৰমৰ বৰ্ণনা দাঙি ধৰিছিল। প্ৰতিজন ব্যক্তিয়ে তেওঁৰ জীৱন সংৰক্ষণ কৰিব লাগিব, সেয়েহে, তেওঁক শৰীৰ আৰু স্বাস্থ্যৰ জ্ঞান প্ৰদান কৰা উচিত। শিশুসকলক আত্ম-সংৰক্ষণৰ বাবে বৃত্তিমুখী বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা উচিত, যেনে— পাৰিবাৰিক জীৱনৰ বাবে গৃহবিজ্ঞান, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বাবে সমাজ বিজ্ঞান আৰু জিৰণিৰ ব্যৱহাৰৰ বাবে কলা আৰু সাহিত্য। এইদৰে, প্ৰকৃতিবাদীসকলে কিছুমান বিশেষ বিষয়ৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল, যেনে— প্ৰাকৃতিক অধ্যয়ন, কৃষি, বাগিছা, কলা, শিল্প, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিদ্যা, ভূতত্ব বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, বিজ্ঞানৰ শিক্ষাদান ইত্যাদি। বিজ্ঞানৰ শিক্ষাদানৰ অন্তৰ্ভুক্তিৰ মূলতে হ'ল ই প্ৰকৃতিৰ লগত জড়িত। পাঠ্যক্ৰমত ইতিহাসো অন্তৰ্ভুক্ত কৰা হৈছে, ইয়াৰ কাৰণ হ'ল শিশুসকলে ইয়াৰ মাজেৰে জাতি সন্দৰ্ভত অতীত অভিজ্ঞতা আহৰণ কৰিব পাৰিব। ৰুছোৰ শিক্ষাৰ পাঠ্যক্ৰম তেওঁৰ 'নঞৰ্থক শিক্ষাৰ নীতি'ৰ ওপৰত প্ৰতিষ্ঠিত যিয়ে শিশুসকলৰ ঘূৰণ-ফুৰণ আৰু কৰ্মৰাজিৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা দাবী কৰে। যেতিয়া শিশুসকল বিকশিত হয়, তেতিয়া অভিজ্ঞতাৰ মাজেৰে বৌদ্ধিক প্ৰশিক্ষণ প্ৰদান কৰা উচিত। সেয়েহে পাঠ্যক্ৰম অভিজ্ঞতা কেন্দ্ৰিক হোৱা উচিত। উচ্চ পৰ্যায়ৰ বাবে কলাতকৈ বিজ্ঞানকহে প্ৰকৃতিবাদীসকলে প্ৰাধান্য দিয়ে।

প্ৰকৃতিবাদ আৰু শিক্ষণ প্ৰণালী ঃ প্ৰকৃতিবাদীসকলৰ মতে, শিশুক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত নিম্নোক্ত শিক্ষণ প্ৰণালীসমূহ প্ৰয়োগ কৰা উচিত।

- **কামৰ জৰিয়তে শিকা ঃ** শিকণ আৰু শিক্ষণৰ পদ্ধতি কৰ্মৰাজিৰ নীতিৰ দ্বাৰা পৰিচালিত হয়। ইয়াক কামৰ জৰিয়তে শিকা বুলি কোৱা হয়। শিশুৱে সক্ৰিয়ভাৱে শিক্ষা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। ৰুছোৰ মতে "তুমি তোমাৰ শিক্ষাৰ্থীক কোনো ধৰণৰ মৌখিক পাঠ প্ৰদান নকৰিবা।" (Give to your pupil no verbal lesson) তেওঁক অভিজ্ঞতাৰ জৰিয়তে শিকোৱা উচিত। এইদৰে ই সক্ৰিয় আত্ম শিকনৰ উৎসাহ প্ৰদান কৰে।
- **খেল পদ্ধতি/খেলাভিত্তিক শিক্ষা পদ্ধতি ঃ** শিক্ষাত খেলভিত্তিক শিক্ষা পদ্ধতি হৈছে, প্ৰকৃতিবাদৰ ফল। ই শিশুৰ স্বতঃস্ফূৰ্ত সৃষ্টিশীলতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। খেলৰ জৰিয়তে আহৰণ কৰা শিক্ষাই আনন্দময়, স্বতঃস্ফূৰ্ত আৰু সৃষ্টিশীল কৰ্মৰাজিৰ উদ্যমৰ সৃষ্টি কৰে।
- **পৰ্যবেক্ষণ আৰু পৰীক্ষণ ঃ** প্ৰকৃতিবাদীসকল কঠোৰ সময় তালিকাৰ পক্ষপাতী নহয়। তেওঁলোকে এনে এক তালিকাৰহে সমৰ্থন কৰে, যিয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজ কৰ্মৰ তালিকা নিৰ্বাচনৰ স্বাধীনতা প্ৰদান কৰে। তেওঁলোক পৰ্যবেক্ষণ আৰু পৰীক্ষণৰ জৰিয়তে শিকে।

- **আত্মশাসিত আৰু আত্মপ্ৰচেষ্টা ঃ** প্ৰকৃতিবাদীসকলে মত পোষণ কৰে যে, আত্মশাসনে সামাজিক জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰে। তেওঁলোক সহশিক্ষাৰ পক্ষপাতী। তেওঁলোকৰ মতে সহ শিক্ষাই শুদ্ধ প্ৰকৃতিৰ পাৰিবাৰিক আৰু সামূহিক জীৱন বিকাশত সহায় কৰে।
- **প্ৰকৃতিবাদ আৰু শিক্ষক ঃ** প্ৰকৃতিবাদী শিক্ষা আঁচনিত, শিক্ষকৰ ভূমিকা কেৱল এক শিকনৰ সুবিধা প্ৰদাৰকহে । শিক্ষকে শিকনৰ প্ৰক্ৰিয়াত কোনোধৰণৰ বাধা আৰোপ কৰা উচিত নহয় আৰু তেওঁ শিশুসকলক তেওঁলোকে যিদৰে বিচাৰে সেইদৰে শিকিবলৈ অনুমতি প্ৰদান কৰা উচিত। তেওঁ তেওঁৰ চিন্তাধাৰাসমূহ শিশুৰ ওপৰত আৰোপ কৰিব নোৱাৰে। এক স্বাধীন পৰিবেশত বৃদ্ধি আৰু বিকাশৰ বাবে, শিক্ষকে শিশুক সুবিধা প্ৰদান কৰা উচিত।
- **প্ৰকৃতিবাদ আৰু অনুশাসন ঃ** প্ৰকৃতিবাদী দাৰ্শনিকসকলে অনুশাসনৰ পৰম্পৰাগত ধাৰণাক অস্বীকাৰ কৰে আৰু শিশুক সৰ্বাধিক স্বাধীনতা প্ৰদান কৰাৰ দিশটোক সমৰ্থন কৰে। প্ৰকৃতিবাদী দাৰ্শনিক ৰুছোয়ে বাহ্যিক অনুশাসনক বিশ্বাস নকৰে আৰু শাৰীৰিক শাস্তিৰ পদ্ধতিৰ বিৰোধিতা কৰে। তেওঁ বিশ্বাস কৰে যে, এই শাস্তিয়ে শিশুৰ মাজত অবাঞ্ছিত সংঘৰ্ষৰ সৃষ্টি কৰে। এগৰাকী প্ৰকৃতিবাদী দাৰ্শনিক স্পেনচাৰে কৈছিল যে অনুশাসন কোনো এজন ব্যক্তিৰ কৰ্মৰ প্ৰাকৃতিক ফলাফলৰ জৰিয়তেহে হোৱা উচিত। যদি এজন শিশুৱে ভুলকৰ্ম কৰে বা ভুল কৰ্মত লিপ্ত হয়, প্ৰাকৃতিক পৰিণতি হৈছে তাৰ উপযুক্ত শাস্তি।
- **প্ৰকৃতিবাদৰ মূল্যায়ন ঃ** এতিয়ালৈকে, আমি প্ৰকৃতিবাদৰ সকলো বিষয় সম্পৰ্কে আলোচনা কৰিলো। আমি অনুশোচনা কৰা উচিত যে, প্ৰকৃতিবাদে শিক্ষাৰ মনোবৈজ্ঞানিক আৰু বৈজ্ঞানিক ধাৰণাক গুৰুত্ব প্ৰদান কৰি, আধুনিক শিক্ষাৰ চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত যথেষ্ট বৰঙণি প্ৰদান কৰিছে। তেনে কিছুমান বৰঙণিৰ দিশসমূহ তলত উল্লেখ কৰা হ'ল—
- শিক্ষাৰ প্ৰকৃতিবাদী ধাৰণা প্ৰয়োজনীয়ভাৱে মনোবিজ্ঞানসম্মত। ই শিশুৰ প্ৰকৃতি বোধত গুৰুত্ব প্ৰদান কৰে আৰু সেইমতে, শিক্ষাৰ পৰিকল্পনা কৰে। শিশুকেন্দ্ৰিক শিক্ষা হৈছে প্ৰকৃতিবাদৰ এক উপহাৰ।
- এই চিন্তাধাৰাই শিশু মনোবিজ্ঞানৰ অধ্যয়নৰ বাবে উৎসাহ প্ৰদান কৰে, শিশু মনোবিজ্ঞান হৈছে মনোবিজ্ঞানৰ এক বিশেষ প্ৰকাৰ যিয়ে শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে।
- প্ৰকৃতিবাদ দৰ্শনে প্ৰকৃত অৰ্থত, শিক্ষাক এক বিজ্ঞান বিষয় হিচাপে মৰ্যাদা

প্ৰদান কৰিছে। ফলস্বৰূপে, আধুনিক শিক্ষাৰ সকলো দিশ আৰু ক্ষেত্ৰসমূহ, বৰ্তমান ইয়াৰ উপযুক্ত প্ৰয়োগৰ বাবে বিজ্ঞানৰ ভিত্তিত বস্তুনিষ্ঠভাৱে পৰীক্ষা কৰা হয়।

- এই দৰ্শনে শিশুৰ জন্মগত আৰু উত্তৰাধিকাৰী সূত্ৰে পোৱা গুণাৱলীসমূহৰ বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰে। এই দৰ্শনে শিশুৰ প্ৰকৃতি, জন্মপ্ৰদত্ত আৰু প্ৰয়োজনসমূহ পৰিপূৰণ কৰিবলৈ সক্ষম হৈছে।
- শিক্ষাদানৰ পদ্ধতিৰ ক্ষেত্ৰত প্ৰকৃতিবাদে কামৰ জৰিয়তে শিকা, যেনে কিতাপৰ সলনি অভিজ্ঞতাৰ জৰিয়তে শিকা পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।
- শিক্ষাত 'খেলভিত্তিক পদ্ধতি' হৈছে প্ৰকৃতিবাদ দৰ্শনৰ আন এক বৰঙণি। প্ৰকৃতিবাদে প্ৰমাণ কৰিলে যে খেল হৈছে প্ৰাকৃতিক আৰু প্ৰয়োজনীয়।
- (Back to nature) "প্ৰকৃতিলৈ ঘূৰি যোৱা" হৈছে এই চিন্তাধাৰাৰ প্ৰধান শ্লোগান। ইয়াৰ উপৰি, আত্মপ্ৰকাশ', 'আত্মশিক্ষা' আৰু 'প্ৰকৃতি অনুসৰণ' আদি প্ৰকৃতিবাদ শিক্ষাৰ প্ৰধান বৈশিষ্ট্য।
- এই দৰ্শনে শিক্ষকৰ ভূমিকাক পৰোক্ষভাৱে উপস্থাপিত কৰিছে কিন্তু; শিক্ষকৰ ভূমিকাক অধিক দায়িত্বশীল কৰি তুলিছে। এই দৰ্শনে শিক্ষকক "পাঠ প্ৰস্তুতকাৰক" হিচাপে বৰ্ণনা কৰাৰ সলনি, শিক্ষকক শিশুৰ পথপ্ৰদৰ্শক আৰু পৰিচালক হিচাপে অভিহিত কৰে।

  কিন্তু, প্ৰকৃতিবাদৰ এইসমূহ বিশেষ বৈশিষ্ট্যৰ সত্বেও, ই আসোঁৱাহৰপৰা মুক্ত নহয়। ইয়াৰ আসোঁৱাহসমূহ—
- শৈক্ষিক অনুষ্ঠানসমূহ স্থাপিত কৰাৰ বাবে প্ৰকৃতিবাদী পৰিবেশ বিচাৰি উলিওৱাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়। ইয়াৰ উপৰি, এই দৰ্শনে বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি এক ঋণাত্মক মনোভাৱৰ বিকাশ কৰে। ফলস্বৰূপে, প্ৰচলিত শিক্ষা ব্যৱস্থাত, এই মনোভাৱে শিক্ষক আৰু শিক্ষাৰ্থীৰ ওপৰত অশুভ প্ৰভাৱ পেলাব পাৰে।
- এই দৰ্শনে লগতে শিক্ষাৰ্থীসকলৰ পুথি অধ্যয়নৰ ক্ষেত্ৰত নিৰুৎসাহ প্ৰদান কৰে। এইধৰণৰ ধাৰণাই ন-শিকাৰুৰ মনত খেলিমেলিৰ সৃষ্টি কৰিব পাৰে আৰু শিক্ষাৰ অপৰিপন্থী মনোভাৱ বিকাশ কৰে।
- প্ৰকৃতিবাদে শিশুসকলক অনিয়ন্ত্ৰিত স্বাধীনতা প্ৰদানৰ পোষকতা কৰে যি, বহুসংখ্যক আধুনিক শিক্ষাবিদৰ পক্ষে স্বীকাৰ্য নহয়। শিশুৰ পক্ষে দায়িত্ব সংযুক্ত গঠনমূলক আৰু কাৰ্যক্ষম স্বাধীনতাহে প্ৰয়োজনীয়। পূৰ্ণ স্বাধীনতা শিশুৰ পক্ষে বাঞ্ছনীয় নহয়।
- এই দৰ্শনে শিশুক মানুহৰ দ্বাৰা শাস্তি প্ৰদান কৰাতকৈ প্ৰকৃতিৰদ্বাৰা প্ৰদান কৰা শাস্তিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত প্ৰকৃতিপ্ৰদত্ত

শাস্তি শিশুৰ বাবে অনিশ্চিত আৰু ই শিশুৰ বাবে অধিক অপকাৰৰ সৃষ্টি কৰিব পাৰে।

- প্ৰকৃতিবাদে শৈক্ষিক প্ৰক্ৰিয়াত, শিক্ষকক অধিক গুৰুত্ব প্ৰদান নকৰে।
- প্ৰকৃতিবাদে শিশুৰ জৈৱিক ব্যক্তিত্ববোধ বিকাশৰ ওপৰত সৰ্বতোপ্ৰকাৰৰ গুৰুত্ব প্ৰদান কৰিছে। আনহাতে শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় আন দিশসমূহ যেনে সামাজিক, নৈতিক আৰু আধ্যাত্মিক বিকাশক এই দৰ্শনে অস্বীকাৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ ঃ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং১ ঃ প্ৰকৃতিবাদৰ প্ৰধান শ্লোগান হৈছে—

.....

.....

প্ৰশ্ন নং২ ঃ 'আত্মপ্ৰকাশ' আৰু 'আত্ম-সংৰক্ষণ' বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং৩ ঃ প্ৰকৃতিবাদ দৰ্শনে, শিক্ষাত গ্ৰহণ কৰা শিক্ষণৰ পদ্ধতিসমূহ বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং৪ ঃ প্ৰকৃতিবাদী পাঠ্যক্ৰমত গুৰুত্ব প্ৰাপ্ত হোৱা বিষয়সমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং৫ ঃ প্ৰকৃতিবাদী শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং৬ ঃ কি ভিত্তিত, প্ৰকৃতিবাদী দৰ্শন সমালোচিত হৈছে?

.....

.....

৯.৪.১ আদৰ্শবাদ আৰু প্ৰকৃতিবাদৰ মাজৰ প্ৰভেদ

আদৰ্শবাদ আৰু প্ৰকৃতিবাদ হৈছে দৰ্শনৰ এনে দুই সত্ৰ যি এটা আনটোৰ পৃথক। এই প্ৰভেদৰ কিছুমান দিশ তলত উল্লেখ কৰা হ'ল—

- আদৰ্শবাদে বিশ্বাস কৰিছিল যে, চূড়ান্ত সত্য মনৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল,

বস্তুৰ ওপৰত নহয়। বস্তু হৈছে সত্যৰ এক অংশহে, সম্পূৰ্ণ সত্য নহয়। আনহাতে, প্ৰকৃতিবাদ প্ৰকৃত বা চূড়ান্ত সত্য বস্তুৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল, মন বা উদ্দ্যমৰ ওপৰত নহয়। ই বিশ্বাস কৰে যে, মন বস্তুৰে পৰিপূৰ্ণ।

- আদৰ্শবাদে ভৌতিক ইন্দ্ৰিয়ৰ জৰিয়তে আহৰণ কৰা জ্ঞানতকৈ আধ্যাত্মিক শক্তিৰ জৰিয়তে আহৰণ কৰা জ্ঞানৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে। এই দৃষ্টিভংগী অনুসৰি বিজ্ঞানৰ চিৰপৰিচিত বস্তুগত পৃথিৱীখন হৈছে সত্যৰ এক অসম্পূৰ্ণ অংশ।

  আনহাতে, প্ৰকৃতিবাদে শাৰীৰিক ইন্দ্ৰিয়সমূহৰ জৰিয়তে লাভ কৰা প্ৰত্যক্ষ জ্ঞানৰ ওপৰত বিশ্বাস কৰে। জ্ঞান আহৰণ কৰা পদ্ধতিসমূহ পৰ্য্যবেক্ষণ আৰু পৰীক্ষণৰ ওপৰত প্ৰতিষ্ঠিত হোৱা উচিত। প্ৰকৃতিবাদে বিশ্বাস কৰিছিল যে, বিজ্ঞানেহে কেৱল প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন কৰিব পাৰে।
- আদৰ্শবাদে শাৰীৰিক পৰিবেশতকৈ আধ্যাত্মিক বিশ্বখনকহে অধিক গুৰুত্ব প্ৰদান কৰে।

  আনহাতে, প্ৰকৃতিবাদে আধ্যাত্মিক পৰিবেশতকৈ ভৌতিক আৰু জৈৱিক পৰিবেশক গুৰুত্ব প্ৰদান কৰে। ই বিশ্বাস কৰে যে, ঐশ্বৰিক শক্তি হৈছে ভ্ৰমযুক্ত ধাৰণা, যিয়ে মানুহৰ মনক ভুলপথে পৰিচালিত কৰে।
- আদৰ্শবাদে সনাতন মূল্যবোধ যেনে— সত্য, শিৱ আৰু সুন্দৰৰ অস্তিত্বক বিশ্বাস কৰে যিবোৰ চিৰদিন অপৰিৱৰ্তনীয়। সনাতন সত্যসমূহ পূৰ্ব নিৰ্দ্ধাৰিত যিবোৰ পৰীক্ষণৰ পৰ্যায়লৈ অগ্ৰসৰিত হোৱাটো উচিত নহয়।

  আনহাতে, প্ৰকৃতিবাদে পূৰ্বনিৰ্দ্ধাৰিত সনাতন সত্য আৰু মূল্যবোধসমূহৰ অস্তিত্বক বিশ্বাস নকৰে। সত্যতাৰ সৈতে সংযোগ আৰু ব্যক্তিগত অভিজ্ঞতাৰ জৰিয়তে মানুহে জীৱনৰ মূল্যবোধসমূহ নিৰ্দ্ধাৰণ কৰে।
- আদৰ্শবাদে ব্যক্তিত্বৰ সৰ্বাঙ্গীন বিকাশৰ ওপৰত বিশ্বাস কৰে যি আধ্যাত্মিক প্ৰকৃতিৰ।

  আনহাতে, প্ৰকৃতিবাদে জৈৱিক ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

৯.৪.২ শিক্ষাৰ ক্ষেত্ৰখনলৈ প্ৰকৃতিবাদৰ বৰঙণি

নিম্নোক্ত দিশসমূহৰ জৰিয়তে শিক্ষাত, প্ৰকৃতিবাদৰ বৰঙণিসমূহ উল্লেখ কৰা হ'ল—

- শিক্ষাৰ ক্ষেত্ৰত, প্ৰকৃতিবাদে শিশুৰ স্বীকৃতিৰ গুৰুত্ব প্ৰদান কৰিছে।

- প্ৰকৃতিবাদে শিক্ষকসকলক শিশুৰ অধ্যয়ন সাৱধানে কৰাৰ ক্ষেত্ৰত মনোযোগ আকৰ্ষণ কৰিছে আৰু সেইমতে, শিক্ষা প্ৰদান কৰাত সহায় কৰে। এই দৰ্শনে মত পোষণ কৰে যে, শিক্ষা শিশুকেন্দ্ৰিক হোৱা উচিত।
- শৈক্ষিক প্ৰক্ৰিয়া সন্তোষজনক আৰু আনন্দময় কৰি তোলাৰ ক্ষেত্ৰত প্ৰকৃতিবাদে গুৰুত্ব প্ৰদান কৰিছে।
- শৈক্ষিক অনুষ্ঠানসমূহ প্ৰাকৃতিক পৰিবেশৰ মাজত গঢ়ি উঠাৰ দিশটোৰ ক্ষেত্ৰত প্ৰকৃতিবাদে গুৰুত্ব প্ৰদান কৰে।
- প্ৰকৃতিবাদে "প্ৰগতিশীল পদ্ধতিসমূহ যেনে কামৰ জৰিয়তে শিকা, পৰ্য্যবেক্ষণৰ জৰিয়তে শিক্ষণ আৰু প্ৰবৃত্তিমূলক ধাৰণাৰ গুৰুত্বক পোহৰলৈ লৈ আহিছে।
- প্ৰকৃতিবাদে নতুন প্ৰকাৰৰ শৈক্ষিক অনুষ্ঠান আৰু আন্দোলনৰ জন্ম দিছে, যেনে— বিশ্বভাৰতী আৰু এ.চ. নেইলৰ "চামাৰহীল বিদ্যালয় (Summerhill School)



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰকৃতিবাদৰ মতে, শিশুৰ প্ৰকৃতি অনুসৰি শিক্ষা প্ৰদান কৰা উচিত আৰু ই মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ পৰা যথেষ্ট গুৰুত্বপূৰ্ণ। ই অভিজ্ঞতাৰ জৰিয়তে আহৰণ কৰা শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত প্ৰকৃতিবাদৰ এক গুৰুত্বপূৰ্ণ বৰঙণি হৈছে খেলভিত্তিক পদ্ধতি।
- এই দৰ্শনৰ প্ৰধান সমৰ্থকসমূহ হৈছে— ডেম'ক্ৰিটাছ, ইপিকিউৰাছ, বেকন, কমেনিয়াছ, হাৰবাৰ্ট স্পেনচাৰ, নান, হাৰলী, ৰুছো, ল'কে, কেণ্ট ইত্যাদি।
- প্ৰকৃতিবাদে নিজকে তিনিটা প্ৰধান প্ৰকাৰত উপস্থাপন কৰে— শাৰীৰিক প্ৰকৃতিবাদ, যান্ত্ৰিক প্ৰকৃতিবাদ আৰু জৈৱিক প্ৰকৃতিবাদ।
- প্ৰকৃতিবাদ শিক্ষাত শিকন আৰু শিক্ষনৰ পদ্ধতিসমূহ কাৰ্যশীল নীতিৰ দ্বাৰা পৰিচালিত। ইয়াক কৰ্মৰ দ্বাৰা শিক্ষণ হিচাপে জনা যায়।
- প্ৰকৃতিবাদী দাৰ্শনিকসকলে অনুশাসনৰ পৰম্পৰাগত ধাৰণাক অস্বীকাৰ কৰে আৰু শিশুক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰাত সমৰ্থন কৰে।
- প্ৰকৃতিবাদীসকলে পাঠ্যক্ৰমত গুৰুত্ব প্ৰদানকৰা বিষয়সমূহ হৈছে— প্ৰকৃতিৰ অধ্যয়ন, কৃষি, বাগিছা, কলা, শিল্প, ৰসায়ন বিদ্যা, পদাৰ্থবিজ্ঞান, ভূতত্ববিজ্ঞান, ভূগোল, জ্যোৰ্তিবিজ্ঞান ইত্যাদি। বিজ্ঞানৰ শিক্ষণৰ ওপৰত প্ৰকৃতিবাদে গুৰুত্ব প্ৰদান কৰে কিয়নো ই প্ৰকৃতিৰ লগত জড়িত।



৯.৬ অধিক জানিবলৈ

1. Aggarwal J. C. (2006) Theory and priciples of education. Vikash publishing house, New Delhi.
2. Bhatia K. K. (2004) Principles and theories of education, Kalyani publishers, Ludhiana.
3. Chaube S. P. and Chaube A. (1997) Philosophical and sociological foundation of education, Binod Pustak Mandir, Agra.
4. Safaya R. and Shaida B. D. (2003) Modern theory and principles of education, Dhanpat Rai Publishing Company, New Delhi.
5. Taneja V. R. (1976) Educational thought and practice. Sterling publishers pvt. ltd., New Delhi.



৯.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ "প্ৰকৃতিলৈ ঘূৰি যোৱা।" "Back to nature"

২নং প্ৰশ্নৰ উত্তৰ ঃ আত্ম প্ৰকাশৰ অৰ্থ হৈছে যে শিশুৱে নিজৰ প্ৰয়োজনসমূহ , ইচ্ছা আৰু আকাংক্ষাসমূহ বিনাদ্বিধাই প্ৰকাশ কৰিবলৈ সুবিধা পোৱা উচিত। আত্ম সংৰক্ষণে সুস্থ শৰীৰৰ লগতে সুস্থ পৰিবেশক অন্তৰ্ভুক্তি কৰে। শিশুৱে শাৰীৰিক আৰু মানসিক উভয়ভাৱে শৰীৰ আৰু শৰীৰবিদ্যাৰ নিয়মসমূহ জনা উচিত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদ অনুসৰি, শিশুক শিক্ষাপ্ৰদান কৰাৰ ক্ষেত্ৰত, নিম্নোক্ত পদ্ধতিসমূহ গ্ৰহণ কৰা উচিত।

- **কামৰ জৰিয়তে শিকা ঃ** এই পদ্ধতিত, শিকন আৰু শিক্ষণ কৰ্মশীল নীতিৰদ্বাৰা পৰিচালিত হয়, যেনে ঃ কামৰ জৰিয়তে শিকা। ইয়াত শিশুসকলে ব্যৱহাৰিক অভিজ্ঞতাৰ জৰিয়তে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু শিক্ষা আহৰণ কৰিবলৈ সক্ষম হয়।
- **খেলভিত্তিক পদ্ধতি ঃ** প্ৰকৃতিবাদীসকলে এই পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ই শিশুৰ স্বতঃস্ফূৰ্ত সৃষ্টিশীলতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। খেলৰ জৰিয়তে শিকা পদ্ধতিয়ে আনন্দৰ উদ্যম, সৃষ্টিশীল আৰু স্বতঃস্ফূৰ্ত কৰ্মৰাজিৰ সৃষ্টি কৰে।

- **পৰ্যবেক্ষণ আৰু পৰীক্ষণ ঃ** প্ৰকৃতিবাদে, এনে এক তালিকাৰ সমৰ্থন কৰে যিয়ে, শিশুসকলক পৰ্যবেক্ষণ আৰু পৰীক্ষণৰ কৌশলৰ ব্যৱহাৰ জৰিয়তে নিজৰ তালিকা নিৰ্বাচন কৰাৰ বাবে স্বাধীনতা প্ৰদান কৰে।
- **আত্মশাসন আৰু আত্মপ্ৰচেষ্টা ঃ** আত্মশাসন আৰু আত্মপ্ৰচেষ্টা হৈছে প্ৰকৃতিবাদে গ্ৰহণ কৰা শিক্ষণৰ পদ্ধতি। এই পদ্ধতিয়ে শিশুক সামাজিক জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰাত নিৰ্দেশনা প্ৰদান কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বিষয়সমূহ হৈছে প্ৰাকৃতিক অধ্যয়ন, কৃষি, বাগিছা, কলা, শিল্প, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ভূতত্ব বিজ্ঞান, জ্যোতিৰ্বিদ্যা।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদী শিক্ষাৰ আঁচনিত, শিক্ষকে শিক্ষণৰ প্ৰক্ৰিয়াত, হস্তক্ষেপ কৰিব নোৱাৰে। তেওঁৰ দায়িত্ব হৈছে শিক্ষণৰ বাবে সন্তোষজনক পৰিবেশ সৃষ্টি কৰে আৰু তেওঁ শিক্ষণৰ সুবিধাপ্ৰদাতা হৈ থাকিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ নিম্নোক্ত দিশসমূহৰ ভিত্তিত, প্ৰকৃতিবাদ দৰ্শন সমালোচিত হৈছে—

- সকলো শিশুৰ বাবে এক প্ৰাকৃতিক পৰিবেশীয় শিক্ষা বিচাৰি উলিওৱা সহজ নহয়।
- বৰ্তমানৰ আধুনিক পৃথিৱীখনত, কিতাপ বা অন্যান্য সঁজুলি অবিহনে প্ৰকৃতিৰ পৰা সকলো শিক্ষণ আহৰণ কৰাটো অসম্ভৱ যেন অনুভৱ হয়।
- শিশুসকল, অপৰিপক্ক, সেয়েহে সম্পূৰ্ণ স্বাধীনতা তেওঁলোকৰ বাবে অপকাৰী।



৯.৮ আৰ্হিপ্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰকৃতিবাদ মানে কি?

প্ৰশ্ন ২ঃ প্ৰকৃতিবাদৰ মৌলিক নীতিসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ প্ৰকৃতিবাদৰ প্ৰধান প্ৰকাৰসমূহ কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰকৃতিবাদ বুলিলে কি বুজা? এই দৰ্শনে শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক দিশত কিদৰে প্ৰভাৱ পেলাইছে?

প্ৰশ্ন ২ঃ প্ৰকৃতিবাদ দৰ্শনৰ মুখ্য বৈশিষ্ট্যসমূহ কি? আলোচনা কৰক।

প্ৰশ্ন ৩ঃ আদৰ্শবাদ আৰু প্ৰকৃতিবাদৰ মাজৰ প্ৰভেদবোৰৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ঃ শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃতিবাদৰ বৰঙণিসমূহ উল্লেখ কৰক।

*****

অধ্যায় ১০ ঃ দর্শনৰ সত্ৰ হিচাপে প্ৰয়োগবাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ প্ৰয়োগবাদ দর্শনৰ ধাৰণা
১০.৩.১ প্ৰয়োগবাদ দর্শনৰ মৌলিক নীতিসমূহ
১০.৩.২ প্ৰয়োগবাদৰ প্ৰকাৰসমূহ
১০.৩.৩ প্ৰয়োগবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱ
১০.৩.৪ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগবাদৰ বৰঙণি
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্ৰগতিৰ খতিয়ান
১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰয়োগবাদ আৰু শৈক্ষিক দর্শন হিচাপে ইয়াৰ মূল বৈশিষ্ট্যসমূহ বাখ্যা কৰিবলৈ সমর্থ হ'ব।
- আধুনিক শিক্ষাত প্ৰয়োগবাদৰ প্ৰভাৱ বর্ণনা কৰিবলৈ সমর্থ হ'ব।

১০.২ পৰিচয়

আমি আগৰ অধ্যায়টোত, দর্শনৰ ধাৰণা আৰু অর্থৰ বিষয়ে আলোচনা কৰিছোঁ যিয়ে শিক্ষাৰ তত্ত্ব আৰু ব্যৱহাৰিক দিশত অৰিহণা যোগাইছে। আগৰ অধ্যায়টোৰ আলোচনাৰ পৰা আমি বুজিবলৈ সক্ষম হৈছোঁ যে, দর্শন হ'ল শিক্ষাৰ তৃণমূল আধাৰ। দর্শনে পথটোৰ সন্ধান দিয়ে আৰু শিক্ষাই নির্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাবে তাক অনুসৰণ কৰে। দর্শনৰ লগত থকা সম্বন্ধলৈ চাই শিক্ষাক প্ৰয়োগিক দর্শন হিচাপে আখ্যা দিব পাৰি। শিক্ষাৰ প্ৰত্যেকটো দিশৰে দার্শনিক ভিত্তি আছে। দর্শন ইয়াকে ক'ব পাৰি যিয়ে শিক্ষাৰ লক্ষ্য সমূহ প্ৰদান কৰে, আৰু এই লক্ষ্যসমূহে পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, নির্দ্ধাৰণ কৰে লগতে শিক্ষাদানত শিক্ষকৰ ভূমিকা,

অনুশাসন ব্যৱস্থা আদি গঢ় দিয়াত অৱিহণা যোগায়। আমি আদৰ্শবাদ আৰু প্ৰকৃতিবাদৰ বিষয়ে জ্ঞাত হোৱাৰ পিছত আন এবিধ দৰ্শনৰ সত্ৰৰ বিষয়ে আলোচনা কৰিম। সেই সত্ৰ হৈছে — প্ৰয়োগবাদ যিয়ে শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত প্ৰভাৱ পেলাইছে।

১০.৩ প্ৰয়োদবাদ দৰ্শনৰ ধাৰণা ঃ

ইতিমধ্যে, আমি দৰ্শনৰ দুই সত্ৰ— যেনে আদৰ্শবাদ আৰু প্ৰকৃতিবাদৰ বিষয়ে অধ্যয়ন কৰিছোঁ। এতিয়া আমি প্ৰয়োগবাদৰ আৰু শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক দিশত তাৰ প্ৰভাৱ আলোচনা কৰো আহঁক।

প্ৰয়োগবাদৰ মূল ইংৰাজী শব্দ হৈছে 'Pragmatism' 'প্ৰেগমেটিজিম'। এই 'প্ৰেগমেটিজিম' শব্দটো গ্ৰীক শব্দ 'Pragmatics' 'প্ৰেগমেটিকচ' ৰপৰা আহিছে। প্ৰেগমেটিকচৰ মানে হৈছে — 'active' 'কৰ্ম কৰা' আৰু 'efficient' 'উপযুক্ত'। এইদৰে 'কৰ্ম কৰা (active), (efficient) 'অনুশীলন' আদি শব্দৰ ব্যৱহাৰে প্ৰাধান্যতা পাইছে। দৰ্শন হিচাপে, আদৰ্শবাদৰ বিৰোধিতাৰ ফলস্বৰূপে সৃষ্টি হৈছে প্ৰয়োগবাদ আৰু তেওঁলোকে তেওঁলোকৰ বিশ্বাসৰ মূলভেটিৰ নক্সা গ্ৰহণ কৰিছে গ্ৰীক চফীবাদীসকলৰ পৰা (sophist)। চফীবাদ দাৰ্শনিক (Protogoras) প্ৰটোগোৰাছৰ জনপ্ৰিয় আদেশ (Man is the measure of all things) "মানুহ হৈছে সকলো বস্তুৰ উপায়ক" আদৰ্শবাদৰ সৰ্বপ্ৰথম ঘোষণা বুলি দাবী কৰা হৈছে।

আধুনিক প্ৰকাৰৰ ক্ষেত্ৰত, প্ৰয়োগবাদৰ উদ্ভৱ হৈছিল আমেৰিকাত আৰু ইয়াৰ বিকাশৰ লগত জড়িত হৈ থকা নামবোৰ হৈছে — ছালৰ্চ পেইৰছ, উলিয়াম জেমচ আৰু জন ডিইৱে। প্ৰয়োগবাদক কোনো সময়ত 'প্ৰগতিশীল শিক্ষা' বা 'প্ৰগতিশীলতা' বুলিও কোৱা হয়। ১৯১০-১৯৫০ ৰ সময়ছোৱাত আমেৰিকাৰ শিক্ষা ব্যৱস্থাত যথেষ্ট পৰিৱৰ্তন সংগঠিত হৈছিল। এই পৰিৱৰ্তন অনাৰ মূলতে আছিল বিদ্যালয়ত পঢ়ি থকা শিক্ষাৰ্থীসকলৰ বিভিন্ন সমস্যা সমাধান কৰিব পৰাকে শিক্ষাক অধিক শক্তিশালী কৰি তোলা। যুৱ নাগৰিকৰ সামাজিক, ব্যক্তিগত, আৰু বৃত্তিগত সমাজখনত অধিক গুৰুত্ব প্ৰদান কৰি বিদ্যালয়সমূহ বৈজ্ঞানিক, ব্যৱহাৰিক আৰু প্ৰযুক্তিশীল কৰি তোলা হৈছিল।

প্ৰয়োগবাদী দাৰ্শনিক পেইৰছে সৰ্বপ্ৰথম 'প্ৰয়োগবাদ' শব্দটো ব্যৱহাৰ কৰিছিল। তেওঁ এই 'প্ৰয়োগবাদক' কোনো ধাৰণাৰ অৰ্থ স্থাপন কৰিবলৈ এক যুক্তিযুক্ত পদ্ধতি হিচাপে উপস্থাপন কৰিছিল। উইলিয়াম জেমছে এই প্ৰয়োগবাদক সত্যৰ তত্ত্ব হিচাপে বৰ্ণনা কৰিছিল। তেওঁৰ প্ৰয়োগবাদৰ কেন্দ্ৰীয় ধাৰণা হৈছে সত্যৰ বচন। তেওঁৰ মতে, সত ধাৰণাসমূহ হৈছে সেইবোৰ, যিবোৰ আমি একত্ৰিত, যুক্তিসঙ্গত আৰু প্ৰমাণিত কৰিব পাৰো। ডিউৱেৰ দৃঢ় বিশ্বাস আছিল এয়ে যে, চিন্তাধাৰাসমূহ যন্ত্ৰ হিচাপে বিবেচনা কৰা উচিত যি, জীৱনৰ লগত জড়িত সমস্যাসমূহৰ সমাধানৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। ডিউৱেৰ দৰ্শন তেওঁৰ শিক্ষাৰ প্ৰকৃতিৰ লগত সাঙোৰ

খাই আছে। উইল ডুৰেটেয়ে প্ৰকৃতিবাদৰ অৰ্থ আৰু ধাৰণাৰে সাৰাংশ দিছিল — "প্ৰকৃতিবাদ হৈছে এক বচন যাৰমতে, সত্য হৈছে কোনো এক ধাৰণাৰ ব্যৱহাৰিক ফল।"

১০.৩.১ প্ৰয়োগবাদ দৰ্শনৰ মৌলিক নীতিসমূহ

প্ৰয়োগবাদৰ মৌলিক নীতিসমূহৰ বিষয়ে আলোচনা কৰোহঁক। সেইসমূহ হৈছে —

- **পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব**

  প্ৰয়োগবাদী সকলে পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁলোকৰ মতে পৰিৱৰ্তন হৈছে — বিশ্বৰ এক বৈশিষ্ট্য।

- **কোনোধৰণৰ শেষ মূল্যবোধ নাই**

  প্ৰয়োগবাদীসকলে সনাতন মূল্যবোধৰ ওপৰত বিশ্বাস নকৰে। মানুহে তেওঁৰ কৰ্মৰাজিৰ সময়ছোৱাত নিজৰ মূল্যবোধসমূহ সৃষ্টি কৰে। ভৱিষ্যত বা কোনো সময়ত আহিব পৰা ধৰণৰ কোনো নিৰ্দ্ধাৰিত মূল্যবোধ নাই। এইদৰে, প্ৰয়োগবাদীসকলৰ মতে, মূল্যবোধসমূহ পৰিৱৰ্তনীয়।

- **ব্যৱহাৰিকতা**

  প্ৰয়োগবাদীসকল ব্যৱহাৰবাদী। ব্যৱহাৰ বা উপকাৰ মানে হৈছে মানুহৰ উদ্দেশ্যসমূহৰ পৰিপূৰণ অথবা মানুহৰ প্ৰয়োজনসমূহৰ তৃপ্তি।

- **গণতন্ত্ৰৰ ওপৰত গুৰুত্ব**

  প্ৰয়োগবাদে গণতন্ত্ৰৰ ওপৰত বিশ্বাস কৰে। প্ৰয়োগবাদৰ মতে, মানুহৰ ব্যক্তিত্বৰ সৰ্বোচ্চ বিকাশ সম্ভৱ হয় কেৱল গণতন্ত্ৰতহে। গণতান্ত্ৰিক সামাজিক পৰিৱেশত, সদস্যসকলে তেওঁলোকৰ মাজতে অভিজ্ঞতাসমূহ ভাগ বিতৰণ কৰিছিল আৰু এইদৰে, এক সুস্থ ব্যক্তিত্বৰ গঠন লাভ কৰিছিল।

- **পৰীক্ষণ**

  প্ৰয়োগবাদীসকল পৰীক্ষণবাদী। তেওঁলোকে আদৰ্শতকৈ কৰ্মৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰে। কৰ্ম হৈছে জ্ঞানৰ শেষ পৰিধি আহৰণ কৰাৰ এক উপায়। সেয়েহে কোনো এজন ব্যক্তিয়ে অবিৰত পৰীক্ষণৰ সমাপনৰ জৰিয়তে শিকা উচিত, যিটো জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰয়োজনীয়।

  ওপৰোক্ত এইসমূহ নীতিৰ বাহিৰেও প্ৰয়োগবাদীসকলে, মানৱশক্তি, বাস্তৱতাৰ নীতি আৰু শিথিলতাৰ নীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রয়োগবাদ বুলিলে কি বুজা ?

.....

.....

.....

প্রশ্ন নং ২ ঃ প্রয়োগবাদৰ মৌলিক বৈশিষ্ট্যসমূহ কি কি ?

.....

.....

.....

১০.৩.২ প্রয়োগবাদৰ প্রকাৰসমূহ

দর্শন হিচাপে, প্রয়োগবাদ হৈছে আদর্শবাদ আৰু বস্তুবাদৰ মাজৰ এক দর্শন। প্রয়োগবাদৰ মতে, অভিজ্ঞতা হৈছে বিশ্বব্রহ্মাণ্ডৰ কেন্দ্রীয় বস্তু। প্রয়োগবাদৰ প্রধান প্রকাৰ তিনিটা।

- **মানৱীয়তাবাদী প্রয়োগবাদ**

  মানৱীয়তাবাদী প্রয়োগবাদ অনুসৰি, "যিয়ে আমাৰ উদ্দেশ্য সমূহ পৰিপূৰণ কৰে, আকাংক্ষাসমূহক তৃপ্তি প্রদান কৰে আৰু আমাৰ জীৱনটো বিকশিত কৰে, সেয়াই সত্য"।

- **পৰীক্ষণধর্মী প্রয়োগবাদ**

  এগৰাকী পৰীক্ষণধর্মী প্রয়োগবাদীয়ে বিশ্বাস কৰে যে, "যিসমূহ পৰীক্ষণভাৱে প্রমাণিত হয়, সেয়াই সত্য বা সেই কামেই সত্য।"

- **জৈৱিক প্রয়োগবাদ**

  এগৰাকী জৈৱিক প্রয়োগবাদে বিশ্বাস কৰে যে, এই প্রকাৰ প্রয়োগবাদৰ জৰিয়তে মানৱীয় জীৱক তেওঁৰ পৰিৱেশৰ লগত সমাযোজিত কৰাৰ ক্ষেত্রত চিন্তাধাৰাৰ কার্যৱলীত সর্বশ্রেষ্ঠতা পোৱা যায়।

১০.৩.৩ প্রয়োগবাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্রভাৱ

দর্শনৰ সত্র হিচাপে, প্রয়োগবাদে শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক ক্ষেত্রত

সৰ্বাধিক পৰিমাণে প্ৰভাৱ পেলাইছে। প্ৰয়োগবাদৰ মতে, আদৰ্শবাদে সমৰ্থন কৰাৰ নিচিনাকৈ 'শিক্ষা' দৰ্শনৰ গতিশীল অংশ নহয়।' দৰ্শনহে শৈক্ষিক ব্যৱহাৰৰ দ্বাৰা আৰ্বিভাৱ হৈছে। এতিয়া আমি আলোচনা কৰিম, কিদৰে প্ৰয়োগবাদে শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত প্ৰভাৱ পেলাইছে।

➢ **শিক্ষাৰ উদ্দেশ্যসমূহ—**

প্ৰয়োগবাদীসকলৰ মতে, শিক্ষাৰ লক্ষ্যসমূহ হৈছে —

- **নতুন মূল্যবোধৰ সৃষ্টি ঃ** প্ৰয়োগবাদীসকলে শিক্ষাৰ পূৰ্ব নিৰ্দ্ধাৰিত লক্ষ্যসমূহ বিশ্বাস নকৰে, কিয়নো, লক্ষ্যসমূহ নিৰ্দ্ধাৰিত আৰু চূড়ান্ত হ'ব নোৱাৰে। প্ৰয়োগবাদী ধাৰণা অনুসৰি, লক্ষ্য হৈছে অভিজ্ঞতাৰ জৰিয়তে মূল্যবোধৰ সৃষ্টি বা আৱিৰ্ভাৱ। ৰছৰ মতে - প্ৰকৃতিবাদীসকলৰ শিক্ষাৰ সাধাৰণ লক্ষ্য হৈছে নতুন মূল্যবোধৰ সৃষ্টি মাত্ৰ। সেয়েহে, শিক্ষকৰ প্ৰধান কাৰ্য হৈছে — শিক্ষাৰ্থীসকলক নিজাববীয়াকৈ মূল্যবোধ সৃষ্টিৰ বাবে এক স্থানত উপনীত কৰোৱা।
- **কাৰ্য্য আৰু অভিজ্ঞতা ঃ** নতুন মূল্যবোধৰ সৃষ্টিৰ বাবে, কাৰ্য আৰু অভিজ্ঞতাসমূহ অতি প্ৰয়োজনীয়। সেয়েহে, নতুন মূল্যবোধৰ সৃষ্টিৰ বাবে মধ্যস্থতাকাৰী হিচাপে, শিক্ষাই শাৰীৰিক, বৌদ্ধিক, নৈতিক আৰু সৌন্দৰ্যবৰ্দ্ধক কাৰ্যাৱলীসমূহ প্ৰদান কৰা উচিত।
- **অভিজ্ঞতাৰ পুনঃ গঠন ঃ** শিক্ষা হৈছে শিশুৰ বৃদ্ধিৰ অন্তহীন প্ৰক্ৰিয়া। প্ৰতিটো অভিজ্ঞতাই আন এক অভিজ্ঞতালৈ আগুৱাই লৈ যায় আৰু শিক্ষাৰ উদ্দেশ্য হৈছে কাৰ্যক্ৰম অভিজ্ঞতাৰ ক্ষেত্ৰত, শিকাৰুসকলক অভিজ্ঞতা প্ৰদান কৰা।
- **ব্যক্তিগত আৰু সামাজিক সমাযোজন ঃ** প্ৰয়োগবাদী শিক্ষাই সামাজিক আৰু ব্যক্তিগত সমাযোজনৰ লক্ষ্য যুগুত কৰে। ইয়াৰ অৰ্থ এয়ে যে, জীৱনৰ লগত খাপ-খুৱাই চলিবপৰাকৈ শিক্ষাই এক গতিশীল আৰু সমাযোজিত মনৰ গঠন আৰু সেই মনৰ বীজ ৰোপন কৰা উচিত।
- **গণতন্ত্ৰৰ বাবে শিক্ষা ঃ** শিক্ষাই, জীৱনৰ গণতান্ত্ৰিক মূল্যবোধৰ আহৰণৰ বাবে লক্ষ্য যুগুত কৰা উচিত। সেয়েহে, বিদ্যালয়ত গণতান্ত্ৰিক পৰিৱেশৰ সৃষ্টি কৰিব লাগে যিয়ে শিক্ষাৰ্থীসকলৰ মনত গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ প্ৰতি সন্মানৰ মনোভাৱ বিকাশ কৰিব পাৰে।

➢ **প্ৰয়োগবাদ আৰু পাঠক্ৰম**

প্ৰয়োগবাদে পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ বাবে নিম্নোক্ত নীতিসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰে—

- **পাঠ্যক্ৰম ঃ** প্ৰয়োগবাদীসকলৰ মতে, পাঠ্যক্ৰম শিকাৰুসকলৰ প্ৰকৃতি অনুসৰি হোৱা উচিত আৰু এই পাঠ্যক্ৰম তেওঁলোকৰ অভিজ্ঞতাৰ পৰিধিৰ বাহিৰত

হোৱা উচিত নহয়। সেয়েহে পাঠ্যক্ৰম কাৰ্যাৱলীসমূহক লৈ গঠিত। পাঠ্যক্ৰম প্ৰস্তুতৰ প্ৰাৰম্ভণিতে, কাৰ্যাৱলীৰ এক আৰ্হি ৰখা উচিত আৰু পৰিস্থিতিৰ প্ৰয়োজন সাপেক্ষে. এক পাঠ্যক্ৰম প্ৰকাশিত হোৱা উচিত। এইদৰে, ই এক পৰিৱৰ্তিত আৰু শিথিল পাঠ্যক্ৰম হৈ পৰিব।

- **ব্যৱহাৰ্য পাঠ্যক্ৰম** ঃ পাঠ্যক্ৰম শিক্ষাৰ্থীৰ ব্যৱহাৰ আৰু প্ৰয়োজনৰ ভিত্তিত প্ৰতিষ্ঠিত হোৱাটো উচিত। শিক্ষাৰ্থীসকলক, তেওঁলোকৰ ব্যৱহাৰিক জীৱনত কিধৰণে সহায় কৰা হ'ব, সেই বিষয়কহে শিক্ষা প্ৰদান গ্ৰহণ কৰাৰ যোগ্য। সেয়েহে, পাঠ্যক্ৰমত, ভাষা, স্বাস্থ্য সম্পৰ্কীয়,বিজ্ঞান, শাৰীৰিক প্ৰশিক্ষণ, ইতিহাস, ভূগোল, গণিত, বিজ্ঞান, কৃষি আৰু বৃত্তিমূখী বিষয়ৰ জ্ঞান বাধ্যতামূলক কৰা উচিত।
- **সংহতিৰ নীতি** ঃ মহান প্ৰয়োগবাদী জন ডিউয়ে পৰম্পৰাগত পাঠ্যক্ৰমৰ বিৰোধী আছিল যাৰ অৰ্থ হৈছে এনে এক অধ্যয়নৰ বিষয় যিয়ে, জ্ঞানক বিভিন্ন একাষৰীয়া ভাগত ভাগ কৰে। শিশুসকল বিষয়বস্তুৰ যুক্তিযুক্ত গঠনত আগ্ৰহী নহয়। সেয়েহে, প্ৰয়োগবাদীসকল, জীৱনৰ বিশেষ আৰু বিশিষ্ট সমস্যাসমূহৰ পৰিবেষ্টনীত সংহতিপূৰ্ণ জ্ঞান প্ৰদানৰ পক্ষপাতী। শিশুৰ জীৱন আৰু অভিজ্ঞতা, বিদ্যালয়ৰ কাৰ্য্যাৱলী সমূহৰ লগত সংহতি স্থাপন কৰা উচিত।

➢ **প্ৰয়োগবাদ আৰু শিক্ষাদানৰ পদ্ধতি ঃ**

- **কামৰ জৰিয়তে শিকা** ঃ ডিউইয়ে বিশ্বাস কৰিছিল যে, প্ৰত্যক্ষ অভিজ্ঞতা হৈছে সকলো পদ্ধতিৰ মূল। ই নতুন পদ্ধতিসমূহৰ সৈতে পৰীক্ষণ কৰাৰ ওপৰত বিশ্বাস কৰে যিবোৰ জীৱনৰ প্ৰকৃত পৰিৱেশৰ পোহৰত শিক্ষকৰ দ্বাৰা উদ্ভাৱন কৰা হয়। শিক্ষা হৈছে শিক্ষণ কিন্তু; ই হৈছে আত্ম প্ৰচেষ্টা আৰু সৃষ্টিশীল কাৰ্য্যৰ জৰিয়তে শিকনৰ উৎসাহ প্ৰদান কৰা।
- **প্ৰকৃত জীৱন পৰিস্থিতিৰ ব্যৱস্থা** ঃ আমি ইতিমধ্যে উল্লেখ কৰিছো যে, প্ৰয়োগবাদে কাৰ্যাৱলী আৰু কৰ্মৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। শিশুসকলক জীৱনৰ প্ৰকৃত পৰিৱেশৰ সৈতে সম্মুখীন কৰোৱা উচিত, যাতে, এই পৰিস্থিতিত উদ্ভৱ হোৱা সমস্যাসমূহ তেওঁলোকে নিজে সমাধান কৰিব পাৰে।
- **কাল্পনিক পদ্ধতি (Project Method)** ঃ শৈক্ষিক ব্যৱহাৰিক দিশত, প্ৰয়োগবাদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৰঙণি হৈছে কাল্পনিক পদ্ধতি, য'ত শিশুসকলক এক বাস্তৱিক আৰু উদ্দেশ্যমূলক কাৰ্য পালন কৰিবলৈ দিয়া হয়। কাল্পনিক পদ্ধতিৰ পাঁচটা স্তৰ আছে। প্ৰথমতে, শিক্ষকে এক বাস্তৱিক পৰিৱেশ প্ৰদান কৰে। তাৰপিছত, শিক্ষাৰ্থীসকলে কাৰ্য আঁচনি নিৰ্বাচন কৰে আৰু তাৰ প্ৰশাসনৰ বাবে পৰিকল্পনা কৰে। ইয়াৰ পৰৱৰ্তী স্তৰ হৈছে এই পৰিকল্পনাৰ প্ৰকৃত প্ৰশাসন আৰু মূলতঃ ইয়াৰ ব্যৱহাৰিকতাৰ মূল্যায়ন আৰু

ন্যায়। প্ৰয়োগবাদে দলীয় কাৰ্য্য আঁচনিও সমৰ্থন কৰে কিয়নো ই সহযোগিতা, দলীয় জীৱনত অংশগ্ৰহণ আৰু দায়িত্বৰ ভাগ বিতৰণৰ অনুমতি প্ৰদান কৰে।

- **প্ৰয়োগবাদ আৰু শিক্ষক** ঃ আমি জানো যে, আদৰ্শবাদ আৰু প্ৰকৃতিবাদ দৰ্শনে শিক্ষা প্ৰক্ৰিয়াত শিক্ষকক এক গুৰুত্বপূৰ্ণ স্থান প্ৰদান কৰিছে। প্ৰয়োগবাদেও শিক্ষাৰ ক্ষেত্ৰত, আধুনিক শিক্ষক আৰু শিক্ষকৰ ভূমিকা সম্পৰ্কত এক নতুন ধাৰণা প্ৰদান কৰিছে। এই অৰ্থত, শিক্ষকে প্ৰত্যক্ষভাৱে শিক্ষা প্ৰদান কৰা উচিত নহয় কিন্তু; তেওঁ শৈক্ষিক পৰিৱেশক এনেধৰণেৰে উপস্থাপন কৰা উচিত, যাতে শিশুৱে শিক্ষাত সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে নিজ প্ৰচেষ্টাত শিক্ষা আহৰণ কৰিব পাৰে। শিক্ষকৰ প্ৰধান কাৰ্য হৈছে প্ৰয়োজন সাপেক্ষে, শিশুক তেওঁৰ কাৰ্যত মাৰ্গ প্ৰদৰ্শন কৰা, পৰিদৰ্শন কৰা।
- **প্ৰয়োগবাদ আৰু অনুশাসন** ঃ পৰম্পৰাগত ঋণাত্মক অনুশাসন, যিয়ে শিশুক বাহ্যিকভাৱে হস্তক্ষেপ কৰে, তাৰ সলনি প্ৰয়োগবাদে 'আত্ম অনুশাসন'ৰ ধাৰণাক সমৰ্থন কৰে। এই প্ৰকাৰ অনুশাসন শিশুৰ জীৱনৰ ফলস্বৰূপ আৰু এই অনুশাসন আভ্যন্তৰীণ। প্ৰয়োগবাদীসকলে বিশ্বাস কৰে যে, বিদ্যালয় পৰিৱেশৰ আভ্যন্তৰীণ সহযোগত সামাজিক জীৱনে শিশুৰ ক্ষেত্ৰত কিছুমান গুণৰ সৃষ্টি কৰে — যেনে ঃ সহিষ্ণুতা, পাৰস্পৰিক সন্মান, আত্মনিয়ন্ত্ৰণ আদি। এইদৰে, সৰ্বশেষত ই তেওঁলোকৰ চৰিত্ৰৰ এক অংশ হৈ পৰে আৰু চূড়ান্তভাৱে ই 'আত্ম-অনুশাসনৰ' ধাৰণাৰ সৃষ্টি কৰে।

➢ **প্ৰয়োগবাদৰ মূল্যায়ন ঃ**

প্ৰয়োগবাদৰ বিভিন্ন বিষয়সমূহৰ আলোচনা কৰাৰ পিছত, আপুনি নিশ্চয় অনুভৱ কৰিবলৈ সক্ষম হৈছে যে, প্ৰয়োগবাদে শিক্ষাৰ ব্যৱহাৰত যথেষ্টভাৱে বৰঙণি যোগাইছে। ইয়াৰ প্ৰধান সুবিধাসমূহ হৈছে —

- প্ৰয়োগবাদীসকলে সামাজিক কাৰ্যক্ষমতা আৰু ব্যক্তিগত আৰু সামাজিক সমাযোজনৰ বিকাশত গুৰুত্ব প্ৰদান কৰিছে, যি আধুনিক পৃথিৱীখনত যথেষ্ট গুৰুত্বপূৰ্ণ।
- গণতান্ত্ৰিক মূল্যবোধসমূহৰ বিকাশ হৈছে প্ৰকৃতিবাদী শিক্ষাৰ প্ৰধান লক্ষ্য যিসমূহ আধুনিক গণতান্ত্ৰিক সমাজৰ ক্ষেত্ৰত প্ৰাসঙ্গিক।
- প্ৰয়োগবাদীসকলে 'কামৰ মাজেৰে শিকা' শিক্ষাদান পদ্ধতিক সমৰ্থন কৰে। কাল্পনিক পদ্ধতিত, শিক্ষাৰ্থীসকলে তেওঁলোকৰ নিজৰ কৰ্ম আঁচনিসমূহ সম্পাদনৰ বাবে পৰিকল্পনা কৰে, যিয়ে কিবা এটা নতুন সৃষ্টিৰ প্ৰয়োজনীয়তা পূৰণ কৰে।
- শিশুসকল হৈছে শিক্ষাৰ প্ৰধান কেন্দ্ৰ বিন্দু আৰু সেয়েহে তেওঁলোকৰ চিন্তা চৰ্চা, বুজন আৰু বিচাৰৰ সক্ষমতা বিকাশত গুৰুত্ব প্ৰদান কৰে।

- প্ৰয়োগবাদৰ ভিত্তিত প্ৰতিষ্ঠিত শিক্ষাই শিক্ষাৰ্থীক কিতাপ পত্ৰ আৰু পাঠ্যক্ৰমৰ উপৰিও শিক্ষা গ্ৰহণত সহায় কৰিছে। ই বৰ্তমানৰ প্ৰযুক্তিগত আৰু ঔদ্যোগিক সমাজৰ প্ৰয়োজনীয়তাক স্বীকৃতি প্ৰদান কৰিছে।

কিন্তু, বিভিন্ন দিশত, শিক্ষাৰ প্ৰয়োগবাদ দৰ্শন সমালোচিত হৈছে —

- প্ৰয়োগবাদ দৰ্শনৰ অতিমাত্ৰা 'ব্যৱহাৰিকতা' যিয়ে মানুহৰ কাৰ্যাৱলীসমূহ তেওঁলোকৰ অভিজ্ঞতা আৰু তেওঁলোকৰ উদ্দেশ্যৰ সম্পৰ্কত বিচাৰ প্ৰদান কৰা কাৰ্য অতি সংকীৰ্ণ।
- কোনো ধৰণৰ উচ্চতৰ আৰু আধ্যাত্মিক মূল্যবোধৰ ক্ষেত্ৰত প্ৰয়োগবাদ পৰিপন্থী।
- প্ৰয়োগবাদ শিক্ষাৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট লক্ষ্য নাই।
- প্ৰয়োগবাদ শৈক্ষিক আৰ্হিত মানৱীয়তা আৰু সাংস্কৃতিক কাৰ্যৰ কোনো স্থান নাই।
- প্ৰয়োগবাদে সনাতন মূল্যবোধৰ ওপৰত কোনো বিশ্বাস নাৰাখে। সত্য, স্থায়ী জ্ঞানতকৈ ই সঘনে পৰিৱৰ্তনীয় আৰু সাক্ষী প্ৰমাণিত।
- এই দৰ্শনে আমেৰিকাৰ সামাজিক পটভূমিক প্ৰতিনিধিত্ব কৰে, সেয়েহে ই ভাৰতীয় সত্ৰসমূহৰ ক্ষেত্ৰত কম পৰিমাণে ব্যৱহৃত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ গণতন্ত্ৰৰ বাবে শিক্ষা কি হোৱা উচিত?

.....

.....

প্ৰশ্ন নং ৪ঃ প্ৰয়োগবাদ পাঠ্যক্ৰমৰ দুটা প্ৰধান কাৰক কি কি?

.....

.....

প্ৰশ্ন নং ৫ঃ ৩০-৫০ টা শব্দৰ ভিতৰত বৰ্ণনা কৰক ঃ

(ক) শিক্ষাত কামৰ জৰিয়তে শিকা পদ্ধতি

.....

.....

(খ) কাল্পনিক পদ্ধতি

.....

.....

(গ) কি ভিত্তিত প্ৰয়োগবাদ দৰ্শন সমালোচিত হৈছে।

.....

.....

১০.৩.৪ শিক্ষাত প্ৰয়োগবাদৰ বৰঙণি

শিক্ষাৰ ক্ষেত্ৰত, প্ৰয়োগবাদৰ বৰঙণিসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

- কিতাপৰ ওপৰত প্ৰয়োজনতকৈ অধিক পৰিমাণে নিৰ্ভৰশীল শিক্ষাৰ বোজা বহনৰ পৰা প্ৰয়োগবাদে শিশুক ৰক্ষা কৰে।
- প্ৰয়োগবাদে বৰ্তমানৰ জীৱনৰ মূল্যবোধসমূহ, সেইসমূহৰ অভিজ্ঞতাৰ জৰিয়তে আহৰণত সহায় কৰে।
- প্ৰয়োগবাদে আমাক অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰতি এক সন্তোষমূলক ধাৰণা গ্ৰহণৰ পৰামৰ্শ দিয়ে। অতীত সুন্দৰ আৰু উচ্চ পৰ্যায়ৰ হ'ব পাৰে কিন্তু, ইয়ে বৰ্তমান সময়ত এক সুন্দৰ আৰু উচ্চ পৰ্যায়ৰ জীৱন নিৰ্বাহৰ মাৰ্গ প্ৰদৰ্শন কৰিব লাগিব। সেয়েহে, সাংস্কৃতিক ঐতিহ্যৰ ওপৰত অতিমাত্ৰা গুৰুত্ব প্ৰদান কৰা উচিত নহয়।
- শিকন আৰু শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰধান কেন্দ্ৰবিন্দু হৈছে শিশুক শিকনৰ বাবে সহায় কৰা।
- শিক্ষাদানৰ পদ্ধতিসমূহ সমাজৰ দাবীসমূহ পৰিপূৰণ আৰু ব্যৱহাৰৰ ওপৰত নিৰ্ভৰশীল।
- প্ৰয়োগবাদে সমৰ্থন কৰে যে, শিশুসকলে দলীয় জীৱনৰ প্ৰকৃত অভিজ্ঞতা পোৱা উচিত।
- প্ৰয়োগবাদ অনুসৰি, প্ৰগতিশীল শিক্ষাদানৰ পদ্ধতিসমূহ সফল আৰু কাৰ্যক্ষম কৰি তুলিবলৈ, বিষয়সমূহৰ সহমৰ্মিতা, বিষয়সমূহৰ সংহতি, শ্ৰব্য-দৃশ্য সঁজুলি সমূহৰ ব্যৱহাৰ, সহ-পাঠ্যক্ৰমিক কাৰ্যসমূহৰ সংগঠন, কামৰ জৰিয়তে শিকা, প্ৰত্যক্ষ অভিজ্ঞতা আৰু ইন্দ্ৰিয়সমূহৰ উপযুক্ত প্ৰশিক্ষণ প্ৰয়োজনীয়।
- প্ৰয়োগবাদে আত্মপ্ৰচেষ্টাৰ বিকাশত বিশ্বাস কৰে।
- প্ৰয়োগবাদ অনুসৰি, নৈতিক পদ্ধতিসমূহ দলীয় জীৱনৰ জৰিয়তে হোৱা উচিত।
- প্ৰয়োগবাদৰ এক অতি গুৰুত্বপূৰ্ণ বৰঙণি হৈছে — 'কাল্পনিক পদ্ধতি'।
- প্ৰয়োগবাদে নতুন পদ্ধতিৰ সৈতে পৰীক্ষণ কৰাৰ ওপৰত বিশ্বাস কৰে।



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰয়োগবাদৰ ইংৰাজী প্ৰতিশব্দ হৈছে Pragmatism। এই শব্দটোৰ উৎপত্তি হৈছে এক গ্ৰীক শব্দৰ পৰা। সেই শব্দটো হৈছে Pragmatics। ইয়াৰ অৰ্থ হৈছে 'active' 'কৰ্ম কৰা' আৰু 'efficient' 'সক্ষম'। সেয়েহে, প্ৰয়োগবাদত 'কৰ্ম কৰা, অনুশীলন' আদি শব্দসমূহৰ ব্যৱহাৰে প্ৰাধান্যতা পাইছে।
- দৰ্শন হিচাপে, প্ৰয়োগবাদ, আদৰ্শবাদৰ বিপৰীতে গঢ়ি উঠা এক ধাৰণা আৰু তেওঁলোকে তেওঁলোকৰ এই দৰ্শনৰ বিশ্বাসৰ ভেটি পুৰণি গ্ৰীক চফীবাদীসকলৰপৰা গ্ৰহণ কৰিছে। চফীবাদী দাৰ্শনিকসকলৰ প্ৰটোগোৰাছৰ মতে 'মানুহ হৈছে সকলো বস্তুৰ উপায়' — এই জনপ্ৰিয় বচনক প্ৰয়োগবাদৰ প্ৰাৰম্ভিক ঘোষণা বুলি ধৰা হয়।
- প্ৰয়োগবাদৰ মৌলিক নীতিসমূহ হৈছে —পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব, চূড়ান্ত মূল্যবোধৰ অভাৱ, ব্যৱহাৰিকতা, গণতন্ত্ৰ আৰু পৰীক্ষণৰ ওপৰত গুৰুত্ব।
- প্ৰয়োগবাদৰ প্ৰধান তিনিটা প্ৰকাৰ হৈছে — মানৱীয় প্ৰয়োগবাদ, জৈৱিক আৰু পৰীক্ষণীয় প্ৰয়োগবাদ।
- প্ৰয়োগবাদী দৰ্শন অনুসৰি, শিক্ষাৰ লক্ষ্যসমূহ হৈছে — নতুন মূল্যবোধৰ সৃষ্টি, কৰ্মৰাজি আৰু অভিজ্ঞতা, অভিজ্ঞতাৰ পুণৰ্নিমাণ ব্যক্তিগত আৰু সামাজিক অভিজ্ঞতা আৰু গণতন্ত্ৰৰ বাবে শিক্ষা।



১০.৫ অধিক জানিবলৈ

১। Aggarwal J.C. (2006) : Theory and principles of Education, Vikash publishing house, New Delhi.

২। Bhatia K.K. (2004) : 'Principles and theories of education, Kalyani publishers, Ludhiana

৩। Chaube S.P. and Chube. A (1997) : 'Philosophical and sociaological foundation of Education, Binod Pustak Mandir, Agra.

৪। Safaya R. and Shaida B.D. (2003) : Modern theory and princaiples of education, Dhampt Rai Publishing Company, New Delhi.

৫। Taneja. V.R. (1976) Educational thought and pracitice. Sterling publishers, Pvt. Ltd. New Delhi.



১০.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদ দৰ্শনে বিকাশ লাভ কৰিছিল আমেৰিকাত আৰু এই প্ৰয়োগবাদৰ ইংৰাজী প্ৰতিশব্দ হৈছে Pragmatism। এই শব্দটো ফৰাচী শব্দ 'Pragma' আৰু আন গ্ৰীক শব্দ 'Pragmat' ৰ পৰা আহিছে যাৰ অৰ্থ হৈছে (action) (কাৰ্য) আৰু (activity) কাৰ্যাৱলী। প্ৰয়োগবাদক 'প্ৰয়োগবাদী শিক্ষা বা প্ৰগতিবাদী বুলিও জনা যায়। ই হৈছে জীৱনৰ গতিশীল, ব্যৱহাৰিক দৰ্শন যিয়ে বিশ্বাস কৰে যে, সত্যতা হৈছে ব্যৱহাৰিক আৰু কৰ্মৰ দ্বাৰা সংগঠিত।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰয়োগবাদে নিম্নোক্ত নীতিসমূহ অনুকৰণ কৰে —

- প্ৰয়োগবাদীসকলে পৰিৱৰ্তন বিশ্বাসী, কিয়নো পৰিৱৰ্তন হৈছে পৃথিৱীৰ এক বৈশিষ্ট্য।
- প্ৰয়োগবাদী অনুসৰি, কোনোধৰণৰ চূড়ান্ত মূল্যবোধ নাথাকে, কিয়নো মূল্যবোধসমূহ পৰিৱৰ্তনীয়। মানুহে তেওঁৰ কাৰ্যৱলীসমূহৰ সময়ছোৱাত নিজৰ মূল্যবোধসমূহ সৃষ্টি কৰে।
- ব্যৱহাৰবাদ প্ৰয়োগবাদৰ আন এক নীতি। এই দৰ্শনে বিশ্বাস কৰে যে, জীৱনৰ লক্ষ্যসমূহ ব্যৱহাৰিক প্ৰকৃতিৰ হোৱা উচিত। ই লগতে এইটো কথাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে যে যিসমূহ ধাৰণা বা বস্তু মানুহৰ বাবে উপকাৰী আৰু যিয়ে মানুহৰ প্ৰয়োজনসমূহ পূৰণ কৰে, সেয়াই সত্য।
- এই দৰ্শনে গণতন্ত্ৰক বিশ্বাস কৰে। প্ৰয়োগবাদীসকলৰ মতে, মানুহৰ ব্যক্তিত্বৰ সৰ্বোচ্চ বিকাশ গণতন্ত্ৰতে হয়।
- প্ৰয়োগবাদীসকলে ধাৰণাতকৈ কৰ্মৰ ওপৰতহে অধিক বিশ্বাস কৰে। এই দৰ্শন অনুসৰি, অবিৰত পৰীক্ষণৰ জৰিয়তে মানুহে শিকা উচিত, যি জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰয়োজনীয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ গণতন্ত্ৰৰ বাবে শিক্ষাৰ অৰ্থ হৈছে শিক্ষাই গণতান্ত্ৰিক মূল্যবোধ সমূহ আহৰণ কৰাৰ ক্ষেত্ৰত সহায় কৰা উচিত। সেয়েহে, বিদ্যালয়ত এক গণতান্ত্ৰিক পৰিৱেশ সৃষ্টি কৰা উচিত। পাঠ্যক্ৰমেও কিছুমান প্ৰয়োজনীয় জ্ঞান, ব্যৱহাৰযোগ্য কৌশল, সামাজিক যোগ্যতা, উপযুক্ত মনোভাৱ আৰু নীতিগত মূল্যবোধৰ বীজ ৰোপন কৰাৰ উদ্দেশ্য যুগুত কৰা উচিত।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কাৰ্যাৱলী আৰু অভিজ্ঞতা হৈছে প্ৰয়োগবাদ পাঠ্যক্ৰমৰ দুটা প্ৰধান চৰ্ত। বিভিন্ন ধৰণৰ কাৰ্যাৱলীৰে পাঠ্যক্ৰম গঠিত হোৱা উচিত যেনে — শাৰীৰিক, বৌদ্ধিক, নৈতিক আৰু নান্দনিক কাৰ্য্যাৱলী।

৫নং প্ৰশ্নৰ উত্তৰ ঃ (ক) 'কামৰ জৰিয়তে শিকা'ৰ অৰ্থ হৈছে প্ৰত্যক্ষ অভিজ্ঞতাৰদ্বাৰা শিক্ষা গ্ৰহণ কৰা। প্ৰত্যক্ষ অভিজ্ঞতাই কেৱল বস্তুক নুবুজাই কিন্তু; শিশুসকলক কৰ্মশীল কৰি তুলিবলৈ ই বস্তুগত আৰু অৰ্থপূৰ্ণ জীৱনৰ অৱস্থাকে বুজায়।

(খ) কাল্পনিক পদ্ধতি হৈছে শিক্ষাদানৰ এক পদ্ধতি য'ত শিশুসকলক সম্পাদনা কৰিবলৈ এক বাস্তৱ আৰু উদ্দেশ্যপূৰ্ণ কাৰ্যাৱলী প্ৰদান কৰে। প্ৰথমতে, শিক্ষকে এক বাস্তৱ পৰিৱেশ প্ৰদান কৰে। শিক্ষাৰ্থীসকলে তাৰ প্ৰশাসনৰ বাবে কাৰ্যপ্ৰক্ৰিয়া নিৰ্বাচন কৰে। তাৰ পৰৱৰ্তী পৰ্যায়ত, সেই পৰিকল্পনা কাৰ্যত ৰূপায়িত কৰে আৰু চূড়ান্তভাৱে শিক্ষকে তাৰ কাৰ্যকৰিতাৰ মূল্যায়ণ আৰু বিচাৰ প্ৰদান কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰয়োগবাদৰ বিৰুদ্ধে সমালোচনাৰ তিনিটা দিশ —

- প্ৰয়োগবাদে কোনো ধৰণৰ উচ্চ পৰ্যায়ৰ আৰু আধ্যাত্মিক মূল্যবোধক বিশ্বাস কৰে।
- শিক্ষাৰ কোনো নিৰ্দিষ্ট লক্ষ্য নাই।
- প্ৰয়োগবাদে আমেৰিকাৰ সামাজিক পটভূমিক প্ৰতিনিধিত্ব কৰে। সেয়েহে ই কেৱল আমেৰিকাৰ পৰিৱেশতহে উপযুক্ত।



১০.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং১ঃ প্ৰয়োগবাদ বুলিলে কি বুজে? ইয়াৰ প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন নং২ঃ প্ৰয়োগবাদৰ প্ৰধান মৌলিক নীতিসমূহ কি?

প্ৰশ্ন নং৩ঃ প্ৰয়োগবাদ অনুসৰি, শিক্ষাৰ প্ৰধান শিক্ষণ পদ্ধতি সমূহ কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং১ঃ প্ৰয়োগবাদৰ নীতিসমূহে কিদৰে শিক্ষাৰ তত্ত্ব আৰু ব্যৱহাৰিক দিশত প্ৰভাৱ পেলাইছে? আলোচনা কৰক।

প্ৰশ্ন নং২ঃ শিক্ষণৰ পদ্ধতিসমূহ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত প্ৰয়োগবাদৰ ভূমিকা স্পষ্টীকৰণ দিয়ক।

*****

অধ্যায় ১১ ঃ দর্শনৰ সত্ৰ হিচাপে অস্তিত্ববাদ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অস্তিত্ববাদৰ ধাৰণা

১১.৩.১ অস্তিত্ববাদৰ গ্ৰহণযোগ্য ধাৰণাসমূহ

১১.৩.২ অস্তিত্ববাদ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্ৰগতিৰ খতিয়ান

১১.৭ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অস্তিত্ববাদ আৰু শৈক্ষিক দৰ্শন হিচাপে ইয়াৰ নিৰ্দিষ্ট বৈশিষ্টসমূহৰ ব্যাখ্যা কৰিব পাৰিব।
- শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত অস্তিত্ববাদৰ প্ৰভাৱৰ বিৱৰণ দিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

আগৰ অধ্যায়সমূহত, আপোনালোকে দৰ্শনৰ প্ৰধান তিনিটা সত্ৰৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিয়ে আপোনালোকক এটা নতুন সত্ৰৰ লগত পৰিচয় কৰাই দিব। এই নতুন সত্ৰটো হৈছে অস্তিত্ববাদ। অস্তিত্ববাদক এক আধুনিক আৰু আটাইতকৈ সৰু দৰ্শন হিচাপে অভিহিত কৰা হয়। এই অধ্যায়টোৱে অস্তিত্ববাদৰ অৰ্থ আৰু শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱৰ দিশত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ উপৰি, এই অধ্যায়টিৰ শেষ ভাগত, দৰ্শনৰ সত্ৰ হিচাপে অস্তিত্ববাদৰ দোষ আৰু গুণসমূহৰ ওপৰত প্ৰতিফলন ঘটিছে।

১১.৩ অস্তিত্ববাদৰ অৰ্থ

অস্তিত্ববাদ হৈছে বিশ্ব যুদ্ধৰ পিচত, যুদ্ধৰ হতাশাৰ ফলস্বৰূপে বিকশিত হোৱা এক দৰ্শন। দুই বিশ্বযুদ্ধত মানুহৰ ব্যক্তিবোধ অগ্ৰাহ্য হৈছিল। মানুহক এজন ব্যক্তি হিচাপে ব্যক্তিত্বৰ আধিপত্য পুনঃ স্থাপন কৰিবলৈ, এই দৰ্শনৰ আবিৰ্ভাৱ হৈছে। এই দৰ্শনে, জাতিতকৈ মানুহক, বুদ্ধিতকৈ শৰীৰক আৰু প্ৰকৃতিতকৈ ভৌতিক পৃথিৱীক প্ৰাধান্যতা প্ৰদান কৰে। এই দৰ্শনে ঔদ্যোগিক যুগ, বিজ্ঞান, বস্তুনিষ্ঠতা আদিকো অস্বীকাৰ কৰে কিয়নো, এই দৰ্শন অনুসৰি সেই সকলোবোৰ যিয়ে সমাজ আৰু ৰাজনৈতিক ব্যৱস্থাৰ ঔদ্যোগিক হস্তক্ষেপত, মানুহক যন্ত্ৰ কৰি তোলে, সেই সকলোবোৰক এই দৰ্শনে অস্বীকাৰ কৰে। এই দৰ্শনৰ সত্ৰৰ লগত জড়িত প্ৰধান চিন্তাবিদসমূহ আছিল — চোৱেণ কিয়াৰকেগার্ড (ডেনিচ দার্শনিক), জ্যা পল চার্দ্রি (এজন ফৰাচী লেখক), কার্ল জচপাৰচ, (জার্মানী দার্শনিক) ৰেইন হোল্ড নেইবুহৰ (এজন প্ৰচেষ্টাক পৰমার্থিক)। অস্তিত্ববাদৰ মূল হোতা আছিল — চোৱেন কিয়াৰকেগার্ড (Soren Kierkegaard)। তেওঁ অত্যান্তিকৰূপে এজন ধৰ্মপৰায়ণ লোক আছিল, তেওঁ বিশ্বাস কৰিছিল যে, যদিও ভগৱানৰ অস্তিত্বক যুক্তিৰদ্বাৰা প্ৰতিষ্ঠিত কৰোৱাটো সহজ নহয়, মানুহে বিশ্বাসৰ জৰিয়তে ভগৱানৰ অস্তিত্বক গ্ৰহণ কৰা উচিত।

১১.৩.১ অস্তিত্ববাদৰ গ্ৰহণযোগ্য ধাৰণা সমূহ

অস্তিত্ববাদৰ ভিতৰুৱা গ্ৰহণযোগ্য ধাৰণা সমূহ তলত উল্লেখ কৰা হ'ল—

- অস্তিত্ববাদৰ দৰ্শন অনুসৰি, সত্য, নীতি, নিয়ম বা প্ৰয়োজনীয়তকৈ মানুহহে, অস্তিত্বৰ প্ৰধান কেন্দ্ৰবিন্দু। যদিও, অস্তিত্ববাদীসকলে পৃথিৱীৰ স্থানত মানুহৰ স্থান অথবা মানুহৰ জীৱৰ লগত বা ভগৱানৰ লগত থকা সম্পৰ্কত গুৰুত্ব প্ৰদান কৰিছে, তথাপিও, অস্তিত্ববাদীসকলে ইয়াকো স্বীকাৰ কৰে যে, মানুহৰ ব্যক্তিত্বৰ প্ৰভুত্ব আৰু নিৰ্দিষ্ট আত্মিক ধাৰণা আছে।
- অস্তিত্ববাদ দৰ্শনে 'অৰ্থ'ৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে। জীৱনৰ অৰ্থৰ বিকাশৰ জৰিয়তে মানুহে এনে কিছুমান দিশৰ সৃষ্টি কৰে যিয়ে তেওঁৰ সমগ্ৰ ব্যক্তিত্বক আগুৰি ৰাখে। মানুহ হৈছে সৃষ্টিকৰ্তা আৰু সেয়েহে তেওঁ হৈছে সংস্কৃতিৰ প্ৰষ্টা। এই পৃথিৱীখন কি? কি ধৰণৰ তাক বুজোৱাটো কঠিন। মানুহে তেওঁৰ এখন নিজস্ব পৃথিৱী সৃষ্টি কৰি ল'ব লাগিব।
- এই দৰ্শনে আৰু বিশ্বাস কৰে যে, এই পৃথিৱীখনত, মানুহ অকলশৰীয়া নহয়। তেওঁ আন ব্যক্তিৰ লগত সাঙোৰ খাই আছে। সেয়েহে, তেওঁ অৰাজকতা ভৰা পৰিস্থিতিত অকলে থাকিব নোৱাৰে। এই দৰ্শনে গুৰুত্ব প্ৰদান কৰে যে, এজন মানুহকলৈ কৰা বিৱৰণতকৈ প্ৰকৃত জীৱিত ব্যক্তিহে অধিক গুৰুত্বপূৰ্ণ। মানুহৰ আৱশ্যকতাতকৈ মানুহৰ অস্তিত্ব অধিক গুৰুত্বপূৰ্ণ।

- অস্তিত্ববাদ অনুসৰি, মানুহৰ ওপৰত বলেৰে প্ৰয়োগ কৰা পূৰ্ব নিৰ্মিত অস্তিত্বৰ ধাৰণা, মানুহে কেতিয়াও গ্ৰহণ কৰিব নোৱাৰে। মানুহৰ জীৱনটো স্বাধীন, তেওঁ হৈছে তেওঁৰ নিজৰ সত্ত্বা নিৰ্বাচন কৰিব পৰাকৈ আৰু নিজৰ জীৱন গঠন কৰিব পৰাকৈ এজন মুক্ত অভিকৰ্ত্তা।
- অস্তিত্ববাদ ঃ শৈক্ষিক চিন্তাধাৰা আৰু ব্যৱহাৰিক দিশত ইয়াৰ প্ৰভাৱ।

এতিয়ালৈকে, আমি শিক্ষাৰ তিনিটা প্ৰধান দৰ্শন — আদৰ্শবাদ, প্ৰকৃতিবাদ আৰু প্ৰয়োগবাদৰ বিষয়ে এক সুস্থ ধাৰণা গ্ৰহণ কৰিব পাৰিছো। এতিয়া আমি, অস্তিত্ববাদৰ বিষয়ে আলোচনা কৰিম যাক আধুনিক দৰ্শনৰ আটাইতকৈ সৰু দৰ্শন হিচাপে বিবেচনা কৰিছে। ই হৈছে কুৰি শতিকাৰ এক দৰ্শন। অস্তিত্ববাদ হৈছে দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পশ্চিমীয়া দৰ্শনৰ পদ্ধতি সমূহৰ বিপৰীতে গঢ়ি উঠা এক দৰ্শন। অস্তিত্ববাদৰ মতে, মানুহৰ ব্যক্তিত্ব হৈছে সৰ্বশ্ৰেষ্ঠ। মানুহৰ অস্তিত্ব, জাতি আৰু বিশ্বব্ৰহ্মাণ্ডতকৈ মানুহ অধিক শক্তিশালী আৰু গুৰুত্বপূৰ্ণ। এগৰাকী ডেনিচ্ দাৰ্শনিক চোৰেণ কিয়াৰকেগার্ডক অস্তিত্ববাদৰ প্ৰধান হোতা বুলি বিবেচনা কৰা হয়। এই দৰ্শনৰ আন সমৰ্থকসকল হৈছে — কার্ল জচপাৰচ আৰু মার্টিন হেইডেগাৰ। তেওঁলোক দুগৰাকীয়ে আছিল জার্মানী দাৰ্শনিক। আন দুগৰাকী ফৰাচী অস্তিত্ববাদী সমৰ্থক হৈছে — গেব্ৰিয়েল মার্ছেল, তেওঁ হৈছে এজন দাৰ্শনিক আৰু নাটক লেখোতা। আৰু আনজন হৈছে জ্যা পল চার্দ্রি, তেওঁ আছিল একেধাৰে এজন সাহিত্যিক, দাৰ্শনিক আৰু ফৰাচী Sorbonne বিশ্ববিদ্যালয়ৰ এজন অধ্যাপক।

অস্তিত্ববাদৰ মৌলিক নীতিসমূহ ঃ

অস্তিত্ববাদৰ মৌলিক নীতিসমূহ আলোচনা কৰো আঁহক। সেইসমূহ হৈছে —

- অস্তিত্ববাদৰ প্ৰধান, ভেটিস্বৰূপ ধাৰণা হৈছে যে "প্ৰয়োজনীয়তাতকৈ অস্তিত্ব অগ্ৰগামী।" "Existence precedes essence" বিখ্যাত দাৰ্শনিক প্লেটোৰে কৈছিল যে, আমাৰ চাৰিওফালৰ আৱেষ্টনীত থকা পৃথিৱীখনেই হৈছে প্ৰয়োজনৰ পৃথিৱী যেনে — জীৱনৰ আদৰ্শ আৰু উদ্দেশ্য হৈছে এই প্ৰয়োজনীয়তাসমূহৰ উদ্ভাৱন কৰা। ইয়াৰ অৰ্থ এয়ে যে, সকলোতে প্ৰয়োজনীয়তা ইতিমধ্যে বিৰাজমান আৰু সেইসমূহ অস্তিত্বতকৈ ওপৰত ওপৰত। কিন্তু, অস্তিত্ববাদী সকলে এই ধাৰণাৰ অস্বীকাৰ কৰে আৰু দৃঢ়ভাৱে ক'ব খোজে যে, অস্তিত্বৰ প্ৰাধণ্যতা প্ৰয়োজনীয়তাতকৈ বেছি আৰু মানুহে তেওঁৰ প্ৰয়োজনীয়তাসমূহ অত্যান্তিকভাৱে সৃষ্টি কৰিব পাৰে। (Sartre) চার্টেৰ মতে, মানুহৰ কোনো সৃষ্টিকর্তা নাই। মানুহে নিজেই নিজক আৱিষ্কাৰ কৰিছিল। তেওঁৰ অস্তিত্ব সৰ্বপ্ৰথমে আহিছে, আৰু এতিয়া তেওঁৰ প্ৰয়োজনীয়তাসমূহ নিৰ্দ্ধাৰণ ব্ৰতী। মানুহৰ নিজস্ব অবিহনে কোনো সত্তা নাই। সেয়েহে, ইয়াক অতি সহজভাৱে পৰ্যবেক্ষণ কৰিব পাৰি

যে, যি সময়ত আদৰ্শবাদীসকলে সৰ্বশ্ৰেষ্ঠ মূল্যবোধৰ ওপৰত বিশ্বাস কৰে, প্ৰকৃতিবাদীসকলে মূল্যবোধৰ প্ৰকৃতিগ্ৰস্থতাক বিশ্বাস কৰে, প্ৰয়োগবাদীসকলে বিশ্বাস কৰে যে, মূল্যবোধসমূহ সামাজিক জীৱনৰ ফলস্বৰূপে, সেই সময়ত, অস্তিত্ববাদী সকলে বিশ্বাস কৰে যে, মানুহে নিজেই তেওঁৰ মূল্যবোধসমূহ সৃষ্টি কৰিব পাৰে।

- অস্তিত্ববাদৰ আন এক গুৰুত্বপূৰ্ণ ধাৰণা হৈছে যে, ই মানুহৰ জীৱনৰ এক সম্ভৱপৰ ঘটনা। অস্তিত্ববাদীসকলে বিশ্বাস কৰে যে, এজন মানুহৰ অস্তিত্বৰ অৰ্থ হৈছে জন্মৰপৰা তেওঁৰ মৃত্যুৰ কালছোৱা। জন্মৰ পূৰ্বৰ আৰু মৃত্যুৰ বাহিৰে আন একোৱে নাই। এই কালছোৱাৰ মাজত আছে এক সামাজিক জীৱন আৰু সামাজিক জীৱনৰ বৈশিষ্টসমূহ হৈছে আমাৰ জীৱনৰ উপৰুৱা ঘটনা। এই সম্ভৱপৰ ঘটনাসমূহৰ লগত জড়িত হৈ থকা দিশসমূহ হৈছে — ভয়, আতঙ্ক, ঘৃণা, নিঃসঙ্গতা, অনিশ্চয়তা আৰু চূড়ান্তভাৱে ই মৃত্যুৰদ্বাৰা সীমাবদ্ধ হয়। আমি জানো যে, ভগৱান বুদ্ধদেৱে, তেওঁৰ ৰাজমহলৰপৰা ওলাইয়ে এই সম্ভৱপৰ ঘটনা সমূহ বুজিবলৈ সক্ষম হৈছিল আৰু সেয়েহে তেওঁৰ দৰ্শনৰ মূল কাৰণ আছিল এই মানৱীয় যন্ত্ৰণা। অস্তিত্ববাদীসকলৰ মতে, এই পৃথিৱীত মানুহেই একমাত্ৰ জীৱ যিয়ে উপলব্ধি কৰিব পাৰে যে, জীৱন, মৃত্যুৰদ্বাৰা সীমিত। সেয়েহে ব্যক্তিয়ে মৃত্যুক ভালপোৱা উচিত কাৰণ যদি এজন মানুহে উদ্দ্যেশহীন জীৱন যাপন কৰাতকৈ অৰ্থপূৰ্ণ কাৰণৰ বাবে মৃত্যুৱৰণ কৰিব লগা হয়, ই তেওঁৰ বাবে শ্ৰেয়। চক্ৰেটিছ, লিনকন, কেনেডী, গান্ধী আৰু আন বহুতো মহান ব্যক্তিৰ মতে, এক লক্ষ্যহীন জীৱন যাপন কৰাতকৈ এক অৰ্থপূৰ্ণ চৰ্তৰ খাতিৰত মৃত্যুবৰণ কৰাটো অধিক গুৰুত্বপূৰ্ণ।
- অস্তিত্ববাদৰ আন এক গুৰুত্বপূৰ্ণ ধাৰণা হৈছে মানুহৰ দৃষ্টিভঙ্গী। অস্তিত্ববাদীসকলে মানুহক চূড়ান্তভাৱে মুক্ত আৰু দায়িত্বশীল জীৱ হিচাপে প্ৰাধান্য দিয়াৰ পক্ষপাতী। চাৰ্টেৰ (Sartre) মতে, স্বাধীনতা অস্তিত্বৰ আন ৰূপ, অস্তিত্ববাদীসকলে সেই সকলোবোৰ এক চেতীয়া আন্দোলনৰ বিৰোধীতা কৰে যিসমূহে সমাজৰ খাতিৰত মানুহক শোষণ কৰিব বিচাৰে আৰু মানুহৰ ব্যক্তিক গৌণ হিচাপে বিবেচিত কৰে। প্ৰকৃতাৰ্থত, এই সম্পূৰ্ণ দৰ্শন হৈছে মানুহৰ অস্তিত্বৰ ফলস্বৰূপ যান্ত্ৰিকতা, বিমূতৰ্তা, যুক্তি সিদ্ধতা আৰু সেই অস্তিত্বৰ কোনো ধৰণৰ দৰ্শন গঠন বিৰোধী আন্দোলন।

১১.৩.২ অস্তিত্ববাদৰ শৈক্ষিক তাৎপৰ্যতা

অস্তিত্ববাদে কিদৰে শিক্ষাৰ বৰ্ণনা দিবলৈ প্ৰয়াস কৰিছে তাৰ বিষয়ে আলোচনা কৰোহঁক —

- অস্তিত্ববাদে বিশ্বাস কৰে যে, সকলো ব্যক্তি আনতকৈ পৃথক। শিক্ষাই ব্যক্তিৰ মাজত এই একসত্ত্বা বিকাশ কৰা উচিত। শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে ব্যক্তিক তেওঁৰ অদ্বিতীয় গুণসমূহ বিকাশ কৰিবলৈ সক্ষম কৰি তোলা যাতে তেওঁ তেওঁৰ ক্ষমতাসমূহ বিকাশ আৰু তেওঁৰ ব্যক্তিত্বৰ ৰোপন কৰিব পাৰে।
- অস্তিত্ববাদীসকলৰ আন এক বিশ্বাস হৈছে যে মানুহ হৈছে মুকলি প্ৰকৃতিৰ। শিক্ষাই তেওঁৰ স্বাধীনতাৰ চূড়ান্ত সম্ভাৱনীয়তাসমূহৰ প্ৰতি মানুহক সজাগ কৰি তোলা উচিত লগতে জীৱনৰ পালন কৰিব লগীয়া দায়িত্বসমূহৰ প্ৰতি সতৰ্ক কৰি তোলা উচিত। শিক্ষাই আত্ম-নিৰ্দেশনাৰ সম্বলতাসমূহ প্ৰতিপালিত কৰা উচিত।
- শিক্ষাৰ কোনো বৌদ্ধিকধৰ্মী উদ্দেশ্য থকা উচিত নহয়। অস্তিত্ববাদৰ ক্ষেত্ৰত, জীৱনৰ যুক্তিগত আৰু সজ্ঞাত্মক দিশতকৈ সক্ষমশীল দিশৰ বিকাশ অধিক গুৰুত্বপূৰ্ণ, এই দিশে মানুহৰ আৱেগিক আৰু সৌন্দৰ্যাত্মক দিশক বুজায়।
- অন্তঃদৃষ্টিৰ শক্তিৰ বিকাশ হৈছে শিক্ষাৰ আন এক লক্ষ্য। এই শিক্ষাই শিক্ষাৰ্থীৰ মাজত কিছুমান শক্তি বা ক্ষমতা যেনে — আত্মপৰ্যবেক্ষণৰ বিকাশ কৰা উচিত।
- **অস্তিত্ববাদৰ পাঠ্যক্ৰম ঃ**

  অস্তিত্ববাদী সকলে পাঠ্যক্ৰমত বিশ্বাস নাৰাখে, শিক্ষাৰ্থীসকলে তেওঁৰ প্ৰয়োজন, সক্ষমতা আদি অনুসৰি শিশুৱে তেওঁৰ নিজৰ পাঠ্যক্ৰম নিৰ্বাচন কৰা উচিত। অৱশ্যে, তেওঁলোকে সাধাৰণ পৰ্য্যায়ত, শিক্ষাৰ্থীসকলক কিছুপৰিমাণে বিশ্বৰ মৌলিক জ্ঞান প্ৰদান কৰাৰ পক্ষপাতী। অস্তিত্ববাদীসকলে অনুভৱ কৰে যে, পাঠ্যক্ৰম তাৎক্ষণিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু অন্যান্য সমস্যাৰ লগত জড়িত হোৱা উচিত, যি ব্যক্তিয়ে তেওঁৰ জীৱনত সন্মুখীন হ'ব লাগে। তেওঁলোকে গুৰুত্ব প্ৰদান কৰে যে, পৰীক্ষাৰ বাবে মাত্ৰ পাঠ্যক্ৰমৰ অধ্যয়ন কৰা উচিত নহয়। এই পাঠ্যক্ৰমৰ অৰ্থ কেৱল এক বিষয় অধ্যয়ন কৰা নহয় কিন্তু জীয়াই থকা, কাৰ্যক্ৰম কৰা আৰু মূল্যবোধৰ অভিজ্ঞতা গ্ৰহণ কৰা, যিসমূহ বিষয় অধ্যয়ণৰ জৰিয়তে প্ৰাপ্ত হয়। অস্তিত্ববাদীসকলে বিজ্ঞানসন্মত বিষয়তকৈ মানৱীয় অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়ে কিয়নো এই মানৱীয় অধ্যয়নৰ জৰিয়তেহে আমি মানৱীয় যন্ত্ৰণাসমূহৰ উপলব্ধি কৰিব পাৰো যেনে — ঘৃণা, উত্তেজনা ইত্যাদি। মানৱীয় অধ্যয়নে বিষয়ধৰ্মী জ্ঞানৰ প্ৰতিনিধিত্ব কৰে, আনহাতে, বিজ্ঞানে বস্তুনিষ্ঠ জ্ঞানৰ লগত জড়িত দিশ অধ্যয়ন কৰে।
- **শিক্ষণৰ পদ্ধতি ঃ**

  অস্তিত্ববাদীসকলে শিক্ষাৰ ক্ষেত্ৰত 'চক্ৰেটিক (Socratic) ধাৰণা সমৰ্থন কৰে। কিয়নো এই পদ্ধতি ব্যক্তিগত, ঘনিষ্ঠ আৰু "মই আৰু তুমি" সম্পৰ্কযুক্ত। ইয়াত শিক্ষক আৰু শিক্ষাৰ্থীৰ পাৰস্পৰিক সম্পৰ্কৰ জৰিয়তে জ্ঞান আৰু প্ৰজ্ঞা আহৰণ

কৰা হয়। অস্তিত্ববাদী শিক্ষণ পদ্ধতিত ব্যক্তিগত মনোযোগ আৰু ব্যক্তিগত সংযোগে অধিক গুৰুত্ব লাভ কৰিছে। সেয়েহে, অস্তিত্ববাদীসকলে বিদ্যালয়ৰ শিক্ষাতকৈ গৃহ শিক্ষাক অধিক প্ৰাধান্য প্ৰদান কৰিছে। শিক্ষকে কেতিয়াও তেওঁৰ আদৰ্শ, ধাৰণা আৰু মূল্যবোধসমূহৰ হেচা শিক্ষাৰ্থীৰ ওপৰত দিয়া উচিত নহয়। কিন্তু প্ৰশিক্ষণৰ ক্ষেত্ৰত এই সমূহ শেষ প্ৰচেষ্টা হোৱা উচিত নহয়। শিক্ষণৰ পদ্ধতিসমূহে শিক্ষাৰ্থীৰ সৃষ্টিশীল প্ৰতিভাসমূহ বিকাশ কৰা উচিত। অস্তিত্বাবাদীসকলৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে — "সৃষ্টিশীলতাৰ বাবে শিক্ষা"।

শিক্ষাৰ ভূমিকা ঃ

অস্তিত্বাবাদী শিক্ষা আঁচনিত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁ কিছুমান অবিৰত মূল্যবোধৰ ধাৰা বিকাশ কৰিব লাগে আৰু সেইসমূহৰ প্ৰতি সমৰ্পিত হ'ব লাগে। তেওঁ নিজেই নিজক শিক্ষাৰ্থীৰ ওপৰত হেঁচা প্ৰয়োগ নকৰি শিক্ষাৰ্থীসকলক জীৱনৰ সমস্যাসমূহ উপলব্ধি কৰি তুলিব পৰা কৰা উচিত। এগৰাকী অস্তিত্ববাদী শিক্ষকে শিক্ষাৰ্থীসকলক অস্তিত্বৰ অৰ্থ আৰু উদ্দেশ্যসমূহৰ জ্ঞান প্ৰদান কৰা উচিত যাতে তেওঁলোকে নিজৰ অস্তিত্ব উপলব্ধি কৰিব পাৰে। শিক্ষকে তেওঁৰ শিক্ষাৰ্থীসকলক একোজন মুক্ত ব্যক্তি হিচাপে গণ্য কৰা উচিত আৰু তেওঁলোকৰ কঠিন প্ৰকৃতিৰ সৈতে সহানুভত্যতা গঠন কৰা উচিত। কিয়নো, অস্তিত্ববাদীসকলৰ মতে এজন বেয়া শত্ৰুতকৈ ভাল জন বেছি পৰিমাণে নৈতিক কিয়নো, তেওঁ তেওঁৰ অস্তিত্বৰ প্ৰমাণ দিব পাৰে। শিক্ষকে শিশুসকলৰ আৱেগিক জীৱনত প্ৰৱেশ কৰা উচিত।

অস্তিত্ববাদৰ এক সমালোচনাত্মক ধাৰণা ঃ

নিম্নোক্ত দিশসমূহৰ ভিত্তিত, অস্তিত্ববাদ সমালোচিত হৈছে —

- প্ৰথমতে অস্তিত্ববাদৰ ক্ষেত্ৰত ব্যৱহৃত শব্দসমূহ স্পষ্ট নহয়। কিছুমান ধাৰণা যেনে — 'জীৱ' (Being), 'অস্তিত্ব' (Existence), অৰ্থ (Meaning) আদি অস্পষ্ট।
- দ্বিতীয়তে, এগৰাকী শিক্ষকৰ ক্ষেত্ৰত, প্ৰতিজন শিশুক ব্যক্তিগতভাৱে বুজি পোৱা আৰু সেইমৰ্মে তেওঁলোকক শিক্ষা প্ৰদান কৰাৰ বাবে যথেষ্ট কষ্টৰ প্ৰয়োজন।
- তৃতীয়তে, এখন ঔদ্যোগীক সমাজৰ ক্ষেত্ৰত, অস্তিত্ববাদৰ শিক্ষণৰ পদ্ধতিসমূহ অব্যৱহাৰিক আৰু অগ্ৰহণযোগ্য যেন বোধ হয়।

শেষত, আমি ক'ব পাৰো যে, বৰ্দ্ধমানিত ৰূপত থকা ই এক নতুন দৰ্শন। সেয়েহে, এই দৰ্শনৰ এক শেষ বৃত্তান্ত দিয়াৰ বাবে ইয়াৰ আৰু অলপ বিকাশৰ প্ৰয়োজন। গতিকে ইয়াৰ সমাপ্তি অসম্ভৱ তথা অযুক্তিকৰ।



অগ্রগতি নিৰীক্ষণ ঃ

প্রশ্ন নং ১ ঃ অস্তিত্ববাদৰ প্রতিস্থাপক কোন?

_____

_____

প্রশ্ন নং ২ ঃ অস্তিত্ববাদ অনুসৰি, শিক্ষাৰ লক্ষ্যসমূহ কি কি?

_____

_____

প্রশ্ন নং ৩ ঃ অস্তিত্ববাদে "বিদ্যালয় শিক্ষাতকৈ গৃহ শিক্ষাক প্রাধান্য দিয়ে" — এই উক্তিষাৰ ৫০ টা শব্দৰ ভিতৰত বর্ণনা কৰা।

_____

_____

প্রশ্ন নং ৪ ঃ অস্তিত্ববাদ শিক্ষাৰ পাঠ্যক্রমত কি ধৰণৰ বিষয়ে গুৰুত্ব লাভ কৰিছে?

_____

_____



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অস্তিত্ববাদ দর্শন অনুসৰি, সকলো ব্যক্তি অদ্বিতীয় আৰু শিক্ষাই প্রতিজন ব্যক্তিক এই অদ্বিতীয় গুণ বিকাশৰ বাবে যোগ্য কৰি তোলা উচিত।
- অস্তিত্ববাদীসকলে মানুহক এজন অত্যন্ত মুক্ত আৰু দায়িত্বশীল জীৱ হিচাপে প্রাধান্য দিয়ে।
- অস্তিত্ববাদ দর্শন সমালোচনাৰ পৰা মুক্ত নহয়।
- এই দর্শন বিকশিত হোৱা হিচাপে শিক্ষাৰ ক্ষেত্রত এই দর্শনৰ অৱদান মূল্যায়ণ কৰাটো কঠিন।



১১.৫ অধিক জানিবলৈ

১। Aggarwal J.C. (2006) : Theory and principles of Education, Vikash publishing house, New Delhi.

২। Bhatia K.K. (2004) : 'Principles and theories of education, Kalyani publishers, Ludhiana

৩। Chaube S.P. and Chube. A (1997) : 'Philosophical and sociaological foundation of Education, Binod Pustak Mandir, Agra.

৪। Safaya R. and Shaida B.D. (2003) : Modern theory and princaiples of education, Dhampt Rai Publishing Company, New Delhi.

৫। Taneja. V.R. (1976) Educational thought and pracitice. Sterling publishers, Pvt. Ltd. New Delhi.



১১.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এগৰাকী ডেনিছ দার্শণিক চোৱেন কিয়াৰকেগার্ড হৈছে এই দর্শনৰ প্রতিস্থাপক।

২নং প্ৰশ্নৰ উত্তৰ ঃ অস্তিত্ববাদ অনুসৰি, শিক্ষাৰ লক্ষ্য হৈছে, যে প্রতিজন মানুহ অদ্বিতীয় আৰু শিক্ষাই তেওঁৰ মাজত এই অতুলনীয়তা বিকাশ কৰা উচিত। আকৌ, মানুহ হৈছে মুক্ত প্রকৃতিৰ আৰু সেয়েহে শিক্ষাই শিক্ষার্থীসকলক তেওঁলোকে জীৱনত গ্রহণ কৰিবলগীয়া দায়িত্ব আৰু স্বাধীনতাৰ অত্যন্ত সম্ভাৱনীয়তাসমূহৰ প্রতি সজাগ কৰি তোলা উচিত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অস্তিত্ববাদীসকলে বিদ্যালয় শিক্ষাতকৈ গৃহ শিক্ষাক অধিক প্রাধান্যতা দিছে কিয়নো, তেওঁলোকে শিক্ষাত চক্রেটিক পদ্ধতি বা ধাৰণাক প্রাধান্যতা দিয়ে যিসমূহে শিক্ষক আৰু শিক্ষার্থীৰ মাজত এক আন্তৰিক সম্পর্কৰ দাবী কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অস্তিত্ববাদী শৈক্ষিক পাঠ্যক্রমত, বিজ্ঞানসম্মত বিষয়তকৈ মানৱীয় বিষয়সমূহে অধিক গুৰুত্ব লাভ কৰিছে। অস্তিত্ববাদীসকলে বস্তুনিষ্ঠ জ্ঞানতকৈ বিষয়নিষ্ঠ জ্ঞানক অধিক প্রাধান্য দিয়ে।



১১.৭ আৰ্হিপ্ৰশ্ন

(ক) চমু প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন১। অস্তিত্ববাদৰ স্বীকৃতিপ্রাপ্ত ধাৰণা সমূহ কি?

প্রশ্ন২। অস্তিত্ববাদ অনুসৰি শিক্ষাৰ লক্ষ্য সমূহ কি?

প্রশ্ন৩। অস্তিত্ববাদ কি? ইয়াৰ মৌলিক নীতিসমূহ কি?

প্রশ্ন৪। অস্তিত্ববাদ অনুসৰি শিক্ষাৰ লক্ষ্য সমূহ কি?

(খ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন১। অস্তিত্ববাদ অনুসৰি শিক্ষা কিদৰে প্রদান কৰা উচিত? বর্ণনা কৰক।

প্রশ্ন২। অস্তিত্ববাদ অনুসৰি শিক্ষাৰ লক্ষ্য আৰু শিক্ষাদানৰ পদ্ধতি সমূহ আলোচনা কৰক।

প্রশ্ন৩। অস্তিত্ববাদৰ কিছুমান শৈক্ষিক নীতি নির্বাচন কৰক যিবোৰক আপুনি ভাৰতীয় বিদ্যালয়ৰ পৰিপ্রেক্ষিতত উপকাৰীভাৱে ব্যৱহার্য্য বুলি অনুভৱ কৰে।

*****

অধ্যায় ১২ ঃ মহাত্মা গান্ধী আৰু তেওঁৰ শৈক্ষিক অৱদান

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ মোহন দাস কৰম চাদ গান্ধী চমু পৰিচয়

১২.৪ গান্ধীজীৰ শিক্ষাৰ ধাৰণা

- ১২.৪.১ শিক্ষাৰ লক্ষ্য
- ১২.৪.২ বুনিয়াদী শিক্ষা
- ১২.৪.৩ পাঠ্যক্রম
- ১২.৪.৪ শিক্ষাৰ পদ্ধতি
- ১২.৪.৫ বিনামূলীয়া বাধ্যতামূলক শিক্ষা
- ১২.৪.৬ ধর্মীয় আৰু নৈতিক শিক্ষা
- ১২.৪.৭ মহিলাৰ শিক্ষা

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্রগতিৰ খতিয়ান

১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গান্ধীজীৰ জীৱনৰ বিষয়ে সংক্ষিপ্ত ৰূপত অৱগত হ'ব
- গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- গান্ধীজীৰ শিক্ষাদর্শনৰ বিভিন্ন গুৰুত্বপূর্ণ দিশসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- গান্ধীজীক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এজন মহান সংস্কাৰক হিচাবে শলাগ ল'ব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টোত মহাত্মা গান্ধীৰ জীৱন আৰু তেওঁৰ শৈক্ষিক অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। মহাত্মা গান্ধী হ'ল এজন মহান নেতা আৰু ভাৰতবর্ষৰ জাতিৰ পিতা। অহিংসাৰ নীতিৰে কিদৰে পৰিৱর্তনৰ সূচনা কৰিব পাৰি তেওঁ তাৰেই নিদর্শন দি গ'ল। তেওঁ ভাৰতীয় শিক্ষা ব্যৱস্থাতো যথেষ্ট বহুমূলীয়া অৱদান আগবঢ়াইছিল যি বর্তমান সময়তো গুৰুত্বপূর্ণ। তেওঁৰ

শৈক্ষিক অৱদানসমূহ 'নেই তালিম' (Nai Talim) বা সকলোৰে বাবে প্ৰয়োজনীয় বুনিয়াদী শিক্ষা ব্যৱস্থাত সুন্দৰভাৱে প্ৰকাশিত হৈছে। ই এক আধ্যাত্মিক ধাৰণা য'ত কোৱা হয় যে জ্ঞান আৰু কৰ্ম কেতিয়াও পৃথক কৰা সম্ভৱপৰ নহয়। প্ৰকৃততে ই আছিল ব্ৰিটিছ শাসনৰ উপনিবেশবাদত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে লোৱা প্ৰধান পদক্ষেপ, যিয়ে ভাৰতীয় শিক্ষাৰ্থী সকলৰ মনত শিক্ষাৰ প্ৰতি অনুৰাগ ক্ৰমে নিশেষ কৰি আনিছিল আৰু শিক্ষাত এক বৃত্তিমূলক ধাৰণাৰ সোঁত বোৱাইছিল। এই ধাৰণাটোৰ সমাজৰ মানুহৰ মাজত সহযোগিতা মূলক শ্ৰমৰ ভাৱ নাইকিয়া কৰি এক নতুন শ্ৰেণীৰ জন্ম দিছিল, তদুপৰি নগৰীকৰণ আৰু উদ্যোগীকৰণৰ নতুন নতুন সমস্যাৰ সৃষ্টি কৰিছিল। গান্ধীজীৰ শিক্ষা পদ্ধতিৰ তিনিটা মূল মন্ত্ৰ হ'ল— জীৱনজোৰা শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ, শিক্ষাৰ সামাজিক বৈশিষ্ট আৰু সামগ্ৰিক বিকাশৰ মাধ্যম হিচাপে শিক্ষা। গান্ধীৰ মতে শিক্ষা ব্যক্তিৰ নৈতিক বিকাশৰ এক জীৱনজোৰা পদ্ধতি। এই অধ্যায়টোৰ পৰা আপোনালোকে জানিব পাৰিব যে— গান্ধীজীৰ শিক্ষাৰ ধাৰণাটো তেওঁৰ জীৱন দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

১২.৩ মোহন দাস কৰম চান্দ গান্ধী চমু পৰিচয়

মহাত্মা গান্ধী হিচাপে সমগ্ৰ বিশ্বতে পৰিচিত ব্যক্তি গৰাকীৰ প্ৰকৃত নাম মোহন দাস কৰম চান্দ গান্ধী। ১৮৬৯ চনৰ অক্টোবৰ মাহৰ দুই তাৰিখে ভাৰতৰ পশ্চিম উপকূলবৰ্তী পোৰবন্দৰ চহৰত তেওঁৰ জন্ম হৈছিল। মোহন দাসৰ পিতৃৰ নাম আছিল কৰমচান্দ গান্ধী, বৃত্তিত তেওঁ দেৱান আছিল। গান্ধীৰ পৰিয়াল ভাৰতীয় সংস্কৃতিৰ সাজসজ্জাৰে সুসজ্জিত আছিল। তেওঁৰ ঘৰত যথেষ্ট সংখ্যক ধৰ্মীয় গ্ৰন্থ আছিল, য'ত হিন্দু ধৰ্মৰ নানা দেৱ দেৱীৰ উপাসনা আৰু কঠোৰ অনুশাসন প্ৰচলিত হৈছিল। শৈশৱত মোহন দাস আছিল— দীঘলীয়া নাক, চুটি ডিঙি আৰু সামান্য ডাঙৰ ঠৰঙা কাণ দুখনেৰে, আপচু চেহেৰাৰ এটা সৰু ল'ৰা। তেওঁৰ বিশেষত্ব আছিল এটা সুখী হাঁহি আৰু অনবৰতে তিৰবিৰাই থকা উজ্জ্বল চকুজুৰি।

মোহনদাসৰ জন্মৰ সময়ত ভাৰতবৰ্ষ ব্ৰিটিছ শাসনৰ অধীনত আছিল। তদুপৰি কঠোৰ জাতিভেদ প্ৰথাই ভাৰতীয় সংস্কৃতি ম্লান কৰি পেলাইছিল। পিতৃৰ চাকৰি বদলি হোৱা হেতুকে গান্ধীজীয়ে পোৰবন্দৰৰ পৰা ১২০ মাইল দূৰত্বত থকা ৰাজকোট নামৰ ঠাইত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। ১৮৮৮ চনত তেওঁ হাইস্কুল শিক্ষান্ত উত্তীৰ্ণ হয় আৰু কলেজীয়া জীৱনত ভৰি দিয়ে। কলেজীয়া শিক্ষা শেষ কৰিব নোৱাৰি তেওঁ এটা অর্থ উপার্জন কৰিব পৰা পেছা গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'লে। সেইমর্মে তেওঁ আইন শিকাৰ সিদ্ধান্ত লয় আৰু বিশেষ সূত্ৰে তেওঁ জানিব পাৰিছিল যে ভাৰতীয় শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰাতকৈ বহুত কম সময়ৰ ভিতৰতে মাথো তিনিবছৰত গ্ৰেট ব্ৰিটেইনত আইন শিক্ষা গ্ৰহণ কৰি তেওঁ আইনজ্ঞ হ'ব পাৰিব। কিন্তু সেই সময়ত গ্ৰেট ব্ৰিটেইনত এই পাঠ্যক্ৰমটোৰ বাবদ প্ৰয়োজন হৈছিল তেৰ হাজাৰ টকা, যিহেতু কোনো ধৰণৰ শিক্ষামূলক বৃত্তিৰ ব্যৱস্থাও নাছিল, এজন নিম্ন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা হিচাপে তেওঁ

যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল।

যি কি নহওক, এই সমস্যাবোৰ নেওচি অৱশেষত গান্ধীজী লণ্ডনত উপস্থিত হৈছিল আৰু অন্য ভাৰতীয় শিক্ষার্থীৰ লগত শিক্ষাৰম্ভ কৰিছিল। তাত তেওঁ অতি সাধাৰণ জীৱন যাপন কৰিছিল। লণ্ডনলৈ যোৱাৰ আগত গান্ধীজীয়ে হিন্দু ধর্মীয় কিতাপ অধ্যয়ন কৰা নাছিল। কিন্তু ভাগৱদ গীতা অধ্যয়ন কৰি তেওঁ শিকিছিল যে এজন ব্যক্তি সৎ হ'বলৈ নিশ্চিতভাৱে তেওঁ উদাৰ হ'ব লাগিব আৰু নিজকে ভীতি, অহংকাৰ আৰু স্বার্থান্ধতাৰ পৰা মুক্ত হ'ব লাগিব। লণ্ডনত তেওঁ খ্রীষ্টান ধর্মীয় গ্রন্থ বাইবেল অধ্যয়ন কৰিছিল তেওঁ নিউ টেষ্টামেন্ট অধ্যয়ন কৰি যীচুখ্রীষ্টৰ জীৱন দর্শনৰ পৰা বিশেষভাৱে অনুপ্রাণিত হৈছিল। তেওঁ যীচুখ্রীষ্টৰ প্রেম আৰু ক্ষমাৰ বার্তাৰ দ্বাৰা অত্যন্ত প্রভাৱিত হৈছিল।

১৮৯১ চনত আইনৰ পৰীক্ষা শেষ কৰি বোম্বেলৈ লণ্ডনৰ পৰা ৰাওনা হৈছিল, বোম্বাইত তেওঁ নিজৰ মাতৃৰ মৃত্যুৰ বাতৰি পাইছিল। মাতৃৰ শেষকৃত্যৰ পাছত তেওঁ ভাৰততে প্রতিষ্ঠা হোৱাৰ কথা ভাবিছিল, কিন্তু দেখিছিল যে আগতীয়াকৈ বহু উকীলে ভৰি পৰিছিল। সেয়ে ভাৰতত উকীল হিচাপে তেওঁৰ প্রয়োজনীয়তা বিশেষ নাছিল। কাম বিচাৰি বহুদিন তেওঁ অতিবাহিত কৰিলে; তাৰ পাছত কিছু অন্য উকীলৰ লগত যোগদান কৰি দুই এটা সৰু-সুৰা কামো কৰিল। ততিয়াই তেওঁ চাউথ আফ্রিকাৰ এজন ইছলামধর্মী উকীলৰ পৰা নিমন্ত্রণ পাইছিল। সেয়ে, তেওঁ নিজৰ অনিচ্ছা সত্ত্বেও ঘৰ ত্যাগ কৰি বিদেশমুখী হৈছিল। কাৰণ তেওঁৰ সন্মুখত অন্য কোনো বিকল্প নাছিল।

১৮৯৩ চনৰ এপ্রিল মাহত গান্ধীজী দক্ষিণ আফ্রিকাৰ ডাৰবানলৈ যাত্রা কৰিছিল, তিনিবছৰ পাছত তেওঁ ভাল উপার্জনেৰে দক্ষিণ আফ্রিকাৰ সুপৰিচিত উকীল হৈ পৰে। তেওঁ প্রবাসী ভাৰতীয় সকলৰ নেতা হিচাপেও খ্যাত হয়। দক্ষিণ আফ্রিকাত থাকোতেই গান্ধীজীয়ে 'দক্ষি আফ্রিকাত থকা ব্রিটিছৰ পৰাধীন ভাৰতীয়সকলৰ দূর্দশা ভাৰতৰ জনগনলৈ এক আবেদন'— শিৰোনামেৰে এটি লিখনি প্রকাশ কৰিছিল। সেউজীয়া বেটুপাতেৰে আবৃত থকা বাবে লিখনিটো সেউজী পুথি বা গ্রীণবুক বুলি জনাজাত হৈ পৰিছিল। ১৮৯৬ চনত তেওঁ পৰিয়ালৰ লগত সময় অতিবাহিত কৰাৰ মানসেৰে পাঁচ মাহৰ বাবে ভাৰতলৈ ঘূৰি আহে।

১৯০৯ চনত ভাৰতবর্ষ, দক্ষিণ আফ্রিকাৰ লগতে সমগ্র বিশ্বতে গান্ধীজীৰ খ্যাতি বিয়পি পৰে। পৰৱর্তী সময়ত তেওঁ 'হোম-ৰুল্' (Home Rule) বুলি অন্য এক লিখনিৰ দ্বাৰা ব্রিটিছক ভাৰতবর্ষক স্বাধীনতা ঘূৰাই দিবলৈ অনুৰোধ কৰে। তেওঁ ভাৰতীয়সকলকো নিজৰ পৰম্পৰাগত জীৱনলৈ উভতি অহাৰ পৰামর্শ দিয়ে। দক্ষিণ আফ্রিকাত গান্ধীজীয়ে তাত থকা ভাৰতীয়সকলে সন্মুখীন হোৱা বর্ণ-বৈষম্যৰ বিৰুদ্ধে চলোৱ সত্যাগ্রহৰ ফলত ১৯১৪ চনত ব্রিটিছ চৰকাৰে গান্ধীজীৰ লগত ভাৰতীয়সকলৰ স্বাধীনতাৰ স্থার্থত এক চুক্তিত উপনীত হয়। ইয়াৰ ভিত্তিতে নিষিদ্ধ আইন সমূহ বাতিল কৰা হৈছিল আৰু ভাৰতীয়সকলক মৌলিক অধিকাৰ প্রদান কৰা হৈছিল। গান্ধীজীয়ে ইয়াক শান্তিপূর্ণ যুদ্ধৰ জয় বুলি আখ্যা দিছিল। ১৯১৪ চনতে তেওঁ ভাৰতলৈ ঘূৰি আহিল।



জানি থোৱা ভাল

গান্ধীজীয়ে সদায় অস্পৃশ্যতাৰ বিলুপ্তি আৰু মহিলাৰ সম অধিকাৰৰ বাবে দাবী জনাইছিল। সেইসময়ত মহিলাসকল গুৰুতৰভাৱে শোষিত হৈছিল। য'ত স্বামীৰ মৃত্যুত স্ত্রীক জীৱন্তে চিতাত জাপ দিবলৈ বাধ্য কৰোৱা হৈছিল। গান্ধীজীয়ে এই পৰম্পৰাটোৰ বিৰুদ্ধে মাত মাতিছিল আৰু তেওঁৰ অনুগামী সকলক লৈ এখন সমিতি গঠন কৰিছিল। তেওঁ অস্পৃশ্য বুলি গন্য কৰা শ্রেণীকো এই সমিতিত যোগদান দিবলৈ অনুৰোধ জনাইছিল, তেতিয়াই তেওঁ প্রথমবাৰৰ বাবে অস্পৃশ্য শ্রেণীৰ লোকক সাবৰমতি আশ্রমত থাকিবলৈ দিছিল।

গান্ধীজী এগৰাকী লেখকো আছিল। তেওঁৰ এখন অন্যতম ৰচনা হ'ল ১৯০৯ চনত গুজৰাটী ভাষাত প্রথমে প্রকাশ পোৱা 'হিন্দ-স্বৰাজ'। ইয়াক ভাৰতৰ স্বাধীনতা আন্দোলনৰ বৌদ্ধিক নক্সা হিচাপে জনা যায়। ইয়াৰ উপৰিও তেওঁ কেইবাখনো বাতৰিকাকতো প্রকাশ কৰিছিল। 'নৱজীৱন' নামৰ মাহেকীয়া আলোচনীখনো তেওঁৰ অন্যতম সৃষ্টি, তদুপৰি আন বহুকেইখন কিতাপো তেওঁ ৰচনা কৰিছিল। ইয়াৰ ভিতৰত 'মোৰ সত্য অন্বেষণৰ কাহিনী' তেওৰঁ আত্মজীৱনী। 'দক্ষিণ আফ্রিকাত' 'সত্যাগ্রহ' দক্ষিণ আফ্রিকাৰ সংগ্রামী জীৱনৰ নিদর্শন, 'হিন্দ স্বৰাজ' বা 'ভাৰতৰ হোম ৰুল' আৰু জন্ ৰাচকিনৰ গ্রন্থৰ 'আনটু ডিছ্ লাষ্ট্' গুজৰাটী ভাষান্তৰ তেওঁৰ সাহিত্য কৃতি। বর্তমান তেওঁৰ সাহিত্য ক্ষেত্রৰ অৱদানসমূহ সংগৃহীত গ্রন্থৰ ৰূপত উপলব্ধ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গান্ধীজীৰ শিক্ষাৰ দর্শনৰ তিনিটা মূল নীতি কি কি?

.....

.....

প্রশ্ন নং ২ঃ মহাত্মা গান্ধীৰ ক'ত আৰু কেতিয়া জন্ম হৈছিল?

.....

.....

প্রশ্ন নং ৩ঃ মহাত্মা গান্ধীৰ বিখ্যাত ৰচনা সমূহ কি কি?

.....

.....

১২.৪ গান্ধীজীৰ শিক্ষাৰ ধাৰণা

মহাত্মা গান্ধীৰ শিক্ষাৰ ধাৰণা তেওঁৰ জীৱন দর্শনৰ দ্বাৰা প্রভাৱিত হৈছিল। ইয়াত আমি,

তেওঁ আগবঢ়োৱা শিক্ষাৰ উদ্দেশ্য, পাঠ্যক্ৰমৰ বৈশিষ্ট্য, শিক্ষণ পদ্ধতি, শিক্ষাৰ অৰ্থনৈতিক দিশ, সমগ্ৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে বিশদ ব্যাখ্যা পাম, যি তেওঁৰ ব্যক্তিগত জীৱনদৰ্শনকে প্ৰতিফলিত কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষাৰ্থীৰ মন আত্মাৰ সৰ্ব্বোচ্চ বিকাশ তেওঁ আগবঢ়োৱা ধৰণৰ শিক্ষা পদ্ধতিৰহে সম্ভৱ।

১২.৪.১ শিক্ষাৰ উদ্দেশ্য

সৰ্বতোমুখী বিকাশ ঃ গান্ধীজী এগৰাকী আদৰ্শবাদী হিচাপে শিক্ষাৰ আধ্যাত্মিক উদ্দেশ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে সৰ্বতোমুখী বিকাশ বুলিলে ব্যক্তি আৰু শিশুৰ দৈহিক, মানসিক, বৌদ্ধিক, সৌন্দৰ্যবোধ, নৈতিক আৰু আৰু আধ্যাত্মিক দিশ বোৰৰ বিকাশকে বুজায়। কেৱল আখৰ পঢ়িব জনাটোৱে শিক্ষাৰ উদ্দেশ্য নহয় তেওঁ বিশ্বাস কৰিছিল যে শিক্ষাৰ তৎকালীন উদ্দেশ্য হ'ল— নাগৰিকত্বৰ পূৰ্ণ প্ৰশিক্ষণ, চৰিত্ৰ গঠন, আৰু বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা। তেওঁ শিক্ষাৰ দ্বাৰা নাগৰিকে পঞ্চায়তীৰাজ ব্যৱস্থা আৰু গণতন্ত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰাটো বিচাৰিছিল।

সৎচৰিত্ৰ গঠন ঃ গান্ধীজীয়ে উল্লেখ কৰিছে যে সৎ চৰিত্ৰ শিল বালিৰে গঠন কৰিব নোৱাৰি। ই ব্যক্তিৰ অন্তৰৰ পৰা অনুভূত হোৱাটো অতি প্ৰয়োজনীয়। সেয়েহে তেওঁ পৰামৰ্শ দিছে ঃ "তোমাৰ জ্ঞান, শিক্ষা আৰু পাণ্ডিত্যক এটা স্তৰত ৰখা আৰু আনটো স্তৰত ৰখা সত্যতা আৰু পবিত্ৰতাক, দেখা পাবা পিচৰ স্তৰটোৱে আগৰ স্তৰটোতকৈ বেছি গুৰুত্বপূৰ্ণ। তোমাৰ পাণ্ডিত্য পুথিগত জ্ঞান তোমাৰ সিৰা উপসিৰাত প্ৰবাহিত হৈ থাকিলেও এইবোৰৰ বাস্তৱ প্ৰয়োগ অবিহনে ই নিৰৰ্থক হৈ ৰ'ব। (Put all your knowledge, learning, and scholarship in one scale and purity in the other and the letter will by jar outuring the other. All your scholarship all your study the scnipluters will be invain if to translate their training into your daily life)

স্বাৱলম্বীতা ঃ গান্ধীজীয়ে শ্ৰমৰ মৰ্যদাক উৎসাহ দিবলৈ, স্বাৱলম্বীতাক প্ৰসাৰ আৰু শাৰীৰিক শ্ৰম সম্পৰ্কে মানুহৰ পৰম্পৰাগত ভ্ৰান্ত ধাৰণা দূৰ কৰিবলৈ শিক্ষাত শিল্পক প্ৰৱৰ্তিত কৰিছিল। এই বিষয়ত গান্ধীজীয়ে মত প্ৰকাশ কৰিছিল যে শিশুৰ শিক্ষাত স্থানীয় ব্যৱহাৰযোগ্য হস্ত শিল্প বা কুটীৰ শিল্পৰ জৰিয়তে শিক্ষণৰ লগতে শিক্ষাৰ্থীক উৎপাদনশীল কৰি গঢ়ি তুলিবলৈ দিয়া উচিত বুলি বিবেচনা কৰিছিল। (I would therefore begin the child's education by teaching it a useful handicraft and enabling them to produce from the movement it begins its training) তেতিয়াহে প্ৰত্যেক বিদ্যালয় স্বনিৰ্ভৰশীল হ'ব আৰু ৰাজ্যই বিদ্যালয়ত উৎপাদিত সামগ্ৰী গ্ৰহণ কৰিব পাৰিব।

সাংস্কৃতিক বিকাশ ঃ গান্ধীজীৰ মতে শিক্ষাৰ অন্য এক প্ৰধান উদ্দেশ্য হ'ল পৰম্পৰাগত কৃষ্টি আৰু সংস্কৃতিৰ বিষয়ে তথ্য যোগান ধৰা। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে ভাৰতীয় সংস্কৃতি ইয়াৰ স্ব-জলবায়ু, প্ৰাকৃতিক সৌন্দৰ্য, ভাষাৰে সুসজ্জিত, যদিবা এই তিনিওটা ব্ৰিটিছৰ তুলনাত নিম্ন। তেওঁৰ মতে আমি আমাৰ শিশু সকলক নিজা ভেটিত গঢ়ি তোলা উচিত। যদি আমি অন্য সংস্কৃতি গ্ৰহণ কৰো, ই আমাৰ সংস্কৃতিৰ ঐতিহ্যৰ অনুৰ্বৰ কৰি তুলিব। আমি কেতিয়াও বিদেশী সংস্কৃতি আমদানিৰ জৰিয়তে উন্নতি কৰিব নোৱাৰো। গান্ধীজীয়ে আমাৰ দেশীয় ভাষাসমূহৰ মাধ্যমেদি দেশৰ সভ্যতা-সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰ হোৱাটো বিচাৰিছিল। ("We and our children must build on our own heritage. If we borrow another, we impoverish our own. We can never grow on foreign victuals. I want the nation to have the treasures contained in that language and, for that matter, in other languages of the world, through its own vernaculars.") তেওঁ ইয়াকো মন্তব্য কৰিছিল যে সাংস্কৃতিক একতা এজন ব্যক্তিৰ অন্তৰৰ পৰা অনুভূত হোৱা আৰু তেওঁৰ আচাৰ ব্যৱহাৰত প্ৰতিফলিত হোৱাটো প্ৰয়োজনীয়, যেনে কথা-বার্তা, খোজকাঢ়া, পোচাক পৰিধানৰ প্ৰণালী ইত্যাদি। গতিকে গান্ধীজীয়ে শিক্ষাই আমাৰ দেশৰ প্ৰাচীন আধ্যাত্মিকতাৰ ধাৰণাটো প্ৰতিফলিত কৰি তোলাটো বিচাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ সৰ্বতোমুখী বিকাশ বুলি গান্ধীজীয়ে কি বুজাব বিচাৰিছে?

.....

.....

প্ৰশ্ন নং ৫ঃ গান্ধীজীয়ে উদ্ভাৱন কৰা শিক্ষাৰ এটা মূল উদ্দেশ্য উল্লেখ কৰক।

.....

.....

১২.৪.২ বুনিয়াদী শিক্ষা

মহাত্মা গান্ধীয়ে প্ৰাথমিক শিক্ষাৰ ওপৰত কেইবাটাও গুৰুত্বপূৰ্ণ মতামত আগবঢ়াইছিল, যি আজিৰ প্ৰেক্ষাপটতো গ্ৰহণযোগ্য। শিক্ষাক এক শক্তিশালী মুক্তিদায়ক শক্তি বুলি কোৱা হয়। কিন্তু গান্ধীজীৰ মতবাদত শিক্ষাই আধ্যাত্মিকতা নুবুজাই অথবা মৃত্যুৰ পাছত আত্মাৰ মুক্তিকো বুজোৱা হোৱা নাই জ্ঞানে মানৱজাতিৰ সেৱা কৰিবৰ

বাবে প্ৰয়োজনীয় হোৱা প্ৰতিটো দক্ষতাৰ প্ৰশিক্ষণক সামৰি লয় আৰু মুক্তি মানে তেখেতে সকলো প্ৰকাৰৰ দাসত্বৰ পৰা মুক্তিকে সূচায়। এখন নতুন ধৰণী গঢ়ি তোলাৰ স্বাৰ্থত শিক্ষাক নকৈ গঢ়ি তোলা উচিত। আমাৰ প্ৰত্যেকৰে ভিতৰত বহুতো ভাল সম্ভাৱনীয়তা নিহিত হৈ আছে। ব্যক্তিৰ মাজত নিহিত শিক্ষকে এই সম্ভাৱনীয়তাসমূহক বিকশিত কৰিব পাৰে। কিন্তু সেইসকল শিক্ষকেহে শিক্ষাৰ্থীৰ এই সম্ভাৱনীয়তাবোৰ বিকশাই তুলিব পাৰে যিসকলে সদায় কিবা এটা নতুন শিকিবলৈ প্ৰস্তুত থাকে আৰু নিজকে সদায় পূৰ্ণতা প্ৰাপ্তিৰ বাবে অহোপুৰুষাৰ্থ কৰে।

তেওঁৰ মতে বুনিয়াদী শিক্ষাই মন, শৰীৰ আৰু আত্মাৰ বিকাশ সুনিশ্চিত কৰে। সাধাৰণ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ কেৱল মানসিক বিকাশহে কৰে। কিন্তু বুনিয়াদী শিক্ষাই জীৱন ধাৰণৰ কলাক আয়ত্ত কৰাত সহায় কৰে। গতিকে এই শিক্ষাত শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে শিকন-শিক্ষণ কাৰ্যৰ জৰিয়তে উৎপাদনত অৰিহণা যোগাব লাগিব। ই জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব, আৰু দেশৰ নিবনুৱা সমস্যা দূৰ কৰি স্ব-নিৰ্ভৰশীল কৰি তুলিব। ই হস্তশিল্প বা কুটীৰ শিল্পৰ দ্বাৰা শিক্ষা বুলি খ্যাত। তেওঁ আকৌ কয় যে— প্ৰজ্ঞা, হৃদয় আৰু আত্মাৰ সু সামঞ্জস্য থাকিলেহে সম্পূৰ্ণ ব্যক্তিত্ব গঠন হয় আৰু ইয়াৰ দ্বাৰাই প্ৰকৃত শিক্ষাৰ অৰ্থনীতি গঠন হয়। কিন্তু যেতিয়ালৈকে ব্যক্তিৰ মানসিক আৰু দৈহিক বিকাশৰ লগত সমান্তৰালভাবে আত্মাৰ বিকাশ নহয়, তেতিয়া সেই শিক্ষা আধৰুৱা আৰু ত্ৰুটিপূৰ্ণ হৈ ৰ'ব।



জানি থোৱা ভাল

বুনিয়াদী শিক্ষাৰ বিষয়ে গান্ধীজীৰ মতামতত শিক্ষকৰ প্ৰয়োজনীয় গুণাগুণ সম্পৰ্কে কৈছিল যে শিক্ষকে শিক্ষাৰ্থীৰ মনত শ্ৰমৰ প্ৰতি শ্ৰদ্ধা গঢ়ি তোলা উচিত। তদুপৰি এগৰাকী ভাল শিক্ষক হ'বলৈ হ'লে শিক্ষক গৰাকী ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিকাশকৰণৰ অপৰিহাৰ্য অংগ হোৱাটো প্ৰয়োজনীয়। যিহেতু শিক্ষাৰ্থীৰ চৰিত্ৰ গঠন শিক্ষাৰ এক প্ৰধান লক্ষ্য সেয়ে গান্ধীজীয়ে শিক্ষকৰ উচ্চ চৰিত্ৰৰ পোষকতা কৰিছিল।

গান্ধীজীয়ে স্থানীয় কুটীৰ শিল্পৰ মাধ্যমেৰে প্ৰাথমিক শিক্ষা প্ৰদান কৰিব বিচাৰিছিল। এই ধাৰণাটো সেই সময়ৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে এক নীৰৱ সামাজিক বিপ্লৱ হিচাপে মূৰ দাঙি উঠিছিল। তেওঁ বিশ্বাস কৰিছিল যে ই গাঁও আৰু চহৰৰ মাজত এক সুস্থ ন্যায়সংগত সম্পৰ্ক স্থাপন কৰাত সহায়ক হ'ব। গতিকে তেওঁ বুনিয়াদী শিক্ষাৰ দ্বাৰা সমাজৰ নিৰাপত্তা নষ্টকাৰী আৰু সামাজিক শ্ৰেণীবিভাজনৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ চেষ্টা কৰিছিল। আৰু তেওঁৰ এই পদক্ষেপে অধিক ন্যায়সংগত ৰূপত উচ্চ জাতি আৰু নিম্ন জাতিৰ মাজত থকা পাৰ্থক্যবোৰ মষিমূৰ

কৰাৰ ভেটি দৃঢ় কৰিছিল। তেওঁ এই ব্যৱস্থাৰে সকলোৰে জীৱন নির্বাহৰ প্রয়োজনীয় বাট দেখুৱাই, সকলোৰে স্বাধীনতাৰ অধিকাৰ নিশ্চিত কৰিছিল। বুনিয়াদী শিক্ষাৰ মূল উদ্দেশ্য আছিল গাঁৱৰ শিক্ষার্থীসকলক আদর্শ গাঁওবাসী লৈ উন্নীত কৰা। গাওঁ বা চহৰৰ প্রয়োজনৰ ভিত্তিত প্রাথমিক শিক্ষাক প্রস্তুত নকৰিলে ই কেৱল প্রহসনৰ নামান্তৰহে হ'ব। সেয়ে, বুনিয়াদী শিক্ষাই শিক্ষার্থীক, চহৰে হওঁক বা গাঁওৱে হওঁক, ভাৰতৰ প্রকৃত উন্নয়নৰ উপায়সমূহৰ লগত সংযোগ কৰাইছিল।

১২.৪.৩ পাঠ্যক্রম

গান্ধীজীয়ে মন্তব্য কৰিছিল যে শিক্ষা শিশুৰ পৰিৱেশৰ লগত সম্পর্কিত হোৱা উচিত। সেয়েহে, বর্তমান শিক্ষাৰ পাঠ্যক্রমৰ বিষয়বস্তু আমাৰ দেশৰ মানুহৰ জীৱন শৈলী, দেশৰ ভৌগোলিক আৰু সামাজিক পৰিবেশৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হোৱা উচিত। আকৌ তেওঁ ইংৰাজী ভাষাৰ সলনি মাতৃভাষাত শিক্ষাপ্রদানৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। তেওঁৰ মতে বিদেশী ভাষাৰ মাধ্যমেৰে দিয়া শিক্ষাই শিক্ষার্থীক এক প্রকাৰৰ চাপত ৰাখে আৰু ফলশ্রুতিত আমাৰ ল'ৰা-ছোৱালীবোৰ ইয়াৰ ভুক্তভোগী হৈ পৰে। এনে শিক্ষাৰ দ্বাৰা তেওঁলোকে অন্য কোনো ধৰণৰ দায়িত্ব গ্রহণ কৰাৰ ক্ষমতা হেৰুৱাই পেলায়, লাহে লাহে সম্ভাৱনীয়তাহীন আৰু কোনোধৰণৰ কর্মোদ্যম নোহোৱাৰ ফলত দুর্বল হৈ পৰে আৰু মাথো পাশ্চাত্যৰ অনুসৰণকাৰী হৈ ৰয় । ("education through a foreign language entails a certain degree of strain, and our boys have to pay dearly for it. To a large extent, they lose the capacity of shouldering any other burden afterwards, for they become a useless lot who are weak of body, without any zest for work and mere imitators of the West.")

ইয়াৰোপৰি, বহু সময়ত দেখা যায় যে কেৱল ইংৰাজী জনাটোকে শিক্ষা বুলি গণ্য কৰা হয়। কিন্তু এইটো শুভ লক্ষণ নহয়; ই হ'ল আমাৰ দাসত্ব আৰু অৱক্ষয়কে সূচায়। সেয়ে গান্ধীজীয়ে কৈছে যে ইংৰাজী মাধ্যমৰ শিক্ষাই আমাক স্বদেসতে বিদেশী হিচাবে গঢ়ি তুলিছে। এয়া হৈছে প্রচলিত শিক্ষাৰ আটাইতকৈ কৰণ ৰূপ। সেয়ে ভাৰতৰ শিক্ষা ব্যৱস্থা যিমান সোনকালে বিদেশী শিক্ষাৰ মাধ্যমৰ সম্মোহনৰ পৰা মুক্ত হয় সিমানে দেশৰ শিক্ষা ব্যৱস্থা আৰু দেশবাসীৰ বাবে মংগল হ'ব। ("the foreign medium has made our children practically foreigners in their own lands. It is the greatest tragedy of the existing system. The sooner, therefore, educated India shakes itself free from the hypnotic spell of the foreign medium, the better it would be for them and the people.")



জানি থোৱা ভাল

ইংৰাজী ভাষাটো বৰ্তমান সকলোতে বিশ্বভাষা হিচাপে গ্ৰহণ কৰা হয়। গতিকে গান্ধীজীয়ে ইয়াক দ্বিতীয় ভাষা আৰু ঐচ্ছিক ভাষা হিচাপে স্থান দিছে। কিন্তু স্কুল পৰ্যায়ত নহয়, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমতহে তেখেতে নিবাৰ্চিত অলপ সংখ্যকৰ বাবেহে ইংৰাজীৰ পোষকতা কৰিছিল, হাজাৰজনৰ বাবে নহয়। তেখেতৰ মতে, এইটো আমাৰ মানসিক দাসত্ব যে আমি ইংৰাজী ভাষাৰ অবিহনে আগবাঢ়িব নোৱাৰিম বুলি ভাবো। গান্ধীজীয়ে কেতিয়াও এনে সেওমনা ধাৰণাৰ বশৱৰ্তী হোৱা নাছিল।

তেওঁ কৈছিল যে বিদ্যালয় এখন ঘৰখনৰ এটা পৰিবৰ্ধিত ৰূপ হোৱা উচিত। শিশুৱে ঠিক ঘৰত পোৱা আদৰ সাদৰ আৰু মৰমৰ আশ্বাস বিদ্যালয়তো পোৱা উচিত, যদিহে আমি আশাকৰা ধৰণৰ ফলাফল বিচাৰো। হস্তশিল্পৰ শিক্ষাও যান্ত্ৰিক ভাৱে নহয় বৰং বিজ্ঞানসন্মতভাৱে দিয়া উচিত বুলি গান্ধীজীয়ে পূৰ্বঅভিজ্ঞতাৰ ভিত্তিত মন্তব্য কৰিছিল। তেওঁৰ শিক্ষণ পদ্ধতিয়ে বুৰঞ্জী বা ভূগোলৰ জ্ঞানৰ প্ৰসাৰতো গুৰুত্ব দিয়ে। গান্ধীজীৰ এই শিক্ষা ধাৰণাক বৈপ্লৱিক প্ৰস্থাৱ হিচাপে গণ্য কৰিব পাৰি। ই শিক্ষাৰ্থীৰ এক বুজন পৰিমাণৰ শ্ৰম লাঘৱ কৰিব আৰু সিকিবলৈ বহু দিন প্ৰয়োজন হোৱা দক্ষতা বা কৌশলসমূহ কম সময়তে আয়ত্ত কৰাত সহায় কৰিব।

১২.৪.৪ শিক্ষণৰ পদ্ধতিসমূহ

সহসমন্ধ ঃ গান্ধীজীয়ে সহসমন্ধৰ নীতিৰ পোষকতা কৰিছিল আৰু তেওঁ মত ব্যক্ত কৰিছিল যে সকলো জ্ঞান কোনো এক শিল্পৰ লগত সম্পৰ্কিত হ'ব লাগে। ব্যৱহাৰোপযোগী শ্ৰম, বুদ্ধিদীপ্ততাৰে প্ৰদৰ্শন কৰাটো জ্ঞানৰ উৎকৰ্ষ বিকাশৰ চানেকি, কিয়নো এক ভাৱসাম্যপূৰ্ণ প্ৰজ্ঞাই শৰীৰ, মন আৰু আত্মাৰ সুস্থ বিকাশকে সূচায়। সমাজৰ উপকাৰৰ বাবে ব্যৱহৃত শ্ৰম দানৰ দ্বাৰা বিকশিত প্ৰজ্ঞা মানৰ সেৱাৰ বাবে এক অতুলনীয় সামগ্ৰী স্বৰূপ, যাক সহজতে কোনো বিভেদকামী ধাৰণাই বিপথে পৰিচালিত কৰিব নোৱাৰে। শিল্প, কলা স্বাস্থ্য আৰু শিক্ষা একেটা আচঁনিতে সন্নিৱিষ্ট কৰা উচিত। ইয়াক তেওঁ নই তালিম (Nai talim) হিচাপে আখ্যা দিছে। ওপৰোক্ত চাৰিওটা বিষয়কে সুন্দৰ ভাৱে এই আঁচনিয়ে সামৰি লৈছে আৰু মানুহৰ জন্মৰ পৰা মৃত্যু মুহূৰ্তলৈ সম্পূৰ্ণ সময়ছোৱা সম্পুৰ্ণ সিক্ষাৰে সামৰি লৈছে।

কুটীৰ শিল্পৰ দ্বাৰা শিক্ষা ঃ আমি জানো যে গান্ধীজীয়ে তেওঁৰ শিক্ষা দৰ্শনত কুটীৰ শিল্পৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেওঁ কেৱল উৎপাদনশীলতাৰ বাবেই নহয় বৰং শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশৰ বাবেও কুটীৰ শিল্পক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। তেওঁ পুনৰ বাৰ দোহাৰিছিল যে যদিহে ৰাষ্ট্ৰই সাতৰ পৰা

চৌধ্য বছৰ বয়সৰ শিক্ষার্থীৰ শিক্ষাৰ দায়িত্ব গ্রহণ কৰে আৰু উৎপাদনশীল শ্রমৰ মাধ্যমেৰে শিক্ষার্থীক দেহ আৰু মনৰ প্রশিক্ষণ দিয়ে তেনে প্রেক্ষাপটত নিশ্চয় যিবোৰ চৰকাৰী বিদ্যালয় স্বাৱলম্বী হ'ব নোৱাৰে সেইবোৰ বিদ্যালয়ক প্রবঞ্চক বিদ্যালয় আৰু তাৰ শিক্ষকসকলক নির্বোধ বুলি গণ্য কৰা হ'ব।

কর্মৰ দ্বাৰা শিক্ষা ঃ এই ধাৰণাটো কর্মৰ মাধ্যমত শিক্ষাৰ ধাৰণাটোৰ ওপৰত নির্ভৰ কৰে। ই মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিভিন্ন প্রকাৰৰ কর্মত সত্য আৰু প্রেমৰ প্রয়োগকে সূচায়। কুটীৰ শিল্পৰ দ্বাৰা শিক্ষা, এই ধাৰণাটোৱে জীৱনৰ ভিন্ন কর্মসমূহৰ মাজেদি সত্য আৰু প্রেমক ব্যক্তিক উপলব্ধিত সহায় কৰে। এই শিক্ষা পুথিৰ পৰা উদ্ভৱ হোৱা নাই বা পুথিগত জ্ঞানৰ ওপৰতো নির্ভৰশীলো নহয় কোনো ধর্মৰ লগতো ইয়াৰ কোনো সম্পর্ক নাই। যদিহে এই শিক্ষাক ধর্মীয় বুলি আখ্যা দিয়া হয়, তেন্তে ই হ'ব বিশ্বজনীন ধর্ম য'ৰ পৰা বিশ্বৰ সকলো ধর্মই সৃষ্টি হৈছে। গতিকে ইয়াক জীৱনৰ পাঠ্যপুথিৰ পৰাহে শিকিব পাৰি য'ত কোনো অর্থৰ প্রয়োজন নাই, যাক কোনো শক্তিয়ে ব্যক্তিৰ পৰা কাঢ়ি ল'ব নোৱাৰে।

১২.৪.৫ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা

ভাৰতবর্ষত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অন্যতম প্রবক্তা হিচাপেও গান্ধীজীক জনা যায়। কিন্তু তেওঁ এই শিক্ষা এক ব্যৱহাৰ যোগ্য বৃত্তিৰ জৰিয়তেহে শিক্ষার্থীক দিয়া উচিত বুলি মন্তব্য কৰিছিল। এই শিক্ষাই বৃত্তিমূলক শিক্ষাৰ মাধ্যমে শিক্ষার্থীৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক বিকাশৰ পথ প্রদর্শিত কৰিব পাৰিব। শিক্ষাত কোনো অর্থনৈতিক ভেদা-ভেদ থকাটো আৰু অর্থনৈতিক সমস্যাই শিক্ষা গ্রহণত কোনো অসুবিধাৰ সৃষ্টি কৰাটো তেওঁ বিচৰা নাছিল। সেয়ে তেওঁ শিক্ষাৰ দ্বাৰা গাঁওবাসীৰ প্রয়োজন পূৰণৰ ওপৰত গুৰুত্ব দিছিল । তেওঁ কৈছিল যে— শিক্ষানুষ্ঠানসমূহক প্রশিক্ষানুষ্ঠানলৈ উন্নীত কৰা আৰু শিক্ষকৰো এনে প্রশিক্ষণ প্রদান কৰিব পৰাকৈ উপযুক্ত কৰি তোলাটো প্রয়োজন। তেতিয়াহে গাওঁবাসীৰ প্রয়োজন পূৰণ কৰা সম্ভৱপৰ হ'ব। গান্ধীজীয়ে ভাৰতবর্ষৰ সকলো ৭-১৪ বছৰ বয়সৰ লোকক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদানেৰে প্রাথমিক শিক্ষাৰ সমঅধিকাৰত গুৰুত্ব দিছিল। ৰাষ্ট্রই শিক্ষাৰ সকলো দায়িত্ব গ্রহণ কৰা আৰু শিক্ষাৰ খৰচো বহন কৰা উচিত বুলি শক্তিশালী মতামত গান্ধীজীয়ে আগবঢ়াইছিল।

১২.৪.৬ ধর্মীয় আৰু নৈতিক শিক্ষা

গান্ধীজীৰ শিক্ষাৰ ধাৰণাৰ অন্য এক গুৰুত্বপূর্ণ দিশ হ'ল— ধর্মীয় শিক্ষাৰ ওপৰত গুৰুত্ব। এই ধর্মীয় শিক্ষাই শিক্ষার্থীৰ ব্যক্তিত্ব আৰু চৰিত্র গঠনৰ সহায়ক মাধ্যম।

গান্ধীজীয়ে ত্যাগ, সমাজ সেৱা, অহিংসা আৰু ব্ৰহ্মচাৰ্যৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ মতে যি ধৰ্মই সত্য, প্ৰেম আৰু অহিংসাৰ ধাৰণা মানুহৰ মনত বিকশাই তুলিব পাৰে, সেয়ে প্ৰকৃত ধৰ্ম। গতিকে তেওঁ পৰামৰ্শ আগবঢ়াইছিল যে— ধৰ্মৰ প্ৰাথমিক প্ৰয়োজনীয়তা হ'ল সত্য আৰু অহিংসাৰ মৌলিক ধাৰণাৰ বিষয়ে শিক্ষাৰ্থীক অৱগত কৰোৱা। এয়ে ধৰ্মীয় শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। তদুপৰি তেওঁৰ শিক্ষাৰ দৰ্শনত ব্যক্ত কৰে যে শিক্ষাৰ্থীসকলে সকলো ধৰ্মকে সন্মান কৰা আৰু সদায় দৈনন্দিন জীৱনৰ আচৰণত অন্য ধৰ্মৰ প্ৰতি এক সহিষ্ণুতা, সহৃদয়তা ভাব বজাই ৰখা উচিত।

১২.৪.৭ মহিলাৰ শিক্ষা

গান্ধীজীয়ে মহিলাসকলক তেওঁলোকৰ স্বাভাৱিক অধিকাৰ সমূহ শিক্ষাই প্ৰদান কৰিব পাৰে বুলি মন্তব্য কৰিছিল। পুৰুষ আৰু মহিলা এজন আনজনৰ পৰিপূৰক গাৰ্হস্থ্য জীৱনত মহিলাৰ উৎকৃষ্ট স্থান হ'ল ঘৰখন। গতিকে গাৰ্হস্থ্য কাম কাজো তেওঁলোকৰ দায়িত্ব, বিশেষকৈ শিশুক লালন-পালন কৰা আৰু শিক্ষাৰ বাবে প্ৰস্তুত কৰিবৰ বাবে মহিলা অধিক জ্ঞান, পাৰদৰ্শিতা থকাটো প্ৰয়োজনীয়। যদিহে শিক্ষা নিদেৰ্শনাসমূহত মহিলা শিক্ষা অধিক প্ৰয়োজনীয় হিচাপে গঢ়ি তোলা নহয়, মহিলা আৰু পুৰুষৰ সম্পূৰ্ণ বিকাশ সম্ভৱপৰ নহ'ব। এইক্ষেত্ৰত আমি মন কৰিব লাগিব যে গান্ধীজীৰ মহিলা শিক্ষাৰ ধাৰণা পৰিয়ালৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, কিয়নো তেওঁৰ মতে-পুৰুষ ঘৰৰ চাৰিবেৰৰ বাহিৰৰ আৰু মহিলাসকল ঘৰৰ চাৰিবেৰৰ ভিতৰত কাম-কাজৰ বাবে বেছি উপযুক্ত। গতিকে মহিলা আৰু পুৰুষৰ শিক্ষা তেওঁলোকৰ বাস্তৱ জীৱনৰ দায়িত্ব কৰ্তব্যৰ লগত সংগতি ৰাখি প্ৰদান কৰা উচিত। গান্ধীজীৰ নাৰী শিক্ষা মতবাদ তেওঁৰ নাৰী পুৰুষক পৰিপূৰ্ণ কৰি তোলে এই ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে গান্ধীজীয়ে কি পৰিকল্পনা হাতত লৈছিল?

.....

.....



১২.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- যি শিক্ষাই আমাক ভাল বেয়া নিৰ্ণয় কৰি বেয়াটো ত্যাগ কৰিবলৈ নিশিকাই, সেই শিক্ষা

ভুল পথৰ প্ৰদৰ্শক স্বৰূপ।

- শিক্ষাক শোষক সকলৰ প্ৰয়োজন পূৰণতকৈ দুখীয়া গাঁওবাসীৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ গঢ়ি তুলিব লাগে।
- প্ৰাথমিক শিক্ষাই শিক্ষাৰ্থীক গাঁও, চহৰ আৰু সমাজৰ হিতকাৰী বিভিন্ন উন্নয়নমুখী বিষয়বস্তুৰ বাতাবৰণৰ লগত পৰিচয় কৰাই দিব লাগে।
- কেৱল সাক্ষৰতা অৰ্জনেই শিক্ষা নহয়। ই শিক্ষাৰ অন্ত বা আৰম্ভণিও নহয়। প্ৰকৃত শিক্ষা হ'ল যি স্পষ্ট ৰূপত জন্তু আৰু মানুহৰ মাজত পাৰ্থক্য সৃষ্টি কৰিব পাৰে।
- প্ৰকৃত শিক্ষাই ল'ৰা-ছোৱালীৰ অন্তৰ্নিহিত শ্ৰেষ্ঠ প্ৰতিভা সমূহ প্ৰতিফলিত কৰা উচিত।
- প্ৰকৃত শিক্ষাই চাৰিওকাষৰ অৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত আৰু ইয়াৰ সুস্থ বিকাশত হাত উজান দিয়া উচিত।
- কাৰ্যকৰী গণতন্ত্ৰৰ বাবে কেৱল তথ্য বা জ্ঞান পৰ্যাপ্ত নহয়, সঠিক শিক্ষাৰ প্ৰয়োজন।
- ৰাষ্ট্ৰীয় শিক্ষাই সমসাময়িক ৰাষ্ট্ৰীয় বিষয়সমূহ সামৰি লোৱা উচিত।
- নই তালিমৰ (Nai talim) কাৰ্য কেৱল এটা বৃত্তিৰ প্ৰশিক্ষণ নহয়, ই ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ উদ্দেশ্য।
- ধৰ্মীয় শিক্ষা প্ৰদান কৰাটো ধৰ্মীয় অনুষ্ঠানৰ মূল উদ্দেশ্য হোৱা উচিত।
- শিক্ষাৰ দ্বাৰা গান্ধীজীয়ে শিশুৰ শৰীৰ, মন আৰু আত্মাৰ সম্পূৰ্ণ বিকাশকে বুজাই।
- গান্ধীজীয়ে বোৱা-কটা, কুটীৰ শিল্পক ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় অংশ হিচাপে গ্ৰহণ কৰিবলৈ জোৰ দিছে।
- হস্তশিল্পৰ দ্বাৰা শিক্ষাৰ ধাৰণাটো জীৱনৰ বিভিন্ন কাৰ্যৰ যোগেদি সত্য আৰু প্ৰেমৰ প্ৰয়োগ আৰু স্থায়িত্বকৰণৰ ধাৰণাৰ পৰা উদ্ভৱ হৈছে।
- নিৰৱচ্ছিন্ন প্ৰশ্ন আৰু সুস্থ অনুসন্ধিৎসাই সকলো ধৰণৰ শিক্ষাৰ প্ৰথম প্ৰয়োজন।
- যদি আমি গাঁওবাসীৰ প্ৰয়োজন পূৰণৰ বাবে শিক্ষা দিব বিচাৰো, তেতিয়া গাঁৱত বিদ্যালয় স্থাপন কৰিব লাগিব।



১২.৬ অধিক জানিবলৈ

১) 'The selected worked of Gandhi' vol 6 http:// www.gandhishramsevageam.org/on-education

২) Mahatma Gandhi : Anne schttaff.SADDLEBACK EDUCATIONAL PUBLICATION.

৩) Three wastern, Irvine, CA92618-2767



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ গান্ধীজীৰ শিক্ষাৰ ধাৰণাৰ তিনিটা স্তম্ভ হ'ল — শিক্ষাৰ জীৱনজোৰা চৰিত্রৰ ওপৰত গুৰুত্ব, শিক্ষাৰ সামাজিক বৈশিষ্ট্য আৰু সামগ্রিক বিকাশৰ পদ্ধতি হিচাপে শিক্ষা।

২ নং প্রশ্নৰ উত্তৰঃ গান্ধীজীৰ জন্ম হৈছিল ১৮৬৯ চনৰ ২ অক্টোবৰত ভাৰতৰ পাশ্চাত্যৰ পোৰবন্দৰ চহৰত।

৩ নং প্রশ্নৰ উত্তৰঃ তেওঁৰ এখন বিখ্যাত ৰচনা হ'ল হিন্দ স্বৰাজ।

৪ নং প্রশ্নৰ উত্তৰঃ সর্বতোমুখী বিকাশ বুলি তেওঁ শিক্ষার্থীৰ শৰীৰ, মন আৰু আত্মাৰ বিকাশক বুজাইছে। তদুপৰি তেওঁ ব্যক্তিৰ মানসিক, শাৰীৰিক, বুদ্ধিদীপ্ততা আৰু আধ্যাত্মিকতাৰ বিকাশৰ বিষয়েও ব্যক্ত কৰিছে।

৫ নং প্রশ্নৰ উত্তৰঃ গান্ধীজীৰ মতে শিক্ষাৰ এক প্রকৃত কার্য হ'ল সংস্কৃতি আৰু স্থানীয় হস্তশিল্পৰ সম্পর্কে মূল্যবান জ্ঞান প্রদান কৰা।

৬ নং প্রশ্নৰ উত্তৰঃ গান্ধীজীয়ে প্রাথমিক শিক্ষা বোৱা কটা, কুটীৰ শিল্প আদিৰ মাধ্যমেৰে প্রদান কৰাৰ পৰিকল্পনা কৰিছিল।



১২.৮ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্ন ১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ওপৰত গান্ধীজীৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ ধর্মীয় আৰু নৈতিক শিক্ষাৰ বিষয়ে গান্ধীজীৰ ধাৰণা বহলাই লিখক।

প্রশ্ন ৩ঃ মহিলা শিক্ষাৰ ওপৰত গান্ধীজীৰ বক্তব্য কি আছিল?

(খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্ন ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ গান্ধীজীৰ জীৱনৰ ওপৰত এটা চমুটোকা লিখক।

প্রশ্ন ২ঃ গান্ধীজীৰ শিক্ষাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ বুনিয়াদী শিক্ষাৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ৪ঃ গান্ধীজীয়ে উদ্ভাৱন কৰা শিক্ষা পদ্ধতিসমূহ কি কি? বর্তমান প্রেক্ষাপটত শিক্ষণ-শিকন প্রক্রিয়াত এই পদ্ধতিসমূহ কিদৰে প্রাসংগিক আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ স্বামী বিবেকানন্দ আৰু তেওঁৰ শৈক্ষিক চিন্তা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ স্বামী বিবেকানন্দৰ জীৱন পৰিচয় (১৮৬৩-১৯০২)
১৩.৪ স্বামী বিবেকানন্দৰ কর্ম যোগৰ ধাৰণা
১৩.৫ স্বামী বিবেকানন্দৰ দার্শনিক চিন্তা
১৩.৬ স্বামী বিবেকানন্দৰ শৈক্ষিক দর্শন
১৩.৭ আধুনিক শিক্ষালৈ স্বামী বিবেকানন্দৰ অৱদান
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্রগতিৰ খতিয়ান
১৩.১১ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বামী বিবেকানন্দৰ জীৱনৰ বিষয়ে অৱগত হ'ব
- কর্ম যোগৰ ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- বিবেকানন্দৰ দার্শনিক চিন্তা ব্যাখ্যা কৰিব পাৰিব
- বিবেকানন্দৰ শৈক্ষিক চিন্তা সম্পর্কে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক স্বামী বিবেকানন্দৰ জীৱনৰ বিষয়ে জনাত সহায় কৰিব। ইয়াত তেওঁৰ দার্শনিক আৰু শৈক্ষিক চিন্তাবোৰো আলোচনা কৰা হৈছে। লগতে বিখ্যাত কর্ম যোগৰ ধাৰণাটো সম্পর্কে স্বামী বিবেকানন্দই আগবঢ়োৱা দৃষ্টিভংগীকো অধ্যায়টিৰ আলোচনাত সামৰি লোৱা হৈছে। অধ্যায়টিৰ শেষৰ অংশত আধুনিক শিক্ষালৈ স্বামী বিবেকানন্দই আগবঢ়াই যোৱা অৱদানৰ ওপৰত আলোকপাত কৰা হৈছে।

১৩.৩ স্বামী বিবেকানন্দৰ জীৱন পৰিচয় (১৮৬৩-১৯০২)

১৮৬৩ চনত কলিকতাত স্বামী বিবেকানন্দৰ জন্ম হৈছিল। তেওঁৰ আচল নাম আছিল

নৰেন্দ্ৰ নাথ দত্ত। তেওঁ কলিকতাৰ এটা হিন্দু পৰিয়ালৰ সন্তান আছিল। স্বামী বিবেকানন্দই পিতৃৰ পৰা ধৰ্মীয় চিন্তা আৰু বুদ্ধিমত্তা উত্তৰাধিকাৰীসূত্ৰে লাভ কৰিছিল। তেওঁৰ পিতৃ বিশ্বনাথ দত্ত আছিল কলিকতা উচ্চ ন্যায়ালয়ৰ উকীল। স্বামী বিবেকানন্দৰ মাতৃ ভূৱনেশ্বৰী দেৱী আছিল এগৰাকী ধৰ্মপৰায়ণা মহিলা। বিবেকানন্দক পাঁচ বছৰ বয়সত বিদ্যালয়ত নামভৰ্ত্তি কৰাই দিয়া হৈছিল। আৰম্ভণিৰে পৰা তেওঁ ভাষা, দৰ্শন আৰু সংগীতপ্ৰেমী হিচাপে নিজ পৰিচয় দাঙি ধৰিছিল। হাৰ্বাৰ্ট স্পেনছাৰ আৰু জে. এছ. মিল আছিল বিবেকানন্দৰ প্ৰিয় দাৰ্শনিক। তেওঁ ৱৰ্ডছ্ৱৰ্থৰ কবিতা পঢ়ি ভাল পাইছিল। এদিন স্বামী বিবেকানন্দক প্ৰধান শিক্ষকে ৰামকৃষ্ণ পৰমহংসৰ সৈতে চিনাকি কৰাই দিছিল। ৰামকৃষ্ণ পৰমহংস আছিল এগৰাকী প্ৰখ্যাত আধ্যাত্মিক নেতা। স্বামী বিবেকানন্দই প্ৰায় ছবছৰ পৰমহংসৰ সংস্পৰ্শত কটাইছিল। এনেকৈয়ে আধ্যাত্মিকতাবাদৰ প্ৰতি ওপজা প্ৰেমৰ পৰিণতিত তেওঁ ৰামকৃষ্ণ পৰমহংসৰ অনুগামী হৈ পৰিছিল। আধ্যাত্মিকতাবাদক আঁকোৱালি লৈ তেওঁ সন্ন্যাসী জীৱন গ্ৰহণ কৰিছিল আৰু এসময়ত স্বামী বিবেকানন্দ নামেৰে জনাজাত হৈ পৰিছিল।

স্বামী বিবেকানন্দই ৰামকৃষ্ণ পৰমহংসৰ বাণী প্ৰচাৰ কৰিছিল। তেওঁ আমেৰিকান আৰু ইউৰোপীয় দৰ্শকৰ আগত বেদান্ত দৰ্শন ব্যাখ্যা কৰিছিল। তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে প্ৰাচীন বেদান্ত দৰ্শনে বৰ্তমান কালৰ প্ৰত্যাহ্বানবোৰ সফলতাৰে জয় কৰিব আৰু আধুনিক সমস্যাবোৰৰ ফলপ্ৰসূভাৱে সমাধানসূত্ৰ বাহিৰ কৰিব পাৰে। সমাজৰ দুখীয়া আৰু দুৰ্বল শ্ৰেণীৰ প্ৰতি স্বামী বিবেকানন্দ সম্পূৰ্ণ সহানুভূতিশীল আছিল। তেওঁ জাতি, বৰ্ণ, গাৰ ৰং আৰু লিংগ নিৰ্বিশেষে সকলো লোককে বেদান্তৰ জ্ঞান দিব বিচাৰিছিল। ধৰ্মৰ প্ৰতি স্বামী বিবেকানন্দৰ গভীৰ শ্ৰদ্ধা আছিল। পাশ্চাত্যৰ আদৰ্শবাদী দৰ্শন আৰু হিন্দু ধৰ্মৰ সৃজনশীল বৈদান্তিক দৰ্শনৰ সাৰ্থক সংশ্লেষণ ঘটোৱা দাৰ্শনিকগৰাকীয়েই হ'ল স্বামী বিবেকানন্দ। তেওঁ সাৰ্বজনীন ভ্ৰাতৃত্ববোধৰ বাণী প্ৰচাৰ কৰিছিল আৰু নিজৰ আদৰ্শবাদী শৈলীৰে মানৱতাবাদৰ ব্যাখ্যা আগবঢ়াইছিল।

স্বামী বিবেকানন্দ আছিল জাতীয় শিক্ষা ব্যৱস্থা এটা গঢ়ি তোলাৰ সপক্ষে মাত মতা এগৰাকী প্ৰধান পৃষ্ঠপোষক। তেওঁ জনগণৰ শিক্ষাৰ (education of masses) সমৰ্থক আছিল। তেওঁ মহিলাসকলক শিক্ষিত কৰি তুলি সমাজত মহিলাৰ স্থিতি উন্নত কৰিব খুজিছিল। স্বামীজী মুখস্থ বিদ্যাৰ পৰিপন্থী আছিল। তেওঁ আধ্যাত্মিকতাবাদ, ব্যক্তিত্বৰ সৰ্বোৎকৃষ্টতা, সৰগীয়তা, আত্ম-নিৰ্ভৰশীলতা, বিশ্বজনীন ভ্ৰাতৃত্ববোধ আৰু শিক্ষাৰ জৰিয়তে ঈশ্বৰ বিশ্বাসৰ প্ৰসাৰ কৰিব বিচাৰিছিল।

এইগৰাকী মহান সন্ত আৰু সমাজ সংস্কাৰকৰ ১৯০২ চনত মৃত্যু হৈছিল। মৃত্যুৰ সময়ত স্বামী বিবেকানন্দৰ বয়স হৈছিল মাত্ৰা ৩৯ বছৰ। তেওঁৰ মৃত্যুৰ ইমান বছৰ পাচতো সমগ্ৰ বিশ্বই তেওঁক মনত ৰাখিছে। তেওঁৰ অভিযান আৰু বাণীবোৰে অনাগত প্ৰজন্মকো দীৰ্ঘদিন ধৰি অনুপ্ৰাণিত কৰি যাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্বামী বিবেকানন্দৰ আচল নামটো কি আছিল?

.....

.....

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক-

(ক).....চনত..... ত স্বামী বিবেকানন্দৰ জন্ম হৈছিল।

(খ) .....চনত স্বামী বিবেকানন্দৰ মৃত্যু হৈছিল।

(গ) স্বামী বিবেকানন্দ আছিল.....ৰ এগৰাকী প্রধান পৃষ্ঠপোষক।

১৩.৪ স্বামী বিবেকানন্দৰ কর্ম যোগৰ ধাৰণা

স্বামী বিবেকানন্দৰ বিখ্যাত কর্ম যোগৰ ধাৰণাটো তেওঁৰ ৰচনা 'দ্য চিক্রেট অৱ ৱ'র্ক'ত (The Secret of Work) অতি প্রাঞ্জলকৈ বর্ণনা কৰা আছে। বিবেকানন্দৰ মতে প্রতিগৰাকী ব্যক্তিয়ে কর্মক উপাসনা হিচাপে গ্রহণ কৰা উচিত। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে আমি নিঃস্বার্থভাৱে আৰু কোনো আসক্তি নৰখাকৈ কাম কৰা উচিত। বিবেকানন্দই ইয়াকো কৈছিল যে পৃথিৱীৰ দুখ- যাতনাৰ শাৰীৰিক সহায়েৰে উপশম ঘটাব পৰা নাযায়। মানুহৰ চৰিত্র সলনি নোহোৱালৈকে এই দুখ-যাতনাবোৰৰ অস্তিত্ব থাকিবই। স্বামী বিবেকানন্দই বিশ্বাস কৰিছিল যে অজ্ঞতাই জীৱনত অমংগল আৰু দুখ-যাতনাৰ সৃষ্টি কৰে। মানুহে আধ্যাত্মিক জ্যোতি, প্রকৃত শিক্ষা আৰু বিশুদ্ধ চৰিত্রৰ গৰাকী হ'ব পৰিলেহে এনে অমংগল আৰু দুখ-যাতনাবোৰ নাইকিয়া হ'ব। তেওঁ ভাল চিন্তা কৰা, ভাল ধাৰণা গঢ়া আৰু ভাল কর্ম কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই গুণবোৰ হ'ল সু-চৰিত্রৰ আধাৰ। সু-প্রৱণতাই কু-প্রৱণতাবোৰক আঁতৰাই পেলোৱা উচিত। মানুহৰ মনৰ অমংগলীয় ভাৱ-চিন্তা নাইকিয়া কৰিবলৈ সু-চিন্তাৰ উদ্রেক ঘটা উচিত। মানুহে জীৱনত দয়া-কৰুণাৰ অনুশীলন কৰা আৰু কর্মক উপাসনা হিচাপে গ্রহণ কৰা উচিত। ইয়াৰ উপৰি স্বামী বিবেকানন্দই ইয়াকো উল্লেখ কৰিছিল যে মুক্তিৰ স্পৃহা (desire for liberation) হ'ল এক উচ্চ মানসিক পর্যায়ৰ চিন্তা। এই মুক্তি হ'ল ভাল আৰু বেয়া দুয়ো ধৰণৰ বান্ধোনৰ পৰা স্বতন্ত্র হ'ব পৰা অৱস্থা। কথাটো সহজ-সৰলকৈ বুজাবলৈ স্বামী বিবেকানন্দই এটা সুন্দৰ উদাহৰণ দাঙি ধৰিছিল। এজন মানুহৰ এখন হাতৰ আঙুলিত এডাল কাঁইট সোমাল। তেওঁ আনখন হাতেৰে আন এডাল কাঁইটৰ সহায়ত আঙুলিত সোমাই থকা কাঁইটডাল উলিয়াবলৈ চেষ্টা কৰিব। চেষ্টাত সফল হ'লে দুয়োডাল কাঁইট পেলাই দিব। এনেদৰে, কু-প্রৱণতা আঁতৰ কৰিবলৈ মানুহে সু-প্রৱণতা প্রয়োগ কৰে। যেতিয়া কু-প্রৱণতাবোৰ আঁতৰ হয়, তেতিয়া মানুহক সু অথবা কু কোনো ধৰণৰ প্রৱণতাৰ প্রয়োজন নহয়।

স্বামী বিবেকানন্দই আমাক সোঁৱৰাই দিছে এই পৃথিৱীখন আমাৰ স্থায়ী বাসস্থান নহয়। সেয়েহে আমি পার্থিৱ বস্তুৰ প্রতি আসক্ত হোৱা অনুচিত। প্রতিগৰাকী ব্যক্তিয়ে ভবা উচিত যে কিছুমান কাম কৰিবৰ বাবেহে আমি এই পৃথিৱীলৈ আহিছো। আমি সেই কাম নিৰন্তৰ কৰি যোৱা উচিত আৰু পৃথিৱীৰ বান্ধোনৰ পৰা নিজকে মুক্ত যেন অনুভৱ কৰা উচিত। স্বামী বিবেকানন্দই প্রকৃত অস্তিত্ব (real existence), প্রকৃত জ্ঞান (real knowledge) আৰু প্রকৃত প্রেমৰ (real love) মাজত এক নিবিড় আন্তঃসম্পর্ক আছে বুলিও মত প্রকাশ কৰিছিল। ঈশ্বৰৰ সৈতে জড়িত এই তিনিটা দিশক আমি 'অস্তিত্ব-জ্ঞান-স্বর্গসুখ' (Existence knowledge-Bliss) হিচাপেও ধৰিব পাৰোঁ।

স্বামী বিবেকানন্দই কৈছিল যে আমি জীৱনত দাতাৰ অৱস্থান গ্রহণ কৰা উচিত। আমি আমাৰ যি আছে সেই সকলোবোৰ পৃথিৱীক মুক্তহস্তে আগবঢ়াব লাগে। তাৰ বিনিময়ত আমি একো পুৰস্কাৰ-কৃতিত্ব আশা কৰিব নালাগে। এই কথাই আমাক অনাসক্ত কৰি তুলিব আৰু পৰম সুখ প্রদান কৰিব। স্বামী বিবেকানন্দই উল্লেখ কৰা আন এটা গুৰুত্বপূর্ণ কথা হ'ল মানুহৰ আচাৰ-আচৰণক দুটা বস্তুই দিক্-নির্দেশনা প্রদান কৰে। ইয়াৰে এটা হ'ল ক্ষমতা (might) আৰু আনটো হ'ল দয়া (mercy)। ক্ষমতাৰ অনুশীলন সদায়েই এক স্বার্থপৰ কার্য। কিন্তু দয়া সৰগীয়। স্বামী বিবেকানন্দৰ মতে মানুহ ভাল হিচাপে পৰিচিত হ'বলৈ প্রথমে দয়াশীল হ'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৩ ঃ স্বামী বিবেকানন্দই উল্লেখ কৰা ঈশ্বৰৰ সৈতে জড়িত দিশ তিনিটা কি কি ?

.....

.....

প্রশ্ন নং৪ ঃ এগৰাকী ব্যক্তিৰ আচাৰ- আচৰণক দিক্-নির্দেশনা দিয়া কথা দুটা কি কি ?

.....

.....

১৩.৫ স্বামী বিবেকানন্দৰ দার্শনিক চিন্তা

আমি তলত উল্লেখ কৰা শিতানবোৰৰ অধীনত স্বামী বিবেকানন্দৰ দার্শনিক চিন্তাবোৰ বুজাৰ প্রয়াস কৰিব পাৰোঁ—

- ঈশ্বৰত্বৰ নীতি (Doctrine of Divinity) ঃ

স্বামী বিবেকানন্দই ঈশ্বৰত্ব (Divinity) আৰু আত্মাৰ অমৰত্বত বিশ্বাস কৰিছিল। তেওঁৰ মতে পৰম আত্মা (পৰম ব্রহ্ম) আৰু ব্যক্তিগত আত্মাৰ মাজত কোনো পার্থক্য নাই। স্বামীজীয়ে বিশ্বাস

কৰিছিল যে ঈশ্বৰত্ব হ'ল সত্য (সৎ), বিশুদ্ধ চেতনা (চিত) আৰু পৰম সুখ (আনন্দ)। অর্থাৎ, স্বামীজীৰ মতে ব্যক্তিৰ স্ব-সত্ত্বাৰ ভিতৰতে ঈশ্বৰত্ব বিৰাজমান।

- প্রকৃত ধর্ম (True Religion) ঃ

স্বামী বিবেকানন্দই বিশ্বজনীন ধর্ম গ্রহণ আৰু সার্বজনীন ভ্রাতৃত্ববোধৰ বাণী প্রচাৰ কৰিছিল। তেওঁৰ মতে সকলো ধর্ম, জাতি, সম্প্রদায়, দৃষ্টিভংগী আৰু দর্শনেই এই বিশ্বজনীন ধর্মত (Universal Religion) লীন হয়গৈ। এই ধর্মৰ মূল হ'ল বেদান্ত। স্বামীজীয়ে এইবুলিও মত পোষণ কৰিছিল যে ধর্মীয় শিক্ষা কিতাপৰ মাধ্যমেৰে দিব পৰা নাযায়। আকর্ষণীয় চাপ বহুৱাব পৰা আৰু উৎকৃষ্ট আচাৰ-আচৰণৰ গৰাকী গুৰুৱেহে ধর্মীয় শিক্ষা দিব পাৰে।

- জীৱনৰ লক্ষ্য (Goal of Life) ঃ

স্বামী বিবেকানন্দৰ মতে মানুহৰ মন অথবা শৰীৰত প্রকৃত আনন্দ লুকাই নাথাকে। কোনো নির্ভৰশীলতা নথকা জীৱন এটাৰ গৰাকীসকলেহে প্রকৃত আনন্দ উপভোগ কৰিব পাৰে। যিসকল লোকৰ জীৱন সকলো ধৰণৰ বান্ধোনৰ পৰা সম্পূর্ণ মুক্ত তেওঁলোকহে প্রকৃত আনন্দৰ গৰাকী। স্বামীজীৰ মতে জীৱনৰ লক্ষ্য হ'ল স্বাধীনতা। স্বাধীনতাই হ'ল বিশ্ব- চৰাচৰৰ অভিপ্রায়। স্বামী বিবেকানন্দৰ মতে মানুহে কর্ম, উপাসনা আৰু জ্ঞানৰ জৰিয়তে স্বাধীন হ'ব পাৰে।

- চাৰি তৰপীয়া পথ (Fourfold Path) ঃ

স্বাধীনতা আৰু মোক্ষ প্রাপ্তিৰ বাবে স্বামী বিবেকানন্দই সহজ সৰলভাৱে এটা চাৰি তৰপীয়া পথৰ ধাৰণা আগবঢ়াইছিল। এই তৰপকেইটা হ'ল- কর্ম (Work), উপাসনা (Worship), ধ্যান (Contemplation) আৰু জ্ঞান (Knowledge)। তেওঁ কৈছিল যে যিকোনো ব্যক্তিয়ে তেওঁৰ সামাজিক পৃষ্ঠভূমি আৰু মন-মেজাজৰ সৈতে মিলাকৈ ইয়াৰে যিকোনো এটা অথবা একাধিক তৰপ অনুসৰণ কৰিব পাৰে।

আধ্যাত্মিক পথ প্রদর্শক (Spiritual Guide) ঃ

প্রাচীন ভাৰতৰ গৰিমা গাই আৰু আধ্যাত্মিকতাবাদৰ বাণী প্রচাৰ কৰি স্বামী বিবেকানন্দই ভাৰতীয় জাতীয়তাবাদৰ প্রসাৰত নিজ ভূমিকা পালন কৰিছিল। স্বামীজীৰ আধ্যাত্মিকতাবাদে পার্থিৱ জীৱন ত্যাগ কৰাৰ কথা নকয়। মানুহে সমাজত বাস কৰি, মানৱীয়তাৰ সেৱা কৰি নিজৰ আধ্যাত্মিকতাবাদৰ প্রতিপালন কৰিব পাৰে। আধ্যাত্মিকতাবাদ প্রগাঢ় কৰাৰ কাৰণে স্বামীজীয়ে চাৰি প্রকাৰৰ যোগৰ ভিতৰত যিকোনো এক প্রকাৰৰ যোগ গ্রহণ কৰাৰ কথা কৈছে। যোগ কেইবিধ হ'ল- কর্ম যোগ, ভক্তি যোগ, ৰাজ যোগ আৰু জ্ঞান যোগ। কিন্তু তেওঁ লগতে এই কথাও জোৰ দি কৈছিল যে সাধাৰণ লোকক আধ্যাত্মিক অনুশীলনত সহায় কৰিবলৈ দীক্ষাগুৰু অথবা গুৰুৰ প্রয়োজন।

- আশাবাদ আৰু মনোবল (Optimism and Strength) ঃ

স্বামী বিবেকানন্দই তেওঁৰ সংস্পর্শলৈ অহা সকলোৰে মনত অদমনীয় মনোবল, গভীৰ আশাবাদ আৰু নিজৰ ওপৰত বিশ্বাসৰ জন্ম দিব পাৰিছিল। তেওঁৰ মতে সবলতা আৰু দুর্বলতাৰ মাজত অহৰহ চলি থকা সংঘর্ষই হ'ল মানৱ জীৱন। জীৱনৰ এই সংঘর্ষত কেৱল বিজয়ীসকলহে তিষ্ঠি থাকিব। পৰাজিতসকলে মৃত্যুবৰণ কৰিব। সেয়েহে প্রতিজন ব্যক্তিয়েই এই সংঘর্ষত লিপ্ত হোৱাৰ বাবে প্রস্তুত থাকিব লাগে আৰু জীৱনৰ সকলো প্রত্যাহ্বানৰ সাহস তথা আত্মবিশ্বাসেৰে সন্মুখীন হোৱা উচিত। ইয়াৰ উপৰি, সমাজত শান্তি প্রতিষ্ঠা কৰিবলৈ সাহসিকতা আৰু বীৰত্বৰ প্রয়োজন বুলিও স্বামী বিবেকানন্দই মত প্রকাশ কৰিছিল।

- দেশপ্রেম (Patriotism) ঃ

স্বামী বিবেকানন্দ আছিল এগৰাকী গভীৰ দেশপ্রেমিক। তেওঁ প্রতিগৰাকী ভাৰতীয়ৰ মনতে দেশপ্রেমৰ এক সুগভীৰ হাবিয়াস জাগ্রত কৰাৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ সমসাময়িক কালৰ গতিধাৰা উপলব্ধি কৰিছিল, প্রতিজন ভাৰতীয়ৰ জীৱনত লাহে লাহে গা কৰি উঠা সাম্প্রদায়িক অনৈক্যৰ কথা ধৰিব পাৰিছিল, অস্পৃশ্যতাই সৃষ্টি কৰা দাগ দেখা পাইছিল ভাষিক আৰু প্রাদেশিক জাতি পার্থক্য ইত্যাদি অনুধাৱন কৰিছিল। তেওঁ সকলো সম্প্রদায়কে পার্থক্য আৰু অনৈক্যৰ কথা পাহৰি যাবলৈ গোহাৰি জনাইছিল। তাৰ সলনি তেওঁ মাতৃভূমিৰ সৌম্য আহ্বানৰ প্রতি সঁহাৰি জনাবলৈ প্রতিজন ভাৰতীয়কে আহ্বান জনাইছিল। স্বামী বিবেকানন্দই সমাজৰ পৰা সকলো দুর্বলতা আঁতৰ কৰিবলৈ, পুৰোহিতালিৰ দৰে বিদ্যা উৎখাত কৰিবলৈ, গোড়ামি নাইকিয়া কৰিবলৈ সকলোকে চেষ্টা চলাবলৈ কৈছিল। তেওঁ ব্যৱসায়-বাণিজ্য আৰু কৃষিৰ জৰিয়তে দেশৰ অর্থনৈতিক উন্নতি সাধন কৰাৰ বাবে সকলোকে তৎপৰ হ'বলৈ আহ্বান জনাইছিল।

- মানৱতাবাদ (Humanitarianism) ঃ

সাধাৰণ জনগণৰ দুর্দশা আৰু দাৰিদ্র্যই স্বামী বিবেকানন্দক মনোকষ্ট দিছিল। তেওঁ কৈছিল যে ভাৰতৰ জনসাধাৰণ যেতিয়ালৈকে সুশিক্ষিত, সুপুষ্ট আৰু সুযত্নেৰে ঠন ধৰি নুঠে তেতিয়ালৈকে কোনো ৰাজনীতিয়েই দেশখনত সফল নহ'ব। সমাজৰ এই দুখ-দুর্দশা আঁতৰাবলৈ স্বামীজীয়ে ভাৰতৰ সাধাৰণ নাগৰিকক মানৱতাবাদ আৰু সমতাবাদৰ শিক্ষা দিয়াৰ পোষকতা কৰিছিল।

- সেৱা (Service) ঃ

স্বামী বিবেকানন্দই বিশ্বাস কৰিছিল যে মানৱতাৰ সেৱাই হ'ল মানুহৰ জীৱনৰ প্রধান উদ্দেশ্য। তেওঁ কৈছিল যে নির্ভীক হ'লেহে মানুহে মানৱতাৰ সেৱা কৰিব পাৰে। নির্ভীক মানুহে জীৱনৰ সংঘর্ষবোৰৰ মুখামুখি হ'বলৈ নিজকে প্রস্তুত কৰি মানৱতাৰ সেৱাত নামিব পাৰে। স্বামীজীয়ে স্বার্থপৰ অভিপ্রায় আৰু ঈর্ষা পৰিত্যাগ কৰি সহিষ্ণুতাৰ গুণ আহৰণ কৰাৰ ওপৰতো জোৰ দিছিল।

- নাৰীৰ স্থান (Position of Women) ঃ

স্বামী বিবেকানন্দ নাৰীৰ অধিকাৰ আৰু প্ৰয়োজনীয় সা-সুবিধাবোৰ সম্পৰ্কে সচেতন আছিল। নাৰীয়েও পুৰুষৰ সমানেই অধিকাৰ পোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। সমাজত নাৰীৰ সমান মৰ্যাদাৰ সমৰ্থনত স্বামীজীয়ে ঘোষণা কৰিছিল, "এটা জাতিৰ উন্নতিৰ সৰ্বোত্তম চিন হ'ল জাতিটোৰ মহিলাখিনিৰ প্ৰতি কৰা ব্যৱহাৰ।" স্বামীজীয়ে ভাৰতৰ প্ৰতিজনী ছোৱালীকে সীতা, মৈত্ৰেয়ী, লীলা, অহল্যাবাই আৰু মীৰাৰ আদৰ্শ অনুসৰণ কৰিবলৈ আহ্বান জনাইছিল।

জানি থোৱা ভাল



স্বামী বিবেকানন্দৰ দৰ্শনৰ কেইটামান মুখ্য নীতি হ'ল-

- প্ৰতিগৰাকী ব্যক্তিৰ হৃদয়তে ঈশ্বৰ বিৰাজমান।
- মানৱৰ সেৱাই হ'ল সৰ্বোত্তম ঈশ্বৰ উপাসনা।
- ন্যায়নিষ্ঠতা আৰু নৈতিকতা জীৱনৰ প্ৰকৃত আধাৰ হোৱা উচিত।
- প্ৰেম আৰু পাৰ্থিৱ সুখ পৰিত্যাগ বিশ্ব-ব্ৰহ্মাণ্ডত বিয়পি পৰা উচিত।
- ধৰ্ম মানে হ'ল আত্ম সংযমৰ দ্বাৰা লব্ধ আত্মোপলব্ধি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ স্বামী বিবেকানন্দৰ মতে মানুহৰ জীৱনৰ লক্ষ্য কি হোৱা উচিত?

.....

.....

প্ৰশ্ন নং৬ ঃ স্বামী বিবেকানন্দই উল্লেখ কৰা চাৰি তৰপীয়া পথটো কি?

.....

.....

১৩.৬ স্বামী বিবেকানন্দৰ শৈক্ষিক দৰ্শন

স্বামী বিবেকানন্দৰ শৈক্ষিক দৰ্শন হ'ল তেওঁৰ সাধাৰণ জীৱন দৰ্শনৰে প্ৰতিফলন। তেওঁৰ মতে শিক্ষা হ'ল "মানৱৰ গাত আগৰেপৰাই থকা ঐশ্বৰিক উৎকৰ্ষৰ প্ৰকাশ।" কোনো জ্ঞানেই বাহিৰৰ পৰা মানুহৰ মনলৈ সোমাব নোৱাৰে বুলি স্বামীজীয়ে মত পোষণ কৰিছিল। তেওঁৰ মতে সকলো জ্ঞানেই আগৰে পৰা মানুহৰ মনত বিৰাজ কৰি আছে। মানুহে কেৱল সেই জ্ঞান চিনাক্ত কৰি উলিয়াব লাগে। স্বামী বিবেকানন্দৰ নিজৰ ভাষাত "মানুহৰ ভিতৰত উৎকৰ্ষ সদায়েই আছে আৰু শিক্ষা কেৱল সেই উৎকৰ্ষৰ বহিঃপ্ৰকাশ।" তেওঁৰ মতে মানুহে জ্ঞান প্ৰদৰ্শন কৰে আৰু

চিৰদিনেই নিজৰ মাজত লুকাই থকা জ্ঞান আৱিষ্কাৰ কৰে। তলৰ শিতানবোৰৰ অধীনত স্বামী বিবেকানন্দৰ শৈক্ষিক দৰ্শনৰ মূল কথাবোৰ আলোচনা কৰা হ'ল-

শিক্ষাৰ অর্থ (Meaning of Education) ঃ

আমি ইতিমধ্যে উল্লেখ কৰিছো যে স্বামী বিবেকানন্দই শিক্ষাক মানুহৰ মনত আগৰে পৰাই লুকাই থকা উৎকর্ষৰ বহিঃপ্রকাশ বুলি বিশ্বাস কৰিছিল। তেওঁৰ মতে মানুহৰ মগজুত সুমুৱাই দিয়া তথ্যৰ পৰিমাণেই জ্ঞান নহয়। এনে তথ্য মানুহে কোনোদিন বুজি নাপাবও পাৰে। জ্ঞান হ'ল জীৱন গঢ়া চিন্তা-ধাৰণাৰ সংগ্রহ। স্বামীজীয়ে ইয়াকো কৈছিল যে শিক্ষা হ'ল এনে এক প্রক্রিয়া যিয়ে মানুহক অস্তিত্ব ৰক্ষাৰ সংগ্রামৰ বাবে প্রস্তুত কৰি তোলে। এই প্রস্তুতিয়ে মানুহক আত্ম-নির্ভৰশীল কৰি তোলাৰ লগতে চৰিত্র আৰু বুদ্ধিমত্তা গঢ়ি তোলে। শিক্ষা দৰাচলতে এক জীৱন জোৰা প্রক্রিয়া।

শিক্ষাৰ লক্ষ্য ঃ

স্বামী বিবেকানন্দই পৃষ্ঠপোষকতা কৰা শিক্ষাৰ লক্ষ্যবোৰ তলত উল্লেখ কৰা হ'ল-

- মানুহৰ উৎকর্ষ সাধন কৰা (Making a man perfect)ঃ শিক্ষাই মানুহৰ মনত আগৰে পৰাই লুকাই থকা উৎকৃষ্ট গুণবোৰ চিনাক্ত আৰু পৰিমার্জিত কৰি মানুহৰ উৎকর্ষ সাধন কৰে। মানুহৰ মনত সকলো পার্থিৱ আৰু আধ্যাত্মিক জ্ঞানৰ আগৰে পৰাই অস্তিত্ব থাকে। কিন্তু অজ্ঞতাৰ অন্ধকাৰে এই জ্ঞান লুকুৱাই ৰাখে। শিক্ষাই এই অজ্ঞতাৰ ওৰণি আঁতৰাই মানুহক আত্ম-স্বৰূপ উপলব্ধি কৰিব পৰা স্তৰলৈ উন্নীত কৰে।
- শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশ ঘটায় (Developing the Child Physically and Mentally)ঃ স্বামীজীয়ে মত পোষণ কৰিছিল যে গীতা অধ্যয়ন কৰি শিশু এটিয়ে ভৱিষ্যতে জাতিৰ বিকাশত অৰিহণা যোগাব পাৰে। তেওঁ তেনেদৰে ভবাৰ কাৰণ হ'ল গীতাত কোৱা কর্মৰ দর্শন বুজি পোৱাৰ পাছত শিশুহঁত নির্ভীক আৰু ভৱিষ্যতৰ শাৰীৰিকভাৱে সবল নাগৰিক হিচাপে গঢ় লৈ উঠিব। এনেদৰে, শিশুৰ মানসিক বিকাশত বেদান্তৰ অধ্যয়ন আৰু আধুনিক বিজ্ঞানেও সহায় কৰে বুলি স্বামীজীয়ে মত প্রকাশ কৰিছিল।
- শিশুৰ নৈতিক আৰু আধ্যাত্মিক বিকাশ ঘটায় (Moral and spiritual development of the child)ঃ স্বামীজীৰ মতে এখন দেশৰ মহানতা মানে কেৱল ইয়াৰ সংসদীয় অনুষ্ঠান-প্রতিষ্ঠান আৰু পার্থিৱ কল্যাণেই নহয়। নাগৰিকৰ নৈতিক আৰু আধ্যাত্মিক বিকাশেও দেশ এখনক মহান কৰে। শিক্ষাই ল'ৰা-ছোৱালীৰ গাত এনে গুণবোৰ বিকশাই তুলিব লাগে।
- চৰিত্র গঠন (Character Formation)ঃ স্বামী বিবেকানন্দৰ মতে এক দৃঢ় চৰিত্র গঠন কৰিবলৈ মানুহে ব্রহ্মচর্য অনুশীলন কৰা উচিত। তেওঁ কৈছিল যে শিক্ষাই কথা আৰু কামৰ মাজত কোনো পৰস্পৰ বিৰোধিতা নৰখা মানুহ গঢ়াৰ ভূমিকা পালন কৰিব লাগে।

- ঈশ্বৰ আৰু নিজৰ ওপৰত বিশ্বাস গঢ়ি তোলা (Development of Faith in God and oneself)ঃ স্বামীজীয়ে কৈছিল যে শিক্ষাই মানুহৰ মনত ঈশ্বৰ আৰু নিজৰ ওপৰত বিশ্বাস গঢ়ি তোলা কার্যত সফল হোৱা উচিত। শিক্ষাই এনে মানুহ সাজু কৰি তুলিব লাগে যিসকলে অনবৰতে আত্মসম্পৰ্ণ কৰিব পাৰে, আত্মবলিদান দিব পাৰে আৰু অন্যৰ সা-সুবিধাৰ বাবে পার্থিৰ আৰাম পৰিত্যাগ কৰিব পাৰে।
- আত্ম-নির্ভৰশীল হ'বৰ বাবে শিক্ষা (Education for self-reliance)ঃ পৃথিৱীৰ সকলো লোকৰ বাবেই আত্ম-নির্ভৰশীলতা সবাতোকৈ গুৰুত্বপূর্ণ বিষয়। আত্মনির্ভৰশীল মানুহে সকলোতে আনন্দ বিচাৰি পায় আৰু নিজৰ মাজতেই সকলো ধৰণে পৰিতৃপ্ত হ'ব পাৰে। সেয়েহে, শিক্ষাই মানুহক আত্ম-নির্ভৰ শীল কৰি তোলা উচিত।
- বিশ্বজনীন ভ্রাতৃত্ববোধৰ পৃষ্ঠপোষকতা কৰিবলৈ শিক্ষা (Education for promoting universal brotherhood)ঃ ব্যক্তিৰ মনৰ শান্তি, সমৃদ্ধি আৰু উন্নতিৰ বাবে বিশ্বজনীন ভ্রাতৃত্ববোধৰ প্রসাৰ ঘটাটো অতি জৰুৰী। শিক্ষাই বিশ্বজনীন ভ্রাতৃত্ববোধৰ পৃষ্ঠপোষকতা কৰা উচিত। স্বামী বিবেকানন্দৰ মতে শিক্ষাৰ জৰিয়তে আমি বিচ্ছিন্নতা তথা অসমতাৰ প্রাচীৰ খহাই বিশ্বজনীন ভ্রাতৃত্ববোধৰ ধাৰণাটো লাহে লাহে বাস্তৱায়িত কৰিব পাৰোঁ।
- ধর্মীয় বিকাশৰ বাবে শিক্ষা (Education for religious development)ঃ মানৱীয়তা আৰু মানৱতাৰ প্রতি সেৱা এই বিশ্বৰ প্রতিগৰাকী ব্যক্তিৰেই ধর্ম হোৱা উচিত বুলি স্বামীজীয়ে মত পোষণ কৰিছিল। শিক্ষার্থীৰ মনত এনে অনুভূতি জগাই তুলিব পৰা শিক্ষাহে সার্থক শিক্ষা বুলি স্বামীজীয়ে কৈছিল।

পাঠ্যক্রম ঃ

স্বামী বিবেকানন্দই কোৱা শিক্ষাৰ লক্ষ্যবোৰত তেতিয়াহে উপনীত হ'ব পৰা যাব যেতিয়া ওপৰত আলোচিত বিষয়বস্তু তথা কার্য-কলাপবোৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত হ'ব। এই বিষয়বস্তুৰে পার্থিৰ উন্নতি আৰু আধ্যাত্মিক বিকাশৰ পথ সুগম কৰি তুলিব। পার্থিৰ উন্নতিৰ বাবে স্বামীজীয়ে ভাষা, ভূগোল, বিজ্ঞান, ৰাজনীতি বিজ্ঞান, অর্থনীতি , মনোবিজ্ঞান, কলা, কৃষি, ঔদ্যোগিক তথা কাৰিকৰী বিষয় আদি বিষয় অধ্যয়ন কৰাত গুৰুত্ব দিছিল। লগতে তেওঁ শাৰীৰিক শিক্ষাকো পাঠ্যক্রমৰ অন্তর্ভুক্ত কৰাৰ কথা কৈছিল। কিন্তু এই বিষয়বোৰৰ শিক্ষা কেতিয়াও সম্পূর্ণ তাত্ত্বিক অথবা পুথিগত হোৱা উচিত নহয় বুলি তেওঁ মত পোষণ কৰিছিল। স্বামীজীৰ মতে শিক্ষা ব্যৱহাৰিক হ'ব লাগে। আধ্যাত্মিক বিকাশৰ বাবে তেওঁ ধর্ম, দর্শন, পুৰাণ আৰু উপনিষদৰ অধ্যয়নৰ লগতে সাধু-সন্তৰ সংগত সময় অতিবাহিত কৰাৰ পৰামর্শ দিছিল। স্বামীজীৰ মতে ধর্মীয় শিক্ষা কেৱল কিতাপৰ মাধ্যমেৰে দিয়াতকৈ শিক্ষকৰ মধুৰ ব্যক্তিত্ব আৰু উৎকৃষ্ট আচাৰ-আচৰণৰ যোগেদিহে অধিক ফলপ্রসূভাৱে দিব পৰা যায়।

শিক্ষণ পদ্ধতি ঃ

স্বামী বিবেকানন্দই শিক্ষার্থীৰ অন্তর্নিহিত জ্ঞানত বিশ্বাস কৰিছিল। তেওঁৰ মতে বাহিৰৰ পৰা কেৱল তথ্যহে জাপি দিব পাৰি। তেনেদৰে কোনো ব্যক্তিয়েই প্রকৃত শিক্ষা লাভ কৰিব নোৱাৰে। তেওঁ শিক্ষাৰ তাত্ত্বিক পদ্ধতিতকৈ ব্যৱহাৰিক পদ্ধতিক অধিক সমর্থন কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষার্থীৰ গুৰুৰ ওপৰত অগাধ বিশ্বাস থাকিব লাগে। শিক্ষার্থীৰ গুৰুৰ প্রতি থকা বিশ্বাস অথবা শ্রদ্ধাৰ বলত তেওঁ সকলো বিষয় দক্ষতাৰে আয়ত্ব কৰিবলৈ সক্ষম হ'ব। স্বামীজীয়ে শিক্ষণ -শিকনৰ বাবে তলত উল্লেখ কৰা পদ্ধতিকেইটাৰ কথা কৈছিল-

আত্ম অধ্যয়ন(Self Study) ঃ স্বামীজীৰ মতে শিক্ষক হ'ল কেৱল পথ সুচল কৰি দিওতা। তেওঁ শিক্ষার্থীৰ বাবে এনে এটা পৰিৱেশ গঢ়ি তোলাত সহায় কৰে য'ত শিক্ষার্থীয়ে স্ব-অধ্যয়নৰ দ্বাৰা জ্ঞান অর্জন কৰিব পাৰে। ধ্যান আৰু মনোযোগৰ অতি নিকট সম্বন্ধ আছে। প্রত্যেক ব্যক্তিয়ে মনোযোগ বঢ়োৱাৰ প্রশিক্ষণ লোৱা উচিত। স্বামীজীৰ মতে ব্রহ্মচর্যৰ ওপৰত মনোযোগ নির্ভৰশীল। মনোযোগৰ অনুশীলনে ছাত্র-ছাত্রীক অধিক কথা আয়ত্ব কৰাত সহায় কৰিব।

আলোচনা পদ্ধতি (Discussion Method) ঃ স্বামীজীয়ে শিক্ষণ প্রক্রিয়াত আলোচনা পদ্ধতি প্রয়োগৰ পৃষ্ঠপোষকতা কৰিছিল। শিক্ষকে সকলো শিক্ষার্থীকে আলোচনাত ভাগ ল'বলৈ দিয়া উচিত। অধ্যয়নৰ বিভিন্ন বিষয়বস্তুক লৈ শিক্ষক আৰু শিক্ষার্থীৰ মাজত মুকলি আলোচনা হ'ব লাগে। তেতিয়াহে শিক্ষাৰ উদ্দেশ্য সফল হ'ব।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে স্বামীজী শিক্ষাৰ ব্যৱহাৰিক পদ্ধতিৰ গভীৰ সমর্থক আছিল। এই পদ্ধতিয়ে ব্যক্তিক বিভিন্ন বিষয় আকর্ষণীয়ভাৱে শিকাৰ সুযোগ দিয়াৰ লগতে স্ব-প্রয়াসকো উদ্‌গনি যোগায়। এনে পদ্ধতিত শিক্ষকে শিক্ষার্থীক কেৱল দিক্-নির্দেশনাহে প্রদান কৰে।

শিক্ষকৰ ভূমিকা ঃ স্বামী বিবেকানন্দই সদায় এই কথাত গুৰুত্ব দিছিল যে শিক্ষকে শিক্ষার্থীৰ বাবে এগৰাকী বন্ধু, দার্শনিক আৰু পথ প্রদর্শকৰ ভূমিকা পালন কৰা উচিত। শিক্ষকে নিজৰ জীৱনৰ উদাহৰণেৰে শিক্ষার্থীক সকলোবোৰ সজ গুণ আৰু অভ্যাসৰ গৰাকী কৰি তোলা উচিত। স্বামীজীৰ মতে এগৰাকী শিক্ষকৰ ব্যক্তিগত জীৱনটো তেওঁ আহৰণ কৰা জ্ঞানতকৈ বহু বেছি গুৰুত্বপূর্ণ। তেওঁৰ মতে শিক্ষক পৰিত্র অন্তৰৰ গৰাকী আৰু নিজ কর্মৰ প্রতি উৎসর্গিত হ'ব লাগে। স্বামীজীয়ে শিক্ষকসকলে ধর্মবাণী প্রচাৰ আৰু মানুহক ধর্মনিৰপেক্ষ শিক্ষা প্রদান কৰাটো বিচাৰিছিল। তেওঁ আত্ম-শিক্ষণত (self-teaching) বিশ্বাস কৰিছিল। এই সন্দর্ভত স্বামীজীৰ উক্তি এটা উল্লেখ কৰা হ'ল, "শিশু এটি হ'ল গছপুলি এটাৰ দৰে। গছপুলি আৰু শিশুৰ বৃদ্ধি তথা বিকাশ সিহঁতৰ স্ব-প্রকৃতি মতে হয়। বাহ্যিক জগতৰ শিক্ষকৰ ভূমিকা হ'ল ছাত্র-ছাত্রীক হাত, ভৰি, কাণ, চকু আদি ইন্দ্রিয়ৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰাকৈ সিহঁতৰ নিজস্ব মেধা কেনেকৈ প্রয়োগ কৰিব সেয়া শিকোতে সহায় কৰা।"

নিয়মানুৱর্তিতা ঃ

স্বামীজীয়ে শিশুকেন্দ্রিক শিক্ষাত জোৰ দিছিল। এনে শিক্ষাত শিশুক বিভিন্ন কার্য-কলাপ কৰিবলৈ আৰু নিজে নিজে শিকিবলৈ পূর্ণ স্বাধীনতা দিয়া হয়। শিশুক এটা প্রাকৃতিক পৰিৱেশত বিকশিত হোৱাৰ পূর্ণ সুবিধা দিয়া উচিত। স্বামীজীৰ মতে, প্রতিটো শিশুৱেই নিজেই নিজৰ শিক্ষক। শিশুৰ মনত জ্ঞান সুপ্ত হৈ থাকে। বাহ্যিক জগতৰ শিক্ষকৰ কাম হ'ল এই আন্তৰিক জ্ঞান বাহিৰ উলিয়াই আনিবলৈ শিশুটিক পথ প্রদর্শন আৰু অনুপ্রাণিত কৰা।

স্ত্রী শিক্ষা ঃ

স্বামী বিবেকানন্দই মহিলাসকলৰ শিক্ষাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে এটা জাতিৰ উন্নতি স্ত্রী শিক্ষাৰ ওপৰত নির্ভৰশীল। তেওঁ পুৰুষ আৰু মহিলাৰ সম-অধিকাৰৰ পোষকতা কৰিছিল। ভাৰতৰ নাৰীৰ দুর্দশাই স্বামীজীক ব্যথিত কৰিছিল। তেওঁ ভাৰতীয় নাৰীক প্রাচীন ভাৰতৰ মহিয়সী নাৰীসকলৰ পৰা অনুপ্রেৰণা আৰু শিক্ষা ল'বলৈ আহ্বান জনাইছিল। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মহিলাসকলৰ উন্নতিয়েহে পৰিয়ালবোৰৰ মর্যাদা বৃদ্ধি কৰিব পাৰে। সেয়েহে তেওঁ মহিলাৰ শিক্ষাৰ বাবে অধিক সংখ্যক বিদ্যালয় স্থাপনৰ পৰামর্শ দিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ স্বামী বিবেকানন্দৰ মতে শিক্ষা কি?

.....

.....

১৩.৭ আধুনিক শিক্ষালৈ স্বামী বিবেকানন্দৰ অৱদান

আধুনিক শিক্ষালৈ স্বামী বিবেকানন্দৰ অৱদানক আমি তলত দিয়া ধৰণে শিতানভুক্ত কৰিব পাৰোঁঃ

- স্বামী বিবেকানন্দই এক চৰিত্র গঠনকাৰী শিক্ষাত গুৰুত্ব আৰোপ কৰিছিল। এনে শিক্ষা বর্তমান সময়ত অতি গুৰুত্বপূর্ণ হৈ পৰিছে।
- স্বামী বিবেকানন্দই সাধাৰণ জনগণক শিক্ষিত কৰি তোলাত জোৰ দিছিল। ইয়াৰ জৰিয়তে জাতি-ধর্ম, বর্ণ-সম্প্রদায় আৰু গাৰ বৰণ নির্বিশেষে সকলোকে প্রাপ্তবয়স্ক শিক্ষা অথবা বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাৰে সামৰি লোৱাৰ কথা কোৱা হৈছিল।
- শিক্ষাত মানৱতাবাদৰ ভাৱনাটো পুনৰীক্ষণ কৰিবলৈ স্বামী বিবেকানন্দই প্রকাশ কৰা মত আধুনিক যুগৰ শৈক্ষিক পাঠ্যক্রমত প্রতিফলিত হয়।
- স্ত্রী শিক্ষাক জাতিৰ পুনর্নির্মাণৰ এটা প্রধান আহিলা বুলি স্বামী বিবেকানন্দই গণ্য কৰিছিল।
- স্বামীজীয়ে প্রতিষ্ঠা কৰা ৰামকৃষ্ণ মিছনে বর্তমানেও দেশৰ শিক্ষা আৰু আন বিভিন্ন ধৰণৰ সামাজিক কাম-কাজৰ দিশত সক্রিয় ৰৱঙণি আগবঢ়াই আছে।



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৬৩ চনত কলিকতাত স্বামী বিবেকানন্দৰ জন্ম হৈছিল। তেওঁৰ আচল নাম আছিল নৰেন্দ্ৰ নাথ দত্ত। তেওঁ কলিকতাৰ এটা হিন্দু পৰিয়ালৰ সন্তান আছিল। স্বামী বিবেকানন্দই পিতৃৰ পৰা ধৰ্মীয় চিন্তা আৰু বুদ্ধিমত্তা উত্তৰাধিকাৰীসূত্ৰে লাভ কৰিছিল। তেওঁৰ পিতৃ বিশ্বনাথ দত্ত আছিল কলিকতা উচ্চ ন্যায়ালয়ৰ উকীল। স্বামী বিবেকানন্দৰ মাতৃ ভূৱনেশ্বৰী দেৱী আছিল এগৰাকী ধৰ্মপৰায়ণা মহিলা।
- স্বামী বিবেকানন্দ আছিল জাতীয় শিক্ষা ব্যৱস্থা এটি গঢ়ি তোলাৰ সপক্ষে মাত মতা এগৰাকী প্ৰধান পৃষ্ঠপোষক। তেওঁ জনগণৰ শিক্ষাৰ সমৰ্থক আছিল। তেওঁ মহিলাসকলক শিক্ষিত কৰি তুলি সমাজত মহিলাৰ স্থিতি উন্নত কৰিব খুজিছিল। স্বামীজী মুখস্থ বিদ্যাৰ পৰিপন্থী আছিল। তেওঁ আধ্যাত্মিকতাবাদ, ব্যক্তিত্বৰ সৰ্বোৎকৃষ্টতা, সৰগীয়তা, আত্ম-নিৰ্ভৰশীলতা, বিশ্বজনীন ভ্ৰাতৃত্ববোধ আৰু শিক্ষাৰ জৰিয়তে ঈশ্বৰ বিশ্বাসৰ প্ৰসাৰ কৰিব বিচাৰিছিল।
- স্বামীজীয়ে বিশ্বাস কৰিছিল যে ঈশ্বৰত্ব হ'ল সত্য (সৎ), বিশুদ্ধ চেতনা (চিত) আৰু পৰম সুখ (আনন্দ)। অৰ্থাৎ, স্বামীজীৰ মতে ব্যক্তিৰ স্ব-সত্ত্বাৰ ভিতৰতে ঈশ্বৰত্ব বিৰাজমান।
- স্বামীজীৰ মতে জীৱনৰ লক্ষ্য হ'ল স্বাধীনতা। স্বাধীনতাই হ'ল বিশ্ব- চৰাচৰৰ অভিপ্ৰায়। তেওঁৰ মতে মানুহে কৰ্ম, উপাসনা আৰু জ্ঞানৰ জৰিয়তে স্বাধীন হ'ব পাৰে।
- স্বাধীনতা আৰু মোক্ষ প্ৰাপ্তিৰ বাবে স্বামী বিবেকানন্দই সহজ-সৰলভাৱে এটা চাৰি তৰপীয়া পথৰ ধাৰণা আগবঢ়াইছিল। এই তৰপকেইটা হ'ল -কৰ্ম, উপাসনা, ধ্যান আৰু জ্ঞান।
- আধ্যাত্মিকতাবাদ প্ৰগাঢ় কৰাৰ কাৰণে স্বামীজীয়ে চাৰি প্ৰকাৰৰ যোগৰ ভিতৰত যিকোনো এক প্ৰকাৰৰ যোগ গ্ৰহণ কৰাৰ কথা কৈছে। যোগ কেইবিধ হ'ল- কৰ্মযোগ, ভক্তি যোগ, ৰাজ যোগ আৰু জ্ঞান যোগ । কিন্তু তেওঁ লগতে এই কথাও জোৰ দি কৈছিল যে সাধাৰণ লোকক আধ্যাত্মিক অনুশীলনত সহায় কৰিবলৈ দীক্ষাগুৰু অথবা গুৰুৰ প্ৰয়োজন।
- স্বামী বিবেকানন্দই বিশ্বাস কৰিছিল যে মানৱতাৰ সেৱাই হ'ল মানুহৰ জীৱনৰ প্ৰধান উদ্দেশ্য। তেওঁ কৈছিল যে নিৰ্ভীক হ'লেহে মানুহে মানৱতাৰ সেৱা কৰিব পাৰে। নিৰ্ভীক মানুহেহে জীৱনৰ সংঘৰ্ষবোৰৰ মুখামুখি হ'বলৈ নিজকে প্ৰস্তুত কৰি মানৱতাৰ সেৱাত নামিব পাৰে। স্বামীজীয়ে স্বাৰ্থপৰ অভিপ্ৰায় আৰু ঈৰ্ষা পৰিত্যাগ কৰি সহিষ্ণুতাৰ গুণ আহৰণ কৰাৰ ওপৰতো জোৰ দিছিল।

- স্বামীজীয়ে কৈছিল যে শিক্ষা হ'ল এনে এক প্রক্রিয়া যিয়ে মানুহক অস্তিত্ব ৰক্ষাৰ সংগ্রামৰ বাবে প্রস্তুত কৰি তোলে। এই প্রস্তুতিয়ে মানুহক আত্ম-নির্ভৰশীল কৰি তোলাৰ লগতে চৰিত্র আৰু বুদ্ধিমত্তা গঢ়ি তোলে। শিক্ষা দৰাচলতে এক জীৱনজোৰা প্রক্রিয়া।
- স্বামী বিবেকানন্দৰ মতে শিক্ষাৰ লক্ষ্য হ'ল- মানুহৰ উৎকর্ষ সাধন কৰা, শিশুৰ শাৰীৰিক-মানসিক-নৈতিক- আধ্যাত্মিক বিকাশ ঘটোৱা, চৰিত্র গঠন কৰা, আত্ম-নির্ভৰশীলতাৰ শিক্ষা দিয়া, বিশ্বজনীন ভ্রাতৃত্ববোধৰ শিক্ষা দিয়া আৰু ধর্মীয় শিক্ষাৰ পোষকতা কৰা।
- দুটা দিশৰ প্রতি বিশেষ লক্ষ্য ৰাখি শৈক্ষিক পাঠ্যক্রমবোৰ যুগুত কৰা উচিত বুলি স্বামী বিবেকানন্দই মত প্রকাশ কৰিছিল। দিশ দুটা হ'ল বৈষয়িক (পার্থিৱ) তথা আধ্যাত্মিক। পার্থিৱ উন্নতিৰ বাবে স্বামীজীয়ে ভাষা, ভূগোল, বিজ্ঞান, ৰাজনীতি বিজ্ঞান, অর্থনীতি, মনোবিজ্ঞান, কলা, কৃষি ,ঔদ্যোগিক তথা কাৰিকৰী বিষয় আদি অধ্যয়ন কৰাত গুৰুত্ব দিছিল। লগতে তেওঁ শাৰীৰিক শিক্ষাকো পাঠ্যক্রমৰ অন্তর্ভুক্ত কৰাৰ কথা কৈছিল। আধ্যাত্মিক বিকাশৰ বাবে স্বামীজীয়ে মানুহক ধর্ম, দর্শন, পুৰাণ আৰু উপনিষদৰ অধ্যয়নৰ লগতে সাধু-সন্তৰ সংগত সময় অতিবাহিত কৰাৰ পৰামর্শ দিছিল।
- স্বামী বিবেকানন্দই শিক্ষার্থীৰ আন্তৰিক জ্ঞানত বিশ্বাস কৰিছিল। তেওঁ শিক্ষাৰ দুটা পদ্ধতি আগবঢ়াইছিলঃ নিজে কৰা অধ্যয়ন আৰু আলোচনা।
- স্বামীজীয়ে সদায় এই কথাত গুৰুত্ব দিছিল যে শিক্ষকে শিক্ষার্থীৰ বাবে এগৰাকী বন্ধু, দার্শনিক আৰু পথ প্রদর্শকৰ ভূমিকা পালন কৰা উচিত।
- স্বামীজীয়ে শিশুকেন্দ্রিক শিক্ষাত জোৰ দিছিল। এনে শিক্ষাত শিশুক বিভিন্ন কার্য-কলাপ কৰিবলৈ আৰু নিজে নিজে শিকিবলৈ পূর্ণ স্বাধীনতা দিয়া হয়।
- স্বামী বিবেকানন্দই স্ত্রী শিক্ষাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে এটা জাতিৰ উন্নতি স্ত্রী শিক্ষাৰ ওপৰত নির্ভৰশীল। তেওঁ পুৰুষ আৰু মহিলাৰ সম-অধিকাৰৰ পোষকতা কৰিছিল।



১৩.৯ অধিক জানিবলৈ

1) Aggarwal,J.C (2006): *Theory and Principles of Education*, Vikas Publishing House, New Delhi.

2) Bhatia, K.K (2004): *Foundation of Education*, Kalyani Publishers, Ludhiana.

3) Kumar. Dr. Pradeep. T (2011): *Great Philosophers of Education*, APH Publishing Corporation, New Delhi

4) Safaya,R. and Shaida, B.D.(2003):*Modern Theory and Principles of Education*, Dhanpat Co. New Delhi.



১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ নৰেন্দ্র নাথ দত্ত।

২ নং প্রশ্নৰ উত্তৰঃ (ক) কলিকতা,১৮৬৩।

(খ) ১৯০২

(গ) জাতীয় শিক্ষা ব্যৱস্থা

৩ নং প্রশ্নৰ উত্তৰঃ 'অস্তিত্ব-জ্ঞান-স্বর্গসুখ' (Existence- Knowledge-Bliss)

৪ নং প্রশ্নৰ উত্তৰঃ ক্ষমতা (Might) আৰু দয়া (Mercy)

৫ নং প্রশ্নৰ উত্তৰঃ স্বামীজীৰ মতে জীৱনৰ লক্ষ্য হ'ল স্বাধীনতা। স্বাধীনতাই হ'ল বিশ্ব চৰাচৰৰ অভিপ্রায়। তেওঁৰ মতে মানুহে কর্ম, উপাসনা আৰু জ্ঞানৰ জৰিয়তে স্বাধীন হ'ব পাৰে।

৬ নং প্রশ্নৰ উত্তৰঃস্বামী বিবেকানন্দই উল্লেখ কৰা চাৰি তৰপীয়া পথটো হ'ল কর্ম, উপাসনা, ধ্যান আৰু জ্ঞান।

৭ নং প্রশ্নৰ উত্তৰঃ স্বামী বিবেকানন্দৰ মতে শিক্ষা হ'ল "মানৱৰ গাত অন্তর্নিহিত ঐশ্বৰিক উৎকর্ষৰ প্রকাশ।" কোনো জ্ঞানেই বাহিৰৰ পৰা মানুহৰ মনলৈ সোমাব নোৱাৰে বুলি স্বামীজীয়ে মত পোষণ কৰিছিল। তেওঁৰ মতে সকলো জ্ঞানেই আগৰে পৰা মানুহৰ মনত বিৰাজ কৰি আছে। মানুহে কেৱল সেই জ্ঞান চিনাক্ত কৰি উলিয়াব লাগে। স্বামী বিবেকানন্দৰ নিজৰ ভাষাত "মানুহৰ ভিতৰত উৎকর্ষ সদায়েই আছে আৰু শিক্ষা কেৱল সেই উৎকর্ষৰ বহিঃপ্রকাশ।" তেওঁৰ মতে মানুহে জ্ঞানৰ প্রকাশ আৰু আৱিস্কাৰ নিজৰ মাজতেই কৰে যি নেকি তেওঁৰ মাজতেই অবিনশ্বৰ নিহিত হৈ থাকে



১৩.১১ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ স্বামী বিবেকানন্দই কোৱা শিক্ষাৰ গুৰুত্বপূর্ণ লক্ষ্যসমূহ উল্লেখ কৰক।

প্রশ্ন ২ঃ স্বামী বিবেকানন্দৰ জীৱনৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ প্ৰকৃত ধৰ্ম সম্পৰ্কে স্বামী বিবেকানন্দৰ দৃষ্টিভংগী কেনেধৰণৰ আছিল?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ স্বামী বিবেকানন্দৰ দাৰ্শনিক চিন্তাবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ স্বামী বিবেকানন্দৰ শৈক্ষিক আদৰ্শ বৰ্ণনা কৰক।

****

অধ্যায় ১৪ ঃ মাৰিয়া মণ্টেচ্চ'ৰীৰ শৈক্ষিক চিন্তা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ মাৰিয়া মণ্টেচ্চ'ৰী (১৮৭০-১৯৫২)- জীৱনচিত্ৰ
১৪.৪ মণ্টেচ্চ'ৰীৰ দৰ্শনত অন্তৰ্নিহিত শিক্ষাৰ ধাৰণা আৰু লক্ষ্য
১৪.৫ মণ্টেচ্চ'ৰীৰ দৰ্শনত অন্তৰ্নিহিত শৈক্ষিক নীতি
১৪.৬ মণ্টেচ্চ'ৰী পদ্ধতিৰ কাৰ্য-পৰিকল্পনা
১৪.৭ শিক্ষকৰ ভূমিকা
১৪.৮ মণ্টেচ্চ'ৰী পদ্ধতিৰ গুণ
১৪.৯ মণ্টেচ্চ'ৰী পদ্ধতিৰ সীমাবদ্ধতা
১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১১ অধিক জানিবলৈ
১৪.১২ অগ্ৰগতিৰ খতিয়ান
১৪.১৩ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মেডাম মাৰিয়া মণ্টেচ্চ'ৰীৰ জীৱন আৰু শিক্ষাৰ ধাৰণাটোৰ সৈতে পৰিচিত হ'ব পাৰিব
- শিক্ষাৰ মণ্টেচ্চ'ৰী পদ্ধতিৰ অন্তৰ্নিহিত শৈক্ষিক নীতিবোৰ বুজি পাব
- মণ্টেচ্চ'ৰী ব্যৱস্থাৰ কাৰ্য-পৰিকল্পনাৰ সৈতে পৰিচিত হ'ব পাৰিব
- শিক্ষকৰ ভূমিকা আৰু মণ্টেচ্চ'ৰী পদ্ধতিৰ গুণ তথা অসুবিধাবোৰ ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

যিকোনো চিন্তাবিদৰে শৈক্ষিক দৃষ্টিভংগীবোৰ শূন্যতে সৃষ্টি নহয়। চিন্তাবিদগৰাকীৰ অভিজ্ঞতাৰ ভিত্তিত আৰু বাস্তৱ অৱস্থাত তেনে দৃষ্টিভংগী একোটাৰ জন্ম হ'ব পাৰে। বহুতো শৈক্ষিক চিন্তাবিদৰ নিৰন্তৰ প্ৰয়াসৰ ফলত শিশুক শিক্ষাৰ কেন্দ্ৰবিন্দু কৰি তোলা শিশু-কেন্দ্ৰিক শিক্ষাৰ ধাৰণাটোৰ সৃষ্টি হৈছিল। মেডাম মাৰিয়া মণ্টেচ্চ'ৰী আছিল এই শিক্ষাবিদসকলৰ মাজৰে এগৰাকী। তেওঁ 'মণ্টেচ্চ'ৰী পদ্ধতি'ৰ জন্মদাত্ৰী। এই পদ্ধতিটোৱে শিশু শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন যুগৰ সূচনা কৰিছিল। নাৰ্চাৰী পৰ্যায়ৰ কণ কণ ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ ক্ষেত্ৰত এই পদ্ধতিয়ে বিশেষ অৰিহণা আগবঢ়াই আহিছে। এই অধ্যায়টিত শিক্ষাৰ মণ্টেচ্চ'ৰী পদ্ধতিৰ বিভিন্ন

দিশ আলোচনা কৰা হ'ব। মণ্টেচ্চ'ৰী পদ্ধতিমতে শিক্ষাৰ ধাৰণা আৰু লক্ষ্য, পদ্ধতিটোত অন্তর্নিহিত নীতি, কার্য-পৰিকল্পনা, শিক্ষকৰ ভূমিকা আৰু পদ্ধতিটোৰ সুফল তথা সীমাবদ্ধতাৰ আলোচনাক অধ্যায়টিত ঠাই দিয়া হৈছে।

১৪.৩ মাৰিয়া মণ্টেচ্চ'ৰী (১৮৭০-১৯৫২) জীৱন চিত্ৰ

১৮৭০ চনত ইটালীত মেডাম মাৰিয়া মণ্টেচ্চ'ৰীৰ জন্ম হৈছিল। বৃত্তিত তেওঁ এগৰাকী চিকিৎসক আছিল। তেওঁ আছিল ডক্তৰ অৰ মেডিচিন ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী ইটালিয়ান (মহিলা)। ১৯০০ চনৰ পৰা ১৯০৭ চনলৈ সাত বছৰ কাল মণ্টেচ্চ'ৰীয়ে ৰোম বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগত অধ্যাপিকাৰ কাম কৰিছিল। তাতেই তেওঁ মানসিক জড়তাগ্ৰস্ত শিশুৰ সান্নিধ্যলৈ আহিছিল। মানসিক জড়তা গ্ৰস্ততাৰ বিষয়টোৱে মণ্টেচ্চ'ৰীক আগ্ৰহী কৰি তুলিছিল আৰু এনেকৈয়ে তেওঁ শিক্ষা জগতত ভৰি দিছিল। কালক্ৰমত মণ্টেচ্চ'ৰীয়ে বিশ্বৰ এগৰাকী আগশাৰীৰ শিক্ষাবিদৰূপে খ্যাতি লাভ কৰিছিল। মণ্টেচ্চ'ৰীয়ে মানসিক জড়তাগ্ৰস্ত শিশুবোৰক গভীৰভাৱে অধ্যয়ন কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে ই ন্দ্ৰিয়বোৰৰ মন্থৰতাৰ (dullness) পৰাই মানসিক জড়তাৰ সৃষ্টি হয়। যদি মানসিক জড়তাগ্ৰস্ত শিশুবোৰৰ ইন্দ্ৰিয়ক উপযুক্ত প্ৰশিক্ষণ দিব পৰা যায়, তেন্তে এই শিশুবোৰেও কিছু জ্ঞান আহৰণ কৰিব পাৰে। ইন্দ্ৰিয় প্ৰশিক্ষণৰ একে পদ্ধতিকেই যদি স্বাভাৱিক শিশুৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেন্তে সিহঁতে আৰু অধিক উন্নত ফলাফল প্ৰদৰ্শন কৰিব। এগৰাকী প্ৰকৃত বিজ্ঞানীৰ দৰে মণ্টেচ্চ'ৰীয়ে শিশু বিকাশৰ কাৰণবোৰ নিৰীক্ষণ কৰি নিজৰ শিক্ষা পদ্ধতিটোৰ বিকাশ ঘটাইছিল। এই পদ্ধতিটোকেই মণ্টেচ্চ'ৰী পদ্ধতি (the Montessori Method) বুলি কোৱা হয়। ১৯০৭ চনত ইটালীত তেওঁ প্ৰথমখন বিদ্যালয় স্থাপন কৰিছিল। বিদ্যালয়খনৰ নাম আছিল 'চিল্ডৰেনচ্ হাউছ' (Children's House)। ১৯৩৯ চনতমাৰিয়া মণ্টেচ্চ'ৰী ভাৰতলৈ আহিছিল। ১৯৪৬ চনলৈকে তেওঁ ভাৰতত আছিল। ভাৰতত থকা সময়খিনিত তেওঁ নিজৰ শিক্ষা পদ্ধতিটোৰ প্ৰচাৰৰ কামত আত্মনিয়োগ কৰাৰ লগতে মাদ্ৰাজত (বৰ্তমানৰ চেন্নাই) শিক্ষকক প্ৰশিক্ষণ দিয়াৰ কামত ব্যস্ত আছিল। ১৯৫১ চনত তেওঁ হলেণ্ডলৈ গৈছিল। ১৯৫২ চনত মাৰিয়া মণ্টেচ্চ'ৰীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল।

১৪.৪ মণ্টেচ্চ'ৰীৰ দর্শনত অন্তর্নিহিত শিক্ষাৰ ধাৰণা আৰু লক্ষ্য

শিক্ষাৰ মণ্টেচ্চ'ৰী পদ্ধতিৰ প্ৰধান লক্ষ্য হ'ল শিশুৰ ব্যক্তিত্বৰ আভ্যন্তৰীণ গুণবোৰ বিকশিত কৰা। মণ্টেচ্চ'ৰীৰ মতে "শিশুৰ জীৱনৰ স্বাভাৱিক সম্প্ৰসাৰণৰ বাবে আগবঢ়োৱা সক্ৰিয় সহায়েই হ'ল শিক্ষা।" তেওঁ অধ্যয়ন কৰি পাইছিল যে প্ৰতিটো শিশুৱেই শাৰীৰিক আৰু মানসিকভাৱে পৰস্পৰৰ পৰা পৃথক। সেয়েহে সামূহিক শিক্ষাৰে শিশুৰ ব্যক্তিত্ব দমাই ৰখা অনুচিত।

মণ্টেচ্চ'ৰীৰ সকলোবোৰ পৰীক্ষা-নিৰীক্ষাৰ উদ্দেশ্য আছিল শিশুৰ ব্যক্তিত্বত লুকাই থকা গুণবোৰ বিকশিত কৰা। শৈক্ষিক অনুশীলনবোৰ সেইটো দিশেৰে আগবঢ়াই নিলেহে শিশুৰ ব্যক্তিত্ব মুক্ত হ'ব, শিশুৰ বৃদ্ধি হ'ব আৰু আভ্যন্তৰীণ সম্ভাৱনীয়তাবোৰৰ বিকাশ ঘটিব। সেয়েহে মণ্টেচ্চ'ৰীৰ মতে প্ৰতিটো শিশুকে ব্যক্তিগত মনোযোগ দিয়া, সিহঁতক নিজস্ব গতিত উন্নতি কৰিবলৈ দিয়া উচিত। তেওঁ এই বুলিও মত পোষণ কৰিছিল যে শিক্ষাই প্ৰতিটো শিশুকেই নিজৰ তাৎক্ষণিক পৰিৱেশৰ সৈতে খাপ খাব পৰাকৈ সমৰ্থ কৰি তুলিব তথা সিহঁতৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশত সহায় কৰিব লাগে।

১৪.৫ মণ্টেচ্চ'ৰীৰ দৰ্শনত অন্তৰ্নিহিত শৈক্ষিক নীতি

মণ্টেচ্চ'ৰীয়ে আগবঢ়োৱা শৈক্ষিক নীতিবোৰে শিক্ষাৰ পৰস্পৰাগত ধাৰণাবোৰৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছিল। মণ্টেচ্চ'ৰী পদ্ধতিৰ গুৰুত্বপূৰ্ণ শৈক্ষিক নীতিবোৰ হ'ল-

- ব্যক্তিত্বৰ নীতি (The Principle of Individuality) ঃ মণ্টেচ্চ'ৰীৰ ব্যক্তিত্বৰ নীতি নিৰ্ভৰযোগ্য মনোবৈজ্ঞানিক ভেটিৰ আধাৰত বিকশিত হৈছি। ওপৰত ইতিমধ্যে কোৱা হৈছে যে প্ৰতিটো শিশুৱেই পৰস্পৰৰ পৰা শাৰীৰিক আৰু মানসিকভাৱে পৃথক। সিহঁতৰ নিজ নিজ বিশেষ আগ্ৰহ, শিক্ষা গ্ৰহণৰ ক্ষমতা (aptitude), সামৰ্থ আৰু স্বাভাৱিক গুণ থাকে। ইয়াৰে প্ৰতিটো দিশেই নিজস্ব ধৰণে, নিজস্ব হাৰত আৰু নিজস্ব গতিত বিকশিত হয়। মণ্টেচ্চ'ৰীয়ে কৈছে ঃ "শিশু হ'ল এটা শৰীৰ যিটোৰ বৃদ্ধি হয় আৰু এটা আত্মা যিটোৰ বিকাশ হয়। শিক্ষামূলক কাৰ্য-কলাপবোৰ সেয়েহে এনেদৰে পৰিকল্পনা কৰি ল'ব লাগে যাতে শিশু এটিৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশ ঘটে।" মণ্টেচ্চ'ৰীয়ে এটা শিশু অনুকূল পৰিৱেশ গঢ়ি তোলাৰ কথা কৈছিল যাতে সেই পৰিৱেশত শিশুয়ে নিজৰ সম্ভাৱনীয়তাবোৰৰ সম্ভাব্য সকলো ধৰণে পূৰ্ণৰূপত বৃদ্ধি তথা বিকাশ ঘটাব পাৰে।

- স্বাধীনতাৰ নীতি (The Principle of Freedom or Liberty) ঃ 'বিকাশ হিচাপে শিক্ষা'ৰ ধাৰণাটোৰ ফলাফলৰূপে স্বাধীনতাৰ নীতিটো গঢ় লৈ উঠিছিল। মণ্টেচ্চ'ৰীয়ে বিশ্বাস কৰিছিল যে এটি শিশুৰ বৃদ্ধি আৰু বিকাশত কোনো বাহ্যিক হস্তক্ষেপ থকা উচিত নহয়। কোনো পৰীক্ষাৰ মুখামুখি নোহোৱাকৈ অথবা কোনো অন্তৰায় নথকাকৈ শিশু এটিক নিজে নিজে বিকশিত হ'বলৈ সৰ্বাধিক স্বাধীনতা প্ৰদান কৰিব লাগে। মণ্টেচ্চ'ৰীৰ মতে স্বাধীনতা (freedom or liberty) হ'ল এটি শিশুৰ ব্যক্তিত্বৰ বিকাশৰ বাবে সবাতোকৈ উপযুক্ত মাধ্যম। মণ্টেচ্চ'ৰীয়ে কৈছে ঃ "ল'ৰা এটা অথবা ছোৱালী এজনীক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ হ'লে বিদ্যালয়ে সিহঁতক মুকলিমূৰীয়াভাৱে ব্যক্তিত্বৰ স্বাভাৱিক প্ৰদৰ্শন কৰাৰ সুযোগ দিব লাগিব।"

- ইন্দ্রিয় প্রশিক্ষণৰ নীতি (Principle of Sense Training) ঃ শিক্ষাৰ মণ্টেচ্চ'ৰী পদ্ধতিৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ইন্দ্রিয় প্রশিক্ষণ। মণ্টেচ্চ'ৰীয়ে দৃঢ়তাৰে কৈছিল যে আমাৰ ইন্দ্রিয়বোৰ হ'ল জ্ঞানৰ দুৱাৰ। সেয়েহে ইন্দ্রিয়বোৰৰ প্রশিক্ষণ আৰু বিকাশৰ ওপৰতে ব্যক্তিয়ে সমগ্র জীৱন জুৰি জ্ঞান আহৰণ কৰাৰ প্রক্রিয়াটো নির্ভৰশীল। মণ্টেচ্চ'ৰীৰ মতে তিনিৰ পৰা সাত বছৰৰ ভিতৰত শিশুৰ ইন্দ্রিয়বোৰ অতি সক্রিয় হৈ থাকে। সেয়েহে এই সময়ছোৱাত শিশুই বহুত কথা শিকে। মণ্টেচ্চ'ৰীয়ে ইন্দ্রিয়ক প্রশিক্ষণ দিবলৈ নানা ধৰণৰ আহিলাৰ বিকাশ ঘটাইছিল। এই আহিলাবোৰে শিশুক বিভিন্ন উদ্দীপকৰ মাজত থকা পার্থক্য বুজাত সহায় কৰে। এই জ্ঞান হৈছে বৌদ্ধিক বিকাশৰ প্রধান চর্ত।

- স্ব-শিক্ষা অথবা স্বয়ংক্রিয় শিক্ষাৰ নীতি (The Principle of Self-Education or Aute Education) ঃ মণ্টেচ্চ'ৰীৰ মতে স্ব অথবা স্বয়ংক্রিয় শিক্ষা হ'ল শিক্ষাৰ সর্বোত্তম পদ্ধতি। এই পদ্ধতিৰে শিশুৱে কোনো বাহিৰা হস্তক্ষেপ নথকাকৈ নিজে নিজে শিকিব পাৰে। শিক্ষকৰ অহৰহ হস্তক্ষেপে শিশুৰ নিজে নিজে শিকা-কৰাৰ আগ্রহ নাইকিয়া কৰে। সেয়েহে মণ্টেচ্চ'ৰীয়ে শিক্ষণৰ (Teaching) পৰা শিকন (learning) লৈ শিক্ষা প্রক্রিয়াটো সলনি হোৱাৰ ওপৰত জোৰ দিছিল। তেওঁ শিশুক আকর্ষণ কৰা, স্বতঃস্ফূর্তভাৱে ব্যস্ত ৰখা, পঠন-লিখন আৰু গণিত বিদ্যা আয়ত্ব কৰাত সহায় কৰা নানা শিক্ষামূলক আহিলা উদ্ভাৱন কৰিছিল। স্বয়ংক্রিয় শিক্ষাৰ নীতিয়ে শিশুৰ ব্যক্তিত্ব বিকাশক প্রাধান্য দিয়ে।

- অংগ সঞ্চালন দক্ষতাৰ নীতি (The Principle of Motor Efficiency) ঃ অংগ সঞ্চালন দক্ষতা হ'ল ইন্দ্রিয় প্রশিক্ষণৰ পৰিপূৰক। অংগ সঞ্চালন দক্ষতা হ'ল উপযুক্ত মাংসপেশী প্রশিক্ষণৰ ফল। মণ্টেচ্চ'ৰীয়ে বিশ্বাস কৰিছিল যে মাংসপেশী নিয়ন্ত্রণৰ প্রশিক্ষণে শিশুক লিখা, ছবি আঁকা, কথা কোৱা ইত্যাদি কাম-কাজত দক্ষতা আহৰণত সহায় কৰে। তেওঁ মাংসপেশীৰ কার্য-কলাপক সম্পূর্ণ দৈহিক প্রকৃতিৰ বুলি গণ্য কৰিছিল। মণ্টেচ্চ'ৰীয়ে দৃঢ়তাৰে কৈছিল যে দৌৰা, খোজকঢ়া আদি সকলোবোৰ কার্য মাংসপেশীৰ প্রশিক্ষণৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১। খালী ঠাই পূৰণ কৰকঃ

(ক) ..... চনত ইটালীত মাৰিয়া মণ্টেচ্চ'ৰীৰ জন্ম হৈছিল।

(খ) মণ্টেচ্চ'ৰীয়ে..... জড়তাগ্রস্ত শিশুৰ প্রতি জন্ম হোৱা আগ্রহৰ বাবে শিক্ষাজগততে প্রৱেশ কৰিছিল।

(গ) মণ্টেচ্চ'ৰীৰ বিদ্যালয়খনৰ নাম আছিল..... হ'উছ।

প্রশ্ন নং ২। ব্যক্তিগত বৈশিষ্ট্যৰ নীতি বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৩। স্বয়ংক্রিয় শিক্ষাৰ ধাৰণাটো ব্যাখ্যা কৰক।

.....

.....

১৪.৬ মণ্টেচ্চ'ৰী পদ্ধতিৰ কার্য-পৰিকল্পনা

আগতেই উল্লেখ কৰা হৈছে যে মণ্টেচ্চ'ৰীয়ে তেওঁৰ বিদ্যালয়খনক 'চিল্ড্ৰেনচ্ হাউছ' নাম দিছিল। এনে বিদ্যালয়ত শিশুক এটি ঘৰুৱা পৰিৱেশত নানা ধৰণৰ কথা শিকোৱা হয়। বিদ্যালয়ত পৃথক অধ্যয়ন গৃহ, দুপৰীয়া আহাৰ গ্রহণ ঘৰ, হাতেৰে খেলা বিভিন্ন কামৰ খেল তথা মনোৰঞ্জনৰ কোঠা, শৰীৰ চর্চা কৰা এটা জিমনেচিয়াম, এটা শৌচাগাৰ ইত্যাদি থাকে। শিশুৰ প্রয়োজন অনুসৰি প্রতিটো কোঠাতে উপযুক্ত সাজ-সৰঞ্জাম থাকে। চকী-মেজ আদি শিশুৰ বাবে বিশেষকৈ সজা হয়। চকী-মেজৰ মাজেৰে সহজে ইঠাইৰ পৰা আন ঠাইলৈ অহা-যোৱা কৰিব পাৰি। ল'ৰা-ছোৱালীয়ে নিজেই এই আচবাব- পত্রবোৰৰ যত্ন লয়। সিহঁতে চকী-মেজ পৰিস্কাৰ কৰে, ধূলি মচে আৰু পুনৰ পৰিপাটীকৈ সজাই থয়। মণ্টেচ্চ'ৰী বিদ্যালয়বোৰৰ কোনো ধৰা-বন্ধা সময় সাৰণী নাথাকে। এই বিদ্যালয়ত কোনো পুৰস্কাৰ আৰু শাস্তিৰ ব্যৱস্থা নাথাকে। বিদ্যালয়ৰ বেৰত ফলিবোৰ স্থিৰকৈ লগোৱা থাকে। তাত ল'ৰা ছোৱালীয়ে নিজ আগ্রহ মতে ছবি আঁকিব নাইবা আঠা লগাব পাৰে। বিদ্যালয়লৈ অহা ল'ৰা-ছোৱালীক ফুল, পুতলা ছবি আদি দিয়া হয়। এনে বিদ্যালয়ত একোখন সৰু সৰু বাগিছা থাকে। ল'ৰা-ছোৱালীবোৰে নিজেই এই বাগিছাখনৰ যত্ন লয়।

শিশু এটাৰ জীৱনৰ সৈতে জড়িত সকলো ধৰণৰ বিষয় আৰু দিশকে মণ্টেচ্চ'ৰী পদ্ধতিৰ শিক্ষা পৰিকল্পনাত সামৰি লোৱা হয়। 'চিল্ড্ৰেনচ্ হাউছ' বোৰৰ ওপৰত উল্লেখ কৰা পৰিৱেশৰ লগতে শিক্ষা পদ্ধতি পৰিকল্পনাই তিনিবিধ প্রধান কার্য-কলাপ সামৰি লয়। কার্য-কলাপ তিনিটা হ'ল-

- ব্যৱহাৰিক জীৱনৰ বাবে অনুশীলন
- ইন্দ্রিয় প্রশিক্ষণৰ বাবে অনুশীলন
- ভাষা আৰু গণিত শিকোৱাৰ শিক্ষামূলক অনুশীলন

- ব্যৱহাৰিক জীৱনৰ বাবে অনুশীলন

মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিৰ প্রথম কার্য-পৰিকল্পনা হ'ল ব্যৱহাৰিক জীৱনৰ বাবে অনুশীলন। এই কার্য-কলাপৰ যোগেদি শিশুক নিজৰ যত্ন ল'বলৈ শিকোৱা হয়. সিহঁতক ব্যক্তিগত পৰিচ্ছন্নতাৰ প্রশিক্ষণ দিয়া হয়। ল'ৰা-ছোৱালীবোৰে হাত ধুবলৈ , দাঁত ঘঁহিবলৈ, নখ পৰিস্কাৰ কৰিবলৈ, চুলি ফণিয়াবলৈ, জোতা পালিচ কৰিবলৈ, পিন্ধা কাপোৰ পৰিপাটীকৈ ৰাখিবলৈ, বুটাম আদি লগাবলৈ শিকে। সিহঁতক চৌপাশৰ পৰিৱেশৰ যত্ন ল'বলৈও শিকোৱা হয়।

ওপৰত উল্লেখ কৰা কামবোৰৰ বাহিৰেও ল'ৰা ছোৱালীক নিজৰ কোঠা মচিবলৈ, আচবাব পত্রৰ পৰা ধূলি মচিবলৈ আৰু কোঠাৰ আচবাব নিজ পচন্দমতে সজাই থ'বলৈ শিকোৱা হয়. ল'ৰা ছোৱালীয়ে নিজে কাপোৰ পিন্ধিব, খুলিব আৰু ধুব পৰা হয়। সিহঁতে নিজৰ কাপোৰ সুন্দৰকৈ আঁৰিব জনাও হয় বুলি ভবা হয়। ল'ৰা ছোৱালীবোৰে নিজৰ নিজৰ চাবোন আৰু টাৱেল ব্যৱহাৰ কৰিবলৈ শিকে ইত্যাদি। এই আটাইবোৰ কার্য-কলাপৰ প্রধান উদ্দেশ্য হ'ল ল'ৰা-ছোৱালীক আত্মনির্ভৰশীলতা আৰু স্বাধীনতাৰ প্রশিক্ষণ দি স্বাধীনচেতীয়া কৰি গঢ়ি তোলা।

এই ব্যৱহাৰিক জীৱনৰ প্রশিক্ষণবোৰে অংগ সঞ্চালন শিক্ষাত যথেষ্ট সহায় কৰে বুলি ভবা হয়। খোজকঢ়া, বহা, বস্তু ধৰা আদি কার্যৰ জৰিয়তে মাংসপেশী নিয়ন্ত্রণৰ শিক্ষা আৰু প্রশিক্ষণ দিয়া হয়। ল'ৰা ছোৱালীক ছন্দোবদ্ধ অনুশীলন কৰোৱা হয়। সিহঁতক পোন ৰেখাত খোজ কাঢ়িবলৈ সমতা ৰক্ষা কৰিবলৈ শিকোৱা হয়। মণ্টেচ্চ'ৰীয়ে কেইটামান আনুষ্ঠানিক জিমনাষ্টিক অনুশীলনো যুগুত কৰিছিল। এই অনুশীলন বোৰে শিশুৰ সমন্বয় সাধন কৰাৰ ক্ষমতা বিকশিত কৰে। বিশেষ শিক্ষা সঁজুলিৰ সহায়ৰ প্রয়োজন থকা শিশুৰ বাবে উপযুক্তকৈ এই জিমনাষ্টিক অনুশীলন কেইটাৰ আৰ্হি প্রস্তুত কৰা হৈছিল।

- ইন্দ্রিয় প্রশিক্ষণৰ বাবে অনুশীলন

আগতেই উল্লেখ কৰা হৈছে, মণ্টেচ্চ'ৰীয়ে এই কথা জোৰ দি কৈছিল যে ইন্দ্রিয়বোৰ হ'ল জ্ঞানৰ দুৱাৰ। তেওঁ শিকন (learning), চিন্তন (thinking) আৰু যুক্তিসংগত বিবেচনাতকৈ (reasoning) ইন্দ্রিয়বোৰক প্রশিক্ষণ দিয়াত অধিক গুৰুত্ব আৰোপ কৰিছিল। তাৰবাবে মণ্টেচ্চ'ৰীয়ে বিভিন্ন শিক্ষামূলক আহিলা-উপায় আৰু সঁজুলি বিকশাই তুলিছিল। ইন্দ্রিয় প্রশিক্ষণৰ বাবে বিভিন্ন সামগ্রী ব্যৱহাৰ কৰা হয়। এই আহিলা আৰু উপায়বোৰে ছাত্র ছাত্রীৰ বোধ/ইন্দ্রিয়গ্রাহ্যতা (Sense) চোকা কৰি তোলে আৰু শিকন প্রক্রিয়াটো তৰান্বিত কৰে। তলত ইন্দ্রিয় প্রশিক্ষণৰ পদ্ধতিটো ব্যাখ্যা কৰা হ'ল (Aggarwal, 2006,Pp 160-161)ঃ

উদ্দেশ্য (Purpose)	আহিলা (Apparatus)
১) আকাৰ (size) ৰ ধাৰণা দিবলৈ---------→	১) বিভিন্ন উচ্চতা আৰু ব্যাসৰ অথবা দুয়োটা একেলগে থকা কাঠৰ চিলিণ্ডাৰৰ সমষ্টি; বিভিন্ন আকাৰৰ ব্লক আৰু বিভিন্ন দৈর্ঘ্যৰ শলা
২) ৰঙৰ ধাৰণা দিবলৈ---------	→২) গুলপীয়া কিউব, মুগা বৰণৰ প্ৰিজম্, এডাল সেউজীয়া, এডাল ৰঙা আৰু এডাল নীলা শলা সাল সলনিকৈ থকা আহিলা, বিভিন্ন ৰঙৰ টেবলেট ইত্যাদি।
৩) আকৃতি (form) ৰ ধাৰণা দিবলৈ---------→	৩) ধাতু নাইবা কাঠৰ জ্যামিতিক সঁজুলি থকা বাকচ, আকৃতি সৃষ্টি কৰাৰ শৈক্ষিক পৰিকল্পনা থকা সৰু সৰু ড্ৰয়াৰ থকা বাকচ।
৪) 'ওজন' ৰ পার্থক্য বুজাবলৈ-----	→৪) একে আকাৰৰ কিন্তু বেলেগ বেলেগ ওজনৰ কাঠৰ মেজ
৫) 'স্পর্শ' ৰ পার্থক্য বুজাবলৈ-----	→৫) খহটা আৰু মসৃণ পৃষ্ঠৰ আয়তাকাৰ মেজ আদি।
৬) 'ধ্বনি' ৰ পার্থক্য বুজাবলৈ-----	→৬) বিভিন্ন সামগ্ৰী ভৰাই থোৱা শংকু আকৃতিৰ বেলেগ বাকচ। (Cylindrical boxes)

শিকনৰ বাবে প্ৰয়োগ কৰা পদ্ধতিটোৰ তিনিটা ভিন ভিন পর্যায় আছে-

- নামেৰে সৈতে ইন্দ্ৰিয়গ্ৰাহ্যতা ওপজাব খোজা ধাৰণাটোৰ সংযোগ স্থাপন। যেনে- "এইটো ৰঙা ৰং।"
- বস্তু চিনাক্তকৰণ। যেনে- "মোক ৰঙা ৰংটো দিয়া।"
- বস্তুৰ নাম পুনঃস্মৰণ। যেনে-"এইটো কি?" মণ্টেচ্চ'ৰীয়ে বিশ্বাস কৰিছিল যে শিশু এটিয়ে নিজৰ ধৰণে নিজৰ গতিত আহৰণ কৰা 'স্ব-শিক্ষা (Self-Education) ই হ'ল সর্বোত্তম শিক্ষা পদ্ধতি। শিক্ষামূলক আহিলাৰ জৰিয়তে চলা শিকন প্ৰক্ৰিয়াটোৱে শিশুৰ প্ৰতিটো ভুল নিয়ন্ত্ৰণ কৰে আৰু সিহঁতক নিজে নিজে ভুলবোৰ শুধৰাই লোৱাত সহায় কৰে। এই আহিলাবোৰে মস্তুৰ বুদ্ধিৰ আৰু জড়তাগ্ৰস্ত শিশুকো শিক্ষা গ্ৰহণত সহায় কৰে।

- <u>ভাষা আৰু গণিত শিকোৱাৰ শিক্ষামূলক অনুশীলন</u>

তৃতীয় প্ৰকাৰৰ অনুশীলনেৰে শিশুক লিখিবলৈ, পঢ়িবলৈ আৰু অংক কৰিবলৈ শিকোৱা হয়। এই অনুশীলনবোৰ তলত চমুকৈ আলোচনা কৰা হ'ল-

(ক) লিখা শিক্ষণ ঃ মণ্টেচ্চ'ৰী পদ্ধতিত পঢ়াৰ আগতে লিখিবলৈ শিকোৱা হয়। মণ্টেচ্চ'ৰীৰ মতে লিখা কামটো হ'ল এটা সম্পূৰ্ণ যান্ত্ৰিক কাৰ্য। ইয়াৰ বাবে কেৱল মাংসপেশীৰ দক্ষতাৰ প্ৰয়োজন। কিন্তু পঢ়া কামটো আংশিকভাৱে বৌদ্ধিক কাৰ্য। মণ্টেচ্চ'ৰীয়ে বিশ্বাস কৰিছিল যে যেতিয়া লিখা শিক্ষণ প্ৰক্ৰিয়াটো চলি থাকে, সেই সময়খিনিত শিক্ষকে লিখি থকা ল'ৰাটো অথবা ছোৱালীজনীকহে পৰীক্ষা কৰা উচিত, সি অথবা তাই কি লিখিছে সেয়া পৰীক্ষা নকৰিলেও হয়। লিখা কামটোৰ সৈতে তিনিটা কাৰক জড়িত-

(i) আখৰৰ ৰূপ চিনাক্তকৰণ ঃ বৰ্ণমালাৰ আখৰবোৰ চিৰিছ পেপাৰত কাটি কার্ডবোর্ডত আঠা লগাব। ছাত্ৰ-ছাত্ৰীক আখৰবোৰৰ ওপৰত আঙুলি বুলাবলৈ ক'ব। এনেকেয়ে লাহে লাহে সিহঁতে আখৰটোৰ আকৃতি অনুসৰি পেঞ্চিল ঘূৰাবলৈ শিকিব। একেটা অনুশীলনকে ল'ৰা-ছোৱালীক চকু মুদিও কৰিবলৈ দিয়া হয়।

(ii) উচ্চাৰণ ধ্বনি শিকন ঃ আখৰবোৰৰ ওপৰত আঙুলি বুলাই থকাৰ সময়ত শিশুক সংযোগ স্থাপন, চিনাক্তকৰণ আৰু পুনঃস্মৰণ পর্যায় তিনিটাৰ মাধ্যমেৰে উচ্চাৰণ ধ্বনিও শিকাই থকা হয়। এই কার্যই সিহঁতক পঢ়াৰ বাবে প্ৰস্তুত কৰি তোলে।

(iii) কলম-পেঞ্চিল সঞ্চালন ঃ ছাত্ৰ-ছাত্ৰীৰ কেইটামান বিশেষ অনুশীলনৰ সহায়ত কলম-পেঞ্চিল ধৰিবলৈ শিকোৱা হয়। সিহঁতক এখিলা কাগজত এটা ধাতৰ ফ্ৰেম পাৰি লৈ ফ্ৰেমটোৰ চাৰিওফালে ৰঙীন চক পেঞ্চিলেৰে এডাল ৰেখা আঁকিবলৈ কোৱা হয়। এতিয়া অংকিত ফ্ৰেমটোৰ ভিতৰত পুনৰ এটা ধাতৰ নক্সা (metal inset) পাৰি কার্যটোৰ পুনৰাবৃত্তি কৰা হয়। এই দৰে কাগজখিলাত দুটা আকৃতি আঁকা হয়। মাজৰ নক্সাটো পুনৰ আন ৰঙৰ চকেৰে পূৰোৱা হয়। চকডাল তল-ওপৰ কৰি থকা সময়ত ছাত্ৰ-ছাত্ৰীক নক্সাটোৰ সীমাৰ বাহিৰত ৰং নিদিবলৈ সোঁৱৰাই দি থকা হয়। এনেকেয়ে এটা সময়ত সিহঁতে কলম-পেঞ্চিল নিয়ন্ত্ৰণ কৰিবলৈ শিকে।

(খ) পঠন শিক্ষণ ঃ মণ্টেচ্চ'ৰীৰ মতে পঢ়া কার্যটো হ'ল "লিখিত সংকেতৰ পৰা লাভ কৰা ধাৰণাৰ এক ব্যাখ্যা। ই কেৱল ছপা আখৰ চিঞৰি মতা কার্য নহয়। যেতিয়ালৈকে শিশুৱে লিখিত শব্দৰ পৰা প্ৰেৰিত কোনো ধাৰণা বুজি নুঠে অথবা গ্ৰহণ কৰিব নোৱাৰে তেতিয়ালৈকে ই পঢ়িব নোৱাৰে।" পঠন সামগ্ৰী হিচাপে কাগজ অথবা কার্ডৰ টুকুৰা ব্যৱহাৰ কৰা হয়। তাত ডাঙৰ ডাঙৰ হাতৰ আখৰেৰে শব্দ অথবা বাক্যাংশ লিখা হয়। শিশুক লাহে লাহে সেয়া ধ্বনিলৈ সলনি কৰিবলৈ দিয়া হয়। তাৰপাচত সিহঁতক সেয়া খৰকৈ পঢ়িবলৈ কোৱা হয়। কিছুসময় অভ্যাস কৰাৰ পাছত শিশুৱে কোনো শব্দ শুদ্ধকৈ উচ্চাৰণ কৰিবলৈ শিকে। তাৰপাচত শিশুক কার্ডৰ সৈতে বস্তু মিলাবলৈ শিকোৱা হয়। ইয়াৰ বাবে কার্ডবোর্ডত নির্দেশনামূলক বাক্য লিখি কি কৰিব লাগিব সেয়া বুজোৱা হয়। শিশুৱে কার্ড এখন বাছনি কৰে, তাত কি লিখা আছে মনে মনে পঢ়ে আৰু নির্দেশনা অনুসৰি কামটো কৰাৰ চেষ্টা কৰে।

(গ) অংক অথবা গণনা শিক্ষণ ঃ মণ্টেচ্চ'ৰী পদ্ধতিৰ গণনা শিক্ষণ কৌশলটো অৱশ্যে মৌলিক নহয়। ই এক প্ৰাচীন শিক্ষণ পদ্ধতি। এই পদ্ধতি অনুসৰি গণনা শিকাবলৈ ৰং-বিৰঙৰ মণি, সংখ্যা বুজোৱা শলা, কাঠৰ মহুৰা, চিৰিছ কাগজত কাটি লোৱা সংখ্যা, সাধাৰণ বাকচ, ৰং সনা শামুকৰ খোলা ইত্যাদি ব্যৱহাৰ কৰা হয়। সংখ্যা শিকাবলৈ সাধাৰণতে ব্যৱহাৰ কৰা আহিলাবিধ হ'ল এডাল 'দীঘল চিৰি'। এই চিৰিডালত দহডাল শলা থাকে। শলাকেইডাল এক মিটাৰৰ পৰা দহ ডেচিমিটাৰ দীঘল। ইয়াত সলনা-সলনিকৈ অংশিকভাৱে ৰঙা আৰু নীলা ৰং সনা। ল'ৰা-ছোৱালীয়ে প্ৰথমে আকাৰ (Size) অনুসৰি শলাবোৰ সজাবলৈ শিকে। তাৰপাচত ৰঙা আৰু নীলা ভাগবোৰ গণনা কৰে। তাৰপাছত শলাবোৰক এক, দুই, তিনি আদি নাম দিয়ে। সংখ্যাৰ চিহ্নবোৰ চিৰিছ কাগজত কটা হয়। চিহ্নবোৰ শিকাওতে পূৰ্বৰ দৰে সংযোগ স্থাপন, চিনাক্তকৰণ আৰু পুনঃ স্মৰণ এই তিনিটা পৰ্যায় প্ৰয়োগ কৰা হয়। এনেকৈয়ে শলাবোৰ ইফালে-সিফালে সাল-সলনি কৰি শিশুৱে গণিতৰ আটাইকেইটা মৌলিক নীতি যোগ, বিয়োগ, পূৰণ আৰু হৰণ শিকে।

১৪.৭ শিক্ষকৰ ভূমিকা

মণ্টেচ্চ'ৰীয়ে কৈছিল, " শিক্ষাদান কৰোঁতাজন এনে এগৰাকী ব্যক্তি হ'ব লাগে যিজন এক গভীৰ জীৱনৰ উপাসনাৰে অনুপ্ৰাণিত।" মণ্টেচ্চ'ৰী পদ্ধতিত শিক্ষকৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল- শিশুৰ মনোবৈজ্ঞানিক আৰু ব্যক্তিগত বিকাশ নিৰীক্ষণ কৰা। ইয়াৰ অৰ্থ হ'ল শিক্ষকে প্ৰতিটো শিশুৰেই মন আৰু চৰিত্ৰ সম্পৰ্কে অতিকৈ পৰিচিত হ'ব লাগে। ৰাস্কে কৈছিল, 'মণ্টেচ্চ'ৰী পদ্ধতিত শিশু মনোবিজ্ঞান আৰু সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োগৰ উপযুক্ত প্ৰশিক্ষণ লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীকহে নিযুক্তি দিয়া উচিত।"

শিশুৰ স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াত শিক্ষকে এক বিশেষজ্ঞ দিক্-নিৰ্দেশকৰ ভূমিকা পালন কৰিব লাগে। সেয়েহে মণ্টেচ্চ'ৰীয়ে তেওঁৰ শিক্ষা ব্যৱস্থাত কাম কৰা শিক্ষয়িত্ৰীসকলক 'ডাইৰেক্ট্ৰেছ' (directress) বুলি কৈছিল। তেওঁলোকৰ প্ৰাথমিক দায়িত্ব শিকোৱা নহয়, নিৰ্দেশ দিয়াহে। শিক্ষয়িত্ৰীয়ে শিশুৰ বিকাশ এগৰাকী বিজ্ঞানীৰ দৃষ্টিৰে নিৰীক্ষণ কৰা দৰকাৰ। তেওঁ শিশুৰ উপস্থিতিত এগৰাকী উপাসিকাৰ দৰে সৌম্যমূৰ্তি ধাৰণ কৰিব লাগিব আৰু শিশুকেন্দ্ৰিক যিকোনো পৰিস্থিতিকে এগৰাকী চিকিৎসকৰ দৰে নিয়ন্ত্ৰণ কৰিব লাগিব। শিক্ষাৰ সমগ্ৰ কাৰ্যসূচী শিশুৰ প্ৰয়োজনীয়তা পূৰাব পৰাকৈ যুগুত কৰিব লাগিব। ইয়াৰ বাবে শিক্ষকে দিক্-নিৰ্দেশনা দিয়াত পটুতা আৰু উৎকৃষ্ট মানৰ সাংগঠনিক দক্ষতা আহৰণ কৰিব লাগিব।

১৪.৮ মণ্টেচ্চ'ৰী পদ্ধতিৰ গুণ

মণ্টে'চ্চৰী শিক্ষা পদ্ধতিয়ে শৈক্ষিক জগতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ই

শিশু শিক্ষাৰ ক্ষেত্রখনত এক নতুন যুগৰ সূচনা কৰিছিল। পদ্ধতিটোৱে অতি সোনকালে ইউৰোপত জনপ্রিয়তা অর্জন কৰিছিল। মণ্টেচ্চ'ৰী পদ্ধতিৰ প্রধান গুণবোৰ আছিল-

(i) শিক্ষাৰ বিজ্ঞানসন্মত ধাৰণা(Scientific Concept of Education) ঃ মেডাম মণ্টেচ্চ'ৰী আছিল এগৰাকী বিজ্ঞানী। তেওঁ নিৰীক্ষণ আৰু পৰীক্ষাৰ আধাৰত নিজৰ শিক্ষা পদ্ধতিত বিজ্ঞানসন্মত নীতি প্রয়োগ কৰিছিল। তেওঁৰ শিক্ষা পদ্ধতিত সাধাৰণ ব্যৱস্থাত আধিপত্য বিস্তাৰ কৰি থকা পক্ষপাতমূলক নীতি-নিয়মৰ (prejudice) কোনো স্থান নাছিল।

(i i) শিক্ষাত মনোবৈজ্ঞানিক পন্থাৰ প্রয়োগ (Psychological Approach to Education) ঃ মণ্টেচ্চ'ৰীৰ শিক্ষা পদ্ধতিৰ লক্ষ্য শিক্ষণ নহয়, শিকনহে । এই পদ্ধতিটোৱে শিশুৱে নিজ প্রয়াসেৰে আন্তৰিকভাৱে কৰা বিকাশক স্বীকৃতি দিয়ে। তেওঁ বিকশাই তোলা ব্যৱহাৰিক জীৱনৰ অনুশীলনবোৰে শিশুক নিজে নিজে দৈনন্দিন জীৱনৰ নানা পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সাজু কৰি তোলে। মণ্টেচ্চ'ৰী পদ্ধতিত শিশুক ইন্দ্রিয় প্রশিক্ষণৰ জৰিয়তে শিক্ষিত কৰি তোলাৰ চেষ্টা কৰা হ'ল। এই প্রশিক্ষণৰ আধাৰ হ'ল মনোবৈজ্ঞানিক নীতি।

(iii) গাইগুটীয়া শিক্ষণত অধিক গুৰুত্ব আৰোপ (Emphasis on Individual Teaching) ঃ মণ্টেচ্চ'ৰীয়ে শিক্ষা ক্ষেত্রলৈ আগবঢ়োৱা এক উল্লেখনীয় আৰু প্রধান অৱদান হৈছে নির্দেশনাৰ ব্যক্তিগতকৰণৰ ধাৰণা (the idea of individualization of instruction) । তেওঁৰ শিক্ষা পদ্ধতি হ'ল সমূহীয়া শিক্ষণৰ বিৰুদ্ধাচৰণ কৰা এক প্রতিক্রিয়া। মণ্টেচ্চ'ৰীৰ মতে প্রতিটো শিশুৱে শাৰীৰিক আৰু মানসিক গঠন ভিন ভিন ধৰণে নিৰীক্ষণ, অধ্যয়ন আৰু নিয়ন্ত্রণ কৰা উচিত।

(iv) শিশুক স্বাধীনতা প্রদান (Freedom for Children) ঃ মাৰিয়া মণ্টেচ্চ'ৰী আছিল এনে প্রথমগৰাকী শিক্ষাবিদ যিগৰাকীয়ে শিক্ষাৰ এক গণতান্ত্রিক পন্থাৰ জৰিয়তে প্রতিটো শিশুৱে মর্যাদা বৃদ্ধি কৰিছিল আৰু স্বাধীনতাৰ ব্যৱহাৰিক দিশটো বাস্তৱায়িত কৰাৰ চেষ্টা কৰিছিল। মণ্টেচ্চ'ৰীয়ে এক সম্পূর্ণ স্বাধীন পৰিৱেশত শিক্ষা প্রদান কৰিব খুজিছিল। তেওঁৰ নিয়মানুৱর্তিতাৰ পদ্ধতিটোৰ অংশ আছিল আত্ম-নিয়ন্ত্রণ (Self-Control) আৰু স্ব-নির্দেশিত কার্য-কলাপ (Self directed activity)।

(v) পঢ়া আৰু লিখাৰ অনন্য পদ্ধতি (Unique Method of Reading and Writing) ঃ মণ্টেচ্চ'ৰী শিক্ষণ পদ্ধতিৰ আন দুটা অনন্য অৱদান হ'ল বিশেষ ধৰণৰ পঢ়া আৰু লিখাৰ কৌশল। মণ্টেচ্চ'ৰীয়ে লিখাৰ সময়ত হোৱা মাংসপেশীৰ সঞ্চালনক গুৰুত্ব দিছিল।

ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু পঢ়াৰ ক্ষমতাৰ সৈতে উপযুক্তভাৱে মিলাই লোৱা তথা সহঃসম্পৰ্ক থকা অনুশীলনৰ মাধ্যমেৰে এই পদ্ধতিত পঢ়িবলৈ আৰু লিখিবলৈ শিকোৱা হয়।

(vi)শিক্ষকৰ বিশেষ ভূমিকা (Special Role of the Teacher) ঃ মাৰিয়া মণ্টেচ্চ'ৰীয়ে শিক্ষকক এক বিশেষ ভূমিকা পালন কৰিবলৈ দিছিল। তেওঁৰ শিক্ষা পদ্ধতিত শিক্ষকে নিশিকায়, তেওঁলোকে কেৱল ল'ৰা-ছোৱালীক নির্দেশ দিয়ে আৰু সিহঁতৰ গতি-বিধিক উপযুক্ত দিক্-নির্দেশনা দিয়ে। শিক্ষকে কেৱল শিকনৰ উপযুক্ত পৰিৱেশ গঢ়ি তোলে, সঠিক মুহূৰ্তত লাগতিয়াল সা-সামগ্ৰীৰ যোগান ধৰে আৰু শিশুৰ স্ব-বিকাশ নিৰীক্ষণ কৰে। মণ্টেচ্চ'ৰী ডাইৰেক্ট্ৰেছসকল হ'ল ছাত্ৰ-ছাত্ৰীৰ বন্ধু, দার্শনিক আৰু পথ প্ৰদর্শক।

১৪.৯ মণ্টেচ্চ'ৰী পদ্ধতিৰ সীমাবদ্ধতা

শিক্ষাজগতলৈ আগবঢ়োৱা অতুলনীয় অৱদান সত্বেও মাৰিয়া মণ্টেচ্চ'ৰীৰ শিক্ষা পদ্ধতিটোত কেতবোৰ সীমাবদ্ধতা ধৰা পৰিছে। তলত সেইবোৰ চমুকৈ উল্লেখ কৰা হ'লঃ

- প্ৰথম সীমাবদ্ধতাটো হ'ল, মণ্টেচ্চ'ৰীয়ে শিক্ষামূলক আহিলা / সঁজুলিৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছিল। এই কথাটোৱে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়ৰে স্বাধীনতা সীমাবদ্ধ কৰে। এই আহিলাবোৰে ছাত্ৰ-ছাত্ৰীৰ মুকলি অভিব্যক্তি প্ৰকাশ আৰু শিক্ষকৰ কার্য সীমিত কৰি তোলে।
- দ্বিতীয়তে, মণ্টেচ্চ'ৰীয়ে ল'ৰা- ছোৱালীৰ খেলা কার্যক আওকাণ কৰিছিল কিন্তু খেল-ধেমালিক ল'ৰা-ছোৱালীৰ শিক্ষাৰ এক গুৰুত্বপূর্ণ উপাদান বুলি বিবেচনা কৰা হয়।
- তৃতীয়তে, মণ্টেচ্চ'ৰীয়ে শিশুৰ কল্পনাশক্তিক প্ৰশিক্ষণ দিয়া কামটো আওকাণ কৰিছিল। তেওঁৰ শিক্ষা পদ্ধতিত পৰীৰ সাধুৰ দৰে কল্প-কাহিনীৰ কোনো স্থান নাই।
- চতুর্থতে, মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিত ব্যক্তিগত বিকাশত অত্যাধিক গুৰুত্ব আৰোপ কৰা হয়। কিন্তু ইয়াত সামাজিক বিকাশক আওকাণ কৰা হয়। ব্যৱস্থাটোত সংগীত, গান, নাট, নৃত্য আৰু দলীয় কার্যকলাপ নাই বুলিবই পাৰি।
- পঞ্চমতে, মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিৰ সফলতা শিশু মনোবিজ্ঞানৰ বিস্তৃত জ্ঞান থকা শিক্ষকৰ ওপৰত নির্ভৰশীল। এনে শিক্ষক উপযুক্ত সংখ্যাত সহজে বিচাৰি পোৱাটো সম্ভৱ নহয়।
- অন্তিম সীমাবদ্ধতাটো হ'ল, মণ্টেচ্চ'ৰীৰ শিক্ষা ব্যৱস্থাটো অতি খৰছী। মণ্টেচ্চ'ৰীৰ নির্দেশনামর্মে বিদ্যালয় এখন গঠন কৰিবলৈ বহুতো ধনৰ প্ৰয়োজন হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪। শিক্ষামূলক আহিলা মানে কি?

.....

.....

প্রশ্ন নং ৫। মণ্টেচ্চ'ৰীয়ে গুৰুত্ব আৰোপ কৰা শিকনৰ মনোবৈজ্ঞানিক স্তৰকেইটা কি কি?

.....

.....

প্রশ্ন নং ৬। ব্যৱহাৰিক জীৱনৰ অনুশীলনবোৰ কি কি?

.....

.....

প্রশ্ন নং ৭। গণিত শিকাবলৈ ব্যৱহাৰ কৰা আহিলাবিধৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৮। মণ্টেচ্চ'ৰী পদ্ধতিত শিক্ষয়িত্রীসকলক..... বোলা হয়। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৯। মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিৰ গুণবোৰ লিখক।

.....

.....



১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকোলোঁ

- ১৮৭০ চনত ইটালীত মেডাম মাৰিয়া মণ্টেচ্চ'ৰীৰ জন্ম হৈছিল। তেওঁ ৰোম বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অধ্যাপিকা আছিল। তাতেই তেওঁ মানসিকভাবে জড়তাগ্রস্ত শিশুৰ সৈতে কাম কৰাৰ সুযোগ লাভ কৰিছিল। এই সুযোগে শিক্ষাজগতলৈ তেওঁৰ মনোযোগ আকর্ষণ কৰিছিল। কালক্রমত তেওঁ শিক্ষাৰ এক নিজস্ব পদ্ধতি বিকশাই তুলিছিল। পদ্ধতিটো 'মণ্টেচ্চ'ৰী পদ্ধতি' হিচাপে জনাজাত হৈছিল।
- মণ্টেচ্চ'ৰীৰ শিক্ষা পদ্ধতিৰ প্রধান লক্ষ্য হ'ল শিশুৰ ব্যক্তিত্বত অন্তর্নিহিত হৈ থকা গুণবোৰৰ পূর্ণ বিকাশ ঘটোৱা। মণ্টেচ্চ'ৰীৰ মতে প্রতিটো শিশুকে শিক্ষকে গাইগুটীয়া মনোযোগ আৰু শিশুটিৰ নিজস্ব গতিত অগ্রগতি কৰিবলৈ দিয়া উচিত। মণ্টেচ্চ'ৰীৰ

শৈক্ষিক দর্শনৰ অন্তর্নিহিত শৈক্ষিক নীতিবোৰ হ'ল- শিশুৰ ব্যক্তিত্বক সন্মান প্রদর্শন কৰাৰ কথা কোৱা ব্যক্তিত্বৰ নীতি, স্বাধীনতাৰ নীতি য'ত শিশুক এটা মুক্ত আৰু স্বাধীন পৰিৱেশত নিজে নিজে বিকশিত হোৱাৰ সুযোগ দিয়া হয়, স্ব-শিক্ষাৰ নীতি যাৰ দ্বাৰা শিশুৱে স্ব-প্রচেষ্টাৰ জৰিয়তে নিজৰ সম্ভাৱনীয়তাবোৰক বাস্তৱ ৰূপ দিয়ে, ইন্দ্রিয় প্রশিক্ষণৰ নীতি যাৰ দ্বাৰা ইন্দ্রিয়বোৰক বৌদ্ধিক বিকাশত সহায়ক হ'ব পৰাকৈ প্রশিক্ষণ দিয়াত গুৰুত্ব আৰোপ কৰা হয় আৰু মাংসপেশীৰ বিকাশৰ বাবে থকা অংগ সঞ্চালনত দক্ষতা আহৰণৰ নীতি।

- মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিৰ কার্য- পৰিকল্পনাবোৰ তিনিবিধ প্রধান কার্য-কলাপক কেন্দ্র কৰি যুগুত কৰা হয়- ব্যৱহাৰিক জীৱনৰ বাবে অনুশীলন, ইন্দ্রিয় প্রশিক্ষণৰ বাবে অনুশীলন আৰু ভাষা তথা গণিত শিকোৱাৰ অনুশীলন। মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিৰ শিক্ষয়িত্রীক 'ডাইৰেক্টেছ' বোলা হয়। শিক্ষয়িত্রীসকলৰ শিশু মনোবিজ্ঞানৰ বিশেষ জ্ঞান থাকে। এই পদ্ধতিত শিক্ষকৰ ভূমিকা হ'ল নিৰীক্ষণ কৰা। প্রয়োজন সাপেক্ষেহে শিক্ষকে ছাত্র-ছাত্রীৰ কামত হস্তক্ষেপ কৰে।
- মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিয়ে শিক্ষাজগতত এক নতুন যুগৰ সূচনা কৰিছে। এই পদ্ধতিটোৰ আধাৰ বিজ্ঞানসন্মত। মণ্টেচ্চ'ৰীৰ পদ্ধতিৰ লক্ষ্য শিক্ষণ নহয়, শিকনহে। তেওঁৰ সবাতোকৈ উল্লেখনীয় অৱদানবোৰ হ'ল নির্দেশনাৰ ব্যক্তিগতকৰণৰ ধাৰণা, শিশুক শিক্ষা প্রদান কৰিবলৈ সম্পূর্ণ স্বাধীন পৰিৱেশ এটা গঢ়ি তোলাৰ ধাৰণা, স্বয়ংক্রিয় শিক্ষাৰ ধাৰণা, ইন্দ্রিয় প্রশিক্ষণৰ ধাৰণা, স্ব-শৃংখলাবদ্ধতাৰ ধাৰণা ইত্যাদি। মণ্টেচ্চ'ৰীয়ে প্রয়োজনাধিক শিক্ষামূলক আহিলাৰ সহায় লৈছিল বুলি তেওঁৰ শিক্ষা পদ্ধতিটোক সমালোচনা কৰা হয়। ইয়াৰ উপৰি পদ্ধতিটোক সমালোচনা কৰাৰ আন দুটামান কাৰণ হ'ল- শিশুৰ কল্পনা শক্তিৰ বিকাশক গুৰুত্ব নিদিয়া, শিশুৰ সামাজিক বিকাশক আওকাণ কৰা আৰু মণ্টেচ্চ'ৰীৰ দিহা-পৰামর্শমতে বিদ্যালয় স্থাপনৰ প্রক্রিয়াটো ব্যয়বহুল হোৱা।



১৪.১১ অধিক জানিবলৈ

1) Aggarwal,J.C (2006): Theory and Principles of Education, Vikas Publishing House, New Delhi.

2) Bhatia, K.K (2004): Foundation of Education, Kalyani Publishers, Ludhiana.

3) Majumdar, T.R. and Kundu, D (1987) Modern Theory and principles of Education, The World Press Pvt. Ltd. Calcutta.

4) Safaya,R. and Shaida, B.D.(2003):Modern Theory and Principles of Education, Dhanpat Rai Publishing Co. New Delhi.



১৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ

(ক) ১৮৭০

(খ) মানসিক

(গ) চিল্ড্ৰেনচ্ হাউছ

২ নং প্ৰশ্নৰ উত্তৰঃ প্ৰতিগৰাকী ব্যক্তিয়েই শাৰীৰিক আৰু মানসিকভাৱে পৰস্পৰৰ পৰা পৃথক। সেয়েহে, সৰু ল'ৰা-ছোৱালীৰ বাবে এনে এক অনুকূল পৰিৱেশ গঢ়ি তুলিব লাগে য'ত সিহঁত নিজ নিজ সম্ভাৱনীয়তা আৰু প্ৰতিভাবোৰৰ পূৰ্ণ বিকাশ ঘটাই ডাঙৰ হ'ব পাৰে। ইয়াকেই ব্যক্তিগত বৈশিষ্টৰ নীতি বুলি কোৱা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ স্বয়ংক্ৰিয় শিক্ষা মানে হ'ল বাহিৰৰ পৰা কোনো হস্তক্ষেপ নথকাকৈ শিশুৱে নিজস্ব ধৰণে আহৰণ কৰা শিক্ষা।

৪ নং প্ৰশ্নৰ উত্তৰঃ শিক্ষামুলক আহিলা হ'ল শিশুক শিক্ষা প্ৰদানৰ বাবে মণ্টেচ্চ'ৰীয়ে বিকশাই তোলা বিভিন্ন সঁজুলি আৰু সমলৰ সমষ্টি।

৫ নং প্ৰশ্নৰ উত্তৰঃ সংযোগ স্থাপন, চিনাক্তকৰণ আৰু পুনঃস্মৰণ।

৬ নং প্ৰশ্নৰ উত্তৰঃ'চিল্ড্নচ হাউছ'ত ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক জীৱনৰ প্ৰশিক্ষণ দিয়া হয়। সিহঁতক হাত-কাপোৰ ধুবলৈ, কোঠা সৰা-মচা কৰিবলৈ, আচবাব-পত্ৰৰ ধূলি-বালি আঁতৰাবলৈ, চকী-মেজ পৰিপাটীকৈ সজাবলৈ, দাঁত ব্ৰাছ কৰিবলৈ, চুলি ফণিয়াবলৈ আৰু আন বহুতো দৈনন্দিন জীৱনত লগা কাম কৰিবলৈ শিকোৱা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ 'দীঘল চিৰি' (The Long Stair)- এই আহিলাবিধৰ বিভিন্ন দৈৰ্ঘ্যৰ শলা থাকে। প্ৰতিডাল শলা একাধিক অংশত বিভক্ত। ইয়াৰে এটা অংশত ৰঙা আৰু আনটোত নীলা ৰং সনা থাকে।

৮ নং প্ৰশ্নৰ উত্তৰঃ ডাইৰেক্ট্ৰেছ।

৯ নং প্ৰশ্নৰ উত্তৰঃ মাৰিয়া মণ্টেচ্চ'ৰীৰ কামে আধুনিক শৈক্ষিক তত্ত্ব আৰু অনুশীলনক গভীৰভাৱে প্ৰভাৱিত কৰিছে। তেওঁ শিক্ষাজগতক নিৰীক্ষণ, পৰীক্ষা আৰু আন বহুতো বিজ্ঞানসন্মত পদ্ধতিৰে সমৃদ্ধ কৰি থৈ গৈছে। তেওঁ শিশুক ইন্দ্ৰিয় প্ৰশিক্ষণ দিয়াত গুৰুত্ব আৰোপ কৰিছিল। লগতে তেওঁ প্ৰতিটো শিশুকে গাইগুটীয়া মনোযোগ দিয়া, শিক্ষা পদ্ধতিটো শিক্ষণৰ সলনি শিকনকেন্দ্ৰিক হোৱা আৰু আন্তৰিকভাৱে হোৱা বিকাশক স্বীকৃতি প্ৰদান কৰাৰ ওপৰতো জোৰ দিছিল।



১৪.১৩ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ মণ্টেচ্চ'ৰীৰ মতে ব্যক্তিত্বৰ নীতি কি?

প্ৰশ্ন ২ঃ স্বয়ংক্ৰিয় শিক্ষা সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ শিক্ষামূলক আহিলা মানে কি?

প্ৰশ্ন ৪ঃ মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিত শিক্ষকৰ ভূমিকা কেনেধৰণৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ঃ মণ্টেচ্চ'ৰী শিক্ষা পদ্ধতিটোক কি কি কাৰণত সমালোচনা কৰা হৈছে চমুকৈ ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ মণ্টেচ্চ'ৰী পদ্ধতিৰ অন্তৰ্নিহিত নীতিবোৰ কি কি? পদ্ধতিটোৰ কাৰ্য-পৰিকল্পনা আলোচনা কৰক।

প্ৰশ্ন ২ঃ শিক্ষা জগতলৈ মেডাম মণ্টেচ্চ'ৰীয়ে আগবঢ়োৱা প্ৰধান অৱদানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ শিক্ষামূলক আহিলা কি? এনে আহিলা ব্যৱহাৰৰ প্ৰধান উদ্দেশ্য কি? শিশুক শিক্ষা প্ৰদান কৰিবলৈ এনে আহিলাবোৰ কেনেকৈ ব্যৱহাৰ কৰা হয়?

*****

অধ্যায় ১৫ ঃ ফ্ৰ'বেল আৰু তেওঁৰ শৈক্ষিক চিন্তা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ ফ্ৰ'বেলৰ শিক্ষা দৰ্শন
১৫.৪ ফ্ৰ'বেলৰ শিক্ষা তত্ব আৰু শিক্ষানীতি
১৫.৫ ফ্ৰ'বেলৰ কিণ্ডাৰগার্টেন ব্যৱস্থাত অন্তর্নিহিত শৈক্ষিক পদ্ধতি
১৫.৬ ফ্ৰ'বেলৰ উপহাৰ আৰু প্ৰধান কার্যৰ ধাৰণা
১৫.৬.১ উপহাৰ আৰু প্ৰধান কার্যৰ শৈক্ষিক প্ৰয়োগ ফল
১৫.৭ আধুনিক শিক্ষালৈ ফ্ৰ'বেলৰ অৱদান
১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৯ অধিক জানিবলৈ
১৫.১০ অগ্রগতিৰ খতিয়ান
১৫.১১ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ফ্ৰ'বেলৰ শিক্ষা দৰ্শন ব্যাখ্যা কৰিব পাৰিব
- ফ্ৰ'বেলৰ শিক্ষা নীতি আলোচনা কৰিব পাৰিব
- ফ্ৰ'বেলৰ শিক্ষাৰ কিণ্ডাৰগার্টেন ব্যৱস্থাৰ পদ্ধতি পৰীক্ষা কৰিব পাৰিব
- ফ্ৰ'বেলে কোৱা উপহাৰ আৰু প্ৰধান কার্যৰ ধাৰণা দুটা বিশ্লেষণ কৰিব পাৰিব
- আধুনিক শিক্ষালৈ ফ্ৰ'বেলৰ অৱদান মূল্যায়ন কৰিব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিত আপোনাক ফ্ৰ'বেলৰ শিক্ষা দৰ্শন আৰু শিক্ষা নীতিৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। এই অধ্যায়টি পঢ়ি উঠি আপুনি ফ্ৰ'বেলৰ কিণ্ডাৰগার্টেন শিক্ষা ব্যৱস্থাৰ পদ্ধতিবোৰ ভালদৰে বুজি পাব। বর্তমান সময়ত ই শিক্ষাৰ এক গুৰুত্বপূর্ণ পদ্ধতিত পৰিণত হৈছে। ইয়াৰ উপৰি এই অধ্যায়টি পঢ়ি আপুনি ফ্ৰ'বেলৰ উপহাৰ আৰু প্ৰধান কার্যৰ ধাৰণা দুটা বিশ্লেষণ কৰিব পাৰিব। ফ্ৰ'বেলৰ মতে এই ধাৰণা দুটা শিশুৰ জীৱনৰ প্ৰথম ছোৱাৰ বাবে অতি জৰুৰী। অধ্যায়টোৰ শেষত ফ্ৰ'বেলে আধুনিক শিক্ষালৈ আগবঢ়োৱা অৱদানৰ ওপৰত আলোকপাত কৰা হ'ব।

১৫.৩ ফ্ৰ'বেলৰ শিক্ষা দৰ্শন

১৭৮২ চনৰ ২১ এপ্ৰিলত থুৰিনগিয়াৰ অ'বেৰৱেইছবাখ্‌ত ফ্ৰেডৰিখ্‌ ৱিলহাম অগষ্ট ফ্ৰ'বেলৰ জন্ম হৈছিল। তেওঁ আছিল এগৰাকী জাৰ্মান শিক্ষাবিদ। পেষ্টালজী আছিল তেওঁৰ শিক্ষক। ল'ৰা-ছোৱালীৰ একক প্ৰয়োজন আৰু সামৰ্থ থাকে— এই উপলব্ধিৰ আধাৰত ফ্ৰ'বেলে আধুনিক শিক্ষাৰ বুনিয়াদ গঢ়িছিল। তেওঁৰ শিক্ষাৰ দৰ্শনক 'চৰম আদৰ্শবাদ' (absolute idealism) বুলিও অভিহিত কৰা হয়। তেওঁ কাণ্ট, ফিক্টে, শ্বিলাৰ আৰু হেগেলৰ দৰে আদৰ্শবাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁক সবাতোকৈ অধিক প্ৰভাৱিত কৰিছিল আশাবাদী দাৰ্শনিক ক্ৰাউছে। ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শন দুটা গুৰুত্বপূৰ্ণ দিশক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। দিশ দুটা হ'ল বৈচিত্ৰ্যৰ মাজত ঐক্য নীতি আৰু বিকাশৰ তত্ত্ব (theory of development)। তলত ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শনৰ এই প্ৰধান দিশ দুটা বিশ্লেষণ কৰা হ'ল -

বৈচিত্ৰ্যৰ মাজত ঐক্য নীতি (Law of Unity in Diversity)

ফ্ৰ'বেলে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে এই পৃথিৱীলৈ যিয়েই আহে অথবা এই পৃথিৱীত যি আছে সকলো ঈশ্বৰৰ সৃষ্টি আৰু অভিব্যক্তিৰ মূৰ্ত প্ৰকাশ। ঈশ্বৰে সকলোকে সামৰি লয় আৰু এই পৃথিৱীৰ সকলো বস্তুৰ আঁৰতে ঈশ্বৰৰ হাত আছে। ফ্ৰ'বেলৰ মতে ঈশ্বৰ হ'ল মৌলিক প্ৰকৃতি। ঈশ্বৰেই সমগ্ৰ পৃথিৱীখনক অৰ্থ দিছে। তেওঁ বিশ্বাস কৰিছিল যে সকলো বস্তুৰে সৰগীয় ঐক্যৰ পৰা সৃষ্টি হৈছে আৰু সকলো বস্তুয়ে মূল হ'ল সৰগীয় ঐক্য। সেয়েহে ঈশ্বৰে সৃষ্টি কৰা সকলো বস্তুৰ মাজতে ঐক্য বিৰাজমান বুলি ফ্ৰ'বেলে মত পোষণ কৰিছিল। ইয়াৰ উপৰি তেওঁ বিশ্বাস কৰিছিল যে ঈশ্বৰ হ'ল অবিচ্ছেদ্য পৰম শক্তি। এই শক্তিয়ে পৃথিৱীৰ সকলো উপাদানকে দিক্‌ নিদেৰ্শনা দিয়ে আৰু পৰিচালনা কৰে। এই নিদেৰ্শনা আৰু পৰিচালনাকে আমি 'সৰগীয় ঐক্যৰ নীতি' (Law of divine unity) বুলিও কও। এই নীতিৰ আধাৰত ফ্ৰ'বেলে মত পোষণ কৰিছিল যে মানুহ, প্ৰকৃতি আৰু ঈশ্বৰৰ মাজত একতা আছে।

বিকাশৰ তত্ত্ব (Theory of Development)

ফ্ৰ'বেলে কৈছিল যে সকলো বস্তু আৰু সত্ত্বাতে বিকাশৰ তত্ত্ব পৰিস্ফুট হয়। আমি সকলোৱেই সৰগীয় ঐক্যৰ পথলৈ বিকশিত হৈ গৈ আছো। আমাৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ক্ষমতা আৰু গুণবোৰৰ ব্যৱহাৰ আৰু সাৰ্থক প্ৰয়োগৰ জৰিয়তেহে এই ঐক্য সম্ভৱপৰ হ'ব। আমাৰ আন্তৰিক সত্ত্বাৰ (inner self) স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক উন্নতিৰ প্ৰকাশ হ'ল এই বিকাশ। আমাৰ নিজৰ কাম-কাজৰ পৰাহে ফলপ্ৰসূ বিকাশ ঘটাতো সম্ভৱ। ফ্ৰ'বেলে বিশ্বাস কৰিছিল যে কেৱল স্বতঃস্ফূৰ্ত স্ব-কাৰ্যৰ দ্বাৰাহে সম্পূৰ্ণ বিকাশ সম্ভৱ হয়। সেয়েহে ফ্ৰ'বেলে এই মত পোষণ কৰিছিল যে এটা শিশুৰ শিক্ষা স্বতঃস্ফূৰ্ত আভ্যন্তৰীণ আন্তৰিক স্ব-বিকাশৰ ওপৰত আধাৰিত হোৱা উচিত। তেওঁ শিশুৰ বিকাশক গছপুলি এটাৰ বিকাশৰ সৈতে তুলনা কৰিছিল। তেওঁৰ মতে শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশে গছৰ দৰে বিকাশৰ প্ৰাকৃতিক নিয়ম অনুসৰণ কৰে। ফ্ৰ'বেলে কৈছিল যে এই বিকাশ এক অন্তহীন আৰু শ্বাশ্বত প্ৰক্ৰিয়া। ই আমাক উন্নততৰ পৰা শ্ৰেষ্ঠতম পৰ্যায়লৈ লৈ যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ফ্ৰ'বেল কোন আছিল?

.....

.....

প্ৰশ্ন নং ২ঃ ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শনৰ গুৰুত্বপূৰ্ণ দিশ দুটা কি কি?

.....

.....



জানি থোৱা ভাল

ফ্ৰ'বেলে ভালেকেইখন গ্ৰন্থ ৰচনা কৰিছিল। ইয়াৰে ভিতৰত উল্লেখযোগ্য গ্ৰন্থ কেইখনমান হ'ল—

(ক) অট'বাইঅ'গ্ৰাফ্ৰি

(খ) এডুকেশ্যন অৱ ডেভেলপমেণ্ট

(গ) দ্য এডুকেশ্যন অৱ ম্যান

(ঘ) মাদাৰ প্লে'

(ঙ) পে'ড্‌গগীছ অৱ কিণ্ডাৰগার্টেন

১৫.৪ ফ্ৰ'বেলৰ শিক্ষাতত্ব আৰু শিক্ষানীতি

সকলোবোৰ শিক্ষাবিদৰ ভিতৰত ফ্ৰ'বেলেই আছিল একমাত্ৰ শিক্ষাবিদ যি দাৰ্শনিক আদৰ্শেৰে গভীৰভাৱে প্ৰভাৱিত হৈছিল। তেওঁৰ শৈক্ষিক দৰ্শনক আদৰ্শবাদৰ দৰ্শনে বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শনত অন্তৰ্নিহিত শিক্ষানীতিবোৰৰ কিছুমান উল্লেখনীয় বৈশিষ্ট্য তলত দিয়া হ'ল—

আভ্যন্তৰীণ সত্ত্বাৰ বিকাশ (Development of the inner self)

ফ্ৰ'বেলে এইবুলি মত পোষণ কৰিছিল যে শিক্ষা মানুহৰ অন্তৰ্জগতৰ পৰা হোৱা বিকাশৰ বাদে আন একো নহয়। শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল এগৰাকী ব্যক্তিৰ আভ্যন্তৰীণ সত্ত্বাৰ বিকাশ সাধন কৰা। তেওঁ ইয়াকো কৈছিল যে আভ্যন্তৰীণ সত্ত্বাৰ বিকাশ শিশু এটিৰ ওপৰত বাহিৰৰ পৰা আৰোপ কৰিব পৰা কাৰ্য নহয়। ফ্ৰ'বেলৰ মতে ব্যক্তিৰ সত্ত্বাত আভ্যন্তৰীণ সম্ভাৱনীয়তা আৰু স্বতঃস্ফূৰ্ততা থাকিলেহে বিকাশ সংঘটিত হয়। এগৰাকী ব্যক্তিৰ লাহে লাহে বিকাশ ঘটে। আভ্যন্তৰীণ সত্ত্বাৰ স্বতঃস্ফূৰ্ত আৰু বাধাহীন বিকাশৰ জৰিয়তে ব্যক্তি নিজেও বিকশিত হয়।

খেলৰ জৰিয়তে শিক্ষা (Education through play)

ফ্ৰ'বেলেই পোন প্ৰথমে সৰু ল'ৰা-ছোৱালীৰ শিক্ষাত খেল-ধেমালি প্ৰয়োগ কৰিছিল। তেওঁৰ দ্বাৰা বিকশিত কিণ্ডাৰগার্টেন শিক্ষা পদ্ধতি ইয়াৰ স্পষ্ট প্ৰমাণ। তেওঁ বিশ্বাস কৰিছিল যে

খেল-ধেমালিয়ে শিশুৰ সর্বশ্রেষ্ঠ বিকাশ সুনিশ্চিত কৰিব পাৰে আৰু সিহঁতক ভৱিষ্যত জীৱনৰ বাবে সাজু কৰি তুলিব পাৰে। শিশু এটিয়ে কেৱল খেল-ধেমালিৰ জৰিয়তে নিজকে সৃজনীশীলভাৱে প্ৰকাশ কৰিব পাৰে। খেল-ধেমালিয়ে শিশুক স্বাধীনতাৰ আনন্দ প্ৰদান কৰে, স্বতঃস্ফূৰ্ত শাৰীৰিক আৰু মানসিক বিকাশৰ সুযোগ দিয়ে আৰু আভ্যন্তৰীণ সত্ত্বাৰ বিকাশ ঘটায়।

স্ব-ক্ৰিয়া নীতি (Principle of self-activity)

ফ্ৰ'বেলে কৈছিল যে স্ব-ক্ৰিয়া অর্থাৎ নিজে কৰা কাম-কাজৰ যোগেদিহে শিশু এটিয়ে শিক্ষাৰ দিশত নিজৰ আভ্যন্তৰীণ সত্ত্বাৰ বিকাশ ঘটাব পাৰে। ফ্ৰ'বেলৰ বিকাশমূলক সম্পূৰ্ণ তত্ত্বটো এই স্ব-ক্ৰিয়া নীতিৰ ওপৰত আধাৰিত। বিভিন্ন কাম-কাজে শিশুক আত্ম-উপলব্ধিত সহায় কৰে। শিশুৰ আত্ম-বিকাশৰ স্বাধীনতা সুনিশ্চিত কৰাৰ একমাত্ৰ পথ হ'ল সিহঁতক বিভিন্ন কাম-কাজ নিজে কৰিবলৈ দিয়া। অর্থাৎ, শিশু এটিক মৌখিক অথবা কিতাপী জ্ঞান দিয়াতকৈ হাতে-কামে লাগি নতুন কথা শিকিবলৈ দিয়া উচিত।

শিক্ষাত স্বাধীনতা (Freedom in Education)

এটি শিশুৰ স্বাধীনতা আৰু আত্ম-বিকাশৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক আছে। শিশু এটি সকলো ধৰণৰ প্ৰভাৱৰ পৰা মুক্ত নোহোৱা পর্যন্ত স্বাভাৱিকভাৱে বিকশিত হ'ব নোৱাৰে। স্বাধীনতাই শিশুক আত্ম-প্ৰকাশ আৰু আত্ম-উপলব্ধিৰ এক আদর্শ পৰিৱেশ সৃষ্টি কৰি দিয়ে। সেয়েহে শিশুৰ মুক্ত কার্য-কলাপত কোনো ধৰণৰ বাধা-নিষেধ আৰোপ কৰা উচিত নহয়।

সামাজিক শিক্ষা (Social Education)

ফ্ৰ'বেল আছিল প্ৰথমগৰাকী শিক্ষাবিদ যিয়ে শিক্ষাত সমাজৰ গুৰুত্ব আৰু মোল বুজি পাইছিল। তেওঁৰ মতে ব্যক্তি আৰু সমাজ পৰস্পৰৰ বিৰোধী নহয়। ইয়াৰ বিপৰীতে দুয়োটাই সৰগীয় ঐক্যৰ অংশ। ফ্ৰ'বেলে তেওঁৰ কিণ্ডাৰগার্টেন শিক্ষা ব্যৱস্থাত শিক্ষাৰ সামাজিক উদ্দীপনা প্ৰয়োগ কৰাৰ চেষ্টা কৰিছিল। সামাজিক বিষয়বোৰত ল'ৰা-ছোৱালীৰ বিকাশ ঘটোৱাৰ প্ৰশিক্ষণ দিয়াৰ এটা অনন্য উদাহৰণ হ'ল কিণ্ডাৰগার্টেনৰ শিশুক মজিয়াত ঘূৰণীয়াকৈ থিয় হ'বলৈ দি প্ৰার্থনা কৰিবলৈ আৰু অন্য সামাজিক কাম-কাজ কৰিবলৈ শিকোৱা হয়। এইয়া হ'ল ল'ৰা-ছোৱালীৰ সমাজবোধৰ বিকাশ ঘটোৱা প্ৰশিক্ষণৰ বিশেষ উদাহৰণ।

প্ৰকৃতি অধ্যয়ন (Nature Study)

এই কথা আমি আটায়ে জানো যে মানুহ আৰু প্ৰকৃতিৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। মানুহ প্ৰকৃতিৰ এটা অংশত বাদে আন একো নহয়। ফ্ৰ'বেলে বিশ্বাস কৰিছিল যে প্ৰকৃতি অধ্যয়নে শিশুক ঈশ্বৰৰ অস্তিত্ব আৰু সৌন্দর্য উপলব্ধি কৰাত সহায় কৰে। সেয়েহে, তেওঁৰ শিক্ষা পদ্ধতিত প্ৰকৃতি আৰু ইয়াৰ সৌন্দর্যই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

নৈতিক আৰু ধর্মীয় শিক্ষা (Moral and religious education)

ফ্ৰ'বেলৰ শিক্ষা পদ্ধতিটোত নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্যবোধেও স্থান পাইছে। তেওঁ এইবুলি মত পোষণ কৰিছিল যে ধর্মীয় শিক্ষাই শিশুৰ মনত ঈশ্বৰ আৰু মানুহ সম্পর্কে অন্তর্দৃষ্টিৰ বিকাশ ঘটায়। ই শিশুক এই কথা বুজাত সহায় কৰে যে আমাৰ আত্মা আৰু মন ঈশ্বৰৰ

ৰূপৰ বাহিৰে আন একো নহয়। ফ্ল'বেলে ইয়াকো কৈছিল যে দুগৰাকী ব্যক্তিৰ মাজৰ সম্পৰ্ক, পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্ক, শিক্ষক আৰু শিক্ষার্থীৰ সম্পৰ্কবোৰ হ'ল কেৱল ধৰ্মীয় ভাবাৱেশৰ দ্বাৰা গঠিত সম্পৰ্ক। সেয়েহে পাৰিবাৰিক জীৱনকে ধৰি সকলো ক্ষেত্ৰতে ল'ৰা-ছোৱালীক একোটা ধৰ্মীয় ভাবাৱেশৰ বিকাশ ঘটাবলৈ অনুপ্ৰাণিত কৰিব লাগে।

শিশুৰ সৃজনশীলতা (Child's creativity)

শিশু স্বাভাৱিকতে সৃজনশীল প্ৰকৃতিৰ। ফ্ৰ'বেলৰ মতে ঈশ্বৰ নিজেই এজন স্ৰষ্টা। সেয়েহে মানুহে ঈশ্বৰৰ আদৰ্শ অনুসৰণ কৰা আৰু নিজৰ সৃজনশীলতাক কাৰ্যত প্ৰয়োগ কৰা উচিত। তেওঁ বিশ্বাস কৰিছিল যে সৃজনশীল কাম-কাজৰ মাজেৰে প্ৰতিজন ব্যক্তিৰে মন আৰু আত্মাই অভিব্যক্তি প্ৰকাশৰ সুযোগ পায়।

ইন্দ্ৰিয় প্ৰশিক্ষণ (Sense training)

ফ্ৰ'বেলে শিশুক শিক্ষা প্ৰদান কৰিবলৈ ইন্দ্ৰিয় প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে দৰ্শন আৰু শ্ৰৱণ ইন্দ্ৰিয়বোৰৰ জৰিয়তেহে শিশুৰ মানসিক জীৱনটোৰ বিকাশ ঘটে। ফ্ৰ'বেলে তেওঁৰ কিণ্ডাৰগার্টেন পদ্ধতিত খেলৰ সামগ্ৰীৰ জৰিয়তে ইন্দ্ৰিয় প্ৰশিক্ষণ অন্তৰ্ভুক্ত কৰিছে। তেওঁৰ 'উপহাৰ আৰু প্ৰধান কার্য' (Gift and Occupation) ধাৰণাটোৱে শিশুৰ ইন্দ্ৰিয় প্ৰশিক্ষণত সহায় কৰে। এই ধাৰণাটোত উল্লেখ থকা 'উপহাৰ'বোৰ হ'ল ফ্ৰ'বেলে প্ৰণালীবদ্ধভাৱে আৰ্হি তৈয়াৰ কৰা আৰু সজাই দিয়া খেলৰ সামগ্ৰী।

প্ৰতীকবাদ (Symbolism)

ফ্ৰ'বেলৰ শিক্ষা পদ্ধতিৰ আন এক বৈশিষ্ট্য হ'ল শিক্ষাত প্ৰতীকৰ ব্যৱহাৰ। তেওঁ বিশ্বাস কৰিছিল যে প্ৰতীক ব্যৱহাৰৰ ওপৰত শিশু এটাৰ জ্ঞান আৰু অভিজ্ঞতা আহৰণৰ প্ৰক্ৰিয়াটো নিৰ্ভৰশীল। তেওঁ নিজৰ দৃষ্টিভংগী এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰিছিল। শিশুৱে বলেৰে খেলা কার্যটোৱে বিশ্ব-ব্ৰহ্মাণ্ডৰ একতাক প্ৰতীকী অৰ্থত উপস্থাপন কৰে। আন এক উদাহৰণেৰে তেওঁ বুজাইছিল যে কিণ্ডাৰগার্টেন বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ মজিয়াত ছাত্ৰ-ছাত্ৰী বৃত্তাকাৰে থিয় হোৱা কার্যটোৱে অনুভূতিৰ একতাক প্ৰতীকি ৰূপত প্ৰকাশ কৰে। অৰ্থাৎ ফ্ৰ'বেলৰ খেল-ধেমালিবোৰ হ'ল শিক্ষাৰ প্ৰতীকী চৰিত্ৰটো মনত ৰাখি যুগুত কৰা কার্য-কলাপ। ফ্ৰ'বেলে এইবুলি মত প্ৰকাশ কৰিছিল যে মানুহৰ বৌদ্ধিক বিকাশ প্ৰতীক ব্যৱহাৰৰ দ্বাৰাহে সম্ভৱপৰ হৈ উঠে। তেওঁৰ মতে ভাষাও প্ৰতীকৰ বাহিৰে একো নহয়। আমাৰ চিন্তা আৰু অনুভৱ প্ৰকাশ কৰিবলৈ আমি কথা কওঁ আৰু লিখো। সেয়েহে, শিশুক প্ৰতীকৰ সহায়ত নতুন জ্ঞান আৰু অভিজ্ঞতাৰ সৈতে পৰিচয় কৰাই দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰক—

(ক) ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শন ..... ৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

(খ) ফ্ৰ'বেলৰ শৈক্ষিক দৰ্শনক ..... নামেৰেও জনা যায়।

প্ৰশ্ন নং ৪ঃ শিক্ষাত স্বাধীনতা সন্দৰ্ভত ফ্ৰ'বেলৰ দৃষ্টিভংগী কি আছিল?

.....

.....

১৫.৫ ফ্ৰ'বেলৰ কিণ্ডাৰগার্টেন ব্যৱস্থাত অন্তৰ্নিহিত শৈক্ষিক পদ্ধতি

ফ্ৰ'বেলে তেওঁৰ শৈক্ষিক দৰ্শন আৰু নীতিক কিণ্ডাৰগার্টেন শৈক্ষিক পদ্ধতিৰ জৰিয়তে বাস্তৱ ৰূপ দিছিল। তেওঁ সৰু ল'ৰা-ছোৱালীৰ সৈতে দীঘলীয়া সময় অতিবাহিত কৰি আৰু খুব ওচৰৰ পৰা সিহঁতৰ প্ৰকৃতি তথা আচৰণ অধ্যয়ন কৰাৰ অন্তত নিজৰ শিক্ষা পদ্ধতিটোৰ আৰ্হি তৈয়াৰ কৰিছিল।

'কিণ্ডাৰগার্টেন' (Kindergarten) হ'ল এটা জার্মান শব্দ। ইয়াৰ অর্থ হ'ল শিশুৰ বাগিছা (Garden of Childern)। ফ্ৰ'বেলে বিদ্যালয়বোৰক একোখন সুন্দৰ বাগিছাৰ সৈতে তুলনা কৰিছিল। ইয়াতে শিশুবোৰ কুমলীয়া ফুলকলি সদৃশ। শিশুৰ যত্ন লোৱা শিক্ষকবৃন্দক ফ্ৰ'বেলে মালীৰ সৈতে তুলনা কৰিছিল। শিশুক শিক্ষা প্ৰদান কৰা প্ৰক্ৰিয়াবোৰ বাগিছাৰ আপডাল কৰা প্ৰক্ৰিয়াটোৰ সৈতে মিল আছে। ফ্ৰ'বেলে সেয়েহে নিজৰ শিক্ষা পদ্ধতিত বিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশত শিশুৰ ব্যক্তিত্বৰ মুকলি আৰু স্বতঃস্ফূৰ্ত বিকাশৰ পথ সুচল কৰি দিয়াৰ সুবিধা অন্তৰ্ভুক্ত কৰিছিল। তেওঁৰ শিক্ষাৰ ব্যৱস্থাটোৰ কিছুমান মৌলিক বৈশিষ্ট্যৰ তলত চমুকৈ আলোচনা কৰা হ'ল—

কিণ্ডাৰগার্টেনৰ শৈক্ষিক পৰিৱেশ (Educational environment of Kindergarten)

শিশুৰ অন্তৰ্নিহিত প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি ফ্ৰ'বেলে বিদ্যালয়ত একোটা সুন্দৰ আৰু আদর্শ পৰিৱেশ গঢ়ি তোলাৰ আৰ্হি প্ৰস্তুত কৰিছিল। এই পৰিৱেশ আছিল সুন্দৰ, আনন্দমুখৰ, খেল-ধেমালিৰ সুযোগ থকা আৰু বাধা-নিষেধহীন। এনে বিদ্যালয়ে শিশুৰ সুপ্ত প্ৰকৃতিবোৰৰ স্বতঃস্ফূৰ্ত বিকাশ সম্ভৱ কৰি তুলিব পাৰে। শিশু এটাই গীত গোৱা, নচা আৰু খেল-ধেমালিৰ জৰিয়তে মুকলিভাৱে গতি-বিধি সম্পন্ন কৰিব পাৰে। বিদ্যালয়ৰ পৰিৱেশত শিশুৱে শৰীৰৰ অংগ-প্ৰত্যংগবোৰ বাধা নিষেধহীনভাৱে ব্যৱহাৰ কৰিব পাৰে। 'উপহাৰ আৰু প্ৰধান কার্য'ৰ লগত জড়িত কাম-কাজবোৰে সিহঁতক সেই সুযোগ প্ৰদান কৰে। কিণ্ডাৰগার্টেন পদ্ধতিত কোনো ধৰা-বন্ধা পাঠ্যক্ৰম নাথাকে। এই পদ্ধতিৰ প্ৰধান উদ্দেশ্য হ'ল খেল-ধেমালিৰ জৰিয়তে শিশুৰ নিজস্ব আৰু স্বাভাৱিক প্ৰৱণতাবোৰৰ স্বতঃস্ফূৰ্ত বিকাশ সুনিশ্চিত কৰাত সহায় কৰা।

শিক্ষাদানৰ পদ্ধতি (Method of Education)

কিণ্ডাৰগার্টেন শিক্ষা পদ্ধতিৰ প্ৰধান উদ্দেশ্য হ'ল স্ব-ক্ৰিয়াৰ জৰিয়তে ফলপ্ৰসূ আত্ম-প্ৰকাশ কৰিব পৰাকৈ শিশুক প্ৰস্তুত কৰি তোলা। শিশুৰ আত্ম-প্ৰকাশ (self expression) তিনিটা ভিন ভিন ধৰণে ঘটিব পাৰে। যেনেঃ গীত, অংগী-ভংগী (gestures) আৰু গঠন (construction)। এই তিনিটা হ'ল স্বাভাৱিক উপায়। এই উপায় তিনিটাৰে শিশুৱে নিজৰ

চিন্তা আৰু অনুভূতি নিজে নিজে প্ৰকাশ কৰিবলৈ শিকে। ফ্ৰ'বেলে তেওঁৰ শিক্ষা পদ্ধতিৰ আত্মপ্ৰকাশৰ বাবে অনুকূল সুবিধা সৃষ্টি কৰিছে। গীত গোৱা আৰু শৰীৰৰ মাংসপেশীৰ সঞ্চালনৰ মাজত আন্তঃসম্পৰ্ক আছে। ই শিশুক সৃজনশীলভাৱে আত্ম-প্ৰকাশ কৰাত সহায় কৰে।

পাঠ্যক্ৰম (Curriculum)

কিণ্ডাৰগার্টেন পদ্ধতিত কোনো ধৰা-বন্ধা পাঠ্যক্ৰম নাথাকে। এই পৰ্যায়ত কেৱল খেল-ধেমালিৰ যোগেদি শিশুৱে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰে। শিশুক কিণ্ডাৰগার্টেন ব্যৱস্থাৰে শিকাব খোজা বিষয় কেইটামান হ'ল— প্ৰকৃতিৰ ভৌতিক অধ্যয়ন, নৈতিক আৰু ধৰ্মীয় শিক্ষা, নাচ, ছবি আঁকা, ভাষা অধ্যয়ন, সমাজে অধ্যয়ন, প্ৰাকৃতিক বিজ্ঞান, কলা আৰু গণিত। ফ্ৰ'বেলে এই সকলোবোৰ বিষয়ৰ ভিতৰত গণিত অধ্যয়নৰ ওপৰত জোৰ দিছিল। তেওঁৰ মতে গণিতে মানুহৰ আধ্যাত্মিক শক্তিৰ বিকাশ ঘটাব আৰু 'সৰগীয় একতাৰ নীতি' উপলব্ধি কৰাত সহায় কৰিব পাৰে। শিশুৰ মনোবিজ্ঞান, শাৰীৰিক প্ৰয়োজন আৰু বিকাশৰ সম্ভাৱনীয়তাবোৰ চালি-জাৰি চাই এই বিষয়বোৰ পদ্ধতিটোত অন্তৰ্ভুক্ত কৰা হৈছিল। কিণ্ডাৰগার্টেন পদ্ধতিত শিকন প্ৰক্ৰিয়াটো তাত্ত্বিক নহয়, সম্পূৰ্ণ ব্যৱহাৰিক।

গীতৰ মাধ্যমেৰে দিয়া প্ৰশিক্ষণ (Training through songs)

ফ্ৰ'বেলৰ শিক্ষা পদ্ধতিত গীতক শিক্ষণৰ এটা প্ৰয়োজনীয় উপাদানৰ স্থান দিয়া হৈছে। ফ্ৰ'বেলে শিক্ষণৰ উদ্দেশ্যেৰে প্ৰয়োগ কৰা গীতবোৰক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়— 'মাতৃৰ ধেমালি (Mother's play) আৰু 'নার্চাৰী গীত' (Nursery songs)। তেওঁ এই গীত-মাতবোৰক শিশুক প্ৰশিক্ষণ দিয়াৰ সবাতোকৈ উপযোগী পন্থা বুলি বিবেচনা কৰিছিল। এনে গীতে শিশুৰ অনুভৱ আৰু আবেগৰ বিকাশ ঘটায়, শিশুক ইন্দ্ৰিয় অনুশীলনত সহায় কৰে, অংগ-প্ৰত্যংগ আৰু মাংসপেশী সঞ্চালন তথা নিয়ন্ত্ৰণ কৰিবলৈ শিকায়। এই গীত-মাতবোৰে শিশুক সিহঁতৰ শাৰীৰিক, মানসিক, আবেগিক আৰু নৈতিক প্ৰয়োজন বুজাত সহায় কৰিব পাৰে। এনে গীতৰ লগত 'লুকা-ভাকু'ৰ দৰে কিছুমান নার্চাৰী পৰ্যায়ৰ খেল-ধেমালিও যুক্ত কৰি দিয়া হৈছে।

নিয়মানুৱৰ্তিতা (Dicipline)

কিণ্ডাৰগার্টেন বিদ্যালয় পদ্ধতিত শিশুক স্বতঃস্ফূৰ্ত আত্ম-প্ৰকাশৰ বাবে প্ৰয়োজনীয় স্বাধীনতা দিয়া হয়। কিন্তু একে সময়তে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ দিশতো প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰা হয়। ফ্ৰ'বেলে বিশ্বাস কৰিছিল যে শিশুৰ আচৰণত আভ্যন্তৰীণ নিয়মানুৱৰ্তিতা সিহঁতৰ মনৰ ওপৰত নির্ভৰশীল। মনে সিহঁতৰ আচৰণত বাধা-নিষেধৰ বোধ এটাৰ জন্ম দিয়ে। আভ্যন্তৰীণ নিয়মানুৱৰ্তিতাই বাহ্যিক নিয়মানুৱৰ্তিতাৰ জন্ম দিয়ে আৰু শিশুৱে নিজৰ আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ শিকে। অৰ্থাৎ, কিণ্ডাৰগার্টেন বিদ্যালয়ত মানসিক নিয়মানুৱৰ্তিতা আৰু আত্ম-নিয়ন্ত্ৰণত অধিক গুৰুত্ব দিয়া হয়। দুয়োটাই হ'ল ব্যক্তিত্বৰ অন্তৰ্নিহিত বিষয়। শিশুক নিয়মানুৱৰ্তিতা অটুট নৰখাৰ বাবে কোনো ধৰণৰ বাহ্যিক তথা শাৰীৰিক শাস্তি প্ৰদান কৰা নহয়।

শিক্ষকৰ ব্যক্তিত্ব (Teacher's Personality)

আগতেই উল্লেখ কৰা হৈছে যে ফ্ৰ'বেলে তেওঁৰ শিক্ষা পদ্ধতিত শিক্ষকসকলক সৰ্বদা সষ্টম মালীৰ সৈতে তুলনা কৰিছে। তেওঁলোকৰ কাম হ'ল কুমলীয়া ফুলপুলিৰ তদাৰক কৰা। শিশুৰ পূৰ্ণ বিকাশত শিক্ষকসকলে সহায়কৰ গুৰুদায়িত্ব পালন কৰিব লাগে। কিন্তু তেওঁলোকে বিদ্যালয়ত কোনো শিশুৰে মুকলি কাম-কাজ তথা গতি-বিধিত হস্তক্ষেপ কৰিব নোৱাৰে। কিণ্ডাৰগার্টেন বিদ্যালয়ত শিক্ষকে ল'ৰা-ছোৱালীক নপঢ়ায়। তেওঁৰ দায়িত্ব হ'ল প্ৰতিটো শিশুৰে আচৰণ আৰু কার্য-কলাপ সাৱধানে নিৰীক্ষণ কৰা। 'উপহাৰ আৰু প্ৰধান কার্য'ত ব্যস্ত থকা সময়ত শিশুবোৰক নিৰীক্ষণ কৰা হয়। শিক্ষকে ল'ৰা-ছোৱালীক প্ৰয়োজন সাপেক্ষে দিহা-পৰামৰ্শ দিয়ে। নিজৰ স্বাধীনতাক কামত অহা ধৰণে ব্যৱহাৰ কৰিব নজনা শিশুক দিহা-পৰামৰ্শৰ প্ৰয়োজন হয়। এনে ধৰণে শিক্ষকে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীৰ আচৰণো নিয়ন্ত্ৰণ কৰিব পাৰে।

'উপহাৰ আৰু প্ৰধান কার্য'ৰ ব্যৱহাৰ (Use of gifts and occupation)

শিক্ষা জগতলৈ ফ্ৰ'বেলৰ আন এক গুৰুত্বপূৰ্ণ অৱদান হ'ল শিশুক শিক্ষা প্ৰদান কৰিবলৈ বিকশাই তোলা 'উপহাৰ আৰু প্ৰধান কার্য'ৰ ধাৰণাটো। তেওঁ কিছুমান খেলনা আৰু সামগ্ৰী বিকশাই তুলিছিল। এনে দুটামান আহিলা হ'ল— বিভিন্ন ৰঙৰ বল; বিভিন্ন আকাৰ আকৃতি আৰু ৰঙৰ কাঠৰ টুকুৰা ইত্যাদি। এই খেলৰ সামগ্ৰীবোৰৰ লগতে ফ্ৰ'বেলে ল'ৰা-ছোৱালীৰ বাবে কিছুমান 'কাম' উদ্ভাৱন কৰিছিল। যেনে— কাগজ কটা কাম, বোকামাটিৰে কৰা কাম, বাঁহেৰে কৰা কাম ইত্যাদি। এনে কার্যই শিশুক শাৰীৰিকভাৱে সক্ৰিয় আৰু বৌদ্ধিকভাৱে সৃজনশীল কৰি তোলে। এনে কার্যত দক্ষ হৈ পৰা শিশুৱে পাছলৈ কাগজৰ বিভিন্ন নক্সা-সামগ্ৰী তৈয়াৰ কৰা, বাস্কেট সজা, বাগিছা পতা, কাপোৰত ফুল তোলা ইত্যাদি কাম কৰিব পৰা হয়। এনে কাম-কাজে শিশুৰ সৃজনীশীল মন বিকশিত কৰাৰ লগতে অংগ সঞ্চালন দক্ষতাৰো বিকাশ ঘটায়। 'উপহাৰ আৰু প্ৰধান কার্য' অনুশীলনৰ উদ্দেশ্য হ'ল শিশুৰ মনত আকাৰ, আকৃতি, ৰং, গুণগত আৰু সামগ্ৰীৰ সংখ্যা বিষয়ক নানা ধাৰণাৰ বিকাশ ঘটোৱা।

সেয়েহে ক'ব পাৰি যে কিণ্ডাৰগার্টেন ব্যৱস্থাই বিজ্ঞানসন্মতভাৱে শিশুক শিক্ষা প্ৰদান কৰিব পৰা এটা কার্যকৰী পদ্ধতি সফলভাৱে যুগুত কৰি দিছে। ব্যৱস্থাটোৱে অতি সোনকালেই বিশ্বৰ শিক্ষাজগতৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছিল।



জানি থোৱা ভাল

ফ্ৰ'বেলৰ শিক্ষা দর্শন চাৰিটা মূল নীতিৰ ভিত্তিত প্ৰস্তুত কৰা হৈছিল ঃ মুক্ত আত্ম-প্ৰকাশ, সৃজনশীলতা, সামাজিক অংশগ্ৰহণ আৰু অংগ সঞ্চালনৰ প্ৰকাশ। তেওঁ বিদ্যালয়ত আনুষ্ঠানিকভাৱে নামভর্তি কৰাৰ কিছুসময় আগৰ ল'ৰা-ছোৱালীখিনিৰ প্ৰয়োজনীয়তাৰ ওপৰত মনোনিবেশ কৰিছিল। ফ্ৰ'বেলে এনে এক পৰিৱেশ সৃষ্টি কৰাৰ কথা ভাবিছিল য'ত ৪পৰা ৬ বছৰীয়া শিশুহঁতে সকলোধৰণৰ বাহ্যিক প্ৰভাৱৰ পৰা মুক্ত আৰু সুৰক্ষিতভাৱে বিকশিত হোৱাৰ সুযোগ পায়।

১৫.৬ ফ্ৰ'বেলৰ উপহাৰ আৰু প্ৰধান কাৰ্যৰ ধাৰণা

শিশু শিকনৰ ক্ষেত্ৰখনলৈ ফ্ৰ'বেলে এটা মৌলিক অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ শিক্ষাৰ কিণ্ডাৰগার্টেন ব্যৱস্থাটোলৈ 'উপহাৰ আৰু প্ৰধান কাৰ্য'ৰ (gift and occupation) আৰ্হি প্ৰস্তুত কৰি থৈ গৈছে। ফ্ৰ'বেলে বল আৰু বিভিন্ন আকাৰ-আকৃতি-ৰঙৰ কাঠৰ টুকুৰাক (block) 'উপহাৰ'(gift) নাম দিছিল। কাৰণ তেওঁৰ মতে এইবোৰ হ'ল শিশুৰ প্ৰয়োজন পূৰাব পৰা সবাতোকৈ উপযুক্ত উপহাৰ। তেওঁ এইবুলিও কৈছিল যে এই খেলনাবোৰ হ'ল 'ঈশ্বৰৰ উপহাৰ' (divine gift)। ঈশ্বৰে সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে এই উপহাৰবোৰ সৃষ্টি কৰিছে। ফ্ৰ'বেলে উপহাৰবোৰ ল'ৰা-ছোৱালীৰ বয়স অনুসৰি সাৱধানে ভাগ কৰিছিল আৰু সিহঁতৰ বৌদ্ধিক মান অনুসৰি ভগাই দিয়াৰ পৰামৰ্শ দিছিল। এই উপহাৰবোৰৰ সৈতে জড়িত কাৰ্য-কলাপবোৰকে 'প্ৰধান কাৰ্য' (Occupations) বুলি কোৱা হয়। এই উপহাৰবোৰৰ উদ্দেশ্য হ'ল শিশুৰ স্পৰ্শ আৰু দৰ্শন ইন্দ্ৰিয়বোৰক প্ৰশিক্ষণ দিয়া। উপহাৰবোৰ ব্যৱহাৰ কৰি শিশুৱে আকাৰ, আকৃতি, পৃষ্ঠা, ৰং, সংখ্যা আৰু গুণগত সম্পৰ্কে ধাৰণা কৰিবলৈ শিকে। উপহাৰবোৰ নিয়ন্ত্ৰণ কৰি থাকোতে শিশুৰ অংগ সঞ্চালন দক্ষতাৰ বিকাশ ঘটে। এনেকৈয়ে সিহঁতে বিভিন্ন কাম কৰাৰ প্ৰশিক্ষণ (Occupational training) লাভ কৰে। এইবোৰৰ উপৰি ফ্ৰ'বেলে কিণ্ডাৰগার্টেন পদ্ধতিত কিছুমান হস্তকলা অন্তৰ্ভুক্ত কৰিছিল। যেনে— কাগজ, ভাঁজ কৰা, কাগজ কটা, বোকামাটিৰে বিভিন্ন বস্তুৰ আৰ্হি তৈয়াৰ কৰা, বাস্কেট সজা, ঊণ গোঁঠা, কাপোৰত ফুল তোলা আৰু বাগিছা পতা আদি।

১৫.৬.১ উপহাৰ আৰু প্ৰধান কাৰ্যৰ শৈক্ষিক প্ৰয়োগ ফল

ফ্ৰ'বেলে কিণ্ডাৰগার্টেন শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা 'উপহাৰ আৰু প্ৰধান কাৰ্য'ৰ কেইবাটাও শৈক্ষিক প্ৰয়োগ ফল আছে। তলত এই প্ৰয়োগ ফলবোৰৰ বিশ্লেষণ আগবঢ়োৱা হ'ল—

- উপহাৰবোৰেৰে খেল-ধেমালি কৰি শিশুৱে নিজৰ ইন্দ্ৰিয়ক প্ৰশিক্ষণ দিব পাৰে আৰু সেইবোৰৰ পৰা প্ৰয়োজনীয় অভিজ্ঞতা আহৰণ কৰিব পাৰে।
- উপহাৰ আৰু প্ৰধান কাৰ্যবোৰৰ সহায়ত শিশুৰ মনত আকাৰ, আকৃতি, ৰং, গুণ আৰু সংখ্যাৰ বিষয়ে শুদ্ধ ধাৰণাৰ সৃষ্টি হয়।
- উপহাৰ আৰু প্ৰধান কাৰ্যবোৰৰ সহায়ত শিশুৱে চিন্তা কৰা, যুক্তি প্ৰয়োগ কৰা আৰু সমস্যা সমাধান কৰাৰ দৰে সৃজনশীল ক্ষমতাবোৰ বিকশাই তুলিব পাৰে।
- উপহাৰ আৰু প্ৰধান কাৰ্যবোৰে শিশুক শাৰীৰিক আৰু অংগ সঞ্চালন দক্ষতাৰ লগতে সৃজনশীল দক্ষতাবোৰৰ বিকাশ ঘটোৱাত সহায় কৰে।
- শিশুৰ নিজস্ব অনুসন্ধিৎসু মন আৰু কাম কৰাৰ গঠনমূলক সামৰ্থৰ বিষয়ে বিবেচনা কৰি এই উপহাৰ আৰু প্ৰধান কাৰ্যবোৰ প্ৰস্তুত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ উপহাৰ মানে কি?

.....

.....

প্ৰশ্ন নং ৬ঃ 'প্ৰধান কাৰ্য' মানে কি?

.....

.....



জানি থোৱা ভাল

ফ্ৰ'বেলৰ কিণ্ডাৰগার্টেন শিক্ষা ব্যৱস্থাৰ প্ৰধান লক্ষ্যবোৰ হ'ল—

- শাৰীৰিক কাৰ্য-কলাপ বৃদ্ধি
- ইন্দ্ৰিয় সজাগতা আৰু শাৰীৰিক দক্ষতা বৃদ্ধি
- সৃজনশীল অভিব্যক্তিৰ বিকাশ
- নতুন ধাৰণা আৰু চিন্তাৰ অন্বেষণ
- গীত গোৱাৰ আনন্দ প্ৰদান
- অইনৰ সৈতে মিলিজুলি থকাৰ অভিজ্ঞতা প্ৰদান
- আত্মাৰ সন্তুষ্টি।

১৫.৭ আধুনিক শিক্ষালৈ ফ্ৰ'বেলৰ অৱদান

ঊনবিংশ শতিকাৰ মাজভাগত ফ্ৰ'বেলে বিকশাই তোলা শৈক্ষিক নীতিবোৰে আজি একবিংশ শতিকাতো শিক্ষাৰ বহুল ব্যৱহৃত পদ্ধতি আৰু অনুশীলনৰূপে আধিপত্য বিস্তাৰ কৰি আছে। বহুতো গৱেষকে একেমুখে স্বীকাৰ কৰিছে যে বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে কিণ্ডাৰগার্টেন পদ্ধতিটোৱেই হ'ল শিশু শিক্ষাৰ সৰ্বোত্তম পদ্ধতি। ফ্ৰ'বেলৰ শৈক্ষিক নীতিবোৰে বৰ্তমান যুগৰ শৈক্ষিক চিন্তাবিদসকলকো গভীৰভাৱে প্ৰভাৱিত কৰে। তেওঁলোকে এই নীতিবোৰৰ আধাৰতে নিজস্ব চিন্তা-চৰ্চাৰে শিশু শিক্ষাৰ পৃষ্ঠপোষকতা কৰি আছে। আমি ফ্ৰ'বেলৰ আধুনিক শিক্ষালৈ আগবঢ়োৱা অৱদানবোৰক তলৰ শিতানবোৰত ভগাই লৈ আলোচনা কৰিব পাৰো—

শিশুৰ শিক্ষাৰ কৰণসাধ্য পদ্ধতি (Workable method of children education)

শিশুৰ শিকন আৰু বিকাশৰ এটা কৰণসাধ্য পদ্ধতি বিকশাই তোলা ফ্ৰ'বেল আছিল প্ৰথমগৰাকী শিক্ষাবিদ। ফ্ৰ'বেলৰ কিণ্ডাৰগার্টেন পদ্ধতিটোৱে শিশু শিক্ষাৰ জগতখনত এক নতুন ধাৰণা আৰু এক নতুন দিশ মুকলি কৰিছিল। ই সৰ্বকালৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

খেল-ধেমালিৰ ধাৰণা (Concept of play) ঃ

ফ্ৰ'বেলেই শিশু শিক্ষাৰ এক মাধ্যম হিচাপে খেল-ধেমালিৰ ফলপ্ৰসূ প্ৰয়োগ আৰম্ভ কৰিছিল। তেওঁ জোৰ দি কৈছিল যে খেল-ধেমালিৰ জৰিয়তেহে শিশুৰ আত্ম-প্ৰকাশৰ দক্ষতা স্বতঃস্ফূৰ্তভাৱে বিকশিত হয়। খেল-ধেমালিয়ে শিশুক স্বাধীনতাৰ আনন্দ তথা শাৰীৰিক আৰু মানসিক বিকাশৰ সুযোগ দিয়ে। শিশুৰ খেল-ধেমালি বিষয়ক ফ্ৰ'বেলৰ আদৰ্শবোৰে আধুনিক শিক্ষালৈ বৈপ্লৱিক পৰিৱৰ্তন আনিছিল।

উপহাৰ আৰু প্ৰধান কাৰ্য (Gift and Occupation)

ফ্ৰ'বেলে শিশু শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা সৃজনশীল প্ৰতিভাৰ আন এক অনন্য উদাহৰণ হ'ল স্ব-ক্ৰিয়া তথা স্ব-শিকনক অনুপ্ৰাণিত কৰা 'উপহাৰ আৰু প্ৰধান কাৰ্য'ৰ ধাৰণা। 'উপহাৰ আৰু প্ৰধান কাৰ্য'ৰ শিক্ষামূলক প্ৰয়োগে শিক্ষাক কাৰ্য-কলাপ কেন্দ্ৰিক কৰি তোলাৰ লগতে এক নতুন অৰ্থ আৰু নতুন উপলব্ধি প্ৰদান কৰিছে। এই উপহাৰবোৰৰ জৰিয়তে শিশুৰ হাতে-কামে শিকন নীতিটোক এটা বিজ্ঞানসন্মত আধাৰ দিয়া হৈছে।

ছন্দোবদ্ধ অভিব্যক্তি প্ৰকাশ (Rhythmic expression)

ফ্ৰ'বেলে শিশুৰ স্বতঃস্ফূৰ্ত আৰু ছন্দোবদ্ধ প্ৰকৃতিটো গভীৰভাৱে বুজি পাইছিল। সেয়েহে তেওঁ নিজৰ শিক্ষা পদ্ধতিত গীত গোৱা, নচা আৰু সংগীতৰ ব্যৱহাৰেৰে সিহঁতৰ আত্মপ্ৰকাশ আৰু বিকাশৰ পথ সুচল কৰি দিবলৈ প্ৰয়োজনীয় অৱকাশ সৃষ্টি কৰি দিছিল। এইবোৰ হ'ল শিশুৰ মনৰ প্ৰকৃত স্বভাৱ আৰু প্ৰয়োজনীয়তা বুজাৰ অনুপ্ৰেৰণাদায়ক উৎস।

ইন্দ্ৰিয় প্ৰশিক্ষণ (Sense training)

খেলৰ আহিলাৰ জৰিয়তে ইন্দ্ৰিয় প্ৰশিক্ষণৰ কৰণসাধ্য তথা বিজ্ঞানসন্মত পদ্ধতি উদ্ভাৱন কৰা ফ্ৰ'বেল হ'ল প্ৰথমগৰাকী শিক্ষাবিদ। তেওঁ মানসিক প্ৰশিক্ষণৰ বাবে শিশুৰ ক্ৰমে জটিলতৰ হৈ পৰা মনবোৰৰ কথা বিবেচনা কৰি খেলৰ সামগ্ৰীবোৰৰ আৰ্হি প্ৰস্তুত কৰিছিল। তেওঁৰ এই ইন্দ্ৰিয় প্ৰশিক্ষণৰ বিজ্ঞানসন্মত ধাৰণাটো পৰৱৰ্তী সময়ত মাৰিয়া মণ্টেচৰীয়ে আৰু অধিক বিকশিত কৰি নিজৰ শিক্ষা পদ্ধতিত অন্তৰ্ভুক্ত কৰিছিল।

আদৰ্শ পৰিৱেশৰ প্ৰয়োজনীয়তা (Need of ideal environment)

শিশুৰ স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক বিকাশৰ বাবে এক আদৰ্শ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাক লৈ ফ্ৰ'বেল যথেষ্ট সচেতন আছিল। তেওঁৰ মতে আদৰ্শ পৰিৱেশ এটা সুন্দৰ, আনন্দমুখৰ আৰু খেল-ধেমালিৰ সুযোগ থকা হ'ব লাগে। তেওঁ নিজৰ কিণ্ডাৰগার্টেন (অথবা 'শিশুৰ বাগিছা') বিদ্যালয়ত এনে পৰিৱেশ গঢ়ি তুলিছিল। তেওঁ নিজৰ উত্তৰসুৰি শিক্ষাবিদসকলক অনুসৰণযোগ্য শিশু শিক্ষাৰ এক মৌলিক তথা আদৰ্শ পথ দেখুৱাই থৈ গৈছে।

শিশুৰ সৃজনশীলতা (Creativity of Children)

ফ্ৰ'বেলে লক্ষ্য কৰিছিল যে শিশুৰ প্ৰকৃতি হ'ল সৃজনশীল আৰু গঠনমূলক। তেওঁ

এইবুলি মত পোষণ কৰিছিল যে শিশুৱে নিজৰ সৃজনশীলতাৰ জৰিয়তে আত্ম-প্ৰকাশ আৰু বিকাশ লাভ কৰে। এই সৃজনশীলতাই শিশুক নিজৰ অস্তিত্ব সম্পৰ্কে আত্ম-উপলব্ধি কৰাত সহায় কৰে। ফ্ৰ'বেলে এনে সৃজনশীল আত্ম-প্ৰকাশৰ সবাতোকৈ ফলপ্ৰসূ মাধ্যম হিচাপে 'উপহাৰ আৰু প্ৰধান কাৰ্য'বোৰ প্ৰয়োগ কৰিছিল। এই নীতি পৰৱৰ্তী সময়ত অন্য শিক্ষাবিদসকলে ব্যৱহাৰ কৰি নিজ নিজ শিশু শিক্ষা পদ্ধতি বিকশাই তুলিছিল।

দাৰ্শনিক ভিত্তি (Philosophical basis)

ফ্ৰ'বেলৰ শিক্ষাই এই কথা স্পষ্ট কৰি দিছিল যে শিক্ষা এটা সুস্থ দাৰ্শনিক নীতিৰ ওপৰত আধাৰিত হ'ব লাগে। তেওঁৰ শৈক্ষিক দৰ্শনক দুটা প্ৰধান আদৰ্শই প্ৰভাৱিত কৰিছিল— বিশ্ব-ব্ৰহ্মাণ্ডৰ ঐক্য (Unity of the universe) আৰু বিকাশৰ তত্ত্ব (Theory of development)। ঈশ্বৰৰ শ্বাশ্বত শক্তি পৃথিৱীৰ সকলোতে আৰু প্ৰতিটো সত্ত্বাতে বিৰাজমান বুলি প্ৰচলিত ধাৰণাটোত বিশ্বাস স্থাপন কৰা ফ্ৰ'বেলে শিক্ষাত এক আধ্যাত্মিক প্ৰমূল্যৰ সৃষ্টি কৰিছিল। তেওঁৰ আদৰ্শবাদী দৰ্শনে আধুনিক শিক্ষাক মানুহৰ বৈষয়িক তথা জৈৱিক প্ৰয়োজনৰ উৰ্দ্ধলৈ লৈ গৈছে। তেওঁৰ শিক্ষাত প্ৰতীক ব্যৱহাৰৰ ধাৰণাটোৱে আধুনিক শিক্ষাক এক নতুন দৃষ্টিভংগী প্ৰদান কৰিছে। ফ্ৰ'বেলৰ দৰে দাৰ্শনিক শিক্ষাবিদৰ সংখ্যা দুৰ্লভ।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে ফ্ৰ'বেলৰ চিন্তা আৰু আদৰ্শবোৰ সময়তকৈ যথেষ্ট আগবঢ়া আছিল। তেওঁৰ দাৰ্শনিক চিন্তা আৰু শৈক্ষিক নীতিবোৰ ইমানেই আধুনিক যে সেইবোৰ অতীতকৈ বৰ্তমান সময়তহে অধিক অৰ্থবহ আৰু উপযোগী হৈ পৰিছে।



১৫.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ১৭৮২চনৰ ২১এপ্ৰিলত থুৰিনগিয়াৰ অ'বেৰৱেইছবাখ্‌ত ফ্ৰেডৰিখ্‌ বিলহাম অগষ্ট ফ্ৰ'বেলৰ জন্ম হৈছিল। তেওঁ আছিল এগৰাকী জাৰ্মান শিক্ষাবিদ। পেষ্টালজী আছিল তেওঁৰ শিক্ষক। ল'ৰা-ছোৱালীৰ বিশেষ প্ৰয়োজনীয়তা আৰু সমৰ্থ থাকে— এই উপলব্ধিৰ আধাৰত ফ্ৰ'বেলে আধুনিক শিক্ষাৰ বুনিয়াদ গঢ়িছিল।
- তেওঁৰ শিক্ষাৰ দৰ্শনক 'চৰম আদৰ্শবাদ' বুলিও অভিহিত কৰা হয়।
- ফ্ৰ'বেলৰ শৈক্ষিক আদৰ্শ দুটা গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আধাৰিত। দিশ দুটা হ'ল— অনৈক্যৰ মাজত ঐক্যৰ নীতি আৰু বিকাশৰ তত্ত্ব।
- ফ্ৰ'বেলে বিশ্বাস কৰিছিল যে ঈশ্বৰ হ'ল এক অবিচ্ছেদ্য পৰম শক্তি। এই শক্তিয়ে পৃথিৱীৰ সকলো বস্তুকে দিক্-নিদেৰ্শনা দিয়ে। ইয়াকে মানুহে 'সৰগীয় ঐক্যৰ নীতি' (Law of divine unity) বোলে। এই নীতিৰ আধাৰত ফ্ৰ'বেলে আন এক নীতি বিকশাই তুলিছিল। ফ্ৰ'বেলৰ নীতি অনুসৰি মানুহ ,প্ৰকৃতি আৰু ঈশ্বৰৰ মাজত ঐক্য বিৰাজমান।

- শিশুৰ আভ্যন্তৰীণ স্বতঃস্ফূৰ্ত স্ব-বিকাশ শিশু শিক্ষাৰ ভেটি হোৱা উচিত বুলি ফ্ৰ'বেলে মত পোষণ কৰিছিল। তেওঁ শিশুৰ বিকাশক গছপুলি এটাৰ বিকাশৰ সৈতে তুলনা কৰিছিল। কাৰণ, ফ্ৰ'বেলৰ মতে শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশে গছ বঢ়াৰ দৰে এটা স্বাভাৱিক প্ৰক্ৰিয়া অনুসৰণ কৰে।
- ফ্ৰ'বেলৰ দৰ্শনত অন্তর্নিহিত শৈক্ষিক নীতিবোৰৰ কিছুমান উল্লেখনীয় বৈশিষ্ট্য হ'ল— আভ্যন্তৰীণ সত্বাৰ বিকাশ, খেল-ধেমালিৰ জৰিয়তে শিক্ষা, স্ব-ক্ৰিয়াৰ নীতি, শিক্ষাত স্বাধীনতা, সামাজিক শিক্ষা, প্ৰকৃতি অধ্যয়ন, নৈতিক আৰু ধৰ্মীয় শিক্ষা, শিক্ষাৰ সৃজনশীলতা, ইন্দ্ৰিয় প্ৰশিক্ষণ আৰু প্ৰতীকবাদ।
- 'কিণ্ডাৰগার্টেন' হ'ল এটা জার্মান শব্দ। ইয়াৰ অর্থ হ'ল 'শিশুৰ বাগিছা'। তেওঁ বিদ্যালয়ক এখন ধুনীয়া বাগিছাৰ সৈতে তুলনা কৰিছিল। সৰু সৰু ল'ৰা-ছোৱালীবোৰ হ'ল কুমলীয়া ফুলপুলি। সিহঁতৰ যত্ন লোৱা শিক্ষকসকলক তেওঁ মালীৰ সৈতে তুলনা কৰিছিল।
- শিক্ষাৰ কিণ্ডাৰগার্টেন পদ্ধতিৰ প্ৰধান উদ্দেশ্য আছিল খেল-ধেমালিৰ জৰিয়তে শিশুৰ নিজস্ব আৰু স্বাভাৱিক প্ৰৱণতাবোৰ স্বতঃস্ফূৰ্তভাৱে বিকশিত হোৱাত সহায় কৰা; স্ব-ক্ৰিয়াৰ জৰিয়তে ফলপ্ৰসূ আত্ম-প্ৰকাশত শিশুক সহায় কৰা।
- কিণ্ডাৰগার্টেন বিদ্যালয়ত শিশুক শিকোৱা বিষয়বোৰ হ'ল— প্ৰকৃতিৰ ভৌতিক অধ্যয়ন, নৈতিক আৰু ধৰ্মীয় শিক্ষা, নাচ, ছবি আঁকা, ভাষা অধ্যয়ন, সমাজ অধ্যয়ন, প্ৰাকৃতিক বিজ্ঞান, কলা আৰু গণিত।
- ফ্ৰ'বেলৰ মতে শিশুক প্ৰশিক্ষণ দিয়াৰ এটা সর্বাধিক ফলপ্ৰসূ উপায় হ'ল গীত। গীতৰ জৰিয়তে শিশুৱে নিজৰ অনুভূতি আৰু আবেগ প্ৰকাশ কৰিব পাৰে।
- কিণ্ডাৰগার্টেন বিদ্যালয়ত মানসিক নিয়মানুৱর্তিতা তথা মনৰ ভিতৰত ওপজা স্ব-বাধাক অধিক গুৰুত্ব আৰোপ কৰা হয়। শিশুৱে নিয়মানুৱর্তিতা ভংগ কৰিলে কোনো বাহ্যিক শাৰীৰিক শাস্তি নাপায়।
- কিণ্ডাৰগার্টেন শিক্ষা ব্যৱস্থাত শিক্ষকৰ প্ৰধান ভূমিকা হ'ল ছাত্ৰ-ছাত্ৰীক সহায় কৰা। যেতিয়া শিশুৱে নিজৰ স্বাধীনতাৰ ফলপ্ৰসূ ব্যৱহাৰ কৰিবলৈ অসমর্থ হয়, তেতিয়া শিক্ষকে প্ৰয়োজন অনুসৰি সিহঁতক দিক-নিদেৰ্শনা দিব লাগে।
- শিক্ষাৰ ক্ষেত্ৰখনত ফ্ৰ'বেলে প্ৰয়োগ কৰা এটা বিশেষ ধাৰণা হ'ল শিশুক শিক্ষা দিবলৈ থকা 'উপহাৰ আৰু প্ৰধান কার্য'ৰ ব্যৱহাৰ। তেওঁ কিছুমান খেলনা আৰু সামগ্ৰী উদ্ভাৱন কৰিছিল। এইবোৰৰ ভিতৰত আছিল বিভিন্ন ৰঙৰ বল আৰু বিভিন্ন আকাৰ-আকৃতি তথা ৰঙৰ কাঠৰ টুকুৰা।
- ফ্ৰ'বেলৰ চিন্তা আৰু আদর্শবোৰ যথেষ্ট আগবঢ়া আছিল। তেওঁৰ দার্শনিক চিন্তা আৰু শৈক্ষিক নীতিবোৰ ইমানেই আধুনিক যে সেইবোৰ অতীতকৈ বর্তমান সময়তহে আগতকৈ অধিক অর্থবহ আৰু উপযোগী হৈ পৰিছে।



১৫.৯ অধিক জানিবলৈ

১) Aggarwal, J.C (2006): *Theory and Principles of Education*, Vikas Publishing House, New Delhi.

২) Bhatia, K.K (2004): *Foundation of Education*, Kalyani Publishers, Ludhiana.

৩) Kumar. Dr. Pradeep. T (2011): *Great Philosophers of Education*, APH Publishing Corporation, New Delhi

৪) Safaya, R. and Shaida, B.D.(2003):*Modern Theory and Principles of Education*, Dhanpat Co. New Delhi.



১৫.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ফ্ৰেডৰিখ্ ৱিলহাম অগষ্ট ফ্ৰ'বেল আছিল এগৰাকী জার্মান শিক্ষাবিদ। তেওঁ পেষ্টালজীৰ ছাত্ৰ আছিল। ল'ৰা-ছোৱালীৰ একক প্ৰয়োজন আৰু সমৰ্থ থাকে— এই উপলব্ধিৰ আধাৰত ফ্ৰ'বেলে আধুনিক শিক্ষাৰ বুনিয়াদ গঢ়িছিল।

২ নং প্ৰশ্নৰ উত্তৰঃ ফ্ৰ'বেলৰ শৈক্ষিক দর্শন দুটা গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আধাৰিত। দিশ দুটা হ'ল— অনৈক্যৰ মাজত ঐক্য নীতি আৰু বিকাশৰ তত্ব।

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) আদর্শবাদৰ দর্শন

(খ) চৰম আদর্শবাদ

৪ নং প্ৰশ্নৰ উত্তৰঃ স্বাধীনতা আৰু আত্ম-বিকাশৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে বুলি ফ্ৰ'বেলে মত প্ৰকাশ কৰিছিল। বাহ্যিক প্ৰভাৱৰ পৰা মুক্ত নহ'লে শিশুৰ স্বাভাৱিক বিকাশ নঘটে। স্বাধীনতাই শিশুক আত্ম-প্ৰকাশ আৰু আত্ম-উপলব্ধিৰ বাবে অনুকূল পৰিৱেশ গঢ়ি দিয়ে। সেয়েহে শিশুৰ স্বাধীন কাম-কাজত কোনো ধৰণৰ বাধ্য বাধকতা আৰোপ কৰা উচিত নহয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ বল তথা বিভিন্ন আকাৰ-আকৃতি আৰু ৰঙৰ কাঠৰ টুকুৰাক ফ্ৰ'বেলে 'উপহাৰ' বুলি কৈছিল। তেওঁৰ মতে এইবোৰ হ'ল শিশুৰ প্ৰয়োজন পূৰাব পৰা সবাতোকৈ উপযুক্ত উপহাৰ।

৬ নং প্ৰশ্নৰ উত্তৰঃ 'উপহাৰ' হিচাপে চিনাক্ত কৰা সামগ্ৰীবোৰৰ সৈতে যুক্ত কাৰ্য-কলাপকে 'প্ৰধান কাৰ্য' বুলি কোৱা হয়।



১৫.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ অনৈক্যৰ মাজত ঐক্য নীতি বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ বিকাশৰ তত্ব মানে কি?

প্ৰশ্ন ৩ঃ 'কিণ্ডাৰগার্টেন' শব্দটোৰ অর্থ কি?

প্ৰশ্ন ৪ঃ শিশুৰ আত্ম-প্ৰকাশ কৰাৰ পন্থা তিনিটা কি কি?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ফ্ৰ'বেলে আগবঢ়োৱা সামাজিক শিক্ষাৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ 'উপহাৰ' আৰু 'প্ৰধান কাৰ্য'বোৰ কি?

প্ৰশ্ন ৩ঃ ফ্ৰ'বেলৰ শিক্ষাৰ কিণ্ডাৰগার্টেন পদ্ধতিত শিক্ষকে কেনেধৰণৰ ভূমিকা পালন কৰে?

প্ৰশ্ন ৪ঃ 'উপহাৰ' আৰু 'প্ৰধান কাৰ্য'বোৰৰ শৈক্ষিক প্ৰয়োগ ফলবোৰ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক—

প্ৰশ্ন ১ঃ ফ্ৰ'বেলৰ শৈক্ষিক নীতিবোৰ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ শিক্ষাৰ কিণ্ডাৰগার্টেন পদ্ধতিত অন্তর্নিহিত মৌলিক গঠনমূলক বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ আধুনিক শিক্ষালৈ ফ্ৰ'বেলৰ অৱদান বহলাই ব্যাখ্যা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

কিতাপ ঃ

ডেকা, বীৰেন্দ্ৰ ঃ শিক্ষাতত্ত্ব, বনলতা প্ৰকাশন, পানবজাৰ, গুৱাহাটী

বৰুৱা, যতীন ঃ শিক্ষাতত্ত্ব অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী

দাস, লক্ষ্যহীৰা ঃ সম্পূৰ্ণ শিক্ষা, সংগম প্ৰকাশন, গুৱাহাটী

ডেকা, ড° কন্দৰ্প;

শৰ্মা, ড° মুকুন্দ ঃ আধুনিক শিক্ষা তত্ত্ব আৰু শিক্ষা নীতি,

চক্ৰৱৰ্তী, ড° আভা অসম বুক ডিপ', গুৱাহাটী-১

দেৱী, ড° ৰেণু ঃ শিক্ষাৰ দাৰ্শনিক আৰু সামাজিক তত্ত্ব অধ্যয়ন, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন

দাস, লক্ষ্যহীৰা ঃ সম্পূৰ্ণ শিক্ষা, সংগম প্ৰকাশন, গুৱাহাটী

ডেকা, ড° কন্দৰ্প;

শৰ্মা, ড° মুকুন্দ ঃ আধুনিক শিক্ষা তত্ত্ব আৰু শিক্ষা নীতি,

চক্ৰৱৰ্তী, ড° আভা অসম বুক ডিপ', গুৱাহাটী-১

দেৱী, ড° ৰেণু ঃ শিক্ষাৰ দাৰ্শনিক আৰু সামাজিক তত্ত্ব অধ্যয়ন, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন

English Books:

1) 'The selected worked of Gandhi' vol 6 http://www.gandhishramsevageam.org/on-education

2] Mahatma Gandhi : Anne schttaff.SADDLEBACK EDUCATIONAL PUBLICATION.

3] Three wastern, Irvine, CA92618-2767

4) Aggarwal,J.C (2006): *Theory and Principles of Education*, Vikas Publishing House, New Delhi.

5) Bhatia, K.K (2004): *Foundation of Education*, Kalyani Publishers, Ludhiana.

6) Kumar. Dr. Pradeep. T (2011): *Great Philosophers of Education*, APH Publishing Corporation, New Delhi.

7) Safaya,R. and Shaida, B.D.(2003):*Modern Theory and Principles of Education*, Dhanpat Co. New Delhi.

*** ***** ***